কটন কলেজ

সোণোৱালী সোঁৱৰণী

সম্পাদনা

জগদীশ দত্ত

এপোকাছ্ (APPOCCUS)
কটন কলেজ, গুৱাহাটী

Cotton College...
A Collection of articles contributed by Prominent Ex Cottonians and wellwishers edited by Sri Jagadish Dutta, Published by Association of Past and Present Offices-Bearers of cotton College Union Society (APPOCCUS) Cotton College, Guwahati, Assam-781001, First Edition, 31th May, 2009

Price Rs. 200.00 (Two Hundred) only

সম্পাদনা
জগদীশ দত্ত

প্ৰকাশক
এপোকাছ্ (APPOCCUS)

প্ৰথম প্ৰকাশ
৩১ মে' ২০০৯

APPOCCUS
ভুবন ৰাম দাস ভৱন
কটন কলেজ, গুৱাহাটী, অসম-৭৮১০০১

বেটুপাত
মনজিৎ ৰাজখোৱা
আৰ্হি পাঠক
অমল কৃষ্ণ ভৱালী

অৰিহণা
২০০.০০ (দুশ) টকা মাত্ৰ

মুদ্ৰক
ভৱানী অফ্ছেট এণ্ড ইমেইজিং চিষ্টেমচ্ প্ৰাঃ লিঃ
ৰাজগড় ৰোড, লাচিত লেন, গুৱাহাটী-৭৮১০০৭

অধ্যক্ষৰ একাষাৰ

কটন কলেজৰ বাস্তৱ ৰূপদান ঘটে ২৭ মে', ১৯০১ চনত। কলেজখনৰ স্থাপনৰ অন্তৰালত অসমৰ বিশেষ কিছুমান বৰেণ্য পুৰুষৰ নিঃস্বাৰ্থ সেৱা আমি সোঁৱৰিছোঁ।

কটন কলেজ স্থাপনৰ বহু বছৰ পিছত কটন কলেজৰ ছাত্ৰ একতা সভা গঠিত হয়। কলেজখনৰ ছাত্ৰ একতা সভাই অতীতৰে পৰা বৰ্তমানলৈকে সমাজৰ সকলো সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি সেৱা আগবঢ়াই অহাটো আমি অস্বীকাৰ কৰিব নোৱাৰোঁ। ছাত্ৰ একতা সভাৰ গুৰুত্ব যে কিমান গভীৰ সেইটো উত্তৰ পূৰ্ব্বাঞ্চলৰ শিক্ষা-সংস্কৃতি, সমাজসেৱা, ক্ৰীড়া আদি দিশত চকু ফুৰালেই সহজতে উপলব্ধি কৰিব পাৰি। অবিভক্ত অসমৰ শিক্ষা, সংস্কৃতি, শিল্প, ক্ৰীড়া, সমাজসেৱা আদি সকলো বিষয়তেই কটন কলেজ ছাত্ৰ একতা সভাৰ গৌৰৱোজ্জ্বল মহিমা আছে।

আজি একবিংশ শতিকাৰ প্ৰথম দশকত বিশ্বায়নৰ পটভূমিত কটন কলেজে শিক্ষা জগতত নতুনকৈ চিন্তা-চৰ্চা কৰিবলগীয়া হোৱাত ছাত্ৰ একতা সভাৰ নতুন আৰু পুৰণি বিষয়-ববীয়াসকলে পদক্ষেপ গ্ৰহণ কৰাটো অতি গৌৰৱৰ বিষয়। বিশ্বায়নৰ পৰিপ্ৰেক্ষিতত কটন কলেজে শিক্ষা জগতত কেনেধৰণে আগবাঢ়িব সেই বিষয়ে চিন্তা কৰিলে আৰু তাৰ বাস্তৱ ৰূপদানে সম্ভৱতঃ একবিংশ শতিকাত কটন কলেজে আগভাগ ল'বলৈ নিশ্চয় সক্ষম হ'ব।

শিক্ষা জগতত এনেকুৱা পদক্ষেপৰ পৰিপ্ৰেক্ষিততে শিক্ষা বিষয়ক গ্ৰন্থৰ প্ৰকাশ উত্তৰ পুৰুষৰ বাবে বিশ্লেষণৰ পাথেয় হ'ব বুলি মোৰ দৃঢ় বিশ্বাস। 'উচ্চ শিক্ষা' গ্ৰন্থখনত শিক্ষা বিষয়ৰ নানা প্ৰবন্ধৰ মাজেৰে শিক্ষাৰ নানা কথা আৰু বিশ্লেষণ প্ৰকাশ পাব। 'গল্প আৰু গল্প' শীৰ্ষক গল্প সংকলনত মানৱ জীৱনৰ প্ৰতিফলনে সমাজকো সাঙুৰি আত্মপ্ৰকাশ কৰিব বুলি আশা কৰিব পাৰি। মানৱ মন, সমাজ আৰু ব্যক্তিৰ সমস্যা আদিয়েই গল্পৰ লাইখুঁটা যাক আশ্ৰয় কৰি কাব্যোপম ৰসাল বিষয় বস্তুৰ আধাৰত গল্পত নিসৃত হয়। সাহিত্য জগতত গল্প-সংকলনখনো অনবদ্য অৱদানৰূপে স্বীকৃত হ'ব। 'সাহিত্য, সংস্কৃতি,

আৰু অন্যান্য প্ৰবন্ধ' শীৰ্ষক তৃতীয়খন গ্ৰন্থ সাহিত্য-সংস্কৃতিমূলক প্ৰবন্ধৰ সমাহাৰ। গ্ৰন্থখনে আমাৰ জাতীয় সাহিত্য-সংস্কৃতিক বাৰুকৈয়ে প্ৰতিফলিত কৰিব বুলি বিশ্বাস। 'কটন কলেজ সোণোৱালী সোঁৱৰণী' নামৰ স্মৃতি-ৰোমন্থন গ্ৰন্থখন ভূত আৰু সামীপ্যভূতৰ স্মৃতিমূলক কথাবোৰ পৰিপূৰ্ণ ৰূপত আত্মপ্ৰকাশ কৰিব। ক'বলৈ গ'লে শিক্ষা, সমাজত মানৱ মনৰ প্ৰতিফলন, সাহিত্য, কৃষ্টি-সংস্কৃতি আদি দিশত এই গ্ৰন্থবোৰে বিশেষ দায়িত্বৰ সাক্ষী হিচাবে পৰিগণিত হ'ব আৰু স্মৃতি-ৰোমন্থনৰ আঁৰে আঁৰে অতীতৰ বিশ্লেষণে ভৱিষ্যতৰ দিশ নিৰূপণত সহায় কৰিব।

প্ৰকাশ কৰিবলৈ লোৱা চাৰিখন গ্ৰন্থ আৰু স্মৰণিকাখনে একবিংশ শতিকাৰ শুভ মুহূৰ্ত্তত কাৰ্যাৰম্ভৰ বাৰ্তাবাহী ৰূপে পৰিগণিত হোৱাৰ উপৰি ভৱিষ্যতলৈ কটন কলেজৰ ন-পুৰণি ছাত্ৰ একতা সভাৰ সফল প্ৰচেষ্টাৰ সাক্ষ্যৰূপে জিলিকি থাকিব।

ন-পুৰণি ছাত্ৰ একতা সভাৰ বৃহৎ প্ৰচেষ্টা সদায় ফলৱতী হওঁক- এয়ে মোৰ একমাত্ৰ প্ৰাৰ্থনা ভগৱন্তৰ পদ-যুগলত।

ড° ইন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য
অধ্যক্ষ, কটন কলেজ, গুৱাহাটী-১

সম্পাদকীয়

আমি দুচকুৰে দেখা পৃথিবীখনেই পৰিপূৰ্ণ প্ৰকৃত পৃথিবীখন নহয়। আচলতে দেখি-শুনি-বুজি যিখন পৃথিবী আমি অনুভৱ কৰিব পাৰোঁ সেইখন পৃথিবীয়েই আমাৰ বাবে সুন্দৰ আৰু মোহনীয়। পৃথিবীখনৰ সুন্দৰ আৰু মোহনীয় ৰূপ উপভোগ কৰিবলৈ অন্তৰ্দৃষ্টিৰ দৰকাৰ। সেই দৃষ্টিবো থাকে ডেউকা কোবোৱা অনুভৱ, সূক্ষ্ম বোধশক্তি আৰু তাতোকৈয়ো সুন্দৰ এটি মন।

এয়াই যেন কটনিয়ান— যাৰ আছে ডেউকা কোবোৱা অনুভৱ, সূক্ষ্ম দৃষ্টি আৰু বোধশক্তিৰে এটা সুন্দৰ মন। আলোকৰ অবিৰত যাত্ৰাপথত একেলগে কেইবাটিও বসন্ত অতিবাহিত কৰা সহযাত্ৰী কটনিয়ানসকলে আজিও অনুভৱ কৰে কলেজীয়া বন্ধুৰ অভাৱ। অহংকাৰ সমৃদ্ধ মোহাচ্ছন্ন হ'লেও যেন ক'ব খোজোঁ— অমানুহৰ পৃথিবীত মানুহ হৈ আছে কটনিয়ান, নিৰন্ধ্ৰ এন্ধাৰৰ মাজতো উজলি আছে কটনিয়ান কুঁৱলীসনা একোটা দোকমোকালি হৈ। অত্যাচাৰৰ পৃথিবীত আজিও কটনিয়ান একোটা বিদ্ৰোহী কবিতা।

তেজোদ্দীপ্ত সাহস আৰু দোকোল-টকা প্ৰত্যয়েৰে এদিন কটন কলেজ গৰকি যোৱাজনৰ পৰা সাম্প্ৰতিক পটভূমিক জীৱন মহাসমৰত অক্লান্ত যোদ্ধাৰূপে অৱতীৰ্ণ হোৱা বৰ্তমানৰ কটনিয়ানজনৰ মাজৰ যোগসূত্ৰই হৈছে 'কটন কলেজ একতা সভাৰ অতীত আৰু বৰ্তমানৰ বিষয়ববীয়াৰ সংস্থা 'এপোকাছ' (APPOCCUS)। জন্মলগ্নৰে পৰা এপোকাছৰ তৰফৰ পৰা অতীত আৰু বৰ্তমানৰ কটন কলেজ ছাত্ৰ একতা সভাৰ বিষয়ববীয়া তথা ৰাজ্যখনৰ বিভিন্নজন শুভাকাংক্ষী আৰু প্ৰাক্তন কটনিয়ানৰ চিন্তাৰ ফচলেৰে প্ৰগতিশীল বিশ্ব পৰিক্ৰমাৰ পৰিবৰ্তিত প্ৰেক্ষাপটত কটন কলেজ আৰু ৰাজ্যখনৰ ভূমিকা সম্পৰ্কে ন-কৈ চিন্তা-ভাবনা কৰি আগুৱাই যোৱাৰ প্ৰয়াস কৰা হৈছে।

এই মুহূৰ্তত মনলৈ আহিছে আমাৰ মাজৰ পৰা কম বয়সতে হেৰাই যোৱা এসময়ৰ কটন কলেজৰ সকলো দিশতে পাৰ্গত শ্যামলদাৰ দৰে ব্যক্তিত্বৰ কথা। তেওঁৰ দৰে অকালতে যিসকল জ্ঞাত-অজ্ঞাত কটনিয়ান আমাৰ মাজৰ পৰা হেৰাই গ'ল তেওঁলোকৰ আত্মাই চিৰশান্তি লাভ কৰক।

"সোণোৱালী সোঁৱৰণী"— এই সকলো কটনিয়ানৰ বাবে এধানিমান সুখ আৰু অলপ শান্তিৰ নীড়। ১০৮ বছৰীয়া কটনৰ বাকৰিত পুনৰ উৎসাহেৰে সমবেত হোৱা প্ৰতিজন কটনিয়ানৰ প্ৰাপ্তিৰ আনন্দ— যাক আমি যথাসম্ভৱ জ্যেষ্ঠতাৰ ভিত্তিত সজাই তোলাৰ প্ৰয়াস কৰিছোঁ।

আমি গভীৰভাৱে বিশ্বাস কৰোঁ যে মানুহৰ বেছিভাগ সমস্যাৰ সমাধান হ'ব লাগিব মানুহৰ নিজৰ মনৰ পৰাই। সেয়ে মনটোক তিল তিল কৰি তৈয়াৰ কৰিব লাগে। আমাৰো আছে বহু সমস্যা, আৰু সমাধানো আছে আমাৰ কটনিয়ানৰ উৰ্বৰ চিন্তাৰ মাজতে। সঁচা জীৱনৰ এটা সঁচা উত্তৰ।

গ্ৰন্থখনৰ বঢ়া-টুটা, ভুল-শুদ্ধ আমাৰ অজ্ঞতাৰ ফল। ক'ব নোৱাৰোঁ ভুল নাই কৰা বা নকৰোঁ বুলি, কিন্তু ক'ব পাৰোঁ ভুলৰ পুনৰাবৃত্তি নকৰোঁ।

গ্ৰন্থখনি প্ৰকাশৰ ক্ষেত্ৰত বিভিন্ন দিশত সহায়-সহযোগ আগবঢ়োৱা ব্যক্তিসকল, লেখক-লেখিকাসকলৰ লগতে সকলো শুভাকাংক্ষীলৈ এই ছেগতে আমাৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ।

শেষত, প্ৰতিজন কটনিয়ানৰ আশিস শিৰত তুলি ল'লোঁ—

জয়তু এপোকাছ

জয়তু কটন কলেজ

সূচীপত্ৰ

- মোৰ কটন কলেজত সোণালী দিন
  পুলিন দাস / ১
- এৰি অহা দিনৰ স্মৃতি
  আশ্ৰফ আলী / ২
- মোৰ কলেজীয়া সহপাঠী বন্ধু ড° ভূপেন হাজৰিকা
  ফটিক চন্দ্ৰ গগৈ / ৫
- একচল্লিশৰ ছয় ডিচেম্বৰৰ শোভাযাত্ৰাৰ কথা মনত পৰে
  অমলেন্দু গুহ / ৭
- কটন কলেজ
  মহেশ চন্দ্ৰ ভূঞা / ১০
- লুইতপাৰৰ চিৰযৌৱনা কটন কলেজ মোৰ
  ড° অণিমা গুহ (দাস) / ১৪
- কটন কলেজত পঢ়া দিনৰ আগৰ আৰু পিছৰ সোঁৱৰণী
  নিৰুপমা বৰগোহাঞি / ২১
- সুৰ ভৰা সোণালী দিনৰ কথাৰে
  তুলতুল বৰুৱা / ৩০
- মোৰ জন্মস্বত্ব
  কুলদা কুমাৰ ভট্টাচাৰ্য / ৩৬
- কৈনো কৈ থাকিলেও...
  বস্ত্ৰ ওজা / ৪১
- সোণালী দিনৰ স্মৃতি
  অপূৰ্ব কুমাৰ দাস / ৫০
- কটনে মোক কি দিলে?
  কনকসেন ডেকা / ৫৪
- কটন কলেজৰ স্মৃতি
  ড° শ্যামভদ্ৰ মেধি / ৫৮
- মই লগ পোৱা কটন কলেজৰ শিক্ষকসকল
  তাৰকেশ্বৰ চৌধুৰী / ৬০

- কটন কলেজৰ এৰি অহা দিনবোৰৰ স্মৃতি ৰোমন্থন
  প্ৰভাত চন্দ্ৰ ফুকন / ৬৪
- কটন কলেজ
  মামণি ৰয়ছম গোস্বামী / ৬৭
- অপ্ৰকাশিত ১৯৪৯-৫০ চন
  দিলীপ কুমাৰ কাকতি / ৭২
- কটন কলেজ বোলছবি সন্থা
  দিলীপ কুমাৰ বৰুৱা / ৮০
- মোৰ সোঁৱৰণ আৰু অনুভৱ
  ধীৰেন্দ্ৰ নাথ কলিতা / ৮২
- ৰক্ত ৰঞ্জিত স্মৃতিৰ ৰেঙণি
  বিজনলাল চৌধুৰী / ৮৫
- কেইটামান সময়ৰ ভাগত কটন কলেজ
  ড° পৰমানন্দ মহন্ত / ১০০
- কটনৰ সোঁৱৰণী ৰোমন্থনৰ পিছৰ পৰ্ব কি?
  গৌতম প্ৰসাদ বৰুৱা / ১০৩
- অসমৰ সমাজ জীৱনৰ পটভূমিত কটন কলেজ
  খনীন্দ্ৰ চন্দ্ৰ দাস / ১০৭
- ছেকেণ্ড মেছ ঃ ৰঞ্জিতৰ শেষ ফুটবল খেলখন, শেষখন তৰ্কযুদ্ধ আৰু আমি
  গংগাপদ চৌধুৰী / ১১২
- স্মৃতিৰ মণিকোঠত ঃ কটন ছাত্ৰাৱাসত কটাই অহা দুটা বছৰ
  গগন চন্দ্ৰ অধিকাৰী / ১২০
- মোৰ কটন কলেজ ঃ অৱক্ষয়ৰ যুগৰ আৰম্ভণি
  অপূৰ্ব শৰ্মা / ১২৮
- কটন কলেজৰ স্মৃতিৰ টোকা
  ড° ৰবীন দেব চৌধুৰী / ১৩২
- কটন কলেজ ঃ এক নষ্টালজিয়া
  পোলেন বৰকটকী / ১৩৮
- কটনত কটোৱা দিনবোৰৰ সোণালী সোঁৱৰণ
  ড° শিৱনাথ বৰ্মন / ১৪৪
- ছাত্ৰ আন্দোলনৰ চমু ইতি বৃত্ত
  ড° সুশীল গোস্বামী / ১৫১
- কটন কলেজ ঃ ঐতিহ্য আৰু সংৰক্ষণ
  ড° সুনীল পৱন বৰুৱা / ১৫৭

- মোৰ দুগৰাকী আদর্শ শিক্ষক ৰজনীকান্ত আৰু ৰোহিণীকান্ত
  ক্ষীৰধৰ বৰুৱা / ১৬১
- এটা দফাৰ মায়া
  ড° দীনেশ চন্দ্ৰ গোস্বামী / ১৬৬
- কটন কলেজ ঃ এক মধুৰ স্মৃতি
  ড° অপৰাজিতা বৰকটকী / ১৭০
- মই মাথোঁ এটা কুইজৰ প্রশ্ন
  নবীন বৰুৱা / ১৭৪
- সেই শুভ দিনটোৰ প্রতীক্ষাত
  ড° পদ্মপাণি / ১৭৯
- কটন কলেজ ঃ এটি স্মৃতি ৰোমন্থন
  হৰিশ সোণোৱাল / ১৮৩
- স্মৃতি যেন শুকান গোলাপ
  ড° বিৰিঞ্চি কুমাৰ মেধি / ১৮৭
- কটনত এৰি অহা দিনবোৰ
  আব্দুল মান্নান / ১৯০
- তৃতীয় ছাত্রাবাসৰ আবাসী হিচাপে কিছু স্মৃতি
  ড° সত্যেন্দ্ৰ কুমাৰ চৌধুৰী / ১৯৫
- সৌৰৰণীৰ তিনি পৃষ্ঠা
  দীপক কুমাৰ গোস্বামী / ২০১
- মোৰ হেঁপাহৰ কটন
  ৰয়েল আহমেদ / ২০৪
- কটন কলেজ ঃ চিৰস্মৰণীয়
  ড° বসন্ত কুমাৰ দাস / ২০৯
- কটন কলেজঃ এৰি অহা দিনৰ কথাৰে
  ড° ভাৰতী দত্ত / ২১২
- স্মৃতি ৰোমন্থন
  মাহতাব উদ্দিন আহমেদ / ২১৫
- স্মৃতিৰ বাকৰিত কটন কলেজ
  মনজিৎ সিং / ২১৮
- কটন কলেজৰ ছাত্রাবাসবোৰ জীৱন গঢ়াৰ কমাৰশাল
  ড° মৃণাল কান্তি দত্ত / ২২৯
- কটন কলেজ আৰু কটনিয়ানৰ সামাজিক দায়বদ্ধতা
  ড° ৰাজীৱ সন্দিকৈ / ২৩২

English Section

- Election and Union Society of Cotton College during 1946-47
  Dr. D.N. Borthakur / ২৩৭
- My Days in Cotton College
  Dr. Lakshahira Das / ২৩৯
- My Rendezvous with Adam Smith
  Jatin Hazarika / ২৪২
- Remembering the Golden Days at Cotton College
  Dr. Jayanta Madhab / ২৪৭
- My Days at Cotton College
  Dr. K.D.Krori / ২৫২
- Glimpses into the Past
  Dr. Jyotsna Bhattacharjee / ২৭১
- Cotton College – My Cherished Alma Mater
  Achyut Prasad Sarma / ২৭৬
- Reminiscences of an evergreen Cottonian
  H. N. Das / ২৮১
- My Reminiscences of Cotton College Days
  Ramani Kanta Deka / ২৮৭
- How I became G.S. of CCUS
  Dr.Nirmal Kr. Choudhury / ২৯২
- Cotton College and Me
  R.C. Barua / ২৯৬
- Going By Default
  T. Hussain / ৩০১
- Random Recollections from my Cotton College Days and After...
  Pulin Dutta / ৩০৭
- Fond memories and a Wish
  Dr. Kulendu Pathak / ৩১২
- My Proud Moments in Cotton College
  Bimal Dutta Lahkar / ৩১৫

- As I Look Back
  Dr. Kamalesh Choudhury /৩১৯
- Cotton College an Institution Par Excellence
  Jyoti Prasad Rajkhowa /৩২৯
- My Days in Cotton College Down the Memory Lane
  Dr. Dayananda Pathak /৩৩৭
- Reminiscences of Cotton College : The Saga of a Letter
  Robin Kalita /৩৪৫
- Prof. M.N. Saloi through his works
  Dr.Tiluttoma Barua /৩৫৬
- Memories of a Cottonian
  Manoj Das /৩৬১
- To Think Today What the Rest of Assam Will Think Tomorrow
  Utpal Borpujari /৩৭৩
- ভিতৰি নেৰিবা বেথা...
  চেনেহী বেগম /৩৮১
- সোঁৱৰণীৰ ৰ'দকাঁচলিত তাহানিৰ কটন কলেজৰ অন্য এক আলসুৱা স্মৰণ
  ড° লিলি ৰাজবংশী /৩৮৫
- কটন কলেজ ঃ এক জীৱন্ত কিংবদন্তি
  প্ৰতিমা ঠাকুৰীয়া /৩৯১
- পদক্ষেপ
  বন্দিতা ফুকন /৩৯৫
- কটন মোৰ মানসত
  ৰবেন্দ্ৰ কুমাৰ দাস /৩৯৯
- লেখক পৰিচিতি /৪০৫
- কৃতজ্ঞতা /৪০৯

মোৰ কটন কলেজত সোণালী দিন

পুলিন দাস

মেট্ৰিক পাছ কৰি ১৯৩৭ চনত কটন কলেজত উচ্চ শিক্ষাৰ বাবে নাম লগাওঁ। স্কুলত থাকোঁতেই মই এজন অগ্ৰণী ক্ৰিকেট আৰু টেনিছ খেলুৱৈ শিক্ষাগুৰু পি চি ৰায়, অতুল চন্দ্ৰ দত্ত, আৰু কেইবাগৰাকী খেল ভাল পোৱা প্ৰফেছাৰৰ লগত জনা-শুনা ভালকৈয়ে আছিল আমাৰ জজ খেলপথাৰত প্ৰায়েই খেলা ক্ৰিকেট খেলসমূহৰ মাজেদি। মই ক্ৰিকেট তেতিয়া বৰ ভাল পাইছিলোঁ আৰু পিছত ইয়াৰ প্ৰচাৰৰ বাবে মই প্ৰথমতে গুৱাহাটী ক্ৰিকেট সন্থা গঠন কৰি গুৱাহাটীত বহু ক্ৰিকেট মেচ খেলোৱাওঁ। পিছত অসমে ৰঞ্জী ট্ৰফীত খেলিবৰ বাবে ১৯৪৮ চনত মই অসম ক্ৰিকেট সন্থা গঠন কৰি অসমত সৰ্বভাৰতীয় ৰঞ্জী ট্ৰফী প্ৰতিযোগিতাত যোগদান কৰাই ক্ৰিকেট ব'ৰ্ডৰ বছৰেকীয়া সভাত নিমন্ত্ৰিত হৈ অসম ক্ৰিকেট সন্থাক ভাৰতীয় ব'ৰ্ডৰ affiliation নিয়াবলৈ সক্ষম হওঁ। সেইবাবে অসম ক্ৰিকেট সন্থা ভাৰতীয় ক্ৰিকেট ব'ৰ্ডৰ সভ্য হৈ ১৯৪৮ চনত প্ৰথম ৰঞ্জী ট্ৰফী খিলঙত খেলে উত্তৰ প্ৰদেশৰ লগত। ময়ো অসম দলৰ ১৪জন খেলুৱৈৰ এজন আছিলোঁ। আমাৰ কটন কলেজৰ এখন নিজা খেলপথাৰ আছিল আৰু সেইখন হৈছে পল্টন বজাৰৰ কাষৰ 'নিউ ফিল্ড'। তাতে আমি বহুতো মেচ খেলোঁ। Holkan দলে তাতে ৰঞ্জী মেচ খেলিবলৈ আহি ওভতাৰ পথত আমাৰ লগত এখন প্ৰীতি খেল খেলে। বৰ দুখৰ কথা, পিছত সেই নিউ ফিল্ডখন কলেজে ভাৰতীয় ক্ৰীড়াৰ খেল বিভাগক দিবলগীয়া হয়। এতিয়া আমাৰ মহান কলেজৰ নিজাকৈ কোনো খেলপথাৰ নাই। কি দুখৰ কথা। কটন কলেজৰ দৰে ভাৰতৰ এখন শ্ৰেষ্ঠ শিক্ষা অনুষ্ঠানৰ নিজাৰবীয়া কোনো খেলপথাৰ নাই। খেলুৱৈক দাই দিলে কি হ'ব।

আমাৰ দিনত কটন কলেজৰ ফুটবল দলে গুৱাহাটীৰ ফুটবল লীগ খেলিছিল। বৰদলৈ ট্ৰফী প্ৰতিযোগিতাত নিয়মিত যোগদান দিছিল। মোৰ বিশ্বাস কটনিয়ান খেলুৱৈসকলে জজ ফিল্ডতে খেলাৰ ব্যৱস্থা কৰিলে কলেজৰ খেলুৱৈসকল বহু উপকৃত হ'ব। ❑

এবি অহা দিনৰ স্মৃতি

আশ্ৰফ আলী

মই মোৰ মা আৰু মোৰ বিবাহিত ধৰ্মপত্নীক যিমান ভাল পাওঁ কটন কলেজৰ প্ৰতি ভালপোৱা বা কটন কলেজিয়েট স্কুলৰ প্ৰতি ভালপোৱাৰ মাজত কি তাৰতম্য বা পাৰ্থক্য আছে মই তাক ভাবিবই নোৱাৰোঁ। ইতিহাস প্ৰসিদ্ধ মহত্মা গান্ধী পথৰ শ্ৰীমন্ত শংকৰ উদ্যানৰ দক্ষিণ পাৰত অৱস্থিত মাছখোৱা এম ভি স্কুলত (১৮০৭ চনত স্থাপিত) নাম লগাই প্ৰথম শ্ৰেণীলৈ পঢ়ি বছৰেকীয়া পৰীক্ষা দি ১৯৩০ চনত মই কটন কলেজিয়েট স্কুলত ভৰ্তি হওঁ। মই যিখন মাছখোৱাৰ এম ভি স্কুলত পঢ়া বুলি ক'লোঁ সেইখন স্কুলতেই অসমৰ প্ৰসিদ্ধ ব্যক্তি দেশভক্ত তৰুণৰাম ফুকন আৰু চৈয়দ ছাদুল্লায়ো পঢ়িছিল। কটন কলেজিয়েট স্কুলৰ পৰা ১৯৩৮ চনত মই কলিকতা বিশ্ববিদ্যালয়ৰ অধীনৰ মেট্ৰিক পৰীক্ষা দি কটন কলজেত কলা শাখাত ভৰ্তি হওঁ। ১৯৪০ চনত তাৰ পৰাই মই প্ৰথম বিভাগত আই এ পৰীক্ষা পাছ কৰোঁ আৰু ১৯৪২ চনত দৰ্শন শাস্ত্ৰত অনাৰ্ছ লৈ বি এ পাছ কৰোঁ। বিশেষ মন কৰিবলগীয়া কথা যে দৰ্শনত অনাৰ্ছ লওঁতে মই পৰীক্ষাৰ বাবে বিশেষ কাকত হিচাপে 'ইছলামী দৰ্শন' নলৈ পূজনীয় শিক্ষাগুৰু প্ৰয়াত গোপাল চন্দ্ৰ শৰ্মাৰ তত্ত্বাবধানত হিন্দু দৰ্শনহে পঢ়াত মনোনিৱেশ কৰিছিলোঁ আৰু পৰীক্ষাত সকলো ছাত্ৰতকৈ অধিক নম্বৰ পাই সন্মানসহ বি এ ডিগ্ৰী লাভ কৰিছিলোঁ। ইয়াৰ পিছত এম এ পঢ়িবলৈ মই ঢাকা বিশ্ববিদ্যালয়লৈ গৈছিলোঁ, য'ত সেই সময়ত বেছিভাগ পণ্ডিত, গুণী-জ্ঞানী লোকৰে সমাৱেশ হৈছিল। সেই বিশ্ববিদ্যালয়তে অসমৰ বৰ্তমানৰ প্ৰখ্যাত ইতিহাসবিদ হেৰম্বকান্ত বৰপূজাৰী, তেওঁৰ ভাতৃ সূৰ্যকান্ত বৰপূজাৰীয়েও পঢ়িছিল। আৰু অন্যান্য ইঞ্জিনিয়াৰিং ভেটেনাৰী, কৃষি ইত্যাদি বিভাগত অসমৰ প্ৰায় পোন্ধৰ-বিশজন ল'ৰাই সেই সময়ত ঢাকাত পঢ়ি আছিল। আতেই মৈয়িদুল ইছলাম বৰাৰ উদ্যোগত অসমীয়া সাহিত্য চ'ৰা গঠন কৰা হৈছিল।

ঢাকাৰ পৰা ১৯৪৪ চনত এম এ পাছ কৰি মাত্ৰ তিনি দিনৰ বাবে আমি ঘৰলৈ

উভতি আহিছিলোঁ। আমাৰ অনুভৱ হৈছিল আৰু আজিও আমি কৃতজ্ঞতাত দোঁ খাই যাওঁ, মোৰ বিধৱা মাৰ আশীৰ্বাদ আৰু মোৰ ঢাকাৰ পঢ়া খৰচৰ যোগান ধৰা মোমাইদেউ খান বাহাদুৰ আবুল শেখ আৰু মোৰ মৰমিয়াল মামীৰ সাহায্য নোপোৱা হ'লে মোৰ হয়তো কটন কলেজৰ দৰে এক ঐতিহ্যমণ্ডিত কলেজৰ অধ্যক্ষ হোৱাৰ সৌভাগ্য নঘটিলহেঁতেন। সেই সময়তে তৎকালীন অসমৰ মুখ্য মন্ত্ৰী ছাৰ ছাদুল্লাক ছিলঙত দেখা কৰাত তেওঁ মোক ক'লে— 'আশ্ৰফ, তুমি চিলেটৰ মুৰাৰী চান্দ কলেজলৈ যাবা নেকি? তাত এটা অৰ্থনীতি বিভাগত সহকাৰী প্ৰবক্তাৰ পদ আছে।' মই টপৰাই ক'লোঁ— 'যদি সুদূৰ ঢাকাত দুবছৰ থাকিব পাৰোঁ, তেন্তে অসমৰ অন্তৰ্ভুক্ত চিলেটলৈ কিয় যাব নোৱাৰিম। মুৰাৰী চান্দ কলেজৰ দৰে কলেজ এখনলৈ যোৱাত মোৰ একো আপত্তি নাই।' ইয়াৰ পিছত ১৯৪৫ চনত মুৰাৰী চান্দ কলেজৰ পৰা মই কটন কলেজলৈ বদলি হৈ আহোঁ। মোৰ মনত পৰে সেই সময়ত কটন কলেজত তৃতীয় আৰু চতুৰ্থ বাৰ্ষিকৰ ছাত্ৰ আছিল বৰ্তমানৰ বি বৰুৱা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ প্ৰমোদ ভট্টাচাৰ্য, গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য দেৱ প্ৰসাদ বৰুৱা আৰু প্ৰয়াত সু-সাহিত্যিক, অসম সাহিত্য সভাৰ সভাপতি যোগেশ দাস আদি। তাৰ পিছত মই পুনৰ চিলেটৰ মুৰাৰী চান্দ কলেজলৈ প্ৰবক্তা হৈ যাওঁ আৰু তাৰ কিছুদিনৰ পিছত কটন কলেজত অৰ্থনীতি বিভাগত স্থায়ী প্ৰবক্তাৰ পদ এটি খালী হোৱাত মই পুনৰ কটন কলেজত যোগ দিওঁ।

আমাৰ দিনত অৰ্থনীতি, ৰাজনীতি আৰু পৌৰবিজ্ঞান সকলোখিনি মিলি একেটাই বিভাগ আছিল আৰু সেই সময়ত তাৰ মুৰব্বী আছিল উমাকান্ত গোস্বামী। আৰু তেওঁৰ পিছত ক্ৰমশঃ আছিল ড° মথুৰা নাথ গোস্বামী, ড° ইমৰাণ হুছেইন চৌধাৰী আৰু অশ্বিনী বৰকাকতী। কিন্তু পিছলৈ এই অধ্যাপকসকলে অন্যান্য চৰকাৰী বিভাগ আৰু শিক্ষা বিভাগৰে প্ৰশাসনীয় দায়িত্ব ল'ব লগা হোৱাত অতি কম বয়সতে মোৰ কটন কলেজৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক হোৱাৰ সৌভাগ্য ঘটিছিল। ইয়াৰ পিছত সুকীয়াকৈ মই ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপকৰ দায়িত্ব লওঁ। মই গৌৰৱেৰে কওঁ যে প্ৰাক্তন মুখ্য মন্ত্ৰী হিতেশ্বৰ শইকীয়া, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী দীনেশ গোস্বামী, কেন্দ্ৰীয় চৰকাৰৰ সচিব মদন বেজবৰুৱা, অসমৰ প্ৰাক্তন মুখ্য সচিব হৰেন দাস আৰু দুয়োখন বিশ্ববিদ্যালয়ৰ (গুৱাহাটী আৰু ডিব্ৰুগড়) প্ৰাক্তন উপাচাৰ্য (জিতেন দাসৰ বাহিৰে) সকলো মোৰ ছাত্ৰ আছিল। তদুপৰি বৰ্তমানে অসম আৰু ভাৰত চৰকাৰৰ আমোলা হিচাপে কৃতিত্বৰে কাম কৰি থকা বহুসংখ্যক আমোলা-বিষয়া মোৰ অতি প্ৰিয় ছাত্ৰ আছিল।

কটন কলেজত পোনপ্ৰথমে মোৰ দিনতে অৰ্থনীতি আৰু ৰাজনীতি বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰায় প্ৰত্যেক বছৰে 'শিক্ষামূলক ভ্ৰমণ'ৰ ব্যৱস্থা কৰা হৈছিল। বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এনে ব্যৱস্থা আগতে আছিল যদিও তেতিয়ালৈকে কলা শাখাৰ ছাত্ৰ-

ছাত্ৰীৰ বাবে তেনে ব্যৱস্থা কৰা হোৱা নাছিল। এবাৰ তেনে এটা শিক্ষামূলক ভ্ৰমণৰ বাবে কেইজনমান ছাত্ৰক লৈ মই দিল্লীলৈ গৈছিলোঁ। ছাত্ৰসকলৰ ভিতৰত আছিল ভগৱান লহকৰ (বৰ্তমানৰ গুৱাহাটী কমাৰ্চ কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ), দীনেশ গোস্বামী (প্ৰাক্তন সাংসদ), কৈলাস শৰ্মা (নলবাৰী কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ), প্ৰমোদ চক্ৰবৰ্তী (বৰ্তমান লোকসেৱা আয়োগৰ সদস্য)। সেইবাৰ ভগৱান লহকৰ দিল্লীত দেৱানী খাচ আৰু দেৱানী আম চাই ইমান বিভোৰ হ'ল যে তেওঁ বাছত নুঠা দেখি মই নামি গৈ তেওঁক কান্ধত ধৰি টানি আনি বাছত বহিবলৈ বাধ্য কৰিছিলোঁ। ইয়াৰ পিছত এবাৰ ডিগবৈ তেল শোধনাগাৰ চাবলৈ যাওঁতে চাপৰমুখ ৰে'ল ষ্টেচনত কৈলাস শৰ্মা হেৰোৱা কথাটোও আমাৰ মনত পৰে। ইয়াৰ পিছত সেই কৈলাস শৰ্মাই কটন কলেজত অৰ্থনীতিৰ প্ৰবক্তা হিচাপে যোগ দিছিল। তেওঁক সহযোগী হিচাপে পোৱাৰ পিছত আমি আৰু দহজনমান ছাত্ৰ-ছাত্ৰীক লগত লৈ শিক্ষামূলক ভ্ৰমণ এটাৰ বাবে দিল্লীলৈ গৈছিলোঁ।

হাঁহি-ধেমালি কৰি ছাত্ৰ-ছাত্ৰীৰ লগতো কেৰম-তাচ খেলি আমি ছাত্ৰ আৰু শিক্ষকৰ মাজৰ ব্যৱধান নোহোৱা কৰিবলৈ সদায় চেষ্টা কৰিছিলোঁ, যিটো আজিৰ কটন কলেজত অভাৱ।

আমাৰ দিনত কটন কলেজত বিজ্ঞান আৰু কলা বুলি কোনো পাৰ্থক্য নাছিল। সেইদৰে জ্যেষ্ঠ-কনিষ্ঠ সকলো মিলি আমাৰ মাজত এটা পৰিয়ালৰ দৰে পৰিৱেশ এটা আছিল। বাণীকান্ত বাবু, সূৰ্য কুমাৰ ভূঞা আদি পণ্ডিতেও শিক্ষকৰ কমন ৰুমত বিভিন্ন ৰসাল কথাৰে মুখৰিত কৰি ৰাখিছিল। তেতিয়াৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকসকল আছিল অতি চোকা বুদ্ধিৰ ল'ৰা। বৰদা শৰ্মা, মথুৰা নাথ গোস্বামী, উমাকান্ত গোস্বামী, মজিবৰ ৰহমানৰ দৰে মুধাফুটা চোকা ছাত্ৰ আছিল কটন কলেজৰ সাধাৰণ সম্পাদক। কিন্তু আজিৰ তাৰিখত বিধানসভাৰ নিৰ্বাচনৰ দৰে কটন কলেজতো সাধাৰণ সম্পাদকৰ নিৰ্বাচনত বিভিন্ন পাতল পন্থা অৱলম্বন কৰা দেখা যায়। আমাৰ দিনত কনিষ্ঠজনে জ্যেষ্ঠজনক দাদা বুলি মতাতো এক পৰম্পৰা হিচাপে গঢ় লৈ উঠিছিল। কিন্তু এতিয়া কটন কলেজৰ শিক্ষকসকলৰ মাজতেই হতাহতি লাগে। লতাশিল বা পাণবজাৰৰ আৰক্ষী থানাত এই সন্দৰ্ভত হোৱা কেছ দাখিলৰ নথি-পত্ৰ এতিয়াও পোৱা যায়। একে সময়তে ছাত্ৰ সমাজৰ মাজতো উৎসাহ-উদ্দীপনা নাইকিয়া হৈ আহিছে। খেলপথাৰত খেল-ধেমালি কৰাতকৈ টেলিভিছনৰ অনুষ্ঠান আদিতহে ছাত্ৰসকলৰ ৰাপ। সেয়ে এনে এটা সময়তে আমি আল্লাহৰ ওচৰত প্ৰাৰ্থনা কৰিছোঁ— হে আল্লা, কটন কলেজৰ শতবাৰ্ষিকী উদ্‌যাপনৰ দিন ধৰি তুমি কটনৰ ঐতিহ্যময় অতীত আৰু বৰ্তমানৰ আধাৰত গাঁথা সুগন্ধি ফুলৰ মালাডাল সুৰক্ষিত কৰি তাৰ দ্বাৰা অসম ৰাজ্যত তাৰ সুগন্ধি বিলাবলৈ আমাক সকলোকে সদ্‌মতি দিয়া। ❑

মোৰ কলেজীয়া সহপাঠী বন্ধু ড° ভূপেন হাজৰিকা

ফটিক চন্দ্ৰ গগৈ

১৯৪০ চনৰ মাৰ্চ নে এপ্ৰিল মাহৰ স্মৰণযোগ্য এটা শুভ দিন আছিল। মোৰ এতিয়া অতীতৰ সেই স্মৃতিমধুৰ কথাবোৰ ভালদৰে মনত নপৰে দেখোন। তেতিয়াৰ দিনৰ শিৱসাগৰ জিলাৰ নাজিৰা হাইস্কুলৰ পৰা সুখ্যাতিৰে মই মেট্ৰিক পাছ কৰি গুৱাহাটীৰ কটন কলেজৰ বিজ্ঞান শাখাৰ প্ৰথম বাৰ্ষিক শ্ৰেণীত নাম লগালোঁহি। তেতিয়া যিসকল সহপাঠী বন্ধুৰ লগত মোৰ বন্ধুত্বৰ সম্পৰ্ক গঢ় লৈ উঠিছিল সেইসকলৰ ভিতৰত ভূপেন হাজৰিকা আছিল অন্যতম।

ইমানবিলাক সহপাঠী বন্ধুৰ লগত গভীৰ সম্পৰ্ক গঢ়ি উঠা সত্বেও বন্ধুবৰ ভূপেন হাজৰিকাৰ নামটো পোন প্ৰথমতেই উল্লেখ কৰাৰ কাৰণ নাই বুলি ক'ব নোৱাৰি। একেবাৰে আঠটা বছৰ কাল হাইস্কুলীয়া ছাত্ৰ জীৱন যাপন কৰা কালত বহুজন শিক্ষাগুৰুৰ সান্নিধ্যত অহাৰ সুযোগ পাইছিলোঁ। সেইসকলৰ ভিতৰত প্ৰধান শিক্ষক আজিজুৰ ৰহমানৰ নাম বিশেষভাৱে উল্লেখ কৰিব লাগিব। তেখেতে গোটেই জীৱন স্কুলখনৰ উন্নতি আৰু ছাত্ৰসকলৰ মংগলৰ বাবে নিষ্ঠাৰে কাম কৰিছিল। ভূপেন হাজৰিকাৰ পিতৃ প্ৰয়াত নীলকান্ত হাজৰিকাৰ ঘৰ এই নাজিৰাতে আছিল। ১৯০১ চনতে নাজিৰা চহৰত তেখেতৰ জন্ম হৈছিল বুলি জনা যায়। তেখেতৰ পিতাকৰ নাম বংশীধৰ হাজৰিকা আছিল। নীলকান্ত হাজৰিকা ডাঙৰীয়া নাজিৰা হাইস্কুলৰ প্ৰতিষ্ঠাপক আছিল। তেখেতে এখন মধ্য ইংৰাজী স্কুল হিচাপেহে এই স্কুলখন প্ৰতিষ্ঠা কৰিছিল। কালক্ৰমত অনুষ্ঠানটো উচ্চ ইংৰাজী স্কুললৈ ৰূপান্তৰিত হৈছিল। সেই সময়ত মোৰ দেউতা প্ৰয়াত গোলাপ চন্দ্ৰ গগৈয়ে নাজিৰা হাইস্কুলত শিক্ষকতা কৰিছিল। আমাৰ হেড্‌মাষ্টৰ আজিজুৰ ৰহমান দেউতাৰ ছাত্ৰ আছিল। এবাৰ ৰহমান ছাৰে তেখেতৰ শিক্ষাগুৰু গোলাপ চন্দ্ৰ গগৈক আমাৰ হাঁহচৰাৰ ঘৰত লগ ধৰি শ্ৰদ্ধা জনাবলৈ যাব বুলি মোক ক'লে। সেই মতে তেখেতে

প্ৰায় ছয় মাইলৰ দূৰত্ব খোজ কাঢ়ি গৈ আমাৰ ঘৰত ওলাইছিলহি। আমাৰ পৰিয়ালৰ আটায়ে তেখেতক আদৰণি জনাই বানকাঁহীত সজাই চাহ-জলপান দিয়া দৃশ্যটো এতিয়াও মোৰ মানসপটত মাজে-সময়ে ভুমুকি মাৰেহি। নাজিৰা হাইস্কুলৰ মোৰ শিক্ষাগুৰুসকলৰ নাম এতিয়াও মই শ্ৰদ্ধাৰে স্মৰণ কৰোঁ। সেইসকলৰ ভিতৰত এছিষ্টেণ্ট হেড্‌মাষ্টৰ ৰজনী কান্ত শৰ্মা, অংক মাষ্টৰ গিৰীন্দ্ৰ নাথ চাংকাকতি, ড্ৰয়িং মাষ্টৰ তুলসী নাৰায়ণ সভাপণ্ডিত, কেশৱ চন্দ্ৰ গগৈ, ইন্দ্ৰেশ্বৰ বৰগোহাঁই, মৌলবী খেলিলুৰ ৰহমান, ৰজত চন্দ্ৰ গোস্বামী, মহেশ্চন্দ্ৰ ভট্টাচাৰ্য, হৰিশ্চন্দ্ৰ ভট্টাচাৰ্য, যাদৱ চন্দ্ৰ বৰুৱা, ফণীধৰ দত্ত, গিয়াছুদ্দিন আহমদ, নূৰ মহম্মদ, চন্দ্ৰনাথ গোহাঁই, ৰাধানাথ বৰঠাকুৰ আদিৰ নাম মোৰ ঘনে ঘনে মনত পৰেহি।

ভূপেন হাজৰিকাৰ পিতৃ নীলকান্ত হাজৰিকা চৰকাৰী কামত অসমৰ বিভিন্ন ঠাইত পোষ্টিং হৈ থাকিব লগা হোৱাত ভূপেনকে আদি কৰি সন্তান-সন্ততিসকলে অসমৰ বেলেগ বেলেগ ঠাইলৈ যাব লগা হোৱাত পিতৃভূমি নাজিৰাৰ মানুহে তেখেতক ডেকা বয়সত লগ পোৱাৰ সুযোগ নিচেই সামান্য আছিল। আচল কথা ক'বলৈ গ'লে মই নিজে ভূপেন হাজৰিকাক ক্লাছ ফ্ৰেণ্ড হিচাপে লগ পোৱাৰ সুযোগ পোন প্ৰথমে গুৱাহাটীৰ কটন কলেজতহে সম্ভৱ হৈছিল। তেতিয়া তেওঁ সফল ডেকা আছিল। ক্লাছফ্ৰেণ্ড হ'লেও তেখেত বয়সত মোতকৈ সৰু আছিল। আচলতে আমাৰ সহপাঠী ছাত্ৰবন্ধুবিলাকৰ ভিতৰত বয়সত তেওঁ কম আছিল বুলি আমাৰ ধাৰণা হৈছিল।

সেই সময়ত কটন কলেজৰ প্ৰিন্সিপাল আছিল প্ৰয়াত বিজয় সেন গুপ্ত। আমাৰ বিজ্ঞান শাখাৰ প্ৰফেছাৰসকলৰ ভিতৰত শৰৎ চন্দ্ৰ চেটাৰ্জী, হিৰণ্য গোস্বামী, যদু মুখাৰ্জী, অতুল চন্দ্ৰ দাস, হিৰণ্য ভূঞা আদিৰ নাম বিশেষভাৱে উল্লেখ কৰিব পাৰি। তেতিয়াৰ ভাইচ প্ৰিন্সিপালজনৰ নাম আছিল পি চি ৰয়। হৰ্ষ সেন আৰু ৰাধা দাস অংক শাস্ত্ৰত পাৰ্গত আছিল। হাৱাৰ্ড দা মমিনে ইংৰাজী পঢ়াইছিল। বাণীকান্ত কাকতি, সূৰ্যকুমাৰ ভূঞা, উমাকান্ত গোস্বামী, দণ্ডেশ্বৰ গগৈ, ফণী দত্ত, উপেন লেখাৰু আদি বহুতো বিশিষ্ট শিক্ষাবিদে শিক্ষকতা কৰি আমাৰ অনুষ্ঠানটো জাকত জিলিকা কৰি ৰাখিছিল।

সেইদিনা আমাৰ কটন কলেজত এখন বিৰাট জনসভা অনুষ্ঠিত হৈছিল। ফ্ৰেচাৰ্ছ ছ'চিয়েল। আমাৰ ইউনিয়ন ছেক্ৰেটৰীজনৰ নাম আছিল নাৰায়ণ দাস। অন্যান্য কেইবাজনো ছাত্ৰবন্ধুৱে সভাত যোগদান দি বক্তৃতা প্ৰদান কৰিছিল। সেইসকলৰ ভিতৰত শিলচৰৰ পৰা অহা মাইনুল হক চৌধুৰীৰ কথা মোৰ মনত পৰে। সভাত সকলোৰে মনোযোগ আকৰ্ষণ কৰিছিল ভূপেন হাজৰিকাই পৰিৱেশন কৰা নিম্নলিখিত গীতৰ ধ্বনিৰে—

বিশ্ববিজয়ী নব জোৱান / বিশ্ববিজয়ী নব জোৱান / শক্তিশালী ভাৰতৰ / ওলাই আহা ওলাই আহা / সন্তান তুমি বিপ্লৱৰ / সম্মুখ সমৰ সম্মুখতে / মুক্তি যুঁজাৰু হুচিয়াৰ / মৃত্যু বিজয় কৰিব লাগিব / স্বাধীনতাৰ খুলি দুৱাৰ / বিশ্ববিজয়ী.... ইত্যাদি ইত্যাদি।❑

একচল্লিশৰ ছয় ডিচেম্বৰৰ শোভাযাত্ৰাৰ কথা মনত পৰে

অমলেন্দু গুহ

মই স্কুলীয়া শিক্ষা ল'বলৈ ইম্ফলৰ পৰা ১৯৩৬ মানতেই গুৱাহাটীলৈ আহিছিলোঁ। আমাৰ বৰ্তমানে বাবীৰ মাটিখিনিত তেতিয়া ঘৰ সজা আৰম্ভ কৰা হৈছিল। সেই সময়তে ১৯৪১ চনত মেট্ৰিকৰ ডেওনা পাৰ হৈ কটন কলেজতে সোমাইছিলোঁ। তেতিয়া আছিল ভাৰতৰ স্বাধীনতা আন্দোলনৰ ভৰপক সময়, যাৰ গুৰি ধৰিছিল ভাৰতৰ জাতীয় কংগ্ৰেছে। সেই সময়তে ভাৰতৰ আন ঠাইৰ দৰে অসমতো সমাজবাদী চিন্তাধাৰাৰ বতাহ বলিবলৈ লৈছিল। এতেকে কটন কলেজৰ ছাত্ৰ-ছাত্ৰীৰ মাজত ৰাজনৈতিক চেতনা আছিল অতি উচ্চমানৰ। এতিয়াৰ নিচিনা ছাত্ৰ সমাজ আদৰ্শ বিচ্যুত হৈ সাম্প্ৰদায়িকভাৱে জাত-পাতৰ ভিত্তিও ভাগ ভাগ হৈ যোৱা নাছিল।

মই কটন কলেজত এবছৰ মাত্ৰ পঢ়িছোঁ কলা বিভাগত। ইউৰোপত যুদ্ধ চলি থকাৰ সময়তে জাপানৰ লগতো যুদ্ধ লাগিল। ১৯৪১ চনৰ ডিচেম্বৰ মাহত তাৰ ফলত ব্ৰহ্মদেশৰ মিত্ৰপক্ষৰ সেনাবাহিনীৰ সমাৱেশ ঘটিবলৈ ধৰিলে অসমতো। কটন কলেজৰ ছাত্ৰাবাসবোৰ আৰু মূল কলেজ ভৱনৰ বিভিন্ন অংশও সেনাবাহিনীয়ে ল'বলৈ ধৰিলে। এনে অৱস্থাতে মই এবছৰ অন্তত বদলিৰ অনুমতি লৈ পূৰ্ববংগৰ এখন গাঁৱৰ কলেজত গৈ ভৰ্তি হৈছিলোঁ। ১৯৪২ চনত মই গৈ উপস্থিত হোৱা কোনোদিনে নাম নুশুনা গাঁওখনৰ নাম আছিল শ্ৰীকাইল। তাত মই এটা মেচত আছিলোঁ। বাৰিষা সেই গাঁওখন আছিল এটা দ্বীপৰ দৰে। আন গাঁৱলৈ যাবলৈ হ'লে নাৱেৰেহে যাব পৰা গৈছিল। তাত থাকোঁতে ১৯৪২ চনত আগষ্ট আন্দোলনৰ আৰম্ভণি আৰু তাৰ ঢৌৱে সেই গাঁৱৰ নতুন কলেজখনকো চুই গৈছিল। সেই দ্বীপৰ দৰে গাঁওখনৰ ভিতৰতে কলেজখনৰ ছাত্ৰসকলে জাতীয় নেতাসকলৰ গ্ৰেপ্তাৰৰ বিৰুদ্ধে শ্ল'গানমুখৰ প্ৰতিবাদী সমদল উলিয়াইছিল। আৰুৰ অধ্যাপকজন গ্ৰেপ্তাৰ হৈছিল। এই কলেজখনত কেইমাহমান পঢ়াৰ পিছতে

অধ্যাপকসকলৰ কেইজনমানে নির্ধাৰিত দৰমহা সময়মতে নোপোৱা বাবে চাকৰি ইস্তফা দি গুচি গ'ল। তেতিয়া ময়ো সেইখন কলেজত আৰু নপঢ়োঁ বুলি আকৌ বদলিৰ অনুমতি লৈ আই এ টেষ্ট পৰীক্ষাৰ দুমাহমান আগতে ঢাকা জিলাৰ মুন্সিগঞ্জত থকা হৰগংগা কলেজত নাম ভর্তি কৰি তাৰ পৰাই যথা সময়ত, অর্থাৎ ১৯৪৩ চনৰ মার্চ মাহত আই এ পৰীক্ষা দিছিলোঁ। ইয়াত থাকোঁতেই মই স্থানীয় কমিউনিষ্ট পার্টীৰ লগত ঘনিষ্ঠ হৈ এটি কর্ম গোটৰ সক্রিয় সদস্য হিচাপে এক মার্ক্সবাদী শিক্ষা শিবিৰত একেৰাহে কেইদিনমান পাঠ লৈছিলোঁ।

এই কাহিনী বিবৰি কৈছোঁ এই কাৰণেই যে মার্ক্সবাদী চিন্তাধাৰাৰ লগত মোৰ প্ৰথম পৰিচয় হৈছিল গুৱাহাটীয়া স্কুলীয়া জীৱনতে। কলেজিয়েট স্কুলৰ কেইজনমান ছাত্ৰৰ (ধীৰেশ্বৰ কলিতা, মাধৱৰাম ডেকা, নন্দেশ্বৰ তালুকদাৰ, লোহিত লহকৰ প্ৰমুখ্যে) লগতে বেংগলী স্কুলত পঢ়া আমি তিনি-চাৰিজনে বৰ্তমানৰ ডেকাফুকন ছাত্ৰাবাসৰ গাতে লগা এখন টিনৰ চালি থকা দুই কোঠালিৰ ঘৰত লগ লগা যুব-সমাজৰ এক ৰাজনৈতিক আড্ডালৈ অহা-যোৱা কৰিছিলোঁ। ইয়াতে সমাজবাদী চিন্তাধাৰাৰ আগৰণুৱা কমল ঘোষ, অমিয় দাশগুপ্ত, গৌৰীশংকৰ ভট্টাচাৰ্য, শ্ৰীমান প্ৰফুল্ল গোস্বামী, উমেশ শৰ্মা প্ৰমুখ্যে ছাত্ৰ নেতাসকলৰ লগত মিলিত হৈ তেওঁলোকৰ দ্বাৰা প্ৰভাৱিত হৈছিলোঁ। এই আড্ডাটোৰ নাম আছিল 'প্ৰগ্ৰেছিভ ইউনিয়ন'। ই ১৯৩৯ চনত স্থাপিত হৈছিল। মাজে মাজে ইয়াত ৰাজনৈতিক বিষয়ৰ পাঠদান কৰা হৈছিল। ঘাইকৈ কলকাতাৰ পৰা অহা সংগঠক অমিয় দাশগুপ্তৰ উদ্যোগত তেনে পাঠদান কাৰ্যসূচী লোৱা হৈছিল। এই প্ৰগ্ৰেছিভ ইউনিয়নতেই বিলাতৰ পৰা সদ্য প্ৰত্যাগত হৰেশ্বৰ গোস্বামী আৰু পুষ্পলতা দাসক (তেতিয়াৰ শইকীয়া) লগ পাইছিলোঁ। তেওঁলোকৰ ভাষণো শুনিছিলোঁ। ছাত্ৰ আন্দোলনত বিভেদৰ সৃষ্টি হয় ১৯৪২ চনৰ আগষ্টৰ পিছত। এতেকে কটন কলেজৰ ৰাজনৈতিকভাৱে সচেতন কিছুসংখ্যক ছাত্ৰ আন্দোলনৰ লগত জড়িত হৈ পৰিছিল। আমি দেখিছিলোঁ যে সেই সময়ৰ কটন কলেজৰ ছাত্ৰ-ছাত্ৰীসকল ৰাজনীতিৰ প্ৰতি নিস্পৃহ নাছিল। 'কলেজ ইউনিয়ন ছ'চাইটী'ৰ নিৰ্বাচন অনুষ্ঠিত হৈছিল ৰাজনৈতিক ইচ্ছাৰ ভিত্তিত। ইউনিয়নৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন সদায় আৰম্ভ হৈছিল আন্তৰ্জাতিক পৰিস্থিতিৰ বিশ্লেষণেদি। তাৰ পিছত ক্ৰমে ভাৰতৰ, অসমৰ তথা কলেজৰ পৰিস্থিতি, সমস্যা আলোচিত হৈছিল, কলেজৰ প্ৰতিযোগিতাত বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়বস্তুৰ ওপৰত তৰ্ক অনুষ্ঠিত হৈছিল।

প্ৰথম বাৰ্ষিকত পঢ়ি থাকোঁতে গুৱাহাটীত অকস্মাতে সেনা সমাৱেশ হৈ থকাৰ কথা আগতেই উনুকিয়াইছোঁ। ভাৰত চৰকাৰে যুদ্ধ প্ৰক্ৰিয়াত ধনেৰে আৰু জনেৰে সহায় কৰিবলৈ 'নেচনেল বাৰ ফ্ৰণ্ট' নামৰ এটি প্ৰচাৰ সংগঠন সংগঠিত কৰিছিল। কলেজৰ পৰা দীঘলীয়া ছুটী লৈ অধ্যাপক সূৰ্য কুমাৰ ভূঞাই এই সংগঠনৰ চাকৰিত যোগদান

কৰিছিল। এই ফ্ৰন্টতে বিজ্ঞানৰ লেবৰেটৰীত ক্লাছ্ বন্ধ কৰি এক প্ৰদৰ্শনী পতাৰ সিদ্ধান্ত লোৱাত ছাত্ৰসকলে বাধা দি পিকেটিং আৰম্ভ কৰিলে। ১৯৪১ চনৰ ছয় ডিচেম্বৰত পিকেটিং কৰি থকা অৱস্থাতে দুজন ছাত্ৰ নিগৃহীত হোৱাৰ লগে লগে স্বতঃস্ফূৰ্তভাৱে কটন কলেজৰ ছাত্ৰসকলে ক্লাছৰ পৰা ওলাই আহি সমদল কৰি নগৰ পৰিক্ৰমা কৰে। নগৰৰ স্কুলকেইখনৰ ছাত্ৰ-ছাত্ৰীসকলেও এই খবৰ পাই ওলাই আহি সমদলত যোগ দিয়ে। বিশাল সমদলে বেংগলী স্কুলৰ সন্মুখেদি আগবাঢ়ি কুলিডিপো (এতিয়া য'ত শ্বিলংগামী টেক্সিষ্টেণ্ড) উপ-পথত সোমাই যোৱাৰ লগে লগে উপ-পথৰ দুই প্ৰান্তৰ সশস্ত্ৰ পুলিচ বাহিনীয়ে ইয়াক আগুৰি ধৰে। আৰু নিৰ্মমভাৱে লাঠীচালনা কৰাত দুই-এজন বেয়নেটৰ খোঁচেৰেও আহত হয়। কেইবাজনো ছাত্ৰ আহত হৈ হাস্পতালত ভৰ্তি হ'বলগীয়া হৈছিল। মোৰ মনত পৰে, আহতসকলৰ ভিতৰত আছিল নন্দেশ্বৰ তালুকদাৰ, তৰুণ সেন ডেকা, নাৰায়ণ দাস, নিৰ্মল দাস প্ৰমুখ্যে আৰু বহুতো। সেই সময়ত অসমৰ ছাত্ৰ আন্দোলন ইতিমধ্যে দ্বিধাবিভক্ত হৈ পৰিছিল। এভাগৰ ওপৰত নেতৃত্ব আছিল ভাৰতীয় কমিউনিষ্ট পাৰ্টীৰ আৰু আনটো ভাগৰ নেতৃত্বত আছিল ভাৰতীয় কমিউনিষ্ট পাৰ্টীৰ আৰু কংগ্ৰেছ সমৰ্থকসকল। এই দ্বিতীয় ধাৰাৰ ছাত্ৰ আন্দোলন আকৌ বিভক্ত হৈ পৰিছিল আগষ্ট আন্দোলনৰ পিছত।

১৯৪১ চনৰ ৬ ডিচেম্বৰত যিটো প্ৰতিবাদী সমদল উলিওৱা হৈছিল, তাত মযো অংশগ্ৰহণ কৰিছিলোঁ। ই মোৰ জীৱনৰ এক স্মৰণীয় অভিজ্ঞতা। সেয়ে মই 'কটন কলেজলৈ' নামৰ কবিতাটোত লিখিছিলোঁ—

তুমি অসমৰ দৃপ্ত প্ৰাণৰ প্ৰদীপ মেজি জুই,
তোমাৰ নাচৰ ছেৱে ছেৱে
ফুল আশাৰ পাপৰিবোৰ
উঠি অহা ডেকাদলৰ চকুত
ফিৰিঙতি সানি দিয়া,
লুইতপাৰৰ চিৰযৌৱনা কটন কলেজ মোৰ।❑

কটন কলেজ

মহেশ চন্দ্ৰ ভূঞা

দ্বিতীয় মহাযুদ্ধৰ সময়— ১৯৪২-৪৬। সৈন্যবাহিনী ৰাখিবৰ কাৰণে বিভিন্ন শিক্ষানুষ্ঠানবিলাক চৰকাৰে অধিগ্ৰহণ কৰিছিল। কটন কলেজিয়েট স্কুল মিলিটেৰীৰ দখলত আৰু তাৰ শ্ৰেণীবিলাক পুৰা কামৰূপ একাডেমীত হৈছিল। কটন কলেজৰ দুই গেলাৰীৰে সৈতে থকা ৰসায়নবিজ্ঞান আৰু সেই সময়ৰ পদাৰ্থবিজ্ঞানৰ ঘৰ দুটা আৰু চৌহদটো মাত্ৰ মিলিটেৰীয়ে কলেজ কৰ্তৃপক্ষক এৰি দিছিল— বাকী সকলো ছাত্ৰাবাস, প্ৰশাসনীয় ভৱন, নতুন কলাভৱন, ছুডমাৰ্চ্ছন হল সৈন্যবাহিনীৰ দখলত আৰু ১৯৪৫ চনত মেট্ৰিক পাছ কৰি আমিবিলাক আহি কলেজত পঢ়িছিলোঁহি।

চহৰৰ বেলেগ বেলেগ ঠাইত কেইবাটাও ভাৰাঘৰ ঠিক কৰি ছাত্ৰসকলক থাকিবৰ কাৰণে কলেজ কৰ্তৃপক্ষই সুবিধা কৰি দিছিল আৰু তিনিজন অধ্যাপক যেনে ফণীধৰ দত্ত, চন্দ্ৰকান্ত দাস আৰু দণ্ডেশ্বৰ গগৈক অধীক্ষক হিচাপে নিযুক্তি দিছিল। থকা-মেলাৰ কিছু অসুবিধা হোৱাৰ কাৰণে কিছু ছাত্ৰ কোচবিহাৰ, ৰংপুৰ, কলিকতা, বেনাৰস আদিলৈ পঢ়িবলৈ যাবলগীয়া হৈছিল। ছাত্ৰ, শিক্ষক, ছাত্ৰাবাসৰ অধীক্ষক হিচাপে আমি ২৪ বছৰ কাল কলেজখনৰ লগত ওতপ্ৰোতভাৱে জড়িত আছিলোঁ আৰু আজি মাত্ৰ ছাত্ৰ হিচাপে থকা চল্লিশৰ দশকৰ পিছৰ কেইবছৰৰ সময়ৰ কথা দুই-এটাকৈ উল্লেখ কৰিম।

ওপৰত উল্লেখ কৰা দুইটা ঘৰৰ মাজৰ সেই সময়ৰ খালী ঠাইখিনিত এখন প্ৰকাণ্ড ৰভা সাজি দিছিল, আৰু সেই ৰভা, ৰসায়নবিজ্ঞানৰ ঘৰৰ এটা কোঠালি আৰু নবীন বৰদলৈ হলত ইংৰাজী, মাতৃভাষা আৰু কলা শাখাৰ শ্ৰেণীবিলাক অনুষ্ঠিত হৈছিল। পাণবজাৰৰ যশোৱন্ত ৰ'ডত এটা সৰু দুমহলীয়া ঘৰ ভাৰাত লৈ তাত উদ্ভিদবিজ্ঞান আৰু প্ৰাণীবিজ্ঞানৰ শ্ৰেণীবিলাক অনুষ্ঠিত হৈছিল। বৰ্তমান ৰসায়নবিজ্ঞানৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলৰ জিৰণি-কোঠাটো গোটেই কলেজৰ শিক্ষক-শিক্ষয়িত্ৰীৰ জিৰণি-কোঠা

আছিল। বৰ্তমান ৰসায়নবিজ্ঞানৰ শিক্ষক-শিক্ষয়িত্ৰীৰ জিৰণি-কোঠাটোৰেই কলেজৰ অফিচ আছিল আৰু ইয়াৰ লগতে লাগি থকা সৰু কোঠালিটো ছাত্ৰীৰ জিৰণি-কোঠা আছিল। বৰ্তমান ৰসায়নবিজ্ঞানৰ শিক্ষক-শিক্ষয়িত্ৰীৰ কাৰণে চাহ কৰা সৰু কোঠালিটোত অধ্যক্ষই বহি সকলো প্ৰশাসনীয় কাম-কাজ চলাইছিল। আগতে উল্লেখ কৰা গেলাৰী দুটাত আমাৰ ৰসায়নবিজ্ঞান, পদাৰ্থবিজ্ঞান আৰু অংকৰ শ্ৰেণীবিলাক হৈছিল। ১৯৪৬ চনত সৈন্যবাহিনীয়ে দখল এৰি দিয়াৰ পিছতহে কলেজ আকৌ ১৯৪২ চনৰ আগৰ অবস্থালৈ গৈছিল।

চল্লিশৰ দশকৰ শেষৰ কেইবছৰত, অৰ্থাৎ আমি পঢ়া (ইণ্টাৰমিডিয়েট আৰু স্নাতক শ্ৰেণী) সময়খিনিত যিকেইজন নমস্য শিক্ষাগুৰুক অধ্যক্ষ হিচাপে পাইছিলোঁ, তেখেতসকল হ'ল— আৰ্ আৰ্ থমাছ, চৈয়দ মুহিবুল্লা, ড° সূৰ্য ভূএগ, ড° বাণী কাকতি, উমাকান্ত গোস্বামী আৰু শ্ৰীনাথ চক্ৰবৰ্তী।

আমাক পঢ়ুওৱা বিভিন্ন বিষয়ৰ শিক্ষকসকল হ'ল ঃ ইংৰাজী— সূৰ্য ভূএগ, বাণী কাকতি, প্ৰফুল্ল দত্ত গোস্বামী, হৰেণ চৌধুৰী, চন্দ্ৰনাথ কলিতা আৰু ৰায়হান শ্বাহ।

অসমীয়া— বিৰিঞ্চি বৰুৱা, সত্যেন শৰ্মা আৰু উপেন লেখাৰু।

অংক— ৰাধা দাস, ফণী দত্ত, অধ্যাপক আলি (নামটো পাহৰিছোঁ), শিব ঘোষ, নুৰুল ইছলাম, ৰজনী চক্ৰবৰ্তী, শীলভদ্ৰ আৰু জ্যোতি মেধি।

পদাৰ্থবিজ্ঞান— ৰবি দাস, প্ৰেমতোষ শ্যাম, উপেন দত্ত, পৰন মহন্ত, ভূমিধৰ চৌধুৰী, হিৰণ্য ভূএগ, চন্দ্ৰকান্ত দাস, ঈশ্বৰ ভূএগ আৰু বংশীৰাম দাস।

ৰসায়নবিজ্ঞান— ইন্দু সৰকাৰ, যদু মুখাৰ্জী, হৰিশ গোস্বামী, আহমদ্ হুছেইন, গিৰিশ বৰপূজাৰী, চন্দ্ৰমল কাকতি, জ্যোতিকান্ত বৰুৱা, ডম্বৰু গগৈ, প্ৰসন্ন গোস্বামী, মাধৱ ডেকা, আৰু নৃপেন মজুমদাৰ।

উদ্ভিদবিজ্ঞান— অতুল দত্ত, কমলা ৰয়, বীণা দত্ত, দেৱব্ৰত চেটাৰ্জী আৰু প্ৰফুল্ল শৰ্মা।

১৯৪৫ চনত গোটেই অসমৰ পৰা আহি কটন কলেজত নাম লগোৱা (কলা/বিজ্ঞান) মনত পৰা কিছুসংখ্যক সহপাঠীৰ নাম উনুকিয়াইছোঁ— যোগেশ দাস, বৰদা শৰ্মা, বেদব্ৰত বৰুৱা, ঘন চেতিয়া ফুকন, দেৱজিৎ চলিহা, চন্দ্ৰপ্ৰসাদ শইকীয়া, চৰ্দাৰ কণ সিং, নিৰঞ্জন গোস্বামী, গোবিন্দ ডেকা, উপেন শৰ্মা, বিৰাজ মোহন দাস, অমিয় মোহন দাস, শৰৎ বৰুৱা, মেদিনী চৌধুৰী আদি। অসম মেডিকেল কলেজত প্ৰথম নাম লগোৱা দলটোৰ কটন কলেজৰ পৰা যোৱাসকল আমাৰ সহপাঠী আছিল। উদাহৰণস্বৰূপে— নেকিবুজ্জামান, শঙ্খ বৰুৱা, বেণু বৰগোহাঁই, জ্যোতি দত্ত, শোভন খাটনিয়াৰ, জীৱন লস্কৰ, সত্যেন শৰ্মা, ভূপেন ফুকন, চন্দ্ৰ শৰ্মা আদি।

শৰীৰত কষ্ট দি হ'লেও আন্তৰিকতাৰে পঢ়া-শুনা কৰি সুফল দেখুওৱা এটা উদাহৰণ

দিওঁ। ৪৬-৪৭ চনৰ কটন কলেজৰ ৫ নং ছাত্ৰাবাসৰ ১৭ নম্বৰ কোঠালি— আমি তিনিজন থাকোঁ— তাৰে এজন শৰৎ বৰুৱা। তেওঁ পাৰিলে উজাগৰে থাকি হ'লেও গোটেই ৰাতি পঢ়িবলৈ ইচ্ছা কৰে। টোপনি আহিলে ক'ব নোৱাৰাকৈ বিছনালৈ যোৱাৰ কাৰণে এদিন বিছনা আঁতৰাই খাটৰ তলত থৈ দিলে— তেতিয়াও দেখা গ'ল, কোনোবা মুহূৰ্তত ক'ব নোৱাৰাকৈ খাটতে শুই থাকিল। এবাৰ পঢ়ি থাকোঁতে পঢ়া মেজৰ খুঁটাৰ লগত নিজক ৰছীৰে বান্ধি পঢ়া-শুনা কৰিছিল। এইবেলি টোপনিৰ জালত ওচৰতে ব্লেড এখন পাই ৰছী কাটি খাটতে পৰি থাকিল। এনেকৈ অলপ অভ্যাস কৰাৰ পিছত মাত্ৰ দিনে ডেৰ-দুই ঘণ্টামান শুয়েই তেওঁ পঢ়া-শুনা কৰিছিল। মানুহে শুনিলে গল্প বুলি ভাবিব— ইয়াৰ সাক্ষী অকল ময়ে নহয়— আমাৰ আনজন ৰুমমেট বৰদা চৰণ শৰ্মা I.P.S. (Retd)। আমি পৰীক্ষা দিয়া বছৰত (১৯৪৭ চনৰ কলিকতা বিশ্ববিদ্যালয়ৰ ইণ্টাৰমিডিয়েট পৰীক্ষা) অবিভক্ত অসমৰ ছাত্ৰ-ছাত্ৰীৰ ভিতৰত (কলা, বিজ্ঞান, দুইটা ধৰি) বৰুৱাই সৰ্বোচ্চ নম্বৰ পাইছিল। অংকত প্ৰথম শ্ৰেণীৰ অনাৰ্ছ লৈ বেনাৰস বিশ্ববিদ্যালয়ৰ পৰা Civil Engineering-অত প্ৰথম শ্ৰেণীৰ প্ৰথম হৈছিল। সেই একে বিষয়তে ডক্তৰেট ডিগ্ৰী লোৱা তেওঁ প্ৰথম অসমীয়া ছাত্ৰ। অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ অধ্যাপক, শিলচৰ আঞ্চলিক অভিযান্ত্ৰিক বিদ্যালয়ৰ অধ্যক্ষ, অসম চৰকাৰৰ কাৰিকৰী শিক্ষাৰ সঞ্চালক আৰু শেষত উচ্চতৰ শিক্ষা সংসদৰ অধ্যক্ষ হৈ তাৰ পৰা অৱসৰ লৈ বৰ্তমান দিল্লীৰ স্থায়ী বাসিন্দা।

অসমৰ বিভিন্ন ঠাইৰ পৰা আহি ছাত্ৰাবাসত থকা বেলেগ বেলেগ ল'ৰাৰ লগত সুমধুৰ সম্পৰ্ক গঢ়ি তুলিবলৈ সুবিধা পাইছিলোঁ। আমাৰ ছাত্ৰাবাসৰ এজনৰ কথা কওঁ— তেওঁ আমাৰবিলাকৰ তুলনাত খোৱা-বোৱা অলপ বেছিকৈ কৰিব পাৰিছিল আৰু সেই হিচাপেই তেওঁক সকলোৱে জানিছিল। এদিন খুব পুৱাই কলেজিয়েট স্কুলৰ কোনো এটা শ্ৰেণীৰ ল'ৰাই পিক্‌নিকলৈ বুলি গাড়ী লৈ আহি আগতে ঠিক কৰি থোৱা বন্দৱস্ত অনুসৰি তেওঁক আলহী কৰি পিক্‌নিকলৈ লৈ গৈছিল। বন্দৱস্তটো এনে ধৰণৰ, দুটা সমান ওজনৰ ছাগলী দুখন কেৰাহীত বেলেগ বেলেগকৈ ৰান্ধিব আৰু তাৰে এটাৰ মাংস তেওঁ অকলে খাব আৰু আনটোৰ বাকী সকলোৱে খাব। তেওঁ আছিল যোৰহাটৰ তিলক গগৈ— পিছত বিশিষ্ট ৰাজনৈতিক নেতা আৰু অসম চৰকাৰৰ জ্যেষ্ঠ মন্ত্ৰী আছিল। প্ৰয়াত গগৈদেৱক আজি আন্তৰিক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

বাণী কাকতি ছাৰৰ বিষয়ে অলপ লিখোঁ। কলেজত নাম লগোৱাৰ এদিন কি দুদিন পিছত কলেজৰ চৌহদত অতি সাধাৰণভাৱে থকা এজন মানুহক ইফালে-সিফালে ফুৰি থকা দেখি তেওঁক কোনোবা ছাত্ৰৰ অভিভাৱক বুলি ভাবি আছিলোঁ। তাৰ কেইদিনমানৰ পিছত দেখিলোঁ— আমাৰ ইংৰাজীৰ শ্ৰেণীত তেখেত সোমালহি— তেতিয়াহে গম পালোঁ তেখেত কোন। আমাৰ যিটো সৰু কোঠাত ইংৰাজীৰ ক্লাছ হয়, সকলো ছাত্ৰ-

ছাত্ৰী উপস্থিত থাকিলে ১০জনমানৰ কাৰণে বহিবলৈ ঠাই নহয়। এদিন শ্ৰেণীলৈ যাওঁতে অলপ দেৰি হোৱাত ঠাই নাই কাৰণে দুৱাৰমুখৰ পৰা ঘূৰি আহিব খোজোঁতেই কাকতি ছাৰে মাতি আনি হাঁহি হাঁহি ক'লে— এখন বেঞ্চত ৫জন ধৰে। প্ৰথমখন বেঞ্চত ৪জনী ছোৱালী বহিছে। তুমি হাফ-পেণ্ট পিন্ধা অকণমান ল'ৰা— খালী থকা ঠাইটোত বহা। সেইদিনাই আবেলি গৈ দৰ্জীৰ দোকানত পাইজামা চিলাই পিছদিনাৰ পৰা পাইজামা পিন্ধা হ'লোঁ— অন্ততঃ পাইজামা পিন্ধিলে সকলোৱে অলপ ডাঙৰ বুলি ভাবিব। কাকতি ছাৰে ১৯১১ চনত কলিকতা বিশ্ববিদ্যালয়ৰ অধীনৰ আই এ পৰীক্ষাত প্ৰথম স্থান অধিকাৰ কৰিছিল। আমাৰ সহপাঠী বিজ্ঞানৰ ছাত্ৰীকেইগৰাকী আছিল— সুজাতা দাস, হেমপ্ৰভা দাস, ক্ষীৰ গগৈ আৰু এগৰাকী গাৰো ছোৱালী- উপাধি 'মমিন', নামটো পাহৰিলোঁ।

অসমৰ ল'ৰাৰ কাৰণে কটন কলেজত পঢ়াটো আৰু কটনৰ যেই কোনো ছাত্ৰাবাসৰ বাসিন্দা হোৱাটো অতি আনন্দদায়ক আছিল। এই কলেজত নপঢ়া বা ইয়াৰ ছাত্ৰাবাসত নপঢ়া বহুতকে ঘৰুৱাভাৱে পিছৰ চাকৰি জীৱনত লগ পাইছোঁ। বহুতেই একমুখেৰেই স্বীকাৰ কৰে যে তেওঁলোকৰ জীৱনত এটা বিষয়ত আধৰুৱা হৈ থাকিলে— কটন কলেজত পঢ়িবলৈ নোপোৱা আৰু লগতে ছাত্ৰাবাসৰ বাসিন্দা হিচাপে আনন্দ উপভোগ কৰিব নোৱাৰাটো। ❑

লুইতপাৰৰ চিৰযৌৱনা কটন কলেজ মোৰ

ড° অণিমা গুহ (দাস)

কটন কলেজ। বৰ মিঠা এটা নাম। মোৰ স্পন্দিত অনুভূতিত জীণ যোৱা এটা উপলব্ধি। মোৰ অস্তিত্বক সজীৱ কৰি ৰখা এটা অনুপ্ৰেৰণা।

কলেজখনৰ লগত মোৰ মানসিক সম্পৰ্ক শৈশৱ কালৰে পৰা। সাধুকথা আৰু পুৰণি দিনৰ কাহিনী কোৱাত আমাৰ আবু (পিতামহী) যমুনা-সুন্দৰী আছিল পাৰদৰ্শিনী। জাৰকালি লেপৰ উম লৈ আৰু জহকালি চোতালত বহি অতীতৰ অনেক কাহিনী শুনিছিলোঁ। আমাৰ ধুবুৰীৰ ঘৰৰ আগচোতালত তাল গছজোপাৰ তলত বহি আবুৱে উলিয়াইছিল কলেজ এখনৰ কথা। সেইজোপাৰ তলত ফুলকুমলীয়া বয়সতে স্বামীহাৰা আবুৰ বোধকৰোঁ আতালৈ মনত পৰিছিল। ১৯০১ চনত কটন কলেজৰ শুভাৰম্ভৰ দিনা এইজোপা গছৰ তলতে হেনো আতাই আবুক কৈছিল যে তেওঁলোকৰ শিশুপুত্ৰ দুটিক সেইখন কলেজতে পঢ়াব। ঘৰৰ সমুখৰ জাহাজঘাটত জাহাজত উঠি সহজতে গুৱাহাটী পাবগৈ। তেওঁ নিজে ১৮৮৫ চনমানত গোৱালপাৰাৰ সমীপৱৰ্তী বৰভিটা গাঁৱৰ পৰা এফ এ পঢ়িবলৈ কষ্ট কৰি কলকাতালৈ গৈছিল। তেতিয়াৰ দিনত জাহাজেৰে বংগদেশৰ (এতিয়াৰ বাংলাদেশ) গোৱালন্দলৈ গৈ তাৰ পৰা ৰে'লগাড়ীৰে গৈছিল কলকাতালৈ। সেই আতা গৌৰমোহন দাস স্বৰ্গগামী হ'ল শিশুপুত্ৰহঁতক নিঠৰুৱা কৰি। কটন কলেজ দূৰ অস্ত। আতা আছিল এখন জমিদাৰী এষ্টেটৰ দেৱান, অৰ্থাৎ মেনেজাৰ। তেওঁৰ মৃত্যুৰ পিছত অৰ্থনৈতিক বিপৰ্যয়ৰ সন্মুখীন হোৱাত স্কুলত পঢ়োৱাটোৱে এক কঠিন সমস্যাৰূপে দেখা দিছিল। যি কি নহওক আবুৱে বহু কষ্ট কৰি পুতেকহঁতক এন্ট্ৰেন্স (স্কুল শিক্ষান্ত পৰীক্ষা) পাছ কৰাৰ পিছত কটন কলেজলৈ পঠায়। বৰপুত্ৰ গিৰীন্দ্ৰ মোহন ১৯১৭ চনত আৰু মাজুপুত্ৰ বীৰেন্দ্ৰ মোহন ১৯১৯ চনত নাম লগায় আতাৰ সপোনৰ কলেজখনত। আবু-আতাৰ বৰপুত্ৰই আমাৰ দেউতা গিৰীন্দ্ৰ মোহন দাস।

কটন কলেজৰ নাম প্ৰথম আবুৰ মুখতে শুনিছিলোঁ। তাৰ পিছত দেউতাৰ মুখে ছুডমাৰ্চ্চন চাহাব আৰু ৰবীন্দ্ৰনাথৰ নাম শুনি শুনি ডাঙৰ হ'লোঁ। তেতিয়াৰ দিনত ছাত্ৰৰ সংখ্যা আছিল কম, প্ৰিন্সিপাল ছুডমাৰ্চ্চন চাহাবে প্ৰতিজন ছাত্ৰকে চিনি পাইছিল। শিক্ষক-ছাত্ৰৰ মাজত আছিল সু-সম্পৰ্ক। ১৯১৮ চনত অগা-পিছাকৈ সূৰ্যকুমাৰ ভূএগ আৰু বাণীকান্ত কাকতিয়ে কলেজখনত অধ্যাপক হিচাপে যোগ দিয়ে। ভূএগদেৱ আছিল প্ৰথম অসমীয়া অধ্যাপক। দেউতা দুয়োগৰাকী অসমীয়া অধ্যাপকৰ ছাত্ৰ আছিল। ১৯১৯ চনত ৰবীন্দ্ৰনাথ ঠাকুৰে অসম ভ্ৰমণ কৰিবলৈ আহোঁতে কটন কলেজো পৰিদৰ্শন কৰিছিল। তেতিয়াই দেউতাহঁতে বিশ্বকবিৰ লগত তোলা এখন ফটো জ্ঞান হোৱাৰে পৰা আমাৰ ঘৰৰ বেৰত আঁৰি থোৱা দেখিছোঁ। অৱশ্যে কণমানি বাইদেৱে তেওঁকো দেউতাৰ 'মাষ্টৰ' বুলি মোক কৈছিল। জ্ঞান হোৱাৰ পিছত উপলব্ধি কৰিলোঁ তেওঁ সমগ্ৰ বিশ্বৰে 'মাষ্টৰ'।

কটন কলেজত ১৯২৯ চনত প্ৰথমগৰাকী ছাত্ৰী সুজাতা ৰয়ে নাম লগায়। তেওঁৰ দেউতাক পি চি ৰয় আছিল কটন কলেজৰ ইংৰাজী বিষয়ৰ এগৰাকী প্ৰখ্যাত অধ্যাপক। সুজাতাৰ আইতাক স্বৰ্ণলতা গুণাভিৰাম বৰুৱাৰ জীয়াৰী। যি কি নহওক আমাৰ আতাই ভবাৰ দৰে দেউতায়ো ভাবিছিল তেওঁৰ কেতিয়াবা কন্যা সন্তানৰ দেউতাক হ'লে তাইক কটন কলেজত পঢ়ুৱাব। তেওঁৰ ইচ্ছা পূৰণ কৰিবলৈকে হ'বলা এই ধৰাত মোৰ আগমন ঘটিল। মই যেন লহ্‌পহকৈ বাঢ়িবলৈ ধৰিলোঁ কটনত পঢ়িবলৈ।

(দুই)

ভাৰতৰ ক্ষমতা হস্তান্তৰৰ প্ৰাক্-কালত পঞ্জাব আৰু অবিভক্ত বংগত হোৱা সাম্প্ৰদায়িক সংঘৰ্ষত দুয়োখন ৰাজ্যতে ঘটিছিল নৰমেধ যজ্ঞ। ১৯৪৬ চন। এবছৰ পিছত যোৰহাট বালিকা হাইস্কুলৰ পৰা মেট্ৰিক দিম। দেশৰ অস্থিৰ পৰিস্থিতি। তেতিয়া কলকাতা বিশ্ববিদ্যালয়ৰ অধীনত অসমৰ ছাত্ৰ-ছাত্ৰীয়ে মেট্ৰিক পৰীক্ষা দিছিল। কলকাতা আৰু নোৱাখালিৰ (বৰ্তমানে বাংলাদেশত) সংঘৰ্ষ বিধ্বস্ত এলেকাবোৰত মহাত্মা গান্ধীয়ে পদযাত্ৰা কৰি শান্তিৰ বাণী প্ৰচাৰ কৰি আছিল। অবিভক্ত বংগৰ তেতিয়াৰ মুখ্য মন্ত্ৰী চুৰাবৰ্দীয়ে কঠোৰ ভাষাত ৰাইজক সাৱধান কৰিবলৈ ঘোষণা কৰিছিল যে গান্ধীজীৰ ওপৰত যদি কোনোবাই আক্ৰমণ চলায় তেন্তে তাৰ পৰিণাম হ'ব ভয়ংকৰ। গাঁৱৰ পাছত গাঁও জ্বলাই দিয়াৰ ভাবুকি দিয়ে তেওঁ। গান্ধীজী অক্ষত হৈ থকাই নহয়, তেওঁৰ চৰণত অস্ত্ৰ সমৰ্পণ কৰিছিল অনেক দুৰ্বৃত্তই। সেই সময়ৰে পৰা অসংখ্য শৰণাৰ্থী ভাৰতলৈ সোমাই আহিবলৈ ধৰিলে। পূৰ্বপুৰুষৰ ভিঠা-মাটি ত্যাগ কৰি। এনে এক পৰিস্থিতিত ১৯৪৭ চনত আমাৰ মাৰ্চত হ'বলগীয়া পৰীক্ষা হ'ল জুনত। দুমাহ পিছত ১৫ আগষ্টৰ দিনা দ্বিখণ্ডিত হৈ ভাৰত স্বাধীন হ'ল। আমাৰ পৰীক্ষাৰ ফল ওলাল বহু পলমকৈ। কলকাতা বিশ্ববিদ্যালয়ৰ অধীনত মেট্ৰিক পৰীক্ষা দিয়া অসমৰ ছাত্ৰ-ছাত্ৰীৰ আমিয়ে

আছিলোঁ অন্তিম দল। সেই বছৰ পৰীক্ষাত শীৰ্ষস্থান অধিকাৰ কৰিছিল অসমৰ ননীধৰ কলিতাই।

আজি ভাবিলে আচৰিত লাগে কটন কলেজত ইন্টাৰমিডিয়েটৰ বিজ্ঞান শাখাত ভৰ্তি হোৱা ৬২ বছৰ হ'ল। ইমানবোৰ বছৰ কেনেকৈ পাৰ হ'ল তৰ্কিবই নোৱাৰিলোঁ। অথচ সেই দিনবোৰ স্মৃতিত অমলিন হৈ আছে। স্কুলৰ গণ্ডী পাৰ হৈ নাদৰ ভেকুলী আহি পৰিছিলোঁ মহাসমুদ্ৰত। পাণবজাৰৰ পৰা দীঘলীপুখুৰীলৈ বিস্তৃত এই মহাসমুদ্ৰত সাঁতুৰিবলৈ গৈ ঢোকে ঢোকে পানী খাবলগীয়া অৱস্থা হৈছিল। পাণবজাৰৰ গাত লাগি থকা আৰ্টছ বিল্ডিঙটোত ইংৰাজী ক্লাছ কৰি দীঘলীপুখুৰীৰ পাৰত থকা ব'টানী বিভাগলৈ দৌৰি যাওঁ মানে সিফালে ৰোলকল পৰ্ব আধা পাইছিলগৈ। মোৰ ৰোল নম্বৰ এক হোৱা বাবে ক্লাছৰ পিছত ছাৰৰ ওচৰলৈ প্ৰায়ে যাবলগীয়া হৈছিলোঁ। পুৰণি দিনৰ স্মৃতিবোৰে কলমৰ আগত থূপ খাইছে, কোনটো লিখোঁ, কোনটো এৰোঁ ?

তেতিয়াৰ দিনত ছাত্ৰ জীৱনত শিক্ষক-শিক্ষয়িত্ৰীৰ দৰে আদৰ্শ ব্যক্তি নাছিল কোনো। সেই সময়ত কটনৰ ছোৱালী হোষ্টেলটো আছিল ড° সূৰ্যকুমাৰ ভূঞাৰ বাসভৱনৰ দাঁতিত এটা ভাৰাঘৰত। আমাৰ ৱাৰ্ডেন ড° কমলা ৰয় আছিল ব'টানীৰ অধ্যাপিকা। আজি কটন কলেজত মহিলা প্ৰবক্তা-অধ্যাপিকা প্ৰতিটো বিভাগতে অনেক আছে। আমি পঢ়া সময়ত আছিল কেৱল ব'টানী বিভাগত তিনিগৰাকী। সেয়েহে কমলা ৰয়ক দেখি তবধ মানিছিলোঁ। জন্মসূত্ৰে তেওঁ অসমীয়া আছিল। তেওঁৰ বাঙালী স্বামীৰ লগত বিদেশত থাকি পঢ়া-শুনা কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰে। সেই যুগত এইটো ডিগ্ৰীধাৰী অধ্যাপকৰ সংখ্যাও আছিল অতি সামান্য। এফালে ড° কমলা ৰয় আৰু আনটো ফালে ড° সূৰ্যকুমাৰ ভূঞা। আমাৰ অনুপ্ৰেৰণা ড° ভূঞাৰ জীয়াৰী কমলী সন্দিকৈ কলেজত পঢ়িছিল। তেৰোঁ আমাৰ স'তে একে বছৰতে মেট্ৰিক পাছ কৰিছিল। ইংৰাজী আৰু অসমীয়া বিষয় দুটা আমি পৰীক্ষাৰ আগত একেলগে পঢ়িছিলোঁ, কেতিয়াবা তেওঁলোকৰ ঘৰত কেতিয়াবা আমাৰ হোষ্টেলত। ড° বাণীকান্ত কাকতি আছিল আমাৰ কলেজৰ প্ৰিন্সিপাল। তেওঁক সকলোৱে বাণীবাবু বুলিছিল। অকল তেৱেঁই নহয় আন কেইবাগৰাকী খ্যাতনামা অধ্যাপককো বাবু বোলা হৈছিল। যেনে, অতুলবাবু, যদুবাবু, ইন্দুবাবু, ৰাধাবাবু ইত্যাদি। বাণীবাবুক তেওঁৰ পাণ্ডিত্যৰ বাবেতো হয়েই, আন এটা কাৰণেও মনত ৰাখিছোঁ। দিনে-ৰাতিয়ে অধ্যয়ন কৰি থকা মানুহ সাধাৰণতে গোমোঠামুখীয়া হয়, হাঁহিব নাজানে। বাণীবাবুও আছিল তেনে স্বভাৱৰ। তেওঁৰ এবাৰ টান নৰিয়া হোৱাত হাওঁফাওঁৰ ব্যায়ামৰ বাবেই হবলা ডাক্তৰে হাঁহিবলৈ কৈছিল। ফলত স্বতঃস্ফূৰ্তভাৱে নাহাঁহিলেও তেওঁ হকে-বিহকে কৃত্ৰিম হাঁহি মাৰিছিল। তেওঁৰ ভাষণ শুনিবলৈ বৰ ভাল পাইছিলোঁ। কাৰণ এশাৰী বাক্য কোৱাৰ মাজত তেওঁ দুই-তিনিবাৰ জোৰে জোৰে হাঁহিছিল। মাইকত সেই হাঁহি শুনি শ্ৰোতাসকল হাঁহিত বাগৰি পৰিছিল। ফলত আমাৰে বোধকৰোঁ উন্নতি হৈছিল

স্বাস্থ্যৰ। হাঁহিৰামৰ জমানাত আমি সুখেৰেই আছিলোঁ।

আমাৰ সময়ত ছাত্ৰ-শিক্ষক কাৰো সাজ-পাৰৰ প্ৰতি বিশেষ আকৰ্ষণ নাছিল। কেমেষ্ট্ৰী বিভাগৰ যদুবাবু (যদুলাল মুখাৰ্জী) আছিল এগৰাকী এবছেন্ট মাইণ্ডেড্ প্ৰফেছাৰ। তেওঁৰ খড়ীমাটিৰ গুড়িৰে ভৰা মুখখনলৈ প্ৰায়ে মনত পৰে। ব্ৰেকৰ'ৰ্ডখন হাতেৰে মোহাৰি সেইখন হাতেৰে মুখখন মচা যদুবাবুৱে বোধকৰোঁ পঢ়া-শুনাৰ বাহিৰে আন একো নাজানিছিল। কেতিয়াবা কিবা নুবুজিলে তেওঁ ক্লাছৰ পিছত অৱসৰৰ সময়ত, আনকি নিজৰ ঘৰলৈ মাতিও আমাক পঢ়াইছিল। তেতিয়াৰ দিনত কলেজৰ অধ্যাপকসকলৰ দৰমহাপাতি কম আছিল যদিও বিদ্যা বিক্ৰী কৰা নাছিল কেতিয়াও। টিউচনৰ ধাৰণাটোৱে নাছিল তেওঁলোকৰ মাজত। মনত আছে, পঢ়াবলৈ বহিলে সময়লৈ ভ্ৰূক্ষেপ নকৰা যদুবাবুৰ ঘৰলৈ আমি যাবলৈকে বাদ দিছিলোঁ। ক্ষতি হৈছিল আমাৰেই। কেমেষ্ট্ৰী বিভাগৰ আন এগৰাকী বিদগ্ধ অধ্যাপক ইন্দুবাবুৰ পোছাকযোৰলৈ মনত পৰে। তেওঁ বগা ছাৰ্টটোৰ ওপৰত পিন্ধিছিল চুৰিয়াখন ডবল পোন্ধ মাৰি। ভৰিত পিন্ধিছিল সেই পোছাকযোৰৰ সৈতে জোতা-মোজা। কেমেষ্ট্ৰীৰ কিতাপত volume শব্দটো বৰকৈ পোৱা যায়। ইন্দুবাবুৱে সেই শব্দটো উচ্চাৰণ কৰিবৰ সময়ত মুখগহ্বৰত এমোকোৰা বতাহ ভৰাই মুখৰ ভল্যুমো বঢ়াইছিল। তেওঁৰ সেই চেহেৰাটোও নাপাহৰোঁ। প্ৰতিটো বিষয়ৰ অধ্যাপকসকল আছিল বাঘা বাঘা (বাংলা শব্দ এটা ব্যৱহাৰ কৰিলোঁ)। গণিতৰ ৰাধাবাবু, নুৰুল ইছলাম, ৰেৱতীমোহন দত্ত চৌধুৰী (সাহিত্যিক শীলভদ্ৰ), ৰজনী চক্ৰৱৰ্তী, শিৱপ্ৰসাদ ঘোষ, প্ৰতিগৰাকীৰে বুজাব পৰা ক্ষমতা আছিল অসীম। ৰাধাবাবুৱে সদায় গণিতৰ ভাষাতে কথা কৈছিল। গণিত বিছনাত দীঘল হৈ পঢ়া বিষয় নহয়, বহি কৰিব লাগে। এইখিনি কথা তেওঁ আমাক কৈছিল গণিতৰ ভাষাৰে— Mathematics is not a subject which you can read by making your body hundred and eighty degree. always make it ninety degree. বি এছ চি পঢ়িবৰ সময়ত মই এবাৰ উপায়হীন হৈ বান্ধৱী মায়াকুণ্ডুক বচাবলৈ ৰাধাবাবুৰ ক্লাছত মিছা মাতিছিলোঁ। তাৰ বাবে আজিও মই অনুতপ্ত। বি এছ চি প্ৰথম বৰ্ষত (কলেজত তৃতীয় বৰ্ষ) সাধাৰণতে ছিনিয়ৰ ছাত্ৰ-ছাত্ৰীৰ গাত পাখি গজে। আমাৰ অনেকৰ গাতো পাখি গজা বাবে পঢ়া-শুনাত ফাকি দিছিলোঁ। গতিকে প্ৰথম টাৰ্মিনেল পৰীক্ষাটো বহতে নিদিলোঁ। মায়াকুণ্ডুৱে কেৱল অংক পৰীক্ষা দিয়া নাছিল। পৰীক্ষাৰ পিছত ৰাধাবাবুৱে পৰীক্ষা কিয় দিয়া নাই ক্লাছত এফালৰ পৰা সুধি গৈছিল। মায়াৰ ওপৰত যাইকে তেওঁৰ দৃষ্টি নিবদ্ধ হ'ল, বাকী পৰীক্ষা যে দিলে অংক কিয় দিয়া নাই। উত্তৰ দিব নাৰাৰি তাই ডেস্কৰ ওপৰত মূৰটো থৈ উচুপি উঠিছিল। ৰাধাবাবু নাচোড়বান্দা, উত্তৰ দিব লাগিব। মায়াহঁত দ্বিতীয় বিশ্বযুদ্ধত ম্যানমাৰৰ পৰা শৰণাৰ্থী হৈ ভাৰতলৈ আহিছিল ঘৰ-দুৱাৰ এৰি থৈ। মাজতে দেশৰ অৱস্থা অলপ উন্নত হোৱাত মায়াৰ দেউতাক-মাক এৰি থৈ অহা ধন-সম্পত্তি উদ্ধাৰ

কৰিবলৈ গৈছিল। সেই সময়তো কিবা বিপাঙত পৰিছিল তাঁলৈ সম্পত্তি বিচাৰি যোৱা শৰণাৰ্থীসকল। এই বিষয়ে কাগজে-পত্ৰে ওলাইছিল। সিদিনা থমথমীয়া পৰিৱেশ ক্লাছত। পৰীক্ষা নিদিয়াবোৰে প্ৰমাদ গণি আছে। মোৰো পাল আহি আছিল। হঠাতে এটা সাংঘাতিক মিছা মাতিলোঁ যে মায়াই মাক-দেউতাকৰ খবৰ নাপাই অস্থিৰ হৈ থকা বাবে পৰীক্ষা দিবলৈ আহিব পৰা নাই। পৰিৱেশ সলনি হ'ল। ডায়াচৰ পৰা নামি মায়াৰ মূৰত হাত বুলাই ছাৰে সহানুভূতি জনাবলৈ ধৰিলে। তাৰ পিছত তেওঁ কাকো প্ৰশ্ন নকৰি ম্যানমাৰৰ কথা কৈ থাকিল। বেল্ পৰিল, আমিও ৰক্ষা পালোঁ। সিদিনাৰে পৰা ছাৰে মায়াৰ মাক-দেউতাকৰ খবৰ লৈয়ে থাকিল। এদিন অনুতপ্ত মায়াই নিজে গৈ ছাৰক কৈ আহিল যে মাক-দেউতাক উভতি আহিছে। সিদিনা ক্লাছত আৰু এটা ঘটনা ঘটিছিল। মেট্ৰিকত প্ৰথম হোৱা ননীধৰেও পৰীক্ষা দিয়া নাছিল। তেওঁক ছাৰে থিয় কৰাই সকলোকে কৈছিল এবাৰ ছাত্ৰজনক চাবলৈ। তাৰ পিছত বহিবলৈ কৈ কৈছিল যে কলকাতা বিশ্ববিদ্যালয়ৰ অধীনত এক বিস্তৃত এলেকাৰ ছাত্ৰ-ছাত্ৰীৰ মাজত যে ননীধৰে প্ৰথম স্থান অধিকাৰ কৰিছিল আমাৰ মনত আছে নে নাই।

মহীৰুহসদৃশ ব'টানী বিভাগৰ অতুল দত্ত ছাৰৰ A Text Book of Botany (নামটো ঠিককৈ লিখিলোঁ নে নাই সন্দেহ থাকি গ'ল।)খন ভাৰতৰ বহু বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমত আছিল। তেনে এগৰাকী উদ্ভিদবিদ্যা বিশাৰদৰ ছাত্ৰী হোৱাটো আছিল আমাৰ সৌভাগ্য। আমাৰ সৌভাগ্য যে আমাক অসমীয়া পঢ়াইছিল অতুল হাজৰিকা আৰু উপেন লেখাৰুৰ দৰে অধ্যাপকে।

১৯৪৯-৫০ বৰ্ষটোৰ বাবে কটন কলেজ ইউনিয়ন ছ'চাইটীৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হৈছিল পৰৱৰ্তী যুগৰ প্ৰথিতযশা কবি-সাহিত্যিক মহেন্দ্ৰ বৰা। মই আছিলোঁ ছোৱালী কমনৰুমৰ ছেক্ৰেটাৰী। সেই সময়ত দুটা মনত থাকি যোৱা ঘটনা ঘটিছিল। ১৯৫০ চনৰ ১৫ আগষ্টত অসমক কঁপাই তুলিছিল প্ৰলয়ংকাৰী ভূমিকম্পটোৱে, যাৰ ফলত বহু ভৌগোলিক পৰিৱৰ্তন হয়। দ্বিতীয় ঘটনাটো ঘটিছিল মহেন্দ্ৰ বৰাৰ নেতৃত্বত ছাত্ৰ আন্দোলন। আমাৰ গৰমৰ বন্ধৰ ভিতৰত অসম চৰকাৰে কলেজৰ মাচুল বৃদ্ধি কৰিবলৈ, ছাত্ৰাবাসবিলাকত মাহিলি দিবলগীয়া মাচুলৰ হাৰ বঢ়াবলৈ আৰু কলা আৰু বিজ্ঞান দুয়োটা শাখাত আসনৰ সংখ্যা কৰ্তন কৰিবলৈ সিদ্ধান্ত লৈছিল। আমাৰ মানত এই সিদ্ধান্ত আছিল অগণতান্ত্ৰিক আৰু শিক্ষা বিস্তাৰ কৰা নীতিৰ পৰিপন্থী। গতিকে ইয়াৰ বিৰোধিতা কৰা হ'ল ধৰ্মঘট, শ্ৰেণী বৰ্জন আৰু অনশন ধৰ্মঘটৰ মাজেৰে। চৰকাৰেও দমনমূলক ব্যৱস্থা লৈছিল। ছাত্ৰ হোষ্টেলৰ ৰান্ধনি-ঘৰবোৰ বন্ধ কৰা হ'ল, আমাৰ প্ৰতিযোগিতামূলক বৃত্তিবোৰ বন্ধ কৰি দিলে। অনিৰ্দিষ্ট কালৰ বাবে বন্ধ কৰিলে কলেজখনো। আন্দোলন দমাবলৈ চৰকাৰে নানাভাৱে হেঁচা প্ৰয়োগ কৰিছিল।

অৱশেষত ইতিমধ্যে গঠিত হোৱা সংগ্ৰাম পৰিষদে অনশন ধৰ্মঘট কৰিবলৈ সিদ্ধান্ত

ল'লে। ত্ৰিশ-একত্ৰিশজনীয়া ছাত্ৰৰ দল এটাই কলেজৰ প্ৰশাসনীয় ভৱনৰ আগফালৰ বাৰাণ্ডাখনত আৰম্ভ কৰিলে অনশন ধৰ্মঘট। ছাত্ৰসকলৰ দাবী সমৰ্থন কৰি হেম বৰুৱা, লক্ষ্যধৰ চৌধুৰী প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলে চৰকাৰৰ শিক্ষা সংকোচন নীতিৰ সমালোচনা কৰিছিল। এনেতে এদিন অনশন চলি থকা সময়ত মাজনিশা কংগ্ৰেছৰ এগৰাকী বিশিষ্ট নেতাই পালি-প্ৰহৰী পৰিবৃত্ত হৈ অনশনকাৰীসকলৰ মাজলৈ আহি মিঠা মাতেৰে বুজালে যে চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্ত এটা তুলি ল'বলৈ সময় লাগে। সিমান দিনলৈ বাইজে উঠি অহা ডেকাচামক এইদৰে নাখাই মৰিবলৈ দিব নোৱাৰে। নেতাজনে সকলো দায়িত্ব মূৰ পাতি লৈ ছাত্ৰসকলক অনশন ভংগ কৰিবলৈ অনুৰোধ কৰে। তেওঁৰ প্ৰতিশ্ৰুতিত বিশ্বাস কৰি পঞ্চম দিনা অনশন ভংগ কৰা হ'ল। একাংশ ছাত্ৰই এই কাৰ্যক সমৰ্থন কৰা নাছিল। তেওঁলোকৰ কথাই সঠিক আছিল, কিয়নো কিছুদিনৰ মাজতে বুজা গ'ল আন্দোলন ফলৱতী নহ'ল। নেতাজনকো বিচাৰি পোৱা নগ'ল।

ধৰ্মঘট চলি থকা সময়ছোৱাত কলেজৰ অধ্যক্ষ আছিল শ্ৰীনাথ চক্ৰৱৰ্তী। সংস্কৃত সাহিত্যত তেওঁৰ আছিল অগাধ পাণ্ডিত্য। ধৰ্মঘটত আগ ভাগ লোৱা প্ৰায় আটাইবোৰ ছাত্ৰই সুনাম অৰ্জন কৰি গ্ৰেজুৱেট হোৱাৰ পিছত অধ্যক্ষৰ আশীৰ্বাদ ল'বলৈ যাওঁতে কৃতী ছাত্ৰকেইজনক তেওঁ মৰমতে সাৱটি ধৰি কৈছিল— 'মই জনা নাছিলোঁ যে পঢ়া-শুনাতো তোমালোক ইমান ভাল।' জীৱনত উন্নতি কৰিবলৈ তেওঁ আশীৰ্বাদ কৰিছিল।

কটন কলেজ এৰা বহু বছৰ হ'ল, কিন্তু কোনো স্মৃতিত ধূসৰ ৰঙে আক্ৰমণ কৰিব পৰা নাই। পিছে সকলো কথা লিখিবলৈ গ'লে মহাভাৰত হ'ব। গতিকে মনৰ মণিকোঠাত তাক সজাই থৈছোঁ। ইতিমধ্যে আমাৰ অনেক সহপাঠী বন্ধুৱে চিৰবিদায় মাগিছে। আজি বিষাদেৰে ভৰা মনেৰে সুঁৱৰিছোঁ সেইসকলক, যিসকলে এদিন কলেজৰ পৰিৱেশত প্ৰাণৰ সঞ্চাৰ কৰিছিল। সময়ৰ সোঁতে আমাকো উটুৱাই নিব। থাকি যাব আমাৰ চিৰ চেনেহৰ চিৰযৌৱনা কটন কলেজ।

'তুমি অসমৰ দীপ্ত প্ৰাণৰ প্ৰদীপ্ত মেজি জুই
তোমাৰ নাচৰ ছেৱে ছেৱে ফুলে আশাৰ পাপৰিবোৰ
উঠি অহা ডেকাদলৰ চকুত ফিৰিঙতি সানি দিয়া
লুইতপাৰৰ চিৰযৌৱনা কটন কলেজ মোৰ।' (অমলেন্দু গুহ)

(তিনি)

মাজে মাজে মোৰ মনত কিছুমান প্ৰশ্ন জাগে। আমাৰ সময়ত কটন কলেজত পঢ়িব পৰাসকলে নিজকে ভাগ্যবান বুলি ভাবিছিল। কটনিয়ান বুলি গৌৰৱ কৰিছিল। এনে এখন আগশাৰীৰ পুৰণি কলেজ থকা সত্ত্বেও আজিকালি কিয় প্ৰতিবছৰে অসংখ্য ছাত্ৰ-ছাত্ৰী বাহিৰলৈ যায়? স্বীকাৰ কৰোঁ, আজিৰ পৰিৱৰ্তনশীল বিশ্বত নাদৰ ভেকুলী

হৈ থাকিব নোৱাৰি, থকা উচিতো নহয়। Exposure লাগে। অভিজ্ঞতা লাগে। কলেজখনৰ লগত মোৰ মানসিক সম্পৰ্ক থাকিলেও বৰ্তমান কলেজখনৰ পৰিস্থিতিৰ বিষয়ে ভালদৰে অৱগত নহওঁ। তথাপি সোধোঁ আমাৰ ছাত্ৰ-ছাত্ৰীৰ যিদৰে প্ৰব্ৰজন ঘটিছে সেইদৰে বাহিৰৰ ছাত্ৰ-ছাত্ৰীও ইয়ালৈ আহিছেনে? One way traffic যদি হৈছে তেনেহ'লে বিষয়টো চিন্তা কৰিবলগীয়া।

বাতৰিকাকতবোৰেও কেতিয়াবা কঢ়িয়াই আনে আমাৰ প্ৰিয় কলেজখনৰ বিষয়ে শুনিবলৈ ভাল নলগা কিছুমান খবৰ। অনেকে কলেজখন সম্পৰ্কে বিৰূপ মন্তব্যও দিয়ে। মন ভাগি যায় প্ৰিমিয়াৰ কলেজখনৰ বিৰুদ্ধে কিবা শুনিলে। যোৱা ২৭ ফেব্ৰুৱাৰী ২০০৯ তাৰিখৰ 'জনসাধাৰণ' নামৰ কাকতখনৰ পঞ্চম পৃষ্ঠাত ওলোৱা বাতৰি এটাই আমাক মৰ্মাহত কৰিলে। বাতৰিৰ শিৰোনামটো আছিল 'বস্তি অঞ্চললৈ পৰ্যবসিত ঐতিহ্যমণ্ডিত কটন কলেজ'।

কোনোদিনে ভাবিব পৰা নাছিলোঁ যে এনে বাতৰি পঢ়িব লাগিব এদিন। উল্লিখিত বাতৰিটোৰ পৰাই কেইটামান বাক্যৰ উদ্ধৃতি দিওঁ।

'শতবৰ্ষ গৰকা কটন মহাবিদ্যালয়ৰ চৌহদ সম্প্ৰতি পৰ্যবসিত হৈছে পুতিগন্ধময় বস্তি অঞ্চললৈ। চৰকাৰী আবাসগৃহৰ অভাবতেই মহাবিদ্যালয়ৰ একাংশ তৃতীয়-চতুৰ্থ বৰ্গীয় কৰ্মচাৰীয়ে চৌহদৰ ভিতৰতে বাঁহ-তৰ্জাৰ চালিঘৰ সাজি বসবাস কৰিবলৈ লোৱাৰ ফলশ্ৰুতিতেই দৃষ্টিকটু হৈ পৰিছে কলেজখনৰ ঐতিহাসিক মানচিত্ৰ।... ৰাজ্যখনৰ প্ৰথম চৰকাৰী কলেজখনৰ এনে দুৰৱস্থাক সহজভাৱে ল'ব পৰা নাই সচেতন মহলে। মহাবিদ্যালয়খনৰ আজিৰ এই দুৰৱস্থাৰ বাবে ৰাজ্য চৰকাৰ তথা কৰ্তৃপক্ষকেই দোষী সাব্যস্ত কৰিছে একাংশ সাধাৰণ ৰাইজে। চৰকাৰী পুঁজিৰ অভাৱ আৰু অনুমোদিত ধনৰ অপব্যৱহাৰৰ বাবেই কলেজখন চৰম সংকটৰ সন্মুখীন হোৱা বুলিও অভিযোগ উত্থাপিত হৈছে।'

বাতৰিটো এইখিনিতে শেষ হোৱা নাই। ছবি আৰু অনেক তথ্যপাতিৰ সৈতে উত্থাপন কৰিছে দীঘলীয়া অভিযোগ। ছাত্ৰাবাসবোৰৰ দুৰৱস্থাৰ কথাও মাজে মাজে বাতৰিকাকতত পঢ়িছোঁ। অভিযোগবোৰৰ সত্যতা অস্বীকাৰ কোনোবাই কৰা বুলি শুনা নাই।

সঁচাকৈয়ে যদি কলেজখনৰ আজি এই অৱস্থা তেনেহ'লে স্বীকাৰ কৰিব লাগিব যে আন ৰাজ্যত উন্নতিৰ ৰেখাচিত্ৰডালৰ উৰ্ধ্বমুখী গতি হ'লেও অসমত সেইডালৰ গতি হৈছে অধোমুখী। অসমীয়া হিচাপে আৰু বিশেষকৈ কলেজখনৰ প্ৰাক্তন ছাত্ৰী হিচাপে আমি দাবী কৰোঁ, যাৰ বা যিসকলৰ বাবে ঐতিহ্যমণ্ডিত কলেজখনৰ মান নিম্নমুখী হৈছে সেই অপৰাধীসকলৰ যেন উপযুক্ত শাস্তি হয়।

আমি আশা কৰিম যেন আমাৰ প্ৰিয় কলেজখনত শিক্ষা লাভ কৰিবলৈ দেশ-বিদেশৰ ছাত্ৰ-ছাত্ৰীৰ আগমন ঘটে। □

কটন কলেজত পঢ়া দিনৰ আগৰ আৰু পিছৰ সোঁৱৰণী (এখন ব্যক্তিগত ৰচনা)

নিৰুপমা বৰগোহাঞি

সপোন দেখিছিলোঁ কটন কলেজত পঢ়াৰ, সেই সপোন বাস্তবায়িত হ'ল, কিন্তু প্ৰথমতে নহয় যেন লাগিছিল, এনেকি মেট্ৰিক পাছ কৰি ডিব্ৰুগড়ৰ কলেজ এখনত নামভৰ্তিও কৰিছিলোঁ।

গোটেই ঘটনাটো হ'ল— মই গুৱাহাটীৰ টি চি স্কুলত নৱম শ্ৰেণীত পঢ়ি থাকোঁতেই মোৰ পিতা প্ৰয়াত যাদৱ চন্দ্ৰ তামুলীৰ অত বছৰ গুৱাহাটীত থকাৰ পিছত ডিব্ৰুগড়লৈ বদলি হ'ল আৰু সপৰিয়ালে গৈ ল'ৰা-ছোৱালীকেইটাক তাৰ স্কুলবোৰত নাম লিখাই দিলে। কিন্তু মই কিছুদিন তাত পঢ়াৰ পিছত মাত্ৰ এবছৰ আগতে স্থাপিত হোৱা টি চি স্কুলৰ নৱম শ্ৰেণীৰ ক্লাছত প্ৰথম হোৱা ছাত্ৰী হিচাপে প্ৰধান শিক্ষয়িত্ৰী প্ৰয়াত ইন্দিৰা দেৱীয়ে পিতাক চিঠি লিখি মোক ওভতাই পঠোৱাৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ কৰিলে, লগতে আশ্বাস দিলে যে মোৰ থকা-মেলাৰ কোনো অসুবিধা নহ'ব।

মোৰ প্ৰাণ নাচি উঠিছিল, আচহুৱা পৰিবেশত নতুন স্কুলটোত একেবাৰে মন বহা নাছিল। গতিকে পিতাই প্ৰধান শিক্ষয়িত্ৰীৰ অনুৰোধত গলি যোৱাত মই আৰু সৰু ভনী বংমনে পুনৰ টি চি স্কুলত পঢ়িবলৈ আহিলোঁ। অৱশ্যে আমাৰ থকা-খোৱাৰ খুবেই অসুবিধা হৈছিল, স্কুল ঘৰটোৰে এটা কোঠালিত আমাক থাকিবলৈ দিয়া হৈছিল আৰু নিজে ৰান্ধি-বাঢ়ি খাই স্কুল কৰিবলগীয়া হৈছিল।

সি যি কি নহওক, যথা সময়ত মেট্ৰিক পৰীক্ষা দিলোঁ (আমি স্কুলটোৰ দ্বিতীয় দল মেট্ৰিক পৰীক্ষাৰ্থী আছিলোঁ, চনটো আছিল ১৯৪৮ চন) আৰু মই ফাৰ্ষ্ট গ্ৰেড

কুৰিটকীয়া জলপানিসহ বুৰঞ্জী আৰু সংস্কৃতত লেটাৰ পালোঁ— এই কৃতিত্বত পিছত আই এ এছ বিষয়া হৈ অৱসৰ পোৱা শ্ৰদ্ধেয় সৰ্বেশ্বৰ গোস্বামীৰো কম অৰিহণা নাছিল। টেষ্ট পৰীক্ষা হোৱাৰ পিছত মই পৰীক্ষাৰ আগৰ দুমাহৰ ছুটীত ডিব্ৰুগড়লৈ গ'লোঁ আৰু তেতিয়া তাৰ কলেজত চাকৰি কৰা সৰ্বেশ্বৰ গোস্বামীক মোক পঢ়ুৱাবলৈ নিযুক্ত কৰা হ'ল। তেখেত অসম্ভৱ গম্ভীৰ আছিল বাবে মই মনে মনে খুব ভয় কৰিছিলোঁ। মোৰ প্ৰতি ব্যৱহাৰত তেখেতে মোক গাধা বুলি ভাবি থকা বুলি ধাৰণা কৰিছিলোঁ। গতিকে খবৰ ওলোৱাৰ লগে লগে (বাতৰিকাকতত ৰোল নং চাই পৰীক্ষাৰ ৰিজাল্ট পাইছিলোঁ) ওচৰতে থকা ছাৰৰ বহালৈ দৌৰি দৌৰি গৈছিলোঁ আৰু গৰ্বেৰে মোৰ ৰিজাল্ট ঘোষণা কৰিছিলোঁ, মোৰ মনৰ ভাব এনেকুৱা— আপুনিহে মোৰ গাধা বুলি ভাবি থাকিছিল, আচলতে মই কিন্তু চোকাই!

পিছে ছাৰৰ প্ৰতিক্ৰিয়া আছিল অদ্ভুত, তেখেতৰ ঘৰত তেতিয়া কোনোবা এজন বহি আছিল, মোক একো নকৈ সেই মানুহজনকহে ইংৰাজীত এইষাৰ কথা কৈছিল— I expected more from her.

ইয়াৰ পিছত আহিল কলেজত নামভৰ্তিৰ সময়। দাদা প্ৰয়াত ড° বিনয় কুমাৰ তামুলীয়ে ক'লে, মই ডিব্ৰুগড়ৰ কলেজত আৰ্টছ লৈ পঢ়াই উচিত হ'ব, অংক বা বিজ্ঞান বিষয়ত মই যেতিয়া চোকা নহওঁ। আৰ্টছ পঢ়িলে মোৰ আই এ পৰীক্ষাত স্থান লাভ হ'বও পাৰে। অগত্যা মই ডিব্ৰুগড়ৰ একমাত্ৰ কলেজখনতে নাম লিখি ক্লাছ কৰিবলৈ ধৰিলোঁ. তেতিয়া তাত কবি যতীন্দ্ৰ নাথ দুৱৰায়ো পাঠদান কৰিছিল, অসমীয়াত। মোৰ সেই কলেজত পঢ়া কোনো কথাই মনত নপৰে, কেৱল যতীন দুৱৰাই ছন্দৰ তালে তালে গাটো দোলাই দোলাই কবিতাৰ পাঠ পঢ়ুওৱাৰ বাহিৰে। সেই দৃশ্য আজিও মনৰ চকুৰ আগত স্পষ্টভাৱে জিলিকি আছে।

পিছে কিছুদিন পঢ়াৰ পিছতে মোৰ মনটো ধৰফৰাবলৈ ধৰিলে— মই কটনত পঢ়িবলৈ নাপালোঁ, সৰুৰে পৰা কটনত পঢ়াৰ সপোন দেখি আছিলোঁ, পৰীক্ষাৰ ফলাফলো ভাল কৰিলোঁ, গতিকে কটনত পঢ়াত বাধা কি (আমাৰ দিনত তৃতীয় বিভাগত পাছ কৰিলেও কটনত নাম লিখাব পাৰিছিল); আৰু চোকা ল'ৰা-ছোৱালীয়ে কটনত পঢ়েই, লগতে বিজ্ঞান লৈও পঢ়ে, মই কিয় পঢ়িবলৈ নাপালোঁ।

ঘৰত মই হুলস্থূল কৰিবলৈ ধৰিলোঁ— মই কটনত পঢ়িমেই আৰু ছায়েন্স লৈও পঢ়িম। মোৰ কান্দোন-কাটোনত পিতা আৰু দাদাই শেষত মোক কটনত পঢ়ুৱাবলৈ বাধ্য হ'ল, অৱশ্যে বাকী ছাত্ৰ-ছাত্ৰীসকলৰ পূজাৰ আগতে নাম লেখোৱাৰ বিপৰীতে মই পূজাৰ পিছতহে নাম লেখালোঁ। কিন্তু প্ৰথমতে গৈ নোপোৱাৰ বাবে হোষ্টেলত ছীট নাপাই কিছুদিন শ্ৰদ্ধেয় ফণীধৰ দত্তৰ ঘৰত থাকি (তেখেত তেতিয়া কটনত, অংকৰ প্ৰফেছাৰ আছিল) ক্লাছবোৰ কৰিলোঁ, তেখেতৰ বৰ জীয়াৰী ললিতা

মোৰ স্কুলীয়া দিনৰে অতি অন্তৰংগ বন্ধু আছিল, সিহঁতেই মোক হোষ্টেলত ছীট নোপোৱা পৰ্যন্ত সিহঁতৰ ঘৰত থকাৰ কথা কৈছিল। ললিতাৰ মাক মাহীদেউ খুব মৰমিয়াল আছিল, মই তাত থকাকেইদিন মোৰ খুব যত্ন লৈছিল। ফণী দত্ত তেতিয়া হোষ্টেল ছুপাৰিণ্টেণ্ডেণ্ট আছিল, গতিকে কলেজত লগা কোৱাৰ্টাৰত থাকিছিল।

শেষত মই হোষ্টেলত ছীট পাইছিলোঁ, প্ৰথমতে ড° সূৰ্য ভূঞাৰ ভাৰাঘৰত কটনৰ ছোৱালীৰ অস্থায়ী হোষ্টেলত, তাৰ পিছত ছাত্ৰীৰাৰীত মিছনাৰীসকলৰ তত্ত্বাবধানত থকা হোৱাইট্ মেম'ৰিয়েল হোষ্টেলত, তাৰ কেইবা বছৰৰ পিছত মই পুৰণি স্মৃতি খুঁচৰি এই হোষ্টেলৰ অভিজ্ঞতাৰ ভেটিত 'কেকটাছৰ ফুল' নামৰ উপন্যাস এখন লিখিছিলোঁ।

সি যি কি নহওক, এনেদৰেই আৰম্ভ হৈছিল কটন কলেজৰ জীৱন, মই আই এছ চি (ইণ্টাৰমিডিয়েট্ অৱ্ ছায়েঞ্চ)ত ভৰ্তি হৈ লৈছিলোঁ ফিজিক্স, কেমিষ্ট্ৰী, ব'টানী আৰু মেথামেটিক্স। আমাৰ দিনত ফ'ৰ্থ ছাবজেক্ট বুলি বিষয় এটা ল'লেও ল'ব পাৰিছিলোঁ, নল'লেও নাই। মই অংককে ফ'ৰ্থ ছাবজেক্ট কৰি ললোঁ— অৰ্থাৎ অংকত ত্ৰিশ নম্বৰ কটা গৈ বাকী যি পাওঁ সেয়া মোৰ মুঠ নম্বৰৰ লগত যোগ হ'ব, কিন্তু এশৰ ভিতৰত নহয়, এই নম্বৰ একপ্ৰকাৰ ফাওতে পোৱাৰ দৰে হ'ব। পিছে মই আই এছ চি ফাইনেলৰ পৰীক্ষাত অংকত মাত্ৰ ৩০ নম্বৰহে পাইছিলোঁ, অৰ্থাৎ মোৰ এক নম্বৰো যোগ নহ'ল!

মোৰ হেঁপাহৰ কটন কলেজত ভৰ্তি হৈছোঁ, এতিয়া জীৱনটো পূৰ্ণভাৱে বিকশিত কৰাৰ চেষ্টা কৰিব লাগিব, পঢ়া-শুনাৰ বাহিৰেও আন কিবাকিবিও কৰিব লাগিব। মোৰ বাবে কিবাকিবি মানেতো সাহিত্য-চৰ্চা, স্কুলীয়া জীৱনত হাতেলিখা আলোচনী উলিয়ালোঁ, গল্প-প্ৰবন্ধ লিখিলোঁ। তাৰ পিছত যোৱা এটা বছৰে আৰু কলম চলোৱা নাই, তাৰ কাৰণ ভাবি চালে মোৰ অনুমান হয় মোৰ একধৰণৰ অভিমান, পিতাৰ ওপৰত অভিমান। মেট্ৰিক পৰীক্ষা দি উঠি ৰাতি জাগি জাগি মই এখন উপন্যাস লিখিবলৈ আৰম্ভ কৰিছিলোঁ, আত্মজীৱনীমূলক উপন্যাস, মোৰ জীৱনৰ প্ৰথম উপন্যাস। ৰাতি সকলোবোৰ শোৱাৰ পিছত লেম জ্বলাই লিখিছিলোঁ (আমাৰ লাইটৰ কোনো ব্যৱস্থা নথকা ভাৰাঘৰ আছিল সেইটো, ডিব্ৰুগড়ত), তাৰ পিছত পিতাই এদিন সাৰ পাই আমাৰ দুৱাৰ নথকা কোঠালিত সোমাই মোক লিখি থকা আৱিষ্কাৰ কৰি খঙতে মেজৰ পৰা লিখি থকা বহীখন টান মাৰি নি টুকুৰা-টুকুৰকৈ ফালি পেলালে (সেই খং কিহৰ আছিল আজিও নুবুজিলোঁ— ৰাতি জাগি স্বাস্থ্য নষ্ট কৰা বুলি ভাবি, নে লেমৰ তেল 'অকাম'ত খৰচ হোৱা বুলি ভাবি নে কাৰোবাক পৃষ্ঠাৰ পিছত পৃষ্ঠা মাজৰাতিৰ সুযোগ লৈ প্ৰেম-পত্ৰ লিখা বুলি ভাবি।)

মোৰ যে কি আঘাত লাগিছিল, কিমান কষ্ট কৰি লিখা উপন্যাসৰ এয়েহে

পৰিণতি! যি হওক, তাৰ পিছৰ পৰা মই বহুদিন একোকে লিখা নাছিলোঁ। পিছে গাত লিখাৰ তেজ থাকিলে নিলিখাকৈ পাৰিনে? সেই যে বালক কবি আলেকজেণ্ডাৰৰ কাহিনীটোত আছে— আলেকজেণ্ডাৰক কবিতা লিখাৰ বাবে বাপেকে পিটিলে আৰু কেতিয়াও কবিতা নেলেখে বুলি শপত খাবলৈ দিলে, পিছে তেজত বৈছে কবিতাৰ নৈ, কবিতাই ক'ত লগ এৰা দিব? সি কবিতা নেলেখে বুলি কবিতাৰেই উত্তৰ দিলে। এতিয়া শুনক তাৰ উত্তৰ ঃ Papa, papa, pity take / I shall never verses make... হয়, কবিতা সি এৰিব নোৱাৰিলে। মোৰো অৱস্থা তেনে হ'ল বোধহয়, কটনত পঢ়া জীৱন আৰম্ভ কৰি পুনৰ কলম হাতত ল'লোঁ, গল্প এটা লিখিলোঁ— 'এনথ্ৰপলজিৰ সপোনৰ পিছত' নামৰ। সেইটো লিখি উঠি ড° বিৰিঞ্চি বৰুৱাই সম্পাদনা কৰা 'ৰংঘৰ' নামৰ আলোচনীলৈ ভয়ে ভয়ে পঠালোঁ ('ৰংঘৰ'ই পিছত ড° মহেশ্বৰ নেওগৰ সম্পাদনাত 'ৰামধেনু' নাম লৈ প্ৰকাশ পালে), মোক পুলকিত আৰু আচৰিত কৰি গল্পটো প্ৰকাশ পালে, এক হিচাপে সেইটোৰেই মই অসমীয়া সাহিত্যত স্থান লাভৰ বাবে প্ৰথম খোজ আগবঢ়ালোঁ।

কটন কলেজত যি বাৰ্ষিক সাহিত্য প্ৰতিযোগিতা, গানৰ প্ৰতিযোগিতা, আবৃত্তিৰ প্ৰতিযোগিতা, খেলা-ধূলাৰ প্ৰতিযোগিতা হৈছিল তাত মই যোগ দিছিলোঁ দৌৰত আৰু ইংৰাজী আৰু বাংলা গল্পৰ প্ৰতিযোগিতাত। বাংলা গল্পটো মই 'এনথ্ৰপলজিৰ সপোনৰ পিছত'টোকে বাংলাত অনুবাদ কৰি দিছিলোঁ, সৰুৰে পৰা বাংলা কিতাপ খুব পঢ়িছিলোঁ বাবেই বোধহয় সেই ভাষাটো ভালকৈ আয়ত্ত হৈ গৈছিল। আসমীয়া গল্প প্ৰতিযোগিতাত কিয় যোগ দিয়া নাছিলোঁ কাৰণটো মনত নপৰে, অথচ কলেজত থাকোঁতে 'ৰামধেনু' গল্প প্ৰতিযোগিতাত যোগ দি পুৰস্কাৰো পাইছিলোঁ (যদিও সেই সামান্য টকা আদায় কৰিব নোৱাৰিলোঁ!) সি যি কি নহওক, মই বাংলা গল্প প্ৰতিযোগিতাত দ্বিতীয় পুৰস্কাৰ পাইছিলোঁ, ইংৰাজীত নাপালোঁ।

এতিয়া অধ্যাপকসকলৰ কথা কওঁ— অসমীয়া পঢ়ুৱাইছিল উপেন লেখাৰু ছাৰ আৰু অতুল হাজৰিকা ছাৰে, ইংৰাজী পঢ়ুৱাইছিল চন্দ্ৰ কলিতা, হৰেণ চৌধুৰী আৰু তাৰিণী কান্ত ভট্টাচাৰ্য ছাৰে (যি টি কে বি নামেৰেই বেছি জনাজাত)। বাকী বিষয়ৰ গোটেইকেইজন ছাৰৰ নাম ভালকৈ মনত নপৰে, অংকত নুৰুল ইছলাম ছাৰ, ফিজিক্সত ঈশ্বৰ ভূঞা ছাৰ, প্ৰেমতোষ শ্যাম ছাৰ, ৰবি দাস ছাৰ, কেমিষ্ট্ৰীত যদু মুখাৰ্জী ছাৰ আৰু হৰিশ গোস্বামী ছাৰ, ব'টানীত কমলা ৰায় বাইদেউ আদি আছিল। এইসকলৰ ভিতৰত পাহৰিব নোৱাৰি টি কে বি ছাৰক, তেখেতে ইংৰাজীৰ Rhetoric prosody পঢ়ুৱাইছিল, সেই নীৰস বিষয়টোকে অতি ইন্টাৰেষ্টিং কৰি তুলিছিল, আৰু মুগ্ধ হৈছিলোঁ ইংৰাজীৰ অধ্যাপক হৰেণ চৌধুৰীৰ পাঠদানত, তেখেতো যেন নিজেও পাঠদান কৰি আনন্দ লাভ কৰিছে এনেকৈ পঢ়ুৱাইছিল, কবিতা হ'লে বাৰে বাৰে

আবৃত্তি কৰে, মুখত এটা উপভোগৰ চিন। তেখেতে পঢ়ুওৱা টেনিছনৰ Morte'd Arther কবিতাটোৰ কথা আজিও মনত পৰে। ঈশ্বৰ ভূঞা ছাৰ অত্যন্ত গহীন আছিল, খুব ছিৰিয়াছলী পঢ়ুৱাইছিল। এবাৰ ফিজিক্স গেলাৰীত আমি ছোৱালীবোৰ আগত আৰু ল'ৰাবোৰ পিছত বহি ছাৰৰ পাঠদান মগ্ন হৈ শুনি আছিলোঁ, হঠাৎ ছোৱালীৰ মাজত কাগজৰ লাৰু এটা ওপৰৰ পৰা পৰিলহি। ছাৰৰ তীক্ষ্ণ চকুত কোন ল'ৰাই সেই লাৰু ৰূপী চিঠি দলিয়াইছিল ঠিকেই ধৰা পৰিছিল, তেখেতে ল'ৰাটোক মাটি আনি গহীনভাৱে কেৱল কৈছিল— 'পৰীক্ষাত পাছ-ফেল কৰাটো ডাঙৰ কথা নহয়, ডাঙৰ কথা হ'ল প্ৰকৃত মানুহ হোৱাটোহে, এতিয়া যোৱা।' ল'ৰাটো নীৰৱে তলমূৰকৈ নিজৰ বহা ঠাইলৈ উভতি গৈছিল। সঁচায়ে অত্যন্ত ব্যক্তিত্বশালী ব্যক্তি আছিল ঈশ্বৰ ভূঞা ছাৰ।

আমাৰ দিনত ছোৱালীবোৰে অধ্যাপকসকল সোমালেহে ক্লাছত সোমাইছিল, ল'ৰাবোৰ আগতে গৈ বহি থাকিছিল। ভাবিলে এতিয়া আচৰিত লাগে, মাত্ৰ কেইবছৰমানৰ ব্যৱধানত সমাজৰ কিমান পৰিবৰ্তন হৈ গ'ল, আজিকালি ল'ৰা-ছোৱালীৰ কিমান অবাধ মিলামিছা হ'ল।

এতিয়া কটন কলেজত পঢ়া দিনৰ এটা ডাঙৰ ঘটনাৰ কথা বৰ্ণাওঁ। কটন কলেজত মাচুল বৃদ্ধিৰ সিদ্ধান্ত লোৱা হ'ল, দহ টকাৰ পৰা বাৰ টকা। তেতিয়া কলেজৰ প্ৰিন্সিপাল আছিল প্ৰয়াত শ্ৰীনাথ চক্ৰৱৰ্তী, অত্যন্ত কঢ়া মানুহ, বজ্ৰসম হাতেৰে কলেজ চলাইছিল। এনেহেন প্ৰিন্সিপাল থাকোঁতেও কলেজৰ ইউনিয়ন বডীয়ে এই মাচুল বৃদ্ধিৰ বিৰুদ্ধে অনশন ধৰ্মঘট কৰাৰ সিদ্ধান্ত ল'লে। মুখিয়াল ছাত্ৰ-ছাত্ৰীৰ মাজত ময়ো এগৰাকী আছিলোঁ, তেতিয়া মই আই এছ চিৰ ফাইনেল ইয়াৰৰ ছাত্ৰী। এই নেতৃত্ব দিয়া দলটো- যেনে মহেন্দ্ৰ বৰা, দুলাল খাউণ্ড আদি বৃত্তিধাৰী ছাত্ৰ আছিল (ময়ো বৃত্তিধাৰী), তেতিয়া বৃত্তি পোৱা ছাত্ৰ-ছাত্ৰীয়ে মাচুল দিব নালাগিছিল (এতিয়া কি নিয়ম নাজানো)। গতিকে তেওঁলোকে নিজৰ স্বাৰ্থত নহয়, বাকী ল'ৰা-ছোৱালীবোৰৰ স্বাৰ্থতহে এই অনশন ধৰ্মঘট কৰাৰ সিদ্ধান্ত লৈছিল।

অনশন কিছুদিন চলিল, কিন্তু কৰ্তৃপক্ষই কোনোমতেই মাচুল বৃদ্ধিৰ সিদ্ধান্তৰ পৰা লৰচৰ নকৰিলে, গতিকে অনশন বাদ দি ল'ৰা-ছোৱালীবোৰে নত স্বীকাৰ কৰিবলৈ বাধ্য হৈছিল। কিন্তু প্ৰিন্সিপালে তাতেই সৈমান নহ'ল, এখন কাগজত এনেধৰণৰ কথাকেইটামান লিখি অনশনকাৰী আৰু নেতৃত্ব লোৱা ছাত্ৰ-ছাত্ৰীক চহী দিয়াৰ হুকুম জাৰি কৰিলে— I regret the gross indiscipline I have committed by resorting to the hunger strike.

সকলো ল'ৰা-ছোৱালীয়ে বাধ্য হৈ চহী দিলে, অৰ্থাৎ পৰাজয় মানিলে। আমি বৰ বিমোৰত পৰিলোঁ। চহী নিদিলে কলেজৰ পৰা উলিয়াই দিব বুলিও শ্ৰীনাথ

চক্ৰৱৰ্তীয়ে ক'লে। গতিকে দুলাল খাউণ্ড, মহেন্দ্ৰ বৰা আদি আৰু লগতে মই ঠিক কৰিলোঁ যে যাৰ বাবে আমি অনশন ধৰ্মঘটটো কৰালোঁ তেওঁলোকেই যেতিয়া চহী কৰিলে তাৰ পিছত আমি চহী নিদি অবাবতে জীৱন ধ্বংস কৰিলেহে হ'ব, শেষত আমি চহী দিয়াৰে সিদ্ধান্ত ল'লোঁ। মই আকৌ কলমডাল উলিয়াই আবেগেৰে ক'লোঁ— 'চহী কৰাৰ পিছত এই কলংকিত কলমডাল আৰু ব্যৱহাৰ নকৰোঁ, দলিয়াই পেলাম।' আবেগেৰে ক'লোঁ হয়, তেতিয়াৰ দিনত নিজৰা কলম এটাৰ দামতো কম নাছিল, ইফালে ঘৰৰ পৰা পঠিয়ায় মাত্ৰ কুৰি টকা, হোষ্টেল খৰচ ৩৫ টকা, মোৰ বৃত্তিৰ কুৰি টকা, সকলো মিলি চল্লিশ হয়, গতিকে হোষ্টেল খৰচ দি মোৰ বাবে মাহটোৰ হাত খৰচ থাকে ৫ টকা, গতিকে আজিৰ দিনৰ দৰে সস্তীয়া ডট্ পেন এটা নহয়, ভাল কলম এটাই কিনি ল'ব লাগিব।

পিছে অভাৱনীয়ভাৱে আমি মুক্তি পাই গ'লোঁ, কাৰণ হঠাতে ক'ৰবাৰ পৰা ল'ৰা এটা ওলাই আহি ক'লে— 'আপোনালোকে চহী দিয়ে দিব, কিন্তু মই নিদিওঁ। মই, এটা নীতি মানি অনশন ধৰ্মঘটত যোগ দিছিলোঁ, এতিয়া সেই নীতি ভংগ কৰিব নোৱাৰোঁ'... এনে ধৰণৰ কথা কৈছিল অচিনাকি ল'ৰাটোৱে আৰু আমাক বচাই দিছিল। কাৰণ তাক অকলশৰীয়া কৰি আমিনো কেনেকৈ চহী দিওঁ, গতিকে আমিও চহী নিদিলোঁ, পিছে আমাক শেষত প্ৰিন্সিপালে ক্ষমা কৰি দিলে, কলেজৰ পৰা বাহিৰ কৰি নিদিলে। (মই কলম দলিওৱাৰ পৰাও উদ্ধাৰ পালোঁ!) মই জীৱনত সেই নৈতিক সাহসেৰে বলিয়ান ল'ৰাটোক পাহৰিব নোৱাৰিলোঁ, মনত গভীৰ ছাপ বহুৱাই থৈ গ'ল, সেয়ে পিছত তাক নায়ক কৰি এখন উপন্যাসিকা লিখিছিলোঁ, নাম দিছিলোঁ নৱকান্ত বৰুৱাৰ কবিতাৰ বাক্য এটাৰে 'গানৰ নিচিনা দিন'।

এতিয়া কলেজৰ দিনৰ সৰু-সুৰা দুই-এটা অভিজ্ঞতাৰ কথা কওঁ। কলেজত নামভৰ্তি কৰাৰ পিছত যিটো Fresher Social অনুষ্ঠিত কৰা হৈছিল তাঁলৈ মুখ্য অতিথি কৰি নিমন্ত্ৰণ কৰা হৈছিল স্বৰ্গীয় জ্ঞানদাভিৰাম বৰুৱা, বাৰ্ এট্ লক। ময়ো fresher হিচাপে দুআষাৰ ইংৰাজীতে কৈছিলোঁ, পিছত তেখেতৰ ভাষণত জ্ঞানদাভিৰাম বৰুৱাই মোৰ বিষয়ে এইষাৰ মন্তব্য দিছিল— 'One day she will be a নেত্ৰী'। কথাষাৰ মোৰ কাণত আজিও বাজি থাকে, বাঁওপন্থী ৰাজনীতি আৰম্ভ কৰিছিলোঁ সেই স্কুলীয়া দিনৰ ওপৰ ক্লাছৰে পৰা, তেতিয়া কংগ্ৰেছৰ জয়জয়-ময়ময় অৱস্থা, কমিউনিষ্ট দল ঘৃণনীয়, কিন্তু মই হেনা বৰা, লাহিড়ী— এওঁলোকৰ সংস্পৰ্শলৈ আহি আমাৰ সকলো ছাত্ৰী যেতিয়া কংগ্ৰেছৰ পিনে ঢাল খাইছিল মই কমিউনিষ্ট আদৰ্শ গ্ৰহণ কৰিছিলোঁ। কিন্তু নেত্ৰী হোৱা আৰু কোনোদিন নহ'ল, মই সাহিত্য চৰ্চাতে বেছি নিমগ্ন হ'লোঁ, একেলগে দুয়োটা তাল মিলাব নোৱাৰিলোঁ, অৱশ্যে নেতৃত্ব ল'ব নোৱাৰিলেও মই বাঁওপন্থী ছাত্ৰ দলৰ লগত, মহিলা দলৰ লগত মেল-মিটিং আদিত

যোগ দছিলোঁ, এনেকি তেতিয়া নিষিদ্ধ কৰা কমিউনিষ্ট দলৰ আণ্ডাৰগ্ৰাউণ্ডলৈও গৈছিলোঁ, যেনে দেৱ প্ৰসাদ বৰুৱা (গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য) আদিক ৰাতিৰ আন্ধাৰত লগ ধৰিবলৈ হেনা ৰবাৰ লগত নগাঁৱলৈও গৈছিলোঁ। মোৰ কাণ্ড-কাৰখানাৰ বাবেই বোধহয় এদিন ছাত্ৰীবাৰী হোষ্টেললৈ পুলিচ আহি মোক বিচাৰিলে আৰু তাত থকা পুখুৰীটোত মই কিবা বন্দুক-চন্দুক পেলাই থৈছোঁ নেকি বিচাৰ-খোঁচাৰ কৰিলে। মোৰনো তেতিয়া বয়স কিমান, বেজাৰত কান্দি পেলাইছিলোঁ, বোলে মই সৰুৰে পৰা পৰুৱা এটাও মাৰি পোৱা নাই, ভেকুলী কাটিব লাগিব বুলি বায়'লজিকে নল'লোঁ, ডাক্তৰ হোৱাৰ মুদা মাৰি থ'লোঁ, সেই মইনো কাৰোবাৰ ওপৰত বন্দুক চলাম নে!' পুলিচে একো নাপাই গুচি যোৱাৰ পিছত ছাত্ৰীবাৰীৰ মেমচাহাব ছুপাৰ মিছ বাৰ্ণহামে মোক মাতি নি বাৰ্ণিং দিছিল যে সেই হোষ্টেলত কোনোদিনে পুলিচ সোমোৱা নাছিল, ইয়াৰ পিছত আৰু যদি সোমায় মোক হোষ্টেলৰ পৰা উলিয়াই দিয়া হ'ব।

মোৰ তেতিয়াৰ পৰা মনত এই চিন্তা সোমাইছিল যে এদিন আহি মোক গ্ৰেপ্তাৰ কৰি লৈ যাব আৰু জে'লত ভৰাই ৰাখিব, হেনা বাইদেউহঁতৰ দৰে। সিদিনা পুলিচ পুনৰ আহিব পাৰে বুলি শুনাৰ পিছত আমাৰ এনেক্সৰ পিছফালে থকা সৰু ঘৰ এটাত বহি বহি মই অতি আবেগেৰে, প্ৰায় চকুপানী টুকিয়ে এটা কাম কৰিলোঁ। তেতিয়া আছিল শীতকাল, বতৰৰ নানাৰঙী বিদেশী ফুলেৰে ছাত্ৰীবাৰী হোষ্টেলৰ কম্পাউণ্ডটো জকমকাই আছিল, তাৰে কিছুমান ফুলৰ পাহি ছিঙি লৈ এখন বহী আৰু আঠা যোগাৰ কৰি মই সেই সৰু খালী কমটোত দুৱাৰ মাৰি সোমাই ফুলৰ পাহিবোৰেৰে বহীখনত আঠা লগাই লিখিলোঁ ৰবীন্দ্ৰনাথৰ 'কী পাইনি তাৰি হিসেব মিলাতে মন মোৰ নহে ৰাজী'ৰে আৰম্ভ হোৱা গানটোৰ এই বাক্যটোৰ লগতে এইকেইটা কলিও— 'ভালোবেসে ছিনু এই ধৰণীৰে, ভালোবেসেছিনু'— এপাহ-দুপাহকৈ পাহিবোৰ আঠা লগাওঁতে বহুত সময় লাগিল মোৰ হিয়া আবেগত ফাটি যাওঁ যাওঁ হৈছিল— মই ইমান ভাল পোৱা এই ৰঙীণ ধুনীয়া পৃথিৱীখন এৰি মই যে ক'ৰ অন্ধকাৰ জে'লত সোমাব লাগিব। মোৰ অৱস্থাটো হৈছিল ৰূপকথাৰ থাম্বেলিনাজনীৰ দৰে, তায়ো ভোবোলা এন্দুৰটোক বিয়া কৰাই মাটিৰ তলত এন্ধাৰ থোপত সোমাব লগাৰ বেজাৰতে আকাশ-পৃথিৱীৰ পৰা যেন এনেকৈয়ে বিদায় লৈছিল। অৱশ্যে তায়ো অন্ধকাৰ গাঁতত সোমাব লগা নহ'ল, ময়ো জে'লৰ অন্ধকাৰ খুপৰীত সোমাব লগা নহ'ল। পুলিচ আৰু অহা নাছিল।

ফুলৰ পাহিৰ আখৰেৰে লিখা বহীখন মোৰ এতিয়াও আছে, কেৱল দুই-এপাহ ফুল খুলি গৈছে, ৰংবোৰৰ উজ্জ্বলতা হেৰাই গৈছে।

সি যি কি নহওক, মই আজিকালি কমিউনিষ্টৰ সভা-সমিতিবোৰলৈ নাযাওঁ,

কিন্তু সেই দলৰ লগত আত্মিক যোগাযোগ আছে এতিয়াও।

আৰু এটা সৰু কিন্তু আমোদজনক ঘটনা কওঁ। টি কে বি ছাৰে আমাক ৰেটৰিক প্ৰ'ছডী পঢ়ুৱাইছিল বুলি উল্লেখ কৰিছোঁ। Paronomasia বা Pun বোলা কথাটোৰ উদাহৰণ আছিল এনেধৰণৰ — When a man dies the woman pines for a second. এই Second টোৰে দুটা অৰ্থ বুজাব পাৰি— সময় আৰু সংখ্যা। অৰ্থাৎ গিৰিয়েকৰ মৃত্যুৰ পিছত এজনী তিৰোতাই মাত্ৰ এক মিনিটৰ বাবেহে বিলাপ কৰে, অথবা দ্বিতীয় এগৰাকী স্বামীৰ বাবে হা-হুতাশ কৰে। মই তেনে উদাহৰণত মনে মনে খুব ক্ৰোধিত হৈ পৰিছিলোঁ, সেয়ে পৰীক্ষাৰ সময়ত punঅৰ সংজ্ঞাৰে উদাহৰণ দি বাক্য এটা গঠন কৰিবলৈ কোৱাত মই উদাহৰণ দিলোঁ এইবুলি— When a woman dies the man pines for a second. পিছত ক্লাছত বহী বিলাবৰ সময়ত (ফলাফলৰ) টি কে বি ছাৰে আমোদৰ হাঁহি মাৰি কৈছিল— A certain lady in the class has reversed the example of pun, তাৰ পিছত তেওঁ মই সলোৱা বাক্যটো পঢ়ি দিছিল আৰু ক্লাছত হাঁহিৰ ৰোল উঠিছিল।

আন এটা আমোদজনক কাহিনীও কওঁ। আমি আই এছ চি ফাৰ্ষ্ট ইয়াৰত পঢ়ি থাকোঁতে আমাৰ ক্লাছৰ সাতজনী ছোৱালীক হোষ্টেলৰ প্ৰধান বিল্ডিংটোৰ পৰা অলপ আঁতৰৰ Annexe নামৰ ঘৰ এটাত ৰখা হৈছিল, সেই ৰুমমেটসকলৰ মাজত নিবেদিতা কৰ নামৰ এজনী বঙালী ছোৱালী আছিল, তেওঁৰ তাল গছৰ পাতৰ বিচনী এখন আছিল— তাত ইংৰাজীতে তাই নিজৰ নামটো লিখি থৈছিল— Nibedita Kar বুলি। এবাৰ তিলক গগৈ নামৰ কটনিয়ান এজনৰ বেমাৰ হোৱাত ছাত্ৰীবাৰী হাস্পতালত থৈছিল (এই বিশালাকাৰ মানুহজন পিছত এম এল এও হৈছিল, প্ৰয়াত গগৈ বৰ নিৰীহ মানুহ আছিল)। যি হওক আমি ছোৱালীবোৰে তেওঁৰ খা-খবৰ ল'বলৈ যাওঁ; তেতিয়া তেওঁ আমাক বিচনী এখন খুজিলে, আমাৰ কাৰো হাতত নাছিল বাবে নিবেদিতাৰখনেই দিলোঁ আৰু ছিনিয়ৰ ছাত্ৰীসকলে নিজৰ ভিতৰতে এইদৰে কৈ হঁহা-হঁহি কৰিছিল বোলে বিচনীখনেৰে তিলক গগৈয়ে বিচি বিচি তাত লিখা থকা কথাকেইটা এইবুলি পঢ়িব— নিবেদিতা কাৰ আৰু নিজকে নিজে ক'ব— নিবেদিতা মোৰ!

শেষত আৰু এটা আমোদজনক ঘটনাৰ কথা কৈ লেখাটো শেষ কৰোঁ। আমাৰ আই এছ চিৰ ফাইনেলৰ পৰীক্ষা আৰম্ভ হৈছিল, মই বিজ্ঞান বিষয়ক কঠিন বিষয়কেইটাত ভাল কৰিব পৰা নাই— কেমিষ্ট্ৰী, অংকত বেয়া হ'ল, ফিজিক্সত ইমানেই বেয়া হ'ল যে মই কান্দি কান্দি পৰীক্ষা দিলোঁ, হোষ্টেললৈ ওভতোঁতে ফ'ৰ্থ ইয়েৰত ফিজিক্স অনাৰ্ছ লৈ কটনত বি এছ চি পঢ়ি থকা মোৰ অতি প্ৰিয় বাইদেউ অঞ্জলি গগৈয়ে মোৰ পৰীক্ষা বেয়া হোৱা বুলি কোনোমতেই নামানে (এইখিনিতে

কৈ থওঁ— মোৰ 'এনথ্ৰপলজিৰ সপোনৰ পিছত' নামৰ গল্পটোৰ আধা নায়িকা প্ৰীতিৰ মডেল আছিল এৱেঁই। পুনৰ বহুত বছৰৰ মূৰত তেওঁৰ পুত্ৰ এজনেও মোৰ 'এলবামত হেৰোৱা ছবি' নামৰ উপন্যাস এখনতো চিত্ৰিত হৈছিল, সেই ল'ৰাজন নেভী লেফ্‌টেনেণ্ট্ আছিল, আৰব সাগৰৰ ওপৰত হেলিকপ্টাৰেৰে কিবা প্ৰেকটিছ কৰোঁতে এবাৰ টুপকৈ পানীত পৰি গৈ তাৰ সলিল সমাধি হৈছিল। মই সেই ঘটনাটোকে লিখিছিলোঁ। দুবছৰমান আগতে অঞ্জলি বাইদেউ প্ৰয়াত হ'ল)। শেষত তেওঁ মোৰ লগত এই বাজি মাৰিলে যে মই যদি ফাৰ্ষ্ট ডিভিজন নাপাওঁ তেওঁ মোক ১০ টকা দিব আৰু মই যদি ফাৰ্ষ্ট ডিভিজন পাওঁ তেওঁক ৰবীন্দ্ৰনাথৰ 'সঞ্চয়িতা' এখন কিনি দিব লাগিব। এতিয়া তিনিশমান টকা দামৰ সঞ্চয়িতাখনৰ তেতিয়া দাম আছিল ১০ টকা (এইখিনিতে এটা কথা প্ৰিয় পাঠকে ভাবকচোন যে তেতিয়াৰ দিনত এগৰাকী বিজ্ঞানৰ ছাত্ৰীয়ে আন বস্তু নিবিচাৰি বিচাৰিছিল এখন সঞ্চয়িতা!) মই বাজিত হাৰিলোঁ, অৰ্থাৎ ফাৰ্ষ্ট ডিভিজনেই পালোঁ। সঞ্চয়িতাখন আনন্দমনেৰেই কিনি দিলোঁ যদিও সেই ১০ টকাটো 'অবাবতে' খৰচ হোৱা বাবে কিছু কৃচ্ছ্ৰ সাধন কৰিব লগা হৈছিল!

কটনতে বি এ-ত নাম লিখালোঁ, বিজ্ঞানক জীৱনৰ পৰা চিৰ বিদায় দিলোঁ। বি এ পঢ়া দুটা বছৰ ঘটনাবহুল নাছিল, কেৱল 'বামধেনু'ত গল্পকেইটামান লিখি দিলোঁ আৰু মোৰ জীৱনৰ প্ৰথম উপন্যাস 'সেই নদী নিৰবধি'খন লিখি থৈছিলোঁ এখন শিশু উপন্যাস হিচাপে। কিন্তু কোনো প্ৰকাশকৰ ওচৰলৈ যোৱাৰ সাহ কৰিব নোৱাৰাত পৰি থাকিল। সেয়া আছিল ১৯৫১-৫২ চনৰ কথা। তাৰ পিছত ১৯৬৩ চনতহে সেইখন প্ৰথম খণ্ড কৰি তাৰ দ্বিতীয় খণ্ড এটাও লিখি উলিয়াই এখন উপন্যাস হিচাপে প্ৰকাশ কৰিলোঁ, তাৰ বেটুপাত আঁকিছিল বেণু মিশ্ৰই, সেয়া হেনো তেওঁ ৰৈখিক চিত্ৰৰে অঁকা প্ৰথম বেটুপাত আছিল।

আজি অত বছৰৰ মূৰত কটনৰ সেই ৰঙীণ দিনবোৰলৈ মনত পলাব লগা হোৱাত ৰবীন্দ্ৰনাথৰ গানৰ ভাষাৰে বিনাবৰ মন গৈছে ঃ

দিনগুলি মোৰ সোণাৰ খাঁচায়
ৰইল না, ৰইল না
সেই যে আমাৰ নানা ৰঙেৰ দিনগুলি....□

সুৰ ভৰা সোণালী দিনৰ কথাৰে

তুলতুল বৰুৱা

২০০১ চনৰ ২৮ মে'। কটন কলেজৰ শতবাৰ্ষিকী উৎসৱৰ দ্বিতীয় দিন। সেইদিনা কলেজখনৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ পুনৰ্মিলনৰ মেলা বহিছিল জজ খেলপথাৰত ধুনীয়াকৈ সজা আহল-বহল ৰভাতলীত। প্ৰাণত মধুৰ আবেগ আৰু সুখৰ অনুভূতি লৈ মোৰ কলেজীয়া দিনৰ সহপাঠী আৰু প্ৰিয় বন্ধু ড° অণিমা গুহৰ সৈতে তাত উপস্থিত হৈছিলোঁগৈ। চৌব্বিশ /পঁচিশ বছৰীয়া ডেকা-গাভৰুৰ পৰা নব্বৈ বছৰীয়া প্ৰবীণ ব্যক্তিলৈকে কেইবাশও প্ৰাক্তন কটনিয়ান তাত সমবেত হৈছিল। আমাৰ প্ৰাক্তন শিক্ষাগুৰুসকলৰো বহুকেইজন তাত উপস্থিত আছিল। লিংগ, বয়স আৰু সামাজিক স্থিতিৰ ভেদাভেদ পাহৰি সকলোটিয়ে এক বিমল আনন্দৰ জোৱাৰত নিজকে উটুৱাই দিছিল। সেই প্ৰাণময় পৰিবেশে মোৰ মনটোক উৰুৱাই লৈ গৈছিল তাৰ পঞ্চাশ বছৰৰ আগৰ আমাৰ কলেজীয়া দিনবোৰলৈ। ক'ব নোৱাৰাকৈয়ে মোৰ মুখেদি আপোনা আপুনি ওলাই আহিছিল তাহানিতে মই গাই ভাল পোৱা গীত এটিৰ কলি এটা। মোৰ কাষতে বহা অণিমাৰ কাণৰ কাষত তাকে গুণগুণাই দিছিলোঁ— 'স্মৃতি জাগে আজি দূৰ অতীতৰ, সুধা সনা সপোনৰ সুৰ ভৰা সোণালী দিনৰ।' তাহানি মোৰ ওঠৰ/ ঊনৈশ বছৰ বয়সত যান্ত্ৰিকভাৱে গোৱা গীতফাকিয়ে এটি গভীৰ অৰ্থ আৰু তীব্ৰ আবেদন লৈ মোৰ মন-প্ৰাণত নতুনকৈ এক মধুৰ ঝংকাৰ তুলি থৈ গ'ল।

এৰা, ১৯৪৭ চনৰ পৰা ১৯৫২ চনলৈকে কটন কলেজতে পঢ়া সেই পাঁচটা বছৰ মোৰ জীৱনৰ সোণালী সুদিন আছিল। কিয়নো তাক সুৰ ভৰা সোণালী দিন বুলিলোঁ, সেই কথালৈ অলপ পিছত আহিম। ১৯৪৭ চনত বহু আকাংক্ষিত স্বাধীনতা

লাভ কৰাৰ অতুল অনুভৱৰ লগতে ঐতিহ্যমণ্ডিত কটন কলেজত নাম লগোৱাৰ গৌৰৱেও আমাৰ মনবোৰ ন-উছাহেৰে ওপচাই পেলাইছিল। এনে লাগিছিল যেন অতদিনে অভিভাৱক আৰু স্কুলৰ শিক্ষক-শিক্ষয়িত্রীৰ স্নেহপূর্ণ শিকনি আৰু কঠোৰ শাসনেৰে দুয়োপাৰ বন্ধোৱা একোখনি নৈ হৈ বৈ আছিলোঁ আমি, আৰু এতিয়া এখন সাগৰত পৰিলোঁহি। পাৰাপাৰহীন বিশাল সাগৰ। প্ৰথম যৌৱনৰ সেই দিনবোৰত বতাহ-ধুমুহাই কোবোৱা সাগৰৰ বলিয়া সোঁতত উটি-ভাহি ক'ৰবাত হেৰাই যোৱাৰ পৰা আমাক ৰক্ষা কৰি আছিল আকাশৰ দৰে উদাৰ আৰু বহল মনৰ আমাৰ কলেজৰ শিক্ষাগুৰুসকলে। তেখেতসকলৰ ছত্ৰছায়াত আমি অনুভৱ কৰিছিলোঁ গভীৰ নিৰাপত্তা, পাইছিলোঁ সঠিক পথৰ নিৰ্দেশ। আত্মপ্ৰত্যয়েৰে সাগৰত বুৰ মাৰি আমাৰ যাৰ যিমান সাধ্য সেই অনুসৰি সাগৰৰ তলিৰ পৰা মণি-মুকুতা বুটলিবলৈ লৈছিলোঁ। আমাৰ মাজৰে কোনো কোনোজনে উদ্যম, পৰিশ্ৰম আৰু একাগ্ৰতাৰ বলেৰে গোটোৱা অমূল্য ৰত্নৰ সম্ভাৰেৰে সমাজকো বিভিন্ন প্ৰকাৰে, বিভিন্ন দিশত সমৃদ্ধ কৰি তুলিলে, দেশ-বিদেশতো খ্যাতি আৰ্জি অসমৰ নাম জিলিকালে। তেওঁলোকৰ কীৰ্তিয়ে কলেজখনৰ ভাবমূৰ্তি উজলাই ৰখাৰ লগতে সমূহ কটনিয়ানকে গৰ্বিত আৰু আনন্দিত কৰিলে। কটন কলেজৰ গৌৰৱময় ইতিহাসৰ— বিভিন্ন সময়ৰ বিভিন্ন ঘটনাৰ ডুখৰীয়া ছবি আজিৰ প্ৰজন্মৰ পঠিকৰ আগত এই বহুমূলীয়া সংকলনটিয়ে দাঙি ধৰিব বুলি আশা কৰিছোঁ।

প্ৰসংগতঃ কৈ যাওঁ, কটন কলেজত চাৰি বছৰৰ সলনি কিয় মই পাঁচ বছৰ পঢ়িবলগীয়া হ'ল। দুৰ্ভাগ্যবশতঃ চকুৰ বিকাৰৰ বাবে ১৯৪৯ চনত মোৰ আই এছ চি পৰীক্ষা সম্পূৰ্ণকৈ দিয়া নহ'ল। কিন্তু সেই দুৰ্ভাগ্যও সৌভাগ্যত পৰিণত হ'ল, যেতিয়া অত্যন্ত মেধাৱী ছাত্ৰী (প্ৰয়াত) সৰোজ দত্ত, (প্ৰয়াত) ড° ভবেন্দ্ৰ নাথ শইকীয়া, প্ৰয়াত ডা° ভাৰতী বৰুৱা, ডা° সুমতি চাংকাকতী, ড° লক্ষ্মীনন্দন বৰা, প্ৰভাত শৰ্মা, ঘনকান্ত দত্ত, প্ৰবোধ শৰ্মা, ভবেশ ঠাকুৰীয়াৰ দৰে ভালেকেইজন প্ৰতিভাবান আৰু প্ৰতিশ্ৰুতিসম্পন্ন ছাত্ৰ-ছাত্ৰীক সহপাঠী আৰু বন্ধু হিচাপে পালোঁ। তদুপৰি, ১৯৫১-৫২ চনত কটন কলেজৰ সোণালী জয়ন্তী উৎসৱত বি এছ চি চূড়ান্ত বৰ্ষৰ ছাত্ৰী হিচাপে সক্ৰিয় অংশগ্ৰহণ কৰিবলৈও সুযোগ পালোঁ। সেই উৎসৱ উপলক্ষেই নোবেল বঁটা বিজয়ী বিশ্ববিখ্যাত পদাৰ্থবিজ্ঞানী ছাৰ চি ভি ৰমনে কটন কলেজত পদাৰ্পণ কৰাৰ কাৰণে আৰু বিশেষকৈ আমি পদাৰ্থবিজ্ঞানৰ অনাৰ্চ পাঠ্যক্ৰমৰ ছাত্ৰ-ছাত্ৰী হিচাপে আমাৰ বিভাগীয় প্ৰদৰ্শনীখন চাই তেখেতে আমাক উৎসাহিত কৰাৰ কাৰণে অতিশয় আনন্দ পালোঁ আৰু আমাৰ বাবে ই বৰ সৌভাগ্যৰ কথা বুলি ধৰিছোঁ।

হাতত কলমটো তুলি লোৱাৰ লগে লগে সেই পাঁচটা বছৰৰ অলেখ স্মৃতিয়ে মনত ভিৰ কৰিছেহি যদিও ইয়াত মই কেৱল কলেজখনত তেতিয়া বিৰাজ কৰা

সাংগীতিক পৰিৱেশৰ কথা— 'সুৰ ভৰা সোণালী দিনৰ' কথাহে চমুকৈ উনুকিয়াব খুজিছোঁ।

আমি যেতিয়া কলেজত সোমাওঁ, তেতিয়া অসমৰ বিখ্যাত গায়ক, সুৰকাৰ, অভিনেতা আৰু চিত্ৰ পৰিচালক প্ৰয়াত ব্ৰজেন বৰুৱা স্নাতক চূড়ান্ত বৰ্ষৰ ছাত্ৰ আছিল আৰু তেখেতেই কলেজখনত অনুষ্ঠিত সংগীতানুষ্ঠানবোৰৰ গুৰি ধৰিছিল। তেখেতৰ পৰিচালনাত পৰিৱেশিত সুৰ সমলয় (ঐকতান বাদন) আৰু সমৱেত সংগীত— প্ৰতিটো সংগীতানুষ্ঠানৰে অপৰিহাৰ্য অংগ আছিল। এতিয়া সংগীত বুলিলেই নগৰে-চহৰে, গাঁৱে-ভূঞে ইলেক্ট্ৰনিক বাদ্যযন্ত্ৰৰ যি আধিপত্য, সেয়া তেতিয়াৰ দিনত কল্পনাৰো অগোচৰ আছিল। এই প্ৰসংগতে মনত পৰিছে, কটন কলেজৰ শতবাৰ্ষিকী উপলক্ষে সেইদিনা ন-পুৰণি এশগৰাকী কটনিয়ান কণ্ঠশিল্পীয়ে পৰিৱেশন কৰা সমৱেত সংগীতটিলৈ। অত্যাধুনিক বাদ্যযন্ত্ৰবোৰৰ প্ৰকোপত গীতটিৰ কথাভাগ স্পষ্টকৈ শুনা আৰু বুজা শ্ৰোতাসকলৰ বাবে অসম্ভৱ হৈ পৰিছিল। এনে এটা মহত্ত্বপূৰ্ণ উপলক্ষ্যৰ বাবে সযতনে ৰচা আৰু কণ্ঠশিল্পীসকলে মনৰ উছাহেৰে সুন্দৰকৈ গোৱা গীতটি ভালদৰে শুনিবলৈ নোপোৱাৰ বেজাৰটো মোৰ থাকিয়েই গ'ল। সুৰ সমলয়ত ব্ৰজেনদাই নিজে অৰ্গেন বজাইছিল। আৰু তাৰ লগত বাজিছিল বেহেলা, চেতাৰ, এছৰাজ, বাঁহী আৰু তবলা। পিছলৈ গীটাৰ এখনো তাত চামিল হৈছিল। সুৰ সমলয়ত ভাগ লোৱা শিল্পীসকলৰ ভিতৰত কেইজনমানৰ কথাহে মোৰ মনত আছে। মণ্টু (?) গ'ল্ড স্মিথে বৰ শুৱলাকৈ বেহেলা বজাইছিল। পিছৰ কালত বিশিষ্ট চুটিগল্প লেখক হিচাপে নাম কৰা ৰোহিণী কাকতীয়ে এছৰাজ বজাইছিল। বাঁহী বজাইছিল অসমীয়া বোলছবিৰ প্ৰখ্যাত পৰিচালক নিপ বৰুৱাই। ব্ৰজেনদাৰ আন এজন ভায়েক আমাৰ সহপাঠী দ্বিবন বৰুৱাই তবলা সংগত কৰিছিল। ব্ৰজেনদাৰ সুৰ সমলয়ত মই প্ৰতিবাৰেই চেতাৰ বজাইছিলোঁ। কলেজৰ দুখনমান সংগীতানুষ্ঠানত মই অকলে চেতাৰত ৰাগ-সংগীতো পৰিৱেশন কৰিছিলোঁ। তাৰে এখনত বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাই মোৰ হাতখন মিঠা বুলি কোৱাৰ কাৰণে আমাৰ লগৰ ল'ৰাবোৰে তাকে লৈ বৰ ৰগৰ কৰিছিল। চেতাৰ বজাবলৈ কাহানিবাই এৰিলোঁ কাৰণে এতিয়া অনুতাপ কৰোঁ। কটন কলেজৰ সংগীতানুষ্ঠানত অণিমা দাসেও (গুহই) ভজন পৰিৱেশন কৰিছিল। পিছত তেৰোঁ গীত গাবলৈ এৰিলে। ব্ৰজেনদাৰ পৰিচালনাত অকল কলেজতে নহয়, বাহিৰত সংগীতানুষ্ঠানতো সমৱেত সংগীত পৰিৱেশন কৰিছিলোঁ। এবেলি ছাত্ৰ কংগ্ৰেছৰ অধিৱেশনৰ সাংস্কৃতিক সন্ধিয়াত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই বিশেষভাৱে ৰচা 'আমি বহুৰাম জনতাৰ দৰবাৰ' গীতটিত নিচেই কম সময়ৰ ভিতৰতে ব্ৰজেনদাই সুৰ দি আমাক গাবলৈ শিকোৱাৰ কথা মোৰ প্ৰায়েই মনত পৰে। তাৰ আখৰা আমাৰ কলেজৰ ছোৱালীৰ কমন ৰুমতে কৰিছিলোঁ। গীতটিত অংশগ্ৰহণ কৰা ছাত্ৰবিলাকৰ

ভিতৰত এজন আছিল স্বনামধন্য কৃষি বিজ্ঞানী ড° ধীৰেন্দ্ৰ নাথ বৰঠাকুৰ; তিনিজনী ছোৱালীৰ ভিতৰত দুজনী আছিল সন্দিকৈ কলেজৰ (প্ৰয়াত) ডলী হাজৰিকা (তালুকদাৰ) আৰু অণু দাস (ৰায়চৌধুৰী); তৃতীয়জনী আছিলোঁ মই।

আমাৰ সময়ৰ এজন জনপ্ৰিয় কণ্ঠশিল্পী আছিল যোৰহাটৰ আক্ৰাম হুছেইন। তেওঁ গোৱা কবি অজিৎ বৰুৱাৰ কথা আৰু ব্ৰজেনদাৰ সুৰ সম্বলিত গীতবোৰ কটন কলেজৰ সংগীত সন্ধিয়াবোৰৰ মুখ্য আকৰ্ষণ আছিল। তেওঁৰ লগতে মুনীন বৰুৱায়ো যোৰহাটৰ দৰ্প শৰ্মা, নব বৰুৱা আদি গীতিকাৰ, সুৰকাৰৰ গীত কটন কলেজত পৰিৱেশন কৰিছিল। সেইদৰে ডিব্ৰুগড়, শিৱসাগৰ, লখিমপুৰ আদি নগৰ-চহৰৰ পৰা কটনত পঢ়িবলৈ অহা ছাত্ৰ-ছাত্ৰীৰ যোগেদি অসমৰ বিভিন্ন ঠাইৰ গীতিকাৰ-সুৰকাৰৰ গীতবোৰ প্ৰচাৰ হৈছিল। গীত-বাদ্য সকলোতে নিপুণ নগাঁৱৰ নীলিমা ভূঞা (বৰুৱা) আছিল এগৰাকী প্ৰতিভাময়ী শিল্পী। লখিমপুৰৰ প্ৰফুল্ল বৰুৱাৰ আধুনিক গীত আছিল কলেজৰ সংগীতানুষ্ঠানবোৰৰ অন্যতম আকৰ্ষণ। অমিয়মোহন দাসে আনন্দিৰাম দাসে ৰচা গীত— বিশেষকৈ বনগীত গাই বেছ জনপ্ৰিয়তা আৰ্জিছিল।

১৯৪৮ চনত অল ইণ্ডিয়া ৰেডিঅ'ৰ শিলং-গুৱাহাটী কেন্দ্ৰ মুকলি কৰাৰ লগে লগে অসমীয়া গীতৰ সৃষ্টি আৰু চৰ্চাৰ ক্ষেত্ৰখনত এক নতুন উদ্যম পৰিলক্ষিত হ'ল। কটন কলেজতো তাৰ বা লাগিল। গীত গাব জনা কটনিয়ানসকলৰ মাজৰ পৰা ওলাল ভালেমান অনাতাঁৰ শিল্পী। ব্ৰজেন বৰুৱা আৰু আক্ৰাম হুছেইনে ইতিমধ্যে কলেজৰ পৰা বিদায় লৈছিল। দুয়োজনেই ৰেডিঅ'যোগে আধুনিক গীত পৰিৱেশন কৰিবলৈ লৈছিল। কটন কলেজৰ মঞ্চত গীত গোৱা শিল্পীসকলৰ উপৰি আৰু কেইবাগৰাকীও কটনিয়ানে ৰেডিঅ'ত গান গোৱাৰ অৰ্হতা আৰ্জিছিল। আজিৰ তুলনাত অৱশ্যে আমাৰ দিনত অডিচন'ত পাছ কৰাটো বেছ উজু আছিল। গীতৰ সুৰ, তাল, লয় ঠিকে থাকিলেই আৰু কণ্ঠস্বৰত খুঁত নাথাকিলেই অনাতাঁৰ শিল্পী হোৱাৰ যোগ্যতা আৰ্জিব পৰা গৈছিল। সেই কণ্ঠশিল্পীসকলৰ ভিতৰত আমাৰ কলেজৰ নীলিমা ভূঞাৰ উপৰি গীতা দাস (পিছত বৰা), মণি দেৱী, বীণা আগৰৱালা, শীলা ঘোষ, ননী কাকতি আৰু মোকে ধৰি কেইবাগৰাকীও ছাত্ৰী আছিল; প্ৰফুল্ল বৰুৱা, কলন্দৰ শ্বাহ, জ্যোতিৰ্ময় কাকতি, ধীৰেন চৌধুৰী, হেৰম্ব বৰা, স্বদেশ সেনগুপ্ত আদি ছাত্ৰৰ নামো মোৰ মনত পৰিছে; অনেকৰ নাম পাহৰিছোঁ। ১৯৪৮ চনতে লক্ষহীৰা বৈশ্য সাউদে (ড° লক্ষহীৰা দাসে) অতি সুখ্যাতিৰে আই এ পাছ কৰি কটন কলেজৰ বি এ শ্ৰেণীত নাম লগাইছিলহি। ইতিপূৰ্বে তেওঁ আৰু তেওঁৰ বাইদেৱেক সাবিত্ৰী বৈশ্য সাউদে অসমৰ একাধিক নগৰত গায়িকা হিচাপে সুখ্যাতি আৰ্জি আহিছিল। লক্ষহীৰাই পোনতে ৰেডিঅ'ত আনে ৰচা দুই-এটি গীত গাইছিল। তেওঁ এগৰাকী ভাল কবিও আছিল। সেই কাৰণে তেওঁক আমি গীতো লিখিবৰ বাবে জোৰ দি ধৰিছিলোঁ। অনাতাঁৰ

কেন্দ্ৰৰ ছৈয়দ আব্দুল মালিক চাহাবেও হেনো গীত লিখিবলৈ তেওঁক উৎসাহিত কৰিছিল। সেই সময়ত অসমীয়া আধুনিক গীত নাটনিৰ বাবে আমি অনাতাঁৰ শিল্পীবিলাক বৰ সমস্যাত পৰিছিলোঁ। ৰেডিঅ'ত গাবলৈ ময়েই প্ৰয়াত পৰাগ চলিহাৰ পৰা আগেয়ে শিকা ড° মহেশ্বৰ নেওগ আৰু ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই ৰচা একোটাকৈ গীত, ড° ভূপেন হাজৰিকাই শিকোৱা তেখেতৰ এটি গীত, অসম-কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীৰ পৰা শিকা তেখেতৰ এটি গীতৰ উপৰি শুচিব্ৰতা ৰায়চৌধুৰীয়ে শিকোৱা তেখেতৰ দুটিমান গীতৰ পিছত নতুন গান বিচাৰ হাবাথুৰি খাবলগীয়া হৈছিলোঁ। অসমীয়া আধুনিক গীতৰ অন্যান্য কণ্ঠশিল্পীসকলৰো অৱস্থা প্ৰায় একেই আছিল। 'পিছে অভাৱেই আৱিষ্কাৰৰ মূল' বোলা কথা এষাৰ আছেই। লক্ষহীৰা বৈশ্য সাউদে গীত ৰচিবলৈ আৰম্ভ কৰিলে— ধুনীয়া ধুনীয়া মনপৰশা গীত। তেওঁ লিখা 'বিজন পৰত গাম গীত মই কোনেও নজনাকৈ, তুমিও নুশুনাকৈ' আৰু 'এন্ধাৰ যুগৰ দীপশিখা মই'— এই দুটি গীতত মই বৰ যতনেৰে সুৰ আৰোপ কৰি তেওঁকে প্ৰথম ৰেডিঅ'ত গাবলৈ দি পিছত গীতা দাস আৰু ময়ো কেইবাবাৰো গাইছিলোঁ। লক্ষহীৰাৰ দ্বাৰা ৰচিত 'উদয়াচলৰ ৰঙীণ দেশত ৰামধেনু হৈ জিলিকি ৰ'ম নীলিমাৰ একোণত', 'মোৰ জীৱনৰ ভুলৰ বালিত সাজিলোঁ তাজমহল' আদি ভালেমান গীতত সুৰ দি ৰেডিঅ'ত গাইছিলোঁ আৰু গোৱাইছিলোঁ। আন এগৰাকী কবি, কটনিয়ান সত্যপ্ৰভা দাসে লিখা কেইবাটাও গীতত সুৰ দিছিলোঁ। 'সোৱণশিৰিৰ সোণালী পাৰত সোণগুড়ি হৈ জিলিকি ৰ'ম মই' গীতটি মোৰ আৰু বহুতৰে বৰ প্ৰিয় আছিল। কেতিয়াবা আমাৰ ছোৱালীৰ কমন ৰুমত থকা অৰ্গেনটো বজাই থিতাতে একোটা সুৰ সৃষ্টি কৰিছিলোঁ। সেই সুৰবোৰৰ মান অতি উন্নত আছিল বুলি কেতিয়াও দাবী কৰিব নোৱাৰোঁ; কিন্তু তেতিয়া সুৰ সৃষ্টিৰ যি মাদকতা আৰু অনিৰ্বচনীয় আনন্দ অনুভৱ কৰিছিলোঁ— তাৰ সুখ-স্মৃতিয়ে এতিয়াও মোৰ মনত পুলক জগায়।

লক্ষহীৰা বৈশ্য সাউদৰ গীতত ব্ৰজেন বৰুৱা, নীলিমা ভূঞা, তফজ্জুল আলিয়েও সুৰ দি গাইছিল আৰু গোৱাইছিল। মঙলদৈৰ পৰা আহি কটন কলেজৰ হোষ্টেলত থাকি পঢ়ি থকাৰ সময়তে তফজ্জুল আলিয়ে প্ৰায় লানি নিছিগাকৈ গীত আৰু সুৰ ৰচি গৈছিল। তেওঁৰ অনুপম গীতবোৰৰ সৃষ্টিতো গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ ভূমিকা অনস্বীকাৰ্য। গোৱালপাৰাৰ পৰা আহি সুগায়ক বীৰেন্দ্ৰনাথ দত্তই কটন কলেজৰ মঞ্চত প্ৰথমবাৰৰ কাৰণে গীত গোৱাৰ সন্ধিয়াটো আজিও মোৰ মনত আছে। ডিগবৈৰ জ্যোতিৰ্ময় কাকতিৰ গীতেও কটন কলেজতে প্ৰথমতে শ্ৰোতাৰ মন জয় কৰিছিল। কটন কলেজৰ আন এটি সংগীত প্ৰতিভা আছিল আমাৰ লগৰ প্ৰবোধ শৰ্মা। তেওঁ সময়ে-অসময়ে অৰ্গেনত সুৰৰ মায়াজাল ৰচি আপোন পাহৰা হৈ থাকিছিল। 'চাপৰি চাপৰি তুলি যাওঁ বাবৰি, পুৰণিকলীয়া কচু' বোলা থলুৱা কথা

আৰু সুৰেৰে সজোৱা তেওঁৰ অনন্য সুন্দৰ গীতটি হয়তো বহুতেই শুনিবলৈ পোৱা নাই। একেদৰেই আমাৰ সহপাঠী ডা° মালতী বৰুৱায়ো গীত ৰচিছিল 'মোৰ কণ্ঠৰ সুৰদি গানে, অপৰাজিতাৰ ঘুমটি ভাঙে' বোলা তেওঁৰ গীতটিয়ে বেছ জনপ্ৰিয়তা আৰ্জিছিল। ১৯৪৯ চনত আই এছ চি পাছ কৰি তেওঁ অসম মেডিকেল কলেজত পঢ়িবলৈ ডিব্ৰুগড়লৈ গ'লগৈ। কলেজৰ সংগীত প্ৰতিযোগিতাবোৰত একাধিক পুৰস্কাৰ লাভ কৰা সুগায়িকা হিমানী ৰায়ে পিছত গান গাই থাকিলেনে নাই নাজানো।

কটন কলেজৰ সেই সময়ৰ অন্যান্য বহুতো সংগীত-প্ৰতিভাৰ কথা প্ৰায় তিনি কুৰি বছৰৰ ব্যৱধানে আৰু বয়সৰ দোষে হয়তো মোক পাহৰাই দিছে। তথাপি, সেই সময়ৰ কলেজৰ সাংগীতিক পৰিৱেশে সৃষ্টি কৰা কিছুমান শিল্পীৰ কৃতিত্বৰ কথা উল্লেখ নকৰাকৈ থাকিব নোৱাৰিলোঁ। অজিৎ বৰুৱাৰ কথা আৰু ব্ৰজেন বৰুৱাৰ সুৰে আমাৰ চামৰ শ্ৰোতাৰ হৃদয় বহুদিনলৈকে আপ্লুত কৰি ৰখাৰ পিছত ব্ৰজেনদাই অভিনেতা আৰু চিত্ৰ-পৰিচালক ৰূপে কৃতকাৰ্যতাৰ শিখৰ চুলেগৈ। কিন্তু, তেওঁ হঠাতে এই পৃথিৱীৰ পৰাই বিদায় ল'লে। মোৰ বিশ্বাস, তেখেতৰ নুমলীয়া ভায়েক ৰমেন বৰুৱাৰ অপূৰ্ব সুৰ-সৃষ্টিত আঁৰত ব্ৰজেনদাৰ প্ৰভাৱ আৰু আশীৰ্বাদ এতিয়াও আছে। কটন কলেজতে আৰম্ভ কৰা তফজ্জুল আলি-বীৰেন্দ্ৰ নাথ দত্তৰ জয়যাত্ৰাই পিছত সফলতা আৰু জনপ্ৰিয়তাৰ তুংগত আৰোহণ কৰিলেহি। জ্যোতিৰ্ময় কাকতিৰ গীতে এতিয়াও অসংখ্য শ্ৰোতাৰ প্ৰাণত আৱেগৰ ঢৌ তুলি আছে। ড° লক্ষহীৰা দাস অসমৰ সংগীত জগতৰ এটি তৰা হৈ জিলিকি আছে। গীতা বৰাই যোৱা বছৰ অসম চৰকাৰৰ শিল্পী পেঞ্চন পালে। তেওঁৰ সুৰীয়া কণ্ঠই এতিয়াও তাহানি আমি গোৱা গীতবোৰ জীয়াই ৰাখিছে। এইসকল শিল্পীয়ে তেওঁলোকৰ অৱদানেৰে অসমৰ সংগীত জগতখনক সমৃদ্ধ কৰাৰ বাবে তেওঁলোকৰ সমসাময়িক সেই সুৰ ভৰা সোণালী দিনৰ কটনিয়ান হিচাপে আমি গৰ্ব আৰু আনন্দ অনুভৱ কৰি আছোঁ।

এছোৱা সীমিত সময়ৰ বাবে কটন কলেজৰ সাংগীতিক পৰিৱেশৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত হৈ থকাৰ বাবে সেইছোৱা সময়ৰ কথাহে লিখিলোঁ যদিও শেহত আমাৰ কলেজখনে জন্মলগ্নৰে পৰা এতিয়ালৈকে সৃষ্টি কৰা আৰু সৃষ্টিৰ প্ৰেৰণা যোগোৱা সমূহ সংগীতশিল্পীৰ লগতে সংগীতপ্ৰেমী কটনিয়ানসকললৈকো মোৰ আন্তৰিক শ্ৰদ্ধা আৰু অভিনন্দন জনালোঁ।□

মোৰ জন্মস্বত্ব

কুলদা কুমাৰ ভট্টাচাৰ্য

কটনত পঢ়িম বুলিলে যি শিহৰণ মই সেইবোৰ অনুভূতিৰ পৰা বঞ্চিত আছিলোঁ। কাৰণ, পাণবজাৰৰ যিটো ৰাস্তাত মই উপজিছোঁ তাৰ পৰা কটনৰ নিউ আৰ্টছ ব্লকলৈ যোৱাৰ সময় দুই বা তিনি মিনিট। জ্ঞান-বুদ্ধি হোৱাৰে পৰা কলেজখন দেখি আহিছোঁ, তাৰ বাৰাণ্ডাবোৰত খেলিছোঁ, ছুডমাৰ্চ্ছন হলত নাটক আৰু আন অনুষ্ঠান চাইছোঁ, তাতে ১২ বছৰ বয়সত প্ৰথম ডাঙৰৰ লগত অভিনয় কৰিছোঁ, ঘৰৰ ডাঙৰবোৰে তাতে পঢ়িছে, গতিকে কটন কলেজ মোৰ জন্মস্বত্ব। তাত বিস্ময়ৰ কি আছে? কটন কলেজক লৈ মই কোনো কল্পনা-সুখৰ অভিজ্ঞতা লাভ কৰা নাছিলোঁ। বোধকৰোঁ আমাৰ দিনৰ গুৱাহাটীৰ ল'ৰাবোৰৰ একে অনুভূতিহীন অস্তিত্ব আছিল। ঘৰ্‌কা মুৰগী দাল বৰাবৰ।

আজিকালিৰ গুৱাহাটীৰ ল'ৰা-ছোৱালীৰ হয়তো তেনে অভিজ্ঞতা হয়। কাৰণ, অনেক কলেজ, অনেক প্ৰতিযোগিতা। কটনত পঢ়িবলৈ স্কুলৰ শিক্ষান্ত পৰীক্ষাত অতি উচ্চ নম্বৰ পাব লাগিব। নহ'লে বেলেগ কলেজ। দ্বিতীয় মহাসমৰ চলি থকা দিনত বি বৰুৱা কলেজ স্থাপিত হৈছিল যদিও সেইখন আছিল কমাৰ্চ কলেজ। গতিকে মেট্ৰিক পাছ কৰিলে কটন, এই লৈ কোনো সন্দেহ বা দুশ্চিন্তা নাই। ছোৱালীবোৰৰ বাবে অৱশ্যে সন্দিকৈ (হেণ্ডিক) কলেজ আছিল, কিন্তু তাত পঢ়াৰ সুযোগ পৰীক্ষাৰ ফলাফলৰ ওপৰত বিশেষ নিৰ্ভৰশীল নাছিল। নিৰ্ভৰশীল আছিল সহশিক্ষাৰ প্ৰতি পৰিয়ালৰ দৃষ্টিভংগীৰ ওপৰত। এইটোও অৱশ্যে ঠিক যে চোকা ছাত্ৰী হ'লে তেনে দৃষ্টিভংগীয়ে বাট এৰিও দিছিল।

দ্বিতীয় মহাযুদ্ধৰ সময়ত স্কুল-কলেজবোৰ মিলিটেৰীয়ে দখল কৰি লৈছিল। কটনৰ ছুডমাৰ্চ্ছন হলটোৱে সৈতে নিউ আৰ্টছ বিল্ডিংটোও মিলিটেৰীৰ দখলত আছিল।

উদ্ভিদ আৰু প্ৰাণীবিদ্যা বিভাগটো উঠি আহিছিল আমি থকা যশোৱন্ত ৰ'ডলৈ। চতুৰ্থ শ্ৰেণীত পঢ়োঁ। ঘৰৰ বাৰাণ্ডাতে বহি দেখা পাওঁ অধ্যাপক অতুল দত্ত, সুগঠিত দেহাৰ দেৱব্ৰত চট্টোপাধ্যায়, পণ্ডিত লক্ষ্মীনাথ চট্টোপাধ্যায়ৰ ল'ৰা, পৰৱৰ্তী কালত শিৱপুৰ ব'টানিকেল গাৰ্ডেনৰ ব'টানিকেল ছাৰ্ভে অৱ্ ইণ্ডিয়াৰ সঞ্চালক, বীণা দত্ত নামৰ এগৰাকী গাভৰু অধ্যাপিকা, যিগৰাকীও ব'টানিকেল গাৰ্ডেনৰ চাকৰি লৈ গুচি গৈছিল আৰু অপৰূপ সুন্দৰী কমলা ৰায়ক। এনে ওখ, সুগঢ়ী, তেজে ফাটো ফাটো গাৰ ৰং, অসাধাৰণ ব্যক্তিত্বসম্পন্ন অসমীয়া মহিলা মই দেখা নাই বুলি ক'ব পাৰোঁ। তেওঁ এখন ক'লা মটৰ গাড়ীত অহা-যোৱা কৰা মনত পৰে।

তেনে দিনতে দেখা পাওঁ হৰিসভাৰ ওচৰৰ এটা ঘৰত মেছ কৰি থাকে দীৰ্ঘদেহী ভাগ্য তালুকদাৰ, প'লভ'ল্ট চেম্পিয়ন, পিছত ভাৰতীয় বিমান বাহিনীলৈ যোৱা বুলি শুনিছিলোঁ। আছিল দৌড়বীৰ অৰুণ দত্ত— পঞ্চাশৰ দশকত লণ্ডনত আততায়ীৰ হাতত নিহত হৈছিল। দেখা পাইছিলোঁ তেতিয়াৰ কমিউনিষ্ট ছাত্ৰনেতা ফণী বৰা, প্ৰমোদ গগৈক।

বৰ্তমান গুৱাহাটী ডায়েৰী আৰু যোৱা বছৰ উঠি যোৱা ইণ্ডিয়ান অ'ভাৰচিজ বেংক ঘৰটো তেতিয়া আছাম টাইপ আছিল আৰু তিনিখন দোকানত বিভক্ত আছিল— গুৱাহাটী ডায়েৰী— বৰ্তমানৰ ঠাইত ৰয়'ছ কম্পেনী আৰু এই দুটা অংকৰ মাজত কেফে ডিলাক্স (ক্ৰমে তাতে লগ লাগে পায়নিয়াৰ বুক ডিপো)। এই সৰু চাহ-কফি-চপ-কাটলেটৰ দোকানখন আছিল গৌৰীশংকৰ ভট্টাচাৰ্যৰ। তেওঁ তেতিয়া নতুন উকীল।

ঠিক সেই সময়ত কটনত কোনো ডাঙৰ ফুটবল ক্ৰিকেট খেলুৱৈ দেখা মনত নপৰে যদিও ১৯৪৬ চনত দেখা পাওঁ ৰত্নহাস গোস্বামী আৰু অমূল্যহাস গোস্বামী ভাতৃদ্বয়ক, দুয়ো ফুটবল-ক্ৰিকেটত পাৰদৰ্শী। আমাৰ দিনততো কটন ৰীতিমতে ভাল টীম। আটাইবোৰেই ক্লাব ক্ৰিকেট খেলে। ফুটবলত চিত্ত দে', নীলিময় চৌধুৰী, মেথিয়াছ টুডু (পৰৱৰ্তী কালত ৰাজনৈতিক নেতা), জেড বোমিঅ' (কলেজ এৰাৰ পিছত নগা সন্ত্ৰাসবাদী দলৰ প্ৰথম শাৰীৰ নেতা)। ক্ৰিকেটত দীপু চৌধুৰী, নীলিময় চৌধুৰী, অনিল গোস্বামী, ক্ষীৰোদ বৈশ্য, ৰমেশ বৰুৱা ইত্যাদি।

আমি কলেজত সোমোৱাৰ আগলৈকে কটন কলেজৰ ছাত্ৰ সভাৰ নিৰ্বাচন হৈছিল ৰাজনীতিৰ ভিত্তিত। কংগ্ৰেছ, কমিউনিষ্ট, সমাজবাদী ইত্যাদি দলৰ ছাত্ৰ সংগঠনে প্ৰতিদ্বন্দ্বিতা কৰিছিল। দুখৰ বিষয়, আমাৰ দিনত ব্যক্তিকেন্দ্ৰিক হৈ পৰিছিল।

১৯৫০ চনত কলেজ সোমালোঁ। অধ্যক্ষ, সংস্কৃত পণ্ডিত শ্ৰীনাথ চক্ৰৱৰ্তী। তেওঁৰ পিছত হিৰণ্য কুমাৰ ভূএগ্ৰা। লাইব্ৰেৰিয়ান, পণ্ডিত তীৰ্থনাথ শৰ্মা। ইংৰাজীত দিগেন্দ্ৰ চন্দ্ৰ দত্ত (ডি চি দত্ত), চন্দ্ৰ কলিতা, মহম্মদ ৰায়হান শ্বাহ, তাৰিণী কুমাৰ

ভট্টাচাৰ্য (টি কে বি), ডেকা অধ্যাপক কবি অজিৎ বৰুৱা। তেওঁ অৱশ্যে আই এ এছ পৰীক্ষা পাছ কৰি ট্ৰেইনিঙলৈ গুচি যায়। আমাৰ গৰ্ব অসমৰ প্ৰথম আই এ এছ পৰীক্ষাত উত্তীৰ্ণ আমাৰ অধ্যাপক। আৰু এজন আকৰ্ষণকাৰী অধ্যাপক আছিল সুৰেন চৌধুৰী। দেখাত ধুনীয়াই নহয় পঢ়োৱাও উচ্চ শ্ৰেণীৰ বুলি ভাবিছিলোঁ। অজিৎ বৰুৱা, ডাঙৰ ডাঙৰ চকু, নতুন সোমাইছে, লাজকুৰীয়া আছিল। আবেলি-গধূলি তেওঁৰ উজান বজাৰৰ লগবোৰৰ লগত আমাৰ চুবুৰিৰে পাণ দোকান এখনৰ আগত আড্ডা পিটিছিল। গতিকে আমাৰ বিশেষ আপোন যি দুজন ইংৰাজী অধ্যাপকে শিক্ষক হিচাপে আমাৰ বাবে বিশেষ উপকাৰী বুলি ভাবিছিলোঁ, তেওঁলোকৰ প্ৰথমজন টি কে বি আৰু দ্বিতীয়জন সুৰেন চৌধুৰী। কিন্তু চৌধুৰী ছাৰো বেছিদিন থকা নাছিল। ৫২ চনৰ নিৰ্বাচনত উঠাৰ আগতে চৰকাৰী চাকৰি এৰিব লগা হৈছিল। নিৰ্বাচনততো হাৰিলেই চাকৰিটোও গ'ল, আমাৰ, ছাত্ৰবোৰৰো ক্ষতি হ'ল। নবকান্ত বৰুৱা আমি বি এ অন্তিম বৰ্ষত পঢ়ি থাকোঁতে সোমাইছিল যদিও আমাৰ ক্লাছ পোৱা নাছিল।

ইতিহাসৰ নজৰুল ইছলাম ছাৰে শিকাইছিল ইতিহাসৰ প্ৰশ্নৰ উত্তৰো কেনেকৈ অংকৰ দৰে হ'ব পাৰে। ডেৰ পৃষ্ঠা উত্তৰ লিখি কেনেকৈ ২০ৰ ভিতৰত ১৬/১৮ পাব পাৰি। বুৰঞ্জীৰ আনজন অধ্যাপক অৰুণ বৰুৱা আছিল শিক্ষক আৰু বন্ধু। অভিনেতা-নৃত্যশিল্পী নিস্বাৰ্থ ব্যক্তি। আমি একে সময়ত লণ্ডনত আছিলোঁ। উভতিছিলোও একেখন জাহাজতে। জাহাজত তেওঁ দুটা কথা কৈছিল, যি আজিও মোৰ মনত অম্লান হৈ আছে। তেওঁ কৈছিল— 'বুজিছা কুলদা, আমাৰ মানুহে ধাৰ লোৱা টকাখিনি ঘূৰাই দিয়াৰ সময়ত ভাবে তেওঁৰ লোকচান হ'ল, আৰু আমাৰ মাজত এতিয়া অনেষ্টী মানে মাইকী মানুহৰ সতীত্ব!'

অধ্যাপক জেলিল, আশ্ৰফ আলী ছাৰ। সাধাৰণ মানৰ ছাত্ৰৰ বাবে তেওঁলোক আছিল প্ৰাণকৰ্তাৰ দৰে। চোকা অধ্যৱসায় থকা ছাত্ৰই বহু কথা সহজে বুজে নাইবা অধ্যাপকৰ সহায় নোলোৱাকৈও নিজে জানি ল'ব পাৰে। কিন্তু আমাৰ দৰে সাধাৰণ ছাত্ৰই মূৰৰ ওপৰেদি গুচি যোৱা কথাটোক বুজিবলৈ টান পাইছিলোঁ। আমাৰ বাবে এই দুজন আছিল মকৰধ্বজ বা কোৰামিন স্বৰূপ। আনহাতে পাঠ্যপুথিৰ বাহিৰে ক্ৰীড়া আৰু সাংস্কৃতিক কাৰ্যকলাপত ভাগ লোৱাৰ কাৰণেও তেওঁলোকৰ বিশেষ জনপ্ৰিয়তা আছিল। জেলিল ছাৰৰ আন এটা বিশেষত্ব আছিল; অনুপস্থিত ছাত্ৰৰ হৈ কোনোবাই প্ৰক্সি দিলে লগে লগে ধৰা পেলাইছিল। মই হ'লে ধৰা পৰা নাছিলোঁ। পৰীক্ষাত নকল ধৰা পেলোৱাতো তেওঁ সিদ্ধহস্ত আছিল। ইক্ৰামুদ্দিন শ্বাহ ছাৰে ইচ্ছা কৰিছিল মই অৰ্থনীতিত (তেতিয়া ৰাজনীতি বিজ্ঞান আছুতীয়া বিষয় নাছিল) অনাৰ্ছ লওঁ, কনক চন্দ্ৰ দাসে বিচাৰিছিল দৰ্শনত লওঁ, কিন্তু বুৰঞ্জীত ল'লোঁ যদিও পাঠ্যপুথিৰ ওজন দেখি তিনি মাহৰ ভিতৰতে এৰি সাধাৰণ ছাত্ৰ হিচাপে থাকি যাওঁ।

দুজন বিপৰীত প্ৰকৃতিৰ পণ্ডিত-অধ্যাপকৰ কথা কৈ শিক্ষক সংক্ৰান্ত বিষয়টো সামৰিম। প্ৰথমজন সংস্কৃতৰ মুৰব্বী অধ্যাপক ৰজনীকান্ত শৰ্মা। আৰু দ্বিতীয়জন বাংলাৰ মুৰব্বী অধ্যাপক যতীন্দ্ৰ মোহন ভট্টাচাৰ্য। আমি যেতিয়া কলেজত সোমাওঁ তেতিয়া শৰ্মা ছাৰৰ ৩৫ বছৰ বয়সো হোৱা নাছিল। কিন্তু তেওঁৰ ধীৰ-স্থিৰ-শান্ত ব্যক্তিত্বই প্ৰথম দিনাই সম্মোহিত কৰিছিল। কেতিয়াও ক্লাছত অনুপস্থিত নথকা, সময়ত উপস্থিত হোৱা আছিল তেওঁৰ বিশেষত্ব। অতি সহজভাৱে পঢ়ুৱাইছিল। কলা-সংস্কৃতি, খেল আদিত জড়িত ছাত্ৰ-ছাত্ৰীৰ বাবে তেওঁৰ বিশেষ মৰম আছিল। তাৰ সোৱাদ আমি দুই-এক পাইছিলোঁ। যতীন্দ্ৰ মোহন ভট্টাচাৰ্যৰ অগাধ পাণ্ডিত্য। কিন্তু একেবাৰেই ধীৰ-স্থিৰ নাছিল। সদায় চঞ্চল। নিয়মিত ক্লাছ লোৱা তেওঁৰ প্ৰধান দায়িত্বৰ ভিতৰত নহয় যেন লাগিছিল। যিদিনাখন আহিছিল সিদিনাখন প্ৰথমে আগদিনা অহা ছাত্ৰ-ছাত্ৰীৰ ৰোল নম্বৰ লৈ উপস্থিতি দি দিছিল। বুজিবই পাৰিছে কোনো অনুপস্থিত নাছিল। তেওঁ ক্লাছত উপস্থিত হ'লেও সদায় পঢ়াব লাগিব বুলি কথা নাছিল। পিছে যিদিনাখন তেওঁ পঢ়াব বুলি মন স্থিৰ কৰিছিল, সিদিনা ৪৫ মিনিট সময় কেনেকৈ পাৰ হৈ গ'ল বুজা নগৈছিল। এই ৪৫ মিনিট তেওঁৰ মুখৰ পৰা দৃষ্টি আঁতৰ কৰাৰ কোনো শক্তিয়েই নহৈছিল। এদিনতে সাত দিনৰ পঢ়া হৈ গৈছিল। তেওঁ কোনো কিতাপ সমুখত থৈ পঢ়োৱা বুলি মনত নপৰে। এটা বিশেষ কাৰণৰ বাবে তেওঁৰ পেপাৰত কাকো ফেল কৰোৱা নাছিল। ১৯৪৬-৪৭ চন মানত বাংলাত পাছ নম্বৰ নোপোৱাৰ বাবে এজন ছাত্ৰই ওপৰৰ শ্ৰেণীলৈ প্ৰমোছন পোৱা নাছিল। ল'ৰাজনে ট্ৰেনৰ আগত জাঁপ দি আত্মহত্যা কৰিছিল। তেতিয়াৰে পৰা তেওঁ প্ৰত্যেককে পাছ মাৰ্ক দিছিল, কিন্তু চল্লিছৰ ওপৰত পোৱা ছাত্ৰক আমি ভাল ছাত্ৰ বুলি মানিছিলোঁ।

আমি কটনত পঢ়া দিনত সংগীত জগতত ৰাজত্ব কৰিছিল তফজ্জুল আলি, বীৰেন্দ্ৰনাথ দত্ত আৰু জোতিৰ্ময় কাকতীয়ে। বীৰেন্দ্ৰনাথ বি এ পঢ়িবলৈ শান্তি নিকেতনলৈ গুচি গৈছিল। তেওঁৰ স্থান পূৰণ কৰিবলৈ যোৰহাটৰ পৰা আহিছিল শেৱালি দেৱী। তলৰ ক্লাছত মিহিৰ বৰদলৈ, প্ৰণৱ বৰাহঁত আহিছিল যদিও আমি থকালৈকে তেওঁলোক তাৰকাৰ শাৰীত উঠা নাছিল। উচ্চাংগ সংগীতত প্ৰীতিনাথ জোৱাদ্দাৰ, একমাত্ৰ বীৰেন ফুকন আৰু তেওঁৰ বায়েক গৌৰী জোৱাদ্দাৰৰ বাহিৰে, কটন কিয়, গুৱাহাটীতেই অপ্ৰতিদ্বন্দ্বী আছিল। আমাৰ লগত পঢ়িছিল। প্ৰিয় ধঁপাত আছিল বিড়ি।

আজি যিসকল প্ৰবীণ যশস্বী সাহিত্যিক নানাধৰণৰ বঁটা আৰু অসম সাহিত্য সভাৰ সভাপতিৰ পদত অলংকৃত কৰিছে তেওঁলোকৰ প্ৰায়বোৰেই আমাৰ একে শ্ৰেণীত পঢ়া নাইবা দুই-এক শ্ৰেণী ওপৰ বা তলত পঢ়া। অতুল শৰ্মা, ভবেন্দ্ৰ নাথ শইকীয়া আমাতকৈ দুই ক্লাছ ওপৰত পঢ়িছিল। নিৰুপমা বৰগোহাঞি এক ক্লাছ

ওপৰত, গায়িকা তুলতুল ভৰালী দুই ক্লাছ ওপৰত। (এসময়ৰ সাংসদ আৰু মন্ত্ৰী ৰেণুকা দেৱী বৰকটকী এক ক্লাছ ওপৰত।) কবি বীৰেশ্বৰ বৰুৱা, প্ৰফুল্ল ভূঞা আমাৰ লগৰ। তেওঁলোক ধীৰে ধীৰে বিকশিত হৈছিল যদিও এজনে কলেজ-আলোচনী কটনিয়ানত মাত্ৰ এটা গল্পেৰে অসমীয়া সাহিত্যত অসামান্য আলোড়নৰ সৃষ্টি কৰি আত্মপ্ৰকাশ কৰিছিল আৰু সেই প্ৰকাশ প্ৰখৰ সূৰ্যৰ দৰে এতিয়াও দীপ্যমান। গল্পৰ নাম 'এপিটাফ'। আমি চমৎকৃত। লেখক হোমেন বৰগোহাঞি। আমাৰ একে শ্ৰেণীতে পঢ়া বুলি শুনিলোঁ। কিন্তু কলেজীয়া দিনত তেওঁৰ চেহেৰাও মই দেখা পোৱা নাছিলোঁ, নাইবা নামে-মানুহে চিনি পোৱা নাছিলোঁ।

আৰম্ভণিতে লিখিছোঁ কটন এনেদৰে মোৰ জন্মগত অধিকাৰ হৈ পৰিছিল যে কলেজখনত পঢ়াৰ ৰোমাঞ্চ নাইবা কল্পনাসুখৰ কোনো অভিজ্ঞতা মোৰ হোৱা নাছিল। কটনত সোমোৱাৰ আগতেই আমি হোষ্টেলত নথকাৰোৰে নিজৰ নিজৰ ক্ষেত্ৰ, নিজৰ নিজৰ জগত গঢ়ি লৈছিলোঁ, য'ত কটন কলেজৰ স্বকীয়া অস্তিত্ব নাছিল। ক'বলৈ গ'লে কটন কলেজে বহু নষ্টালজিয়া কঢ়িয়াই আনিবলৈ সক্ষম সেইসকলৰ মনলৈ, যিসকল আৱাসিক ছাত্ৰ আছিল। বাহিৰৰ পৰা অহা সেইসকল ছাত্ৰ-ছাত্ৰীৰ, যাৰ কোনো ৰাজনৈতিক দলৰ লগত ঘনিষ্ঠ যোগাযোগ নাছিল, যাৰ কোনো স্থানীয় সাংস্কৃতিক কাৰ্যকলাপত অংশগ্ৰহণ নাছিল— যদিও পৰৱৰ্তী দিনত তেওঁলোকৰ অসমৰ মুখাফুটা ব্যক্তিলৈ উত্তৰণ ঘটিছে— তেওঁলোকৰ গুৱাহাটীৰ জীৱন আৱৰ্তিত হৈছিল কটন কলেজখনক কেন্দ্ৰ কৰি। প্ৰেম-ভালপোৱা, বিৰহ-মিলন, হুমুনিয়াহ, দীৰ্ঘশ্বাস হয়তো পিছলৈ বিবাহ— এই কটনে তেওঁলোকক দিছে। তেওঁলোকৰ স্মৃতিক মই হিংসা কৰোঁ। ❑

কৈনো কৈ থাকিলেও...

বস্তু ওজা

কটন কলেজত পঢ়া দিনবোৰৰ বিবিধ কথা-কাণ্ডৰে ভৰি আছে মোৰ স্মৃতি-মণিকূট। কোনোবাই কিবা কাৰণত এই মণিকূটৰ কপাটত সাধাৰণ টোকৰ এটা মাৰিলেই ভৰ বাৰিষাৰ লুইতে যেনি-তেনি বাট উলিয়াব খোজাদি তাত থকা স্মৃতিয়েও দুৱাৰ-খিৰিকী মেলি ওলাবলৈ উখল-মাখল লগায়। মনৰ পদূলিত কলপুলি পোতে কবিগুৰুৰ 'নিৰ্ঝৰেৰ স্বপ্নভংগ'ৰ এই কলিটিয়ে—

এত কথা আছে, এত গান আছে, এত প্ৰাণ আছে মোৰ।
এত সুখ আছে, এত সাধ আছে, প্ৰাণ হৈয়ে আছে ভোৰ।।

মোৰ মনত এনে এক উখল-মাখল পৰিৱেশৰ সৃষ্টি হয় এই ২০০৯ৰ ব'হাগী বতৰত, 'এছোচিয়েচন অৱ্ পাষ্ট এণ্ড প্ৰেজেণ্ট অফিচ বিয়াৰাৰ্ছ অৱ্ কটন কলেজ ইউনিয়ন ছচাইটীৰ উপ-সভাপতি ড° সত্যেন্দ্ৰ কুমাৰ চৌধুৰী, সাধাৰণ সম্পাদক শ্ৰী জগদীশ দত্ত আৰু কটন কলেজ একতা সভাৰ বৰ্তমানৰ সাধাৰণ সম্পাদক শ্ৰী জয়ন্ত কলিতাৰ পৰা চিঠি এখন পোৱাৰ পৰত। চিঠিখনত কটন কলেজৰ দিনবোৰ সোঁৱৰাৰ আহ্বান আছে। এই আহ্বানেই মোৰ স্মৃতি-মণিকূটৰ দুৱাৰত টুকুৰিয়ায়। কথা, গান, সুখ, হেঁপাহ, পোৱা-নোপোৱাকে ধৰি তাহানিৰ সকলো স্মৃতি চুই চাবলৈ মন যোৱাকৈ মূৰ্তিমন্ত হৈ ঠেলা-হেঁচাকৈ ওলাবলৈ আৰম্ভ কৰে।....

প্ৰথমে ওলায় সেই সদাসংগী বোধ। কটন কলেজৰ ছাত্ৰ হ'ব পৰা সৌভাগ্যবান বোধ। হেঁপাহ উপজিছিল অষ্টম মানৰ ছাত্ৰকালতেই। সেই সময়ৰ স্কুল টুৰ্ণামেণ্ট বৰ আকৰ্ষণীয় আছিল। প্ৰতি বছৰে গুৱাহাটীত অনুষ্ঠিত হৈছিল। চাবলৈ আহিছিলোঁ সহপাঠী কেইজনমানৰ লগত। মোৰ ককাইদেউ প্ৰয়াত বিশ্ব ওজা সেই সময়ত আছিল কটন কলেজৰ ছাত্ৰ। আবাসী আছিল তেতিয়াৰ বিখ্যাত কল্লোল'লিটান

(বৰ্তমান ৰজনীকান্ত বৰদলৈ) হোষ্টেলৰ। তাতেই আমিও থাকোঁ। দিনৰ দিনটো খেল-প্ৰতিযোগিতা চাওঁ। সন্ধিয়া ককাইদেউৰ কোঠাত বহা আড্ডা উপভোগ কৰোঁ। সেই আড্ডাত মহাদেৱ দাস নামৰ গায়ক এগৰাকীয়ে শুনিলে শুনি থাকিবৰ মন যোৱা গীত গায়। কি যে চমৎকাৰ হাৰ্মনিয়ম বজায়! কোঠাটোত তবলাও আছে। ককাইদেৱে বজায়। শুনোতাই বাহাৰ দিয়ে। গীতৰ শেষত দেশ-বিদেশৰ জ্ঞান-বিজ্ঞান-ক্ৰীড়া-ৰাজনীতি বিষয়ক উত্তপ্ত আলোচনা চলে। কাজিয়া কৰা যেন লাগে। হঠাতে হাঁহিৰ ৰোলো উঠে। গাঞ্জা নে মলাধঁপাতৰ নাজানো জ্বলা চিলিম এটাও এজনৰ পিছত এজনে হুপি ঘূৰাবলৈ আৰম্ভ কৰে। তেনেতে ককাইদেৱে হোষ্টেলৰ ঠাকুৰ মাতি আনি ডাইনিং হললৈ আমাক লৈ যাবলৈ কয়। আমাৰ লগত যায় অমায়িক মুখৰ ভীম-শকত ছাত্ৰ এজন। তেওঁ পিন্ধা চেণ্ডেলযোৰাৰ আকাৰ আজিও মনত আছে। নাম বোধকৰোঁ তৰুণ গগৈ।

কটন কলেজত পঢ়াৰ হেঁপাহৰ জন্ম হৈছিল কস্মোপ'লিটান হোষ্টেলৰ সেই পৰিৱেশতেই। তেনে নাচ-গান-আড্ডাৰ পৰিৱেশতেই ককাইদেৱে পঢ়ে। ৰিজাল্টো ভাল কৰে। কিবা এক মনৰো মনে বিচৰা মাদকতা অনুভৱ কৰোঁ।

টুৰ্নামেণ্টৰ অন্তত ঘূৰি আহি শ্ৰেণীত উপস্থিত হওঁ। আমি কটন হোষ্টেলৰ গেষ্ট হোৱা কথা আমাৰ শিক্ষাগুৰু এজনে গম পায়। তেওঁ কটন কলেজৰ প্ৰাক্তন ছাত্ৰ। আমি তাত থকা কথাৰ প্ৰসংগ টানি কৈ যায় কটন কলেজৰ ছাত্ৰাবাসৰ নানান উপন্যাসোপম সৰস কথা। ওৰে ৰাতি পঢ়িও ফেইল কৰা ছাত্ৰৰ, আৰু ওৰে ৰাতি আড্ডা মাৰি পঢ়া-শুনা নকৰাকৈও ষ্টেণ্ড কৰা ছাত্ৰৰ ৰোমাঞ্চকৰ কাহিনী। মাজে মাজে সুবিধা পালেই কয় এষাৰ কথা— ইংৰাজী, অসমীয়াতো। সেয়া 'হোৱাট কটন থিংকছ টুডে, আছাম থিংকছ টুমৰো,' 'কটনে আজি যি ভাবে, কাইলৈ অসমে তাকেই ভাবে'। কটন কলেজৰ ছাত্ৰ আৰু অধ্যাপকৰ গুণ-গৰিমা গাই তেওঁ আপোন পাহৰা হয়।

টুৰ্নামেণ্টৰ দিনকেইটাত কস্মো হোষ্টেলত অনুভৱ কৰা মাদকতা আৰু ঘূৰি আহি শিক্ষাগুৰুগৰাকীৰ মুখত শুনা এই কথাৰ মধুৰ সংগমতেই যেন কটন কলেজত পঢ়াৰ হেঁপাহে মেলিছিল পাহ। আৰ্থিক অনাটন নেওচিও হওঁ কটনিয়ান। অনুভৱ কৰোঁ নিজকে বৰ সৌভাগ্যবান।

সেয়া সঁচাকৈয়ে। কাৰণ আমি কটনিয়ান ৰূপে জন্ম পোৱা বৰ্ষতেই, অৰ্থাৎ ১৯৫১ চনতেই মহিমামণ্ডিত কলেজখনৰ অৰ্ধ-শতবৰ্ষ হয়। অৰ্ধ-শতবাৰ্ষিকী মহোৎসৱত যোগদানৰ অৰ্থে আহে নোবেল বঁটা বিজয়ী প্ৰথম ভাৰতীয় পদাৰ্থবিজ্ঞানী ড° চি ভি ৰমণ। সৌভাগ্য ঘটে সেই বৰেণ্য ব্যক্তিগৰাকীক সোঁশৰীৰে দেখাৰ আৰু গদ্‌গদ্ স্বৰত কোৱা কথা শুনাৰ। বৰেণ্য বিজ্ঞানীজনাৰ ভাষণৰ মৰ্ম সম্যকভাৱে বুজাৰ

শিক্ষাৰে শিক্ষিত হোৱা নাছিলোঁ তেতিয়া। হ'লেও আমাৰ কলেজলৈ বুলি আগ বঢ়োৱা শুভেচ্ছা বচনৰ অনুৰণন আজিও শুনো। শুনাৰলৈ মন যায় আজিৰ আৰু সমাগত দিনৰ কটনিয়ানক। সেয়া সময়ৰ প্ৰত্যাহ্বান গ্ৰহণ কৰিব পৰা জ্ঞান-বিজ্ঞানৰ শিক্ষা প্ৰদান আৰু গ্ৰহণৰ সাধনা সিদ্ধ ক্ষেত্ৰ ৰচনাত সমাজে যেন অবিহণা আগবঢ়ায়।....

আবাসী হওঁ থাৰ্ড মেচৰ। কটন তৃতীয় ছাত্ৰাবাসৰ। এতিয়া নাম ৰখা হৈছে আনন্দৰাম বৰুৱা ছাত্ৰাবাস । আমাৰ হোষ্টেলৰ ছুপাৰিণ্টেণ্ডেণ্ট আছিল অধ্যাপক দণ্ডেশ্বৰ গগৈ। তেখেত ছেকেণ্ড মেচৰো ছুপাৰিণ্টেণ্ডেণ্ট আছিল। আমি আবাসী হোৱাৰ এবছৰমান পিছতেই গগৈদেৱে শিক্ষা বিভাগৰ এক গুৰুত্বপূৰ্ণ পদবী গ্ৰহণ কৰাত ছুপাৰিণ্টেণ্ডেণ্টৰ দায়িত্ব পায় ড° প্ৰসন্ন গোস্বামীদেৱে। আমি থাৰ্ড ইয়েৰ পোৱা সময়ত থাৰ্ড মেচৰ অধ্যক্ষৰ দায়িত্ব লয় ড° কৰুণা দত্ত ছাৰে।

মই বিজ্ঞানত ইণ্টাৰমিডিয়েট পাছ কৰাৰ পিছত বি এ পঢ়োঁ। প্ৰথম আৰু দ্বিতীয় বৰ্ষত আছিলোঁ ফোৰ্থ ব্লকত। তৃতীয় বৰ্ষত ছেভেন্থ ব্লকত। মনিটৰ আছিলোঁ। আজিকালি সেই ব্লকটো নাই। চতুৰ্থ বৰ্ষত আছিলোঁ ফিফ্থ ব্লকত। ভিন ভিন ব্লকৰ আবাসী ৰূপে ভিন ভিন হোষ্টেল অধ্যক্ষ তিনিওগৰাকী আমাৰ মানত আছিল অভিন্ন। তিনিও অভিভাৱকৰ দায়িত্ব পালন কৰিছিল মৰম আৰু সহৃদয়তাৰে। সুযোগ পালেই নিৰ্ভীক আৰু সৎসাহসী হোৱাৰ পথ প্ৰদৰ্শন কৰিছিল। আনৰ কাৰণে কাম কৰাৰ ক্ষেত্ৰত হোষ্টেলৰ গতানুগতিক নিয়ম ভাঙিলেও মানি লৈছিল। বিশেষকৈ শুশ্ৰূষাৰ প্ৰয়োজন থকা চিকিৎসাধীন অধ্যাপক কিম্বা ছাত্ৰ-ছাত্ৰীক পাৰ্যমানে সহায় কৰিবলৈ উদগনি দিছিল। সেই মৰ্মে ৰোগশয্যাত থকা সেই সময়ৰ অধ্যক্ষ শ্ৰীনাথ চক্ৰবৰ্তীৰ ঘৰলৈ কেইবা নিশাও গৈ সহায়ৰ হাত আগবঢ়োৱা মনত পৰে। আনহাতে অসমৰ ভিতৰুৱা অঞ্চলৰ পৰা অহা কোনো ৰোগীৰ আপোনজন বিহীন অৱস্থাত গুৱাহাটীৰ চিকিৎসালয়ত মৃত্যু হ'লে, তেনে মৃতদেহ মৃতকৰ স্বগৃহলৈ পঠিওৱা কাৰ্যত কিম্বা সৎকাৰত আমি আগভাগ লৈছিলোঁ। এনে কামৰ বাবেও আমাক আমাৰ জ্যেষ্ঠ আবাসীসকলে তথা হোষ্টেলৰ অধ্যক্ষই উৎসাহ-উদগনি দিছিল। এটা সময়ত গুৱাহাটীতে আশ্ৰয়বিহীন ৰোগীৰ শুশ্ৰূষাৰ বাবে কিম্বা মৃতকৰ সৎকাৰৰ বাবে থাৰ্ড মেচৰ, বিশেষকৈ ফোৰ্থ ব্লকৰ আবাসীক খবৰ দিয়াটো এটা নিয়মত পৰিণত হৈছিল। আমি তেনে খবৰৰ প্ৰতি সঁহাৰি জনাবলৈ পাই সুখী হৈছিলোঁ। আমাৰ তিনিওগৰাকী মাননীয় হোষ্টেল অধ্যক্ষই যে আমাক পাঠ্যক্ৰমৰ শিক্ষাদানৰ লগতে মানুহৰ বাবে ভৱা মানুহ হোৱাৰো শিক্ষা প্ৰদান কৰিছিল সেই কথা মনত পৰিলে আমি যে তেতিয়াৰ কটনিয়ান কিমান ভাগ্যবান তাৰ তুলনা বিচাৰি নাপাওঁ।....

থাৰ্ড ইয়েৰ, আৰ্টছত অধ্যয়ন কালত মই ছেভেন্থ ব্লকৰ মনিটৰৰ দায়িত্ব পাইছিলোঁ। এই ব্লক দুভাগত বিভক্ত আছিল। এভাগ ছেকেণ্ড মেচৰ আৰু আনভাগ

থাৰ্ড মেচৰ। মোৰ এবছৰীয়া মনিতৰত্বত আছিল থাৰ্ড মেছৰ ভাগ। আন ভাগৰ মনিটৰ আছিল বৰ্তমানৰ প্ৰখ্যাত নাট্যকাৰ, অসম নাট্য সন্মিলনৰ প্ৰাক্তন সভাপতি তথা অধ্যাপক শ্ৰী যোগেন চেতিয়া। তাৰেই আবাসীসকলৰ মাজত আছিল অতি নিৰ্জু আৰু জ্যেষ্ঠসকলৰ প্ৰতি শ্ৰদ্ধাবান হিচাপে চকুত পৰা এজন ছাত্ৰ— নাম আছিল হিতেশ্বৰ শইকীয়া— পৰৱৰ্তী কালৰ বিতৰ্কিত হৈও দক্ষ মুখ্য মন্ত্ৰী।

থাৰ্ড ইয়েৰৰ কালছোৱাৰ নানান কথাৰে মোৰ মন-প্ৰাণ ভৰি আছে। এবাৰ পিক্‌নিকলৈ বৰ্ণিহাটৰ ওচৰৰ ছাৰ নিকল্‌ছ ৰয়ৰ কমলা বাগানলৈ গৈছিলোঁ। বাগানৰ চাৰিওফালে ফুৰি ফুৰোঁতে ছোগ চাই দুই-এটা মোক খা মোক খাকে পকি থকা সুমথিৰা গোপনে পাৰি খাওঁতে ৰখীয়া-পৰীয়াৰ লগত থকা-খুন্দাও লাগিছিল। আমাৰ সহপাঠী হোষ্টেলবাসী এজনৰ গাত হাত দিয়া দেখি পৰীয়া এজনক দলীয় আবেগতে ঐক্যবদ্ধ কিল-ভুকু সোধোৱা হৈছিল। কেইদিনমান পিছত পুলিচ বিভাগে আমি কেইজনমানক এৰেষ্ট কৰিবলৈ ফোনযোগে আমাৰ ছুপাৰ ছাৰ ড° দত্তৰ অনুমতি বিচাৰে। আমি গম পোৱা মতে ড° দত্ত ছাৰে হেনো পুলিচ বিভাগক এই সন্দৰ্ভত হোষ্টেলৰ সীমাত ভৰি নিদিবলৈ কয়। লগতে হেনো কয় যে তেখেতৰ ছাত্ৰই যদি কিবা অপৰাধ কৰিছে তেনেহলে বিচাৰ কৰিব তেখেতে নিজে— আনে নহয়। এই কথা মনলৈ আহিলে নেভাবি নোৱাৰোঁ যে কটনিয়ান নহ'লে এনেহেন ছাৰৰ সান্নিধ্য লাভৰ সৌভাগ্য ঘটিলহেঁতেন নে!

সেই বছৰৰে একেই পিক্‌নিকৰ বতৰতে এডুকেচন ডিপাৰ্টমেণ্টৰ ছাত্ৰ-ছাত্ৰীসকল গৈছিলোঁ পিক্‌নিকলৈ। একেই ঠাইলৈ। তেতিয়া এডুকেচন বিষয়টো যিমান দূৰ মনত পৰে, বিশ্ববিদ্যালয়ৰ অধীনত আছিল। সেই মৰ্মে সন্দিকৈ কলেজৰ এডুকেচনৰ ছাত্ৰীয়েও আমাৰ লগতে পিক্‌নিকলৈ গৈছিল। কিয়নো তেতিয়াৰ সন্দিকৈ কলেজৰ ছাত্ৰী কুইনী হাজৰিকাও (এতিয়া সুদক্ষিণা শৰ্মা) আমাৰ লগত গৈছিল। তত্বাৱধায়ক অধ্যাপক স্বৰূপে গৈছিল স্বনামধন্য প্ৰগতিশীল সাহিত্যিক শিক্ষাবিদ ভৱানন্দ দত্তদেৱ। আহাৰ প্ৰস্তুতিৰ পৰিখিনিত তেখেতে একে লেথাৰিয়ে কেইবাটিও ৰবীন্দ্ৰ কবিতা আবৃত্তি কৰি শুনাইছিল। আই ঐ, কি যে তেখেতৰ স্মৃতিশক্তি। কি যে উদাত্ত-সুৱদি কণ্ঠ। কি যে অনুপম প্ৰকাশ ভংগী। তাৰ পিছত কুইনী হাজৰিকাই কেইবাটিও আধুনিক গীত গালে। আই পি টি এৰ শিল্পীয়ে গোৱা সুৰত 'মোৰে মোলুৱা' গালে। এইটি নাওখেলৰ গীতৰ সুৰত ময়ো গাই শুনালোঁ। কিন্তু অধ্যাপক ভৱানন্দ দত্তৰ আবৃত্তিৰ অনুৰণনৰ দূৰতে বিদূৰ হৈ ৰলোঁ। সেই স্মৃতি হৈ ৰ'ল চিৰ যুগমীয়া। আবৃত্তিকেই সাংস্কৃতিক সংগ্ৰামৰ অস্ত্ৰ ৰূপে ল'বলৈ প্ৰেৰণা পালোঁ। কি যে আশ্চৰ্য! পিক্‌নিকৰ পৰা উভতি ভাগৰ পলোৱাবলৈ প্ৰস্তুতি চলোৱাৰ পৰতেই আহি মোৰ বিছনাৰ কাষত থিয় হ'ল এজন অপৰিচিত মানুহ। মই কোন তেওঁ, কিয়

আহিছে, বুলি প্ৰশ্ন সুধিবলৈ নৌপাওঁতেই— হাতত লৈ অহা কাকতেৰে নুৰিওৱা কিবা এটা আগবঢ়াই ক'লে— 'দত্ত ছাৰে আপোনালৈ পঠিয়াইছে।' আথে-বেথে হাতত লৈ কাকতৰ আৱৰণ আঁতৰাই চাওঁ যে এখন ফুলাম গামোচা। এটুকুৰা মৰম লগা বগা কাকতত বকুলফুলীয়া আখৰেৰে লিখা আছে— মৰমৰ শ্ৰী ৰত্নেশ্বৰ ওজালৈ— ভৱানন্দ দত্ত। গামোচাখন ক'ত ল'ম, ক'ত থ'ম; কান্ধতেই ল'ম নে শিৰতেই থ'ম— এনে এক অতি আবেগিক পৰিৱেশত সেই অমূল্য সম্পদ কঢ়িয়াই আনোতাজনক ধন্যবাদ দিবলৈকো পাহৰিলোঁ। সৰু সৰু গুটিফুলীয়া গামোচা দেখিলেই সেই গামোচাখনৰ কথা আজিও মনত পৰে। ছেভেঞ্থ ব্লকৰ ছবিখন মনলৈ আহিলেই স্মৃতিপটত প্ৰতিফলিত হয় ভৱানন্দ দত্ত ছাৰৰ শান্ত-সৌম্য মুখমণ্ডল। কামত তেখেতৰ শিক্ষাব্ৰতী-সাহিত্যিক সহধৰ্মিনী নীলিমা দত্তৰ স্মিতহাস্য বদন। মোৰ পিতৃ-মাতৃ প্ৰদত্ত তথা বিদ্যালয়-মহাবিদ্যালয়ৰ নাম 'ৰত্নেশ্বৰ' যদিও পিছলৈ 'ৰত্ন' বুলিলে ভাল পাইছিলোঁ। ভৱানন্দ দত্ত ছাৰৰ হাতৰ বকুলফুলীয়া আখৰৰ 'ৰত্নেশ্বৰ' দেখি এই নামটোৰ প্ৰতি মই আকৌ আকৰ্ষিত হওঁ। কটন কলেজৰ এপোকাছৰ ৱেবছাইটত ৰত্নেশ্বৰ নামটি দেখোঁতেও এই মই ৰত্নৰ মনে পাখি মেলে প্ৰগতিবাদী শিক্ষাব্ৰতী ভৱানন্দ দত্তৰ 'গামোচা আৰু ৰত্নেশ্বৰ'ৰ ওচৰলৈ।

ছেভেঞ্থ ব্লকৰ স্মৃতিয়ে ধুমুহাৰ গতিত ওলাব ধৰা মূল দুৱাৰখন নজপালে সোঁত বৈয়েই থাকিব। সেয়েহে সাময়িকভাৱে জপাই ফোৰ্থ ব্লকৰ বাৰাণ্ডাত উপভোগ কৰোঁ এক অভিনৱ অভিনয়। নাম 'মক পাৰ্লিয়ামেণ্ট'। ভাৰতবৰ্ষৰ সেই সময়ৰ স্বনামধন্য সাংসদসকলৰ সাজ-সজ্জা পিন্ধি আমাৰেই জ্যেষ্ঠ আবাসীসকলে ভাৰতবৰ্ষৰ সমস্যাৱলীৰ বিষয়ে তৰ্কযুদ্ধ কৰে। অসমৰ তেল আৰু চাহপাতৰ বিনিময়ত পাবলগীয়াৰ পৰা বঞ্চিত হোৱাৰ কথাও উল্লেখিত হয়। পাৰ্লিয়ামেণ্টৰ নামহে শুনিছিলোঁ। কটন কলেজলৈ আহি পাৰ্লিয়ামেণ্টৰ অভিনয় দেখি অভিভূত হওঁ। ...

হোষ্টেলৰ নবাগত আদৰণী সভাবোৰো আমাৰ জীৱন গঢ়াৰ আখৰাগৃহ যেন লাগে। প্ৰত্যেক হোষ্টেলতে নবাগতসকলক নিজক প্ৰকাশৰ সুবিধা দিয়া হয়। সেই সময়ৰ শিক্ষা, সাহিত্য, সংস্কৃতি, ৰাজনীতি, ক্ৰীড়া আদি ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিসকলক অতিথি ৰূপে আহ্বান জনোৱা হয়। অধ্যক্ষ হেম বৰুৱা, অধ্যাপক ভৱানন্দ দত্ত, শিল্পী ব্ৰজেন বৰুৱা প্ৰভৃতিক প্ৰথম দেখাৰ সৌভাগ্য হোষ্টেলৰ নবাগত আদৰণী সভাতেই ঘটে।

আমাৰ কলেজৰ ১৯৫১-৫২ খ্ৰীষ্টাব্দৰ নবাগত আদৰণী সভাৰ সাংস্কৃতিক সন্ধিয়াটি মোৰ স্মৃতিত ৰূপোৱালী হৈ আছে। ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক আছিল পিছলৈ শিক্ষাবিদ শ্ৰী কমলেশ্বৰ শৰ্মা। তেওঁ আবৃত্তি কৰিব বিচাৰিছিল বৰগীতেৰে। গোৱাৰ দায়িত্ব অৰ্পণ কৰিছিল মোৰ ওপৰত। মোৰ কঁপনি উঠিছিল। ভাল ভাল নামী-দামী গায়কে জনপ্ৰিয় গীত গাবলৈ মঞ্চত উপস্থিত হ'লেই দৰ্শকৰ

মাজত ভিন ভিন ছাত্র-ছাত্রীৰ নামত উৰুলি-কীৰিলি জয়ধ্বনি আৰম্ভ হয়। তেনে এক ছাত্র সমাবেশত মই আৰম্ভণী গীত গাম— তাতে আকৌ বৰগীত! পাৰিম জানো! কোনো দেৱ-দেৱীৰ নামত, ৰম্ভা-মেনকা-উৰ্বশীৰ নামত সমস্বৰে জয়ধ্বনি দি মোক উৰুৱাই নিদিয়েতো। আনহাতে অনুষ্ঠানৰ কেইদিনমান আগে আগে পিতৃশ্রাদ্ধ পাৰ কৰিছোঁ। টকলা মূৰত গান্ধী কেপ পিন্ধিছোঁ। ঘোষকৰ মুখত 'বৰগীত' শব্দটো শুনিয়েই দৰ্শকৰ টিকি-ৰিঙিয়ে মূৰৰ টুপী উৰুৱাই নিয়ে যদি! মোৰ ককাইদেউ তুল্য শ্ৰী কমলেশ্বৰ শৰ্মাই মোৰ কোনো কথালৈকেই কাণ নিদিলে। অৱশেষত সুগায়ক দেৱেন শৰ্মাৰ হাৰ্মনিয়ম আৰু সুবাদক নিত্য ভূঞাৰ তবলা সংগতত শূন্য দৃষ্টিৰে আৰম্ভিলো বৰগীত— 'কমল নয়নকে আজু পেখলো মাই....' নিত্য ভূঞাৰ তবলাত পটপৰী তালত খোলৰ বোল শুনা যেন মনেৰে, দেৱেন শৰ্মাৰ হাৰ্মনিয়মত ছাৰেংদাৰৰ সুৰ শুনা মাদকতাৰে গাই গলোঁ। শ্ৰোতা-দৰ্শক নিমাত-নিতাল। গীতৰ শেহত হাত-চাপৰি। অনেকেই কোৱা শুনিলোঁ সেই সময়ৰ কটনিয়ানে ফ্ৰেচাৰ্ছ ছ'চিয়েলৰ আৰম্ভণী গীত সেইবাৰেই বোলে জয়ধ্বনি নিদিয়াকৈ, নিচিএৰাকৈ শুনিছে। মই লক্ষ্য কৰিলোঁ, অসমৰ বিভিন্ন চহৰ-নগৰ তথা সত্ৰ আদিৰ পৰা অহা ছাত্ৰয়ো যে সেই পঞ্চাছৰ দশকৰ পাতনিতে হাৰ্মনিয়ম-তবলাৰ লগত বৰগীত গোৱা কাৰ্য মানি ল'লে এই কথা ভাবি। আনকি বৰগীতৰ লগত নানা অৰ্বাচীন স্বৰ আৰু বাদ্যযন্ত্ৰ সুষমভাৱে ব্যৱহাৰ কৰা দেখি অনুভৱ হয়— কটনে কালি মানি লোৱাটো অসমে আজি মানি ল'লে। লগতে ভাবিবৰ মন যায় সেই বৰগীতেই যেন মোৰ কলেজীয়া জীৱনৰ সোঁত সলনিৰ সোঁত বোৱায়। অৱশ্যে এই ক্ষেত্ৰত সেই সময়ছোৱাতে আৰম্ভ হোৱা আন্তঃকলেজ সংগীত প্ৰতিযোগিতাৰ সত্ৰীয়া নৃত্যত দ্বিতীয় পুৰস্কাৰ লাভেও ক্ৰিয়া নকৰা নহয়। মই কলেজৰ সংগীত শাখাৰ সম্পাদক নিৰ্বাচিত হওঁ। বৰগীত আৰু সত্ৰীয়া নৃত্য জনাৰ সুবাদত নিৰ্বাচনত উজনী-নামনি আৰু গুৱাহাটীৰ থলুৱা ছাত্ৰৰ যথেষ্ট ভোট পাওঁ। ছুডমাৰ্ছন হলত হোৱা ভোট গণনাৰ অন্তত হলটোৰ একেবাৰে ভিতৰৰ একোণৰ পৰা সমুখৰ ৰাজপথলৈ জয়ৰ বাতৰিও আনন্দাপ্লুত সমনীয়াৰ শিৰৰ ওপৰেদি অহাৰ অতুলন শিহৰণ আছিল শব্দাতীত, এতিয়াও প্ৰকাশাতীত।

সুঁৱৰি বৰ সোৱাদ পাওঁ যে কলেজখনৰ সংগীত সম্পাদকৰ দায়িত্ব মোৰ শিৰত ন্যস্ত হোৱা বৰ্ষৰ মিউজিক ছ'চিয়েল— সংগীত সন্ধিয়াৰ বিশেষ আকৰ্ষণ আছিল ড° ভূপেন হাজৰিকা, কুইনী হাজৰিকাৰ গল্প-গীতি পানেই পোণাকন, সংগীত বিশাৰদ বীৰেন্দ্ৰ নাথ ফুকনৰ মৰ্মস্পৰ্শী ভজন, কোকিলকণ্ঠী গুণদা দাসৰ 'ল'ই ষা ঐ ল'ই যা লুইতৰে পাগলী সোঁত' শীৰ্ষক গীত, পৰৱৰ্তী কালত 'সংগ্ৰাম' ছবিৰ সংগীত পৰিচালক গিৰীশ দাসৰ বৰগীত আৰু সত্ৰীয়া নৃত্যৰ সাধনাসিদ্ধ শিল্পী নৰহৰি বুঢ়াভকতৰ ভোৰতাল আৰু দশাৱতাৰ নৃত্য। সংগীত সন্ধিয়াৰ সফল আয়োজনত ছাত্ৰ একতা

সভাৰ সাধাৰণ সম্পাদক শ্ৰী হৰেন্দ্ৰ নাথ দাস প্ৰমুখ্যে সকলো বিভাগীয় সম্পাদকৰ সহায়-সহযোগ স্মৰণীয়। এই ক্ষেত্ৰত জ্যেষ্ঠ ছাত্ৰ জয় দাস, বিবেক তালুকদাৰ, সহপাঠী হৰেশ্বৰ তালুকদাৰ, কনিষ্ঠ ছাত্ৰ অৰ্জুন দাস, যোগেশ শৰ্মা, গিৰিজা দাস আদিৰ নাম উল্লেখ্য। উল্লেখিবলৈ পাই গৌৰৱ অনুভৱ কৰোঁ যে নৰহৰি বুঢ়াভকতৰ সত্ৰীয়া নৃত্য প্ৰদৰ্শন গুৱাহাটীত প্ৰথম হেনো কটন কলেজতে সেই মিউজিক ছ'চিয়েলতেই হৈছিল। কটন কলেজত নৃত্য কৰাৰ পিছতেই গণনাট্য সংঘৰ হেমাংগ বিশ্বাসে থোঁঘৰলৈ আহি বুঢ়াভকতৰ লগত চিনা-পৰিচয় হৈছিল। আনুষ্ঠানিক পৰিচয়ত ভাগ লৈছিলোঁ মই। ড° ভূপেন হাজৰিকাক 'এৰা বাটৰ সুৰ'ৰ বাবেও বুঢ়াভকতৰ ভোৰতাল নৃত্যৰ বাট কটা হৈছিল সেই সন্ধিয়াতেই। আচৰিত হওঁ যে মোৰো ভূপেন হাজৰিকাৰ প্ৰতি ভক্তিৰ বাট বৈৰীভাৱে কটা হৈছিল সেই সংগীত সন্ধিয়াৰ যোগাযোগৰ বাবে সাক্ষাৎ কালতেই।

ঘটনাটো এনেকুৱা— ভূপেন হাজৰিকা বিদেশৰ পৰা উভতিছে। বিবিধ কাৰণত বাতৰিৰ শিৰোনাম দখল কৰিছে। থাকিবলৈ লৈছে পিতা-মাতা-ভ্ৰাতৃ-ভগ্নী সমন্বিতে উজান বজাৰৰ পাহাৰৰ দাঁতিৰ উপেন লেখাৰু ছাৰৰ ঘৰৰ কাষত। সেই ঘৰ গৈ পুৱা ভাগতে ওলাইছিলোঁ মই আৰু আমাৰ কলেজৰে ছাত্ৰ অৰ্জুন দাস (বৰ্তমান বৰপেটাৰ বিশিষ্ট নাগৰিক এম চি কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ)। উদ্দেশ্য সংগীত সন্ধিয়ালৈ নিমন্ত্ৰণ জনোৱা। সৰু ঘৰ এটাৰ সৰু এখন পিৰালিতে ভাই-ভনীসহ হাঁহি-মাতি কথা পাতি থকা ড° হাজৰিকাক দেখিলোঁ। সভক্তিক সেৱা জনাই, আমি কটন কলেজৰ পৰা আহিছোঁ বুলি ক'বলৈহে পালোঁ— কি আচৰিত, আমাৰ মানে কটন কলেজৰ ছাত্ৰসকলৰ গুৰু-গোসাঁই নমনা উদণ্ড স্বভাৱৰ কথা কৈ উৰাই-ঘূৰাই গালি পাৰিবলৈ ধৰিলে। আমি হেনো ছোৱালী মঞ্চত উঠিলেই জোকাওঁ-জয়ধ্বনি দিওঁ। গালি পাৰি পাৰি আমাৰ সমুখৰ বাটলৈ উলিয়াই দিলে। আমি দুয়ো আমন-জিমনকৈ, ক'তে কেণা লাগিল বুলি ভাবি-গুণি উভতিব ধৰোঁতে কুইনী হাজৰিকা আহি মৰমসনা মাতেৰে আমাক ওভতাই নিলে। ভূপেনদাই কাৰোবাৰ ওপৰত উঠা খং কাৰোবাৰ ওপৰত জৰা বুলি কৈ আমাক বুজালে। আমি অহাৰ উদ্দেশ্য জনাবলৈ ক'লে। জনালোঁ। সংগীত সন্ধিয়ালৈ আহিবলৈ ভূপেনদা মান্তি হ'ল। ভনীয়েক সুগায়িকা কুইনী হাজৰিকাকো মাতিবলৈ ক'লে। মাতিলোঁ।

আমাৰ দুয়োৰো নাম-ঠিকনা ল'লে। সংগীত সন্ধিয়াৰ পিছৰ এদিন ৰে'লগাড়ীত উঠি বৰপেটা সত্ৰ দেখুৱাবলৈ নিলোঁ। সত্ৰৰ নাৰিকল গছৰ তলত শংকৰ-মাধৱৰ বিষয়ে সুৰীয়া ভাষণ দিলে। তাৰ পিছত বিশ্ববিদ্যালয়ৰ অধীনত হোৱা আমাৰ 'এডুকেচনৰ ক্লাছ' লওঁতে ড° হাজৰিকাই ৰোল কল কৰোঁতে মোৰ নাম্বাৰ ২১৮ নমতা হ'ল; মই বহা ঠাইলৈ চাই ছাত্ৰীসকলৰ এজাউৰি হাঁহিৰ মাজত কোৱা হ'ল—

'ৰত্ন আছা।' মোৰো মুখৰ 'ছাৰ' সম্বোধন 'ভূপেনদা' শব্দৰ আপোনতকৈও আপোন উপবনত হেৰাল। বৈৰীভাৱে পাতনি মেলা সম্পৰ্ক হ'ল সহৃদৰোপম।

এয়াওতো কটন কলেজত পঢ়িবলৈ পোৱা সৌভাগ্যৰেই অম্লান অৱদান। স্মৃতিৰ পাপৰি দুৱাৰ ঠেলি ইটিতকৈ সিটি চৰা হৈ দেখোন ওলায়েই আছে। কৈনো কৈ থাকিলেও পৰিব জানো ওৰ।

সেয়েহে প্ৰাণ ভৰি থকা স্মৃতি ওলোৱাৰ সাময়িকভাৱে ওৰ পেলাবলৈ খৰখেদাকৈ জপাই দিলোঁ স্মৃতি-মণিকূটৰ দুৱাৰ। হ'লেও, বন্ধ দুৱাৰৰ ফাঁকেৰেও ভুমুকি মাৰিলে কেইটিমান প্ৰেমৰ কবিতা-কলি আৰু জনপ্ৰিয় হিন্দী গীতৰ পেৰেডীয়ে।

বহুত কৰিলোঁ ভুল দুয়োজনে
ভৱিষ্যতৰ মধুৰ সপোন আঁকি।
জীৱন গৰিমা নাশিলোঁ সমূলি
অতীতক পুনু আদৰি মাতি।।
আহা প্ৰাণ প্ৰিয়া যায় মাজ ৰাতি
শুকায় জীৱন বসন্ত পাহি।
জীৱনৰ মধু কৰোঁ আহা পান
থাকোঁতে গোলাপ পাহিটি হাঁহি।।

তৃতীয় আৰু চতুৰ্থ বাৰ্ষিকৰ বৰ্ষ দুটাত হোষ্টেলৰ বিভিন্ন কোঠাত, ছুডমাৰ্ছন হলৰ চিৰিত বহি, দীঘলীপুখুৰীৰ আনপাৰৰ গাৰ্লছ হোষ্টেলৰ পথত আৰু শিৱৰাত্ৰিৰ পুৱা কাছাৰী ঘাটত লিখা হৈছিল উল্লিখিত বিধৰ প্ৰায় দুকুৰি তেৰটা কবিতা-কলি। তাগিদা বন্ধু প্ৰেমিকৰ। আলম 'ওমৰ তীৰ্থ' আৰু 'পাপৰি'। প্ৰেমিক বন্ধু প্ৰায়ভাগৰেই প্ৰেমৰ কাৰণে 'সোদৰৰ ভাইকো বিকিব পৰা' মন একোটাইত আছে। কিন্তু প্ৰকাশৰ কাৰণে ভাষা নাই। মোৰ কণ্ঠত যতীন দুৱৰা, গণেশ গগৈৰ কবিতা আখৈ ফুটাদি ওলোৱা দেখি প্ৰতিজন প্ৰেমিকে প্ৰেমিকাৰ পৰা লুকুৱাই মোৰ হতুৱাই প্ৰেমপত্ৰৰ খচৰা কৰিছিল। সেই উদ্দেশ্যেই লিখিছিলোঁ এইবোৰ কলি। প্ৰয়োজন অনুসৰি বিভিন্নজন দৰদী প্ৰেমিকৰ প্ৰেয়সীলৈ বুলি খচৰা কৰি দিয়া চিঠিত ব্যৱহৃত হোৱা এই কলিবোৰ একগোট কৰি ১৯৫৪ খ্ৰীষ্টাব্দত 'পৰশ' নাম দি কিতাপৰ আকাৰত প্ৰকাশ কৰোঁ। দাম ধাৰ্য কৰা হয় চাৰি অনা।

মই জানো, 'পৰশ'ৰ প্ৰকাশৰ লগে লগে বহুতো প্ৰেমিক বন্ধুৰ মিঠা মিঠা পত্ৰ লিখা মুখা খোল খাই যায়। সেয়া হ'লেও মোৰ কোনো আপচোচ নাই। কাৰণ তেওঁলোকৰ বাবে প্ৰেমপত্ৰ *লিখাত ব্যস্ত থকা বাবেইতো, তেওঁলোকৰ প্ৰেমৰ প্ৰত্নি দিবলগীয়া হোৱা বাবেইতো দেহত যৌৱন থকা বতৰত প্ৰেম নিবেদিবলৈ মই আহৰি নাপালোঁ!*

পেৰডী ৰচিছিলোঁ ১৯৫৩-৫৪ চনৰ জনপ্ৰিয় বহুকেইখন হিন্দী ফিল্মৰ গীতৰ। সেয়া আমাৰ হোষ্টেলৰ তেতিয়াৰ ব'ৰ্ডাৰ মহেন্দ্ৰ বৰা, সদানন্দ দাস, অৰ্জুন দাস, মহেন্দ্ৰ বৰুৱা, সোণাধৰ ৰাজখোৱা, সৰসিজ দাস আদিৰ তাগিদাত। আজি এজনৰ কমৰ বিছনাত, কাইলৈ এজনৰ বিচনাত বহি তেওঁলোকে বিচৰা মতে কৰি গৈছিলোঁ— 'মেৰা জোতা হে' জাপানী,' 'ৰময়া বস্তা ভয়া', 'জায়েতো জায়ে কাহা', 'দিলমে মিলাকে দিল', 'কিসিনে অপনা বনাকে মুঝকো:', 'কাশী দেখে, মথুৰা দেখে, দেখে তীৰথ সাৰে' আদি গীতৰ পেৰডী। তাৰে ভিতৰত— 'মোৰ পেন যে জাৰ্মানী /কাগজ তুৰ্কিস্থানী /ভাষা তেলেগু কানাড়ী /লেখো প্ৰেমৰে কাহিনী;' কমলা ৰীতা শীলা /পিয়লাত কিনো দিলা;' 'ওঁঠত মিলাই ওঁঠ প্ৰেম মদিৰা' আদি গীত পিক্‌নিকলৈ যোৱা ছাত্ৰ-ছাত্ৰীৰ মুখে মুখে হৈছিল।

পেৰডী লিখি মই তিনি ধৰণে সন্তুষ্টি পাইছিলোঁ। প্ৰথম, তেতিয়াৰ গুৱাহাটীৰ বহুতো গাড়ী-ঘোঁৰা থকা দেখনিয়াৰ যুবকেও পাছু লোৱা গ্লেমাৰ গাৰ্ল দিয়েকো আহিছিল মোৰ ওচৰলৈ পেৰডী লিখাৰ ফৰ্মাইচ লৈ; দ্বিতীয়, থাৰ্ড ইয়েৰ-ফ'ৰ্থ ইয়েৰৰ বছৰ দুটাত বহুসংখ্যক হোষ্টেলৰে পিক্‌নিকৰ দলৰ মই নিমন্ত্ৰিত অতিথি আছিলোঁ। কাৰণ যাত্ৰাকালত ওৰে বাটে মই নতুন নতুন পেৰডী গাইছিলোঁ। আটায়ে মোৰ লগত গাইছিল। নাচিছিল আৰু তৃতীয়, পেৰডীবোৰ গোটাই 'শ্ৰীমান ৪২০' নামৰ সংকলন এটি প্ৰকাশ কৰিছিলোঁ। দাম ৰখা হৈছিল আঠ অনা। 'ডাৰ্বিন' নামৰ ছদ্মনামত ছপোৱা 'শ্ৰীমান ৪২০'ৰ পুচিং হ্লেলত বিক্ৰী হৈছিল চাৰিশ বিছখন। ছপা খৰচ আদায় দিয়াৰ পিছত হাতে জমা হৈছিল চাৰি কুৰি টকা। দুমাহৰ হোষ্টেলৰ ফিজ। এই সন্তুষ্টি কোৱাতহে তৃতীয়— বোমন্থনত কিন্তু প্ৰথম। কাৰণ নাম-যশতকৈ জীবিকাক অধিক গুৰুত্ব দিয়াটো কটন কলেজত ভৰ্তি হোৱাৰ পৰা ওলাই অহালৈ বৰ প্ৰয়োজনীয় আছিল। ❑

সোণালী দিনৰ স্মৃতি

অপূৰ্ব কুমাৰ দাস

পুৰাণো সেই দিনেৰ কথা ভুলবি
কিবে হায় ও সেই
চোখেৰ দেখা প্ৰাণেৰ কথা সেকি
ভোলা যায়। (ৰবীন্দ্ৰনাথ)

সঁচাকৈয়ে— কটন কলেজৰ সেই এৰি অহা দিনবোৰৰ কথা পাহৰা জানো যায়? কটন কলেজৰ শতবাৰ্ষিকী পালনৰ নিবেদনৰ উদ্দেশ্যে, ৰবীন্দ্ৰনাথৰ গীতটি কলেজৰ আৰ্টছ বিল্ডিংত আখৰা কৰি থাকোঁতে হেৰোৱা দিনৰ বহু সোণালী ছবি স্মৃতিৰ পটত ভাহি উঠিল। সেই হেৰোৱা ছবিৰ টুকুৰা জোৰা দিয়াৰ এয়া এক প্ৰয়াস মাথোন। গুৱাহাটীৰ স্থায়ী বাসিন্দা হিচাপেও প্ৰাক্তন কটনিয়ান ৰূপে পাণবজাৰৰ ফালে গ'লেই মনলৈ আহে বাৰেৰহণীয়া সোঁৱৰণী। অৱশ্যে কাকতৰ সম্পাদকে আমাৰ সময়ত কটন কলেজৰ সংগীত-সংস্কৃতিৰ পৰিৱেশ সম্পৰ্কেহে উল্লেখ কৰাৰ হেতুকে এই লেখা উক্ত দিশতে আবদ্ধ কৰি ৰাখিব বিচাৰিছোঁ।

উল্লিখিত গীতটিৰ আখৰা চলিছিল পুৰণি আৰ্টছ বিল্ডিংত। কলাৰ ছাত্ৰ হিচাপে তাতেই ক্লাছ কৰিছিলোঁ। আগৰ ছুডমাৰ্চ্চন হলটোত চকু পৰিছিল—মনলৈ আহিছিল তাহানিৰ কটনৰ সুন্দৰ সাংস্কৃতিক-সংগীতময় পৰিৱেশৰ কথা। কলেজৰ বিভিন্ন অনুষ্ঠান নৱাগত আদৰণী সভা অথবা কলেজ সপ্তাহৰ সাংস্কৃতিক অনুষ্ঠানত গীত গোৱাৰ লগতে সংগঠকৰ ভূমিকাও ল'ব লগা হৈছিল। এইবোৰত ভাগ লোৱাসকলৰ ভিতৰত আছিল বৰ্তমানৰ বিখ্যাত সুৰকাৰ-সংগীত পৰিচালক ৰমেন বৰুৱা, দীপালী বৰঠাকুৰ, গুণদা দাস (কৌৰ) মৃদুলা দাস (অধ্যাপিকা) মুক্তি দেৱ, (কলেজৰ সদ্যহতে অৱসৰপ্ৰাপ্ত অধ্যক্ষা), মিহিৰ বৰদলৈ, নৰেন দাস, বলেন হাজৰিকা, কবিতা হাজৰিকা, তুলিকা দাস (সেনাপতি),

প্ৰীতিনাথ পোদ্দাৰ, প্ৰণবেশ জোৱাদ্দাৰ আৰু এই লেখকৰ লগতে বহুতো। বাদ্যযন্ত্ৰত নিয়মিতভাৱে অংশ লৈছিল— তবলাত ইন্দ্ৰমণি বৰা (অসম বিজেপিৰ প্ৰাক্তন সভাপতি), খনীন শৰ্মা (সুদক্ষ টেক্সটাইল ইঞ্জিনিয়াৰ) আৰু প্ৰণৱ বৰা (বৰ্তমানৰ মুখ্য সচিব) আদি। স্বৰ্গীয় নবীন বৰা আছিল খোলৰ পৰা আৰম্ভ কৰি তবলা-ঢোলকীলৈকে পাৰ্গত। ৰবাৰ পৰিচালনাতে প্ৰায়ে আধুনিক, ঝুমুৰ আদি নৃত্য পৰিৱেশনত ভাগ লৈছিল অঞ্জলি মেধি, অলি বৰা, নন্দিতা বৰুৱাৰ লগতে আন আন শিল্পীয়ে। মন কৰিবলগীয়া কথা হ'ল উল্লিখিত প্ৰায় আটাইবোৰ শিল্পীয়ে (৫০/৬০ দশকত) কটন কলেজৰ প্ৰিয় শিল্পীয়েই নহয়, অসমৰে জনপ্ৰিয় শিল্পীৰূপে পৰিগণিত হৈছিল। আমাৰ অসমত ইংলিছ লিটাৰেৰী ছচাইটীৰ তৰফৰ পৰা ইংৰাজী নাট নিবেদন কৰা হৈছিল সময়ে সময়ে। অসমীয়া নাট, একাংকিকা নিবেদিত হৈছিল প্ৰায়বোৰ অনুষ্ঠানতে। এই ক্ষেত্ৰত দেৱানন্দ দাসে লিখা 'পাত্ৰ লাগে' নামৰ একাংকিকাই কলেজৰ চাৰিসীমা পাৰ হৈ সমগ্ৰ অসমতে মঞ্চস্থ হৈছিল। বাণী চক্ৰবৰ্তী, বীৰেন দাস, ঈশান বৰুৱা, মিৰ আকদাছ আলী, হেমলতা ডেকা, অখিল ডেকা, প্ৰবীণ দাস, প্ৰদীপ বৰুৱা আদিয়ে ইংৰাজী, অসমীয়া নাটত মনপৰশা অভিনয় কৰিছিল।

সেই সময়ত পুৰণি এডমিনিষ্ট্ৰেটিভ বিল্ডিঙৰ দক্ষিণ ফালে আহল-বহল কেণ্টিনত চাহ-চিঙৰা সমুখত লৈ পৰিকল্পনা কৰা হৈছিল— সাংস্কৃতিক কাৰ্যসূচীসমূহৰ। আগৰ ছুডমাৰ্ছন হলৰ দক্ষিণ কোণত থকা কোঠালিটো আমাৰ বহুতৰে স্মৃতি বিজড়িত, যিহেতু তাতেই সৰহভাগ ৰিহাৰ্ছেল হৈছিল। কোঠালিটোৰ সোঁমাজত চকুত লগাকৈ ৰখা হৈছিল অৰ্গেনটো। কিছুদিন আগেয়ে সেই অৰ্গেনৰ ভাগি যোৱা কাঠৰ টুকুৰা দেখি মনটোৱে কান্দি উঠিছিল।...ৰমেনে বেজাৰৰ হুমুনিয়াহ কাঢ়িছিল। এইখিনিতে এটা কথা উল্লেখ কৰা উচিত হ'ব যে কলেজীয়া জীৱনত আৰু ভালেমান দিন পিছলৈকো ৰমেন বৰুৱা আছিল এজন জনপ্ৰিয় গায়ক। তেতিয়াৰ আমাৰ সংগীত অনুষ্ঠানত ভাগ লোৱা অন্যতম দুজন গীটাৰবাদকৰ কথা মনলৈ আহিছে। তেওঁলোক হ'ল শ্বিলঙৰ চমাৰ সিং চুমেৰ (এতিয়া মেঘালয়ৰ জ্যেষ্ঠ সাংবাদিক), গেনন্ড ষ্টোন মাছ্বৰ (মেঘালয়ৰ বিশিষ্ট ৰাজনৈতিক নেতা)। তেওঁলোকে অসমীয়া সুৰবোৰ গীটাৰৰ তাঁৰত আপোন কৰাৰ লগতে সলসলীয়া অসমীয়া কৈছিল— অসমীয়া গান গুণগুণাইছিল। এটা কথা উনুকিয়াবৰ মন গছে যে পাঁচী বজাৰৰ কমাৰপট্টিৰ গিৰ্জা ঘৰৰ পাছফালে থকা ঘৰসমূহ আছিল এল এম হোষ্টেল। তাত সচৰাচৰ নাগালেণ্ড, মিজোৰাম, মেঘালয় আদিৰ ছাত্ৰ আছিল। সেই হোষ্টেলৰ বিভিন্ন অনুষ্ঠানত আমি অংশ লোৱাৰ লগতে বন্ধুত্ব পাতিছিলোঁ, মত বিনিময় কৰিছিলোঁ— যিটো কালক্ৰমত নোহোৱা হ'ল।

আমাৰ সময়ছোৱাত অনুষ্ঠিত আন্তঃকলেজ সংগীত প্ৰতিযোগিতাত সম্ভৱতঃ প্ৰায় তিনিবাৰেই কটন কলেজে শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰিছিল। এই সফলতাৰ আঁৰত

কলেজৰ শিল্পী, কলা-কুশলীৰ বাদে, নেপথ্যত নেতৃত্ব দি সুসংগঠনেৰে অনুপ্ৰেৰণা যোগোৱা সৰলমনা অমায়িক সংগীত সম্পাদক স্বৰ্গীয় ৰঞ্জিত পাত্ৰ, প্ৰমোদ শইকীয়া (বৰ্তমান আকাশবাণী গুৱাহাটীৰ বাতৰি পৰিৱেশক), জ্যেষ্ঠ সাংবাদিক আৰু বিশিষ্ট ক্ৰীড়া সংগঠক প্ৰেমধৰ শৰ্মাৰ লগতে পুলিন দত্ত, কল্যাণ বৰা, প্ৰণৱ দাস, অম্বিকা বৰুৱা আদি ভালেমান শুভাকাংক্ষী। কলেজৰ সাংস্কৃতিক অনুষ্ঠান সম্পৰ্কত দিহা-পৰামৰ্শৰে অনুপ্ৰেৰণা দিয়া অধ্যাপকসকলৰ অন্যতম আছিল— নৰকান্ত বৰুৱা, বিনয় চৌধুৰী, বসন্ত বৰুৱা, ধীৰেন শৰ্মা, অৰুণ বৰুৱা, আনন্দেশ্বৰ শৰ্মা, মহেন্দ্ৰ বৰা, উপেন শৰ্মা আৰু লক্ষহীৰা দাস। এইখিনিতে দুটা মজাৰ ঘটনা মনত পৰিছে। ছাত্ৰ হিচাপে এদিন ইংৰাজী পাঠৰ বুজ ল'বলৈ পুৱাতে উপেন শৰ্মা ছাৰৰ ঘৰ পালোঁগৈ। পদূলিমুখত বৈ শুনিবলৈ পালোঁ শাস্ত্ৰীয় সংগীতৰ আলাপ। খন্তেক আচৰিত হ'লোঁ। ভিতৰ সোমাই দেখিলোঁ ছাৰে তানপুৰা লৈ ৰিয়াজ কৰি আছে। ছাৰে উদাৰভাৱেই ক'লে— 'হেৰা অপূৰ্ব, মই সময়-সুবিধা পালেই গাবলৈ চেষ্টা কৰোঁ বুজিছা— শাস্ত্ৰীয় সংগীত বৰ ভাল পাওঁ।' ছাৰে আধাঘণ্টামান পাঠৰ বুজ নিদি এঘণ্টামান সংগীতৰ কথা পাতিলে। এদিন মহেন্দ্ৰ বৰা ছাৰৰ ঘৰলৈ গ'লোঁ— একে উদ্দেশ্যৰে। ছাৰে একান্ত মনে কিবা লিখি আছে। মই সোমোৱাত ক'লে— 'তুমি ভাল সময়তে আহিলা। চোৱাচোন— এইকেইটা গীত হৈছেনে। নে কবিতা হৈয়ে থাকিল। গীত লিখিবৰ মন যায়হে।' ৬০ দশকত গঠিত গুৱাহাটীৰ অন্যতম সাংস্কৃতিক সংস্থা 'মধুচয়নিকা' নামটোও মহেন্দ্ৰ বৰা ছাৰে দিয়া।

সেই সময়ত সুকুমাৰ কলা প্ৰতিযোগিতাৰ অন্যতম শিতান আছিল আবৃত্তি। এই শিতানত সেই সময়ৰ অন্যতম উল্লেখযোগ্য নামকেইটা হ'ল স্বৰ্গীয় নৰেন বৰুৱা (ফিল্ম ডিভিজনৰ ঘোষক, মুম্বাইত মৃত্যু হয়), শচীন বৰুৱা (হিন্দুস্থান টাইমছ্ কাকতৰ প্ৰাক্তন জ্যেষ্ঠ সাংবাদিক আৰু বৰ্তমান নৰ্থ-ইষ্ট ডেইলী কাকতৰ সম্পাদক), অৰ্ধেন্দু বেনাৰ্জী (অৱসৰপ্ৰাপ্ত অধ্যাপক) আৰু অখিল ডেকা। সেই সময়ছোৱাত শচীন বৰুৱা একেৰাহে গল্প লেখক, কবি আৰু আবৃত্তিকাৰ। ফলত শচীন বৰুৱাই এবাৰ ৰেকৰ্ড স্থাপন কৰিলে। সাধাৰণতে সুকুমাৰ কলা প্ৰতিযোগিতাৰ শিতানসমূহ আছিল এনেধৰণৰ যেনে— অসমীয়া, বাংলা, হিন্দী, আধুনিক গীত (চলচ্চিত্ৰক বাদ দি) ভজন, গজল, ৰবীন্দ্ৰ সংগীত, বনগীত, লোকগীত, গল্প ৰচনা, কবিতা, আবৃত্তি আদি। এই আটাইবোৰ সামৰি শ্ৰেষ্ঠ প্ৰতিযোগীৰ নম্বৰ দিয়া হয় (এই লেখকৰো এবাৰ সৌভাগ্য ঘটিছিল শ্ৰেষ্ঠ প্ৰতিযোগী হোৱাৰ)। কিন্তু শচীন বৰুৱাই গল্প-কবিতা লিখি আবৃত্তি কৰি এবাৰ শ্ৰেষ্ঠ প্ৰতিযোগী হৈছিল। সেই সময়ছোৱাতে বৰ্তমানৰ সাহিত্য অকাডেমি পুৰস্কাৰপ্ৰাপ্ত গল্প লেখক অপূৰ্ব শৰ্মাই কলেজৰ গল্প প্ৰতিযোগিতাত শ্ৰেষ্ঠ গল্প লেখকৰ বঁটা পাইছিল। গল্পটোৰ লেখকে দিয়া নাম আছিল 'বেশ্যালয়ত এৰাতি'। বিচাৰক হিচাপে যোগেশ দাসে নাম দিয়ে 'সৰা শেৱালিৰ সুৰভি'। ...ডুমডুমা কলেজৰ প্ৰাক্তন অধ্যক্ষ ৰবীন চৌধুৰীও সাহিত্য-নাটৰ

সৈতে নিবিড়ভাৱে জড়িত আছিল।

৬০ৰ দশকত কটন কলেজৰ প্ৰত্যেকটো হোষ্টেলতে সুকীয়াকৈ নৱাগত আদৰণী অনুষ্ঠান আৰু বিদায় অনুষ্ঠান পতা হৈছিল। এই অনুষ্ঠানবোৰৰ প্ৰধান কাৰ্যসূচী আছিল সাংস্কৃতিক অনুষ্ঠান। এনে অনুষ্ঠানত অংশ ল'বলৈ যাওঁতে তিনিগৰাকী স্বনামধন্য জ্যেষ্ঠ শিল্পীক সততে লগ পাইছিলোঁ। তেওঁলোক হ'ল তফজ্জুল আলি, বীৰেন্দ্ৰনাথ দত্ত আৰু জ্যোতিৰ্ময় কাকতি।

স্মৃতি আৰু কাকতৰ ঠাইৰ অভাৱত বহু নাম আৰু বহু কথা প্ৰকাশ কৰিব নোৱাৰাৰ বেজাৰ থাকি গ'ল। সেয়ে সামৰিছোঁ ৰবীন্দ্ৰনাথৰ গীতৰ কলিৰে—

আৰেকটি বাৰ আয়ৰে সখা প্ৰাণেৰ
মাঝে আয়
সুখেৰ দুখেৰ কথা কবো প্ৰাণ জুড়াবে তাই।
আৰু এটিবাৰ আহ অ' সখা
প্ৰাণৰ মাজলৈ আহ
সুখৰ দুখৰ কথা পাতিম
প্ৰাণ যাব জুৰাই। ❑

কটনে মোক কি দিলে?

কনকসেন ডেকা

খ্যাত-অখ্যাত, সৰু-বৰ প্ৰতিটো শিক্ষানুষ্ঠানেই শিক্ষাৰ্থীলৈ পৰৱৰ্তী জীৱনছোৱাৰ বাবে সমল আগবঢ়ায়। সিয়েই বহু পৰিমাণে তেওঁলোকৰ ভৱিষ্যৎ জীৱনক গঢ় দিয়ে। সেই দিশৰ পৰা কটন কলেজে অধিক সমল আগবঢ়োৱা হেতুকে এই শিক্ষানুষ্ঠানে বিশেষ গুৰুত্ব লাভ কৰি আহিছে। সেই কাৰণে কটন কলেজৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ আকৰ্ষণ সৰ্বাধিক। সাহিত্য-সংস্কৃতি, ৰাজনীতি, অৰ্থনীতি— এনে এটা দিশ নাই, যিটোত কটনিয়ানে অগ্ৰগণ্য ভূমিকা নোলোৱাকৈ আছে। একেদৰে সাংবাদিকতাৰ পৰা আৰম্ভ কৰি বিজ্ঞান-প্ৰযুক্তিলৈ বিভিন্ন বৃত্তিৰ ক্ষেত্ৰতো কটন কলেজে অনবদ্য ভূমিকা লৈছে। তাৰ অৰ্থ এইটো কেতিয়াও নহয় যে কটন কলেজতহে ভাল শিক্ষাদান হয় আৰু আন কলেজত নহয়; বৰঞ্চ, এইটোহে ক'ব পাৰি যে কটন কলেজতকৈও আন কোনো কোনো শিক্ষানুষ্ঠানত দক্ষ শিক্ষকে দক্ষতাৰে শিক্ষা প্ৰদান কৰে। তাৰ ফলস্বৰূপে সেই কলেজে ভাল ফলাফলো প্ৰদৰ্শন কৰিবলৈ সক্ষম নোহোৱাকৈ থকা নাই। তৎসত্ত্বেও কটনে বিশেষ গুৰুত্ব লাভ কৰাৰ কাৰণ কি?

আমি কটনত শিক্ষা লাভ কৰা কালছোৱাৰ অভিজ্ঞতাৰ ভিত্তিতে এই সম্পৰ্কত দুটিমান সিদ্ধান্তৰ কথা উনুকিয়াব খুজিছোঁ। প্ৰথম কথা, আমাৰ ছাত্ৰ-ছাত্ৰীসকলে সততে ভুগি থকা নীচাত্মিকতাৰ অৱসান ঘটাই কটন কলেজৰ পৰিবেশে বিশেষ ধৰণৰ আত্মবল আনি দিয়ে। কটনৰ ছাত্ৰই অনুভৱ কৰে যে তেওঁ ছাত্ৰ হিচাপে আন কাৰোতকৈ হীন নহয়। এই আত্মবলেই কটন কলেজে ছাত্ৰ-ছাত্ৰীক দিব পৰা সৰ্বোৎকৃষ্ট শিক্ষা, কিয়নো কোনো মানুহেই বুদ্ধি-বৃত্তিত আন দহজনতকৈ বিশেষ মেধাসম্পন্ন নহয় বুলি বহুতো গৱেষণাই কয়। অনুশীলনী, পৰিৱেশ আৰু উচ্চাকাংক্ষা চৰিতাৰ্থ

কৰাৰ বাবে লাভ কৰা প্ৰেৰণাৰ হেতুকে তথাকথিত সাধাৰণ বিদ্যা-বুদ্ধিৰ লোকেও বিশ্বখ্যাতি লাভ কৰা দেখা যায়। এই ক্ষেত্ৰত তেনেই সাধাৰণ বিদ্যা-বুদ্ধিৰ কৰমচাঁদ গান্ধীৰ কথাকে আঙুলিয়াব পাৰি। স্বাধীনতা আন্দোলনৰ পটভূমিয়ে তেওঁক মহাত্মালৈ ৰূপান্তৰিত কৰিলে। নিজেই তেওঁৰ মেধা উচ্চ স্তৰৰ নহয় বুলি কৈ গৈছে। দেবেন্দ্ৰ নাথ ঠাকুৰৰ পৰিয়ালত জন্মগ্ৰহণ নকৰা হ'লে ৰবীন্দ্ৰনাথে বিশ্বখ্যাতি লাভ কৰিব নোবাৰিলেহেঁতেন। স্বাধীনতা আন্দোলনৰ পটভূমি নোপোৱা হ'লে জ্যোতিপ্ৰসাদ আগৰৱালায়ো 'বিশ্ববিজয় ন-জোৱান' গীত গোৱাৰ প্ৰেৰণা নাপালেহেঁতেন। গতিকে যিটো দেখা যায়, পৰিৱেশে ভাৱিষ্যৎ জীৱনৰ পথ গ্ৰহণত বিশেষ ভূমিকা লয়। কটন কলেজৰ পৰিৱেশেও একোজনক নিৰ্দিষ্ট পথেৰে আগবাঢ়ি যোৱাত প্ৰেৰণা যোগায়। সেই প্ৰেৰণাৰ উৎসই হ'ল আত্মপ্ৰত্যয়। কটনিয়ানৰ মাজত সৰ্বভাৰতীয় নেতা আছে। বিশ্ববিখ্যাত শিল্পী-সাহিত্যিক আছে। ভাৰতৰ সৰ্বোচ্চ সন্মান লাভ কৰা নেতা আছে। ৰাজ্যপাল, মুখ্য মন্ত্ৰী এনে এটা উচ্চ পদবী নোলাব, যিটো পদত এসময়ত কটনিয়ান নাছিল। পৃথিবীৰ খুব কম দেশেই ওলাব, য'ত আজিও কটনিয়ান নাই। ইয়েই কটনিয়ানৰ আত্মপ্ৰত্যয়ৰ লগতে আত্মবিশ্বাস আৰু প্ৰেৰণাৰ বিষয় হৈ পৰে।

দ্বিতীয়তে, কটনেই একমাত্ৰ কলেজ, য'ত ৰাজ্যখনৰ বিভিন্ন অঞ্চলৰ ছাত্ৰ-ছাত্ৰী একেটা ছাতিৰ তলতে লগ লাগে। গতিকে বন্ধুত্ব গঢ়ি উঠাৰ লগতে ইজনে আনজনক বুজাত ই সহায় কৰে। পৰৱৰ্তী কালত কটনিয়ানে অসমৰ য'লৈকে যায়, তাতেই বন্ধু-বান্ধৱীক বিচাৰি পায়। ইয়াৰ ফলস্বৰূপে দৃষ্টিভংগীৰ ব্যাপকতা বৃদ্ধি পায়। ৰাজ্যখনক আপোন ঘৰ বুলি গ্ৰহণ কৰাৰ মানসিকতা গঢ়ি উঠে। এনেকুৱা এক পৰিৱেশ গুৱাহাটী বিশ্ববিদ্যালয়েও গঢ়ি তুলিব পাৰিছে নে নাই নাজানো।

তৃতীয়তে, কটনিয়ান বুলিলে (আমাৰ সময়ত) ধৰ্ম-বৰ্ণ-গোষ্ঠী-জাত-পাতৰ কথা নাছিল। সকলোৱে একেটা পৰিয়ালৰ সদস্য হিচাপে চিনাকি দি গৌৰৱবোধ কৰিছিল। এতিয়া অৱশ্যে ৰাজনীতিৰ বিষাক্ত ভেদবীজ সুমুৱাই দি সেই মানসিকতা থান-বান কৰিবলৈ চেষ্টা চলোৱা বুলি জনা গৈছে।

এনেবোৰ কাৰণতে যুগে যুগে কটন কলেজৰ প্ৰতি বিদ্যাৰ্থীসকল আকৰ্ষিত হৈ আহিছে। আমি পঢ়ি থকা কালছোৱাত অধ্যক্ষ ড° হৰিশ্চন্দ্ৰ গোস্বামী আৰু অধ্যাপকসকলৰ ভিতৰত চন্দ্ৰ কলিতা, তাৰিণীকান্ত ভট্টাচাৰ্য, অতুলচন্দ্ৰ হাজৰিকা, উপেন্দ্ৰ চন্দ্ৰ লেখাৰু, আশ্ৰফ আলী আদিৰ কথা পাহৰিব নোৱাৰোঁ; কিন্তু মই এইটোও উপলব্ধি কৰোঁ যে কটন কলেজৰ শিক্ষকসকলৰ পৰা ভৱিষ্যৎ জীৱনৰ বাবে যিখিনি শিক্ষা লাভ কৰিছিলোঁ, তাতকৈ বহু বেছি শিক্ষা লাভ কৰিছিলোঁ কটন কলেজৰ পৰিৱেশৰ পৰাহে। তেতিয়াই আমি ড° সূৰ্যকুমাৰ ভূঞা, ৰঘুনাথ চৌধাৰী, নলিনীবালা দেৱী, অম্বিকাগিৰী ৰায়চৌধুৰী প্ৰভৃতিক লগ পোৱাৰ সুযোগ পাইছিলোঁ আৰু তেওঁলোকৰ

পৰা যথেষ্ট প্ৰেৰণা লাভ কৰিছিলোঁ। সাংসদ হেম বৰুৱা আছিল তেতিয়া আমাৰ আদৰ্শৰ প্ৰতীক। তেওঁ পিন্ধা প্ৰায় ভৰিৰ গাঁঠিলৈকে অহা কামিজটো, অনবৰতে এমোকোৰা তামোলেৰে স্মিতহাস্য মুখখনি কেৱল আকৰ্ষণৰ বিন্দুৱেই নহয়, প্ৰেৰণাৰো প্ৰতীক আছিল। মুঠতে কটনৰ সন্মোহনী সুবাস তুলনাবিহীন। জয়তু কটন কলেজ।

তেতিয়াৰ আমাৰ সময়ৰ দুই-এটা লঘু কথা মনলৈ আহিছে। আমি সেই সময়ৰ গৌহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য পণ্ডিতপ্ৰবৰ কৃষ্ণকান্ত সন্দিকৈৰ বাসভৱনৰ নিচেই কাষৰ ছাত্ৰাবাসত থাকিও এদিনৰ বাবেও তেওঁক দেখিবলৈ নোপোৱাত খেদ ৰৈ গৈছিল। আমি তেতিয়া চতুৰ্থ বাৰ্ষিকৰ ছাত্ৰ। যেতিয়া কলেজ এৰিবলৈ বেছিদিন নাই বুলি জানিছিলোঁ আৰু সন্দিকৈদেৱৰ সাক্ষাৎ কোনোদিনেই নহ'ব বুলি ধাৰণা হৈছিল। তথাপি সাক্ষাতৰ শেষ চেষ্টা চলোৱাৰ উদ্দেশ্যে ছাত্ৰ-বন্ধু এজনৰ স'তে বুদ্ধি এটা পাঙিলোঁ। আমি তেতিয়া ডি এছ্ হোষ্টেলৰ মনিটৰ আছিলোঁ। বন্ধুৰ স'তে লগ হৈ থিক কৰিলোঁ যে সন্দিকৈদেৱক ছাত্ৰাবাসৰ নৱাগত আদৰণী সভালৈ নিমন্ত্ৰণ জনোৱা হওক। যিহেতু অত বছৰে গুৱাহাটীত থাকিও তেওঁক কোনো ৰাজহুৱা সভা-সমিতিতে দেখিবলৈ নাপালোঁ, গতিকে ছাত্ৰাবাসৰ নৱাগত আদৰণী সভালৈ অহাৰ প্ৰশ্নই উঠিব নোৱাৰে বুলি জানিছিলোঁ; কিন্তু নিমন্ত্ৰণ কৰিবলৈ গ'লে আহিব নোৱাৰিব বুলি ক'বলৈ হ'লেও তেওঁ নিশ্চয় আমাৰ সন্মুখত ওলাব। সেই সুযোগতে আমি তেওঁৰ দৰ্শন লাভ কৰিব পাৰিম। এই ধাৰণা লৈয়ে আমি সাজি-কাচি উপাচাৰ্যৰ বাসভৱনৰ সন্মুখত উপস্থিত হ'লোঁগৈ। বাৰাণ্ডাত থিয় হোৱাৰ লগে লগে লগুৱা এজনে আমি অহাৰ কাৰণ সোধাত উপাচাৰ্য মহোদয়ক লগ পাব লাগে বুলি ক'লোঁ। লগুৱাজনে তেতিয়া ততালিকে ভিতৰ সোমোৱাত আমাৰ ধাৰণা হ'ল যে মুহূৰ্তৰ ভিতৰতে উপাচাৰ্যই আমাক মাতি পঠিয়াব আৰু আমি তেওঁৰ বহু আকাংক্ষিত সাক্ষাৎ লাভ কৰিবলৈ সক্ষম হ'ম।

কেইমিনিটমানৰ পিছতে কেৰাণী পৰ্যায়ৰ কৰ্মচাৰী এজন ওলাই আহি আমাৰ উদ্দেশ্যৰ বিষয়ে জানিব বিচাৰিলে। আমি সন্দিকৈদেৱক মুখ্য অতিথি হিচাপে নিমন্ত্ৰণ কৰিবলৈ অহা বুলি জনোৱাত তেওঁ ভিতৰ সোমাল আৰু কিছু সময়ৰ পিছত ওলাই আহি সেই কথা লিখিতভাৱে জনাবলৈ ক'লে। তেওঁ আমাক লেখাৰ বাবে কাগজ এখিলাও দিলে। সেই মতে আমাৰ ছাত্ৰাবাসৰ নৱাগত আদৰণী সভাৰ মুখ্য অতিথিৰ আসন গ্ৰহণ কৰিবৰ বাবে বিনীতভাৱে লিখিত অনুৰোধ জনালোঁ। কৰ্মচাৰীজনে সেই আবেদন-পত্ৰখন হাতত লৈ ভিতৰ সোমাল আৰু কিছু সময়ৰ পিছত পুনৰ ঘূৰি আহি আমাক জনালে যে আবেদনৰ ফলাফল এদিনৰ পিছত বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক চিদানন্দ দাসে দুপৰীয়া দুই বজাত দিব। সেই সময়ত পঞ্জীয়কৰ কাৰ্যালয়টো পাণবজাৰৰ ছাত্ৰাবাসৰ মাজতে আছিল। সেই মতে নিৰ্দিষ্ট সময়ত পঞ্জীয়ক দাসক লগ ধৰাত

তেওঁ হাঁহি মাৰি মাথোন ক'লে— 'তোমালোকৰো সাহস কম নহয়! বৰ বৰ সভাইলেকে সন্দিকৈ নাযায়। তাতে তোমালোকৰ ছাত্ৰাবাসৰ নৱাগত আদৰণী সভা!' এইদৰে কৈয়ে তেওঁ বক্তব্য সামৰিলে।

* * *

সেই সময়তে ড° ভূপেন হাজৰিকা পৰিচালিত চিনেমা 'এৰা বাটৰ সুৰ'ৰ শ্বুটিং চলিছিল আমাৰ ছাত্ৰাবাসৰ নিচেই কাষৰ গুৱাহাটী ৰে'ল ষ্টেচনলৈ যোৱা পথৰ দাঁতিৰ চৰকাৰী বাংলো এটাৰ চৌহদত। এনেদৰে ওচৰৰ পৰা শ্বুটিং চোৱাৰ সুযোগ কটনিয়ানসকলৰ বাহুতে ইয়াৰ আগলৈকে পোৱা নাছিল। তাতে আকৌ অভিনেতা-অভিনেত্ৰীসকল হ'ল— কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা, নটসূৰ্য ফণী শৰ্মা, বিজয় শংকৰ, ইভা আচাও প্ৰভৃতি। পৰিচালক হিচাপে প্ৰতিটো মুহূৰ্ত ব্যস্ত হৈ পৰিছিল ড° হাজৰিকা। শ্বুটিং চাবলৈ ছাত্ৰসকলে দলে দলে আহিছিল আৰু গৈছিল। আমিও সেই সুযোগ হেৰুৱাব নিবিচাৰিলোঁ। তেতিয়া বিষ্ণু ৰাভা আৰু ফণী শৰ্মাৰ শ্বট লোৱাৰ প্ৰস্তুতি চলি আছে। ৰাভাই ভজলুং কাকাৰ ভাৱত অভিনয় কৰিছে। ডাঙৰ লাউপানীৰ কলহ এটা লৈ সেইটো খণ্ডতে ভাঙি পেলাব লাগে।

শ্বট ল'বৰ বাবে বাৰে বাৰে অনুশীলনী চলোৱাৰ উপৰি সংলাপ মাতিব লগা হৈছে। কিন্তু ক্ৰমে ক্ৰমে ছাত্ৰসকলে আহি বেৰি ধৰা হেতুকে পৰিচালক ড° হাজৰিকা ক্ষুণ্ণ হৈ পৰিছে; কিন্তু ছাত্ৰসকলক টানকৈ ক'বলৈও তেওঁ অসুবিধা পাইছে। ছাত্ৰসকলে যাতে নিৰ্দিষ্ট পৰিসীমাৰ পৰা আগবাঢ়ি নাহে তাৰ বাবে তেওঁ পাকে-প্ৰকাৰে সকীয়াই আছিল। কিন্তু তৎসত্বেও ছাত্ৰসকলে কথা নুশুনাত তেওঁ জোৰকৈ কৈ উঠিল—want nobody standing inside the compound.

এইখিনি কথাকে অসমীয়াত কোৱা হ'লে ছাত্ৰসকলে বেয়া পাব পাৰে বুলিয়ে তেওঁ বোধহয় ইংৰাজীতে ক'লে। তাৰ পিছত অৱশ্যে ছাত্ৰৰ সংখ্যা পাতলিল। আমিও ওলাই আহিলোঁ। ❑

কটন কলেজৰ স্মৃতি

ডঃ শ্যামভদ্ৰ মেধি

কটন কলেজৰ প্ৰথম দিনটো ঠিক মনত নাই। কিন্তু ছুডমাৰ্ছন হলত বহি Interview দিয়াৰ কথা মনত আছে। Result ভাল আছিল কাৰণে বিচৰা মতেই I. Sc.ত বিভিন্ন বিষয়বোৰ লৈ ভৰ্তি হলোঁ। Practical Classবোৰ কেতিয়াবা বেয়া লাগিছিল বাবে পিছত B.A.ত Economics Honours লৈ নামভৰ্তি কৰিলোঁ। প্ৰফেছাৰ আশ্ৰফ আলীয়ে Essay লিখিবলৈ দি Test কৰাৰ পিছত মোক জনালে যে তোমাক Seat দিম— BA (Hons) Economics. তাৰ পিছত ভাল নম্বৰ পোৱাৰ বাবে মই তেখেতৰ প্ৰিয় ছাত্ৰ হলোঁগৈ। B.A. (Hons) ফাইনেল পৰীক্ষাত প্ৰথমদিনা তেখেতে মোৰ বহা seatলৈ গৈ এটা চকলেট দি ক'লে যে— Best of luck & best wishes.

3rd yearত থাকোঁতে মোক বহুতে ক'লে যে— মই Cottonianৰ Editorৰ বাবে Contest /Election কৰিব লাগে। মই বহুত support পালোঁ বন্ধুবোৰৰ পৰা। আৰু Editor হৈ Elected হ'লোঁ। মোৰ সময়ত প্ৰফেছাৰ নৰকান্ত বৰুৱা আৰু আনন্দেশ্বৰ শৰ্মা In-charge আছিল আৰু তেখেতসকলে দিহা-পৰামৰ্শ দিছিল। মোৰ 33rd Issue (কটনিয়ান)ত Sir C V Raman-এ এটা প্ৰবন্ধ দিছিল। তেখেত তেতিয়া জীৱিত আছিল। আৰু Sir Goffin, Ex-Professor of Cotton College-এ এখন দীঘলীয়া চিঠি মোলৈ দিছিল। কাৰণ তেখেত 'কটনিয়ান'ৰ প্ৰথম সম্পাদক (1st Editor) আছিল। মই তেখেতৰ চিঠিখন প্ৰকাশ কৰি দিছিলোঁ নিজৰ হাতৰ আখৰেৰে লিখা বাবে। মই তেখেতক প্ৰথমবাৰ UKলৈ যাওঁতে লগ পাইছিলোঁ। দ্বিতীয়বাৰ যাওঁতে নাপালোঁ। বোধহয় ঢুকাল। হোমেন বৰগোহাঞিৰ এটা গল্প

"Postmortem" Cottonianত প্ৰকাশ কৰা বাবে বিতৰ্কৰ সৃষ্টি হৈছিল। সেই বিষয়ে বহুত কথা আছে। পিছত কেতিয়াবা বহলাই লিখিম। জ্ঞানানন্দ শৰ্মা পাঠকৰ 'ধীৰেন ভট্টাচাৰ্যৰ গল্প' প্ৰবন্ধই আলোড়নৰ সৃষ্টি কৰিছিল।

আমি Cottonৰ Canteenত গল্প কৰি বহুত কথা আলোচনা কৰিছিলোঁ। কিন্তু disciple আছিল আৰু শিক্ষকসকলক খুব শ্ৰদ্ধা কৰিছিলোঁ। আমাৰ লগৰ ভানু (মীৰ আগদাচ আলী) বৰ্তমান Artiste আৰু গৱেষক হিচাপে কেইবাখনো কিতাপ উলিয়াইছে। পুলিন দত্ত, দিলীপ দত্ত আদি অসমৰ বাহিৰত। গৌৰাংগ ৰাজখোৱাক মাজতে লগ পাইছিলোঁ। সময়ৰ নাটনিৰ কাৰণে বহু কথা বাদ দি এই কথাখিনিকে উল্লেখ কৰিলোঁ।

জগদীশ দত্তক ধন্যবাদ। তেখেতৰ জোৰতে মই এই কথাখিনি লিখিলোঁ দৌৰাদৌৰিকৈ প্ৰায় ১৫/২০ মিনিটৰ ভিতৰতে। ❑

মই লগ পোৱা কটন কলেজৰ শিক্ষকসকল

তাৰকেশ্বৰ চৌধুৰী

কটন কলেজত মই ছাত্ৰ হিচাপে আৰু সহপাঠী হিচাপে বহুকেইজন শ্ৰদ্ধেয় শিক্ষকক লগ পাইছিলোঁ। জীৱনৰ আটাইতকৈ উল্লেখযোগ্য সময়খিনিত তেওঁলোকৰ নিবিড় সান্নিধ্যই মোৰ জীৱনটো গঢ়ি তোলাত প্ৰভূত বৰঙণি আগবঢ়াইছে।

১৯৫৫ চনত কটন কলেজত মই ভৰ্তি হওঁ আই এছ চিৰ ছাত্ৰ হিচাপে। সেই সময়তে শিক্ষাগুৰু হিচাপে পাইছিলোঁ শিৱপ্ৰসাদ ঘোষ ছাৰক। আমাক অংক পঢ়াইছিল। শিক্ষক হিচাপে তেওঁ বৰ নিয়মীয়া আছিল। পুৱা ৯ বজাৰ পৰা আবেলি ৪.৩০ বজালৈকে তেওঁ আমাৰ ক্লাছ লৈছিল একেৰাহে। যিহেতু সেই সময়ত গণিত বিভাগত কেৱল ৪জন শিক্ষকহে আছিল, সেয়ে তেওঁ আই এছ চি অনাৰ্ছ, পাছ ক'ৰ্ছ সকলোবোৰ শ্ৰেণীৰে ক্লাছ লৈছিল। তেওঁ সেই সময়ত আছিল বিভাগীয় মুৰব্বী অধ্যাপক। সেয়ে তেওঁ দেওবাৰে আৰু যিকোনো বন্ধত ৩টা পৰ্যায়ত ৯-১১ বজালৈ, ১১-১ বজালৈ আৰু ২ বজাৰ পৰা ৪-৫ বজালৈ ছাত্ৰসকলক কলেজত পঢ়ুৱাইছিল। এইখিনিতে এটা ঘটনা মনত পৰিছে। এদিন তেওঁ ৩ ঘণ্টামান ধৰি থ্ৰী-ডাইমেনছনছ (3 dimensions) পঢ়ুৱালে একেৰাহে। তেতিয়া এজন ছাত্ৰই ক'ল— 'Sir, we are totally exhausted।' তেতিয়া দিনৰ ১২ মান বাজিছিল। ওচৰৰে কেণ্টিন এখনলৈ লৈ গৈ ছাত্ৰজনক চাহ-চিঙৰা খুৱালে আৰু উভতি আহি ছাত্ৰসকলক ক'লে— 'I know, you are totally exhausted with three dimensions. So, I will refresh you with integral calculus.' ঘোষ ছাৰে 'differential equations.' বিষয়টো খুব ভাল পাইছিল। তেওঁ শিক্ষাগুৰু হিচাপে অমানুষিক পৰিশ্ৰম কৰিছিল, কিয়নো ছাৰে নিজে অংক বিষয়টো খুব ভাল পাইছিল। ১৯৬৮ চনত তেওঁ অৱসৰ লয়। আশীৰ দশকৰ শেষৰ পিনে মই এদিন ঘোষ ছাৰৰ ঘৰলৈ যাওঁতে তেওঁৰ পুত্ৰই মোক কৈছিল— 'দেউতাই এতিয়াও মূঢ়াত বহি বহি

ছাত্রসকলক পঢ়ুৱায়। যিদিনাই দেউতাই ছাত্রবোৰক পঢ়ুৱাবলৈ এৰি দিব, সিদিনাই তেওঁক হেৰুৱাম।'

শিৱপ্ৰসাদ ঘোষ ছাৰৰ আৰ্হি অনুসৰণ কৰি অনিল গোস্বামী ছাৰেও আমাক সন্ধিয়া ৫-৮ বজালৈ পঢ়ুৱাইছিল। তেওঁ তেতিয়া পদাৰ্থবিজ্ঞান বিভাগত নতুনকৈ সোমাইছে। গোস্বামী ছাৰে কৈছিল S.Gয়ে (শিৱপ্ৰসাদ ঘোষ) যদি পাৰে মই নোৱাৰিম কিয়? তেওঁৰ প্ৰচেষ্টাতে ১৯৭১-৭২ চনত পদাৰ্থবিজ্ঞান বিভাগৰ স্নাতকোত্তৰ শ্ৰেণী আৰম্ভ হয়। পিছলৈ তেওঁ কটন কলেজৰ অধ্যক্ষ পদত নিযুক্ত হয়। তেৱেঁই প্ৰথমে কটন কলেজক স্বায়ত্তশাসন প্ৰদান কৰিবলৈ চৰকাৰক দাবী জনায়। গোস্বামী ছাৰে মোক আৰু সত্যেন্দ্ৰ কুমাৰ চৌধুৰীক পশ্চিমবংগৰ শিৱপুৰ ইঞ্জিনিয়াৰিং কলেজলৈ পঠাইছিল, কিয়নো ইতিমধ্যে শিৱপুৰ ইঞ্জিনিয়াৰিং কলেজে স্বায়ত্তশাসন লাভ কৰিছিল। সেয়া আছিল ১৯৯২ চনৰ কথা।

আমি পঢ়ি থকা সময়ত পদাৰ্থবিজ্ঞান বিভাগৰ আনকেইজনমান বিশিষ্ট শিক্ষক আছিল শিৱ শৰ্মা ঠাকুৰ, হৰিদেৱ গোস্বামী আৰু ভূমিধৰ চৌধুৰী। ঠাকুৰ ছাৰ বৰ খঙাল ব্যক্তি আছিল। পিছে শিক্ষক হিচাপে বৰ ভাল আছিল। হৰিদেৱ গোস্বামী ছাৰে আমাক light আৰু electricity পঢ়ুৱাইছিল। মই ভাবোঁ— পদাৰ্থবিজ্ঞানৰ পাঠ তেৱেঁই আমাক সবাতোকৈ ভালদৰে পঢ়ুৱাইছিল। ভূমিধৰ চৌধুৰী ছাৰে আমাক অলপ দিনৰ বাবেহে পঢ়ুৱাবলৈ পাইছিল।

ৰসায়নবিদ্যা বিভাগৰ শিক্ষাগুৰুৰ কথা ক'বলৈ গ'লেই মোৰ মনলৈ আহে প্ৰসন্ন গোস্বামী ছাৰৰ কথা। তেওঁ আমাক physical chemistry পঢ়ুৱাইছিল। এইগৰাকী ছাৰৰ মুখৰ এবাৰ বাক্য সেই সময়ত ছাত্ৰসকলৰ মাজত বৰ জনপ্ৰিয় আছিল— 'Atom is so small, you see that you cannot see.' তেওঁ অলপ দিনৰ বাবে অধ্যক্ষৰ পদতো নিযুক্তি পাইছিল।

ইংৰাজী বিভাগত সেই সময়ত আছিল দিগেন চন্দ্ৰ দত্ত ছাৰ। ছাৰ বৰ নিয়মানুবৰ্তী আছিল। ঠিক 'বেল' পৰাৰ লগে লগে ক্লাছত সোমায় আৰু 'বেল' পৰাৰ লগে লগে ওলাই যায়।

অংক বিভাগত শিক্ষক আৰু সহকৰ্মী হিচাপে পাইছিলোঁ ৰজনীকান্ত চক্ৰৱৰ্তী, দুৰ্গেশ্বৰ দাস আৰু বাপুকৃষ্ণ চৌধুৰীক। চক্ৰৱৰ্তী ছাৰে Mechanics বিষয়ত দক্ষ পণ্ডিত আছিল। বাপুকৃষ্ণ চৌধুৰী বৰ ধেমেলীয়া মানুহ আছিল।

পদাৰ্থবিজ্ঞান বিভাগত আৰু আছিল সৰোজ দত্ত বাইদেউ। বাইদেউ বৰ চোকা আছিল। তেওঁ আমাক light পঢ়ুৱাইছিল। এদিন lightৰ ক্লাছ শেষ হোৱাৰ পিছত তেওঁ আমাক sound পঢ়ুৱাব বুলি ক'লে। সিদিনা এজন ছাত্ৰই বৰ দুখেৰে ক'লে— 'ইমানদিনে বাইদেৱে চকু দুটা নষ্ট কৰিলে, এতিয়া কাণ দুখন।' বাইদেৱে পাছফালৰ পৰা কথাষাৰ

শুনি সশব্দে হাঁহিবলৈ লোৱাত আমি সকলোৱে চঁক খাই উঠিছিলোঁ।

অসমীয়া বিভাগত আছিল অতুল চন্দ্ৰ হাজৰিকা ছাৰ। ছাৰ বৰ ধেমেলীয়া আছিল, তেওঁ সকলোকে হঁহুৱায়। কিন্তু নিজে বৰ গহীন-গম্ভীৰ হৈ থাকে। তেওঁ আমাক কবিতা পঢ়ুৱাইছিল। হাজৰিকা ছাৰে ক্লাছত নিজৰ কবিতা পঢ়ুৱাওঁতে নিজকে কবি হিচাপে সমালোচনা কৰিছিল। ইংৰাজী বিভাগৰ তাৰিণীকান্ত ভট্ট আছিল ৰসাল গল্পৰ ভঁৰাল। তেওঁ পিছে গুৱাহাটী চহৰত টি কে বি নামেৰে প্ৰখ্যাত আছিল। সংস্কৃত বিভাগৰ ৰজনীকান্ত দেৱশৰ্মা বৰ পণ্ডিত মানুহ আছিল। সহকৰ্মী হিচাপে পাইছিলোঁ পৰিসংখ্যা বিভাগৰ অধ্যাপক বিষ্ণু দত্ত আৰু অন্যান্যসকলৰ ভিতৰত ভূগোল বিজ্ঞানৰ বিৰাজ চৌধুৰী, জীৱন ভট্টাচাৰ্য আৰু লগতে ভূতত্ত্ব বিভাগৰ কুমুদ বৰুৱাক।

১৯৬৩ চনত মই গণিত বিভাগৰ প্ৰবক্তা হিচাপে সোমাওঁতে কলেজৰ অধ্যক্ষ পদত নিযুক্ত হয় মহঃ নুৰুল ইছলাম ছাৰ। শিক্ষক হিচাপে তেওঁ ভাল আছিল যদিও অধ্যক্ষ হিচাপে তেওঁৰ দক্ষতা সাৰ্বজনীন। তেওঁ বৰ নীতি-নিয়ম মানি চলা মানুহ আছিল। লগতে অতিকৈ শৃংখলাবদ্ধ। তেওঁৰ সময়ত কলেজ সপ্তাহৰ মাৰ্চপাষ্টৰ দিনা নিউ ফিল্ডত সকলো শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থকাটো বাধ্যতামূলক আছিল। প্ৰশাসনিক দিশৰ পৰা নুৰুল ইছলাম ছাৰেই আমাৰ মতে শ্ৰেষ্ঠ অধ্যক্ষ, এই কথা নিশ্চয় সকলোৱে স্বীকাৰ কৰিব।

কটন কলেজৰ অধ্যক্ষ পদত মাত্ৰ ১১ মাহৰ বাবে নিযুক্ত হৈছিল পাৰুকুট্টী বৰুৱা বাইদেউ। জন্মসূত্ৰে তেওঁ কেৰালাৰ মানুহ আছিল যদিও পিছলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য হিতেন্দ্ৰ কুমাৰ বৰুৱা ছাৰৰ সৈতে বিয়া হোৱাৰ পিছত হাড়ে-হিমজুৱে অসমীয়া হৈ পৰে। উদ্ভিদবিদ্যা বিভাগৰ এই অধ্যাপিকাগৰাকী বৰ সাহসী আৰু নিয়ম-নীতি মানি চলা মহিলা আছিল। তেওঁৰ প্ৰগাঢ় ব্যক্তিত্বৰ কথা মনলৈ অহাৰ সময়তে কেইটিমান ঘটনালৈ মনত পৰিছে। পাৰুকুট্টী বৰুৱা অধ্যক্ষ হৈ থকা কালছোৱাত কটন কলেজ সম্পৰ্কীয় সকলোধৰণৰ আলোচনা দিছপুৰত নহৈ কটন কলেজৰ অধ্যক্ষৰ কাৰ্যালয়তহে হৈছিল, যিটো তদানীন্তন বিষয়াসকলৰ কটন কলেজৰ প্ৰতি থকা প্ৰগাঢ় শ্ৰদ্ধা আৰু আন্তৰিকতাৰ বাবে।

এইক্ষেত্ৰত কেইটামান উদাহৰণেই যথেষ্ট। কটন কলেজত স্নাতকোত্তৰ মহলা খোলাৰ আলোচনাখন অধ্যক্ষৰ কোঠালিত অনুষ্ঠিত হৈছিল। শিক্ষা বিভাগৰ মুৰব্বী সচিব অনিল কুমাৰ চৌধুৰী ডাঙৰীয়া তালৈকে আহিছিল। প্ৰথমতে কিন্তু চৌধুৰী ডাঙৰীয়াই কটন কলেজত স্নাতকোত্তৰ মহলা খোলাৰ পক্ষপাতী নাছিল আৰু নুখুলিবলৈ বিভিন্ন যুক্তি প্ৰদৰ্শন কৰিলে যদিও শেষত যুক্তি-তৰ্কত নোৱাৰি চৌধুৰীয়ে ক'লে— 'বাইদেউ, আপুনি যি লিখে বা কয়, তাকেই চৰকাৰে মানি ল'ব।'

এবাৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ সম্পৰ্কত এনে ঘটনা এটি ঘটিছিল। নিয়মানুসাৰে

গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনৰ বিভাগবোৰৰ পৰিদৰ্শনৰ বাবে বিশ্ববিদ্যালয়ে পৰিদৰ্শকৰ দল এটা পঠাইছিল। ৰসায়ন বিভাগত স্নাতকোত্তৰ বিভাগ খুলিবৰ অনুমতি দিয়াৰ ক্ষেত্ৰত দলটোৱে কিছুমান গৱেষণাগাৰ সম্পৰ্কীয় খুটি-নাটি দাঙি ধৰিছিল। শেষত বাইদেৱে দলটোৰ নেতাজনক প্ৰশ্ন কৰিলে— 'যদি একেটা গৱেষণাগাৰ লৈ এখন বিশ্ববিদ্যালয় আৰম্ভ হ'ব পাৰে, তেন্তে কলেজ এখনত একেটা গৱেষণাগাৰ লৈ স্নাতকোত্তৰ শ্ৰেণীৰ শাখা এটা খুলিব নোৱাৰি কিয়?' এই সাংঘাতিক প্ৰশ্নৰ উত্তৰ দিব নোৱাৰি শেষত গুৱাহাটী বিশ্ববিদ্যালয় কৰ্তৃপক্ষই ৰসায়ন বিভাগত স্নাতকোত্তৰ শ্ৰেণী খুলিবলৈ অনুমতি দিবলৈ বাধ্য হৈছিল।

সেয়েহে কটন কলেজত স্নাতকোত্তৰ মহলা খোলাৰ ইতিহাসত পাৰুকুট্টী বৰুৱাৰ অৱদান নিসন্দেহে চিৰস্মৰণীয়, হয়তো তেওঁৰ বলিষ্ঠ নেতৃত্ব অবিহনে কটন কলেজত স্নাতকোত্তৰ শ্ৰেণী খুলিবলৈ আৰু বহু সময়ৰ প্ৰয়োজন হ'লহেঁতেন।

আন এজন উল্লেখযোগ্য অধ্যক্ষ আছিল পদাৰ্থবিজ্ঞান বিভাগৰ গোবিন্দ ডেকা ছাৰ। ছাৰ বৰ সহজ-সৰল মানুহ আছিল। তেওঁৰ সেই কেন্‌ভাছৰ জোতাযোৰ বৰ বিখ্যাত আছিল সেই সময়ত। বিদেশী বহিষ্কাৰ আন্দোলনৰ সময়তো তেওঁ বৰ নিষ্ঠাৰে কলেজখন সুচাৰুৰূপে পৰিচালনা কৰিছিল।

আমি পঢ়া সময়ত আৰু এজন ঋষিতুল্য শিক্ষাগুৰু আছিল অসমীয়া বিভাগৰ উপেন লেখাৰু ছাৰ। তেওঁ বৰ পণ্ডিত মানুহ আছিল আৰু সেই সময়ত ছহিদ ৰঞ্জিৎ বৰপূজাৰী ছাত্ৰাবাসৰ অধীক্ষক আছিল। সেই সময়ত কৃষ্ণকান্ত সন্দিকৈ ছাত্ৰাবাসৰ অধীক্ষক আছিল দৰ্শন বিভাগৰ প্ৰফুল্লপ্ৰাণ চাংকাকতি ছাৰ। তেওঁ প্ৰকৃতাৰ্থত ভদ্ৰলোক আছিল।

আৰু বহুকেইজন পৰম শ্ৰদ্ধেয় শিক্ষাগুৰুৰ কথা ক'বলৈ থাকি হ'ল। তৎসত্ত্বেও স্থানৰ অভাৱত লেখা সামৰিছোঁ। কটন কলেজৰ শতবাৰ্ষিকীৰ এই পবিত্ৰ ক্ষণত এইসকল পৰম শ্ৰদ্ধেয় শিক্ষাগুৰুক সুঁৱৰিবলৈ পাই নিজকে ধন্য মানিছোঁ।

অসমৰ মুখ্য মন্ত্ৰী হোৱা কটনিয়ান ঃ

ছাৰ চৈয়দ মহম্মদ ছাদুল্লা

লোকপ্ৰিয় গোপীনাথ বৰদলৈ

বিষ্ণুৰাম মেধি

মহেন্দ্ৰ মোহন চৌধুৰী

শৰৎ চন্দ্ৰ সিংহ

হিতেশ্বৰ শইকীয়া

ভূমিধৰ বৰ্মন ❑

কটন কলেজৰ এৰি অহা দিনবোৰৰ স্মৃতি ৰোমন্থন

প্ৰভাত চন্দ্ৰ ফুকন

১৯৫৮ চনত শ্বিলঙৰ ছেইন্ট এড্‌মাণ্ডছ্ কলেজৰ পৰা আই এছ চি পাছ কৰি কটন কলেজত ইকনমিকছত অনাৰ্ছ লৈ বি এ তৃতীয় বাৰ্ষিক শ্ৰেণীত ভৰ্তি হ'লোঁ। তাৰিখটো মনত নাই। পঞ্চাছ বছৰ আগৰ সেই দিনটো আজিও মোৰ মনত জীৱন্ত হৈ আছে। এতিয়াৰ দৰে তেতিয়া কটনত স্নাতকোত্তৰ শ্ৰেণী নাছিলে। গতিকে কটনত মাত্ৰ দুবছৰহে পঢ়িলোঁ। সেয়া মোৰ জীৱনৰ অতিশয় পৰিতৃপ্ত সময় আছিল। সেই সময়ছোৰাত ঘনিষ্ঠভাৱে লগ পোৱা শ্ৰদ্ধেয় শিক্ষাগুৰু আৰু ছাত্ৰ-বন্ধুসকলৰ কিছুসংখ্যকে ইতিমধ্যে ইহ সংসাৰ ত্যাগ কৰিলে। তেওঁলোকৰ সৈতে থকা অন্তৰংগতা আৰু সান্নিধ্যৰ মধুৰ স্মৃতি আজিও অক্ষুণ্ণ আছে। যিসকল এতিয়াও আছে তেওঁলোকৰ সৰহভাগৰ লগত প্ৰত্যক্ষ যোগাযোগ কমি আহি শূন্যৰ ঘৰত পৰিছেহি। পূবে আৰু পশ্চিমে একোটাকৈ শ্ৰেণী কোঠা থকা আমাৰ চিৰপৰিচিত বহু স্মৃতি বিজড়িত সুদৃশ্য প্ৰশাসনীয় ভৱনটো আজি আৰু নাই। ভাঙি নেপেলাই heritage building হিচাপে সযতনে আৰু গৌৰৱেৰে সংৰক্ষণ কৰিব পৰা গ'লহেঁতেন।

১৯৫৮ চনৰ ১২ নৱেম্বৰত কলেজ ইউনিয়নৰ বছৰেকীয়া নিৰ্বাচন অনুষ্ঠিত হ'ল। কেইবাদিনৰ আগৰ পৰা প্ৰচাৰ অভিযান আৰম্ভ হৈছিল। ফেষ্টুন, বেনাৰ, পোষ্টাৰ আদিৰে কলেজ প্ৰাংগণ ভৰি পৰিছিল, আশে-পাশে প্ৰাৰ্থীসকলৰ নিৰ্বাচনী কাৰ্যালয় গঢ়ি উঠিছিল, যেন বিধান সভা বা স্থানীয় নিকায়ৰ নিৰ্বাচনহে, কিন্তু তাত নাছিল কোনো দলীয় ৰাজনীতি। প্ৰবল প্ৰতিদ্বন্দ্বিতাৰ মাজেদি মই কটন কলেজ ইউনিয়ন ছচাইটীৰ সাধাৰণ সম্পাদক নিৰ্বাচিত হ'লোঁ। ১৯৫৮ চনৰ ২৯ নৱেম্বৰত

কাৰ্যভাৰ গ্ৰহণ কৰিলোঁ। প্ৰয়াত হৰিশ চন্দ্ৰ গোস্বামী কলেজৰ অধ্যক্ষ হিচাপে ইউনিয়নৰ সভাপতি হয়। প্ৰয়াত ড° মহেন্দ্ৰ বৰা (পিছত অসম সাহিত্য সভাৰ সভাপতি) আৰু শ্ৰীযুত ধীৰেন্দ্ৰ নাথ বেজবৰুৱা (অসমৰ বিশিষ্ট সাংবাদিক আৰু ইংৰাজী দৈনিক 'The Sentinal' কাকতৰ প্ৰাক্তন সম্পাদক) কলেজৰ আলোচনী 'কটনিয়ান'ৰ ভাৰপ্ৰাপ্ত অধ্যাপক আৰু শ্ৰীযুত কিশোৰী মোহন পাঠক (পিছত তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হৈছিল) সমাজ সেৱা বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক হয়।

কলেজৰ ছুডমাৰ্ছন হলৰ পূব ফালৰ কোঠা এটাত ইউনিয়নৰ কাৰ্যালয় আছিল। হলটো ছাত্ৰৰ জিৰণি কোঠা আছিল। জিৰণি কোঠাৰ বিয়েৰাৰ দুজনেই ইউনিয়নৰো বিয়েৰাৰ আছিল। তিলক বৰ্মন আৰু ইব্ৰাহীম। তিলকে সদায় ধুতী আৰু বগা চোলা পিন্ধিছিলে; ইব্ৰাহীমে পায়জামা আৰু ৰঙীণ চোলা। ইউনিয়নৰ চিঠি-পত্ৰ বিলোৱা, দোকানৰ পৰা ইটো-সিটো অনা, সভা-সমিতি হ'লে জা-যোগাৰ কৰা আৰু সভাৰ শেষত বস্তু-বাহানি থানথিত লগোৱা আদি সকলো কাম দুয়ো হাঁহিমুখে কৰি গৈছিল। ইতিমধ্যে নিশ্চয় দুয়ো চাকৰিৰ পৰা অৱসৰ লৈছে। দুয়োকে কেতিয়াও পাহৰিব নোৱাৰোঁ। কলেজ এৰাৰ পিছত লগ পোৱা অনেক তথাকথিত ডাঙৰ মানুহৰ কথা মনত ৰখা নাই। ডাঙৰ মানুহ হোৱা দূৰৰে কথা, তেওঁলোকৰ বহুতেই হয়তো প্ৰকৃত অৰ্থত মানুহ হ'ব নোৱাৰিলে।

১৯৫৯ চনৰ ৮ জুলাইত আমেৰিকাৰ কেলিফৰ্নিয়া বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ এটা সঁজাতী দল আমাৰ কলেজলৈ আহিছিল। আদৰণী ভাষণত মই তেওঁলোকক কৈছিলোঁ যে ইংৰাজে অসম অধিকাৰ কৰাৰ পিছত মৃতপ্ৰায় অসমীয়া ভাষাৰ পুনৰ উদ্ধাৰৰ বাবে আমেৰিকান মিছনেৰীয়ে যথেষ্ট কৰিছিল আৰু ভাৰতৰ স্বাধীনতা সংগ্ৰামত আমেৰিকাই নৈতিক সমৰ্থন আগবঢ়াইছিল। অভ্যৰ্থনাৰ উত্তৰত তেওঁলোকে সুন্দৰ অসমীয়াত 'আমি বন্তি জ্বলাওঁ' গীতটি গাই আমাক অপ্যায়িত কৰিছিল।

১৯৫৯ চনৰ ১০ ছেপ্টেম্বৰ। মাদকতা ভৰা কলেজীয়া দিনবোৰৰে এটা দিন। কলেজৰ নৱাগত সন্মিলনৰ দিন। বহুসংখ্যক ছাত্ৰ-ছাত্ৰীৰ অনুষ্ঠানত দুআষাৰ ক'বলৈ মন। কিন্তু ক'বলৈ কাক দিম, কাক নিদিম? সময়ৰ অভাৱত সকলোকে সুযোগ দিয়া সম্ভৱ নহয়। গতিকে কলেজৰ নোটিচ ব'ৰ্ডত ইচ্ছুক ছাত্ৰ-ছাত্ৰীৰ নাম বিচৰা হয়। তাৰ পিছত লটাৰীযোগে কেইজনমানৰ নাম নিৰ্বাচন কৰি তেওঁলোকক ক'বলৈ দিয়া হয়। সেইদিনা তেওঁলোকৰ ভিতৰত প্ৰথমজন ছাত্ৰই ক'বলৈ আৰম্ভ কৰিছে মাত্ৰ, এগৰাকী ছাত্ৰীয়ে মোক লগ ধৰি তেওঁকো ক'বলৈ দিবলৈ অনুৰোধ কৰিলে। লটাৰীত তেওঁৰ নাম উঠা নাছিলে। তথাপি ছোৱালীজনীৰ আগ্ৰহ দেখি কলোঁ— 'অলপ পিছতে তোমাৰ নাম মাইকত ঘোষণা কৰা হ'ব আৰু তুমি চমুকৈ দুআষাৰ ক'বা।' ছোৱালীজনীৰ কৰুণ মুখখন উজ্জ্বল হৈ উঠিছিল, কৃতজ্ঞতাৰে উপচি পৰিছিল।

নৱাগত সন্মিলনৰ পিছত তেওঁক লগ পাবলৈ বিচাৰিছিলোঁ, তেওঁৰ ওচৰত ক্ষমা বিচাৰিবলৈ। কাৰণ, অনুষ্ঠান পৰিচালনাৰ অত্যন্ত ব্যস্ততাৰ বাবে তেওঁৰ নামটো মাইকত ঘোষণা কৰিবলৈ পাহৰি থাকিলোঁ। তেওঁ চাগৈ অনেক আশা আৰু উৎকণ্ঠাৰে অপেক্ষা কৰি আছিল। তেওঁৰ অনুষ্ঠানত দুআষাৰ কোৱা নহ'ল। দুৰ্ভাগ্যৱশতঃ ময়ো তেওঁক লগ ধৰি ক্ষমা বিচৰা নহ'ল। মনত পৰিলে এতিয়াও এক অপৰাধবোধে মোক আমনি দিয়ে।

যি কি নহওক, ইউনিয়নৰ সাধাৰণ সম্পাদক হিচাপে নৱাগত সন্মিলনত ভাষণ দিলোঁ—

'Freshers! you have brought with you your cherished hopes and desires, characteristic likes and dislikes, manners and customs. So our college is a meeting place of various cultural and ethnic groups in the common pursuit of knowledge and wisdom... During its long and eventful existence of more than half a century our alma Mater has built up a glorious tradition of academic brilliance, of cultural achievements, of athletic standards and of service to the nation...'

তেতিয়া মই কটন কলেজে অৰ্ধ শতাব্দী পাৰ হোৱাৰ কথা কৈছিলোঁ। আৰু এক অৰ্ধ শতাব্দী পাৰ হৈ কটন কলেজে ইতিমধ্যে শতবাৰ্ষিকী পালন কৰিলে। পঞ্চাছ বছৰৰ আগৰ কটনিয়ানসকলৰ যৌৱনদীপ্ত চেহেৰাৰ ছবি আজি তেওঁলোক নিজৰেই হয়তো সিমান মনত নাই। 'The innocent and the beautiful have no enemy but time.' কটন কলেজ কিন্তু চিৰ সেউজীয়া।□

কটন কলেজ

মামণি ৰয়ছম গোস্বামী

এই শতিকাত ভাৰতৰ প্ৰায়বোৰ উল্লেখযোগ্য শিক্ষানুষ্ঠানৰ এক পৰি অহা অৱস্থাৰ কথা চিন্তা আৰু চৰ্চাৰ বিষয় হৈ পৰিছে। 'Oxford of the East' বুলি জনাজাত ১১৩ বছৰীয়া এলাহাবাদ বিশ্ববিদ্যালয়ৰ বিষয়ে কিছু বছৰ আগেয়ে কিছু কথা পঢ়িছিলোঁ। নানা অদ্ভুত সমস্যাৰ সৈতে মুখামুখি হৈ একেবাৰে যুদ্ধক্ষেত্ৰত পৰিণত হোৱা এই বিশ্ববিদ্যালয়ৰ বিষয়ে ১৯৯৭ চনৰ ২৮ মাৰ্চত এলাহাবাদ উচ্চ ন্যায়ালয়ে তলত দিয়া মতে এটা ৰায় দিছিল—

'Allahabad University was once known as the Oxford of the East, but unfortunately in the recent years, the prestige has totally sunk, this time has now come when the prestige of the Allahabad University has to be restored so that is recovers its old glory।'

আদালতে জিলা প্ৰশাসনকো অনেক বিষয়ত এই বিশ্ববিদ্যালয়ৰ সমস্যা নিবাৰণৰ বাবে সহায় কৰিবলৈ আদেশ দিছিল। কিন্তু সৰ্বসাধাৰণৰ ধাৰণা আছিল আদালতে কিছুমান সমস্যা নিবাৰণ কৰিলে হয়, কিন্তু বাকীবোৰ? বাতৰিটোত কোৱা হৈছিল— 'About one sixth of the teachers do not seen interested taking regular class. Many of them run private coaching facilities or pursue other interests like politics. Some of them have gone to become City Mayors, MLA's and MP's and understandably enjoy the great clout of the campus.'

আচৰিত কথা এয়ে যে আজি 'Oxford of the East' ৰহে যে এনে অৱস্থা হৈছে এই কথা নহয়। সম্ভৱ দক্ষিণ ভাৰতক বাদ দি ভাৰতবৰ্ষৰ প্ৰায়বোৰ প্ৰমুখ শিক্ষানুষ্ঠানৰ

এই একেই অৱস্থা হৈছে। এই শিক্ষানুষ্ঠান কিছুমানত দেখা দিয়া সমস্যা কিছুমানৰ কথা ভাবিলে বিস্ময় মানিব লাগে। অনেক ভুক্তভোগী ছাত্র-ছাত্রীয়ে কেনেদৰে আদালতৰ সহায় ল'ব লগা হয় এই কথা বহুদিনৰে পৰা মই মোৰ নাওঠ চকুৰে দেখি আহিছোঁ। আদালতৰ সহায় লোৱা এতিয়া সাধাৰণ কথালৈ পৰিণত হৈছে। নানা সমস্যাত জৰ্জৰ হৈ থকা দিল্লী বিশ্ববিদ্যালয় কিন্তু বৰ্তমান যুগতেই শাখা-প্ৰশাখা মেলি বৃহৎ বটবৃক্ষলৈ ৰূপান্তৰ হোৱাও দেখা গৈছে। ১৯২২ চনত সৃষ্টি হোৱা দিল্লী বিশ্ববিদ্যালয়ৰ লগত স্বীকৃতিপ্ৰাপ্ত মহাবিদ্যালয় আছিল মাত্ৰ তিনিখন। সেই তিনিখন আকৌ লাহোৰৰ পঞ্জাব বিশ্ববিদ্যালয় অন্তৰ্ভুক্ত আছিল, দুটা আছিল ফেকাল্টী বিষয়। ছাত্ৰ আছিল মাত্ৰ ৭৫০জন। বৰ্তমান এই বিশ্ববিদ্যালয়ৰ ১৫টা ফেকাল্টী, ৮২টা বিভাগ, ৭৯খন স্বীকৃতিপ্ৰাপ্ত মহাবিদ্যালয়, দুই লাখ বিশ হাজাৰ নিম্ন স্নাতক ছাত্ৰ আৰু আন ত্ৰিশ হাজাৰ স্নাতকোত্তৰ আৰু গৱেষক আছে।

এই বিশ্ববিদ্যালয়ৰ তলত থকা 'ছেন্ট ষ্টিফেন্স', 'হিন্দু' ইত্যাদি মহাবিদ্যালয়সমূহে ইতিমধ্যে যশস্যা লাভ কৰিছে।

মোৰ দৃঢ় বিশ্বাস, কটন কলেজৰ এখন বিশেষ কমিটীয়ে যদি দিল্লী বিশ্ববিদ্যালয়ৰ কিছুমান প্ৰমুখ বিভাগৰ পাঠ্যক্ৰমসমূহৰ বিষয়ে জানি-বুজি আহে তেন্তে কটনতো এই পাঠ্যপুথি গ্ৰহণ কৰিব পৰা যায়।

কটন কলেজৰ বিষয়ে প্ৰশ্ন কৰোঁতে দিল্লী বিশ্ববিদ্যালয়ৰ পদাৰ্থবিজ্ঞানৰ চিন্তাশীল ছাত্ৰ পংকজ কুমাৰ শৰ্মাই কৈছিল—'The college should made autonomous after proper planning for more efficient management and working. The syllabus should be modified in such a way that it becomes job oriented such as amalgamation of history with sociology and psychology etc. etc. The subjects of science and arts should be made upto-date with the advancement information technology, modern scientific ideas progressive thinking for the modern age etc.etc.'

কটন কলেজত পঢ়ি যোৱা প্ৰথম batchৰ ছাত্ৰীৰ মাজত থকা প্ৰখ্যাত সাংবাদিক অমিতা মল্লিকে এবাৰ মোৰ লগত গুৱাহাটীলৈ আহিছিল। তেওঁৰ দেউতাক অধ্যাপক ৰয় এই কলেজৰ জনপ্ৰিয় অধ্যাপক আছিল। গুৱাহাটীলৈ আহি তেওঁ মোক পোনে পোনে উদ্ভিদবিদ্যা বিভাগৰ দুমহলীয়া ঘৰটোলৈ লৈ গৈছিল। এইবাবেই নিছিল যে এই ঘৰটোত এসময়ত ৰয় পৰিবাৰে বাস কৰিছিল। অমিতা মল্লিক বাইদেৱে চিৰি বগাই এই কাঠৰ দুমহলীয়া ঘৰটোত কিছুসময় ঘূৰিটিয়াই ফুৰিছিল। তাৰ পিছত তেওঁ মোক কৈছিল—

ঃ দিয়াচোন তোমাৰ ৰুমালখন দিয়া.... মই তিনি কুৰি বছৰৰ মূৰত ইয়ালৈ আহিছোঁ।...

মই ভেনিটী বেগ খুলি তেওঁক কমাল এখন উলিয়াই দিছিলোঁ। তেওঁ চকুলো মচিছিল। কৈছিল—

ঃ মোৰ সকলোবে কথা মনত পৰিছে— দেউতাৰ, বইদেউৰ। এইখিনিত থিয় হৈ আমি দীঘলীপুখুৰীৰ শোভা চাইছিলোঁ।

তেওঁ অতীতলৈ উৰা মাৰিছিল। দুয়ো নয়ন চকুলোবে ভৰি আহিছিল।

মই তেওঁক কটনত পঢ়ি কেনে লাগিছিল প্ৰশ্ন কৰাত কৈছিল— 'Within the modern context I would like Cotton college to revet to the ideals of my days with dedicated teaching with sports and extra curricular activities boarding the mind and scope of study taking preference over politics.

That is why it attracted the best teachers and best students and that is how it groomed the young developing mind।'

অমিতা মল্লিক বাইদেৱে ঠিকেই কৈছিল। ১৯৩১ চনত এই কলেজৰ অধ্যক্ষ হৈ আহিছিল ব্ৰিটিছ চৰকাৰৰ এসময়ৰ ইক'নমিক এডভাইজাৰ আৰ্থাৰ ব্ৰাউন চাহাব। তেওঁৰ দৰে পণ্ডিত আগে-পিছে এই পূৰ্বাঞ্চললৈ হেনো অহাই নাছিল।

আৰ্থাৰ ব্ৰাউন আৰু মোৰ দেউতা উমাকান্ত গোস্বামীৰ সহৃদয়তাৰ কথা আমাৰ পৰিয়ালৰ সকলোবে জানিছিল। ১৯১৮ চনৰ পৰা ১৯৩৮ চনলৈ এই কুৰি বছৰত তেওঁ মোৰ দেউতালৈ লিখা অলেখ চিঠি বৰ্তমান মোৰ হাতত মজুত আছে। ৮০ বছৰৰ পুৰণা চিঠি মোৰ দাদা সত্যব্ৰত গোস্বামী (মণ্টুৰে) মোক দিছিল। চিঠিবোৰ পঢ়ি মই তবধ মানিছিলোঁ। জীয়াই থকা অৱস্থাত মোৰ দেউতাই কোনোদিনে এই চিঠিবোৰৰ কথা কোৱা মোৰ মনত পৰা নাছিল। শিক্ষা জীৱনত লাভ কৰা অনেক স্বৰ্ণপদকো তেওঁ আমাক দেখুওৱা নাছিল। তেওঁৰ মৃত্যুৰ পিছত মোৰ মায়েহে সেইবোৰ আমাক দেখুৱাইছিল। কটনৰ অধ্যক্ষ হৈ অহা আৰ্থাৰ ব্ৰাউনে দেউতাক অৰ্থনীতি পঢ়ুৱাইছিল। এদিন যে দেউতা এই কলেজৰ অধ্যক্ষ হ'ব এই কথা তেওঁ জানিছিল। সেয়ে ১৯২১ চনৰ ১৫ আগষ্টৰ এখন চিঠিত তেওঁ লিখিছিল— 'I have your photograph hanging in my study... One in the group which used having in our room of Cotton College. and I point you out to my friends as my successor at Cotton College'.

১৯৫০ চনত যেতিয়া দেউতা কটন কলেজৰ অধ্যক্ষ হৈছিল তেতিয়া আৰ্থাৰ ব্ৰাউন জীয়াই থকা নাছিল।

অধ্যক্ষ ছুডমাৰ্ছনৰ মৃত্যুৰ পিছত ১৯২৭ চনৰ ২১ মাৰ্চত চিলেটত থকা পিতালৈ তেওঁ লিখিছিল— 'Two day ago the Principal and staff of the Cotton

College sat in solemn pan dominium on the most sacred day of the college year as I have acquired the gift of second sight in theosophist circles I quite clearly saw the astral spirit of Mr. Sudmersen, hovering round the Principal's chair and secemingly writing in agont at same of the principles which were laid down : I failed however to see any sign of the appearance of the astral spirit of Mr Crottin in the chair where Mr. P C Roy sat in majesty and state. '

আৰ্থাৰ ব্ৰাউনে এই কলেজৰ উন্নতিৰ বাবে চেষ্টা কৰিছিল। অসমীয়া বিদ্বানসকলক তেওঁ চিনি পাইছিল। তেওঁ ভাবিছিল যে ভাৰতত শিক্ষা পোৱা পণ্ডিতেহে কটনত শিক্ষকৰ কাম পোৱা উচিত।

অসমৰ নানা সমস্যাৰ কথা তেওঁ গভীৰভাৱে উপলব্ধি কৰিছিল। আনকি জনসংখ্যা বৃদ্ধিয়ে ভৱিষ্যতে কৰিব পৰা সমস্যাৰ কথা তেওঁ দুই-এখন চিঠিত উল্লেখ কৰিছিল। এই চিঠিৰ মাজত কটনৰ ইতিহাসৰ এটি খণ্ড পৰিষ্কাৰ হৈ আছে।

আৰ্থাৰ ব্ৰাউন মোৰ দেউতাৰ friend-philosopher-guide-ৰ দৰেই আছিল। তেওঁ নিজৰ অনেক ব্যক্তিগত কথা চিঠিৰ মাজেৰে প্ৰকাশ কৰিছিল। তেওঁৰ মাতৃভক্তিৰ কথা চিঠিৰ মাজত পোৱা যায়। তেওঁৰ অতি মৰমৰ কুকুৰটোৰ মৃত্যুত পোৱা যন্ত্ৰণাৰ কথাও তেওঁ প্ৰকাশ কৰিছিল। তেওঁৰ প্ৰিয় খাচী পত্নীগৰাকীক এৰি থৈ যাবলগীয়া হোৱাত যিখন উইল তৈয়াৰ কৰিছিল তাত আন বাহাদুৰ ইকৰাম বাচুল (Superintendent of Excise Sylhet), হাৰল্ড হেনৰী ক্ৰিড (Survey of India) আৰু এগৰাকী গিৰীন্দ্ৰ বাবুৰ লগত মোৰ দেউতাকো ন্যাসৰক্ষী (trustee) কৰাৰ ইচ্ছাৰ কথা প্ৰকাশ কৰিছিল। তেওঁ লিখিছিল— 'Girindra is fairly old, or as in Mr. Ashe's case not likely to be permanently in Assam, I should much like to add you to the number my dear Umakanta if you will kindly allow me to do so.'

আৰ্থাৰ ব্ৰাউনে শ্বিলঙত থকা তেওঁৰ ঘৰ 'ইদেনদেল'ৰ পৰা ছিমলাৰ দহ নম্বৰ কিং জৰ্জ এভিনিউৰ পৰা লণ্ডনৰ ৩৯ নম্বৰ 'ছিডনী এভিনিউ'ত থকা 'বেভাৰলী' নামৰ ঘৰৰ পৰাও তেওঁ লিখিছিল। কেম্ব্ৰিজৰ 'ব্ৰুকলিত' আৰু ছাছেক্সৰ 'ডিউকক' নামৰ গৃহৰ পৰাও চিঠি আহিছিল। ছুৱেজ কেনেলৰ ষ্টিমাৰৰ পৰাও চিঠি দিছিল।

এই চিঠিবোৰৰ পৰা তেওঁৰ সংবেদনশীল মনৰ স্পষ্ট প্ৰমাণ পোৱা যায়। ১৯২৯ চনৰ ২৩ জুলাইৰ এক চিঠিত তেওঁ লিখিছিল—

'...although you and I belong to different civilization yet in the vital and elementary things of life, human nature is everywhere the

same.'

মোৰ দেউতাই কোৱা তেওঁৰ গ্ৰন্থ প্ৰেমৰ কথা প্ৰায়ে মনত পৰে। তেওঁ চাইকেলৰ কেৰিয়াৰত কিতাপৰ বোজা তুলি নিয়া দৃশ্যটোৰ কথা প্ৰায়ে শুনিছিলোঁ। এনেদৰে তেওঁ গুৱাহাটীৰ পৰা শ্বিলঙলৈকে গৈছিল। তেওঁ নিশ্চয় সেই প্ৰকৃত শিক্ষকসকলৰ শাৰীৰে এগৰাকী আছিল। সেয়ে তেওঁৰ অধ্যয়নেই সাধনা আছিল। তেওঁৰ এই ছবিয়ে এক উক্তিৰ কথা মনত পেলাই দিয়ে— a teacher can never teach unless he is still learning himself.

a lamp can never light
another lamp
Unless it continues to burn its own flame.❑

অপ্ৰকাশিত ১৯৪৯-৫০ চন

কটন কলেজ ছাত্ৰ সন্থাত বাদানুবাদ ঃ সুস্থ গণতান্ত্ৰিক পৰম্পৰা

দিলীপ কুমাৰ কাকতি

কটন কলেজ ছাত্ৰ সন্থা সম্পূৰ্ণ গণতান্ত্ৰিকভাবে সেই তাহানি দিনৰ পৰাই পৰিচালিত হৈ আহিছে আৰু আজিও ইয়াৰ কোনো ব্যতিক্ৰম হোৱা চকুত পৰা নাই। এই কথা সাব্যস্ত কৰিবলৈ মই এক বিশেষ ঘটনাৰ উল্লেখ কৰিব খুজিছোঁ— যিটো এতিয়ালৈকে অপ্ৰকাশিত।

১৯৪৮-৪৯ চনৰ ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক কমিটী আৰু ১৯৪৯-৫০ চনৰ নতুনকৈ নিৰ্বাচিত হোৱা সদস্যসকলৰ এক যুটীয়া সভা ১৯৪৯ চনৰ ২৪ নৱেম্বৰত ছাত্ৰ সন্থাৰ উপ-সভাপতি অধ্যাপক কৰুণা দত্তৰ সভাপতিত্বত অনুষ্ঠিত হয় আৰু এই সভাখন অনুষ্ঠিত হৈছিল অতীতৰ সেই প্ৰশাসনীয় ভৱনৰ East Room-ত। সভাখনত দুটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গৃহীত হৈছিল।

Resolution No. 1

The executive committee of the cotton college Union Society extends its full support and co-operation towards the move of forming National Union of Students (NUS), an all India Students' Organisation, purely based on non-political basis.

Resolution No. 2

The Executive committee of the Cotton College Union Society further resolved to elect delegates to represent the college union in the convention to be held on Dec. 49.

উল্লেখযোগ্য যে সেই ১৯৪৮-৪৯ চনৰ ছাত্র সন্থাৰ সাধাৰণ সম্পাদক আছিল হেম কান্ত বৈশ্য আৰু আন সদস্যসকল আছিল— প্রফুল্ল কুমাৰ বৰুৱা (সংগীত), দেবেন্দ্র নাথ ভট্টাচার্য (সমাজ সেবা), চন্দ্রধৰ গগৈ (ফুটবল), ৰত্নকান্ত কাকতি (লঘু ক্রীড়া), কেশৱ চন্দ্র ভৰালী (ক্রিকেট), আৰ কে মহাবীৰ সিং (হকী), জিতেন্দ্র নাথ দেউৰী (তর্ক), হাছহুত আলি (বয়জ কমন কম), মঃ পিয়াৰ (সম্পাদক, কটনিয়ান), যোগেন দেবচৌধুৰী আৰু অবনী বৰঠাকুৰ (ছাত্র প্রতিনিধি, সম্পাদনা সমিতি)। ইয়াৰ উপৰি কার্যনির্বাহক কমিটীয়ে বাছি দিয়া ৬জন সদস্য আছিল, যদিও তেওঁলোকৰ কোনো ভোটাধিকাৰ নাছিল। তেওঁলোক হ'ল— তিলক গগৈ, যতীন হাজৰিকা, মহেন্দ্র নাথ বৰুৱা, মৃগেন্দ্র নাথ ঠাকুৰ, নবকমল ভূঞা আৰু নিৰুপমা তামুলী।

ইয়াৰ পিছতেই ১৯৪৯-৫০ চনৰ বাবে কটন কলেজ ছাত্র সন্থাৰ নতুন বিষয়ববীয়া নির্বাচিত কৰা হয়, তেতিয়া প্রচলিত "Proportional System of Representations" নির্বাচন পদ্ধতিৰ যোগেদি। নির্বাচিত সদস্যসকল আছিল—

মহেন্দ্র নাথ বৰা— সাধাৰণ সম্পাদক
গিয়াছুদ্দিন আহমেদ — সহকাৰী সাধাৰণ সম্পাদক
টংকেশ্বৰ বৰা— ছাত্রৰ জিৰণি-কোঠা
দেবেন্দ্র নাথ শর্মা— সংগীত
টেমচুজুংবা আও— তর্ক
চৈয়দ মেৰাজ হুছেইন— সম্পাদক, কটনিয়ান
ডিম্বেশ্বৰ মোহন— সমাজ সেবা
অণিমা দাস— ছাত্রীৰ জিৰণি-কোঠা
থানুৰাম দাস— ক্রীড়া
খগেশ্বৰ গগৈ— ফুটবল
প্রতুল বৰকটকী— ক্রিকেট
নিলয় কুমাৰ দাস— টেনিছ
ভাৰত চন্দ্র ভৰালী— হকী
সৌমেন্দ্র লাল মুখার্জী— লঘু ক্রীড়া
কন্দর্পেশ্বৰ শর্মা— নৌ-চালনা
গোপাল চন্দ্র শর্মা— শৰীৰ চর্চা
মতিলাল দাস, ধীৰেণ চৌধুৰী— হিচাপ পৰীক্ষক
জগন্নাথ চক্রবর্তী, লক্ষেশ্বৰ দাস— সদস্য, সম্পাদনা সমিতি, 'কটনিয়ান'

নতুন ছাত্র সন্থাৰ কার্যনির্বাহক কমিটীৰ প্রথম গুৰুত্বপূর্ণ সভা ১৯৪৯ চনৰ ৩০ ডিচেম্বৰত প্রথমতে অধ্যাপক ৰায়হান শ্বাহৰ সভাপতিত্বত অনুষ্ঠিত হয় আৰু কিছু

সময়ৰ পিছত তেখেতৰ আন ঠাইত আন এটা অনুষ্ঠান থকা বাবে অধ্যাপক আশ্রফুৰ ৰহমানে সভাপতিৰ আসন গ্ৰহণ কৰে। তেতিয়া পূৰ্ব্ব সাধাৰণ সম্পাদক হেমকান্ত বৈশ্যৰ কাৰ্যকালত গৃহীত প্ৰস্তাৱমতে নতুন দিল্লীত হ'বলগীয়া সৰ্বভাৰতীয় NUS conventionলৈ কটন কলেজৰ পৰা পাঁচজনীয়া সদস্যৰ দল পঠিওৱা সন্দৰ্ভত আলোচনা আৰম্ভ হয়। প্ৰথমে দুটা প্ৰস্তাৱ গৃহীত হয়।

(1) Resolved that the authorities be moved to sanction an amount of Rs. 1,500/- to cover the expenses of the delegates to be sent to the convention of NUS which is going to be held in New Delhi Shortly.

(2) Resolved that the Union Secy. be entrusted to invite nomination papers from general students to represent the Cotton College in the convention of the NUS, which will be held shortly in New Delhi.

সাধাৰণ সম্পাদক মহেন্দ্ৰ বৰাই নিশ্চয় ওপৰৰ প্ৰস্তাৱ অনুসৰি যথোচিত ব্যৱস্থা গ্ৰহণ কৰিছিল আৰু সেয়ে বিষয়টো আলোচনা কৰিবলৈ ১৯৫০ চনৰ ২৫ জানুৱাৰীত অধ্যাপক কৰুণা দত্তৰ সভাপতিত্বত ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক কমিটীৰ সভা এখন অনুষ্ঠিত হয়। ১৫জন সদস্য উপস্থিত থকা সভাখনত সাধাৰণ সম্পাদক মহেন্দ্ৰ বৰাই জনায় যে NUS delegation-ৰ সদস্য বাছনিৰ বাবে ২১খন মনোনয়ন-পত্ৰ পোৱা হৈছে। কিন্তু স্ক্ৰুটিনী কৰাৰ পিছত I. Sc. দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ অখিল দত্তই দিয়া মনোনয়ন-পত্ৰখনত আসোঁৱাহ থকা বাবে সেইখন বাতিল কৰা হয়। সেয়ে এতিয়া ২০জন প্ৰাৰ্থীৰ ভিতৰত ৫জনক নিৰ্বাচিত কৰিব লাগে। মহেন্দ্ৰ বৰাৰ পৰামৰ্শৰ কোনেও প্ৰতিবাদ নকৰিলে। Gym. Secy. গোপাল শৰ্মাই ক'লে যে বিষয়টো সমূহ কটনিয়ান ছাত্ৰৰ মাজত আলোচনাৰ বাবে দিলেহে ভাল হ'ব। কিন্তু সভাপতি-অধ্যাপক কৰুণা দত্তই সাধাৰণ সম্পাদক মহেন্দ্ৰ বৰাই প্ৰস্তাৱ অনুসৰি কাৰ্যপন্থা লোৱা বাবে গোপাল শৰ্মাৰ পৰামৰ্শ নাকচ কৰিলে। তেতিয়া সম্পাদনা সমিতিৰ সদস্য জগন্নাথ চক্ৰৱৰ্তীয়ে ক'লে যে পাঁচজনীয়া প্ৰতিনিধি নিৰ্বাচন কৰিবলৈ প্ৰাৰ্থিত্ব আগবঢ়োৱাসকলৰ ভিতৰত এখন তৰ্ক প্ৰতিযোগিতা পতাটোহে যুক্তিযুক্ত হ'ব। কিন্তু উপস্থিত সদস্যসকলে এই পৰামৰ্শটো অগ্ৰাহ্য কৰে। সেয়ে সভাপতিয়ে প্ৰত্যেকজন সদস্যকে একোখন বেলট কাকতত নিজৰ পচন্দৰ পাঁচজন প্ৰাৰ্থীৰ নাম লিখিবলৈ ক'লে। প্ৰত্যেকৰে বেলট কাগজবোৰ সভাপতি-অধ্যাপক কৰুণা দত্তক জমা দিয়া হ'ল আৰু তেখেতে গণনা কৰি পালে যে প্ৰাৰ্থী ললিত দলে আৰু অনিলেন্দ্ৰ শৰ্মাই সমান ভোট পাই পঞ্চম স্থান পাইছে। তেতিয়া সভাই সভাপতিক Casting vote দিবলৈ অনুৰোধ

কৰে। যিহেতু ছাত্ৰ সন্থাৰ সংবিধানত Casting Vote-ৰ ব্যৱস্থা নাই, সেয়ে সভাপতি কৰুণা দত্তই Casting Vote-ৰ পৰিবৰ্তে মুদ্ৰা এটা টছ্ কৰি সিদ্ধান্তলৈ আহে। টছত জয়ী হ'ল অনিলেন্দ্ৰ শৰ্মা। সভাপতিয়ে তেতিয়া বিজয়ী পাঁচজন প্ৰাৰ্থীৰ নাম ঘোষণা কৰে— (১) মহেন্দ্ৰ নাথ বৰা, (২) চন্দ্ৰপ্ৰসাদ শইকীয়া, (৩) টংকেশ্বৰ বৰা, (৪) চৈয়দ মেৰাজ হুছেইন আৰু (৫) অনিলেন্দ্ৰ শৰ্মা। পাঁচজনীয়া দলটোৰ নেতৃত্ব কোনে ল'ব— এই প্ৰশ্ন উত্থাপিত হোৱাত কিছু সদস্যই দাবী তুলিলে যে Union Secy.য়ে নেতৃত্ব ল'ব লাগে। কিন্তু অধ্যাপক কৰুণা দত্তই জনালে যে যিজন প্ৰাৰ্থীয়ে সৰ্বাধিক ভোট পাইছে সেইজনেই দলটিৰ নেতৃত্ব ল'ব। দেখা গ'ল Union Secy. মহেন্দ্ৰ বৰায়েই সৰ্বাধিক ভোট পাইছে আৰু সেয়ে মহেন্দ্ৰ বৰা Leader of delegation নিৰ্বাচিত হ'ল। এয়ে আছিল তেতিয়াৰ কটন কলেজৰ অধ্যাপক কৰুণা দত্তৰ সুদূৰপ্ৰসাৰী গণতান্ত্ৰিক মূল্যবোধৰ চানেকী! কিন্তু সমস্যাটো সমাধান হ'ল জানো? ওহোঁ নহ'ল। জটিলতা বৃদ্ধিহে হ'ল।

৭ ফেব্ৰুৱাৰী, ১৯৫০ চন, কটন কলেজ ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক কমিটীৰ সভা— সভাপতিৰ আসনত অধ্যাপক কৰুণা দত্ত। সভাৰ আৰম্ভণিতে সভাপতিৰ অনুমতি লৈ সাধাৰণ সম্পাদক মহেন্দ্ৰ বৰাই NUS delegation সম্পৰ্কত ছাত্ৰ সন্থাৰ সাংস্কৃতিক শাখাৰ উপ-সভাপতি অধ্যাপক দত্তলৈ লিখা এখন প্ৰতিবাদী চিঠি পঢ়িবলৈ লয়। চিঠিখনত ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক কমিটীৰ এঘাৰজন সদস্যৰ স্বাক্ষৰ আছিল। স্বাক্ষৰকাৰী সদস্যসকলে চিঠিখনত তিনিটা অভিযোগ উত্থাপন কৰিছিল—

(১) সমূহ কটনিয়ান ছাত্ৰ NUS delegation সম্পৰ্কত লোৱা সিদ্ধান্তত অসন্তুষ্ট।

(২) কাৰ্যনিৰ্বাহক কমিটীৰ সকলো সদস্যই ২৫ জানুৱাৰীৰ সভাখনৰ খবৰ নাপালে।

(৩) মুদ্ৰা টছ্ কৰি লোৱা সিদ্ধান্ত সম্পূৰ্ণ অসাংবিধানিক।

অভিযোগ তিনিটাৰ সুন্দৰভাৱে বিশ্লেষণ কৰি মহেন্দ্ৰ বৰাই উত্তৰ দিয়ে। বৰাই প্ৰথম অভিযোগৰ প্ৰত্যুত্তৰত কয় যে সাধাৰণ সম্পাদক হিচাপে কোনো কটনিয়ান বন্ধু-বান্ধবীয়ে এই সম্পৰ্কিত তেওঁক কোনো অভিযোগ দিয়া নাই অথবা তেওঁৰ কৰ্ণগোচৰ হোৱা নাই। দ্বিতীয় অভিযোগৰ উত্তৰত মহেন্দ্ৰ বৰাই কয় যে সভাখনৰ পাঁচ দিন আগেয়েই, অৰ্থাৎ ২০ জানুৱাৰী তাৰিখে সদস্যসকলক জনোৱা হৈছিল আৰু নোটিচ ব'ৰ্ডতো জাননীৰ প্ৰতিলিপি আঁৰি থোৱা আছিল। অভিযোগকাৰী সদস্যসকলৰ যদিহে সভাখনৰ খবৰ অৱগত নাছিলেই— তেনেহ'লে সভাখনত তিনি চতুৰ্থাংশ ($^{3}/_{4}$) সদস্য কেনেকৈ উপস্থিত হ'ল? আৰু আচৰিতভাৱে স্বাক্ষৰকাৰী ১১জন সদস্যৰ ভিতৰত ৯জনেই সভাত উপস্থিত আছিল। সদস্যসকল ইমানেই যদি ক্ষোভিত আছিল,

তেনেক্ষেত্ৰত তেওঁলোকে সভাত উপস্থিত থাকিব নালাগিছিল অথবা বিষয়টো অধ্যক্ষৰ দৃষ্টিগোচৰ কৰিব লাগিছিল বুলি মহেন্দ্ৰ বৰাই যুক্তিৰে অভিযোগটো খণ্ডন কৰে।

তৃতীয় অভিযোগৰ উত্তৰত বৰাই কয় যে টছ্ কৰাটো কোনো অসাংবিধানিক কাৰ্য হ'ব নোৱাৰে, যিহেতু ছাত্ৰ সন্থাৰ সংবিধানত সভাপতিৰ Casting Vote দিয়াৰ কোনো বিধি নাই। তেনেতে লঘু ক্ৰীড়া বিভাগৰ সম্পাদক সৌমিন্দ্ৰলাল মুখাৰ্জীয়ে মহেন্দ্ৰ বৰাক প্ৰতিবাদ কৰি কয় যে টছ্ কৰাটো আন্তৰ্জাতিক আইনৰ (International Law) পৰিপন্থী। মহেন্দ্ৰ বৰাই প্ৰত্যুত্তৰত কয়— ক্ৰিকেট খেলত আন্তৰ্জাতিক প্ৰতিযোগিতাত দুখন দেশে 'টছ্' কৰিয়েই সিদ্ধান্তলৈ আহে। মুখাৰ্জীয়ে তেতিয়া সভাপতি-অধ্যাপক কৰুণা দত্তক উদ্দেশ্যি কয় যে যিকোনো বিবদমান (dispute) বিষয় অধ্যক্ষলৈ সিদ্ধান্তৰ বাবে প্ৰেৰণ কৰা উচিত। মহেন্দ্ৰ বৰা আৰু আন কেইবাজনো সদস্যাই থিয় হৈ উত্তেজিত সুৰত মুখাৰ্জীক সম্বোধি কয় যে "Mere tie in voting" কেতিয়াও "dispute" হ'ব নোৱাৰে। তেতিয়া সভাত উপস্থিত থকা অধ্যাপক আশ্ৰফ আলিয়ে সজোৰে কয় যে যদিহে সিদিনাৰ সভাত (২৫ জানুৱাৰী) NUS delegationৰ সন্দৰ্ভত লোৱা সিদ্ধান্ত উঠাই লোৱা হয়—তেতিয়া হ'লে সভাৰ সভাপতি অধ্যাপক কৰুণা দত্তক অপমান কৰা হ'ব। অধ্যাপক কৰুণা দত্তয়ো জনায় যে তেওঁ লোৱা সিদ্ধান্ত অসাংবিধানিক নহয় বুলি তেওঁ নিশ্চিত, যদিহে আইনৰ দৃষ্টিত এইটো নাকচ কৰিবলগীয়া নহয়। তেনেতে তৰ্ক বিভাগৰ সম্পাদক টৈমচুজুংবা আওৱে থিয় হৈ এটা প্ৰস্তাৱ দাঙি ধৰে— যিহেতু আপাতঃ দৃষ্টিত NSU delegate সম্পৰ্কত লোৱা সিদ্ধান্ত বিতৰ্কৰ আৱৰ্তত সোমাই পৰিছে— সেয়ে বিষয়টো সমূহ কটনিয়ান ছাত্ৰক জনোৱা উচিত। সৌমিন্দ্ৰলাল মুখাৰ্জীয়ে সকলোকে আচৰিত কৰি আন এটি প্ৰস্তাৱ দাঙি ধৰি কয় যে ২৫ জানুৱাৰীৰ সভাখন বে-আইনী (illegal) বুলি ঘোষণা কৰিব লাগে। কিন্তু আন সদস্যসকলে সভাখন illegal বুলি কোৱা কথাত জাণ্ডুৰ খাই উঠে আৰু সেয়ে মুখাৰ্জীয়ে আন এটি সংশোধিত প্ৰস্তাৱ উত্থাপন কৰে।

'We the members of the Executive Committee want a revision and re-election of the selection of delegation to the proposed NUS Conference by the members of the Executive Committee C.C.U.S.

প্ৰস্তাৱক— সৌমিন্দ্ৰ মুখাৰ্জী

সমৰ্থক— গোপাল শৰ্মা

প্ৰস্তাৱটো ভোটত দিয়াত ১০-৮ ভোটত গৃহীত হয় আৰু সেয়ে টৈনজুংবো আওৰ প্ৰস্তাৱটো নাকচ হয়। লগে লগে সৌমিন্দ্ৰলাল মুখাৰ্জীয়ে সাধাৰণ সম্পাদক মহেন্দ্ৰ বৰাৰ ওপৰত এটা আস্থাসূচক প্ৰস্তাৱ দাঙি ধৰে আৰু সেইটো মৌখিক ভোটত

সৰ্বসন্মতভাৱে গৃহীত হয়। ইয়াৰ পিছত সভাপতিৰ ইচ্ছা অনুসৰি NUS delegation-ত যাবলগীয়া সদস্যসকলৰ ওপৰত পুনৰ ভোট লোৱা হয়। ভোটত মহেন্দ্ৰ বৰাই ১১টা ভোট, তিলক গগৈয়ে ১০টা, হাচমৎ আলিয়ে ১০টা, ডিম্বেশ্বৰ মোহনে ১০টা, ললিত দলেই ৯টা ভোট পাই নিৰ্বাচিত হয় আৰু মহেন্দ্ৰ বৰাক দলপতি নিৰ্বাচন কৰা হয়। কিন্তু আচৰিতভাৱে ভোটদানত সভাত উপস্থিত থকা ৭জন সদস্যই ভোট দিয়াৰ পৰা বিৰত থাকে। মহেন্দ্ৰ বৰা যদিওবা নিৰ্বাচিত হ'ল, কিন্তু সকলোকে আচৰিত কৰি NUS delegation-ৰ পৰা তেওঁৰ নামটো উঠাই লোৱা বুলি ঘোষণা কৰে আৰু সেয়ে NUS delegation-ৰ সদস্য নিৰ্বাচন পুনৰ অমীমাংসিত হৈ ৰয়। লগতে মহেন্দ্ৰ বৰাই তৎকালীনভাৱে আন এটি চমক সৃষ্টি কৰি অধ্যাপক কৰুণা দত্তৰ ওচৰত কটন কলেজ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক পদৰ পৰা পদত্যাগ কৰি এখন চিঠি অৰ্পণ কৰে। সকলো সদস্য বৰাৰ এই কাৰ্যত স্তম্ভিত হয় আৰু অধ্যাপক দত্তই সময়ৰ অভাৱ বুলি সভা ভংগ কৰে।

কিন্তু মহেন্দ্ৰ বৰাৰ পদত্যাগ-পত্ৰ কি হ'ল? পিছদিনা কটন কলেজৰ ছাত্ৰৰ মাজত যথেষ্ট উত্তেজনা। কিয় মহেন্দ্ৰ বৰাই পদত্যাগ কৰিলে? উত্তৰ লাগে। সেয়ে ততাতৈয়াকৈ সভা আহ্বান কৰা হ'ল— এইবাৰ কিন্তু সমূহ কটনিয়ানৰ সাধাৰণ সভা। তাৰিখ ১১ ফেব্ৰুৱাৰী, ১৯৫০ চন। সভাপতি অধ্যাপক কৰুণা দত্ত। সভাৰ আৰম্ভণিতে ভগৱান লহকৰে থিয় হৈ প্ৰশ্ন উত্থাপন কৰে যে যিহেতু NUS delegation লৈ সদস্য পঠিওৱা বিষয়টো "জৰুৰী" নহয়— সেয়ে সভাপতিয়ে সভাখন অসাংবিধানিক বুলি ঘোষণা কৰিব লাগে। কিন্তু সভাপতিয়ে লহকৰৰ যুক্তি বিবেচনাৰ যোগ্য নহয় বাবে পোনছাটে অগ্ৰাহ্য কৰে। তেতিয়া সাধাৰণ সম্পাদক মহেন্দ্ৰ বৰাই তেওঁৰ বক্তব্যত আবেগিকভাৱে কয় "as he has seen the denial of the fundamental principle of democracy in the executive committee" আৰু যিহেতু তেওঁ কাৰ্যনিৰ্বাহক কমিটীৰ সদস্যসকলক সন্মত কৰোৱাত বিফল হ'ল সেয়ে তেওঁ সমূহ কটনিয়ান ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা বিচাৰে আৰু সাধাৰণ সম্পাদক পদৰ পৰা তৎকালীনভাৱে প্ৰযোজ্য হোৱাকৈ পদত্যাগ কৰে।

সভাত উপস্থিত থকা ছাত্ৰ-ছাত্ৰীসকল মহেন্দ্ৰ বৰাৰ আৱেগ আৰু অভিমান জড়িত বক্তব্য শুনি বিচলিত হৈ পৰে। সেয়ে চন্দ্ৰপ্ৰসাদ শইকীয়া, দেৱ প্ৰসাদ বৰুৱা, দিলীপ বৰুৱা, নীলমণি সিং, অনিল শৰ্মা, কন্দৰ্পেশ্বৰ শৰ্মা, সৌমিন্দ্ৰ মুখাৰ্জী, ডিম্বেশ্বৰ মোহন প্ৰমুখ্যে বক্তাই এই সন্দৰ্ভত নিজৰ মতামত সজোৰে আগবঢ়ায়। দেৱ প্ৰসাদ বৰুৱাই উল্লেখ কৰে যে পূৰ্বৰ দুয়োখন কাৰ্যনিৰ্বাহক কমিটীত বাছনি কৰা প্ৰাৰ্থীৰ তালিকা দুয়োখন বাতিল কৰিব লাগে। কন্দৰ্পেশ্বৰ শৰ্মাৰ যুক্তি হ'ল ২৫ জানুৱাৰীৰ সভাখনেই "illegal" বুলি ঘোষণা কৰা উচিত। আনহাতে দিলীপ বৰুৱাৰ মতে

১১জন সদস্যই দাখিল কৰা প্ৰতিবাদী আবেদনখন পোনছাটেই "illegal" বুলি সভাত প্ৰস্তাৱ গ্ৰহণ কৰা উচিত বুলি দাবী তোলে।

ইতিমধ্যে সভাত উপস্থিত থকা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ক্ৰমাৎ সেৰেঙা হৈ পৰা বাবে ভোট লোৱা অসাৰ্থক বুলি ভাবি সভাপতিয়ে মহেন্দ্ৰ বৰাক পুনৰ্বাৰ বক্তব্য প্ৰদান কৰিবলৈ কয়। তেতিয়া বৰাই বক্তাসকলৰ বক্তৃতাত সন্তুষ্ট হয় বুলি, আৰু যিহেতু প্ৰতিবাদী চিঠিখনৰ তিনিজন সদস্যই ইতিমধ্যেই তেওঁলোকৰ নাম উঠাই লোৱা বুলি প্ৰকাশ কৰিছে, সেয়ে মহেন্দ্ৰ বৰাই তেওঁৰ পদত্যাগ-পত্ৰখন প্ৰত্যাহাৰ কৰা বুলি ঘোষণা কৰে। তেতিয়া সভাপতি অধ্যাপক কৰুণা দত্তই সভাত উপস্থিত থকা অধ্যাপক ৰায়হান শ্বাহক বিবদমান বিষয় মুদ্ৰা "টছ্" কৰাৰ নিয়মৰ বিষয়ে মতামত আগবঢ়াবলৈ অনুৰোধ জনায়। অধ্যাপক শ্বাহে তেখেতৰ বক্তব্যত কয় — "Tossing is strictly constitutional, and it is laid down in all the constitutions of the world, except in the Dutch constitution. And even matter of grave importance in parliaments, tossing decides the issue."

অধ্যাপক দত্তই কাৰ্যনিৰ্বাহক কমিটীৰ সদস্যসকলক মীমাংসালৈ আহিবলৈ আহ্বান জনায়— অন্যথা বিবদমান বিষয়টো অধ্যক্ষৰ দৃষ্টিগোচৰলৈ আনিব বুলি সকীয়নি দি সিদিনাৰ সভাখন সামৰণি পৰা বুলি ঘোষণা কৰে।

এইখিনিতে প্ৰণিধানযোগ্য— কাৰ্যনিৰ্বাহক কমিটীখন যে দুটা গোটত উলম্বভাৱে বিভক্ত হৈ পৰিছে সেইটো স্ফটিকৰ দৰে জল্‌জল্-পট্‌পট্‌কৈ ওলাই পৰিছে। ছাত্ৰ সমাজ দুটা সমান্তৰাল গোটত দুভাগ হৈ পৰাত একো আচৰিত হ'বলগীয়া নাই। কিন্তু যিটো কাৰণত (issue) কাৰ্যনিৰ্বাহক কমিটীখন দুফাল হ'ল সেইটোহে বিচাৰ্য বিষয়। কাৰ্যনিৰ্বাহকৰ আলোচনাসমূহ ভালদৰে অনুধাৱন কৰিলে দেখা যায় যে সাধাৰণ সম্পাদক মহেন্দ্ৰ বৰা বৰ স্পষ্টবাদী আৰু নিৰ্ভীক ছাত্ৰনেতা আছিল। সি যি কি নহওক সমস্যাটোৰ ওৰ পেলাবলৈ ২০ ফেব্ৰুৱাৰী, ১৯৫০ চনত আন এখন কাৰ্যনিৰ্বাহক কমিটীৰ বৈঠক অনুষ্ঠিত হয়। সভাপতিৰ আসন অলংকৃত কৰিছিল অধ্যাপক কৰুণা দত্তই। সভাপতি দত্তই সভাৰ আৰম্ভণিতে সকলো সদস্যকে চোকা ভাষাৰে সকীয়াই দি কয় "(He) Asked the members of the Executive Committee to bridge the gulf among the two groups of the members on the issue of NUS delegation election. He said that acrimonious feeling created by such a difference among the members on such a trifling issue would hamper the activities of the Union Society– So on amicable settlement is desirable." অধ্যাপক কৰুণা দত্তৰ সময়োচিত

সতৰ্কবাণী শুনাৰ পিছত সদস্যসকলে নিজৰ ভুল উপলব্ধি কৰি সভাত আন্তৰিকতাৰে নিজৰ সু-চিন্তিত মতামত ব্যক্ত কৰে আৰু দুয়োটা গোটে আঁকোৰগোজ মনোভাব পৰিত্যাগ কৰি সমিলমিলৰ মাজেদি এটা গ্ৰহণযোগ্য প্ৰস্তাৱ দাঙি ধৰে। প্ৰস্তাৱটো হৰ্ষধ্বনিৰে সকলোৱে গ্ৰহণ কৰে। প্ৰস্তাৱটোৰ মতে দুয়োটা গোটে বাছি দিয়া দুজনকৈ প্ৰতিনিধি থাকিব আৰু কটন কলেজ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক পঞ্চমজন প্ৰতিনিধি হ'ব। অৱশেষত প্ৰস্তাৱ আকাৰে NUS delegation প্ৰতিনিধিক লৈ তিক্ততা সৃষ্টি কৰা বিষয়টো সমাধান কৰা হয়। প্ৰস্তাৱটোৰ মতে ঃ

"Resolved that the following candidates are selected to represent college in the NUS conference in view of the fact that members of the two delegations have withdrawn their names."

অৱশেষত মহেন্দ্ৰ বৰা, চন্দ্ৰপ্ৰসাদ শইকীয়া, অনিলেন্দ্ৰ শৰ্মা, তিলক গগৈ আৰু হাচমত আলি NUS delegation-ৰ সদস্য নিৰ্বাচিত হয়।

ইয়াৰ পিছতেই সিদিনাৰ কাৰ্যনিৰ্বাহক সভাখনৰ সামৰণি পৰে।

কিন্তু প্ৰশ্ন উদয় হয় NUS conference লৈ কটন কলেজৰ ছাত্ৰ-প্ৰতিনিধি দল গ'লনে? অথবা NUS Conferenceখনেই বাতিল হ'ল নেকি? এই প্ৰশ্নৰ উত্তৰ পোৱা নগ'ল। কিয়নো পৰৱৰ্তী কাৰ্যনিৰ্বাহক কমিটীখন ১৯৫০ চনৰ জুলাই মাহতহে অনুষ্ঠিত হৈছিল। কিন্তু ওপৰত দিয়া ছাত্ৰ সন্থাৰ ১৯৫০ চনৰ কাৰ্যবিবৰণীৰ পৰা এটা কথা স্পষ্টভাৱে ওলাই পৰে তেতিয়াৰ কটন কলেজৰ ছাত্ৰ সমাজৰ চিন্তাধাৰা অলপ ব্যতিক্ৰমী তথা অনুকৰণীয় আছিল। সেয়ে হয়তো এতিয়াও কোৱা হয়— What Cotton College thinks today, Assam thinks tomorrow!

জয়তু কটন কলেজ।□

কটন কলেজ বোলছবি সন্থা

দিলীপ কুমাৰ বৰুৱা

সেযা আছিল ১৯৭৩ চন। নৱেম্বৰ মাহৰ কোনোবা এটা দিন। অপৰূপ আগৰৱালা, জ্যোতি দাস, অঞ্জন বৰদলৈ, আবু তাহেৰ ভূএগ্রা, কিৰিটি সিনহা, ভৱেশ হাজৰিকা আৰু বেণী মাধৱ দলে আহি কটন কলেজ বোলছবি সন্থা গঠনৰ প্ৰস্তাৱ দিলে। উদ্যোগী আৰু সাহিত্য-কলা-সংস্কৃতি অনুৰাগী কটনিয়ানসকল সমবেত হ'ল। অধ্যাপক ৰঞ্জন শইকীয়া আৰু আমিও যোগ দিলোঁ। কটন কলেজ বোলছবি সন্থা গঠন হ'ল। নৱেম্বৰৰ ২৮ তাৰিখে আনুষ্ঠানিকভাৱে সন্থাটো উদ্বোধন কৰা হয়। এইখিনিতে উল্লেখ কৰাটো ভাল হ'ব যে এসময়ত কলেজৰ Cine Club এটা আছিল। কিন্তু সেইটো ১৯৭০ চনৰ পৰাই প্ৰায় নিষ্ক্ৰিয় হৈ আহিছিল আৰু পিছলৈ ই অস্তিত্বই হেৰুৱাই পেলাইছিল।

শিক্ষানুষ্ঠান এটাত বোলছবি সন্থাৰ প্ৰয়োজনীয়তা সম্পৰ্কে সন্দেহৰ অৱকাশ থাকিব নোৱাৰে। শিক্ষাৰ লগত কলা-সংস্কৃতিৰ সম্পৰ্ক নিগূঢ়। তাত্বিক বা পুথিগত শিক্ষাৰ ব্যৱহাৰিক বা বাস্তৱ দিশটোৰ লগত পৰিচয় হোৱাত বোলছবিৰ লেখীয়া মাধ্যমে প্ৰভূত পৰিমাণে সহায় কৰিব পাৰে। একো একোটা নিৰস তত্বগধুৰ বিষয় ৰূপালী পৰ্দাত সৰস আৰু জীৱন্ত হৈ ধৰা দিব পাৰে। দেশ-বিদেশৰ কলা-সংস্কৃতি, ক্ৰীড়া জগত, ছাত্ৰ সমাজৰ বিভিন্ন দিশ ইত্যাদিৰ লগত বোলছবিৰ যোগেদি চিনাকি হৈ আমাৰ নিজৰ মূল্যবোধ, ৰুচিবোধ বা বিভিন্ন ক্ষেত্ৰত আমাৰ উপলব্ধি বিশ্লেষণ কৰি চোৱাৰ সুবিধা পোৱা যায়। কটন কলেজ বোলছবি সন্থা এনেবোৰ ধ্যান-ধাৰণাৰ দ্বাৰাই সদায় অনুপ্ৰাণিত হৈ আহিছে।

কটন কলেজ বোলছবি সন্থাৰ উদ্যোগত প্ৰদৰ্শিত কেইখনমান উল্লেখযোগ্য ছবি হ'ল Fun on the Run, Pride of Nature, A thrill! A second!,

Nahanni, Angotee ইত্যাদি। বোলছবিৰ বিভিন্ন দিশ সামৰি আলোচনা-চক্ৰৰ আয়োজন কৰি তালৈ বোলছবি জগতৰ লগত জড়িত ব্যক্তিসকলক আমন্ত্ৰণ কৰি সেই দিশবিলাকৰ ওপৰত আলোকপাত কৰাৰ প্ৰচেষ্টাও এই সন্থাই কৰি আহিছে। লক্ষ্যধৰ চৌধুৰী, কমল নাৰায়ণ চৌধুৰী, ডঃ ভূপেন হাজৰিকা, ফণী তালুকদাৰ, মোবাৰ্ছিন আলি, দুলাল শইকীয়া, বিজয় শংকৰ, পূৰ্ণিমা পাঠক, নিপন গোস্বামী প্ৰমুখ্যে কেইবাজনো ব্যক্তিয়ে সন্থাই আয়োজন কৰা আলোচনা-চক্ৰত যোগ দিছিল। স্বৰ্গীয় জয়ন্ত হাজৰিকায়ো গীত পৰিৱেশন কৰি অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰিছিল।

এবাৰ তেনেকুৱা এখন সভাতেই এটা ঘটনা ঘটিল। বিশ্বৰ বিভিন্ন প্ৰান্তত গা কৰি উঠা বোলছবি আন্দোলনৰ বিষয়ে নিজৰ বক্তব্য দাঙি ধৰাৰ লগতে ডঃ ভূপেন হাজৰিকাই সেই পৰামৰ্শটো আগবঢ়ালে— অসমৰ ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান কটন কলেজক লৈ, কটনিয়ানসকলক লৈ এখন তথ্যচিত্ৰ যুগুত কৰিব পাৰি। এই অভিনৱ পৰামৰ্শই সকলোকে আকৰ্ষিত কৰিলে, কিন্তু তথ্যচিত্ৰখন কিদৰে যুগুত কৰা যায়? শিক্ষানুষ্ঠান বোলছবি সন্থা এটাৰ পুঁজিয়েই বা কিমান শকত হ'ব পাৰে? কাৰিকৰী জ্ঞানৰ প্ৰশ্নটোলৈ আঙুলিয়াই নিদিলোঁৱেইবা। পুঁজি সংগ্ৰহৰ চেষ্টা চলিল। অসম চৰকাৰৰ পৰা ৪,০০০ টকাৰ অনুদান এটা পোৱা গ'ল। ডঃ হাজৰিকা আগবাঢ়ি আহিল কাৰিকৰী দিশটোৰ গুৰি ধৰিবলৈ। কিছু অসুবিধাৰ মাজেদি ১৯৭৫ চনৰ জানুৱাৰী মাহত চিত্ৰগ্ৰহণৰ কাম আৰম্ভ হ'ল। ১৯৭৫ চনৰ পৰা এতিয়া ১৯৭৮ চন। তথ্যচিত্ৰখনৰ কাম সম্পূৰ্ণ হোৱা নাই পুঁজিৰ অভাৱত। Rust Print-টো হৈছে। বাকীবোৰ কাম হোৱা নাই। চলিত বছৰৰ মে' মাহৰ ৭ তাৰিখে স্থানীয় 'মেঘদূত'ত কলেজৰ অধ্যক্ষ, উপাধ্যক্ষ আৰু কিছুসংখ্যক কটনিয়ানৰ উপস্থিতিত Print-টো প্ৰদৰ্শন কৰা হয়। এটা বা দুটা Shot নতুনকৈ সন্নিৱিষ্ট কৰাৰ কথাও চিন্তা কৰা হৈছে। ইতিমধ্যে Commentary-ৰ বাবে তথ্য সংগ্ৰহৰ কাম প্ৰায় সম্পূৰ্ণ হৈছে। বৰ্তমান কটনিয়ানৰ পৰা ৰাজীৱলোচন বৰা, ইছফাকুল মজিদ, নলীন হাজৰিকা, প্ৰণৱজ্যোতি দাস, অম্বিকা ৰায়মেধি, মনোজ ডেকা, গিৰীশ কলিতা, নন্দিতা কটকী, অঞ্জনা বৰুৱা, কৃষ্ণা বাচিং, জিষ্ণু শৰ্মা, হৰিৰাম টৈৰণ, অৰূপজ্যোতি চৌধুৰীকে ধৰি আন বহুতো তথ্যচিত্ৰখনৰ কাম সম্পূৰ্ণ কৰিবলৈ আগবাঢ়ি আহিছে।

কটনিয়ানৰ অভিনৱ প্ৰচেষ্টাক আপোনালোকেও আদৰি লৈছে। সেইবাবে কটন কলেজ বোলছবি সন্থা আপোনাসবৰ ওচৰত কৃতজ্ঞ। ☐

('স্মৃতিগ্ৰন্থ Cotton College Film Society, সাংস্কৃতিক সমাবোহ, জিলা পুথিভঁৰাল, ২১ আগষ্ট ১৯৭৮ চনৰ পৰা পুনৰ্মুদ্ৰিত।)

মোৰ সোঁৱৰণ আৰু অনুভৱ

ধীৰেন্দ্ৰ নাথ কলিতা

অতি আদৰৰ কটন মহাবিদ্যালয় আমাৰ জীৱনৰ বিয়লি বেলাতো চিৰ সেউজ হৈ আছে। শতবৰ্ষ গৰকা সুউচ্চ আৰু নান্দনিক গৃহসমূহ এতিয়াও আমাৰ স্মৃতিৰ মণিকোঠাত সতেজ হৈ আছে। হাজাৰ সন্ধিয়াৰ পাণবজাৰৰ জামাতুল্লা গৃহৰ সন্মুখত থকা নিউ আৰ্টছ্ বিল্ডিং, তাৰ উত্তৰে পদাৰ্থবিজ্ঞানৰ গৃহটোৰ লগতে নতুনকৈ সজাই তুলা স্বনামধন্য ছুডমাৰ্ছন হল— ইয়াতেই বিভিন্ন আকৰ্ষণীয় অনুষ্ঠান অনুষ্ঠিত হৈছিল। তাৰে ভিতৰত অধ্যাপক দিলীপ বৰুৱা আৰু লিলি বৰদলৈয়ে অভিনয় কৰা 'ৰোমিঅ' জুলিয়েট' নাটকখন অতি উচ্চমানৰ আছিল আৰু ই এতিয়াও আমাৰ মনত চিৰস্মৰণীয় হৈ ৰ'ব। তাৰ ওচৰত ৰাস্তাৰ সিপাৰে ৰসায়ন বিভাগৰ গৃহটো আৰু পুৰণি পুথিভঁৰালটো। নেহৰু পাৰ্কৰ সন্মুখত থকা সুউচ্চ, গম্ভীৰ আৰু ঐতিহ্য কঢ়িয়াই অনা প্ৰশাসনীয় গৃহটোৰ কথা আমি পাহৰিব নোৱাৰোঁ। এই গৃহটোৰ পূব আৰু পশ্চিমত থকা বৃহৎ আকাৰৰ কোঠা, মাজত অধ্যক্ষৰ কোঠা, যি ঠাইৰ পৰা অধ্যক্ষই সকলো অহা-যোৱাৰ নিৰীক্ষণ কৰিব পাৰে। তাৰ পিছফালে অধ্যক্ষৰ কাৰ্যালয়। এই বৃহৎ ঘৰটোৰ চাৰিওফালে আহল-বহল ওখ বাৰাণ্ডা। এই কোঠা দুটাতে কলা আৰু বিজ্ঞান শাখাৰ ইংৰাজী আৰু অসমীয়াৰ শ্ৰেণীবোৰ হৈছিল। এই ঘৰটোৰ সামগ্ৰীসমূহ আৰু নিৰ্মাণ ব্যতিক্ৰমী আছিল।

কিন্তু এই যুগমীয়া কটন মহাবিদ্যালয়ৰ অতীত গৌৰৱ কঢ়িয়াই অনা গৃহটো আজি আৰু নাই— ই বৰ দুৰ্ভাগ্যজনক আৰু হৃদয় বিদাৰক। আজি অতীতৰ গৌৰৱ কঢ়িয়াই অনা গৃহসমূহৰ বৃহৎ অংশ ধ্বংসপ্ৰাপ্ত। চৰকাৰ, কলেজ কৰ্তৃপক্ষ, অভিযন্তা আৰু স্থাপত্যবিদসকলে সেইটো গৃহ 'হেৰিটেজ বিল্ডিং' হিচাপে ৰাখিও নতুন গৃহ নিৰ্মাণ কৰি নতুনত্ব আনিব পাৰিলেহেঁতেন। নিজৰ কলেজক ভাল পোৱা কিছু

ব্যক্তিয়ে আপত্তি কৰিছিল যদিও অতীতবিহীন নতুনত্ব বিচৰা শক্তি আজিৰ দিনত বেছি। তথাপি পৰিকল্পনা কৰা ব্যক্তিসকলে এই গৃহটো ধ্বংস কৰাৰ আগতে 'হেৰিটেজ বিল্ডিং' হিচাপে সংৰক্ষণ কৰাৰ বাবে চেষ্টা নকৰাটো ভাবিব নোৱাৰি। শতবৰ্ষ উৎসৱত লগ পোৱা আমাৰ বহু বন্ধু-বান্ধৱীয়ে সময়ৰ কৰাল গ্ৰাসত বিলুপ্ত হোৱা এই গৃহটোৰ কথা কৈ দুখ প্ৰকাশ কৰে।

১৯৫৭ চনৰ পৰা ১৯৬১ চনলৈ কটন মহাবিদ্যালয়ত শিক্ষা গ্ৰহণ কৰা ৪ বছৰ কালখিনি মোৰ জীৱনৰ অন্যতম স্মৰণীয় দিন। উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন প্ৰান্তৰ পৰা শিক্ষা গ্ৰহণ কৰিবলৈ অহা ছাত্ৰ-ছাত্ৰীসকলৰ মহামিলনৰ স্থান কটন মহাবিদ্যালয় সকলোৰে অতি আদৰৰ। এই সময়খিনিতে এটা নতুন পথ বিচাৰি পাওঁ। কটন কলেজৰ ছাত্ৰ একতা সমিতিৰ সমাজ সেৱা বিভাগৰ সম্পাদকৰ হৈ বহুকেইটা সমাজ সেৱা কৰাৰ সৌভাগ্য হৈছিল।

১৯৬০ চনৰ ৪ জুলাইত কটন মহাবিদ্যালয়ৰ দ্বিতীয় ছাত্ৰাবাসত কামৰূপ জিলাৰ আৰক্ষী অধীক্ষক পদবীৰ নেতৃত্বত ছাত্ৰাবাসলৈ লাঠী টোৱাই Fire শব্দৰে নিৰ্দেশ দিয়া হত্যালীলা আৰু ছাত্ৰাবাসৰ কমৰ ভিতৰে-বাহিৰে পৰি থকা আহত ব্যক্তিসকলৰ লগতে ভিতৰৰ বাৰাণ্ডাত তেজেৰে লুতুৰি-পুতুৰি হৈ পৰি থকা ৰঞ্জিত বৰপূজাৰীৰ মৃতদেহটো দণ্ডাধীশ অনিল বৰঠাকুৰৰ নিৰ্দেশত মোৰ সহপাঠী বন্ধু আৰু কটনিয়ানৰ সম্পাদক শ্ৰী গংগাপদ চৌধুৰীৰ লগত সৎকাৰৰ বাবে দাঙি লোৱা দৃশ্যটো অতি মৰ্মান্তিক আৰু বেদনাদায়ক।

১৯৬০ চনৰ ভাষা আন্দোলনৰ ক্ষতিগ্ৰস্ত অঞ্চল গোৰেশ্বৰলৈ আমাৰ শ্ৰদ্ধাৰ ড° কিশোৰী মোহন পাঠক আৰু অধ্যক্ষ আশ্ৰফ আলী ছাৰৰ নেতৃত্বত কটনৰ এটা ছাত্ৰৰ দল দুৰ্গতসকলক সহায় আৰু সাহায্য আগবঢ়াবলৈ গৈছিলোঁ। সেই সময়তে সমাজবাদী নেতা প্ৰয়াত জে বি কৃপালনীৰ পত্নী তথা সাংসদ সুচেতা কৃপালনীয়ে গোৰেশ্বৰ ভ্ৰমণ কৰি কটনিয়ানৰ সহায়-সাহায্যৰ ভূয়সী প্ৰশংসা কৰিছিল যদিও অসমবাসীৰ প্ৰতি বিৰূপ মন্তব্য কৰাত আমি আটায়ে জাণ্ডুৰ খাই উঠি তেওঁৰ পৰা ক্ষমা প্ৰাৰ্থনা বিচাৰিছিলোঁ।

কামৰূপ জিলাৰ দক্ষিণ পাৰৰ সেই সময়ৰ পিছপৰা ৰাণী অঞ্চলত ৰাস্তা-ঘাট মেৰামতি কৰাৰ উপৰি স্কুল চৌহদত নাৰিকল, তামোল আদি বৃক্ষ ৰোপণ কৰাৰ ফলত তাৰ ফল নতুন পুৰুষে ভোগ কৰাটো বৰ আনন্দদায়ক।

অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দাসগুপ্তা ছাৰৰ তত্ত্বাৱধানত ৰটাৰী ক্লাবে আয়োজন কৰা উত্তৰ-পূৰ ভাৰতৰ যুৱ শিবিৰটো তেলনগৰী ডিগবৈৰ ওচৰত মনোৰম দৃশ্যৰে আবৰা এখন পাহাৰৰ ওপৰত অনুষ্ঠিত হৈছিল। তাত আমাৰ কটন মহাবিদ্যালয়ৰ পৰাও এটা দলে যোগদান কৰিছিলোঁ। এই শিবিৰটোত শিক্ষামূলক

আৰু ব্যক্তিত্ব বিকাশৰ বাবে প্ৰশিক্ষণ দিয়া হৈছিল, লগতে ডিগবৈ শোধনাগাৰৰ management & infrastructurৰ জ্ঞান দিছিল। তেল নগৰীত থকা আমাৰ কটনিয়ান কেশিল্যা কানুগাৰ আতিথ্যৰ কথা আমি পাহৰিব নোৱাৰোঁ।

সেই সময়ত কটন মহাবিদ্যালয়ৰ ছাত্ৰ আৰু ছাত্ৰী নিবাসত উলহ-মালহেৰে পালন কৰা সৰস্বতী পূজা আন এটা বিশেষ আকৰ্ষণ। আটক ধুনীয়াকৈ সজাই-পৰাই লোৱা মণ্ডপ আৰু দেৱীক চাবলৈ বাহিৰৰ ছাত্ৰ-ছাত্ৰী আৰু পুৰুষ-মহিলাৰো সমাগম হৈছিল। অৱশ্যে ছাত্ৰাবাসৰ বাহিৰতো কিছুমান ছাত্ৰ-ছাত্ৰীৰ উদ্যোগত কলেজ চৌহদত সৰস্বতী পূজা কেইবছৰমান পালন কৰা হৈছিল।

আমাৰ সময়ত শিক্ষাগুৰুসকলৰ এটা বিশেষ বৈশিষ্ট্য আছিল। তেওঁলোকৰ ভিতৰত গুৰুগম্ভীৰ প্ৰয়াত হৰিশ গোস্বামী, সুউচ্চ-সুঠাম দেহৰ ধুতী-পাঞ্জাবী পৰিহিত প্ৰয়াত চন্দ্ৰ কলিতা, বিশিষ্ট সাহিত্যিক আৰু পণ্ডিত প্ৰয়াত অতুল হাজৰিকা, পকা দাড়ি-চুলিৰ প্ৰয়াত উপেন লেখাৰু, শুভ্ৰ ধুতী-পাঞ্জাবী আৰু ক'লা ৰঙৰ পামচু পৰিহিত প্ৰয়াত শিৱ ঘোষ, বসন্ত বৰুৱা, খুহুতীয়া কথাৰে শ্ৰেণীত আপ্লুত কৰা প্ৰয়াত তাৰিণী ভট্ট, লণ্ডন ফেৰট ড° গোবিন্দ ডেকা, ড° কিশোৰী মোহন পাঠক, কম্পিউটাৰ সদৃশ স্মৃতিশক্তিৰ গৰাকী মহেশ ভূঞা আৰু সকলোকে 'গাধা' সম্বোধন কৰি মাতষাৰ দিয়া প্ৰয়াত বিনয় চৌধুৰী আদি শিক্ষাগুৰুসকলৰ সান্নিধ্য আৰু শ্ৰেণীকোঠাত জ্ঞান গধুৰ পাঠদান দিয়াৰ যি অভিজ্ঞতা সি আমাৰ মনত চিৰস্মৰণীয় হৈ ৰ'ব।

২০০১ চনত ঐতিহ্যমণ্ডিত কটন মহাবিদ্যালয়ৰ শতবৰ্ষ উৎসৱ ধুমধামেৰে পালন কৰাৰ পিছত কলেজৰ infrastructure developement-ৰ বহু আশা কৰিছিলোঁ। শতবৰ্ষ গৰকা এই মহাবিদ্যালয়খন অকল অসমতে নহয় ভাৰতবৰ্ষৰ ভিতৰতে এখন জাকত জিলিকা শিক্ষানুষ্ঠান হিচাপে গঢ়ি উঠিব— যাৰ ফলস্বৰূপে দিল্লী, বাংগালোৰ আদিত শিক্ষাগ্ৰহণ কৰিবলৈ যোৱাটো বহু পৰিমাণে বন্ধ হ'ব। কিন্তু বৰ্তমানলৈ Entrepreneur development-ৰ বাহিৰে তেনে একো নতুনত্ব নেদেখিলোঁ। তাৰ বিপৰীতে শিক্ষা ক্ষেত্ৰত নিম্নগামী হোৱাটো দেখা যায়। গতিকে চৰকাৰ, কলেজ কৰ্তৃপক্ষ, শিক্ষকবৃন্দ, বুদ্ধিজীৱী, ৰাইজে পঠ্যক্ৰম অন্তৰ্ভূক্ত কৰি এখন আদৰ্শ শিক্ষানুষ্ঠান হিচাপে গঢ়ি তুলি অতীত গৌৰৱ পুনৰ উদ্ধাৰ কৰাৰ চেষ্টা কৰিব লাগে। ❑

ৰক্ত ৰঞ্জিত স্মৃতিৰ ৰেঙণি

বিজনলাল চৌধুৰী

হাইস্কুলীয়া দিনবোৰত পৰম শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলৰ শাসন নীতি আৰু ঘৰৰ ভিতৰতো পিতৃ, মাতৃ, ককাইদেউ আদিৰ আদেশ-নিৰ্দেশ পালন কৰি কৰি বৰ নিৰস জীৱন অতিবাহিত কৰিবলগীয়া হৈছিল। ঘৰতেই হওক বা স্কুলতেই হওক খিৰিকীৰে বাহিৰলৈ চাই চাই নানা কথাই ভাবিছিলোঁ, আবেলিৰ মাৰ যাব খোজা কৰুণ বেলিটো, গছৰ ডালত কুলিৰ কাকলি, ফুলৰ ৰহণ আদি চাইছিলোঁ যদিও পৰিতৃপ্ত হ'ব পৰা নাছিলোঁ। এনে দিনবোৰতেই এজন সম্বন্ধীয় ককাইদেৱে কলেজীয়া জীৱনৰ ৰঙীণ চিত্ৰ মোৰ মনত তুলি ধৰিছিল; কলেজত কিমান স্বাধীনতা! ইচ্ছা হ'লে ক্লাছ কৰিবা, ইচ্ছা নহ'লে নকৰিবা, ইত্যাদি। এনেকুৱা মুক্তিৰ ৰঙীণ দিন কেতিয়া আহিব? উপদেশ দিছিল— ভালদৰে পঢ়া, তেহে কলেজ! সেই সময়তে শুনিছিলোঁ এক বিশেষ অভিধাৰ দৰে এটা বৰ মধুৰ শব্দ, কলেজৰ ভিতৰতেই নাম থকা কলেজ হ'ল কটন কলেজ!

হাইস্কুলীয়া দিনত মই বৰ ভোদা আৰু গাধ ছাত্ৰ আছিলোঁ। ঘহোঁতে ঘহোঁতে ওখোৰা-মোখোৰা শিলো মসৃণ হয়; ময়ো ১৯৫৭ চনত মেট্ৰিকৰ হেঙাৰডাল কোনোমতে পাৰ হৈ কলেজৰ দুৱাৰডলিত থিয় হ'লোঁ; কেৱল কলেজ বুলিলেই নহ'ব, সেই কটন কলেজৰ কটনিয়ান হ'লোঁ। তেতিয়াৰ দিনত কলা শাখাত নামভৰ্তি কৰিবৰ জোখাৰে যিমানখিনি নম্বৰৰ যোগ্যতাৰ প্ৰয়োজন, সেইখিনি মোৰ আছিল। থাৰ্ড মেছত (আজিৰ আনন্দৰাম বৰুৱা ছাত্ৰাবাস) থকাৰো সুবিধা হ'ল। ইমানখিনি সৌভাগ্য উদয় হোৱাত মই মনে মনে আনন্দত আপ্লুত হ'লোঁ। এদিন গধূলি কলেজৰ 'এডমিনিষ্ট্ৰেটিভ' বিল্ডিঙৰ দক্ষিণ ফালৰ বাৰাণ্ডাত থিয় হৈ মই থাৰ্ড মেছলৈ, কেন্টিনলৈ আৰু চাৰিওফালৰ দৃশ্যাৱলীলৈ চালোঁ; অলপ আঁতৰত অধ্যক্ষৰ বাসভৱনলৈ চাই বিস্ময় মানিলোঁ। মহা সমুদ্ৰৰ ঢৌ আৰু ধুমুহা অতিক্ৰম কৰি কলম্বাছে যেতিয়া প্ৰথম দিনাখন আমেৰিকাৰ

মাটিত ভৰি দিয়েই চাৰিওফালে চাই যিদৰে বিস্ময় অনুভৱ কৰিছিল, সিদিনা মোৰো ঠিক তেনে অনুভৱেই হৈছিল! ময়ো যেন এজন এবেগেতীয়া কলম্বাছ!

তেতিয়া আমাৰ দিনত আই এ আৰু স্নাতক শ্ৰেণীক বি এ বুলি কোৱাই নিয়ম আছিল। শ্ৰেণীত নামভৰ্তি হোৱাৰ লগে লগেই কলেজৰ ছাত্ৰ ইউনিয়নৰ তৰফৰ পৰা নৱাগত আদৰণী সভাৰ প্ৰস্তুতি সম্পূৰ্ণ হৈছিল। সেই সময়ত ছাত্ৰ ইউনিয়নৰ সম্পাদক আছিল শচীন বৰুৱা। এদিন গধূলি নৱাগত আদৰণী সভাৰ গাম্ভীৰ্যপূৰ্ণ পৰিৱেশ দেখি মুগ্ধ হ'লোঁ; বিশেষকৈ সাধাৰণ সম্পাদক শচীন বৰুৱাৰ ভূমিকা আৰু মাইক্ৰোফোনত অনুষ্ঠানবোৰৰ ঘোষণা কৰি দিয়া তেওঁৰ চমু বক্তব্য আছিল স্মৰণীয়। আন এগৰাকী প্ৰতিভাশালী ছাত্ৰৰ নাম মনত আছে, তেওঁৰ আছিল জ্যোতিষ গগৈ। সভাৰ সমুখ ভাগত সন্মানীয় প্ৰবক্তাসকল শাৰী পাতি বহি আছিল; তেখেতসকলৰ উপস্থিতিয়ে সভাৰ গাম্ভীৰ্য বঢ়াইছিল। সিদিনাৰ অনুষ্ঠানত এখনি একাংকিকা প্ৰহসন ছাত্ৰসকলে মঞ্চত ৰূপায়িত কৰি গোটেই সভাথলীৰ দৰ্শক-শ্ৰোতাক হাঁহিৰ জোৱাৰত উটুৱাই নিছিল। নাটখনিৰ ৰচক আছিল (ডিব্ৰুগড়ৰ) ছাত্ৰ দেৱানন্দ দাস; নাটখনিৰ নাম আছিল 'পাত্ৰ লাগে'। নাটখনিৰ প্ৰতিটো চৰিত্ৰৰ ৰূপায়ণতে সেই সময়ৰ ছাত্ৰ অভিনেতাসকল সফল হৈছিল; তথাপি মোৰ মনত ৰৈ আছে ঘৰৰ লগুৱাৰ ৰূপত অভিনয় কৰা প্ৰবীণ দাসক।

আনন্দ আৰু উৎসাহৰ মাজেদি 'থাৰ্ড মেছ'ত কটোৱা সময়ত অতিবাহিত হৈছিল। আমাৰ হোষ্টেল ছুপাৰিণ্টেণ্ডেণ্ট আছিল সংস্কৃত সাহিত্যৰ প্ৰবক্তা আৰু পণ্ডিত ৰজনীকান্ত দেৱ শৰ্মা। কলেজৰ শ্ৰেণী কোঠাত যিসকল আমাৰ 'ছাৰ' বা শিক্ষকক লগ পাইছিলোঁ তেওঁলোক সেই সময়ৰ অসমৰ সাহিত্য-সংস্কৃতিৰ জগতৰ একো একোটি নক্ষত্ৰ। অসমীয়া সাহিত্যৰ শিক্ষক আছিল, উপেন লেখাৰু, অতুল চন্দ্ৰ হাজৰিকা, ভুৱনেশ্বৰী বৈশ্য, বিনয় ভূষণ চৌধুৰী; ইংৰাজী সাহিত্যৰ ক্লাছত পাইছিলোঁ নৱকান্ত বৰুৱা, বসন্ত বৰুৱা, মহেন্দ্ৰ বৰা, দিলীপ বৰুৱা, উপেন শৰ্মা, আনন্দেশ্বৰ শৰ্মা, কমলেশ্বৰ শৰ্মা, তাৰিণী কান্ত ভট্টাচাৰ্য ছাৰ আদিক। ইতিহাসৰ ক্লাছ লৈছিল, মঃ মজহৰুল ইছলাম, হেৰম্ব বৰপূজাৰী আৰু অৰুণ বৰুৱা ছাৰে, শিক্ষা বিষয়ত পাইছিলোঁ লক্ষহীৰা দাস বাইদেউক আৰু সন্মানীয় বীৰেন তালুকদাৰ ছাৰক। বিজ্ঞান শাখাৰ বহুকেইগৰাকী শিক্ষকৰ নাম সঘনে উচ্চাৰিত হৈছিল— গণিতৰ ক্ষেত্ৰত মাননীয় দুৰ্গা দাস, শিৱ ঘোষ; পৰিসংখ্যা বিভাগত মনত পৰে বংশীধৰ দাস ছাৰক, হৰিশ গোস্বামী আৰু কালীনাথ শৰ্মা ছাৰকো মনত পৰে। সকলো শিক্ষকৰ নাম মনত নাথাকিলেও এইসকলৰ নাম আজিও ক্ষণে ক্ষণে মনত ভাহি উঠে। এইসকল পৰম শ্ৰদ্ধেয় প্ৰবক্তা আমাৰ 'ছাৰ' চিৰদিনৰ কাৰণে নমস্য হৈ আছে। তেওঁলোকেই আমাক কলা শাখাতেই হওক বা বিজ্ঞান শাখাতেই হওক তেওঁলোকৰ জ্ঞানবিদ্যাৰ ৰশ্মিৰাশিৰে আমাৰ আগন্তুক নৱজীৱনৰ যাত্ৰাপথৰ পোহৰৰ মন্ত্ৰ শিকাইছিল। সেই ৰশ্মিৰেই আজিও আমি জীৱনৰ বাট বুলিছোঁ। শিক্ষানুষ্ঠানৰ মাজতেই শিক্ষকসকলে

এখন দেশৰ বা এটা জাতিৰ সমাজ, ৰাজনীতি, ভাষা, সাহিত্য সংস্কৃতিৰ নতুন পৰিচালক মণ্ডলী গঢ়ি তোলে নৱপ্ৰজন্মৰ মাজৰ পৰাই।

এই নৱপ্ৰজন্মৰ মাজত আমাৰ ৰাজ্যৰ নতুন পৰিচালক মণ্ডলীৰ একাংশক আমি সেই সময়ৰ 'কটনিয়ান'সকলকেই শ্ৰেণী কোঠাত ৰিণি ৰিণিকৈ দেখা পোৱা যেন লাগিছিল। অসমৰ চুকে-কোণে থকা প্ৰতিভাশালী আৰু বিদ্যুৎসাহী ছাত্ৰ-ছাত্ৰীসকল কটন কলেজলৈ সততে ঢাপলি মেলিছিল। আজিকালি অৱশ্যে দিন সলনি হৈছে, অসমীয়া ছাত্ৰ-ছাত্ৰীসকল দিল্লী নাইবা বাংগালোৰলৈহে বিমানেৰে উৰা মাৰে।

মোৰ কৈশোৰৰ বন্ধু উপেন দাস, ভগৱান দাস (প্ৰয়াত), বাবুল মেধি (সুকৃতি চৌধুৰী) আৰু দ্বিজেন দাস পূৰ্বৰে চিনাকি। কিন্তু কটন হোষ্টেলত গৈ লগ পাইছিলোঁ গোটেই অসমৰ বিভিন্ন জাতি, ধৰ্মৰ ছাত্ৰসকলক; মনৰ ভিতৰত অনুভৱ কৰিছিলোঁ যেন গোটেই অসমৰ নৱপ্ৰজন্মৰ সৈতে মোৰ এক মধুৰ সন্মিলন হৈছে। তেওঁলোকৰ দুনয়নৰ উজ্জ্বলতা আৰু প্ৰতিভাৰ দীপ্তিয়ে মোৰ মানস জগতত অপৰিসীম ঐশ্বৰ্য দান কৰিছিল।

বিশেষকৈ মনত পৰে 'আকাশৰ চিঠি' শীৰ্ষক কবিতা সংকলন এখনি ছপা কৰি প্ৰচাৰ কৰিছিল ৪ৰ্থ বাৰ্ষিকৰ বীৰেন বৰগোহাঞি আৰু মাণিক গগৈয়ে। সেই কবিতা পুথিত পাতনি লিখিছিল (প্ৰয়াত) নৱকান্ত বৰুৱা 'ছাৰে'। আই এ শ্ৰেণীৰ দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ লুম্মেৰ দাইয়ে এখনি উপন্যাসিকা তেতিয়াই প্ৰকাশ কৰিছিল আৰু হোষ্টেলৰ বন্ধুসকলৰ মাজত বিতৰণ কৰিছিল। হোষ্টেলৰ বাহিৰত থকা ছাত্ৰ, মোৰ বিশেষ সাহিত্যিক বন্ধু গোবিন্দ প্ৰসাদ শৰ্মাৰ সৈতে দীঘলীপুখুৰীৰ পাৰে পাৰে বহুত আবেলি ফুৰিছিলোঁ। কলেজৰ ক্লাছত একেখন বেঞ্চত বহি 'ছাৰ'সকলৰ 'লেকচাৰ' শুনিছিলোঁ মদন প্ৰসাদ বেজবৰুৱা, ছেৰিফুদ্দিন আহমেদ, সিদ্ধেশ্বৰ নাথ আদিৰ সৈতে।

বিশ্ববিদ্যালয়ৰ পৰীক্ষাত শীৰ্ষস্থান অধিকাৰ কৰা একাধিক ছাত্ৰৰ সৈতে আমি ৩ নং মেচত একেলগে কটাইছোঁ মধুৰ দিনবোৰ। ১৯৫৭ চনত মেট্ৰিক পৰীক্ষাত শীৰ্ষস্থান পোৱা ধীৰেন্দ্ৰ নাথ বুঢ়াগোহাঁই, আৰু পৰৱৰ্তী বছৰত পাইছিলোঁ জিতেন গোপাল বৰপূজাৰীক। মনত আছে চামতাৰ প্ৰতিভাশালী ছাত্ৰ করুণাময় গোস্বামী (প্ৰয়াত), ৰমণী দাস, ছিপাঝাৰৰ অতুল শৰ্মা, যিজন বিজ্ঞানৰ ছাত্ৰ হৈও অসমীয়া আধুনিক কবিতা সম্পৰ্কত বিস্তাৰিতভাৱে পঢ়া-শুনা কৰিছিল। আৰু মই তেওঁৰ পৰাই বহু কথা শিকিছিলোঁ। মঙলদৈৰ পৰা আহিছিল অৰুণ ৰাজখোৱা (প্ৰয়াত) দেৰগাঁৱৰ পৰা আহিছিল অতুল গোস্বামী, চাৰিঙৰ পৰা আহিছিল চন্দ্ৰকমল হাজৰিকা। মনত আছে ঈশ্বৰ বৰুৱা, দিলীপ বৰুৱা, আৰু বংজুলিৰ পৰা অহা পাত্ৰেশ্বৰ বসুমতাৰী, ডুমডুমাৰ অখিল দাস, তিনিচুকীয়াৰ অমৃত ভট্টাচাৰ্য, কামৰূপ জিলাৰ বিভিন্ন স্থানৰ পৰা আহিছিল কমলা বসুমতাৰী (প্ৰয়াত), ৰাম দাস বড়ো, কমল কুমাৰ দৈমাৰী। যোৰহাটৰ বিৰিঞ্চি হাজৰিকা, ডিব্ৰুগড়ৰ অমূল্য চৌধুৰী, পাঠশালাৰ বিশ্বেশ্বৰ গোস্বামী, নলবাৰীৰ মদন মোহন চৌধুৰী, ভৱানীপুৰৰ

গ্ৰন্থ-কীট সত্যেন চৌধুৰী আৰু বহুতো। এইসকলৰ সৈতে আড্ডা, আলাপ-আলোচনা, হাঁহি-ধেমালি, তৰ্ক-বিতৰ্কৰ মাজেদি মধুৰ সময়বোৰ যেন আনন্দৰ ঢৌ তোলা পাৰ চৰাইৰ দৰে ডেউকা মেলি উৰি উৰি আমাৰ মাজতেই ঘূৰি আছিল। তেওঁলোকে সিঁচি দিয়া কথাৰ মণি-মুকুতাবোৰ মই বুটলি লৈছিলোঁ। সেই মধুৰ কথাৰ মণি-মুকুতাবোৰ মোৰ মানসৰ হাতনি-পেৰাত সাঁচি থৈছোঁ। তাহানিৰ সেই দিনবোৰৰ ৰং মোৰ মনৰ পৰা কালে মচি নিব পৰা নাই।

ইয়াৰ উপৰি মনত আছে ওপৰ শ্ৰেণীৰ ছাত্ৰ, সুস্বাস্থ্যৰ এখনি চিত্ৰ যেন বিলাই দেৱ শৰ্মাক, হৰেন দাসক আৰু জয়কৃষ্ণ দাসক দেখিছিলোঁ বিশেষ গাম্ভীৰ্য ৰাখি চলা-ফিৰা কৰা ছাত্ৰৰ সমাজৰ ব্যক্তিত্বৰ ৰূপত।

এনেকৈয়ে পাৰ হৈছিল ১৯৫৭ চনৰ পৰা ১৯৬০ চনলৈ। ইয়াৰ লগে লগেই আমাৰ ছাত্ৰ নিবাসৰ আবাসীসকলৰ মনৰ মাজত এটা অশুভ দিনৰ দীৰ্ঘ ছায়াই আবৰি ধৰিলে। প্ৰথমেই মোৰ মনত এই কৰুণ ঘটনাই দুখ দিলে। স্নাতক শ্ৰেণীৰ ছাত্ৰ হিচাপে মই আছিলোঁ ৫ম ব্লকৰ ১২ নং ৰুমৰ দুৱাৰখনৰ ওচৰতে থকা বিছনাখনত; একেটা কোঠাতেই আছিল মোৰ বন্ধু চন্দ্ৰকমল হাজৰিকা আৰু আনখন বিছনাত আছিল মোৰ অনুজপ্ৰতিম বন্ধু অৰুণ কাকতি; ঘৰ নগাঁৱৰ বেবেজীয়াত। অৰুণ আছিল বিজ্ঞানৰ ছাত্ৰ। অৰুণৰ এজন সম্বন্ধীয়া ককায়েক ৰে'লৱে কোৱাৰ্টাৰত আছিল আৰু তেওঁ সদায় আবেলি একোবাৰ অৰুণক লগ পাই যায়; এনেদৰে অহা-যোৱা চলি থাকে। অৰুণ আছিল বৰ নম্ৰ, স্বল্পভাষী আৰু অলপ লাজুক প্ৰকৃতিৰ। হঠাৎ এদিন আগৰ দৰে তেওঁৰ ককায়েক আহি গধূলি অৰুণক বিচাৰিলে; সেইকেইদিন কলেজত সাময়িক পৰীক্ষা (Terminal Exam) চলি আছিল। গতিকে ৰুমত অৰুণক নেদেখি মই কোনো চিন্তাই কৰা নাছিলোঁ। ককায়েকে মোক সোধাত মই ক'লোঁ যে সি ৰাতি পঢ়ি আছিল, পুৱা নিশ্চয় পৰীক্ষা দি কেনিবা ফুৰিবলৈ গ'ল নেকি? মোৰ কথা শুনি ককায়েকে বহলকৈ দুই চকু মেলি মোৰ ফালে চাই ৰ'ল এখন্তেক, তাৰ পিছত কঁপা কঁপা মাতেৰে তেওঁ কৈ উঠিল— 'তেন্তে সি Suicide কৰিছে!!' কথাষাৰ শুনা মাত্ৰকে মই সিদিনা আকাশৰ বহু ওপৰৰ পৰা হঠাৎ পৃথিৱীৰ মাটিত বাগৰি পৰা যেন লাগিছিল। ককায়েকে ক'লে— 'সি আগৰে পৰা Depressionত ভুগি আছিল; ঘৰত বা মোৰ কোৱাৰ্টাৰত ৰখাটো ঠিক নহয় ভাবি হোষ্টেলত থ'লোঁ; সমনীয়া বন্ধু-বান্ধৱৰ লগত থাকিলে মনৰ পৰিবৰ্তন হ'ব পাৰে বুলি!' মই কৈ উঠিলোঁ— 'এই কথাষাৰ আপুনি আমাক আগতে এবাৰো নক'লে কিয়!' তেখেতে উত্তৰ দিলে— 'কওঁ কেনেকৈ! কোন সতে কওঁ? ক'লে বা কি হয়?' ইতিমধ্যে হোষ্টেলৰ সকলো ল'ৰা আহি মোৰ কোঠাত গোট খালে, সকলোৰে চকুৱে-মুখে বিস্ময় আৰু বেদনাৰ নীলা ছবিখন জ্বলি উঠিল। হোষ্টেল চুপাৰিণ্টেণ্ডেণ্টৰ ওচৰলৈ তেওঁক নিয়া হ'ল; তেতিয়া চুপাৰিণ্টেণ্ডেণ্ট আছিল মাননীয় ড° ডম্বৰুধৰ গগৈ। তেখেতে

দুখ প্ৰকাশ কৰিলে আৰু পুলিচ বিভাগত জনাবলৈ পৰামৰ্শ দিলে। ককায়েকে সেই পৰামৰ্শ মানি লৈ ওলাই গ'ল।

পিছদিনাখন পুৱা খবৰ ওলাল যে অৰুণে গুৱাহাটীৰ পূবফালে পাহাৰী অঞ্চলত থকা পানীটেংকিৰ ওচৰৰ পৰাই সম্ভৱতঃ ব্ৰহ্মপুত্ৰত জঁপিয়াইছিল, কাৰণ সেই ঠাইতেই সি পিন্ধি থকা চেণ্ডেলযোৰ পোৱা গৈছে; এদিন পিছতেই পুনৰ খবৰ আহিল যে তাৰ শবদেহ পানীৰ ওপৰত ভাহি উঠিছে আৰু নদীৰ ধাৰত পশ্চিম দিশলৈ উটি আহিছে। এই খবৰত উত্তেজিত হৈ আমি নদীৰ পাৰে পাৰে বহুদূৰলৈ শবদেহ বিচাৰি বিচাৰি লৰা-ঢপৰা কৰিলোঁ। পিছত নাও এখন ভাৰাত লৈ নদীত বিচাৰি বিচাৰি ভৰলুমুখ পালোঁহি। তাৰ পৰা নাও এৰি পাৰলৈ উঠি আহি টেক্সি এখন লৈ পাণ্ডু অঞ্চলৰ নদীৰ পাৰ পালোঁহি। কিন্তু তাত ব্ৰহ্মপুত্ৰৰ স্ৰোত দেখি নাৱত উঠি নদীৰ মাজলৈ যোৱাটো বিপজ্জনক ভাবি সেই অভিযান সিমানতে সমৰিবলৈ বাধ্য হ'লোঁ। পাণ্ডু-মালিগাঁৱৰ পৰা হোষ্টেল অভিমুখে উভতি আহোঁতে পশ্চিমৰ ৰঙা বেলিটোৱে যেন ব্ৰহ্মপুত্ৰৰ বুকুত নিজৰ তেজ ঢালি বুৰি যাবলৈ ধৰিছে, এনে এখন ছবি নদীৰ বুকুত দেখিলোঁ। মনটোক বিষণ্ণতাই ঢাকি পেলালে; এই অস্তগামী ৰঙা বেলিটোক হাতেৰে চুবলৈ অৰুণে ব্ৰহ্মপুত্ৰৰ বুকুৰে উটি উটি গুচি গৈছে নেকি! সিদিনাৰ সেই বেদনাবিধুৰ সন্ধ্যাৰ করুণ ৰাগিণী কেতিয়াবা কেতিয়াবা আজিও মনৰ কোণত ভাহি উঠে।

সময়ৰ গতি বৰ জটিল আৰু কুটিল; ১৯৬০ চনত অসমত ৰাজ্যভাষা আন্দোলনৰ উত্তাপ ক্ৰমে ক্ৰমে তুঁহ জুইৰ পৰা বনজুইলৈ ৰূপান্তৰিত হ'বলৈ আগবাঢ়িছে। মে' আৰু জুন মাহ মানৰ পৰাই গুৱাহাটীত উত্তেজনাৰ সৃষ্টি হোৱাটো গম পাই আছিলোঁ। তেতিয়া ছাত্ৰ সন্থাৰ নামৰ কোনো নেতৃস্থানীয় সংগঠন ছাত্ৰসকলৰ মাজত নাছিল। তথাপি চাৰিওফালৰ পৰা দাবী উঠিছিল ঃ অসমত ৰাজ্যভাষা একমাত্ৰ অসমীয়া ভাষাই হ'ব লাগিব; ইয়াৰ অন্যথা একো হ'ব নোৱাৰে। এয়া কেৱল দাবীয়েই নাছিল, অসমীয়া সমাজৰ জাতীয়তাবাদী ধ্যান-ধাৰণাৰ প্ৰৱৰ্তক আৰু প্ৰচাৰকসকলৰ যেন এক খণ্ডাল গোজৰণিহে আছিল। এই গোজৰণি আমি শুনিছিলোঁ সেই সময়ৰ একমাত্ৰ অসমীয়া সংবাদ-পত্ৰৰ পৃষ্ঠাই পৃষ্ঠাই আৰু আখৰে আখৰে। কিন্তু ব্ৰহ্মপুত্ৰ উপত্যকাতহে অসমীয়াভাষীসকলৰ সমাজত এই সদম্ভ দাবীয়ে ব্যাপক ৰাইজৰ বা নৱপ্ৰজন্মৰ মাজত সকলোৰে অন্তৰ স্পৰ্শ কৰিছিল, কিন্তু দক্ষিণ অসমৰ বৰাক উপত্যকাৰ কাছাৰ জিলাত বাংলাভাষী বঙালী ৰাইজৰ সংখ্যাই সৰ্বাধিক; হিন্দু, মুছলমান আৰু তাত বাস কৰা জনজাতীয় ৰাইজৰ মাজতো বাংলা ভাষাই একমাত্ৰ মাধ্যম। সেই কাৰণে বৰাক উপত্যকাত দাবী উঠিছিল অসমত বাংলা ভাষাকো অন্যতম ৰাজ্যভাষা হিচাপে মৰ্যাদা দিব লাগে। বংগদেশৰ আৰু অসমৰ কাছাৰ জিলাৰ সংবাদ-পত্ৰবোৰত ভাষাৰ নামত উগ্ৰ মতবাদ প্ৰচাৰিত হ'বলৈ ধৰিছিল। দুয়োটা উপত্যকাত অসমীয়াভাষী বনাম বাংলাভাষীসকলৰ

সৰহসংখ্যকেই যেন বৰাইল পৰ্বতমালাৰ ইপাৰে আৰু সিপাৰে 'যুদ্ধংদেহি' মনোভাব লৈ থিয় হৈছিল।

সেই সময়ত অসম ৰাজ্যত মুখ্য মন্ত্ৰীৰ আসনত আছিল বিমলা প্ৰসাদ চলিহা। তেখেত ভাৰতৰ স্বাধীনতা আন্দোলনৰ যুগৰ এগৰাকী বিখ্যাত গান্ধীবাদী নেতা আছিল; তেখেত নম্ৰভাষী আছিল আৰু কংগ্ৰেছ দলৰ নেতা হিচাপে শাসন চলাইছিল। অসমৰ উগ্ৰ জাতীয়তাবাদী চক্ৰবোৰে বিমলা প্ৰসাদ চলিহাৰ বিৰুদ্ধে তীব্ৰভাৱে সমালোচনা কৰি আন্দোলন বৃদ্ধি কৰিছিল। অসমীয়া সংবাদ-পত্ৰৰ জনপ্ৰিয়তা বাঢ়িছিল, যিদৰে বাঢ়িছিল বাংলাভাষী পত্ৰিকাৰ। অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাত বাংলাভাষীসকল আছিল সংখ্যালঘু ভাষা গোষ্ঠী আৰু তেওঁলোকে এই সময়ত আতংকত ভুগিছিল।

কেৱল ৰাজ্যভাষা বিষয়ক আন্দোলন বুলিয়েই নহয়, ব্ৰিটিছ শাসনৰ সময়ৰ পৰাই অসমীয়াভাষী আৰু বাংলাভাষীৰ মাজত বিৰোধ আৰম্ভ হৈছিল; তেতিয়াৰ পৰাই অসমৰ ৰাজ্যিক প্ৰশাসনত বাংলাভাষী আমোলা আৰু কেৰাণীৰ সংখ্যাধিক্যৰ ফলত স্বাভাৱিকতে তেওঁলোকৰ ব্যৱহাৰ আৰু আদৱ-কায়দাত এক উচ্চাত্মিকা আৰু আধিপত্যবাদী মনোভাব প্ৰকট হৈ উঠিছিল। সেই সময়ত ব্ৰিটিছ শাসকসকলে অসমীয়া আৰু বঙালীৰ মাজত ঘুণ পোকে কাঠ খুলি খুলি নানাফালে বিন্ধা বা সুৰুঙা কৰাৰ দৰে অসমীয়াৰ মনতো বঙালী বিদ্বেষ বিভিন্ন দিশতে বঢ়াই তুলিছিল। অনৈক্য সৃষ্টি কৰাই আছিল ব্ৰিটিছ শাসকৰ মূল লক্ষ্য। সেই সময়ৰ অসমীয়া সাহিত্যিক আৰু বুদ্ধিজীৱীসকলেও অসমৰ শিক্ষানুষ্ঠানত আৰু প্ৰশাসনত বঙালী ভাষা প্ৰচলন কৰাৰ বাবে মূল ব্ৰিটিছ শাসকসকলক সমালোচনা নকৰি বঙালী আমোলা-কেৰাণী কৰ্মচাৰীসকলকহে আক্ৰমণৰ লক্ষ্য কৰি লৈছিল। জোনাকী যুগৰ পৰাই বেজবৰুৱা, হেম গোস্বামী আদিয়ে তেওঁলোকৰ সাহিত্যৰ মাজেদি এই বংগ-বিদ্বেষৰ দৃষ্টিভংগী প্ৰচাৰ কৰিছিল। পৰৱৰ্তী যুগৰ অসমীয়া বুদ্ধিজীৱী বহুতেই একে দৃষ্টিভংগীকেই গ্ৰহণ কৰি আহিছে, তাৰ ভিতৰত 'অসম-কেশৰী' অম্বিকাগিৰী ৰায়চৌধুৰীয়ে অসম সংৰক্ষিণী সভা, অসম জাতীয় মহাসভা সংগঠিত কৰি বংগ বিদ্বেষৰ বীজ অধিক পৰিমাণে অসমীয়া ৰাইজৰ মনত বপন আৰু ৰোপণ কৰিছিল।

আমি ১৯৫৭ নাইবা ১৯৬০ চনৰ স্কুল-কলেজৰ ছাত্ৰসকলেও উপৰিউক্ত অসমীয়া কবি-সাহিত্যিক, বুদ্ধিজীৱীসকলৰ সাহিত্য পঢ়ি পঢ়ি বঙালী বিদ্বেষৰ ধাৰণা অন্তৰেৰে গ্ৰহণ কৰিছিলোঁ আৰু আমাৰ সেই সময়ৰ শ্ৰদ্ধেয় শিক্ষকসকলেও সেই একে সুৰতেই আমাক শিক্ষিত কৰি তুলিছিল। সাহিত্যত বঙালী বিদ্বেষ আৰু বুৰঞ্জীত মুছলমান বিদ্বেষৰ আদিপাঠ মুখস্থ কৰি কৰি আমি নিজকে একো একোজন দেশপ্ৰেমিক বুলি ভাবি ভাবি আত্মসন্তুষ্টি লাভ কৰিছিলোঁ। অথচ ইয়াতকৈও যে কিবা বেলেগ আৰু উচ্চ স্তৰৰ ৰাজনৈতিক চিন্তা বা আদৰ্শ থাকিব পাৰে, যাৰ দ্বাৰা আমাৰ অসম মাতৃৰ কল্যাণ হ'ব পাৰে তেনে চিন্তা ধনিষ্ঠামানো আমাৰ মগজুত সোমোৱা নাছিল। গতিকে ১৯৬০

চনত যেতিয়া সেই বঙালীসকলৰ বিৰুদ্ধে তীব্র বিদ্বেষমূলক প্রচাৰ প্রতিদিনেই সংবাদ-পত্রত গৰম জেলেপীৰ দৰে, সুমিষ্ট মিঠাই যেন হৈ ওলাবলৈ ধৰিলে তেতিয়া সেই তথাকথিত সাংবাদিকসকলৰ বাক্য আৰু অক্ষৰসমূহ গলাধঃকৰণ কৰি আমি মনৰ মাজতে বীৰত্বপূর্ণ একোজন ৰণুৱা হৈ উঠিছিলোঁ। ৰাতিপুৱা অসমীয়া বাতৰিকাকতখন আহি পালেই হোষ্টেলৰ বাৰাণ্ডাত থকা টেবুল টেনিছ বোর্ডত উঠি গোটেই বন্ধু মহলে শুনাকৈ গৰম বাতৰিবোৰ উচ্চস্বৰে পঢ়ি দিছিলোঁ; আমাৰ বন্ধুবর্গ সকলোৱে বাতৰি শুনি শুনি দ্বিগুণে উৎসাহিত হৈছিল আৰু প্রতিটো বঙালী মানুহেই যেন আমাৰ প্রতিজন অসমীয়াৰ শত্রু এই বিশ্বাস দৃঢ় হৈ উঠিছিল। অৱশ্যে সেই সময়তো আমাৰ হোষ্টেলত উত্তেজিত নোহোৱাকৈ কেৱল নিজৰ পাঠ অধ্যয়নত নিবিষ্টমনে ৰত হৈ থকা ছাত্রবন্ধুও একাংশ আছিল; কিন্তু তেওঁলোকৰ লগত আমাৰ কোনো ধৰণৰ বিৰোধ বা বিদ্বেষ নাছিল, কেৱল আমি মনে মনে তেওঁলোকক 'কবিৰাজ' বুলি উল্লেখ কৰিছিলোঁ।

সেই সময়ত কিছু কিছু সৰু ঘটনা আমাৰ হোষ্টেলৰ কাষৰ ৰাজআলিত ঘটিছিল। গধূলি নিজ নিজ কোঠাত কিতাপ পঢ়ি আছোঁ, চাৰিওফালে নিস্তব্ধতা। এনেতে হঠাৎ ৰাস্তাৰ পৰা কাৰোবাৰ তর্ক-বিতর্ক হোৱাৰ শব্দ শুনিলোঁ, তাৰ পিছত ছয়াময়া দেখিলোঁ এজন বয়সীয়া মানুহক দুজন ডেকা ল'ৰাই বুকুৰ চোলাত খামোচ মাৰি ধৰি টানি নিছে আৰু লগৰজনে বয়সীয়াজনক থাচ্ থাচ্কৈ শব্দ কৰি চৰিয়াই-ভুকুৱাই কাষৰ নর্দমাত পেলাই দিছে; বয়সীয়াজনে কেৱল বাংলা ভাষাত চিঞৰি উঠিছেঃ 'বাচাও! বাচাও!' মাৰ-পিট কৰা যুৱক দুজন বেগাই খোজ কাঢ়ি ডনবস্কো স্কুলৰ উত্তৰ দিশৰ ৰাস্তাৰে গুচি গৈছে।

এই ঘটনাত আমি হোষ্টেলৰ আবাসীসকলে কাৰোবাক সাধাৰণভাৱে বাধা দিম বা সহায় নকৰিলেও 'হেৰি কি হৈছে!' ' মাৰ-পিট কৰে কিয়?' এনে অহিংস প্রশ্নও কোনেও উচ্চাৰণ কৰা নাছিলোঁ। এনে মানসিকতাও আমাৰ হেৰাই গৈছিল। আমি নির্বিকাৰ হৈ আছিলোঁ। কাৰণ সকলোৱে চিঞৰত শুনিছে কি ভাষা ব্যৱহাৰ কৰিলে মাৰ খোৱা মানুহজনে? মাৰ খোৱা মানুহজন নিশ্চয় অসমীয়া নাছিল, গতিকে....।

কেতিয়াবা কেতিয়াবা তেনে দুই-এটা ঘটনাৰ লগত যুক্ত ডেকা ল'ৰা আমাৰ হোষ্টেলৰ 'গে'টেৰেই সোমাই অন্য ফালেদি, অর্থাৎ ১ম মেচৰ ফালে ভিতৰে ভিতৰে গুচি গৈছিল। তেওঁলোক কোন আছিল আমি নাজানিছিলোঁ বা জনাৰ প্রয়োজনো বোধ কৰা নাছিলোঁ। সেই সময়ত আমাৰ নীৰৱতাখিনিৰো অর্থ আছিল আন্তৰিক সমর্থনবাদৰেই।

আৰু এক ধৰণৰ ঘটনা লক্ষ্য কৰিছিলোঁ; আমি তিনিজনমান বন্ধু ৫ম ব্লকৰ বাৰাণ্ডাৰ দীঘল বেঞ্চত বহি গোপনে মেল কৰি আছোঁ; হোষ্টেলৰ ৰুমে ৰুমে লাইট জ্বলি আছে, সকলোৱে পঢ়াত ব্যস্ত। বাহিৰত জোনাকৰ পোহৰ। এনেতে বৰ লৰালৰিকৈ এজন ডেকা ল'ৰা আহি ওলাল আৰু আমাক ক'লে— 'আপোনালোকে শুনা নাই নেকি? এই এক ঘণ্টা আগতে পাঁচজনমান বঙালী ডেকা ল'ৰা আহি উজান বজাৰৰ

ৰাজআলিতেই দুজন অসমীয়া ডেকাক মাৰ-পিট কৰি গুচি গ'ল। মই তালৈকেই যাওঁ— আপোনালোকে অন্ততঃ খবৰ কৰক।'— এই বুলি খবৰ দি অচিনাকি বক্তাজন দ্রুত পদক্ষেপে কলেজ গে'টৰ আগফালে গুচি গ'ল। আমি কাকো একো নকৈ এক মিনিট পিছত হোষ্টেলৰ পৰা ওলাই কলেজ গে'টৰ ফালে আগবাঢ়ি আহিলোঁ। আমি দেখিলোঁ যে সেই সংবাদদাতাজন বৰ লৰালৰিকৈ গৈ জজ ফিল্ড পাইছেগৈ! ঘটনাটো সঁচা নেকি? একো থিৰাং কৰিব নোৱাৰিলোঁ।

এনে উত্তেজনাপূৰ্ণ খবৰ পায়ো আমি ধৈৰ্য ধৰিলোঁ; উজান বজাৰত বঙালী ল'ৰা আহি অসমীয়া ল'ৰাক মাৰপিট কৰি শুকান গাৰে সাৰি যাব পাৰিবনে? কোনোমতে বিশ্বাস নহয়। তথাপি মনত জুই জ্বলি থাকিল; আমি ইমান দুৰ্বল হৈ গ'লোঁনে? অৱশ্যে সেই দিনত তেনেকৈ ভাবিছিলোঁ— এতিয়া পৰিণত বয়সত বুজিছোঁ যে নিশ্চয় ১৯৬০ চনত কোনোবা অপশক্তিয়ে যৱনিকাৰ আঁৰৰ পৰা আমি ছাত্ৰসকলক নচুৱাই আছিল; হয়তো ব্যৱহাৰ কৰিছিল Agent Provocateur হিচাপে।

কটন হোষ্টেলৰ দক্ষিণ দিশত মূল আলিবাটটোৰ কাষত ২ নং মেচ আৰু সেই মেচৰ সমুখৰ ৰাস্তাটো পাৰ হ'লেই সিপিনে প্ৰায় ৰে'ল ষ্টেচনলৈ প্ৰায় সকলোখিনিয়েই বাংলাভাষী বঙালীসকলৰ বাসস্থান। আমাৰ সমুখত তেতিয়া বঙালীসকলক অসমৰ পৰা উচ্ছেদ কৰাৰেই একমাত্ৰ চিন্তা। বেছি দূৰলৈ নগৈ আমাৰ হোষ্টেলৰ ওচৰতে থকা এই বঙালীৰ আড্ডাটোৰেই ধ্বংস কৰাৰ যত্নত আমি কেইজনমানে ষড়যন্ত্ৰত নামি পৰিলোঁ; কিন্তু আমি যে হোষ্টেলৰ আবাসী মাত্ৰ; ঢাল নাই, তৰোৱাল নাই, নিধিৰাম চৰ্দাৰ! তথাপি এই বঙালীবোৰক অন্ততঃ সন্ত্ৰসিত কৰিব পাৰিলে, সিহঁতৰ বাসস্থানৰ চাৰিওফালে আতংকৰ সৃষ্টি কৰিব পাৰিলে খেদা কামটো কিছু উজু হৈ পৰিব। ইয়াকেই কৰিবলৈ পৰিকল্পনা কৰা হ'ল।

আমি ৭/৮জনমান মিলি এটা চক্ৰ তৈয়াৰ কৰিছিলোঁ; আমাৰ এই চক্ৰত যুক্ত হ'ল হোষ্টেলৰ ৰান্ধনিশালৰ এজন কুৰি বছৰীয়া যুবকো, নাম আছিল তাৰ বসন্ত। বলিষ্ঠ তাৰ চেহেৰা আৰু শৰীৰৰ ৰূপ কৃষ্ণবৰ্ণ। অন্ধকাৰত ওচৰত থাকিলেও তাক ধৰিব নোৱাৰি। আমাৰ আক্ৰমণ হয় ৰাতি ১০ বজাৰ পিছত। দিনৰে দিনটো আমি গোটেইবোৰেই নানা ঠাইৰ পৰা কাৰো চকুত নপৰাকৈ শিলবোৰ আনি আনি জমা কৰোঁ হোষ্টেলৰ বাথৰুম বা গা-ধোৱা ঘৰৰ পিছফালে। ৰাতি প্ৰায় ১১ বজাত আমি গোটেইকেইজনে শিলগুটিবোৰ ভগাই লৈ একে সময়তে ৰাস্তাৰ সিপাৰৰ ঘৰবোৰত ধাৰাসাৰ শিলাবৰ্ষণ কৰোঁ। বিপদৰ আশংকা কৰাৰ লগে লগে বাথৰুমৰ পিছফালেদি বেগাই 'Honourable retreat' বা সসন্মানে পশ্চাৎ অপসৰণ কৰাৰ নিৰ্দেশ দিয়া আছে, অৰ্থাৎ বাহিৰৰ পৰা গুলী কৰিলেও আমি নিৰাপদে আঁতৰি আহিব পাৰোঁ। প্ৰতিদিনে এই আক্ৰমণ নহৈছিল; কেইদিনমান পিছত হঠাৎ এদিন তীব্ৰভাৱে শিলাবৃষ্টি হ'ব আৰু কিছুদিন নীৰৱ। হোষ্টেলৰ

বন্ধুসকলক কোৱা হৈছিল কোনোৱে যেন এই কথা আড্ডাত নুলিয়ায়; সকলোৱে যেন 'নাজানে' বা 'নাজানো'— এই ভাব লৈ থাকিব।

মই আৰু মোৰ বন্ধু উপেন দাস দুয়ো আলোচনাত বহি স্থিৰ কৰিলোঁ যে এনেকৈ শিলাবৃষ্টি কৰি থাকিলে বিশেষ কাম নহয়। গতিকে বৰপেটাৰ পৰা হাৱৈ আৰু খাৰ-বাৰুদ বা ফট্‌কা আনি ব্যৱহাৰ কৰিব পাৰিলে ভাল হ'ব। কিন্তু এই পৰিকল্পনা বাস্তৱায়িত কৰা যায় কেনেকৈ? তেতিয়া শৰাইঘাটৰ দলং হোৱা নাই। আমিনগাঁৱলৈ গৈ বৰপেটাৰ পৰা অহা যাত্ৰীবাহী বাছৰ শ্ৰমিক বন্ধু এজনৰ সৈতে খাৰ-বাৰুদ গুৱাহাটীলৈ গোপনে অনাৰ কথা আলোচনা কৰিলোঁ। কিন্তু তেওঁলোকে এই কামটো কৰিবলৈ অসমৰ্থ বুলি জনালে। গতিকে এই চিন্তা সিমানতে ব্যৰ্থ হ'ল। শিলাবৃষ্টিয়েই মাজে মাজে চলি থাকিল। এদিন হঠাৎ শিলাবৃষ্টিৰ আক্ৰমণো বন্ধ ৰাখিব লগা হ'ল। শিলাবৃষ্টি বন্ধ কৰা হ'ল প্ৰথমে আমাৰ সহকৰ্মী বসন্তৰ পৰামৰ্শমতে। সি শিলাবৃষ্টি হোৱাৰ আগতে সেই ঠাইখিনি ঘূৰি-পকি চাই ভাল-বেয়া আমাক জনায়; সিদিনা অৰ্থাৎ ১ জুলাই তাৰিখে ৰাতি দেখা গ'ল যে ২ নং মেচৰ 'গে'ট'ৰ ওচৰত এজন ওখ-পাখ পুলিচ বিষয়া থিয় হৈ আছে আৰু লগত আছে ডিঙিত শিকলি লগোৱা এটা প্ৰকাণ্ড কুকুৰ। বসন্তই কোৱা মতে ওচৰে-পাঁজৰে ক'ৰবাত সশস্ত্ৰ পুলিচে আত্মগোপন কৰি আছে। পৰিস্থিতিৰ গুৰুত্বলৈ চাই সিদিনা শিলাবৃষ্টি বন্ধ কৰা হ'ল।

এই ঘটনাৰ পিছদিনাখন গধূলি ২ নং মেচৰ বাৰাণ্ডাত মাননীয় কংগ্ৰেছ নেতা সিদ্ধিনাথ শৰ্মা, হোষ্টেলৰ ছুপাৰিণ্টেণ্ডেণ্ট আৰু আন আন কেইবাজনো (সম্ভৱতঃ) সমাজকৰ্মী লগত লৈ হোষ্টেলৰ ২ নং মেচত উপস্থিত হ'লহি। আমি সকলোৱে সমৱেত হ'লোঁ; সকলোৱে থিয় হৈয়েই ৰ'ল। মাননীয় শৰ্মাই সেই সময়ৰ উত্তেজনাপূৰ্ণ অৱস্থাৰ কথা কৈ ছাত্ৰসকলে যেন শান্তিপূৰ্ণভাৱে থাকি নিজৰ মূল কৰ্তব্য অধ্যয়নত নিয়োজিত হ'বলৈ তেওঁ উপদেশ দিলে। সকলোৱে নীৰৱে শুনি আছিল; এনেতে মোৰ বন্ধু উপেন দাসে প্ৰশ্ন উত্থাপন কৰিলে— 'আপুনি আমাক উপদেশ দিবলৈ হোষ্টেললৈ কিয় আহিল? আপুনিতো জজ ফিল্ডত সভা পাতি তাতে সকলো ৰাইজক এই আবেদন জনাব পাৰিলেহেঁতেন; আপুনি হোষ্টেলৰ ছাত্ৰসকলক অভিযুক্ত কৰিবলৈ আহিছে নেকি?'— এই প্ৰশ্নৰ লগে লগে সকলো ছাত্ৰই মাননীয় শৰ্মাৰ বক্তব্যৰ বিৰুদ্ধে মুখৰ হৈ উঠিল আৰু শেষত সকলোৱে সভাস্থলীৰ পৰা আঁতৰি নিজৰ নিজৰ কোঠালৈ সোমাই গ'ল। মাননীয় শৰ্মায়ো তেওঁৰ সহযোগীসকলক লৈ স্ব-স্থানে প্ৰস্থান কৰিলে। কোৱা বাহুল্য যে মাননীয় শৰ্মাৰ সিদিনাৰ মিটিংখনে হোষ্টেলত উত্তেজনা কম কৰক চাৰি বৃদ্ধিহে কৰিছিল।

এনে নানা ঘটনাৰ মাজেদি হোষ্টেলৰ আবাসীসকলে ১৯৬০ চনৰ ৪ জুলাইৰ এক ভয়াবহ লগ্নত সমৱেত হ'লহি। আমি যিসকলে ৰাজ্যভাষাৰ নামত, অসম-মাতৃৰ ভাষাজননীক ৰাজ্যৰ শীৰ্ষস্থানত প্ৰতিষ্ঠাপিত কৰাৰ নামত বঙালীবিৰোধী উগ্ৰতাৰ

উন্মাদনাত দিক্-বিদিক হেৰুৱাই খঙাল হৈ আছিলোঁ সেইসকলেও ৪ জুলাইৰ পৰিণতি সম্পৰ্কে ভাবিবই পৰা নাছিলোঁ। ঘটনাটো আৰম্ভ হ'ল এনেদৰে—

হোষ্টেলৰ ভাত খাই ১০ বজাত আমি ৰুমত জিৰণি লৈছোঁ মাত্ৰ, এনেতে মোৰ ৰুমৰ কাষৰতে থকা পাৰ্থ ভড়ালীয়ে প্ৰায় চিঞৰি চিঞৰি ক'লে— 'ডনবস্কোৰ দক্ষিণ ফালে ৰাস্তাত এজন অসমীয়া ল'ৰাক কোনোবাই মাৰপিট কৰিছে....।' এইদৰে কৈ পাৰ্থ ওলাই গ'ল, মই কথাষাৰ সুধিবলৈও সময় নাপালোঁ। নিজে ওলাই গ'লোঁ ৪ৰ্থ ব্লকৰ বাৰাণ্ডালৈ। হয়তো, তাত সকলোৱে তেনে কথাই আলোচনা কৰিছে, ৰাস্তালৈ চাওঁ যে ইতিমধ্যে এজাক ল'ৰা ওলাই গৈছেই; তেওঁলোকে গৈ হাতত লাঠী লোৱা এজন অসমীয়া কনিষ্টবলক কিবা-কিবি ধমক দিছে; কনিষ্টবলজনে কেৱল কৈছে— 'আপোনালোক যাওক, নহ'লে কথা বেয়া হ'ব।' ২ নং মেচৰ গে'টেৰে ওলাই গৈ মই কথাষাৰ শুনিলোঁ। কথাশুনি মোৰ দুগুণে খং উঠিল— 'কথা বেয়া হব!' দেখিলোঁ আমাৰ বন্ধু-বান্ধৱসকলে ইতিমধ্যে দোকানবিলাকত আক্ৰমণ কৰিছে। কোনো কোনো দোকানৰ আগত পকী ঘৰ সাজিবলৈ শিল ভৰ্তি কৰি থোৱাই আছিল, সেই শিল তুলি দোকানৰ দৰ্জা ভাঙিবলৈ ধৰিলে। মই দেখিলোঁ এয়েই সুযোগ! মোৰ ওচৰতে আছিল মৃদুল নামৰ এজন বলিষ্ঠ হোষ্টেলৰ ছাত্ৰ, তাক হাতত ধৰি টানি লৈ গ'লোঁ এটা নতুনকৈ সজোৱা খেৰী ঘৰৰ ভিতৰলৈ, দোকানবিলাকৰ শাৰীতেই লগ লাগি আছিল ঘৰটো। ভৰিৰে গোৰ মাৰি দুৱাৰখন খুলি ভিতৰ সোমালোঁ মই আৰু মৃদুল। ভিতৰত পালোঁ টেবুলৰ ওপৰত সজাই থোৱা এখন টেবুল ফেন; আমাৰ লগৰে কোনোবা এজনে ফেনখন আনি ৰাস্তাত থেকেচি থেকেচি ভাঙিলে। মই মৃদুলক ক'লোঁ— 'তোমাৰ হাতত দিয়াচলাই আছে, ওপৰত জুই জ্বলাই দিয়া। মৃদুলে দিয়াচলাই কাঠি জ্বলাই জুই জ্বলায়, নজ্বলে, অলপমান জ্বলিলেই নুমাই যায়। মই ততালিকে পিন্ধি থকা পাইজামাটোৰ (এখন ভৰিৰ অংশটো) একাংশ ফালি এটুকুৰা বাঁহৰ কামি পাই তাতেই পকাই জুইৰ মহলা কৰিলোঁ; মৃদুলে মোক দাঙি ওপৰলৈ তুলি ধৰিলে আৰু মই শুকান খেৰৰ চালত অগ্নিসংযোগ কৰিলোঁ। তৎক্ষণাৎ ওলাই আহিলোঁ দুয়ো; দেখোঁ দুৱাৰমুখত মোৰ এজন বন্ধু বসুমতাৰীয়ে এখন খোলা ডেগাৰ লৈ ৰৈ আছে, কিজানি আমাক কোনোবাই আক্ৰমণ কৰেই! দেখিলোঁ ঘৰৰ চালৰ পৰা ধোঁৱা ওলাইছে। 'মৃদুল গ".... এফালে আৰু মই টেলিফোন এক্সেঞ্জ অফিচৰ সমুখেদি দৌৰ মাৰিলোঁ; গৈ পৰিলোঁ সশস্ত্ৰ পুলিচৰ চলন্ত গাড়ীৰ আগত; তথাপি মই ৰোৱা নাই— ৪ৰ্থ ব্লকৰ বেৰৰ খুঁটি এটি বেঁকা কৰি থোৱা, মানুহ সোমাব পৰা বাট এটা আছে বহু পুৰণি কালৰ। মই তেনেকৈ হোষ্টেল সোমালোঁ। ৪ৰ্থ ব্লকৰ বাৰাণ্ডাত থিয় হৈছোঁ মাত্ৰ, এনেতে পুলিচৰ গুলীৰ শব্দ শুনিবলৈ ধৰিলোঁ। মই পুনৰ সেইফালে আগবাঢ়ি যোৱাটো বুদ্ধিমানৰ কাম নহয় ভাবি, ৫ম ব্লকৰ ফালেহে গ'লোঁ। অলপ পিছতে হাহাকাৰৰ শব্দ শুনিবলৈ ধৰিলোঁ। বহু ল'ৰাই ২ নং মেচৰ টেবুল টেনিছ

বোৰ্ডত বহি চাই আছিল বাহিৰৰ ঘটনাবোৰ, পুলিচে কেনেকৈ নিয়ন্ত্ৰণ কৰে। কিন্তু ক্ষুব্ধ পুলিচ বিষয়া 'পাব্বী'য়ে সেই বহি থকা ছাত্ৰবোৰৰ জুমলৈ গুলী কৰিলে আৰু হোষ্টেলৰ ভিতৰলৈ সশস্ত্ৰ পুলিচ বাহিনী সোমাই আহিল। আতংকিত ছাত্ৰসকল দৌৰি গৈ নিজৰ কোঠাত সোমাল প্ৰাণ ৰক্ষাৰ কাৰণে। কোঠাবোৰলৈ লক্ষ্য কৰিও গুলী চলালে। দুৱাৰ-খিৰিকীৰ কাঁচবোৰ থন্‌থনাই ভাগিবলৈ ধৰিলে।

কিজানি কোঠাৰ ভিতৰলৈ পুলিচ সোমাই আহেই, এই ভয়ত ছাত্ৰসকলে ভিতৰ ফালৰ পৰা দুৱাৰৰ খিলিবোৰ মাৰি দিলে। কিন্তু সেই সময়ত ভিতৰফালৰ বাৰাণ্ডাত দৌৰি আহি নিজৰ কোঠাৰ ভিতৰলৈ সোমাব খুজিলে শান্ত ল'ৰা ৰঞ্জিত বৰপূজাৰীয়ে। কিন্তু দুৱাৰ যে ভিতৰফালৰ পৰা বন্ধ। এই অৱস্থাত হোষ্টেলৰ ভিতৰত বাৰাণ্ডাত থিয় হৈ পুলিচে ৰঞ্জিতলৈ লক্ষ্য কৰি গুলী কৰিলে, গুলী পিছ মূৰত লাগিল আৰু হোষ্টেলৰ ভিতৰফালৰ পকী বাৰাণ্ডাত মুখ-থেকেচা খাই সি পৰি গ'ল; নাকেৰে-মুখেৰে হোহোৱাই ওলোৱা তপত তেজৰ সোঁত বৈ গৈ বাৰাণ্ডাৰ পৰা নৰ্দমালৈ নিজৰাৰ দৰে নামি গ'ল। অথচ ৰঞ্জিত কোনো গণ্ডগোলৰ লগতেই জড়িত নাছিল; আনকি হোষ্টেলৰ বাৰাণ্ডাৰ পৰা এখোজো বাহিৰৰ ৰাস্তালৈ গৈ 'কি হৈছে চাওঁ' বুলিও সি যোৱা নাছিল। যমদূতৰ দৰে পাব্বীয়ে সহজ-সৰল পাই তাকেই হত্যা কৰিলে। কাৰণ সি যে হোষ্টেলত থকা ছাত্ৰ।

সেই সকৰুণ দৃশ্য চাই চকুপানী মচি ৪ৰ্থ ব্লকৰ বাৰাণ্ডালৈ আহি চাওঁ যে মোৰ বন্ধু অমৃত ভট্টাচাৰ্যৰ বুকুত গুলী লাগিছে; তিনিচুকীয়াত অমৃতৰ ঘৰ; গুৱাহাটীৰ আইনজীৱী অনিল ৰতন বৰঠাকুৰৰ সি ভাগিনীয়েক। অমৃতে কেৱল কৈ আছে— 'মামাক খবৰ দিয়া।' থু পেলাইছে সি, তাতো তেজহে আহিছে। পৰিচৰ্যা কৰি ওচৰতে আছিল লুম্বেৰ দাই— সি কৈ উঠিল— 'অমৃতদা ভয় নকৰিব, আপুনি বাচিব নিশ্চয় আৰু যদি মৃত্যু হয় ছহিদ হৈও জীয়াই থাকিব।' উত্তেজনাৰ বশৱৰ্তী হৈ কোনে কি কৈছিল হয়তো নিজেই ক'ব নোৱাৰে। সেই হাহাকাৰৰ সময়ত আমাৰ মাজত কেৱল সাংসদ হেম বৰুৱা গৈ উপস্থিত হৈছিল। তেওঁৱেই কলেজ অফিচলৈ গৈ অধ্যক্ষৰ ফোন হাতত লৈ উপায়ুক্তক কঠোৰ ভাষাত জনাইছিল আহতসকলক হস্পিটেললৈ নিয়াৰ বাবে তুৰন্তে ব্যৱস্থা ল'ব লাগে। সেই মতেই আহতসকলক হস্পিটেললৈ নিয়াৰ কামবোৰ হৈ গ'ল। সেই বিপদৰ সময়ত সাংসদ হেম বৰুৱাক পাই আমি মনত সাহস পাইছিলোঁ।

সেই সময়ত ২ নং মেচত পুলিচে যে জধে-মধে বলিয়াৰ দৰে গুলী চলাইছিল সেই কথা বুজা গৈছিল। নেত্ৰ দাসে ভাত খাই নিজৰ কোঠাৰ বিচনাত শুইছিল আৰু খোলা খিৰিকীখনেদি ৰ'দ পৰিছে বাবে তাতে ভৰি দুখন তুলি থৈছিল। পুলিচৰ গুলী গৈ নেত্ৰ দাসৰ ৰ'দ পৰি থকা ভৰিৰ গাঁঠিত লাগিছিল, চিএৰ মাৰি নেত্ৰ মজিয়াত বাগৰি পৰিছিল। কথা পাতি থিয় হৈ থকা নগাঁৱৰ ভূপেন শৰ্মাৰ থুতৰিত গুলী লাগি ছাল ফাটি গৈছিল, সামান্য ইফাল-সিফাল হ'লেই হয়তো তাৰ ডিঙি উফৰি গ'লহেঁতেন।

গোলাঘাটৰ শকত-আবত ৰুদ্ৰ গোহাঁই আহত হৈছিল; আহত হৈছিল উত্তৰ লখিমপুৰৰ সুস্থ-সবল, উজ্জ্বল বৰণৰ ডেকা ল'ৰা তিলক হাজৰিকা। হোষ্টেলত চিঞৰ-বাখৰ আৰু কান্দোনৰ ৰোল উঠিছিল।

সেই একে সময়তেই গুৱাহাটীৰ উপায়ুক্তক কাৰ্যালয়তেই এজন কৰ্মচাৰীয়ে ছুৰীকাঘাত কৰিছিল। কিন্তু আঘাত বেছি নহ'ল বাবে তেওঁ ৰক্ষা পৰিল। এই ঘটনাবোৰ সংবাদ-পত্ৰৰ মাধ্যমেদি প্ৰচাৰ হোৱাত সমগ্ৰ অসম জোকাৰি দিছিল। অসমত সেইবাৰেই সৰ্বপ্ৰথম শাসক দলে 'সান্ধ্য আইন' বা 'কাৰ্ফিউ' জাৰি কৰি জনসাধাৰণক দমন কৰিবলগীয়া হৈছিল। শুনিছিলোঁ যে বহুত চৰকাৰী বিষয়াই 'কাৰ্ফিউ' মানে কি বুজাই নাছিল; তাকে লৈ বহুতো ভদ্ৰলোক আৰু বিধায়কো হাঁহিয়াতৰ পাত্ৰ হৈছিল হেনো।

সেই ৰক্তাক্ত দিনটো পাৰ হৈ গ'ল। ৰঞ্জিত বৰপূজাৰীৰ মৃতদেহ এখন ট্ৰাকত লৈ চৰকাৰে তেওঁৰ ঘৰলৈ পঠিয়াই দিলে; অৱশ্যে সেই মৃতদেহ শেষবাৰৰ বাবে ২ নং মেচৰ সমুখত এখন্তেক ৰাখিলে। আমি একাজলিকৈ বগা ফুল মৃতদেহত অৰ্পণ কৰি সেৱা জনাই বিদায় দিলোঁ। ছহিদ ৰঞ্জিত বৰপূজাৰী! আমাৰ মনবোৰ শোকে-দুখে শাওণ মাহৰ ক'লা মেঘৰ দৰে বিমৰ্ষ হৈ পৰিছিল।

৪ জুলাইৰ ঘটনাই আমাৰ মন আৰু মগজু সমানেই যেন বিকল কৰি দিছিল; গধূলি হৈ অহাৰ লগে লগে আমাৰ হোষ্টেলবাসীসকলৰ মন ভয়ত কঁপিবলৈ ধৰিলে, এক আতংকৰ ছায়াই ২ নং মেচ আৰু ৩ নং মেচ নীৰৱ নিস্তব্ধ হৈ পৰিল, অথচ বহু ছাত্ৰই আমি একেলগে আছোঁ। কোনো কোনোৱে প্ৰকাশ কৰিলে যে দিনত যি দেখিলোঁ সেয়া সঁচা আৰু সশস্ত্ৰ পুলিচ দেখি দৌৰি পলাই সাৰিবৰ সুযোগো পালোঁ; কিন্তু ৰাতি যদি পুলিচ আহি হোষ্টেলত পুনৰ কিছুমানক ধৰি লৈ যায়, নাইবা যদি আকৌ গুলীবৰ্ষণ কৰে তেতিয়া কি হ'ব? এই আতংক গোটেই হোষ্টেলত বিয়পি গৈছে। আমি কেইজনমানে ভাবিলোঁ যে এই ভয় কোনোবাই প্ৰচাৰ কৰিছে। ঠিক হ'ল যে আমি এদলে ৰাতি হোষ্টেলত পহৰা দিম; হাতত থাকিব দা বা লাঠি; সকলোৱে নিৰ্ভয়ে শোৱক। আৰম্ভ হ'ল নতুন এক দৃশ্য। ময়ো সাৰে আছোঁ আমাৰ ৩ নং মেচত। ক'তো একো গণ্ডোগোল নাই; নীৰৱ-নিস্তব্ধতা চলি আছে। ৪ৰ্থ ব্লকৰ বাৰাণ্ডাৰ কাষৰ ৰুমটোত বন্ধু অতুল শৰ্মা শুই আছে। তেওঁ সেইদিনা নিজৰ কোঠাত থকা নাছিল, কাৰণ ৰুমমেট দুজন নাই। গভীৰ ৰাতি মোৰ মনত কি দুষ্টালি এটা খেলিলে জানো, পহৰাৰ দলত আছোঁ। ওচৰতে এজোপা আমগছৰ পুলি আছিল। তাৰে কেইটামান পাত আৰু সৰু ডাল এটা খিৰিকীৰে অতুল শৰ্মাৰ আঁঠুৱাৰ ওপৰত জাপি দিলোঁ। এটা খেৰ খেৰ শব্দ হ'ল; জাঁপ মাৰি সাৰ পালে অতুল শৰ্মা আৰু লগে লগে এক বিকট চিঞৰ মাৰিবলৈ আৰম্ভ কৰিলে। গোটেই হোষ্টেল সাৰ পাই উঠিল; মই তৎক্ষণাৎ সৰু আমৰ ডালটো আঁঠুৱাৰ ওপৰৰ পৰা দূৰলৈ দলিয়াই দিলোঁ, এটাও পাত নোহোৱা কৰিলোঁ আৰু সুধিলোঁ— 'শৰ্মা কি হৈছে?'

তেওঁ ক'লে— 'মোৰ বিছনাত কিবা এটা উঠিছিল।' মই ক'লোঁ— 'আপুনি মিছাতে ভয় খাইছে, আমি পহৰা দি ইয়াতেই আছোঁ। একো ভয় নাই শুই থাকক।' তেওঁক শুৱাই থ'লোঁ, বাকী হোষ্টেলবাসী বন্ধুসকলক জনালোঁ যে তেওঁ সপোন দেখি চক্ খাইছিল, অন্য একো নাই।' সেই সময়ত ছুপাৰিণ্টেণ্ডেণ্ট ড° ডম্বৰুধৰ গগৈ হোষ্টেললৈ আহিব খুজিছিল; আমি বাধা দিলোঁ ছাৰক। 'অতুল শৰ্মাই কিবা বেয়া সপোন দেখি চিঞৰিছিল 'ছাৰ', অন্য একো ভয় নাই।' অতি সৰল মনৰ 'ছাৰ' ডম্বৰুধৰ গগৈ, সকলোৰে প্ৰতি মৰমিয়াল। তেখেত নিজ কোৱাৰ্টাৰলৈ সোমাই গ'ল। অন্তৰেৰে তেখেতক সেৱা এটি জনালোঁ। আজিও তেখেতৰ মৰমৰ মাতবোৰ পাহৰা নাই।

৪ জুলাইৰ ঘটনাই সকলোকে জোকাৰি দিছিল সঁচা, কিন্তু তাৰেই ভিতৰত আমি বঙালীৰ ঘৰত শিলগুটি মাৰি সন্ত্ৰাসৰ সৃষ্টি কৰি অসমীয়া ভাষাক ৰাজ্যভাষা ৰূপে প্ৰতিষ্ঠা কৰাৰ যিখন ছায়া-যুদ্ধ পাতিছিলোঁ সেইসকলৰ মগজু আৰু মানসিকতা অতি উত্তেজিত হৈ থাকিল। পঢ়া-শুনা কৰিব নোৱাৰোঁ, ৰাতি শুলেই পুৱা উঠাত খুবেই পলম হৈ যায়, চকু ৰঙা পৰি থাকে, ইতিমধ্যে বন্ধুসকলে গা-পা ধুই ক্লাছলৈ গৈছেই। অমনযোগী হ'লোঁ, অস্থিৰতা আহিল আৰু মনৰ দৃঢ়তাও কমি গ'ল। ফলত পঢ়া-শুনাৰ ফালে পিঠি দিছিলোঁ। আহতসকল সুস্থ হ'ল, অমৃত ভট্টাচাৰ্যও সুস্থ হৈ উঠিল।

আমি ভাবিছিলোঁ ৰাজ্যভাষাৰ নামত আৰু অসমৰ শত্ৰু বঙাল খেদাৰ যুদ্ধত আমাৰ দৰে ছাত্ৰক পুলিচে গুলী কৰি হত্যা কৰিলে; ইমান ডাঙৰ ঘটনা এটাৰ পিছত গুৱাহাটী বিশ্ববিদ্যালয়ে নিশ্চয় পৰীক্ষা পিছুৱাই নিদিবনে? দিব নিশ্চয়, তেতিয়াহ'লে আমি, অৰ্থাৎ দেশপ্ৰেমিককেইজনে পঢ়া-শুনা কৰি পৰীক্ষা দিব পাৰিম। কিন্তু বিশ্ববিদ্যালয়ে আমাৰ প্ৰতি অকণো সহানুভূতি নেদেখুৱাই সোনকালেই পৰীক্ষা পাতি দিলে। দিওঁ নিদিওঁকৈ পৰীক্ষাত বহিলোঁ; কিন্তু স্নাতক পৰীক্ষাত অকৃতকাৰ্য হ'লোঁ; মোৰ প্ৰিয় বন্ধু বসুমতাৰীৰো একেই অৱস্থা হ'ল। যিসকলক আমি মনে মনে 'কবিৰাজ' বুলি ইতিকিং কৰিছিলোঁ আৰু প্ৰতিভাশালী ছাত্ৰ বন্ধুসকলে একেজাঁপেই স্নাতক পৰীক্ষাৰ দেওনাখন পাৰ হৈ গ'ল। পৰীক্ষাত অকৃতকাৰ্য হৈ বিষাদ আৰু ব্যৰ্থতাৰ মনোভাব লৈ ৩য় নং মেচৰ সপোনপুৰী এৰি এদিন ক'লা ট্ৰাংকটো ৰিক্সা এখনত তুলি কটন কলেজৰ দুৱাৰডলিত আৰু ৩য় নং মেচৰ বাৰাণ্ডাক সেৱা জনাই ওলাই আহিলোঁ। ১৯৬১ চন এনেকৈয়ে পাৰ হ'ল।

হোষ্টেল ত্যাগ কৰি মই থাকিলোঁ পল্টন বজাৰৰ 'অসম হোটেল'ত। আন আন বন্ধুসকল থাকিল পাণবজাৰৰ 'আনন্দ লজ' হোটেলত। ১৯৬২ চনত অনিবাৰ্যভাৱে পৰীক্ষা পাছ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ত দুবছৰ থাকি, ১৯৬৪ চনত স্নাতকোত্তৰ পৰীক্ষা পাছ কৰি চাকৰি-চিকাৰী হৈ কিছুদিন ঘূৰি ফুৰাৰ পিছত আকাশবাণী গুৱাহাটী কেন্দ্ৰত, অসম প্ৰকাশন পৰিষদত আৰু শেষত মহাবিদ্যালয়ত ৩৫ বছৰ শিক্ষকতা কৰি চাকৰি জীৱনো সামৰিলোঁ।

বন্ধু কেইবাজনেও চাকৰিত বহু ওপৰলৈ গ'ল জখলা বগাই। প্ৰায় অৰ্ধ-শতাব্দী কালৰ নানা ধুমুহাৰ মাজতো জীৱন-ডিঙা বাই আহি আছোঁ। কিন্তু পাহৰিব পৰা নাই ৩ নং মেচৰ মধুৰ্যময় দিনবোৰ, হাঁহিবোৰ, আৰু বন্ধু সকলোকে পাহৰা নাই আৰু কোনোমতে বন্ধুসকলক পাহৰিবও নোৱাৰি। কানাডাত আছে অতুল শৰ্মা, আৰু কোন ক'ত আছে ঠিকনা নাপাওঁ, কিন্তু তেওঁলোক মোৰ মানস জগতত আছে; যিসকল মহাকালৰ গ্ৰাসত অনন্ত নিদ্ৰাত নীৰৱ হৈছে তেওঁলোকৰ খবৰ শুনি ৰুমালেৰে চকুপানী মচোঁ।

এনেদৰেই ব্ৰহ্মপুত্ৰৰ বুকুৰেদি বহু পানী বাগৰি গ'ল। ১৯৬৪ চনৰ পিছৰ পৰা ছাত্ৰ জীৱনৰ বন্ধু-বান্ধৱসকলৰ সংস্পৰ্শ প্ৰায় নাইকিয়া হ'ল। ময়ো নানা সাংসাৰিক চিন্তাত উটি-ভাহি ফুৰিবলৈ ধৰিলোঁ। তথাপি মনৰ ভিতৰত দেশপ্ৰেমেই বোলক, বা ৰাজনৈতিক চিন্তাকেই বোলক তুঁহ জুইৰ দৰে টিমিক-টামাককৈ একুৰা জুই জ্বলি থাকিল। এৰি অহা অতীতৰ ঘটনাৱলীবোৰ মনৰ ভিতৰত ফঁহিয়াই ফঁহিয়াই চাই চাই আত্মসমালোচনা কৰিবলৈ ললোঁ। এই ক্ষেত্ৰত দুজন অভিজ্ঞ ৰাজনৈতিক নেতৃস্থানীয় কৰ্মীৰ লগত মোৰ মতাদৰ্শগত তীব্ৰ বাদ-বিসম্বাদ চলি আছিল। তেওঁলোকে মোৰ যুক্তিতৰ্কবোৰ বাস্তৱ জীৱনৰ অৰ্থনৈতিক সমস্যাৰ লগত চালি-জাৰি চাবলৈ আহ্বান জনালে। তেওঁলোক দুজনে মোক ক'লে— 'অসমৰ ৰাজ্যভাষা অসমীয়া হ'ল বাংলাভাষী মুছলমান ভাইসকলৰ সমৰ্থনত, তেওঁলোক নহ'লে অসমীয়াভাষীসকল সংখ্যালঘুত পৰিণত হ'লহেঁতেন। বঙালী হিন্দুসকল অসমলৈ আহিছে ভাৰত-পাকিস্তান বিভাগৰ ফলস্বৰূপে, পাকিস্তানত মুছলমান সাম্প্ৰদায়িকতাবাদী অপশক্তিবোৰে হিন্দু বিতাড়ন কৰাত লাগিছে আৰু তুমিও গুৱাহাটীত হিন্দু বঙালী খেদাত লাগিছিলা। গতিকে ভাবা, সৰ্বসাধাৰণ বঙালী হিন্দু মানে চৰম নিৰ্যাতিত ভগনীয়া মানুহৰ দল; ভাৰত স্বাধীন হ'বলৈ যাওঁতে এই হিন্দু আৰু মুছলমান উভয় সম্প্ৰদায়ৰ গৰিব মানুহখিনিক বলি দিবলগীয়া হৈছে; আৰু তুমি সেই বঙালীৰ ঘৰত জুই দিবলৈ গৈছিলা ছিঃ! ছিঃ! ছিঃ! তোমালোক ব্ৰিটিছৰ ষড়যন্ত্ৰৰ বলি হৈছা।'

এই কথাবোৰ উত্তৰ মোৰ মনৰ ভিতৰত নাছিল। সেই সময়ত গোৰেশ্বৰত হিন্দু বঙালী হত্যাত লাগিছিল অসমৰ ডাঙৰ ডাঙৰ নেতাবোৰে। এই যুক্তি তৰ্কৰ তথ্য আৰু তত্ত্ববোৰে মোৰ মনৰ জগতখন সলাই পেলালে। মই আৰু এতিয়া অসমীয়া জাতীয়তাবাদী বা হিন্দু জাতীয়তাবাদীও নহওঁ। মই বৰ্তমান মানৱতাবাদী। গণতন্ত্ৰত বিশ্বাসী সৰ্বসাধাৰণ মানুহৰ জীৱন যুঁজতহে মই আছোঁ। তাকো সন্ত্ৰাসবাদী পদ্ধতিৰ বিৰুদ্ধে চলিছোঁ।

এতিয়া মই পূৰ্বৰ কলেজীয়া ছাত্ৰ হৈ থকাৰ সময়ত যিবোৰ বঙালীবিৰোধী হিংসাত্মক আৰু সন্ত্ৰাসবাদী কাম কৰিছিলোঁ তাৰ বাবে নিজেই আজি অনুতপ্ত। সকলোতকৈ বেছি দুখ লাগি থাকে এই বুলি যে মোৰ এই ধ্বংসাত্মক আৰু হিংসাত্মক কাণ্ডবোৰৰ ফলতেই ৰঞ্জিত বৰপূজাৰীৰ মৃত্যু হ'ল। কেইবাজনো ছাত্ৰবন্ধু পুলিচৰ গুলীত আহত হ'ল। অথচ মই আৰু মোৰ সহযোগী এজনো আহত নোহোৱাকৈ শুকান গাৰেই সাৰি আহিলোঁ। ইয়াতকৈ দুখৰ

কথা আৰু কি হ'ব পাৰে। এইবোৰ অনুশোচনাই মনটো দুঃখিত কৰি তোলে।

কটন কলেজৰ শতবাৰ্ষিকীত হোৱা নানা অনুষ্ঠানত যোগ দিয়াৰ ইচ্ছা থকাতো মন খুলি যোগ দিব নোৱাৰিলোঁ। দুখ আৰু অনুতাপৰ ভাৰ বৈ বৈ এইবোৰ অনুষ্ঠানত যোগ দিয়াতো সম্ভৱ নহয়। সেই কাৰণে ঠিক কৰিলোঁ যে যিবোৰ হিংসাত্মক কাম সেই সময়ত কৰিছিলোঁ সেইবোৰ লুকুৱাই নাৰাখি মুকলিকৈ প্ৰকাশ কৰাটো উচিত। ইয়াৰ বাবে মোক যদি কোনোবাই তীব্ৰ সমালোচনা কৰে বা চৰম গৰিহণা দিয়ে তাৰ বাবে মই সাজু হৈ থাকিব লাগিব। কাৰণ তেনে শাস্তি মোৰ প্ৰাপ্য।

আনহাতে যিটো অঞ্চলৰ বঙালী ৰাইজৰ ঘৰ-দুৱাৰ জ্বলাই দিবলৈ মই এটি খেৰী ঘৰত সোমাই নিজে পিন্ধি থকা পাইজামাটোৰ একাংশ ফালি কামি এডালত পকাই জুইৰ মহলা কৰি ঘৰৰ চালত অগ্নি সংযোগ কৰিছিলোঁ সেই অমানৱীয় পদক্ষেপৰ বাবে সেই ৰাইজৰ আগত এই কথা প্ৰকাশ কৰি তেওঁলোকৰ ওচৰত মই নিজে আজি প্ৰায় অৰ্ধ-শতাব্দী কাল পিছত মোৰ আজিৰ সত্তাই সেই তাহানিৰ অতীতৰ মোৰ কগ্ন প্ৰতিক্ৰিয়াশীল সত্তাক ইতিহাসৰ আদালতত থিয় কৰাই দোষী সাব্যস্ত কৰিছে। ৰাইজে মোক শাস্তি দিলে মই মূৰ পাতি ল'ব লাগিব।

আচৰিত কথা এটি এতিয়া ওলাই পৰিছে যে মই যিটো খেৰীঘৰত জুই দিছিলোঁ সেই ঘৰটো কাৰো বাসগৃহ নাছিল। সেই ঘৰটো আছিল সেই সময়ৰ প্ৰায় ৫৪টা শ্ৰমিক সংগঠনৰ যোগাযোগৰ কেন্দ্ৰ আৰু ক্ষুদ্ৰ কাৰ্যালয়; তাৰ ভিতৰত প্ৰধান আছিল ডাক-তাঁৰ বিভাগৰ শ্ৰমিক সংগঠন। সেই জুইৰ পৰা কাৰ্যালয়টো ৰক্ষা কৰিবলৈ ক'ৰবাৰ পৰা দৌৰি আহিছিল এগৰাকী কলা-সংস্কৃতিৰ সংগঠনৰ নেতৃস্থানীয় কৰ্মী হেম শৰ্মা। তেওঁ পানী ঢালি ঢালি জুই নুমুৱাবলৈ অহোপুৰুষাৰ্থ কৰিছিল আৰু এই ঘটনাৰ কথা শুনি কৃষক সংগঠনৰ কৰ্মী অনিল ৰায় চৌধুৰী দৌৰি আহি হেম শৰ্মাৰ লগত পানী ঢালি ঢালি অগ্নিনিৰ্বাপক বাহিনীৰ দায়িত্ব বহন কৰিছিল। খেৰী ঘৰটোৰ ক্ষতি হ'লেও সম্পূৰ্ণ ভস্মীভূত নহ'ল। জুই দ্ৰুতগতিত জ্বলাহেঁতেন ভাৰতীয় গণ-নাট্য সংঘৰ কাৰ্যালয়ো পুৰি ছাই হৈ গ'লহেঁতেন।

গোটেই ঘটনাটো আকস্মিক হ'লেও এই কথাটোৱেই প্ৰতিপন্ন হয় যে যিসকলে উগ্ৰ জাতীয়তাবাদ আৰু সাম্প্ৰদায়িকতাবাদৰ নামত সমাজত অত্যাচাৰ চলায় সেই শক্তিবোৰে শ্ৰমিক-কৃষক আৰু প্ৰগতিশীল সামাজিক শক্তিবোৰৰ সংগঠন ধ্বংস কৰিবলৈ আগবাঢ়ি যায়, জ্ঞাতসাৰেই হওক বা অজ্ঞাতসাৰেই হওক। ১৯৬০ চনত নিজে ঠিক স্পষ্টকৈ নজনাকৈয়ে তেনে এক প্ৰতিক্ৰিয়াশীল শক্তিৰ দ্বাৰাই মই পৰিচালিত হৈছিলোঁ। মই গভীৰ অপৰাধত অভিযুক্ত যে হৈছোঁ সেয়া সম্পূৰ্ণ সত্য।

অতীতৰ স্মৃতিয়ে মোক আজিৰ ইতিহাসৰ আদালতত এইদৰেই অভিযুক্ত কৰিছে।□

কেইটামান সময়ৰ ভাগত কটন কলেজ

ড° পৰমানন্দ মহন্ত

কটন কলেজে কিমান দিনৰ পৰা মোৰ মানসপট অধিকাৰ কৰি আছে সেই বিষয়ে সঠিককৈ ক'ব নোৱাৰিম। কিন্তু কলেজখনক অতি ওচৰৰ পৰা চাবলৈ পাইছোঁ তিনি কুৰি বছৰ তিনিটা অৱস্থাত ঃ প্ৰথম অৱস্থাত লগ পোৱা কটন কলেজখন ১৯২৯-৩৩ চনৰ মোৰ মানস চক্ষুৰে পোৱা বুলি ক'লেহে অধিক শুদ্ধ হ'ব, দ্বিতীয়বাৰ ১৯৫৭-৬৪ চনৰ সময়ছোৱা আৰু তৃতীয়বাৰ ১৯৮৮-৯৩ চনৰ সময়ছোৱা। নক'লেও হ'ব, এটা জীৱনকালত এই তিনি কুৰি বছৰৰ ব্যৱধানত পোনপটীয়াকৈ কলেজখনৰ লগত জড়িত থকা সম্ভৱ নহয়। অথচ এই তিনিটা সময়ৰ কলেজখনে মোৰ অভিজ্ঞতাত আঁচোৰ মাৰি গৈছে।

১৯২৯ চনৰ পৰা চাৰি বছৰ কাল মোৰ দেউতা কলেজখনৰ ছাত্ৰ আছিল। তেওঁৰ মুখৰ পৰা পৰৱৰ্তী সময়ত আমি কটন কলেজৰ স্মৃতি ৰোমন্থনৰ পৰা কলেজখনৰ গুণ-গৰিমা, ঐতিহ্য-বৈভৱ সকলোবোৰ শুনিবলৈ পাইছিলোঁ। তেওঁৰ মুখত শুনিবলৈ পোৱা নামবোৰ ইতিমধ্যে আমাৰ স্মৃতিত একো একোজন বিয়াগোম পুৰুষৰূপে খোদিত হৈ গৈছে— বাণীবাবু, ৰাধাবাবু, পি চি ৰয়, প্ৰিন্সিপাল টমচন আৰু অনেকৰ নাম (পাহৰি গৈছোঁ সেই নমস্য শিক্ষকসকলৰ নাম)। কিন্তু মনত বৈ গৈছে একো একোটা চৰিত্ৰ— একো একোজন গুণী-জ্ঞানী, শ্ৰদ্ধেয় শিক্ষকৰ শিক্ষকতাই— যাৰ সৰ্বস্ব গৌৰৱ, জ্ঞান-তাপসীৰ কৃচ্ছ্ৰসাধন। তাৰ মাজতো খেলা-ধূলাৰ প্ৰতি সততে চকু ৰখা, কলেজৰ ছাত্ৰ-ছাত্ৰীৰ ওপৰত কলেজৰ বাহিৰৰ সময়তো সদাসতৰ্ক নিক্ষিপ্ত দৃষ্টি—এইসকল শিক্ষক গোটেই ছাত্ৰ-ছাত্ৰীৰ অভিভাৱক স্বৰূপ আছিল। আৰু ছাত্ৰ-ছাত্ৰীবোৰনো কেনে আছিল? সাজ-পোছাক পৰিপাটি আছিল হয়, কিন্তু ধুতী-পাঞ্জাবীৰ প্ৰাধান্য আছিল। ভৰিত সামান্য এযোৰ চেণ্ডেল। বাহ্যিক প্ৰদৰ্শনৰ চেষ্টা এইসকলৰ নাছিল। অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ একমাত্ৰ কলেজ তেতিয়ালৈকে এই সমগ্ৰ অঞ্চলটোৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান,

যাৰ জৰিয়তে তেওঁলোকে লাভ কৰিছিল আধুনিক সময়ৰ খাপ খোৱা বিভিন্ন বিষয়সমূহ। বিৰল ভাগ্য বুলিয়েই এইসকল ছাত্ৰ-ছাত্ৰীয়ে ধৰি লৈছিল তেওঁলোকৰ কলেজীয়া শিক্ষাক। তেওঁলোকে ভালদৰে জানিছিল তেওঁলোক য'ৰ পৰা আহিছে সমগ্ৰ অসমৰ বিভিন্ন গাঁও-ভূঁই, নগৰ-চহৰ অঞ্চলৰ লোকে তেওঁলোকৰ ওপৰত প্ৰচণ্ড আশা পুহি ৰাখিছে। তদুপৰি এতিয়াৰ তুলনাত অনেক সৰু হ'লেও অসমৰ একমাত্ৰ ডাঙৰ চহৰৰ পৰিৱেশত তেওঁলোকে কলেজৰ মাজত লগ পালে অসমৰ চৌদিশৰ ছাত্ৰ-ছাত্ৰীক। সকলোকে এক নিবিড় আত্মীয়তাৰ ডোলে ক্ৰমাৎ বান্ধি পেলাইছিল। ছাত্ৰৰ মাজত বিৰাজ কৰিছিল সৌহাৰ্দ্যমূলক সম্পৰ্কৰ, শিক্ষকৰ অপৰিসীম স্নেহৰ অনুভৱ ছাত্ৰসকলে লাভ কৰিছিল। শিক্ষকৰ প্ৰতিও আছিল ছাত্ৰৰ, অকল ছাত্ৰৰে নহয়, সমগ্ৰ সমাজখনৰে অকুণ্ঠ বিনীত শ্ৰদ্ধা।

প্ৰায় ত্ৰিশ বছৰৰ মূৰত ১৯৫৭-৬১ চনৰ কটন কলেজৰ অভিজ্ঞতা পোন্‌পটীয়াকৈ ছাত্ৰ হিচাপে পাওঁ। ভাৰত তেতিয়া এখন স্বাধীন ৰাষ্ট্ৰ। স্বাধীনতা প্ৰাপ্তিৰ আনন্দৰ উজ্জ্বলতা স্তিমিত। কিয়নো তেল শোধনাগাৰ স্থাপন সম্পৰ্কে ইতিমধ্যে ছাত্ৰসকল আন্দোলনত জঁপিয়াই পৰিল। এতিয়াও সন্দেহ হয়, সেয়া ছাত্ৰৰ স্বতঃস্ফূৰ্ত আন্দোলন আছিল নে বাহিৰৰ ৰাজনৈতিক শক্তিৰ হাতৰ পুতলা। কিন্তু অৱস্থাৰ দ্ৰুত পৰিবৰ্তন স্পষ্টৰূপে চিত্ৰিত হৈছিল— ছাত্ৰ-ছাত্ৰী আগৰ দৰে নিৰীহ হৈ থকা নাছিল, সাজ-পাৰত ক্ৰমাৎ বাঢ়ি অহা ব্যৱধান আৰু বৈচিত্ৰ্য চকুত পৰা হৈ আহিছিল। শিক্ষকৰ প্ৰতি শ্ৰদ্ধা-ভক্তি প্ৰায় অটুট আছিল, কিন্তু সেই ক্ষেত্ৰতো পৰিবৰ্তনৰ আসন্নতা অনুভূত। আমাৰ সময়ৰ আটাইতকৈ ডাঙৰ ঘটনা—কটনৰ হোষ্টেলত ছাত্ৰৰ তেজ। ৰাষ্ট্ৰৰ হিংসা সেই প্ৰথমবাৰৰ বাবে ৰাজ্যখনৰ আটাইতকৈ পুৰণি আৰু সম্ভ্ৰান্ত কলেজখনৰ হোষ্টেলৰ মাজমজিয়াত আমি প্ৰত্যক্ষ কৰিলোঁ। শোধনাগাৰৰ দাবীত দীক্ষিত স্বাধীন ভাৰতৰ অসমৰ ছাত্ৰই এইবাৰ হয়তো সামাজিক নেতৃত্বলৈ আৰু এখোজ পেলালে। ৰাজ্যভাষা আন্দোলনে গোটেইখন তহিলং কৰিলে। অসমীয়া সমাজৰ নেতৃত্বৰ দুৰ্বলতা আকৌ এবাৰ প্ৰদৰ্শিত হ'ল—ছাত্ৰৰ সংখ্যাগত শক্তিক কামত লগোৱা হ'ল। অসমৰ চেহেৰা সলনি হৈ গ'ল। জাতি-গোষ্ঠীৰ মাজৰ সম্পৰ্কত টান পৰিল। ইয়াৰ মাজতে হোষ্টেলৰ এটা ঘটনাই চঁক খুৱাইছিল। হিন্দু সমাজৰ জাত-পাতৰ ধাৰণাই কেনেকৈ পাহাৰী জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীক আঘাত কৰিছিল, তাৰো উমান পালোঁ। অসমৰ আটাইতকৈ সম্ভ্ৰান্ত উচ্চ শিক্ষাৰ অনুষ্ঠান হ'লেও কটন কলেজ তেতিয়া একমাত্ৰ অনুষ্ঠান নাছিল। পাহাৰে-ভৈয়ামে অন্যান্য কলেজ গঢ়ি উঠিছিল। তদুপৰি গুৱাহাটী বিশ্ববিদ্যালয়েও উচ্চতৰ শিক্ষাৰ পাতনি মেলিছিল। এইবোৰেও হয়তো শিক্ষক আৰু ছাত্ৰৰ মাজৰ সম্পৰ্কত প্ৰভাৱ পেলাইছিল। অৱশ্যে তেতিয়া অসমৰ বিভিন্ন প্ৰান্তৰ পৰা ছাত্ৰীৰ সোঁত কটনলৈ বৈয়েই আছিল, তেতিয়াও কটন কলেজ আছিল বৰ অসমৰ বিভিন্ন প্ৰান্তৰ যৌৱনৰ মিলনভূমি।

কিন্তু মাথোন দুবছৰৰ বিৰতিৰ পিছত শিক্ষক হিচাপে অতিবাহিত কৰা এটা বছৰত

নতুন অভিজ্ঞতা লাভ কৰিলোঁ। গোটেইখন যেন অতি দ্ৰুতভাৱে সলনি হৈ আহিছে। ছাত্ৰ আৰু শিক্ষকৰ জীৱন যেন দুটা কম্পাৰ্টমেণ্টত ভাগ হ'বলৈ ধৰিছে। গুৱাহাটীয়ে চহৰ হিচাপে আয়তন আৰু ওজন লাভ কৰিছে— শিক্ষকৰ আবাসস্থল ক্ৰমাৎ দূৰলৈ যোৱাৰ লগে লগে কলেজখনৰ লগত সম্পৰ্কও যেন শিথিল হৈ আহিছে। ইতিমধ্যে চীনৰ আক্ৰমণ, ব্ৰহ্মপুত্ৰৰ দলং আদি ঘটনাও ঘটি গ'ল। স্বাধীনতাৰ পিছত এচাম লোকে লাভ কৰা ঐশ্বৰ্য-বিভূতিৰ চমক ছাত্ৰ-ছাত্ৰীৰ চাল-চলন, সাজ-পাৰকে আদি কৰি বিভিন্নধৰণে প্ৰদৰ্শিত হোৱা দেখা গ'ল। শিক্ষকৰ মাজৰ পৰাও কেইবাগৰাকীও শিক্ষকতাতকৈ এডমিনিষ্ট্ৰেচনৰ পদলৈ আঁতৰি গ'ল। শিক্ষকতাৰ লগত জড়িত পূৰ্বৰ ধাৰণাসমূহৰ দ্ৰুত পৰিৱৰ্তন ঘটিল। ছাত্ৰ আৰু শিক্ষকৰ মাজত সমূহীয়াকৈ থকা নিবিড় সম্পৰ্ক ক্ৰমাৎ শিথিল হ'ল। হয়তো বৰ্ধিত জনসংখ্যা, নগৰীকৰণৰ হেঁচা, গতানুগতিক শিক্ষাৰ সীমাবদ্ধতা আদিয়েই ইয়াৰ কাৰণ।

কটন কলেজৰ লগত হোৱা শেহতীয়া অভিজ্ঞতা ১৯৮৮-৯৩ চনৰ সময়ছোৱাত। এইবাৰ এগৰাকী কটনিয়ানৰ পিতৃ হিচাপে কটন কলেজক চোৱাৰ অভিজ্ঞতা হ'ল। ৰাজ্যখন ইতিমধ্যে ৰাজনৈতিকভাৱে বিভিন্ন খণ্ডত ভাগি গ'ল। অনেক ধুমুহা পাৰ হৈ গ'ল। ঐতিহাসিক আখ্যা পোৱা অসম আন্দোলনে ছাত্ৰশক্তিক ৰাজশক্তিলৈ নিলে। এতিয়া সকলো শিক্ষানুষ্ঠানতে হোৱাৰ দৰে কটন কলেজতো দুতৰপীয়া শাসন, এফালে অধ্যক্ষৰ কাৰ্যালয়, আনফালে ইউনিয়ন হল। ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকৰ, শিক্ষকৰ ভূমিকা নাইকিয়া হ'ল। কিন্তু অন্যান্য শিক্ষানুষ্ঠানত হোৱাৰ দৰে শিক্ষাদানৰ অৱনতি ঘটা নাছিল। তথাপি প্ৰাইভেট টিউচনৰ প্ৰাদুৰ্ভাৱে অবাক কৰিলে। বিশেষকৈ বিজ্ঞানৰ আটাইকেইটা বিষয়তে যেন টিউচন লাগিবই, তেনে ধাৰণা সকলো ছাত্ৰ-ছাত্ৰীৰ মাজত সোমাই পৰিল। মুষ্টিমেয় শিক্ষকৰ বাহিৰে বাকী সকলোৱে ঘৰে ঘৰে টিউচনৰ দোকান খুলিবলৈ ল'লে। পৰিণাম স্বৰূপে ক্লাছৰ নিয়মীয়া শিক্ষা দুৱোফালৰ পৰা এলাগী হৈ পৰিল। আনহাতে ৰাজ্যৰ বাহিৰলৈ অসমৰ ছাত্ৰৰ সোঁত ববলৈ ধৰিলে। কলেজীয়া শিক্ষাও অসমৰ গাঁৱে-ভূঞে সুলভ হৈ উঠিল। সেয়েহে আগৰ দৰে বিভিন্ন ঠাইৰ ছাত্ৰ-ছাত্ৰীৰ মিলনভূমি হৈ থকাও নাই কটন কলেজ। কিন্তু তথাপি ছীট পাবলৈ ঠেলা-হেঁচা হয়। হায়াৰ ছেকেণ্ডাৰী শ্ৰেণীত অনেক মেধাবী ছাত্ৰ-ছাত্ৰীয়েই বিফল মনোৰথ হয়। হোষ্টেলৰ বাৰাণ্ডাবোৰ হয়তো আগৰ দৰেই আড্ডাৰ থলী হৈয়ে আছে, কিন্তু টেবুল টেনিছৰ ব'ৰ্ডকেইখন নেদেখা হ'লোঁ। হয়তো তেনে এক নিৰীহ খেলাৰ প্ৰতি আকৰ্ষণ নোহোৱা হ'ল, বা টিউচনৰ বাবে দৌৰাদৌৰিৰ কালত এনেবোৰ কথালৈ মন কৰিব জানো পাৰি?

কটন কলেজ জানো একে হৈ আছে? একে হৈ থকাটো জানো আমি বিচাৰোঁ? উত্তৰণ ঘটাটোৱেই আমাৰ সকলোৰে কাম্য, কিন্তু শিক্ষাৰ ক্ষেত্ৰত যি কেৰোণ লাগিছে তাৰ প্ৰভাৱত এশ বছৰ পাৰ কৰা কটন কলেজে কি ৰূপ লয় ভয়ে ভয়ে চাইছোঁ। ❑

কটনৰ সোঁৱৰণী ৰোমন্থনৰ পিছৰ পৰ্ব কি?

গৌতম প্ৰসাদ বৰুৱা

প্ৰথমেই অভিনন্দন জনাওঁ কটন কলেজৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু অধ্যক্ষক। বহুত দিনৰ মূৰত অতি নিয়াৰিকৈ সম্পন্ন হোৱা এখন অনুষ্ঠান প্ৰত্যক্ষ কৰিলোঁ, অংশীদাৰ হ'লোঁ আৰু উপভোগ কৰিলোঁ। এই অনুষ্ঠান পৰ্ব অতি কাষৰ পৰা চোৱাৰ, নিৰীক্ষণ কৰাৰ মোৰ সৌভাগ্য হৈছিল, সেয়েহে অভিনন্দন জনাওঁ ছাত্ৰ সম্পাদক জগদীশ দত্তক, শতবৰ্ষ উদ্‌যাপন সমিতিৰ সম্পাদক ড° সত্যেন্দ্ৰ কুমাৰ চৌধুৰীক, ড° মহফুজা ৰহমানক, ড° মুক্তি দেৱক আৰু শ্ৰদ্ধেয় ড° অনিল কুমাৰ গোস্বামীক। তেখেতসকলৰ নেতৃত্বত কটনৰ ছাত্ৰ আৰু ছাত্ৰীখিনিয়েও অতি সংযতভাৱে পৰিপাটিকৈ কেৱল সভা আয়োজন কৰাই নহয়, হাজাৰ হাজাৰ মানুহক জলপানৰ পৰা ভাত খুওৱালৈকে ইমান নিয়মানুবৰ্তিতাৰে কৰা কামখিনি এটা বিৰল উদাহৰণ। সাধাৰণ ত্ৰুটি হয়তো হৈছে, কিন্তু বেছিভাগ কামেই সম্পন্ন হৈছে অতি নিয়াৰিকৈ। অভিনন্দন জনালোঁ।

শতবৰ্ষ উদ্‌যাপন হ'ল। আমি প্ৰাক্তন ছাত্ৰ-ছাত্ৰীখিনিয়ে নাচিলোঁ, হাঁহিলোঁ, ভাগ ল'লোঁ— কবিতাও আবৃত্তি কৰিলোঁ। এই তিনি দিনত আমাৰ বয়স কমি গ'ল প্ৰায় কুৰি বছৰমান। আমি যেন নৱযৌৱন লাভ কৰিছিলোঁ সেইকেইটা দিনত। কিন্তু এতিয়া কি হ'ব?

কটনৰ আকৌ ক্লাছ হ'ব। গৰমৰ বন্ধও হ'ব। মানুহো উজ্জীবিত হ'ব। এইদৰে দিন পাৰ হ'ব। প্ৰাক্তন ছাত্ৰৰ সন্মিলনত সকলোৱে এক বাক্যত কৈছিল— কটন কলেজ উৎকৰ্ষৰে ভৰা অনুষ্ঠান হওক (Centre of Excelence)। কেনেকৈ উৎকৰ্ষৰ সাধনৰ কেন্দ্ৰবিন্দু হ'ব। বিশ্ববিদ্যালয় আয়োগে দিলেই হ'বনে? কলেজখনৰ উৎকৰ্ষ এতিয়াৰ যিখিনি শিক্ষক আছে সেইখিনিৰ যোগেৰেই নিশ্চয় হ'ব। কিন্তু কলেজখনে নতুন নিৰ্ধাৰিত

পাঠ্যক্ৰম (কাৰিকুলাম) গ্ৰহণ কৰিবৰ প্ৰয়োজন জানো নাই?

আজিৰ কটন কলেজে কলিকতাৰ প্ৰেছিডেন্সী নাইবা দিল্লী বিশ্ববিদ্যালয়ৰ ছেণ্ট ষ্টীফেনছ্ বা মাদ্ৰাজ খ্ৰীষ্টান কলেজৰ লগত ফেৰ মাৰিলেই নহ'ব। পৃথিৱী এখন 'গ্লোবেল ভিলেজ' হ'ল। কটনৰ ল'ৰাই এতিয়া 'এম-আই-টি'ৰ নাইবা 'কেম্ব্ৰিজ' আৰু 'হাৰ্ভাৰ্ড'ত বি-এছ্ পঢ়ি থকা ল'ৰাৰ লগত সমানে বৌদ্ধিক বিষয়ে প্ৰতিযোগিতাত অৱতীৰ্ণ হ'ব লাগিব। কটনত এতিয়া পঢ়ুওৱা শিক্ষাৰে (পাঠ্যক্ৰমেৰে) অক্সফোৰ্ডৰ ল'ৰাৰ লগত সহজে ফেৰ মাৰিব পৰা যাবনে বাৰু? হয়তো আমাৰ এজন-দুজনে নিজস্ব প্ৰচেষ্টাত পাৰিব, কিন্তু ইয়াৰ সমূহ ল'ৰাই তাৰ সমূহ ল'ৰাৰ লগত সহজে ফেৰ মাৰিব পাৰিবনে? গতিকে প্ৰথম অৱস্থাত আমাৰ পাঠ্যক্ৰমৰ কিছু অংশ নতুন ধৰণে সজাব পাৰে। এই বিষয়ত হয়তো সহায় কৰিব পাৰে কটনৰ প্ৰাক্তন ছাত্ৰখিনিয়ে, বিদেশত আধ্যাপক হিচাপে এতিয়া কাম কৰা মানুহখিনিয়ে। চাৰি বছৰত পাঠ্যক্ৰমৰ আমূল সংশোধন হ'ব পাৰে। এবাৰ ভাবিবনে?

কটন কলেজ এখন পঢ়াত উৎকৰ্ষ সাধন কৰা পঢ়াশালি হৈ থাকিলেও নহ'ব। এজন ছাত্ৰৰ বা ছাত্ৰীৰ সৰ্বাংগীণ বিকাশৰ ওপৰত জোৰ দিব লাগিব। দিন যোৱাৰ লগে লগে অসমত চৰকাৰী চাকৰি পোৱা কঠিন হৈ আহিব। চৰকাৰী চাকৰিৰ প্ৰতি অসমৰ মানুহৰ মোহ, ছাত্ৰ অৱস্থাৰ পৰাই কমাই আনিব লাগিব। গুজৰাট আদি প্ৰদেশত কুৰি বছৰ আগতেই চৰকাৰী চাকৰিৰ মোহ ছাত্ৰসকলে বিসৰ্জন দিলে। স্বনিয়োজিত কামৰ প্ৰতি ধাউতি প্ৰবলভাৱে বাঢ়িল। এই নতুন চাকৰিৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিবৰ বাবে কলেজত নতুন পাঠ্যক্ৰম আৰম্ভ কৰিব নোৱাৰি জানো? ছ'চিয়'লজী (Sociology), মানৱ অধিকাৰ (Human Rights), বায়'ছাইন্স (Bio-science) ইত্যাদি বিষয় ইতিমধ্যে হয়তো আৰম্ভ কৰিছেই।

ইংলেণ্ডৰ কেইখনমান বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমৰ মান ইমান ওপৰত যে সেই কলেজবোৰৰ পৰা বি এ বা বি এছ্ চি পাছ্ কৰাৰ পিছত এম এ বা এম এছ্ চি পঢ়াৰ প্ৰয়োজনেই নহয়। এনে দুখন বিশ্ববিদ্যালয় হ'ল কেম্ব্ৰিজ আৰু অক্সফোৰ্ড। এই কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ 'ট্ৰাইপজ' পোৱা ল'ৰা-ছোৱালীয়ে এম এ বেলেগকৈ পঢ়িবৰ প্ৰয়োজন নহয়। এম এ (নাইবা এম এছ্ চি) পাছ্ কৰা ছাত্ৰসকলক প্ৰথম শাৰীৰ বি এ পাছ্ কৰা ছাত্ৰতকৈ অধিক অৰ্হতাসম্পন্ন বুলি গণ্য কৰা নহয়। (M. Sc. has no academic superiority over tripos graduate)। কেম্ব্ৰিজৰ পৰা স্নাতক হোৱা ছাত্ৰ-ছাত্ৰীয়ে দৰ্খাস্ত কৰাৰ পিছত পৰীক্ষা নোলোৱাকৈ এম এ পদবী দিয়া হয়। কাৰণ সেই কলেজৰ শিক্ষাৰ মান উন্নত। কটনৰ মান তেনে কৰিব লাগিব।

কটন কলেজৰো পাঠ্যক্ৰম এনে হওক যাতে কেম্ব্ৰিজৰ স্নাতকৰ লগত সমানে পাল্লা দিব পাৰে।

এখন কলেজ মহান হ'বলৈ হ'লে কেৱল শৈক্ষিক ক্ষেত্ৰত প্ৰাধান্য থাকিলেই নহ'ব। খেল-ধেমালিতো নৈপুণ্য দেখুৱাবৰ সুযোগ দিব লাগিব। আমেৰিকাত বেছিভাগ খেলুৱৈক কলেজতেই তৈয়াৰী কৰা হয়। আমেৰিকাৰ আন্তঃকলেজ ফুটবল প্ৰতিযোগিতাই সেই দেশৰ প্ৰতিজন নাগৰিককেই আকৰ্ষণ কৰে। এজন ফুটবল প্লেয়াৰৰ (আমাৰ ফুটবল নহয়) মূল্য পঢ়াত সৰ্বোৎকৃষ্ট ছাত্ৰজনৰ সমান। তেওঁলোকৰ জনপ্ৰিয়তা পঢ়াত ভাল ছাত্ৰসকলতকৈ বহুগুণে বেছি। আৰ্জনো বহুত বেছি। হয়তো আমাৰ দেশত সেই পৰিৱেশ নাই। গতিকে এজন খেলুৱৈয়ে এজন পঢ়াত কৃতী ছাত্ৰৰ সমান জনপ্ৰিয় হ'লেও অৰ্থ আৰ্জন প্ৰবলভাৱে নকৰে। কিন্তু খেল-ধেমালিৰ পৰা গঢ়ি উঠা সুস্থ মনোবৃত্তিৰ বাবেই জীৱনত উৎকৰ্ষ সাধন কৰিবলৈ সহজ হয়। সেয়েহে আম ভাবোঁ—কলেজৰ এখন নিজস্ব ফিল্ড ফুটবল আৰু ক্ৰিকেটৰ বাবে প্ৰয়োজন। কটনৰ বিখ্যাত ব্যামাগাৰটো আগৰ দৰে হৈ আছেনে? এইবোৰ সুবিধাৰ বাবেই কুল সোণোৱাল আৰু প্ৰতাপ সোণোৱালৰ সৃষ্টি হৈছিল। সৃষ্টি হৈছিল মদন কাকতিৰ দৰে দেহশ্ৰীৰ।

কটন কলেজে যোৱা এশ বছৰে অসমক বহুতখিনি আগুৱাই নিলে। এতিয়া শতাব্দী সলনি হ'ল। নতুন শতাব্দীত নতুন ধৰণে কটনে জগাই তুলিব লাগিব ছাত্ৰখিনিক। কলেজত খেল-ধেমালি এটা বিষয় হিচাপে আৰম্ভ কৰিব পৰা যায় নেকি? ঠিক যেনেকৈ আগতে এন চি চিক এটা বিষয় হিচাপে গণ্য কৰা হৈছিল। আগতে বহুতো ছাত্ৰই এন চি চিক অতিৰিক্ত বিষয় হিচাপে পাঠ্যক্ৰমত লৈছিল আৰু তাত পোৱা মাৰ্ক ছাত্ৰ-ছাত্ৰীৰ স্থান নিৰ্ণয়ৰ বাবেও হিচাপত ধৰা হৈছিল। ঠিক তেনেদৰে খেল-ধেমালিক এটা বিষয় হিচাপে ল'ব নোৱাৰি জানো?

কটন কলেজখনক মাথোন কলা আৰু বিজ্ঞানৰ বিদ্যা প্ৰদান কৰা এখন কলেজলৈ ৰূপান্তৰিত যাতে কৰি নেপেলায়। এইখিনিতে উদয়াদিত্য ভৰালী আৰু তেখেতৰ সংগীসকলক ধন্যবাদ জনাব খোজোঁ যে তেখেতসকলে শতবৰ্ষ উদ্‌যাপনৰ সময়ত কটন কলেজৰ বৈজ্ঞানিকভাৱে এখন ইতিহাসৰ সৃষ্টি কৰিলে। অপূৰ্ব হৈছে এই কিতাপখন। এইখিনিতে এটা কথা বাৰে বাৰে ক'ব খুজিছোঁ। কেৱল শিক্ষাত ৰেকৰ্ড সৃষ্টিকাৰী মানুহৰ লেখাৰে যাতে বুৰঞ্জী লেখা নহয়। সেইখিনি সময়ত কিছুমান মানুহৰ ব্যক্তিত্বই কলেজখনক এটা নতুন মাত্ৰা আনি দিছিল, সেইবোৰৰ কথাও লেখিব পাৰে নেকি? যেনে প্ৰবীণ দাসৰ মেজিক দেখুওৱাৰ কথা, আনন্দেশ্বৰ শৰ্মা ছাৰৰ নেতৃত্বত শিক্ষকক অশালীন ব্যৱহাৰ কৰোঁতে ছাত্ৰক ক্ষমা খোজোৱাৰ উদাহৰণ, কলেজত ইংৰাজী একাংকিকা নাটক প্ৰতিযোগিতাত অংশ ল'বলৈ সক্ষম কৰাত স্বৰ্গীয় মহেন্দ্ৰ বৰা ছাৰৰ প্ৰয়াস। আগলৈ যেতিয়া ইতিহাসৰ পুনঃমুদ্ৰণ কৰা হ'ব হয়তো তেতিয়া এই কথাবোৰ আনিব পৰা যাবনে? শতবৰ্ষৰ বাবে বিভিন্ন আলোচনী, গ্ৰন্থ আৰু স্মৃতিগ্ৰন্থ প্ৰকাশ কৰাৰ আঁচনিক আমি নিসন্দেহে উত্তম কাৰ্য হিচাপে গণ্য কৰিছোঁ আৰু তাৰ বাবে সমগ্ৰ সম্পাদকসকলক

(অধ্যাপক আৰু ছাত্ৰক) অভিনন্দন জনাইছোঁ।

শতবৰ্ষ উদ্‌যাপনৰ অংগ হিচাপে আমাৰ এটা অনুৰোধ আছে ভৱিষ্যতৰ বাবে। বিভিন্ন বিষয়ৰ বক্তৃতামালাৰ আয়োজন কৰা। বিভিন্ন গুণীজনক বিভিন্ন বিষয়ত বক্তৃতা দিবলৈ অনুৰোধ কৰক। বিশেষকৈ কটনৰ প্ৰাক্তন ছাত্ৰখিনিয়ে বিদেশত অধ্যাপনা, গৱেষণা আৰু উদ্যোগ স্থাপন কৰি নিজকে খ্যাতিমন্ত কৰিছে। তেওঁলোকক আহ্বান কৰিব পাৰি। এই বিষয়ে 'আনা' আৰু 'আচাৰ্লৈ' লিখিলে তেখেতসকলে সংযোগ স্থাপন কৰি দিব পাৰিব।

ভালকৈ অনুৰোধ কৰিলে নিজৰ খৰচতে ডিচেম্বৰ মাহত প্ৰাক্তন ছাত্ৰসকল আহিবলৈ নিশ্চয় মান্তি হ'ব। খবৰ কৰিব পাৰে নেকি? প্ৰাক্তন ছাত্ৰ কেইবাজনো এতিয়া গুৱাহাটীলৈ আহিছে। তেখেতসকলৰ লগত আলোচনা কৰিব পাৰেচোন।

কটন কলেজখন উৎকৰ্ষৰ কেন্দ্ৰবিন্দু হ'ব লাগে সঁচা। কিন্তু আজিকালি এটা অভিযোগ সাধাৰণতেই শুনা যায় যে বহুতো অধ্যাপক আৰু অধ্যাপিকাই আগৰ দৰে ক্লাছত প্ৰায়েই উপস্থিত থাকিবই নোৱাৰে বিভিন্ন কাৰণত। সঁচানে বাৰু এই অভিযোগ? অৱশ্যে কিছু অংশৰ নামতহে এনে অভিযোগ শুনা যায়। যদি সঁচায়ে কটন কলেজখন উৎকৰ্ষৰ বিন্দু হ'ব লাগে, তেতিয়াহ'লে শিক্ষকসকলৰো দায়িত্ব জানো নাই? আন এটা অভিযোগ খণ্ডন কৰিব লাগিব যে উপযুক্ত শিক্ষককহে যাতে নিয়োগ কৰা হয়। মাজতে কাগজে-পত্ৰই কটনৰ শিক্ষকক নিয়োগ সম্পৰ্কে নানা গুজব ৰটনা হৈছিল। আশাকৰোঁ এই সকলো অভিযোগ সত্য নহয়। কেৱল শিক্ষাৰ প্ৰতি ধাউতি থকা, গৱেষণাৰ প্ৰতি ধাউতি থকা মানুহকহে নিয়োগ কৰিব লাগিব যদিহে উৎকৰ্ষৰ বিন্দুৰূপে কলেজখনৰ মৰ্যাদা ৰক্ষা কৰিব লাগে। ৰাজনীতিৰ পৰা শিক্ষক নিয়োগ আঁতৰাব লাগিব।

দুটা অনুষ্ঠান কটনৰ শতবৰ্ষ উদ্‌যাপনৰ লগত জড়িত হৈ আছিল। প্ৰথমটো, কটনৰ ওপৰত অনুষ্ঠিত প্ৰদৰ্শনীখন অপূৰ্ব প্ৰদৰ্শনী। মন ভৰি যোৱা এই প্ৰদৰ্শনী। যিখিনি মানুহে এই প্ৰদৰ্শনীখনৰ লগত জড়িত হৈছে তেখেতসকলক সাধুবাদ দিছোঁ। এই প্ৰদৰ্শনীখন, এই গোটেই বছৰটো অসমৰ বিভিন্ন ঠাইত শতবৰ্ষ উদ্‌যাপন হ'লে সেইবোৰ ঠাইলৈ নিয়া ভাল হ'ব। এনেধৰণৰ উন্নতমানৰ প্ৰদৰ্শনী অসমৰ সকলো মানুহে দেখিলে উজ্জীৱিত হ'ব।

দ্বিতীয়টো, সংগীত সন্ধিয়া। তিনিও দিনে অভূতপূৰ্ব সঁহাৰি লাভ কৰিছিল। অসমৰ ছাত্ৰসকলে সংগীতৰ ক্ষেত্ৰত আজিকালি মুম্বাইত অপূৰ্ব সফলতা লাভ কৰিছে। তেখেতসকলক বিজ্ঞানভিত্তিক সংগীতৰ শিক্ষা দিব পৰা যায় নেকি? অন্ততঃ অবাধ্যতামূলক বিষয় হিচাপে? ভাবিব পাৰি নেকি?

শতবাৰ্ষিকী উদ্‌যাপনৰ সময়ত আটাইতকৈ চকুত বিসদৃশ লগা কথা আছিল 'আধাসজা-আধাভঙা' ইনড'ৰ ষ্টেডিয়ামটো। এই বিষয়ে পিছত আলোচনা হ'ব। হয়তো কৰ্তৃপক্ষই এই বিষয়ে আঁচনি গ্ৰহণ কৰিছে নিশ্চয়।❑

অসমৰ সমাজ জীৱনৰ পটভূমিত কটন কলেজ

খনীন্দ্ৰ চন্দ্ৰ দাস

অসম আৰু সমগ্ৰ উত্তৰ-পূব ভাৰতৰ শিক্ষা-সংস্কৃতিৰ দিশটোৰ কথা আমাৰ মনলৈ আহিলেই কটন কলেজৰ এক দীঘলীয়া আৰু স্মৰণীয় ইতিহাস খুব সূক্ষ্মভাৱে ৰোমন্থন কৰাৰ প্ৰয়োজন আছে বুলি ভাবোঁ। শিক্ষা অবিহনে কোনো এটা জাতি বা কোনো এখন দেশেই সভ্যতাৰ বিকাশ সাধন ঘটাব নোৱাৰে। সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক, ৰাজনৈতিক বিকাশৰ ক্ষেত্ৰত মূল আধাৰ হৈছে শিক্ষা। এই ক্ষেত্ৰত অসমৰ পটভূমিত কটন কলেজৰ ঐতিহ্য আৰু আদৰ্শই আমাৰ জাতীয় জীৱনৰ প্ৰতিটো স্তৰতে চুই গৈছে। সেয়েহে আজি কটন কলেজক উত্তৰ-পূব ভাৰত তথা অসমৰ উচ্চ শিক্ষাৰ বাটকটীয়া বুলি আখ্যা দিয়া হয়। এয়া আমাৰ বাবে এক স্মৃতিমধুৰ সুকীয়া অনুভৱ।

পৰাধীন ভাৰতবৰ্ষৰ উত্তৰ-পূবৰ এই বৃহৎ অঞ্চলটোত শিক্ষাৰ প্ৰসাৰতা তেনেদৰে নাছিল বুলিবই পাৰি। এই অসমৰ ভূখণ্ডত পূৰ্বতে কামৰূপ, প্ৰাগজ্যোতিষপুৰ আদি নামকৰণেৰে ৰজা ভাস্কৰবৰ্মা, হৰ্ষবৰ্ধন আদিয়ে কিছু কাল ৰাজত্ব কৰি পিছলৈ ছয়শ বছৰীয়া আহোম ৰজাৰ ৰাজত্ব চলে। তাৰ মাজতে মানৰ আক্ৰমণ আদিৰ কথাও অসম বুৰঞ্জীয়ে নানা তথ্যেৰে লিপিবদ্ধ কৰিছে। প্ৰকৃততে ১৮২৮ খ্ৰীষ্টাব্দৰ ২৮ মাৰ্চত ইংৰাজে মানৰ হাতৰ পৰা গুৱাহাটীক উদ্ধাৰ কৰে আৰু তেতিয়াৰে পৰা নামনি অসমক আনুষ্ঠানিক ৰূপত ইংৰাজ শাসনৰ অন্তৰ্ভুক্ত কৰি লয় আৰু গুৱাহাটীক সদৰ হিচাপে গণ্য কৰি ব্ৰিটিছ কেপ্টেইন ৰবাৰ্ট স্কটক প্ৰথম কমিছনাৰ ৰূপে নিযুক্তি দি অসমত শাসনভাৰ চলাবলৈ লয় (কুমুদেশ্বৰ হাজৰিকাৰ ইতিহাসৰ ছাঁ-পোহৰত পুৰণি গুৱাহাটীৰ তথ্য মতে)। জানিব পৰা মতে অসমৰ প্ৰথমগৰাকী ইংৰাজে কমিছনাৰ স্কটে কেৱল মাথোঁ থলুৱা শিক্ষা সম্প্ৰসাৰণ আৰু বিকাশৰ বাবেহে চৰকাৰৰ পৰা অনুমতি লাভ কৰিছিল। আনহাতে ১৮৩৪ খ্ৰীষ্টাব্দত কেপ্টেইন জেনকিনছ অসমলৈ কমিছনাৰ হৈ আহিয়ে নিজে উদ্যোগ

লৈ গুৱাহাটী, গোৱালপাৰা, দৰং, নগাঁও আদি ঠাইত ইংৰাজী শিক্ষা প্ৰচাৰ আৰু বিস্তাৰৰ বাবে আঁচনি হাতত লয় আৰু পৰ্যায়ক্ৰমে কামত অগ্ৰসৰ হয়। আঁচনি অনুসৰি গুৱাহাটীতে প্ৰথমখন ইংৰাজী স্কুল 'গৌহাটী স্কুল' স্থাপন কৰি শিক্ষাৰ ক্ষেত্ৰত শুভাৰম্ভৰ পাতনি মেলে। ১৮৩৮ খ্ৰীষ্টাব্দত উইলিয়াম ৰবিনছনে উক্ত স্কুলৰ হেডমাষ্টৰ হিচাপে যোগ দিয়ে আৰু পিছলৈ অসমৰ প্ৰথমগৰাকী বিদ্যালয় পৰিদৰ্শক হিচাপে নিযুক্তি পায়। তেখেতৰ প্ৰতিবেদনৰ ভিত্তিতে শিৱসাগৰত দ্বিতীয়খন ইংৰাজী স্কুল স্থাপন কৰে। ১৯৫৮ খ্ৰীষ্টাব্দত গৌহাটী স্কুলে কলিকতা বিশ্ববিদ্যালয়ৰ এণ্ট্ৰেন্স মহলালৈ (পিছৰ পৰ্যায়ত মেট্ৰিক আৰু বৰ্তমান হাইস্কুল শিক্ষান্ত পৰীক্ষা) স্বীকৃতি লাভ কৰে। ১৮৬১ খ্ৰীষ্টাব্দত উক্ত স্কুলৰ পৰা দুগৰাকী ছাত্ৰই অতি সুখ্যাতিৰে এণ্ট্ৰেন্স পৰীক্ষা পাছ কৰে। উক্ত স্কুলৰ পৰাই অসমৰ প্ৰথমগৰাকী আৰু ভাৰতৰ পঞ্চমগৰাকী আই চি এছ আনন্দৰাম বৰুৱা, ফখৰুদ্দিন আলী আহমেদৰ পিতৃ কৰ্নেল জালনুৰ আলী আহমেদ, নবীন বৰদলৈৰ পিতৃ মাধৱ চন্দ্ৰ বৰদলৈ, ভাৰতীয় সেনাবাহিনীৰ ডাক্তৰ কৰ্নেল শিৱৰাম বৰা আদিৰ দৰে অসমীয়া ছাত্ৰই সুনাম অৰ্জন কৰি এণ্ট্ৰেন্স পাছ কৰিছিল। ১৮৬৫ খ্ৰীষ্টাব্দত উচ্চ শিক্ষা গ্ৰহণৰ সুবিধাৰ্থে উক্ত গৌহাটী স্কুলতে কলেজৰ দুটা শ্ৰেণী এফ এ, বৰ্তমানৰ (উচ্চতৰ মাধ্যমিক শ্ৰেণী) যোগ দিয়ে। কলেজৰ দুটা শ্ৰেণী যোগ দিয়াৰ পিছত গৌহাটী স্কুলৰ নাম কলেজিয়েট স্কুল ৰূপে নামকৰণ হয়। যেতিয়া ১৯০১ খ্ৰীষ্টাব্দত কটন কলেজে জন্ম লাভ কৰে, ইয়াৰ প্ৰথমগৰাকী প্ৰিন্সিপাল আছিল ছুডমাৰ্ছন চাহাব। কলেজিয়েট স্কুল আৰু কটন কলেজৰ প্ৰিন্সিপালৰ দায়িত্ব পোনতে গ্ৰহণ কৰে ছুডমাৰ্ছন চাহাবে। কলেজিয়েট স্কুলৰ পৰা প্ৰথম এফ এ পৰীক্ষা পাছ কৰা স্বনামধন্য অসমীয়া ব্যক্তি দুগৰাকীয়ে আছিল মাণিক চন্দ্ৰ বৰুৱা আৰু জগন্নাথ বৰুৱা। (পৰৱৰ্তী পৰ্যায়ত দুয়োগৰাকী ব্যক্তিৰে অসমৰ শিক্ষা প্ৰসাৰত যথেষ্ট বৰঙণি আছে বুলি আজিও আমি গৌৰৱবোধ কৰোঁ)। বিশেষভাৱে গুৱাহাটীৰ মাণিক চন্দ্ৰ বৰুৱা এম ই স্কুল (বৰ্তমান হাইস্কুল), আনহাতে যোৰহাটৰ জগন্নাথ বৰুৱা কলেজ শিক্ষা সম্প্ৰসাৰণৰ ক্ষেত্ৰত আন এক বাটকটীয়া বুলিব পাৰি। কটন কলেজ স্থাপনত মাণিক চন্দ্ৰ বৰুৱাৰ অৱদানক কোনেও নুই কৰিব নোৱাৰে। বহু বিতৰ্কৰ পিছত কটন কলেজৰ জন্ম হয় ১৯০১ চনৰ ২৭ মে' তাৰিখে। লগে লগে ইংৰাজ শাসনৰ এগৰাকী জনপ্ৰিয় চীফ কমিছনাৰ ছাৰ হেনৰি কটনৰ এই ক্ষেত্ৰত দেখুওৱা সহায়-সহযোগ আৰু বদান্যতাৰ দিশটো লক্ষ্য কৰিয়ে মাণিক চন্দ্ৰ বৰুৱাই প্ৰস্তাৱ দিয়ে যে কলেজখনৰ নামটো 'কটন কলেজ' ৰখা উচিত আৰু উক্ত প্ৰস্তাৱ সন্মতিক্ৰমে ৰাইজে গ্ৰহণ কৰে। কলেজিয়েট স্কুলৰ নামো সংশোধিত ৰূপত কটন কলেজিয়েট স্কুল ৰখা হয়। অসমৰ শিক্ষা জগতত নৱজাগৰণ আৰম্ভ হয়। ২৭ মে'ত আৰম্ভ হোৱা কলেজখনৰ নামভৰ্তিকৰণ আৰম্ভ হয় ১৭ জুনৰ পৰা, সঁহাৰি ভালেই আছিল। প্ৰথম বাৰ্ষিকত ৩৭ গৰাকী, দ্বিতীয় বাৰ্ষিকত মাত্ৰ দুগৰাকী ছাত্ৰই প্ৰথম দিনাখনেই নাম লগাইছিল। আনহাতে প্ৰথম বছৰত

ছাত্ৰৰ সংখ্যা মুঠ ৯১ গৰাকী হৈছিল বুলি তথ্য ভিত্তিত জনা যায়। আৰম্ভণিতে হিন্দু আৰু মুছলিম ছাত্ৰৰ বাবে মাত্ৰ দুটাহে ছাত্ৰাবাসৰ ব্যৱস্থা আছিল। ছোৱালীৰ বাবে কোনো সুকীয়া ছাত্ৰী নিবাস নাছিল। এতিয়া ছাত্ৰ-ছাত্ৰীৰ আৰ চি চি ছাত্ৰাবাস, ছাত্ৰী নিবাসৰ উপৰি কেইবাটিও ছাত্ৰাবাস হোৱা সত্ত্বেও যেন অভাৱ পূৰণ কৰিব পৰা নাই এনে অনুভৱ হয়। ১৯৫১ চনত কটন কলেজৰ ৰূপলী বৰ্ষ উদ্‌যাপন কালত কটন কলেজৰ প্ৰথম বৰ্ষৰ ছত্ৰছায়াত কামাখ্যা ৰাম বৰুৱা, গিৰিশ চন্দ্ৰ বৰদলৈ, ঈশ্বৰ প্ৰসাদ বৰুৱাকে লৈ চাৰিগৰাকী প্ৰাক্তন ছাত্ৰৰ প্ৰতিচ্ছবি আমি দেখিবলৈ পাইছিলোঁ স্মৃতিগ্ৰন্থৰ পাতত আৰু ভালেমান আপুৰুগীয়া তথ্য বহুগৰাকী ব্যক্তিয়ে লিখনীৰ মাজেৰে সন্নিৱিষ্ট কৰিছিল। কটন কলেজৰ সেই পুৰণি পৰিৱেশ আজি বহু সলনি হ'ল। অসম আৰ্হিৰ ধুনীয়া ঘৰবোৰ ভাঙি কংক্ৰিটৰ বৃহৎ-বৃহৎ অট্টালিকা সাজি উলিয়ালে। ছাত্ৰাবাস, অডিট'ৰিয়ামবোৰৰ নামকৰণ অসমৰ জাতীয় পুৰুষ-মহিলাৰ নামত উছৰ্গা কৰা হৈছে। মুঠতে ইতিমধ্যে শতবৰ্ষ গৰকা কটন কলেজে শিক্ষা-দীক্ষা, কলা-সংস্কৃতি আদিৰ দিশত বৌদ্ধিক চিন্তা-চৰ্চাৰে প্ৰাণকেন্দ্ৰত উন্নীত হৈছে, যিটো দেশৰ বাবেই অমূল্য সম্পদ বুলিব পাৰি।

বিগত এক শ আঠ বছৰৰ শিক্ষা কেন্দ্ৰ কটন কলেজৰ পৰা শত-সহস্ৰ বিদগ্ধ পণ্ডিত, গৱেষক, বৈজ্ঞানিক, সাংবাদিক, সাহিত্যিক, শিল্পী, ডাক্তৰ, ইঞ্জিনিয়াৰ, অধ্যাপক, উকীল, ন্যায়াধীশ, ক্ৰীড়াবিদ, ৰাজনীতিবিদ, অৰ্থনীতিবিদ আৰু সামাজিক ব্যক্তিয়ে সুখ্যাতিৰে নিজ নিজ যোগ্যতাৰ পৰিচয় দি বিশ্বৰ বিভিন্ন প্ৰান্তত অসমৰ নাম উজ্জলাই আছে। এয়া উচ্চ শিক্ষাৰ সুফল আৰু জ্ঞানৰ ভাণ্ডাৰ দিব পাৰিছে কটন কলেজে। অসমবাসী সঁচাকৈয়ে এই ক্ষেত্ৰত নিশ্চয় গৌৰৱান্বিত। কটন কলেজৰ অধ্যক্ষৰ পদটো উন্নত কৰি 'ডীন' হ'ল। বিশ্ববিদ্যালয়ৰ কেইবাটিও বিষয়ৰ শ্ৰেণী আজি কটন কলেজত পঢ়ুওৱাৰ ব্যৱস্থা হৈছে। বৰ্তমান একৈশ শতিকাৰ প্ৰাক্-কালত নতুন নতুন প্ৰযুক্তিবিদ্যাৰ শিক্ষা ব্যৱস্থা কটনত আৰম্ভ কৰাৰ প্ৰস্তুতি নিশ্চয় শুভ লক্ষণ বুলিব পাৰি।

অসমৰ সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক জীৱনত দেশৰ লগতে আন্তৰ্জাতিক প্ৰেক্ষাপটত যিসকল অসম সন্তান কটনিয়ানে ৰাজহুৱা সেৱাৰে দক্ষতাৰ পৰিচয় দি গ'ল সেইসকলক আমি শ্ৰদ্ধাৰে সোঁৱৰণ কৰাটোও আজিৰ মুহূৰ্তত আমাৰ বাবে হ'ব কৃতজ্ঞতাৰ পৰিচয়। অসমৰ সাহিত্য-সংস্কৃতিক বিশ্বৰ দৰবাৰলৈ নিয়াত অসমৰ জ্ঞানী, গুণী শিক্ষাবিদ, পণ্ডিত, গৱেষক প্ৰয়াত ড° কৃষ্ণকান্ত সন্দিকৈ, ড° সূৰ্য কুমাৰ ভূঞা, ড° বিৰিঞ্চি কুমাৰ বৰুৱা, ড° মহেশ্বৰ নেওগ, ড° সত্যেন্দ্ৰ নাথ শৰ্মা, চৈয়দ আব্দুল মালিক, অতুল চন্দ্ৰ হাজৰিকা, ড° মহেন্দ্ৰ বৰা, নৱকান্ত বৰুৱা, ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, যোগেশ দাস, চন্দ্ৰপ্ৰসাদ শইকীয়া আদি সু-সাহিত্যিকসকল বৰ্তমান ইহ জগতত নাই যদিও কটনিয়ান ৰূপে একোগৰাকী প্ৰখ্যাত সাহিত্যিক হিচাপে বিশ্ব সাহিত্যত আজিও পৰিচিত।

প্ৰখ্যাত শিল্পী জ্যোতিপ্ৰসাদ আগৰৱালা, সংগীতজ্ঞ ড° ভূপেন হাজৰিকা, ড° বীৰেন্দ্ৰ

নাথ দত্ত, বীৰেন ফুকন, নাট্যকাৰ সত্যপ্ৰসাদ বৰুৱা ড° ভবেন্দ্ৰ নাথ শইকীয়া, ব্ৰজেন বৰুৱা, নাট্যকাৰ লক্ষ্যধৰ চৌধুৰী কটনৰ পৰা শিক্ষা গ্ৰহণ কৰা একো একোগৰাকী উজ্জ্বল নক্ষত্ৰ স্বৰূপে সংগীত সাধক বুলি স্বীকৃত।

আইনত সুকীয়া আসন গ্ৰহণ কৰা দেশৰ তথা আন্তৰ্জাতিক ক্ষেত্ৰত নাম কৰা ড° জগদীশ মেধি, গৌৰীশংকৰ ভট্টাচাৰ্য, হলিৰাম ডেকা, পাৰ্বতী প্ৰসাদ গোস্বামী, ডম্বৰু পাঠক, জ্ঞানদাভিৰাম বৰুৱা, বাহাৰুল ইছলাম আদিৰ লেখীয়া আৰু কিছুসংখ্যক আইনজ্ঞ আছিল একো গৰাকী সফল কটনিয়ান ব্যক্তি।

ৰাজ্যৰ তথা দেশৰ ৰাজনীতিত সুকীয়া আসন লোৱাসকলৰ ভিতৰত আছিল প্ৰাক্তন কটনিয়ান গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধি, ফখৰুদ্দিন আলী আহমেদ ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি, দেৱকান্ত বৰুৱা, মহেন্দ্ৰ মোহন চৌধুৰী, বিপিন পাল দাস, হেম বৰুৱা, দীনেশ গোস্বামী, শৰৎ সিংহ, তৰুণৰাম ফুকন আৰু কিছু বৰ্ষীয়ান ৰাজনীতিজ্ঞ। এইসকল আছিল অসমৰ জনগণৰ একালৰ প্ৰিয় নেতা।

ইয়াৰ উপৰি বহুতো অৰ্থনীতিবিদ, প্ৰশাসক, বৈজ্ঞানিক, ক্ৰীড়াবিদ আৰু প্ৰখ্যাত সমাজসেৱকে কটনিয়ানৰ নাম ৰাখি বিশ্বৰ ভিন ভিন প্ৰান্তত নিজ যোগ্যতাৰে কাম কৰি অসমলৈ সুনাম কঢ়িয়াই আছে। আমিও সাতাবন্ন চনৰ কটনিয়ান হিচাপে কিছু আবেগ, কিছু অনুভূতিৰে কথাবোৰ স্মৰণ কৰি ভাল পাওঁ। ইও বাস্তৱ ইতিহাসৰ একো একোটা খণ্ডচিত্ৰ, যিবোৰে আমাৰ মন-মগজুক খোৰাক যোগায়।

ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ আজি ৬০ বছৰ পূৰ্ণ হ'ল। যিকোনো জাতি, ৰাজ্য বা দেশে নিজৰ পৰাধীন অৱস্থাত সামাজিকভাৱেই হওক নাইবা অৰ্থনৈতিকভাৱেও, সাংস্কৃতিক, ৰাজনৈতিক দিশতো সুস্থ পৰিৱেশৰ মাজেৰে বিকাশ সাধন কৰাটো সম্ভৱপৰ হৈ নুঠে। ইয়াৰ মূল কাৰণ প্ৰয়োজন ভিত্তিত জনসাধাৰণে শিক্ষা লাভ কৰাৰ সুবিধা নাপায়। শিক্ষাৰ দ্বাৰা জ্ঞান অৰ্জন কৰাটোহে মানৱ সম্পদৰ মূল আধাৰ। ইংৰাজৰ শাসন কালত জনকল্যাণমূলক কৰ্মৰাজি স্বৰূপে দেশত খুব কমসংখ্যক শিক্ষা, স্বাস্থ্য, ক্ৰীড়া আৰু সাংস্কৃতিক অনুষ্ঠান-প্ৰতিষ্ঠান গঢ় লৈ উঠিছিল। বেছি ভাগেই চৰকাৰী পৃষ্ঠপোষকতাৰ দ্বাৰা সৃষ্টি হৈছিল, যিবোৰত জনগণৰ সক্ৰিয় সহযোগিতাৰ অভাৱ আছিল, কিন্তু দেশৰ স্বাধীনতাৰ পিছত জনগণৰ উৎসাহ-উদ্দীপনাই সকলো দিশতে বিকাশ সাধন কৰাত গতি লাভ কৰে। উদাহৰণস্বৰূপে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলতে একমাত্ৰ গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন হৈছিল। ১৯৪৮ চনৰ ২৬ জানুৱাৰী তাৰিখে যি সময়ত সমগ্ৰ ভাৰতবৰ্ষতে মুষ্টিমেয় বিশ্ববিদ্যালয় কেইখনমান আছিল। ১৯৪৭ চনৰ পিছত ভালেমান স্কুল-কলেজ, পুথিভঁৰাল, ক্ৰীড়ানুষ্ঠান আদি সম্পূৰ্ণ ৰাইজৰ সহযোগত স্থাপন হৈছিল। সেই অনুষ্ঠানবোৰেই আজি জাকজমকতাৰে ৰূপালী জয়ন্তী, সোণালী জয়ন্তী, হীৰক জয়ন্তী আদি পাতি পুৰণি স্মৃতিক ৰোমন্থন কৰা কাৰ্যই নিশ্চয় নৱপ্ৰজন্মক প্ৰেৰণা যোগোৱাৰ লগতে উদ্যোক্তা

মহলকো কিছু আশাৰ বতৰা দিবলৈ সক্ষম হৈছে। উক্ত অনুষ্ঠানবোৰ কিন্তু জাতীয় ভাবধাৰাৰে গঢ় লোৱা মাতৃভাষা পৰিপুষ্ট শিক্ষানুষ্ঠান, তাত বিদেশী ভাষা-সংস্কৃতিৰ প্ৰভাৱ পৰা নাছিল বাবেই দেশপ্ৰেম সজীৱ হৈ আছিল। থলুৱা ভাষা-সংস্কৃতিক পূৰ্ণ মৰ্যাদা দি শিক্ষা প্ৰদানৰ ব্যৱস্থা আছিল। শিক্ষাগুৰুসকলো আছিল আদৰ্শৰ ভেটিত শিক্ষা দান কৰা একোগৰাকী মহান গুণী-জ্ঞানী ব্যক্তি। প্ৰকৃত অৰ্থত শিক্ষক। শিক্ষানুষ্ঠানবোৰত প্ৰত্যক্ষ বা পৰোক্ষভাৱেও কোনোধৰণৰ ৰাজনীতি সোমোৱা নাছিল। উচ্চ শিক্ষানুষ্ঠান বা কলেজৰ কথা বাদেই একোখন প্ৰাইমাৰী স্কুলৰ পৰিচালনা সমিতিৰ ১০-১৫গৰাকী সদস্যৰ অধিকাংশই আছিল অধ্যাপক, অধিবক্তা বা ডাক্তৰ, ইঞ্জিনিয়াৰ তথা সমাজৰ শ্ৰদ্ধাভাজন ব্যক্তিসকল। এইবোৰ দিশ আমি নিজে প্ৰত্যক্ষ কৰিছিলোঁ। নগৰে-চহৰে, গাঁৱে-ভূঞে নিম্ন স্তৰতো শিক্ষানুষ্ঠানৰ মান যথেষ্ট উন্নত আছিল। আজি কিন্তু সেই পৰিৱেশ নাই। বিশ্বায়ন বা গোলকীকৰণৰ পাকচক্ৰত পৰি আজিৰ শিক্ষা ব্যৱস্থাটো যেন পণ্য দ্ৰব্যত পৰিণত হৈছে। সময়ৰ পৰিৱৰ্তনৰ লগে লগে বিভিন্ন ধ্যান-ধাৰণাও সলনি হৈ আহিছে। আমাৰ দেশৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড° এ পি জে আব্দুল কালাম ডাঙৰীয়াই কৈছিল যে, এতিয়া বিদ্যালয়সমূহ কেৱল এটা শৈক্ষিক কেন্দ্ৰ হৈ থাকিলেই নহ'ব, ইয়াৰ সলনি বিদ্যালয়সমূহ হ'ব লাগিব জ্ঞান আৰু দক্ষতাৰ কেন্দ্ৰ। এখন চৰকাৰ ক' এটা অনুষ্ঠানৰ ওপৰত কেৱল নহয়, এখন ভাল আদৰ্শপূৰ্ণ শিক্ষানুষ্ঠান গঢ়ি উঠাৰ সকলো কথা নিৰ্ভৰ কৰে সচেতন সমাজৰ ওপৰত। সেয়েহে আজিকালি ব্যক্তিগত খণ্ডত গঢ়ি উঠা বৃহৎ শিক্ষানুষ্ঠানসমূহতো সমাজৰ জ্ঞানী-গুণী লোকক জড়িত কৰি লোৱা দেখা যায়।

কটন কলেজৰ ঐতিহ্যপূৰ্ণ গৌৰৱময় অতীতক সুঁৱৰি থাকিলেই নহ'ব। নতুন নতুন পাঠ্যক্ৰমেৰে বিশ্বৰ অন্যান্য শিক্ষানুষ্ঠানৰ উচ্চস্তৰীয় শিক্ষা প্ৰৱৰ্তন কৰি কম্পিউটাৰৰ প্ৰয়োগেৰে বৃত্তিমূলক আঁচনি যুগুতোৱাৰ সময় আহি পৰিছে। নিবনুৱাৰ কৰ্ম আঁচনি, কৃষি, উদ্যোগ আৰু অন্যান্য দিশ সামৰি বাস্তৱধৰ্মী পদক্ষেপ ল'ব পাৰিলে অসমৰ সমাজ ব্যৱস্থাত কটন কলেজৰ এক সুকীয়া অস্তিত্ব চিৰকাল জিলিকি থাকিব তাত কোনো সন্দেহ নাই। সেই আশা আমি কৰিব পাৰোঁ। ❑

ছেকেণ্ড মেছ— ৰঞ্জিতৰ শেষ ফুটবল খেলখন, শেষখন তর্কযুদ্ধ আৰু আমি

গংগাপদ চৌধুৰী

যিসকলে কটন কলেজত পঢ়িব নোৱাৰিলে তেওঁলোকে ছাত্ৰ জীৱনত পাবলগীয়া বহুখিনি নাপালে, চাবলগীয়া বহুখিনি চাবও নাপালে। যিসকলে আকৌ কটন কলেজত পঢ়িলে কিন্তু কটন হোষ্টেলত থাকিব নোৱাৰিলে, তেওঁলোকে পায়ো বহুখিনি হেৰুৱালে। যিসকলে কটন কলেজত পঢ়িলে, কটন হোষ্টেলতো থাকিলে কিন্তু দ্বিতীয় ছাত্ৰাৱাসত থকাৰ সুবিধা কৰিব নোৱাৰিলে, তেওঁলোকে সকলো পায়ো একো নাপালে— পূৰ্ণতাৰ মাজতো অপূৰ্ণতাৰ দুখ দেখিলে— এনেবোৰ ভাবনা কটন কলেজৰ দ্বিতীয় ছাত্ৰাবাসত থকা প্ৰায় প্ৰতিজন আবাসীৰে। ইয়াত কিবা যুক্তি আছে নে নাই সেইটো ডাঙৰ কথা নহয়— আচল কথা হ'ল— এই ভাবনাখিনিত ছাত্ৰাবাসটোৰ প্ৰতি থকা আবাসীসকলৰ যি আবেগিক মধুৰ সম্পৰ্কটোৰ স্ফুৰণ ঘটিছে সেইখিনিহে।

দ্বিতীয় ছাত্ৰাবাসত (বৰ্তমান শ্বহীদ ৰঞ্জিত বৰপূজাৰী) সেই সময়ত ঘাইকৈ উজনিৰ তীক্ষ্ণ বুদ্ধিসম্পন্ন ছাত্ৰসকলে আৰু তৃতীয় ছাত্ৰাবাসত বৰপেটাৰ (আচলতে নামনি অসমৰ) ছাত্ৰসকল থাকে বুলি এটা সুবাদ (?) আছিল। আমাৰ দিনত কোন ল'ৰা কোন হোষ্টেলত থাকিব তাৰ নিৰ্দেশনা কলেজ কৰ্তৃপক্ষই নিদিছিল। কেৱল হোষ্টেল ছীট পোৱাৰ লিষ্টখনহে কলেজত আঁৰি দিছিল। মোৰ অহাত দেৰি হৈছিল কাৰণে হোষ্টেল ছীটো পোৱা নাছিলোঁ। দ্বিতীয় ছাত্ৰাবাসৰ অধীক্ষক ড° উপেন লেখাৰু ছাৰৰ ওচৰ পালোঁ— ঋষিতুল্য মানুহ— দেখিলেই ভক্তি ওপজে। কলা বিভাগৰ এজন ল'ৰা গুচি যোৱাত এটা ছীট ওলাইছে সেইদিনাখনেই। মই বিলম্ব

নকৰি নামভৰ্তি কৰিলোঁ। জানিব পাৰিলোঁ— মোৰ স্কুলীয়া দিনৰে, Pen friend পৰমানন্দ (বৰ্তমান পদাৰ্থবিজ্ঞানৰ মুৰব্বী অধ্যাপক, ডিব্ৰুগড় বিশ্ববিদ্যালয়)ও আছে। তেওঁক লগ পাই ভাল লাগিল। তেওঁ হোষ্টেললৈ সোনকালে আহিবলৈ ক'লে। আহিলোঁ। সেয়া ১৯৫৭ চনৰ কথা।

এদিনৰ কথা : এটা নোকোৱা কথা : ১৯৬০ চনৰ জুলা মাহৰ এক নে দুই তাৰিখ। আমি তৃতীয় বাৰ্ষিকৰ পৰা চতুৰ্থ বাৰ্ষিক শ্ৰেণীত উঠিছোঁ। চাৰি চাৰে-চাৰিমান বজাত হোষ্টেললৈ উভতি আহিছোঁ। দ্বিতীয় আৰু তৃতীয় ব্লকৰ মাজৰ খালী ঠাইখিনিয়ে আমাৰ খেলপথাৰ। পূবফালে ভলীবল, ক'ৰ্টখনৰ পশ্চিমফালে পৰিত্যক্ত সুপ্ৰাচীন এখন টেনিছ কৰ্ট (?)ৰ অৱশেষ। ভলীবল নেখেলিলে সেইডোখৰেই ৰূপান্তৰিত হয়— আমাৰ ফুটবল বা ক্ৰিকেট গ্ৰাউণ্ডলৈ। সেইদিনাখন নিজৰ ৰং আৰু আকৃতি ইতিমধ্যে হেৰুৱাই পেলোৱা ভলীবলটোৰে ফুটবলৰ অনুশীলন চলি আছিল তাত। কোনোবা অগ্ৰজ পালোৱান কটনিয়ান বন্ধুৱে তৃতীয়-চতুৰ্থ ব্লকৰ মাজৰ পশ্চিম ফালৰ বেৰৰ লোহা ভাঁজ কৰি মুকলি কৰি থোৱা পথটোৰে সোমাই তৃতীয় ব্লকৰ কৰিড'ৰ পাইছোঁহি। ঠিক সেই সময়তে খেলপথাৰৰ পৰা প্ৰায় কান্দি কান্দি ওলাই আহিছে ৰঞ্জিত বৰপূজাৰী। আমাতকৈ দুবছৰ তলত পঢ়া। অতি মৰম লগা ল'ৰাটোৰ বিষণ্ণ মুখখন দেখি সুধিলোঁ— 'কি হ'ল তোমাৰ?'

দুখ, খং আৰু ক্ষোভেৰে ৰঞ্জিতে উত্তৰ দিলে— 'আজিৰ পৰা মই আৰু কোনো দিনে নেখেলোঁ।'

'কিয়?'

'ইমান ফাউল খেলে। আমি আনন্দৰ কাৰণেহে খেলিছোঁ— কাজিয়া কৰিবলৈ, হাত-ভৰি ভাঙিবলৈতো খেলা নাই।'— ৰঞ্জিতে ক'লে।

'ফাউল খেলিছে? কোনে?'

উত্তৰ নিদি ৰঞ্জিতে আঙুলি টোঁৱাই দেখুৱালে। 'চাওকচোন এয়া'— বুলি কৈ দীঘল নীল ৰঙী ডোৰি দিয়া কাপোৰৰ পাইজামাটো কোঁচাই ঈষৎ ৰঙচুৱা আঘাতপ্ৰাপ্ত ভৰিৰ অংশটো দেখুৱালে।

'সেইবুলি তুমি আৰু নেখেলিবানে? তাক এসেকা দিওঁ ৰ'বা।'— এইবুলি কৈ চেণ্ডেলযোৰ কৰিড'ৰৰ ষ্টেপৰ এমূৰত থৈ লংপেণ্ট কলাফুলৰ ওচৰলৈ কোঁচাই লৈ ৰঞ্জিতৰ সলনি ময়দানত ময়েই নামি গ'লোঁ। ৰেফাৰী আছিল ৰণেন গোহাঁই। ইংগিতেৰে ক'লোঁ ৰণেনক। অলপ পিছতে মোৰ ভৰিত আহি বলটো পৰিল। সন্মুখৰ দহ ফুটমান আঁতৰত মুকুল— বলটো বাঁও ভৰিৰে অলপ উঠাই লৈ সোঁভৰিৰে তীব্ৰ শ্বট্ এটা ল'লোঁ। মুকুলে জাঁপ মাৰিলে— তাৰ গাৰ কাষেৰে বলটো কোঁ-কোঁৱাই পাৰ হৈ গ'ল। গ'লৰক্ষক নৱকান্ত ফুকনে বলটো ৰাখিবলৈ চেষ্টা নকৰিলে। ফলত

দহ ফুট টিনপাতৰ অধীক্ষকৰ আৱাসৰ চৌহদৰ বেৰত বলটোৱে তীব্ৰ জোৰে খুন্দা মাৰিলে। টিনৰ বেৰখন কেইমিনিটামান সময় কঁপি থাকিল। পাইজামা আৰু গেঞ্জি পিন্ধি থকা আমাৰ হোষ্টেলৰ 'ছুপাৰ' ড° কালীনাথ শৰ্মা ছাৰে ড্ৰেছিং গাউনটো টান মাৰি হাত দুখন সোমোৱাই সোমোৱাই দুই নম্বৰ ব্লকৰ বাৰাণ্ডাত 'কি হৈছে' বুলি চিঞৰি ভৰি দিবলৈহে পালে, খেলি থকা আটাইবোৰ ল'ৰাই পলাই পত্ৰং দিলে— কিন্তু ৰুমৰ ভিতৰত পঢ়ি থকা (কবিৰাজ?), আবেলিৰ টিফিন খাই জিৰণি লৈ থকা আমাৰ বন্ধুসকলে বল আৰু টিনৰ সংঘাত হোৱা বিকট শব্দত সাৰ পাই কি হৈছে চাবলৈ বাহিৰ ওলাল। তাৰ ভিতৰত দ্বিতীয় ব্লকৰ মনিটৰ প্ৰদীপেশ্বৰো। তৃতীয় ব্লকৰ কৰিড'ৰত নিঃসংগ-বিষণ্ণ ৰঞ্জিত আৰু দুয়োটা ব্লকৰ মাজত অকলশৰে মই। ছাৰৰ আগমনে হঠাতে নিজম কৰি পেলোৱা হোষ্টেলৰ পৰিৱেশটোত দুই নম্বৰ ব্লকৰ কাষত থকা পানীৰ চৌবাচ্ছাটোত মিউনিচিপালটীৰ পাইপৰ পৰা নিৰ্গত হোৱা হৰ্ হৰ্ পানীৰ শব্দই যেন সদৰ্পে-সদম্ভে নিজৰ অস্তিত্ব ঘোষণাত ব্যস্ত। মই ধীৰে ধীৰে চৌবাচ্ছাৰ ওচৰ পালোঁ আৰু তলি ফুটা বাল্টিটোৰে চৌবাচ্ছাটোৰ পৰা পানী তুলি পিন্ধি থকা কাপোৰযোৰ (ছাৰ্ট-পেণ্টৰ) ওপৰতে পানী ঢালিলোঁ। মূৰৰ পৰা গাৰে পানীবোৰ বাগৰি গৈ থাকিল। পানীৰে তিতি ছাৰ্ট, গেঞ্জি, পেণ্ট গাত লিপিট খাই পৰিল।

ছাৰে দুই নম্বৰ ব্লকৰ কৰিড'ৰত থিয় হৈ মোৰ ফালে অলপ সময় চাই থাকি এঁকো নোকোৱাকৈ উভতি গ'ল। কিন্তু সেই কীৰ্তিটো যে মোৰেই ছাৰৰ সেই ভাব দৃঢ় হ'ল। হোষ্টেলৰ দুষ্ট ল'ৰাৰ তালিকাৰ শীৰ্ষলৈ মোৰ নামটো অনাত ছাৰৰ অসুবিধা নহ'ল। সেইদিনা তেনেকৈ গা ধোৱা দেখি ছাৰে হয়তো ভাবিলে মই ছাৰৰ উপস্থিতি অৱজ্ঞা কৰি দেখুৱাইছোঁ। বেপৰোৱা ভাব এটা দেখুৱাইছোঁ— ছাৰৰ হয়তো প্ৰচণ্ড খং উঠিছিল মোৰ ওপৰত। ল'ৰাবোৰে মই বেপৰোৱা ভাব এটা প্ৰদৰ্শন কৰা বুলি ভাবি আকৌ আনন্দৰ খোৰাকহে পালে। দুই-একে মোক সাধুবাদ জনাবলৈও নাপাহৰিলে। আচলতে চোলা-কাপোৰ তিওৱাৰ কাৰণটোনো কি কোনেও জানিবলৈ আগ্ৰহ প্ৰকাশ নকৰিলে।

আমি পঢ়ি থকা দিনত হস্পিটেলত কাৰোবাৰ মৃত্যু হ'লে শৱ নিয়া মানুহ নাথাকিলে, ক'ৰবাত জুই লাগিলে— ক'ৰবাত কিবা গণ্ডগোল লাগিলে প্ৰথমতে কটন হোষ্টেলত খবৰ দিয়াটো এটা দস্তুৰেই আছিল। ল'ৰাবিলাকেও এইবিলাকত আগবাঢ়ি আহিছিল।

সেই সময়ত গুৱাহাটীৰ মেডিকেল কলেজ হোৱা নাই। চিভিল হস্পিটেলখনেই সকলোৰে একমাত্ৰ ভৰসা। যাতায়াতৰ ব্যৱস্থাও আজিৰ নিচিনা নহয়। কাৰোবাৰ হস্পিটেলত মৃত্যু হ'লে মৃতকক স্বগৃহলৈ বা স্ব-স্থানলৈ লৈ যোৱা প্ৰায় অসম্ভৱ

আছিল। ইয়াতেই দাহন কৰিবলগীয়া হৈছিল। শ্মশানলৈ নিব লাগিলে মানুহ লাগিছিল। গতিকে কটন হোষ্টেললৈ মানুহে সহায় বিচাৰি আহিছিল। সেইদিনাখনো।

এদিনৰ কথা। ৰাতিপুৱা প্ৰায় চাৰে ন মান বজাত যশোৱন্ত ৰ'ডত অৱস্থিত আমাৰ 'বাণী প্ৰকাশ'ৰ তদানীন্তন মেনেজাৰ ৰজনী শৰ্মাই হোষ্টেললৈ আহি মোক খবৰ দিলে যে শিল্পী ব্ৰজনাথ শৰ্মাৰ মৃত্যু হৈছে। গুৱাহাটী চিভিল হস্পিটেলৰ এটা কমৰ এচুকত মাটিত তেখেতৰ মৃতদেহ পৰি আছে— শ্মশানলৈ নিবলৈ মানুহো নাই। মই দৌৰাদৌৰিকৈ ওলাই 'থাৰ্ড মেছ'ত থকা বন্ধু বিজনলাল চৌধুৰী (পাছত প্ৰবক্তা, এম চি কলেজ, বৰপেটা), ৰত্নেশ্বৰ শৰ্মা (পাছত পাণ্ডু কলেজৰ অধ্যক্ষ), উপেন দাস (গুৱাহাটী বিশ্ববিদ্যালয়ৰ অংকৰ প্ৰফেছাৰ), নিউ হোষ্টেলত থকা মোৰ দাদা জ্যোতিপদ চৌধুৰী আদিক খবৰ দি লগতে দুই-এজন বন্ধুকো হস্পিটেললৈ আহিবলৈ কৈ মই পাণবজাৰ পালোঁ। পাণবজাৰত আছাম টেইলৰিঙৰ গৰাকী বিনোদ বাবু (বৰ্তমান বুকলেণ্ডৰ মালিক)ৰ ফোনৰ পৰা ঁঅতুল চন্দ্ৰ হাজৰিকা (আমাৰ ছাৰ, নাট্যকাৰ), ঁপ্ৰবীণ ফুকন, সৰ্বেশ্বৰ চক্ৰৱৰ্তী (অভিনেতা, নাট্যকাৰ) আদি তেঁহানিৰ শিল্পী-নাট্যকাৰসকলক ব্ৰজ শৰ্মাৰ মৃত্যুৰ বাতৰি দিলোঁ— আছাম ট্ৰিবিউন আৰু নতুন অসমীয়াৰ কাৰ্যালয়তো যোগাযোগ কৰিলোঁ— দুখৰ বাতৰিটো পাই ঁঅতুল চন্দ্ৰ হাজৰিকা ছাৰে সমবেদনা প্ৰকাশ কৰিছিল— আৰু বিস্মাত উঠি হস্পিটেললৈ আহিছিল। মায়াৰাম তামুলী ডাঙৰীয়াই হস্পিটেললৈ অহাই নহয়— শ্মশানযাত্ৰীও হৈছিল। এজন নামজ্বলা শিল্পীক ফোন কৰি দুঃসংবাদটো দিয়াত তেখেতে সুধিছিল— 'কোন ব্ৰজনাথ শৰ্মা?' মই কৈছিলোঁ— 'শিল্পী ব্ৰজনাথ শৰ্মা।' তেতিয়া তেখেত গহীন হৈ কৈছিল— 'ব্ৰজ ওস্তাদ'— কথাষাৰ ভাল নালাগি মই ফোনটো থৈ দিছিলোঁ। কি সুৰত বা কি ভাবত কৈছিল বুজা নাছিলোঁ। কিন্তু তেখেতক শ্মশানত দেখা মোৰ মনত নপৰে।

হস্পিটেলৰ পৰা আমি পাল পাতি কান্ধত দাঙি ধৰি কালীপুৰ শ্মশানলৈ নিছিলোঁ— শিল্পী, বিপ্লৱী ঁব্ৰজনাথ শৰ্মাক। মুখাগ্নিৰ কাৰণে মন্ত্ৰ পাঠ কৰিবলৈ ব্ৰাহ্মণ আহি নোপোৱাত ঘৰৰ পৰা হঠাতে আহি পোৱা আমাৰ দেউতা ঁচক্ৰধৰ চৌধুৰীয়ে পঞ্জিকাৰ পৰা মন্ত্ৰ পাঠ কৰিছিল আৰু তেখেতৰ জোঁৱায়েক ড° অৰবিন্দ মিশ্ৰই মুখাগ্নি কৰিছিল। সেই মুহূৰ্তত আমাৰ ভাব হৈছিল— যিগৰাকী স্বাধীনতা সংগ্ৰামী বিপ্লৱী ব্ৰজনাথ শৰ্মাই সৰভোগৰ বিমানঘাটিত জুই দি, স্বাধীনতা সংগ্ৰামত এক ইতিহাস সৃষ্টি কৰিবলৈ সমৰ্থ হৈছিল, যিগৰাকী শিল্পীয়ে কহিনুৰ অপেৰা পাৰ্টী গঠন কৰি সহ-অভিনয়ৰ জৰিয়তে নাট্য প্ৰদৰ্শন কৰি অসমৰ নাট্য আন্দোলনৰ পথ প্ৰদৰ্শন কৰিছিল, সেইজনৰ মৃত্যু হৈছিল— 'Without a grave, unknelled, uncoffined, and unknown.'

আন এদিনৰ কথা। উজনিৰ এজন ল'ৰা আমাৰ হোষ্টেলতে আছিল। সম্ভৱতঃ

বার্ষিক পৰীক্ষাত কৃতকার্য নহ'ল। হোষ্টেল এৰিবলগীয়া হোৱাত সি ক'ৰবাত মেছ এটাত উঠিলগৈ। হঠাৎ জ্বৰ হ'ল— হস্পিটেললৈ নিলে যদিও নাবাচিল। আমাক খবৰ দিলে— আমি মানে মই, ৰণেন গোহাঁই (শিৱসাগৰ কলেজৰ প্ৰাক্তন অধ্যক্ষ), জগদীশ বৰুৱা (নাজিৰাৰ), বসন্ত দুৱৰা (গঙা চিলনীৰ পাখী খ্যাত) প্ৰতাপ সোণোৱাল, কুমুদ ফুকন, শান্তনু দাস ইত্যাদি। আমি কালীপুৰ শ্মশানত দাহন কার্য সম্পাদন কৰি দুপৰীয়া উভতি আহিছোঁ— দীঘলীপুখুৰীলৈ গৈ তাত নামি গা ধুইছোঁ। হঠাৎ কোনোবাই উলিয়ালে— পুখুৰীটো সাঁতুৰি পাৰ হোৱাৰ কথা। কোৱা মানেই আৰম্ভ হ'ল। পথালিকৈ এবাৰ-দুবাৰ এনেকৈ কেইবাবাৰো পাৰ হ'লোঁ। মোৰ ভৰি এখন হঠাৎ অচল হৈ গ'ল। হাত দুখনো অৱশ হৈ পৰিল। মোৰ অৱস্থা, কাহিল— পাৰত দুজনমান আছিল— সিহঁতে চিঞৰিছে— মোৰ পিছফালে অলপ আঁতৰত প্ৰতাপ সোণোৱাল থিতাতে সাঁতুৰি আছিল। সি পিছফালৰ পৰা এটা প্ৰচণ্ড ঠেলা মাৰি দিলে। পানী এঢোক খালোঁ যদিও ভৰি দুখন মাটিত লাগিল। পাৰত থকা দুজনমানে আহি তেতিয়া হাত আগুৱাই দি মোক টানি পাৰত তুলিলে। এবাৰৰ কাৰণে আসন্ন মৃত্যুৰ পৰা ৰক্ষা পৰা যেন ভাব হ'ল।

প্ৰথম উল্লিখিত দিনটোতো প্ৰকৃততে কোনোবা এজনক স্মশানৰ জুইত তুলি দি উভতি আহিছিলোঁ। শ্মশানত গ'লে কাপোৰযোৰ বাহিৰত তিয়াই আমাক ঘৰ সোমাবলৈ দিছিল। সঁচা কৈছোঁ, আজিও এই ক্ষেত্ৰত সম্পূৰ্ণ সংস্কাৰমুক্ত হ'ব পৰা নাই। তেতিয়াৰ দিনতটো কথাই নাছিল। সেই কাৰণেই সেইদিনাখন পিন্ধি থকা কাপোৰযোৰৰ ওপৰতেই পানী ঢালি গা ধুইছিলোঁ। লগৰীয়াসকলে ঘটনাটো অন্য ধৰণে ভাবি বেলেগ আনন্দ এটা লৈছিল— তেওঁলোকক আচল কথাটো কৈ নিৰাশ কৰিবলৈ সত নগ'ল। উপযাচি ছাৰক গৈও আচল কথাটো কোৱা নহ'ল। বেৰত বলটো মাৰি হুলস্থূল এটা সৃষ্টি কৰাতকৈ গা ধোৱা আচৰণটো দেখিহে ছাৰ বেছি ক্ষুব্ধ হৈছিল। ফলত স্বাভাৱিকভাৱেই গধূলি হোষ্টেলৰ নোটিচ ব'ৰ্ডত এখন এটকা জৰিমনা বিহা জাননী লাগিছিল। Culpritটো যে ময়েই সেই কথা নক'লেও হ'ব। আৰ কাৰণে মোৰ কিন্তু সেই দিনাখনৰ ঘটনাটো মনত পৰিলে এটা কথাই আমনি দিয়ে যে যি উদ্দেশ্যৰে শ্বটটো মাৰিছিলোঁ— সেয়া সফল নহ'ল। সফল নহ'ল বুলি কৈছোঁ এই কাৰণেই নহয় যে মুকুলৰ গালৈ লোৱা শ্বটটো মুকুলৰ গাত নালাগিল বা দুপাট চেণ্ডেলেৰে দুফালৰ গ'লৰ সীমা নিৰ্ধাৰণ কৰি দিয়া নিৰ্দিষ্ট এলেকাৰ ভিতৰেদি নগৈ বাহিৰৰ সীমনাৰ বেৰতহে খুন্দা মাৰিলে— কিন্তু আচল কথাটো— অনুজপ্ৰতিম ৰঞ্জিতক আশ্বস্ত কৰিবলৈ মৰা শ্বটটোৱে ওন্দোলাই থকা ৰঞ্জিতৰ মুখত হাঁহি বিৰিঙাব নোৱাৰিলে, দ্বিতীয়বাৰৰ কাৰণে ৰঞ্জিতক আকৌ খেলপথাৰলৈ ওভতাই আনিব নোৱাৰিলে— কাৰণ সেইখনেই আছিল ৰঞ্জিতৰ জীৱনৰ শেষ প্ৰীতি খেল। পিছত

জানিছিলোঁ সেইদিনাখন ৰঞ্জিতক লেং মাৰিছিল— ৰাণাইহে (পিছত ড° জয়ন্ত দাস), মুকল মানে মুকুল বৰদলৈয়ে নহয়।

চাৰি জুলাই— ১৯৬০ চন। ৰাতিপুৱা চাৰে ন মান বজাত হোষ্টেলৰ কমন ৰুমত সোমালোঁ— ৰণেন গোহাঁই, প্ৰভাত গগৈ আৰু মই। কমন ৰুমৰ দীঘল আৰামী বেঞ্চখনৰ এটা মূৰত বহি আপোনমনে বাতৰিকাকত পঢ়ি আছিল— ৰঞ্জিতে (ৰঞ্জিত বৰপূজাৰী)। আমি তিনিওজনেও একোখন বাতৰিকাকতত চকু ফুৰাবলৈ ধৰিলোঁ। সেই সময়ত ৰাজ্যভাষাৰ প্ৰশ্ন লৈ বাতৰিকাকততো দুই-এটা গৰম খবৰ ওলাবলৈ ধৰিছে। তাৰে কোনো এটা খবৰক লৈ আমাৰ মাজত আলোচনা আৰম্ভ হ'ল। ৰঞ্জিতেও আলোচনাত অংশ লৈ আবেগিক হৈ অসমীয়া ভাষাতনো কি নাই, অসমীয়াৰনো কি নাই— এনেকুৱা দুই-চাৰিটা কোৱা দেখি আমি তিনিওজনে, বিশেষকৈ প্ৰভাত গগৈ আৰু মই তাক অলপ 'ডাউন দিয়া'ৰ ছলেৰে ওলোটা কথাৰে যুক্তি আগবঢ়ালোঁ। ৰণেনেও মাজে মাজে আমাক সমৰ্থন কৰি গ'ল। দহ-পোন্ধৰ মিনিট এইদৰে তৰ্ক-বিতৰ্ক চলাৰ পিছত ৰঞ্জিত স্তব্ধ হ'ল। আবেগমিশ্ৰিতভাৱে প্ৰায় কান্দি ক'লে— 'আজিৰ পৰা মই আৰু তৰ্ক নকৰোঁ।' এইবুলি কৈ সি ৰুমলৈ গ'ল আৰু বিছনাত শুই পৰিল। তাৰ লগত ধেমালিহে কৰিছিলোঁ— কিন্তু খং কৰি প্ৰায় কান্দি-কাটি তেনেকৈ যোৱা দেখি আমাৰ বেয়া লাগিছিল। ভাবিছিলোঁ, আবেলি চাহ খোৱাৰ সময়ত পৰমা মহন্তৰ (ড° পৰমানন্দ মহন্ত) ৰুমলৈ গৈ দুই-চাৰিটা কথা পাতি ৰঞ্জিতৰ মন (ৰঞ্জিত পৰমা মহন্তৰ ৰুমমেট আছিল) পাতলাই আহিম। এনেদৰে ভাবি আৰু অইন দুই-এটা কথা পাতি থাকোঁতে— দুই নম্বৰ ব্লকৰ কৰিড'ৰত কোনোবাই সজোৰে কিবা কৈ থকা শুনি আমি ওলাই আহিলোঁ। দেখিলোঁ চাৰি দিনমান আগতে সন্ধিয়া অহা সেইজন মানুহেই আহি কিবা কৈ আছে। মানুহজন সবল, সুঠামদেহী আৰু মুখৰ অৱয়ৱ মংগোলীয় হিন্দী চিনেমাৰ 'ডেনী'ৰ লেখীয়া। সেইদিনাখন সন্ধিয়া এই মানুহজনেই আমাক গান্ধীবস্তিলৈ লৈ গৈছিল— তাত বঙালী মানুহে উপদ্ৰৱ কৰা বুলি কৈ। গান্ধীবস্তিত সোমোৱা ৰাস্তাটোৰ সন্মুখত দেখা পালোঁ হেম বৰুৱা, ৰেণুকা দেৱী বৰকটকী ইত্যাদি। তেওঁলোকে বাট ভেটি ধৰি আছে— কাকো সোমাবলৈ দিয়া নাই। আমি উভতি আহিলোঁ— আহোঁতে আমাৰ দলত আৰু দুই-চাৰিজন বাঢ়িল। আমবাৰী পাওঁতে এজনে প্ৰস্তাৱ দিলে যে দক্ষিণফালে (বৰ্তমান এ জি পি অফিচৰ পিছফালে) ৰে'ললাইনৰ কাষত আচল ঘাটি আছে— তাতে জুই দিব লাগে। কোনোবাই এবটল নে দুবটল পেট্ৰ'লো আনিলে। অলপ দূৰ আগবাঢ়ি গৈও সত নগ'ল— আমি উভতি আহিলোঁ। প্ৰস্তাৱক আৰু সমৰ্থককেইজনেও আমাক উদ্বুদ্ধ কৰিব নোৱাৰি অলপ ইফাল-সিফাল কৰি উভতি আহিল। মানুহজন কোন, বা নাম কি, ক'ৰ, আমি একো নাজানিছিলোঁ— মাত্ৰ, এজন উগ্ৰ অসমীয়াপ্ৰেমী বুলিয়েই আমি ভাবি লৈছিলোঁ—

আৰু তেতিয়া সেই মানুহজনৰ বিষয়ে তাতোকৈ অধিক জনাৰ একো প্ৰয়োজনো অনুভৱ কৰা নাছিলোঁ।

যি কি নহওক, মানুহজনৰ কথা ইতিমধ্যে 'ৰিলে' হ'বলৈ আৰম্ভ কৰিছে। ইজনৰ মুখৰ পৰা সিজনৰ মুখলৈ। কিছু বঙালী মানুহে হেনো ডনবস্কোৰ চাৰিআলিত প্ৰত্যাহ্বান জনাইছে। ভাবি চাবৰ সময় নাই— গিজ্‌গিজাই আমি সবে ৰাস্তালৈ ওলাই গ'লোঁ। কৰিড'ৰৰ ৰেলিঙত লগাই থোৱা ডেৰ-দুই ফুট দীঘলৰ ডেৰ ইঞ্চিমান বহলৰ কাঠৰ খুঁটিবোৰেই আমাৰ পাশুপাত অস্ত্ৰ। বহুতে তাৰে একোডাল লৈ ৰাস্তালৈ ওলাই গ'ল। ডনবস্কোৰ কাষেৰে উত্তৰা-দক্ষিণাকৈ যোৱা ৰাস্তাটোত পূবফালে কেইখনমান দোকান আছিল। এখন গেলামালৰ আন দুই এখন সৰু চাহ দোকান— সেইবিলাকত দুই-এটা আঁচোৰ পৰিল। বৰ্তমানৰ এছ পি অফিচৰ সেইখিনিত এটা ট্ৰেড্ ইউনিয়নৰ খেৰী ঘৰ এটা আছিল। কোনোবাই তাত জুই লগাই দিলে। হুলস্থূল হ'ল। আমি আমাৰ হোষ্টেলৰ ল'ৰাখিনিক হোষ্টেললৈ আহিবলৈ নিৰ্দেশ দিলোঁ। আমি আটায়ে আহি হোষ্টেল সোমালোঁ। সেই সময়ত ক'ৰবাৰ পৰা মোৰ বন্ধু ধীৰেন কলিতাও (নৰ্থ গুৱাহাটী কলেজৰ অধ্যক্ষ) আহি ওলাইছিল। আমি ৰুমত সোমাই দৰ্জাৰে আলেখ-লেখ চাই আছিলোঁ। এনেতে গণ্ডগোলত সাৰ পাই শোৱাপাটী এৰি গেঞ্জি আৰু পাইজামা পৰিহিত ৰঞ্জিতে চকু মোহাৰি মোহাৰি ৰুমৰ পৰা ওলাই আহিছিল— বাহিৰত কি হৈছিল জানিবৰ বাবে। আদেশৰ সুৰত তাক ৰুমত সোমাই থাকিবলৈ ক'লোঁ। সি ৰুমলৈ উভতি গ'ল কিন্তু ৰুমত সোমাই পাইজামাৰ লগৰ বুকু খোলা ছাৰ্টটো গাত সোমোৱাই লৈ তিনি নম্বৰ ব্লকৰ পৰা দুই নম্বৰ ব্লকলৈ চিধাই খোজ ল'লে। এনেকুৱা সময়ত তদানীন্তন এছ পি পাব্বী চাহাবৰ নেতৃত্বত এদল বন্দুকধাৰী চিপাহী ডনবস্কোৰ কোণটোত পজিচন ল'লে। ৰঞ্জিতে বাৰাণ্ডাত উঠি (সম্ভৱতঃ পুলিচ দেখা পাই) বাঁওফালে ঘূৰিবহে পালে— পুলিচৰ গুলীত পূবপিনে মুখ কৰি তেৰ নম্বৰ কোঠালিৰ সন্মুখত সি ঢলি পৰিল। দুই-একে মিনিট পিছতেই তাৰ পৰা চিপাহী সমন্বিতে এছ পি পাব্বীৰ তাৰ পৰা প্ৰস্থান ঘটিল। পাব্বীৰ হাজৰিকা, ৰুদ্ৰ গোহাঁই, নেত্ৰধৰ দাস, অখিল ডেকা আদিক বাহিৰলৈ আনিবলৈ ধৰিছে— মই কলেজলৈ দৌৰ মাৰিলোঁ— দুখীৰামক প্ৰিন্সিপালৰ ৰুমটো খুলি দিবলৈ কৈ তাৰ পৰা হস্পিটেললৈ ফোন কৰিলোঁ। এম্বুলেন্স বিচাৰি। এম্বুলেন্স নাই বুলি জনালে— চিভিল ছাৰ্জনৰ হেনো অসুখ। টেলিফোন অপাৰেটৰ কোনোবা বন্ধুৱে মোক ক'লে— 'অইন ডাক্তৰৰ ঘৰত ফোন লগাই দি আছোঁ— আপুনি কথা পাতক।' ডাঃ নলিনী শৰ্মা, ডাঃ কনকলাল বৰুৱা আদিক অনুৰোধ জনালোঁ তৎক্ষণাৎ আহিবৰ বাবে। উভতি আহোঁতে প্ৰিন্সিপাল ড° হৰিশ গোস্বামী ছাৰৰ ঘৰত সোমাই ছাৰক মাতি আহিলোঁ। আহি থাৰ্ড মেছ পাওঁতে চাৰি নম্বৰ ব্লকৰ পূবফাল কোণটোত

দেখিলোঁ বন্ধু অমৃত ভট্টই মৃত্যুৰ সৈতে সংগ্ৰাম কৰি আছে। বাঁওহাতৰ কান্ধৰ তলৰ পৰা জোলোকা-জোলোকে তেজ ওলাই আছে। আকৌ কলেজলৈ ঢাপলি মেলিলোঁ— বন্ধু ভুবনেশ্বৰ ভূএগ্ৰা মোৰ লগতে গ'ল। ছাৰৰ ৰুম খুলি আকৌ ডাক্তৰ মাতিছোঁ— কাতৰ আহ্বান জনাইছোঁ— গাড়ী লৈ আহিবৰ বাবে— এনেতে হেম বৰুৱা আহি ৰুমত সোমাল— মোৰ পৰা ফোনটো হাতত লৈ অপাৰেটৰক ক'লে— 'মই হেম বৰুৱা এম পিয়ে কৈছোঁ— চীফ মিনিষ্টাৰ বিমলা চলিহাৰ লগত কথা পাতিব খুজিছোঁ।' অকণো বিলম্ব নোহোৱাকৈয়ে অপৰিচিত টেলিফোনৰ অপাৰেটৰ বন্ধুজনে শ্বিলঙৰ অফিচৰ লগত টেলিফোন সংযোগ কৰি দিছিল। মুখ্য মন্ত্ৰীৰ টেলিফোন ধৰিছিল— হেম বৰুৱাদেৱে তেখেতৰ স্বকীয় নাটকীয় ভংগীৰে ক'লে— 'মই হেম বৰুৱা এম পিয়ে কৈছোঁ— মোক বিমলা চলিহাক লাগে।' অলপ সময় হেম বৰুৱাদেৱক ধৰি থাকিবলৈ দিলে— তাৰ পিছত তেখেতক জনাই দিলে যে চীফ মিনিষ্টাৰ চলিহাদেৱৰ অসুখ। তেতিয়া হেম বৰুৱাদেৱে চলিহাদেৱৰ ব্যক্তিগত সচিবক ক'লে— 'কটন কলেজৰ ছাত্ৰাবাসত পুলিচে গুলীচালনা কৰিছে— এজন ছাত্ৰৰ মৃত্যু হৈছে, বহুত আহত হৈছে— চলিহাক কোৱা— এতিয়াই শ্বিলঙৰ পৰা নামি আহিব লাগে....।' হোষ্টেললৈ উভতি আহি দেখিলোঁ— ডাঃ নলিনী শৰ্মা, ডাঃ কনকলাল বৰুৱা আদি ইতিমধ্যে আহি পাইছে। আহতসকলক— কাৰোবাক ৰিক্সাত, কাৰোবাক গাড়ীত উঠাই হস্পিটেললৈ পঠোৱা হ'ল। আমি দুজনমান ৰঞ্জিতৰ মৃতদেহৰ কাষত বহি আছোঁ— ধূপ দুডালমান জ্বলাই দি। অনিল ৰতন বৰঠাকুৰ আহি উপস্থিত হ'ল তাত। তেখেত তেতিয়া মেজিষ্ট্ৰেট। অনিল ৰতন বৰঠাকুৰেই বাকী হোষ্টেলবিলাকতো নিজৰ মটৰচাইকেলেৰে গৈ খবৰ দিছিল। ইতিমধ্যে আমাক মাতি নিয়া সেই চ'কাজনো আহি আমাৰ কাষতে বহিল। সি ৰঞ্জিতৰ মৃতদেহটো দাঙি ঘূৰাই দিব খুজিলে— মই মানা কৰিলোঁ। সি যুক্তি দিলে— পশ্চিমফালে মুৰটো কৰি পৰি থকা দেখিলে চিপাহী যে কৰিড'ৰেৰে ভিতৰ সোমাই গুলী কৰিছিল সেই কথা প্ৰমাণ কৰিব পৰা যাব। বৰঠাকুৰে ক'লে— 'মই ফাৰ্ষ্টক্লাছ মেজিষ্ট্ৰেট। মোক লৈ মৃতদেহৰ ছবি ল'লে হ'ব।' সেই ধৰণে ফটো লোৱা হ'ল— Rest is history।❑

স্মৃতিৰ মণিকোঠত

কটন ছাত্ৰাৱাসত কটাই অহা দুটা বছৰ

গগন চন্দ্ৰ অধিকাৰী

১৯৫৭-৫৯ চন।

সুদীৰ্ঘ আঢ়ৈ কুৰি বছৰ বাগৰি যোৱা অতীতৰ দুবছৰীয়া স্মৃতি!

প্ৰৱেশিকা পাছ কৰি (১৯৫৭) বৰ উলহ-মালহেৰে গৈ নাম লগাইছিলোঁ কটন কলেজত। 'আই এছ চি' ক্লাছত। হৈ পৰিছিলোঁ কলেজীয়া ছাত্ৰ। 'কটনিয়ান'। গৰ্বত মোৰ কামিহাড় জিলিকা বুকুখনো ফুলি উঠিছিল— কমেও পাঁচ ইঞ্চিমান। তাৰে লগে লগে পিতৃ-মাতৃৰ শাসন-গণ্ডীৰ পৰা মুকলি হৈ সোমাই পৰিছিলোঁ 'ছুপাৰ', 'মনিটৰ'ৰ শাসন গণ্ডীত; কটন কলেজৰ ঐতিহাসিক 'ফাৰ্ষ্ট ব্লক' অৰ্থাৎ প্ৰথম ছাত্ৰাবাসত। ঘৰত স্নেহময়ী আয়ে পৰিৱেশন কৰা তৃপ্তিকৰ খাদ্যৰ সলনি অভ্যস্ত হৈ পৰিছিলোঁ 'হেড্ কুক্ বুঢ়া ঠাকুৰ'ৰ নেতৃত্বত 'অসমীয়া' (এওঁলোক দুজনৰ প্ৰকৃত নাম দুটানো কি আছিল, আমি নাজানিলোঁৱেই), 'চুকুল' আৰু নন্দ ঠাকুৰ'-এ ৰন্ধা বা আধুনিক অসমীয়া ভাষাত বনোৱা আৰু উক্ত 'চাৰি সিদ্ধ'ৰ লগতে ধন ওৰফে 'নন্দ-পেটুৱা', 'দুলাল' আৰু পানীৰামে পৰিৱেশন কৰা হোষ্টেলৰ খানাত। অভ্যস্ত হৈছিলোঁ ৰাতিপুৱা কাটাই কাটাই ন বজাতে আৰম্ভ হোৱা 'ফিজিক্স' অথবা 'কেমিষ্ট্ৰী'ৰ ক্লাছত সময়মতে উপস্থিত হ'বলৈ আঠ বজাতেই 'হাফ্-বইল' ভাত আৰু লোণ-পিটিকা দাইল-পানী গো-গ্ৰাসে গিলিও তৃপ্তি পোৱাত।

সেই মধুৰ দিনবোৰৰ কাহিনী ৰোমন্থন কৰি লিখি গ'লে হয়তো এখন মহাভাৰতেই হ'বগৈ। কিন্তু 'মূৰ্খৰ বাকচ' (TV)টোত বছৰেকত তিনি-চাৰিখনকৈ নিৰ্মাণ হোৱা মহাভাৰতৰ ছিৰিয়েলসোপা চাবলৈ পোৱাত বেদব্যাস মুনিয়ে ৰচনা কৰা মহাভাৰতখনকে পঢ়িবলৈকে মানুহ নোহোৱা হৈছে। এই যুগত মই ৰচা মহাভাৰত পঢ়িবলৈ জানো মানুহ

ওলাব? সেইবাবে টুকুৰা খবৰবোৰেৰেই টোকোৰাই বাহ সজাৰ প্ৰয়াস কৰিছোঁ।

ঐতিহাসিক তথ্য মতে কটন কলেজ প্ৰতিষ্ঠাৰ লগে লগে ১৯০১ চনতে স্থাপিত হৈছিল 'ফাৰ্ষ্ট ব্লক্' বা 'ফাৰ্ষ্ট মেছ' নামেৰে সুখ্যাত আমি থকা প্ৰথম ছাত্ৰাবাসটো। ইয়াৰ প্ৰথমগৰাকী 'ছুপাৰ' আছিল কটন কলেজৰে অংকৰ অধ্যাপক 'ইন্দুমোহন ব্ৰহ্মচাৰী'। সেয়ে, আৰম্ভণিৰ কালত এই ছাত্ৰাবাসক মানুহে জানিছিল 'ইন্দুবাবুৰ হোষ্টেল' বুলিহে।

প্ৰসংগক্ৰমে উল্লেখযোগ্য যে এইটো হোষ্টেলৰ ষষ্ঠ গৰাকী ছুপাৰিণ্টেণ্ডেণ্ট্ বা অধীক্ষকৰ নামো আছিল 'ইন্দুমোহন'— ইন্দুমোহন সৰকাৰ (১৯৩৪-৪৬)। সেই সময়ত একোজন অধীক্ষকে একেৰাহে কেইবাবছৰো ধৰি একেটা ছাত্ৰাবাসৰে অধীক্ষকৰূপে কাৰ্যনিৰ্বাহ কৰাৰ সুযোগ পাইছিল। আমি শুনা মতে, দ্বিতীয়গৰাকী 'ইন্দুমোহন'ৰ পৰাহে ছাত্ৰাবাসটোক 'ইন্দুবাবুৰ হোষ্টেল' বোলা হৈছিল। কিয়নো প্ৰথমজনাৰ সময়ত ছাত্ৰাবাস একমাত্ৰ এইটোৱে আছিল। গতিকে তেতিয়া তাৰ কোনো আছুতীয়া নামৰ প্ৰয়োজন নাছিল। পিছলৈ ছাত্ৰাবাসৰ সংখ্যা বঢ়াতহে এই ছাত্ৰাবাসে উক্ত অভিধা লাভ কৰা বুলি কোৱা শুনা গৈছিল। আমি ছাত্ৰাবাসত থকা কালৰ অধীক্ষকগৰাকী আছিল অধ্যাপক প্ৰফুল্ল প্ৰাণ চাংকাকতি (১৯৫৮-৬০)। অধীক্ষকসকলৰ তালিকা মতে এখেত আছিল অষ্টমগৰাকী ব্যক্তি। বাকী সাতগৰাকীৰ ভিতৰত উল্লিখিত দুই 'ইন্দু'ৰ উপৰি (অধ্যাপকসকল) ভুবনমোহন সেন, লক্ষ্মীনাৰায়ণ চেটাৰ্জী, ড° সূৰ্যকুমাৰ ভূঞা, শ্ৰীনাথ চক্ৰবৰ্তী আৰু চন্দ্ৰ দাস। তালিকাক্ৰমত এখেতসকলৰ স্থান যথাক্ৰমে দ্বিতীয়, তৃতীয়, চতুৰ্থ, পঞ্চম আৰু সপ্তমত আছিল।

শুনিছিলোঁ, অসমৰ বহুকেইগৰাকী বৰেণ্য ব্যক্তি এই ছাত্ৰাবাসৰ আবাসী আছিল। সেইসকলৰ ভিতৰত বুৰঞ্জীবিদ ড° সূৰ্যকুমাৰ ভূঞা (১৯০৯-১১), ভাষাবিদ ড° বাণীকান্ত কাকতি (১৯১১-১৩) আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথমগৰাকী উপাচাৰ্যৰ পদ শুৱনি কৰা, পণ্ডিতপ্ৰবৰ কৃষ্ণকান্ত সন্দিকৈৰ নাম বিশেষভাৱে উল্লেখযোগ্য।

আমি থকা সময়ত (কিজানি এতিয়ালৈকে) ছাত্ৰাবাসৰ মুঠ আবাসী কোঠাৰ সংখ্যা আছিল ২২টা। ইয়াৰে ভিতৰত এজনীয়া কোঠা এটা (১৮ নং), দুজনীয়া ৫টা (১০, ১৯, ২০, ২১ আৰু ২২) আৰু চাৰিজনীয়া ১৬টা।

প্ৰথম বাৰ্ষিকত মই আছিলোঁ ৮ নং কোঠাত; দ্বিতীয় বাৰ্ষিকত পাইছিলোঁ ১৬ নং কোঠা। দুয়োটাই চাৰিজনীয়া কোঠা। তেতিয়াৰ নিয়ম অনুসাৰে চাৰিজনীয়া প্ৰতিটো কোঠাত প্ৰথম বাৰ্ষিকৰ দুজন আৰু তৃতীয় বাৰ্ষিকৰ দুজনকৈ ছাত্ৰক অথবা (ইণ্টাৰমিডিয়েট আৰু ডিগ্ৰী-ফাইনেল পৰীক্ষাৰ্থী হোৱা বাবে) দ্বিতীয় আৰু চতুৰ্থ বাৰ্ষিকৰ উক্ত সমসংখ্যক ছাত্ৰক থাকিবলৈ দিয়াৰ প্ৰথা প্ৰচলিত আছিল। প্ৰথম বছৰত মোৰ 'ৰুমমেট' কেইগৰাকী আছিল তৃতীয় বৰ্ষৰ শ্ৰী তাৰকেশ্বৰ চৌধুৰী (কৰ্মজীৱনত কটন কলেজৰ অংকৰ অধ্যাপকৰূপে সম্প্ৰতি অৱসৰ পোৱা) আৰু শ্ৰী উমাকান্ত বৈশ্য আৰু প্ৰথম বৰ্ষৰ শ্ৰী

অশ্বিনী কুমাৰ চৌধুৰী। অশ্বিনী মোৰ বাল্যবন্ধু আছিল। আমি দুয়ো প্ৰৱেশিকাও পাছ কৰিছিলোঁ একেখন ছয়গাঁও হাইস্কুলৰ পৰাই। আমি দুয়ো প্ৰৱেশিকাত পোৱা মুঠ নম্বৰৰ পৰিমাণো আছিল দুয়োৰে সমান সমান। (দৰাচলতে ছাত্ৰাৱাসত মোক প্ৰথমে দিয়া ৰুমটো আছিল ৯। ৮ নম্বৰত দিয়া হৈছিল একে বৰ্ষৰে (শিৱসাগৰ কাকজানৰ) শ্ৰী প্ৰফুল্ল কুমাৰ দত্তক। (দত্ত পিছলৈ মোৰ 'প্ৰেক্টিকেল'ৰ পাৰ্টনাৰ হৈছিল।) দত্ত আৰু মই দুয়ো সমিলমিলৰ মাজেৰে ৰুম সলনা-সলনি কৰি লৈছিলোঁ অধীক্ষক তথা মনিটৰৰ অনুমতি লৈ। উদ্দেশ্য, দুয়ো বাল্যবন্ধুৱে একেলগে একেটা ৰুমতে থকাৰ)। দ্বিতীয় বৰ্ষত ৰুমমেট পাইছিলোঁ চতুৰ্থ বৰ্ষৰ শ্ৰী অৰুণ কুমাৰ ভূঞা আৰু শ্ৰী নাৰায়ণ বৈশ্য আৰু দ্বিতীয় বৰ্ষৰ শ্ৰী বাণী কুমাৰ সিংহক। বাণীয়ে স্বাস্থ্যজনতি কাৰণত দিনে দুবাৰকৈ 'ক'ড লিভাৰ অইল' সেৱন কৰিবলগীয়া হৈছিল। ফলত 'ছেভেন্‌চিজ্ ক'ড লিভাৰ অইল'ৰ কেচেমাকেচেম দুৰ্গন্ধটো আমাৰ বাবে অত্যন্ত অসহনীয় আছিল যদিও লাহে লাহে আমি অভ্যস্ত হৈ পৰিছিলোঁ। উক্ত উৎকট গোন্ধৰ ফলত আমাৰ পিছে উপকাৰো হৈছিল। সুযোগ পালেই আড্ডা পাটিবলৈ ভাল পোৱাকেইটাই আমাৰ ৰুমত সোমালেও বহি আড্ডা পিটি থাকিবলৈ টান পাইছিল। গতিকে আমি নিৰ্বিঘ্নে পঢ়া-শুনা কৰি থকাৰ সুযোগ পাইছিলোঁ।

আমাৰ ছাত্ৰাৱাসটোৰ আৱাসীসকলৰ মাজত পৰম্পৰাগতভাৱে বৰ মিলা-প্ৰীতি আছিল। ছিনিয়ৰসকলক জুনিয়ৰসকলে সততে 'দাদা' বা 'ককাইদেউ' ৰূপে গণ্য কৰি সম্ভ্ৰম-সন্মান দেখুৱাই চলিছিল। ছিনিয়ৰসকলৰো বেছিভাগেই আমাক 'ভাইটি' বুলিহে মাতিছিল। প্ৰতিটো দেওবৰীয়া দিনৰ খাদ্য মজবুত হলেও পৰিৱেশনত পলম হয়। স্বাভাৱিকতে ভোকে কলমলায়। ন-দহ বজাৰ লগে লগে মনে মিলা চাৰি-পাঁচজনে লগ হৈ আমি হয় ছাত্ৰাৱাসৰ নিকটস্থ গুৱাহাটী ৰে'ল ষ্টেচনৰ কাষত থকা চাহ দোকান বা দীঘলীপুখুৰীৰ পূবৰ ফালে থকা 'ছান্‌ৰাইজ্ ৰেস্তোৰাঁ'খনলৈ যাওঁ। লগত শ্ৰী অৰুণ ঠাকুৰীয়া দাদাহঁতৰ দলটো থাকিলে চাহৰ পইচা আমাক দিবলৈ নিদিয়ে। কয়— 'ককায়েকহঁত লগত থাকিলে খোৱাৰ পইচা ভায়েকহঁতে দিব নাপায়।' এক পৰম সৌহাৰ্দ্যই আমাক আপ্লুত আৰু অভিভূত কৰি তোলে। আমি যেন একেটা পৰিয়ালৰ লোক, এনে লাগে। এনেবোৰ স্মৃতি সঁচাই মধুৰ আৰু পাহৰিব নোৱাৰা।

আমি থকা কালত প্ৰথম ছাত্ৰাৱাসত ভালেগৰাকীও সুঠাম-স্বাস্থ্যশ্ৰীৰ আৱাসী আছিল। আমি ছাত্ৰাৱাসত সোমায়ে পোৱা প্ৰথম 'মনিটৰ' শ্ৰী শিৱ গগৈ আছিল সেইবেলি কটন কলেজৰ 'মিঃ কটনিয়ান'। ওখ-পাখ সুশ্ৰী পুৰুষ। সৰ্বশ্ৰী ত্ৰৈলোক্য বৰুৱা, ৰমেন হাজৰিকা আদিৰ লগতে আমাৰ ৰুমমেট্ উমা বৈশ্যদাও আছিল থুলন্তৰ লোক। পালোৱানৰ দৰে স্বাস্থ্যশ্ৰীৰ গৰাকী শ্ৰী ৰমেন হাজৰিকাদা আছিল ন নম্বৰ ৰুমত। তেওঁৰ ৰুমমেট একেই তৃতীয় বৰ্ষৰ শ্ৰী কামিনী কুমাৰ নাথদা। তেওঁৰ স্বাস্থ্য আকৌ দীৰ্ঘযুক্ত, প্ৰস্থহীন

যেন এডাল সৰল ৰেখা। বৰদৈচিলাই কেতিয়াবা ক'ৰবালৈ উৰুৱাই লৈ যাব, লৈ যাব লগা। ৰমেন হাজৰিকা আৰু উমা বৈশ্যই বাহিৰত আড্ডা পিটি, হাঁহি-খিকিন্দালি কৰি থকা দেখিলে সেইগৰাকী নাথদাই যেতিয়া গৰ্জি উঠে— 'হেই ৰমেন, হেই উমা— পঢ়া-শুনা এৰি তহঁতে গাজা পিটিছ? পঢ়িবলৈ বহিবি নে মই গৈ এক্কেপাকে তহঁতৰ মূৰ দুটা ছিঙি থৈ আহিমগৈ?' ধমকি শুনি হাজৰিকা আৰু বৈশ্যদাই সৰু ল'ৰাৰ দৰে সুৰসুৰকৈ সোমাই গৈ যেতিয়া পঢ়িবলৈ বহে— সেই ধমকি শুনি আৰু দৃশ্য চাই আমি হাঁহিত ফাটি পৰোঁ। সেইগৰাকী নাথদাই পিছলৈ শ্বিলঙৰ ছেইণ্ট এড্‌মাণ্ড কলেজত পদাৰ্থবিজ্ঞানৰ অধ্যাপক হৈছিল। হাজৰিকা আৰু বৈশ্যদাই যথাক্ৰমে বন বিভাগ আৰু আৰক্ষী বিভাগত উচ্চপদস্থ বিষয়বাব খাইছিল। অৱসৰৰ পিছত গুৱাহাটীতে থকা ৰমেনদাক মাজে-সময়ে কেতিয়াবা লগ পাওঁ যদিও ছাত্ৰাবাসৰ শতবৰ্ষ উদ্‌যাপন উৎসৱত নাথদাক এবাৰ লগ পোৱাৰ বাহিৰে উমা বৈশ্যদাক একেবাৰে লগ পোৱা নাই।

ছাত্ৰাবাসত থাকোঁতে পোৱা দ্বিতীয় বৰ্ষৰ সৰ্বশ্ৰী অনন্ত লহকৰ, কমলিন্দ্ৰনাথ কাকতি, জিতেন্দ্ৰ নাথ গোস্বামী, চণ্ডীচৰণ মেধি, ভবানন্দ দাস আৰু প্ৰথম বাৰ্ষিকৰ গিৰীণ বাগলাৰী, প্ৰফুল্ল দত্ত আৰু প্ৰশান্ত কুমাৰ শৰ্মা একেধাৰে তীক্ষ্ণধীসম্পন্ন আৰু ৰসিকতা কৰি ভাল পোৱা আবাসী। বৰপেটাৰ শংকৰ বায়ন প্ৰথম বৰ্ষৰ হৈয়ো স্ব-মহিমাৰে হৈ পৰিছিল আবাসীসকলৰ প্ৰতিজনৰে উমৈহতীয়া 'মামা'। তৃতীয় বৰ্ষৰ ভূপেন মেধি আছিল এক ভাঙিব নোৱাৰা সাঁথৰ। তেওঁ আছিল কলাৰ ছাত্ৰ, অনাৰ্ছ লৈছিল 'ফিল'ছফি'ত। পৰীক্ষাৰ প্ৰতি তেওঁৰ আছিল এক দুৰ্বাৰ অনীহা। ইণ্টাৰমিডিয়েট পৰীক্ষাত ইংৰাজীৰ প্ৰথমখন কাকতৰ প্ৰশ্নোত্তৰ কৰি তেওঁ বোলে নিশ্চিত হৈছিল পৰীক্ষাত পাছ কৰিবলৈ দুয়োখন পেপাৰ মিলাই যি মুঠ নম্বৰ পাব লাগে, সেইখিনি নম্বৰ তেওঁ প্ৰথমখনতেই পাব। গতিকে দ্বিতীয়খনৰ পৰীক্ষা দিবলৈ নগৈ তেওঁ ফক্তি মাৰি শুই থাকিল। সকলোৱে ভাবিছিল, তেওঁ চাগে 'ড্ৰপ' দিলে। কিন্তু ইংৰাজীৰ পিছৰ পৰীক্ষাবোৰ তেওঁ দিবলৈ গ'ল। ৰিজাল্ট ওলাল— তেওঁ সঁচাকৈয়ে উত্তীৰ্ণও হ'ল। মাথোন প্ৰৱেশিকাৰ 'ডিভিজন'ত তেওঁ পোৱা আঁচডালৰ লগত আই এ-ৰ ডিভিজনত আৰু এডাল আঁচ বেছিকৈ বহিল। তেওঁ 'ছেকেণ্ড ডিভিজন' পালে।

আমি পোৱা চতুৰ্থ বাৰ্ষিকৰ আবাসীসকলৰ ভিতৰত শ্ৰী কনক চন্দ্ৰ শৰ্মা আৰু শ্ৰী নাৰায়ণ তালুকদাৰ আছিল সৰবৰহী স্বভাৱৰ— অলপ সময়ৰ ভিতৰতে সকলোকে আপোন কৰি ল'ব পৰা গুণৰ। ইয়াৰ বিপৰীতে চতুৰ্থ বাৰ্ষিকৰে আবাসী সৰ্বশ্ৰী কনক ডেকা, অজিত চলিহা, অপূৰ্ব শৰ্মা, দীনেশ পাঠক, অজিত মিশ্ৰ, প্ৰণৱ কুমাৰ অধিকাৰী, দেবদত্ত শৰ্মা আছিল অতিশয় গম্ভীৰ, 'ৰিজাৰ্ভড্' প্ৰকৃতিৰ লোক। সৰুফুটীয়া দীপক চক্ৰৱৰ্তী আছিল সংগীতপ্ৰেমী; ডাইনিং হল, লেট্ৰিনলৈ যাওঁতেও তেওঁ ৰবীন্দ্ৰ সংগীতৰ সুৰ গুণগুণাই গৈছিল।

উল্লেখ্য যে আমি পোৱা ছাত্ৰাবাসৰ আবাসীসকলৰ অধিকাংশই কৰ্মজীৱনত নানা ক্ষেত্ৰত উচ্চ মৰ্যাদাসম্পন্ন নিযুক্তি লাভ কৰিবলৈ সক্ষম হৈছিল। বিভিন্ন কলেজ, বিশ্ববিদ্যালয়ৰ অধ্যাপক হৈছিল। প্ৰাদেশিক তথা সৰ্বভাৰতীয় অসামৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ প্ৰসাশনীয় বিষয়া, সচিব, জিলাধিপতি হৈছিল। সম্প্ৰতি তেওঁলোকৰ প্ৰায়ভাগেই অৱসৰীয়া সুখী জীৱন যাপন কৰি আছে। দেখা-দেখি হ'লে এতিয়াও 'হেৰা ভাইটি' বুলিয়েই চিঞৰি মাতে।

এইখিনিতে আমি থকা কালত ছাত্ৰাবাসত থকা সুবিধা-অসুবিধাৰ ঘটনাচেৰেক উল্লেখ নকৰিলে স্মৃতিচাৰণ নিশ্চয় অসম্পূৰ্ণ হৈ থাকিব। আমি থকা কালত ছাত্ৰাবাসত বিজুলীবাতি আছিল যদিও 'ফেন' দিয়া হোৱা নাছিল। গা ধুবলৈ কোনো 'বাথৰুম' নাছিল। সন্মুখত থকা পানীৰ চৌবাচ্ছাটোৰ দাঁতিতে মুকলিভাৱে সকলোৱে গা, কাপোৰ-কানি সকলো ধুইছিল। প্ৰথম, দ্বিতীয় আৰু তৃতীয় ছাত্ৰাবাসৰ বাবে উমৈহতীয়া 'ছাৰ্ভিচ লেট্ৰিন'ৰ ব্যৱস্থা আছিল যদিও প্ৰস্ৰাৱাগাৰ নাছিল। ছাত্ৰাবাসৰ পৰা ভালেখিনি দূৰৈত থকা লেট্ৰিনলৈকে খৰালি কালত দিনৰ ভাগত উক্ত কৰ্ম সমাপ্তিৰ বাবে যাব পৰা গৈছিল যদিও বৰষুণৰ বতৰত আৰু বিশেষকৈ অন্ধকাৰ ৰাতিবোৰত যিয়ে য'তে পায় সুচল ঠাই বিচাৰি 'ক্ষুদ্ৰ-কৰ্ম' সমাপ্ত কৰি থৈ আহিবলৈ বাধ্য হৈছিল। পৰিৱেশবিজ্ঞানে তাত ফেইল মাৰিছিল।

বাথৰুম নথকাৰ সুযোগৰ সদ্ব্যৱহাৰ কৰি আমাৰ ছাত্ৰাবাসত থকা বুদ্ধিমান আৱাসী এজনে চাবোন আৰু গামোচা বা টাৱেল নিকিনাকৈয়ে লোকৰ সম্পদেৰেই চাৰিটা বছৰ কটাই গৈছিল। এজনে আকৌ গ্ৰীষ্ম-শীত কোনো ঋতুতে গা নিতিতোৱাৰ উপৰি দুৰ্গন্ধময় অন্তৰ্বাস আৰু জোতা-মোজা ৰুমত থোৱাৰ নিমিত্তে নিতৌ ৰুমমেটসকলৰ ককৰ্থনা শুনিব লগা হৈছিল। তাতেও ভ্ৰূক্ষেপ নকৰাত এদিন তেওঁক পুহমহীয়া শীতৰ এৰাতি বিছনা-পত্ৰসহ ৰুমৰ পৰা বাহিৰত থাকিবলৈ বাধ্য কৰা হৈছিল।

ৰাতি বিজুলী সৰবৰাহ বন্ধ হ'লে (তেতিয়াৰ গুৱাহাটীত বিজুলী যোগান ধৰা হৈছিল পাণবজাৰ 'অভাৰব্ৰীজ'ৰ পূব দিশে থকা পুখুৰীটোৰ পানীৰে বিজুলী উৎপাদন কৰি। সেই পুখুৰীটো পুতিয়েই এতিয়া তাতে বিজুলী বোৰ্ডৰ সুবৃহৎ 'বিজুলী ভৱন'টো নিৰ্মাণ কৰা হৈছে।) ছুপাৰৰ বাসভৱনলৈ শিলগুটি মৰা, ছাত্ৰাবাসৰ সমুখেৰে গাভৰু ছোৱালী যোৱা দেখিলে জোকোৱা আৱাসীও আমাৰ ছাত্ৰাবাসত আছিল। মান হানিৰ গোচৰত পৰাৰ ভয়তে উল্লিখিত গুণবন্ত পুৰুষসকলৰ নাম উল্লেখ কৰাৰ পৰা বিৰত থকা হ'ল।

আমি থকা কালতে এজন আৱাসীয়ে বৰ দুখ লগাকৈ ছাত্ৰাবাস এৰি যাব লগা হৈছিল। তেৰোঁ ১৯৫৭ চনতে প্ৰৱেশিকা পাছ কৰি আমিবোৰৰ লগতে কটনত এডমিচন লৈ প্ৰথম ছাত্ৰাবাসৰ নিৱাসী হৈছিল। নাম শ্ৰী যোগেশ্বৰ শইকীয়া। তেওঁ কলা শাখাৰ

প্ৰথম বাৰ্ষিকৰ ছাত্ৰ হিচাপে নগাঁৱৰ শ্ৰী প্ৰশান্ত কুমাৰ শৰ্মাৰ সৈতে একেটা কোঠাতে (চাৰি কি পাঁচ নম্বৰ) আছিল। শইকীয়াই লগত লৈ আহিছিল এটা 'দোতাৰা'। নিতৌ আবেলি বাকীবোৰ আবাসীয়ে ফুৰিবলৈ ওলাই যোৱাৰ পৰত তেওঁ দোতাৰাত সদায়ে 'যাবই লাগিব তই, সকলো এৰি থৈ, সবাৰে ভাৰসা এৰিহে' লোকগীতটিৰ সুৰটো বৰ সুন্দৰকৈ বজাই থাকিছিল। মই তেওঁৰ লগত বহি সেই গীতৰ মূৰ্ছনাত মুগ্ধ হৈ প্ৰায়ে শুনিছিলোঁ। কিন্তু কি দুৰ্ভাগ্য— সেই গীতটোৱে তেওঁ যেন তেওঁৰ নিজৰ ভৱিষ্যতৰ কথাহে কৈছিল। বছৰটো পূৰ হ'বলৈ নৌপাওঁতেই তেওঁ অতিশয় অসুস্থ হৈ পৰিছিল। মুখেৰে প্ৰায়ে তেজবমি কৰিছিল। ৰোগ নিৰ্ণয় কৰি ডাক্তৰে কৈছিল তেওঁৰ 'টি বি' হোৱা বুলি। তেতিয়ালৈকে টি বি, অৰ্থাৎ যক্ষ্মা এতিয়াৰ 'কেঞ্চাৰ'ৰ দৰেই এক দুৰাৰোগ্য বেমাৰ। 'যাৰ হয় যক্ষ্মা তাৰ নাই ৰক্ষা'— এয়ে আছিল তেতিয়ালৈ সৰ্বসাধাৰণ মানুহৰ ধাৰণা। ৰোগ নিৰ্ণয় হোৱাৰ লগে লগে তেওঁক কটন কলেজ হাস্পতালৰ Isolation Wardলৈ স্থানান্তৰিত কৰা হৈছিল। প্ৰায় এসপ্তাহৰ মূৰতহে অভিভাৱকে আহি তেওঁক ঘৰলৈ লৈ গৈছিল। মোৰ লগত বন্ধুত্ব গাঢ় হৈ উঠা শইকীয়াই এনেদৰে ছাত্ৰাবাস এৰি যাব লগা হোৱাত মই অতিশয় ব্যথিত হৈ পৰিছিলোঁ। মোৰ কাণত অনবৰত বাজি আছিল তেওঁ বজোৱা সেই বিষাদৰ সুৰটো— 'যাবই লাগিব তই....' ছাত্ৰাবাস এৰাৰো বহুবছৰ পিছলৈকে।

ছাত্ৰাবাসত থাকোঁতেই নানা তৰহৰ গল্প-গুজবো শুনিবলৈ পাইছিলোঁ। কিছুমান অতিশয় বিস্ময়জনক, ৰূপকথাৰ কাহিনীৰ দৰে। শুনিছিলোঁ— 'কটন কলেজৰ ছাত্ৰাবাসৰ পৰা সময়ে সময়ে একোজন আবাসী আকস্মিকভাৱে নোহোৱা হৈ যায়। তেনেকৈ নিৰুদ্দেশ হোৱা ল'ৰাক প্ৰায়ে বিচাৰি পোৱা যায় দীঘলীপুখুৰীৰ পানীত, মৰি ওপঙি থকা অৱস্থাত। শুনিছিলোঁ, দীঘলীপুখুৰীত হেনো দীপলিপ জলকুঁৱৰী এজনী আছে। গধূলি ফুৰিবলৈ ওলাই গৈ পুখুৰীটোৰ পাৰত ৰাতিলৈকে বহি থকা ল'ৰাৰ প্ৰতি তেওঁ বোলে প্ৰায়ে আকৃষ্ট হয় আৰু সুবিধা পালেই ল'ৰাজনক ধৰি পানীৰ তললৈ লৈ যায়। তিনি-চাৰি দিনলৈ পানীৰ তলতে ৰাখি প্ৰাণহীন ভেলটোহে এৰি দিয়ে। সেই জলকুঁৱৰীজনীক এবাৰ হ'লেও চাবলৈ মোৰো মনত এক অদম্য স্পৃহা জাগিছিল। কিন্তু মোৰ কলিজাটো আকৌ তেনেই সৰু! জলকুঁৱৰীক সাক্ষাৎ পাবলৈ ৰাতিলৈকে পুখুৰীৰ পাৰত বহি থকাহে নালাগে, কাহিনীটো শুনাৰ পিছৰে পৰা দিনৰ ভাগতো দীঘলীপুখুৰীৰ পাৰেৰে অকলে অহা-যোৱা কৰিবলৈও মোৰ পিলাই কোঁচ খাইছিল।

উল্লিখিত কাহিনী শুনাৰ কেইদিনমানৰ পিছত এদিন প্ৰত্যুষতে আমাৰ ছুপাৰ শ্ৰদ্ধেয় চাংকাকতি ছাৰে 'কৃষ্ণ, ঐ কৃষ্ণ'কৈ আটাহ পাৰি চি এম ছাত্ৰাবাসৰ ছুপাৰিণ্টেণ্ডেণ্ট আবাসৰ পথটোৰে আমাৰ ছাত্ৰাবাসৰ ফালে বেগাই আহি আছিল। ৰাতিপুৱাই ছাৰৰ গগন ফলা চিঞৰ শুনি আমাৰটোৰ লগতে চি এম ছাত্ৰাবাসৰ দুয়োটা উইঙৰ আবাসীসকলো

ৰুমৰ পৰা ওলাই কি হ'ল জানিবলৈ উদগ্ৰীৱ হৈ পৰিছিল। 'কৃষ্ণ' মানে ওখ-পাখ, স্বাস্থ্যই-পাতিয়ে দেখনীয়াৰ আমাৰ ছাত্ৰাবাসৰ চকীদাৰজন। (প্ৰথম বাৰ্ষিকৰ বছৰটোত 'ছুপাৰ-মনিটৰ'তকৈও আমি কৃষ্ণকহে বেছি ভয় কৰি চলিছিলোঁ। কৃষ্ণ ৰুষ্ট হ'লে ৰাতি লাইট গ'লে হোষ্টেলৰ ষ্টকৰ পৰা দিয়া মমবাতি পোৱা টান। আকৌ প্ৰাতঃকৃত্যৰ নিমিত্তে চৌবাচ্ছাৰ পৰা পানী লৈ যোৱা টিং-টেমাও লাগতিয়াল পৰত নোপোৱা হৈ যায়!) ছাৰে সেইজনা কৃষ্ণকে স্মৰণ কৰা শুনি মনে মনে মই ভাবিছিলোঁ— আমাৰ ছাত্ৰাবাসৰো কোনোবাজনক কিজানি জলকুঁৱৰীয়ে হৰণ কৰি লৈ গ'ল। (সেই দিনত 'অপহৰণ' শব্দটো কোনেও কেতিয়াও ক'তো ব্যৱহাৰ কৰা শুনা নাছিলোঁ) পিছতহে আচল ঘটনাৰ ওৰ পাইছিলোঁ।

চাংকাকতি ছাৰ কটন কলেজৰ দৰ্শন বিভাগৰ মুৰব্বী অধ্যাপক। সচৰাচৰ দাৰ্শনিকসকলৰ কাণ্ড-কাৰখানাক লৈ নানান ৰসাল কাহিনী শুনা যায়। চাংকাকতি ছাৰৰ বিষয়েও আমি তেনে বহুতো কাহিনী শুনিছিলোঁ। সিদিনাখন আমি তাৰে প্ৰত্যক্ষ প্ৰমাণ পালোঁ। ছাৰে বোলে ৰাতি তিনিখন চিঠি লিখিছিল— 'মৰ্নিং ৱাক'লৈ যাওঁতেই ডাকত দি আহিবলৈ চিঠি তিনিখনো তেওঁ জেপত ভৰাই লৈ গৈছিল। তাতেই ঘটিল অঘটনটো। জেপৰ চিঠি জেপতে এৰি ছাৰে নতুনকৈ কিনা তেওঁৰ 'চেফাৰ্ছ পেন্'টোহে 'লেটাৰ্ বক্স'ত পেলাই থৈ আহিল। এতিয়া ডাক বিভাগৰ মানুহে আহি লেটাৰ বক্স খোলা পৰলৈকে অপেক্ষা কৰি কৃষ্ণই ছাৰৰ নতুন কলমটো উদ্ধাৰ কৰি দিব লাগে। এই আমোদজনক ঘটনাৰ পিছত বহুদিনলৈ হোষ্টেলৰ খানা-পানীত আমি আগতকৈও অধিক সোৱাদ পোৱা হৈছিলোঁ।

এইখিনিতে ছাত্ৰাবাস সম্পৰ্কিত আমাৰ ব্যক্তিগত অভিজ্ঞতা দুটামানৰ কথাও উল্লেখ কৰাৰ হেঁপাহ আমি সামৰিব নোৱাৰিলোঁ। সকলৰে পৰাই খোৱা-বোৱাকে ধৰি বিভিন্ন ক্ষেত্ৰত নানান সাত্ত্বিক নীতি-নিয়মত অভ্যস্ত হৈছিলোঁ। যদিও ছাত্ৰাবাসত বহু কথা বাদ দি চলিব লগাত পৰিছিলোঁ। প্ৰথমতে, মই তেতিয়ালৈকে খাই নোপোৱা তিনিবিধ বস্তু ছাত্ৰাবাসত থাকি খাবলগীয়া হৈছিল। সেই বস্তু তিনিবিধ হ'ল— নহৰু, পিঁয়াজ আৰু ছাগলীৰ মাংস। বন্ধত ঘৰলৈ যাওঁতে মাক মই কথাবোৰ কৈছিলোঁ। আতা ঈশ্বৰ (ককা-দেউতা) জীয়াই থকা হ'লে এই খবৰটো পোৱাৰ পিছত মোক তেখেতে কিজানি সত্ৰৰ চোতালতে সোমাবলৈ নিদিলেহেঁতেন। দেউতা এই ক্ষেত্ৰত কিন্তু উদাৰ আছিল। কথা শুনি তেওঁ কৈছিল— 'সেইবোৰ বাৰু যি খালি, খালি। পিছলৈ ছাধা-চিগাৰেটতো (তেতিয়ালৈকে ছাত্ৰ-ছাত্ৰীৰ মাজত মদ-ভাং আদিৰ প্ৰচলনৰ কথা মানুহে ভাবিবই পৰা নাছিল।) ধৰা বুলি শুনিলেহে মই মনত বৰ দুখ পাম।'

দেউতাৰ মনত দুখ নিদিয়লৈ কৰা প্ৰতিজ্ঞাৰ বলত মই আজিলৈকে সেইবোৰত মুখ দিয়া নাই।

ছাত্ৰাবাসত থকা ল'ৰাই চৌহদৰ লোৰ গে'টত তলা মৰা থাকিলেও ৰাতি বাহিৰলৈ ওলাই যাব পৰাকৈ ৰড বেঁকা কৰি উলিয়াই লোৱা সুৰংগবোৰ এতিয়াও দেখিবলৈ পোৱা যায়। কলেজ হোষ্টেলৰ কৰ্তৃপক্ষয়ো সেইবোৰ নেদেখাকৈ থকা নাই। তাহানিখন সেয়াই আছিল আৱাসীসকলৰ ৰাতি চিনেমা চাবলৈ যোৱাৰ সুচল পথ। তেনেকুৱা এক 'এড্‌ভেঞ্চাৰ'ৰ সোৱাদ লওঁ বুলিয়েই 'বায়ন মামা'ৰ নেতৃত্বত লগৰ দুজনমানৰ সৈতে 'পূৰ্বপুৰুষসকলে' উলিয়াই থোৱা সুচল পথেৰে সৰকি ময়ো এদিন গৈ 'চৌধুৰী ট'কিজ'ত 'নাইট শ্ব' চাই আহিছিলোঁ। পিছদিনাখন মনিটৰ গঁগেদাই মাতি নি মোক সুধিছিল — 'ভাইটি, যোৱাৰাতি এক বজালৈ তোমাৰ বিছনাত শুই থকাজন কোন আছিল?'

ঘটনাটো গোমৰ ফাঁক হৈ যোৱা বুলি জানি মোৰ বৰ ভয় লাগিছিল। কৃতকৰ্মৰ বাবে অনুশোচনা কৰি ক্ষমা প্ৰাৰ্থনাৰে মই গঁগেদাক প্ৰতিশ্ৰুতি দিছিলোঁ— 'দাদা, আজিৰ পৰা আপুনি আৰু কোনো দিনেই মোৰ বিছনাত মোৰ গাৰুটোৰে লেপ উৰি শুই থকা দেখিবলৈ নাপায়।'

উল্লেখ্য যে ২০০১ত শতবৰ্ষ পূৰ্ণ কৰা 'ফাৰ্ষ্ট ব্লক' ছাত্ৰাবাসটো ১৯৮৩ৰ পৰা স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰৰ বাবে সংৰক্ষিত কৰা হয়। পৰৱৰ্তী কালত ১৯৮৬ চনত এইটোকে পণ্ডিতপ্ৰবৰ কৃষ্ণকান্ত সন্দিকৈৰ নামেৰে 'কৃষ্ণকান্ত সন্দিকৈ স্নাতকোত্তৰ ছাত্ৰাবাস' নাম ৰখা হয়। ❑

মোৰ কটন কলেজ ঃ অৱক্ষয়ৰ যুগৰ আৰম্ভণি

অপূৰ্ব শৰ্মা

শ্ৰীঅপূৰ্ব ৰতন ৰাঘৱাচাৰ্য— এই নামত ডাক বিভাগৰ এটা গোলাপী খামত তৃতীয় শ্ৰেণীৰ ছাত্ৰ মোলৈ এখন চিঠি আহিল। এক আচৰিত অভূতপূৰ্ব অভিজ্ঞতা! গম পালোঁ যে গুৱাহাটীৰ কটন কলেজত পঢ়ি থকা মোৰ অগ্ৰজই সেইখন মোলৈ দিয়া চিঠি। সৰুৰে পৰা দূৰে দূৰে থাকি পঢ়া অগ্ৰজজনক ছয়াময়াকৈহে মনত আছিল। গম পালোঁ যে ৰাঘৱাচাৰ্য আমাৰ বংশগত উপাধি। প্ৰাচীন বংশজ ঐতিহ্যৰ তথ্য, আধুনিক ডাক-ব্যৱস্থাৰ চমৎকাৰ আৰু কটন কলেজৰ গৰিমাযুক্ত নাম— প্ৰথমবাৰৰ বাবে শৈশৱৰ একেটা ঘটনাৰ অভিজ্ঞতাৰ মাজেদি জানিবলৈ পাইছিলোঁ। পুলকিত হৈছিলোঁ নিশ্চয়।

ক্লাছ ছিক্সত এক অন্তৰ্ভেদী দুখৰ খবৰৰ মাজেদি কটন কলেজত পঢ়াৰ কথা মুহূৰ্তৰ বাবে মনৰ মাজত খেলি গৈছিল। ক্লাছত মই প্ৰথম, দেৰেন (দত্ত) দ্বিতীয়। দেৰেনহঁত কামৰূপৰ, দেউতাকে ডফলাগড় চাহ বাগিচাত কাম কৰে। বছৰেকীয়া পৰীক্ষাৰ ৰিজাল্ট ওলোৱাৰ পিছতো দেৰেন ক্লাছলৈ নহাত অধীৰ হৈ এদিন কাকো নোকোৱাকৈ দুঃসাহস কৰি চাইকেলেৰে ছমাইল দূৰৰ কেতিয়াও নেদেখা ডফলাগড় বাগিচা ওলালোঁগৈ। আজি ভাবিলে আচৰিত লাগে, কিশোৰ বন্ধুত্বৰ টান ইমান তীব্ৰ আৰু গভীৰ আছিল। দেৰেনৰ মাকে ক'লে যে তেওঁ গুৱাহাটীৰ 'ডানবাস্ক'ত পঢ়িবলৈ গ'ল। বন্ধুৰ বিচ্ছেদ বাৰ্তাই মুহূৰ্ততে বুকুখন মুচৰি দিলে। মোৰ প্ৰতি সহানুভূতিৰে তেখেতে সুধিলে— 'তুমি নগ'লা কিয়? 'ডানবাস্ক'ত পঢ়িলে কটানত পঢ়িবৰ সুবিধা হ'ল হয়!' ঘূৰি আহোঁতে বন্ধু বিচ্ছেদৰ দুখৰ লগতে ডনবস্কোত নপঢ়াৰ কাৰণে কটনত পঢ়িবলৈ নোপোৱাৰ সংশয়ে পীড়া কৰি আহিছিল।

স্কুলৰ ওপৰ শ্ৰেণীলৈ গৈ অৱশ্যে অনুমান কৰিলোঁ যে পিতৃ আৰু দুই

অগ্ৰজৰ কটন কলেজত পঢ়াৰ পৰম্পৰা আৰু মোৰ পৰীক্ষাত ভাল ফলাফলৰ সম্ভাৱনাই কটন কলেজলৈ মোৰ পথ কিছু সহজ কৰি ৰাখিছে। একমাত্ৰ চিন্তা আৰু অস্বস্তিৰ কাৰক আছিল ক্ৰমে পৰি অহা পিতৃৰ বয়স আৰু আৰ্থিক সংগতি। এসময়ৰ সমৃদ্ধ আৰু সবল পাৰিবাৰিক আৰ্থিক ভিত্তি মোৰ শৈশৱৰ পৰাই খহি অহা দেখিছিলোঁ আৰু তাক মানি ল'বলৈ শিকিছিলোঁ।

সেয়ে সুদীৰ্ঘ পথ, পথত তিনিখন অনিশ্চয়তাপূৰ্ণ পগলা নদী পাৰ হৈ আহি অনিৰ্ভৰযোগ্য আৰ্থিক সম্বল, পৰিয়ালৰ পৰম্পৰা আৰু নিজৰ বুদ্ধি-বৃত্তিৰ সাহসত এদিন যেতিয়া অনুগ্ৰহ প্ৰাৰ্থীৰ দৰে কটন কলেজৰ দুৱাৰমুখত থিয় হ'লোঁহি নীচাত্মিকাৰ আবেশ কম নাছিল। অৱশ্যে পৰিয়ালে নোৱাৰিলেও মোক সকলো ধৰণে সাহ আৰু সহযোগ দি সেই মানসিক কলুষ দূৰ কৰিছিল আমাৰ ওচৰৰ সেই সময়তে ইঞ্জিনিয়াৰিং কলেজত পঢ়ি থকা জ্যেষ্ঠ ভাতৃ-তুল্য আন এক দাৰিদ্ৰ-ক্লিষ্ট দুৰ্ধৰ্ষ ভ্ৰাম্যাই।

নিজকে অৱশ্যে প্ৰবোধ দিছিলোঁ এই বুলি যে মানসিকভাৱে মই নিজকে কটন কলেজৰ উপযুক্ত কৰি তুলিবৰ চেষ্টা কৰিছোঁ। হাইস্কুলৰ তলৰ শ্ৰেণীৰ পৰাই 'কটনিয়ান', 'ৰামধেনু', বন্ধাই থোৱা 'আবাহন' পঢ়িছোঁ। কলকাতাৰ 'দ্য ষ্টেটছমেন'ৰ মাজেৰে দেশখন চিনি পোৱাৰ উপৰি জেইম্‌ছ কাওলে আৰু মেলকম মাগাৰিজৰ লগত সমগ্ৰ লণ্ডন ঘূৰিছোঁ। ইংলিছ প্ৰিমিয়াৰ লীগ, এফ এ কাপ, কাউণ্টী ক্ৰিকেটৰ ফলাফল মোৰ মুখত ; আলফ ৰামছেৰ মাঞ্চেষ্টাৰ ইউনাইটেড মোৰ প্ৰিয় ক্লাব, য়ৰ্কশ্বায়াৰ, মিড্‌লছেক্স মোৰ প্ৰিয় কাউণ্টী। মই এছ কে গুৰুনাথনৰ 'স্প'ৰ্টছ এণ্ড পেষ্টাইম'ৰ সহায়ত নেভিল কাৰ্ডাছ, জেক্ ফিংগল্টনৰ লগত বিশ্ব ক্ৰিকেট ঘূৰিছোঁ। পেলে, গেৰিঞ্চা, জেইৰ্‌জিনহ', ডাই ষ্টিফানো, পুছ্‌কাছ, লেভিন সকলো মোৰ পৰিচিত। ইংলিছ, য়ুৰোপীয় আৰু কিছু মাৰ্কিন কল্পজগত মোৰ মানসিক বিচৰণভূমি। আৰু গুৱাহাটীওতো মোৰ অচিন নহয়। মাত্ৰ সিদিনা জালুকবাৰীত কংগ্ৰেছ অধিবেশন চাবলৈ আহি মই পাণবজাৰ, ফাঁচীবজাৰ ঘূৰি জিলিকাৰ দোকান, গুৱাহাটী ডায়েৰীত চাহ খাই গৈছোঁ, ৰূপায়ণত 'দো আঁখে বাৰহ হাথ' চাই গৈছোঁ। তেন্তে? ভিতৰৰ নীচাত্মিকাক দূৰ কৰিবলৈ নিজকে অভিমানভৰা অন্তৰেৰে সান্ত্বনা দিওঁ— 'মই শুদা হাতে অহা নাই।' কিন্তু তথাপি আশ্বাস নাপাওঁ। অহংকাৰী গুৱাহাটীয়ে মোক চিনি পেলাইছে, ধৰিব পাৰিছে মোৰ দৰিদ্ৰ চেহেৰা, গাৰ বোকা-মাটিৰ গোন্ধ। আৰু কটন কলেজ? অন্তহীন সহানুভূতিৰে, সম্ভৱ সামান্য পুতৌৰে তেওঁ মোক প্ৰশ্ৰয় দিলে। ১৯২০-২১ চনত মোৰ পিতৃ এই কলেজৰ ছাত্ৰ সভাৰ সাধাৰণ সম্পাদক আছিল। এই অভিমানো মোৰ মনত গোপনে আছিল।

কিন্তু ১৯৫৮ চনত মই যেতিয়া কটন কলেজত ভৰি দিছোঁ তেতিয়া কলেজখনৰো অৱক্ষয়ৰ যুগ ইতিমধ্যেই আৰম্ভ হৈ গৈছে। পাণ্ডৱ-বৰ্জিত আচহুৱা ৰাজ্যখনত প্ৰয়োজনীয় সমল আৰু সা-সুবিধাৰ সীমাবদ্ধতাৰ কথা উপলব্ধি কৰি

প্ৰিন্সিপাল ফ্ৰেডেৰিক ইউলিয়ামছন, ছুডমাৰ্ছনে সম্ভৱতঃ কলেজখনক এক উচ্চ আদৰ্শ শিক্ষানুষ্ঠান কৰি তুলিবলৈ দৃঢ় সংকল্পবদ্ধ হৈছিল। একত্ৰ কৰিছিল বিভিন্ন বিষয়ৰ, বিভিন্ন দিশৰ বিদ্যা-দিগ্‌গজ পণ্ডিতসকলক। প্ৰফুল্ল চন্দ্ৰ ৰায়, ডেভিদ থমছন, হৰ্ষ নাথ সেন, ভুবন মোহন সেন, লক্ষ্মীনন্দন চেটাৰ্জী আদি বিৰল মনীষাৰ মহাতপা পণ্ডিতসকলৰ সমাৱেশেৰে কটন কলেজক পৰিণত কৰিছিল বিদ্যাসাধনাত মহত্ত্ব প্ৰয়াসী এক গাম্ভীৰ্যপূৰ্ণ জ্যোতিৰ্ময় পীঠস্থানত। প্ৰাগজ্যোতিষপুৰৰ পুৰা কাহিনীৰে আধুনিক জ্ঞানমন্দিৰ কটন কলেজত সৃষ্টি হৈছিল পাণ্ডিত্যৰ লিজেণ্ড। আৰম্ভণিৰ শ্ৰুতকীৰ্তি অধ্যাপকসকলৰ পৰা আৰম্ভ হৈ কটন কলেজৰ এই পাণ্ডিত্যৰ যুগটো ড° কাকতি, ভৱানন্দ দত্ত আদিৰ মাজেৰে আহি সম্ভৱ ড° নেওগৰ সময়তেই মোটামুটিভাৱে অন্ত পৰিছিল। এই যুগৰ শ্ৰদ্ধাবিজড়িত কাহিনী শুনিয়েই আমি ডাঙৰ হৈছিলোঁ আৰু কটন কলেজৰ সাৰস্বত সমৃদ্ধিয়ে আমাৰ শ্ৰদ্ধা আৰু সম্ভ্ৰম দাবী কৰিছিল। বিমুগ্ধ বিস্ময়ৰে এদিন সেই কলেজৰ প্ৰাংগণত ভৰি দিয়াৰ দিনটোলৈ অপেক্ষা কৰিছিলোঁ।

কিন্তু সময়ত যেতিয়া আহি কটন কলেজৰ মুখামুখি হলোঁহি, অনুভৱ কৰিলোঁ, তাত ইতিমধ্যে সৃষ্টি-প্ৰতিভাৰ যুগ আৰম্ভ হৈ গৈছে। পঞ্চাছৰ দশকৰ কটন কলেজে সৃষ্টি কৰিছে অসমীয়া সাহিত্য-সংস্কৃতি জগতৰ আধুনিক যুগৰ উজ্জ্বল নক্ষত্ৰসমূহ, আধুনিক অসমীয়া গল্প-কবিতাৰ সৱল-সুস্থ ভেটি গঢ়ি তুলিছে প্ৰায়ভাগ কটন কলেজ সৃষ্ট সৃষ্টি-প্ৰতি ভাই। আমি আহি কলেজৰ অধ্যাপকৰ শাৰীত শৰীৰী ৰূপত দেখা পাইছোঁ নৱকান্ত বৰুৱা, মহেন্দ্ৰ বৰাৰ দৰে আমাৰ কৈশোৰৰ কল্পজগতৰ নায়কসকলক। চমৎকৃত আৰু পুলকিত হৈছোঁ। সংকোচেৰে সাহিত্যত হাত ফুৰাই চাইছোঁ, সলাজ অস্বস্তিৰে সুকুমাৰ কলা প্ৰতিযোগিতাত গোপনে যোগ দিছোঁ; পুৰস্কৃত হৈছোঁ, কিন্তু লাজ অতিক্ৰম কৰিব নোৱাৰি বঁটা গ্ৰহণৰ পৰা বিৰত আছোঁ। আৰু এদিন মোৰ কবিতা 'কটনিয়ান'ত গুৰুত্ব সহকাৰে প্ৰকাশ পাইছে। আজি সেয়ে যেতিয়া আঢ়ৈ কুৰি বছৰৰ পুৰণি ব্যক্তিগত ইতিহাসলৈ ঘূৰি চাওঁ, ভাব হয় যে কটন কলেজৰ অবক্ষয়ৰ আৰম্ভণিৰ যুগতহে আমি কিবা কৰিবৰ চেষ্টা কৰিছিলোঁ, নিজকে প্ৰতিপন্ন কৰিব খুজিছিলোঁ। বুজা নাছিলোঁ তেতিয়া যে কলেজৰ প্ৰাচুৰ্য আৰু সমৃদ্ধিৰ ধূসৰ বিয়লিত আমি সৃষ্টি আৰু কীৰ্তিৰ পথ সন্ধান কৰিছিলোঁ।

তাহানিৰ গাম্ভীৰ্যপূৰ্ণ পৰিৱেশ বোধহয় তেতিয়া আৰু কলেজত নাছিল। অনুশাসন, নিয়মতন্ত্ৰ, শৃংখলাৰ অনুশীলনৰ কাঠিন্য কমিছিল। ছাত্ৰ-ছাত্ৰীৰ বৰ্ধিত সংখ্যাই, কলেজৰ পৰিসৰৰ ব্যাপ্তিয়ে, চহৰখনৰ আধুনিকতাৰ প্ৰসাৰ আৰু নতুন উদ্ভাৱনে কলেজীয়া জীৱনলৈ উচ্ছলতা, সংকোচহীনতা আৰু শিথিলতা আনিছিল। পণ্ডিত আৰু প্ৰতিভাই গৰিমা-বঞ্চিত কৰি যোৱা কলেজখনৰ আমি যেন আছিলোঁ নিৰুপায় দুৰ্বল উত্তৰাধিকাৰী।

মোৰ বাবে অৱশ্যে কটন কলেজ সামূহিক আৰু উচ্ছলতাপূৰ্ণ অভিজ্ঞতা নাছিল। আছিল একান্ত আৰু ব্যক্তিগত। প্ৰথমৰ ইণ্টাৰমিডিয়েট ছায়েন্সৰ দুটা বছৰ মই প্ৰায় নিঃসংগ আছিলোঁ। ক্লাছবোৰৰ বাহিৰত মোৰ বাবে কটন কলেজ আছিল বাজ্যমন্ন ডেকাৰ পুৰণি কিতাপৰ গোন্ধেৰে ভৰা লাইব্ৰেৰী, নিউ হোষ্টেলৰ কমন ৰুমৰ প্ৰতিদিনৰ অতি প্ৰয়োজনীয় 'দ্য ষ্টেটছমেন', প্ৰায় সন্ধিয়া চাৰ্চ ফিল্ড অঞ্চলৰ আন্ধাৰে মেৰিয়াই ধৰা গিৰ্জা আৰু ওখ গছবোৰ। পকেটৰ সঁহাৰি অনুসৰি লক্ষ্মী কেবিন, জিলিকাৰ দোকান, গুৱাহাটী ডায়েৰী আৰু ৰে'ল কলনীৰ চুকৰ বিখ্যাত ফুলৰী-বুঢ়াৰ দোকানত শাৰী পাতি ফুলৰীৰ বাবে অপেক্ষা (মাজে মাজে কেৱল ভাল চিনেমা আহিলেহে চিনেমা)। কলেজৰ হুলস্থূলীয়া সাংস্কৃতিক অনুষ্ঠান মই নৈমিত্তিকভাৱে উপভোগ কৰিছিলোঁ। কটন কলেজৰ জীৱনৰ চাৰি বছৰৰ ভিতৰত কটন কলেজৰ প্ৰাণ কেণ্টিনত সম্ভৱ চাৰি দিনো বহা নাছিলোঁ।

ডাক্তৰী পঢ়িবলৈ ঘৰৰ পৰা আৰ্থিক সমৰ্থন নোপোৱাত কষ্টকৰ বিজ্ঞানৰ প্ৰতি আগ্ৰহ হেৰুৱালোঁ। কলা শাখাত ভৰ্তি হৈ লগ পোৱা হীৰেণ ফুকন, খলিফুৰ ৰহমান, জিতু আৰু মহদা ভূঞাই মোক মোৰ নিভৃত ব্যক্তিগত খোলাৰ পৰা বাহিৰলৈ আনিলে। ক্লাছ খতি কৰি শুদা চাহ বা কফিৰ অৰ্ডাৰ দি সম্ভ্ৰান্ত 'ডিলাইট'ত দলবদ্ধভাৱে টেবুল দখল কৰা, মৰ্নিং শ্ব'ত প্ৰচুৰ ইংৰাজী ছবি চোৱা, লাইব্ৰেৰীত বহি অসমীয়া আৰু এডুকেচনৰ ক্লাছ ক্ষতি কৰা আদিত ক্ৰমে অভ্যস্ত হ'লোঁ। খুব সম্ভৱ ভুল কাৰণে কৰা কলেজৰ এটা ধৰ্মঘটত আমি জড়িত হৈ পৰিলোঁ। ধৰ্মঘট ব্যৰ্থ হ'ল, নেতৃত্বই ক্ষমা-প্ৰাৰ্থনা কৰিবলগীয়া হ'ল। কিন্তু সামগ্ৰিকভাৱে সমগ্ৰ কলেজখনৰে ই ক্ষতি কৰিলে।

সাহিত্য ক্ষেত্ৰত কৰা এড্‌ভেঞ্চাৰবোৰত কটন কলেজে মোক এই আশ্বাস দিছিল যে মোৰ আৰব্ধ যাত্ৰাৰ ক'ৰবাত এটা লক্ষ্য এদিন পোৱা যাব, অৱশ্যে তাৰ বাবে শক্তি মই নিজে আয়ত্ত কৰিব লাগিব। তৃতীয় বাৰ্ষিকত 'দ্য ষ্টেট্‌ছমেন' কাকতত 'কেৰী চাহেবৰ মুন্সী'ৰ ওপৰত হোৱা বিতৰ্কত (প্ৰমথ নাথ বিশীৰ গ্ৰন্থখনৰ আধাৰত কৰা চলচ্চিত্ৰখনে এই বিতৰ্ক আৰম্ভ কৰিছিল) কটন কলেজ লাইব্ৰেৰীৰ সহায়ত মই অংশ গ্ৰহণ কৰিব পাৰিছিলোঁ। চতুৰ্থ বাৰ্ষিকত মোৰ গল্প ড° মহেন্দ্ৰ বৰা ছাৰৰ 'মণিদীপ'ত প্ৰকাশ পায় আৰু মই ছাৰৰ পৰা গভীৰ আশ্বাসপূৰ্ণ চিঠি পাওঁ।

এনেকৈয়ে পঢ়া-শুনাৰ ক্ষেত্ৰত দায়িত্বশীলতা আৰু নিষ্ঠাৰ অভাৱৰ বাবে কটন কলেজক মই একো দিব নোৱাৰা সত্বেও মই ক'ব নোৱাৰাকৈয়ে কটন কলেজে মোক দিনে দিনে এক পৰিপূৰ্ণ মানুহ ৰূপে গঢ়ি তুলিছিল। তাতকৈ বেছি কিবা হোৱাৰ আকাংক্ষাও মোৰ নাছিল। মোৰ দ্বিতীয় মাতৃ কটন কলেজৰ প্ৰতি মই আমৃত্যু কৃতজ্ঞ।❑

কটন কলেজৰ স্মৃতিৰ টোকা

ড° ৰবীন দেৱ চৌধুৰী

পাটাছাৰকুছি বিদ্যাপীঠত পঢ়ি থাকোঁতে অসমীয়ালৈ অনুবাদ কৰিবলৈ দিওঁতে হ'বলা "The Cotton College was established in 1901" আমি বাক্যটো কোনোবা এখন কিতাপত পঢ়িছিলোঁ। আমাৰ শিক্ষাগুৰু প্ৰয়াত হৰেন্দ্ৰ নাথ শৰ্মা আৰু প্ৰয়াত বাণীকান্ত কাকতিয়ে যুটীয়াভাৱে লিখা কিতাপখনে তেতিয়াৰ পৰায়েই কটন কলেজৰ বিষয়ে মনত ৰেখাপাত কৰিলে। সেয়া দশম শ্ৰেণীত হ'বলা!

মই সকলৰে পৰা বৰ মেধাৱী ছাত্ৰ নাছিলোঁ। অৱশ্যে ক'তো অকৃতকাৰ্য হৈ বৈ থকা নাছিলোঁ। সেয়ে কটন কলেজত নামভৰ্তি কৰিব পাৰিলোঁ। I. A. পাছ কৰিলোঁ নলবাৰী কলেজৰ পৰা। নলবাৰী কলেজত I. A.ৰ দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ হিচাপে এবছৰ তাত আছিলোঁ। তাত থাকি ভালেই হ'ল— নলবাৰী কলেজৰ অধ্যক্ষ, প্ৰাক্তন সাহিত্য সভাৰ সভাপতি ত্ৰৈলোক্য নাথ গোস্বামীক পাইছিলোঁ। তেওঁ আমাক ইংৰাজীৰ কবিতা পঢ়াইছিল। ঁউমা শৰ্মা, ঁৰবি বৰ্মন, দীনেশ চন্দ্ৰ শৰ্মা আদিক আমাৰ শিক্ষক হিচাপে পাইছিলোঁ। এইসকল শিক্ষাগুৰু মানে শিক্ষাগুৰুৰেই আছিল। ইংৰাজী মাধ্যমত পঢ়াইছিল— অসমীয়াক বাদ দি। আজিকালিৰ দৰে অসমীয়া মাধ্যম নাছিল। ইয়াৰ আগতে বজালী কলেজত প্ৰথম বাৰ্ষিক I. A. পঢ়িবলৈ এবছৰ তাত আছিলোঁ। তাৰ অধ্যক্ষ ঁকামেশ্বৰ দাসক পাইছিলোঁ। তেওঁৰ ব্যক্তিত্ব আছিল বেলেগধৰণৰ। স্থানীয় সকলো লোকে তেওঁক মানিছিল।

কটন কলেজত B. A. তৃতীয় বাৰ্ষিকত নামভৰ্তি কৰি ছাত্ৰাবাসত থাকিবলৈ ল'লোঁ। তেতিয়া সেইটোৰ নাম আছিল New Hostel। এতিয়া সলনি হৈছে আমাৰ ছাত্ৰাবাসটোৰ নাম। Superintendent আছিল কনকলাল দাস। এতিয়া তেওঁ বাছি

থকা নাই। কনকলাল দাস দৰ্শনৰ মুৰব্বী অধ্যাপক আছিল। তেওঁ মোৰ দেউতা ঁৰঘুনাথ দেৱ চৌধুৰীৰ লগত একেলগে পঢ়া আছিল কলিকতা বিশ্ববিদ্যালয়ত, একে বিষয়ত এম শ্ৰেণীত। সেইবাবে দেউতাই এদিন মোক প্ৰথমতে তেওঁৰ লগত পৰিচয় কৰি দিছিল। কনকলাল দাস বৰ মৰমিয়াল আছিল। তেওঁ বৰকৈ তামোল খাইছিল আৰু তামোলৰ লগত ধঁপাত খাইছিল। তেওঁক মলাধঁপাতৰ যোগান ধৰিছিল মাজে মাজে ড° মদন দাসে বাঘমাৰাৰ পৰা। ড° দাস্ কাৰিকৰী শিক্ষাৰ সঞ্চালক হিচাপে অবসৰ লয়। এদিন ছাৰে মোক কথাই কথাই কৈছিল যে আগতে ৩০০ টকাৰে ঘৰৰ খৰচ হৈ যায় মাহটোৰ বাবে। 'এতিয়া বস্তুৰ দাম ইমান বাঢ়ি গৈছে— ঘৰৰ খৰচ ৬০০ টকা হৈছে।' মাহিলি ইমান বেছি ঘৰৰ খৰচ বঢ়াৰ বাবে তেওঁ চিন্তিত হৈছিল। আজিকালিৰ ল'ৰা-ছোৱালীয়ে এইবোৰ কথা বিশ্বাস কৰিবলৈ টান পায়। আগতে হোষ্টেলবোৰত সাধাৰণভাৱে ৰেগিং হৈছিল। কিন্তু আজিকালিৰ দৰে শাৰীৰিক আৰু মানসিক কষ্ট দিয়াৰ কোনো নিয়ম বা দৃষ্টান্ত তেনেকৈ নাছিল বুলি ক'ব পাৰি। ৰেগিঙৰ ফলত কোনো ছাত্ৰই আত্মহত্যা কৰিবলৈ যোৱাৰ কথা শুনা নাছিলোঁ।

মই কলা বিভাগৰ ছাত্ৰ আছিলোঁ। ইংৰাজী পঢ়াইছিল আমাৰ অধ্যাপক ধীৰেন্দ্ৰ নাথ বেজবৰুৱা, অধ্যাপক কমলেশ্বৰ শৰ্মা, তাৰিণী কান্ত ভট্টাচাৰ্য, অধ্যাপক আনন্দেশ্বৰ শৰ্মা আৰু উপেন শৰ্মাই। ইতিহাস পঢ়াইছিল অধ্যাপক মজহৰ ইছলাম আৰু ড° অৰুণ কুমাৰ বৰুৱাই। অসমীয়া বিভাগৰ মূল আকৰ্ষণৰ বিষয় আছিল— অধ্যাপক বিনয় কুমাৰ চৌধুৰী। মোৰ অৰ্থনীতি নাছিল, তাৰ বদলি আছিল শিক্ষা (Education)। এই বিভাগত আছিল দুগৰাকী অধ্যাপক— অধ্যাপক লক্ষহীৰা দাস আৰু অধ্যাপক কিশোৰী মোহন পাঠক।

বিনয় কুমাৰ চৌধুৰী এতিয়া প্ৰয়াত। তেওঁ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বৰ জনপ্ৰিয় আছিল। তেওঁ সকলোকে 'তই' বুলি সম্বোধন কৰিছিল। কোনো ছাত্ৰ-ছাত্ৰীকে 'তুমি' বুলি সম্বোধন কৰা নাছিল। আৰু সামান্য দোষ কৰিলেই 'গাধা' আৰু 'গৰু' বুলি গালি পাৰিছিল। সেই গালি খাই আকৌ ছাত্ৰ-ছাত্ৰীসকলে বেয়া নাপাইছিল, বৰং আনন্দহে কৰিছিল। কোনো ছাত্ৰ-ছাত্ৰীকে তেওঁ অপকাৰ নকৰিছিল। আমাৰ ফাৰ্ষ্ট ক্লাছ হৈছিল পাণবজাৰৰ ওচৰৰ নিউ বিল্ডিঙত। কটন কলেজৰ প্ৰশাসনিক ভৱনৰ পৰা তালৈ তেওঁ খোজ কাঢ়ি যাওঁতে তেওঁৰ লগত সদায় ৪/৫জনমান ছাত্ৰ তেওঁৰ লগত কথা পাতি যোৱাৰ নিয়ম। কোনো ছাত্ৰই তেওঁৰ পৰা 'গাধা' আৰু 'গৰু' বুলি মৰম কৰি গালি খাবলৈ পালে ভাল পাইছিল। প্ৰশাসনিক ভৱনৰ পৰা তেওঁ মুখত এটা চিগাৰেট লৈ কথা পাতি পাতি গৈছিল। মুখত এখন তামোল লৈ চোবাই চোবাই আৰু চিগাৰেটটো দুই ওঁঠৰ মাজত ৰাখি তামোলো চোবাইছিল, চিগাৰেটৰ হোপাও মাৰিছিল আৰু কথাও পাতিছিল। চিগাৰেটটো হাতেৰে চোৱাৰ

নিয়ম নাছিল। যেতিয়া শেষ হয় তেতিয়াহে হাতেৰে পেলাইছিল। কাৰণ তেওঁৰ দুয়োখন হাত বন্ধ হৈ থাকে— এখনেৰে ধুতীৰ লোচ এটা ধৰে আনখন হাতেৰে হাজিৰা বহীখন লয়। তাতে আকৌ বাটত থকা আন দোকানৰ সন্মুখত কেতিয়াবা এজন ল'ৰাই মিঠা পাণ এখন লৈ থিয় হৈ থাকে। ছাত্ৰজনে (*অজিতেশ্বৰ গোস্বামী) দিয়া পাণখন মুখত ভৰাই লৈ কয়— 'তই পাণ লৈ আছা— হৈছে দে আজি এইখন খাই কি ক্লাছ লোৱা হ'ব বুজা গৈছে।' তেওঁৰ গালি শুনিবলৈ তেওঁৰ ক্লাছত ছাত্ৰ-ছাত্ৰী একেবাৰে কোঠাটো ভৰ্তি হৈছিল। আনকি তেওঁৰ বক্তৃতা শুনিবলৈ বা গালি খাবলৈ ওচৰতে থকা পদাৰ্থবিজ্ঞান আৰু ৰাসায়ন বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ ক্লাছ নাথাকিলে বিনয় কুমাৰ চৌধুৰীৰ ক্লাছত বহিছিল আৰু অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ বহা অসুবিধা কৰিছিল। বহু ছাত্ৰ-ছাত্ৰী দেখি কেতিয়াবা তেওঁ কৈছিল— আজি বহুত ছাত্ৰ-ছাত্ৰী হৈছে দেখোন, কোনোবাই কৈছিল— 'বিজ্ঞানৰ ছাত্ৰও ইয়াত আছে ছাৰ।' তেতিয়া তেওঁ সুধিছিল— 'তহঁতে নিজৰ ক্লাছ এৰি ইয়ালৈ আহিছা কিয়— পঢ়া-শুনাত মতি-গতি নাই তহঁতৰ। ছায়েন্স তেনেহ'লে লৈছিলি কিয় তহঁতে?' তেতিয়া ছায়েন্সৰ কোনো কোনো ছাত্ৰই উত্তৰ দিব— 'আপোনাৰ ক্লাছত দিয়া ভাষণ শুনিবলৈ আমাৰ বৰ ভাল লাগে ছাৰ।' তেওঁ মুখেৰে ভোৰভোৰাই থাকি ভাষণ দিবলৈ ধৰে। ইয়াৰ পৰায়েই তেওঁ গোটেই কলেজখনৰেই কিমান জনপ্ৰিয় আছিল তাক বুজিব পাৰি। বিনয় কুমাৰ চৌধুৰীৰ কথা কৈ অন্ত কৰিব নোৱাৰি। এনেকুৱা খোলা অন্তৰৰ ব্যক্তি আজিকালি পাবলৈ টান।

অসমৰ প্ৰাক্তন মুখ্য সচিব শ্ৰী জ্যোতিপ্ৰসাদ ৰাজখোৱা আৰু প্ৰাক্তন আৰক্ষী সঞ্চালক প্ৰধান শ্ৰী হৰেকৃষ্ণ ডেকা মোৰ সহপাঠী আছিল। ৰাজখোৱাই আগৰ বেঞ্চত বহিছিল। আৰু তেওঁৰ দুজনমান চিগাৰেট খোৱা বন্ধু একেলগে বহিছিল। ৰাজখোৱাই খুব চিগাৰেট খাইছিল আৰু এতিয়াও খায়। মই আৰু হৰেকৃষ্ণ ডেকা একেবাৰে পিছৰ বেঞ্চত বহিছিলোঁ ইতিহাসৰ ক্লাছত। ডেকাই সদায় পৰিধান কৰিছিল পায়জামা আৰু পিৰাণ। ডেস্কত মাজে মাজে মূৰটো পেলাই মোৰ লগত কথা পাতিছিল। ক্লাছ লৈ থকা সময়ত কথা পাতি থকাটো অধ্যাপক মজহৰ ইছলামে বেয়া পাইছিল। এদিন তেওঁ ডেকাক মোৰ পৰা আঁতৰাই নি একেবাৰে সন্মুখৰ বেঞ্চত বহুৱাই আমাৰ কথা পতা বন্ধ কৰিছিল। সেইদিনাখনৰ পৰা দুয়ো বেলেগে বেলেগে বহা কৰিলোঁ।

আমি পঢ়োঁতে কটন কলেজৰ 'প্লেটিনাম জুবিলী' হৈছিল। এই অনুষ্ঠানটো বিভিন্ন কাৰ্যসূচীৰে পতা হৈছিল। এইবোৰ কলেজ কৰ্তৃ পক্ষই পাতিছিল। মনত আছে এই অনুষ্ঠান উদ্বোধন কৰিবলৈ বিশ্ববিদ্যালয় আয়োগৰ চেয়াৰমেন ড° কোঠাৰী আহিছিল। তেওঁ বিমানযোগে দিল্লীৰ পৰা কলিকতা হৈ গুৱাহাটীলৈ আহিছিল। আমাক এখন

বাছত ৰৰঝাৰ বিমানবন্দৰলৈ তেওঁক আদৰি আনিবলৈ কলেজ কৰ্তৃপক্ষৰ পৰা নিয়া হৈছিল। অধ্যাপক ধীৰেন্দ্ৰ নাথ বেজবৰুৱা আৰু অধ্যাপক বশিষ্ঠ ফুকনে আমাৰ দলটোক নেতৃত্ব দি ড° কোঠাৰী বিমানেৰে নমাৰ লগে লগে গামোচাখন দি আদৰিছিল। কিন্তু তাতেই এটা ঘটনা ঘটিল। ড° বিৰিঞ্চি কুমাৰ বৰুৱাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ তৰফৰ পৰা ড° কোঠাৰীক আদৰিবলৈ বিমানবন্দৰত ৰৈ আছিল। বিমানৰ পৰা ড' কোঠাৰী নমাৰ লগে লগে প্ৰথমতে ড° বিৰিঞ্চি কুমাৰ বৰুৱাই ড° কোঠাৰীক গামোচাখন ডিঙিত দিলে, স্বাগতম্ জনালে। তাৰ পিছতহে অধ্যাপক বেজবৰুৱা আৰু অধ্যাপক বশিষ্ঠ ফুকনে তেওঁক আদৰিব পাৰিলে। ইয়াকে লৈ পিছত বেজবৰুৱা আৰু ফুকনে ড° বৰুৱাৰ লগত অলপ কথা কটা-কটিও হ'ল। কাৰণ ড° কোঠাৰী কটন কলেজৰ অনুষ্ঠানত ভাগ ল'বলৈহে আহিছিল।

এইখন কলেজত পঢ়ি থাকোঁতে মই সংগীতানুষ্ঠানবোৰত তবলা বজাইছিলোঁ। Music competetionবোৰত সদায় ছাত্ৰ-ছাত্ৰীসকলৰ লগত তবলা বজাইছিলোঁ। তেতিয়া কলেজত তবলা বজোৱা ছাত্ৰ মাত্ৰ দুজন আছিল। এজন ৰাহা উপাধিৰ ল'ৰা, মোতকৈ সৰু আৰু মই। গতিকে প্ৰায় অনুষ্ঠানবোৰত আমি দুয়ো অপৰিহাৰ্য আছিলোঁ। সংগীতজ্ঞ ৰমেন বৰুৱা, ড° বীৰেন্দ্ৰনাথ দত্ত, ড° লক্ষহীৰা দাস আদি জ্যেষ্ঠ সংগীতজ্ঞই কোৰাছ আদিৰ ছাত্ৰ-ছাত্ৰীক তালিম দিলে মই তবলা সংগত কৰিছিলোঁ। ' নবীন বড়াই এবাৰ মোৰ তবলা সুৰত বান্ধি কেনেকৈ শাস্ত্ৰীয় সংগীতৰ তেহাই দিব লাগে তাক শিকাইছিল। তেওঁক আমি তেতিয়া তবলা বজোৱাত পাকৈত বুলি জানিছিলোঁ। পিছলৈ তেওঁ এজন চেতাৰ বজোৱা শিল্পী ৰূপে পৰিগণিত হৈছিল।

আটাইতকৈ গুৰুত্বপূৰ্ণ ঘটনা সেই সময়ত ঘটিছিল চীনা আক্ৰমণ। সেই আক্ৰমণৰ সময়ত আমাৰ ক্লাছ আদি নহৈছিল। সদায় জজ ফিল্ডত পেৰেড হৈছিল। ৰাতিপুৱা সদায় পেৰেড কৰিবলৈ যাব লাগিছিল— আমাক ইয়াৰ প্ৰশিক্ষণ দিছিল অবসৰপ্ৰাপ্ত ইক্ৰাম শইকীয়া ছাৰ N.C.C.ৰ মুৰব্বী আছিল তেতিয়া কলেজৰ। তেওঁৰ তত্বাবধানত আমাক এবাৰ লেফট-ৰাইট মৰাই জজ ফিল্ডৰ পৰা দৌৰাই নিছিল ভৰলুমুখলৈ। তাত আমাক দুভাগত ভগাইছিল— এভাগ শত্ৰুপক্ষই ভৰলুৰ দলংখন ধ্বংস কৰিবলৈ কৰা আঁচনি আনপক্ষই বিফল কৰি শত্ৰু সৈন্যক পৰাস্ত কৰাৰ আঁচনি। এইটো আছিল 'মক ফাইট'। ভৰলুৰ পাৰ দুটা বৰ লেতেৰা আছিল, পায়খানাৰে ভৰা। আমি নাকত ৰুমাল লৈহে তাত থাকিব পাৰিছিলোঁ। এনেকৈয়ে বহু দিন শ্ৰেণী নোহোৱাকৈ আমি অতিবাহিত কৰিব লগা হৈছিল যুদ্ধৰ বাবে। পিছত যেনিবা যুদ্ধ বন্ধ হ'লত চীনা সৈন্য অৰুণাচল প্ৰদেশৰ পৰা গ'ল আৰু যুদ্ধ শাম কটাত ক্লাছ আৰম্ভ হৈছিল।

আমি থাকোঁতে কটন কলেজৰ অধ্যক্ষ আছিল অধ্যাপক হৰিশচন্দ্ৰ গোস্বামী।

তেওঁ ৰামায়ণ বিদ্যাৰ লোক আছিল। বৰ গহীন-গম্ভীৰ আছিল। নতুনকৈ নির্মাণ কৰা প্রেক্ষাগৃহত ভাষণবোৰ ইংৰাজীত দিছিল। তেওঁৰ বিদায় সভাত আৰস্তণী গীত এটা উপযোগীকৈ সুৰ দি গাই এজনে প্রেক্ষাগৃহৰ সকলোকে মুগ্ধ কৰিছিল। মই তবলা বজাইছিলোঁ।

শ্রী দুলাল ৰয় আছিল তেতিয়া সাংস্কৃতিক বিভাগৰ সম্পাদক, জ্যোতিপ্রসাদ শইকীয়া আছিল আলোচনীৰ সম্পাদক, সংগীতৰ সম্পাদক আছিল কমল কাকতি আৰু নৃপেন গোস্বামী আছিল সাধাৰণ সম্পাদক। গোস্বামী ছাৰে অৱসৰ লোৱাৰ পিছত অধ্যাপক নুৰুল ইছলাম হ'ল কটন কলেজৰ অধ্যক্ষ। তেওঁ যোগদান কৰাৰ দিনাখনেই ছাত্র সংস্থাৰ লগত পৰীক্ষা পিছুৱাবলৈ এখন হুলস্থুল লাগে। তেওঁ কিন্তু পৰীক্ষা নিপিছুৱালে। বাধ্য হৈ সকলোৱে পিছত পৰীক্ষা দিলে। নৃপেন গোস্বামী পিছলৈ এম পি হ'ল। তেওঁ এতিয়া জীয়াই থকা নাই।

তেতিয়াৰ বহুত কথায়ে মনলৈ আহে। সকলো কথা লিখিলে প্রবন্ধটো দীঘলীয়া হ'ব। সেয়ে ইয়াতেই সামৰিলোঁ। মুঠতে ক'বলৈ গ'লে তেতিয়াৰ শিক্ষক আৰু আজিৰ শিক্ষকৰ মাজত বহুত প্রভেদ। তেতিয়াৰ শিক্ষকসকলক শিক্ষাগুৰু বুলি ক'ব পাৰিছিল ছাত্রই— তেওঁলোকৰ নৈতিকতাৰ বাবে। ছাত্র-ছাত্রীৰ প্রতি থকা দায়িত্বৰ বাবে। আজিকালি প্রতিটো বিষয়ত টিউচন লৈ যি টকা ঘটাৰ ব্যৱসায় হৈছে এনেকুৱা পৰিৱেশত কেনেকৈ শিক্ষকক ছাত্রই সন্মান কৰে? তাতে আকৌ তেতিয়াৰ অধ্যাপকসকলৰ দৰমহাও কম আছিল— এতিয়াৰ দৰে নহয়। শিক্ষাৰ ক্ষেত্রত আমাৰ দিনত দুর্নীতি নাছিল। এতিয়া দুর্নীতিৰে ভৰি পৰিছে। গতিকে, এই দুর্নীতি আঁতৰাই বৈষয়িক দিশটোত গুৰুত্ব কমাই নৈতিকতাতহে গুৰুত্ব দি ছাত্র-শিক্ষকৰ সম্পর্ক উন্নত কৰিব লাগে। মোৰ দেউতা ৰঘুনাথ দেৱ চৌধুৰীৰ 'মানুহৰ মাজে মাজে' (১৯৯১ চনৰ আগষ্টত প্রকাশিত) কিতাপখনৰ কথা উদ্ধৃতি কৰি কটন কলেজত মোৰ স্মৃতিৰ টোকা সামৰণি মাৰিলোঁ।

'প্রিন্সিপাল ড° ডেভিদ টমছন কটন কলেজৰ দ্বিতীয় ইউৰোপীয় প্রিন্সিপাল। গা-গাৰীয়ে হৃষ্ট-পুষ্ট স্কটলেণ্ডীয় অসাধাৰণ ব্যক্তিত্ব সম্পন্ন সুযোগ্য। প্রিন্সিপালগৰাকীয়ে শিক্ষা আৰু বিশ্ববিদ্যালয়ৰ পৰীক্ষাসমূহত ছাত্রৰ সুখ্যাতি অর্জাৰ আঁচনি আৰু কার্যপন্থা অতি নিখুঁত আৰু সর্বতোপ্রকাৰে নিয়মানুৱর্তক বুলি সকলোৱে জনাজাত। প্রফেছৰ পি চি ৰায়ৰ ভাষাত ড° টমাছন এগৰাকী ষ্টীম ৰোলাৰৰ দৰে, বাহিৰত কঠোৰ কিন্তু অন্তৰত বৰ মৰমিয়াল।

এনে মানুহক চিনা সহজ নহয়। তেওঁৰ কোনো প্রফেছৰৰ স'তে ঘনিষ্ঠ সম্পর্ক নাছিল। কি ছাত্র কি অধ্যাপক সকলোৱে কর্তব্য পালনৰ গৰজত তেওঁলৈ ভয় কৰি চলিছিল। কোনো দিনে কাকো এষাৰো তেওঁৰ মুখৰ পৰা কঠোৰ ভাবৰ কথা

কোৰা নাছিল। অথচ সাৰ্বজনীন ভয়বাদ্ধৱ নায়ক তেওঁ। অধ্যাপক ৰায়ে আমাক শ্ৰেণীত কৈছিল যে তেওঁ কেমিষ্ট্ৰিৰ ডক্টৰেট। ডক্টৰ হ'লে বহল জ্ঞানৰ অধিকাৰী হয় বুলিও কোৰা মনত পৰে।

নিজৰ অকণমান অফিচ ৰুমতে বহি প্ৰায় প্ৰতি ছাত্ৰ আৰু সকলো প্ৰফেচৰৰ মন আৰু কাম বুজি পাইছিল।

প্ৰতিদিনে আবেলি নিৰ্দিষ্ট সময়ত পূবৰ ফালে লাঠি এডালেৰে অকলে ফুৰিবলৈ গৈছিল। শিলপুখুৰীৰ পৰাই পূবলৈ হাবি আৰু ৰে'লপথটো হাবিৰ মাজেদি। শিলপুখুৰীৰ পৰা এমাইলমান ৰে'লআলিৰে গৈ এটা শিলত বহি আন এটা শিলত আঁউজি জুৰ লৈছিল। এদিন আমি কেইজনমানে ৰে'লআলিৰে পূবৰ ফালে যাওঁতে তেওঁক শিলত বহি থকা দেখা পাইছিলোঁ। তেওঁ আমাক কৈছিল, This is my place where I spend the evening in peace, but beware of tigers after dusk. Return early.

১৯৩০ চনৰ নৱাগত ছাত্ৰসকলৰ আদৰণী সভাত ছাত্ৰ সন্থাৰ সম্পাদকে প্ৰতিবেদনত লিখিছিল, We want the University immediately. সভাপতিৰ ভাষণত তেওঁ কোৰা মনত আছে 'You have your University in time, but not immediately, but lahe lahe. for, Assam is a land of lahe lahe.' এই সন্দৰ্ভৰ উক্তি আজিলৈ এক সাঁথৰ হৈ আছে।' ❑

কটন কলেজ— এক নষ্টালজিয়া

পোলেন বৰকটকী

(১)

অসমত এনে কোনো লোক আছেনে যিয়ে কটন কলেজত পঢ়িবলৈ সুযোগ পোৱাক লৈ গৰ্ব নকৰাকৈ থাকে? হয়, কটন কলেজত পঢ়িবলৈ পোৱাটো বা কটনিয়ান হোৱাৰ সন্মানেই যেন সুকীয়া। ঐতিহ্যমণ্ডিত কটন কলেজে যুগে যুগে এনেকৈয়ে নিজৰ গৌৰবময় অস্তিত্ব বহন কৰি আহি আছে যে যিকোনো বয়সৰ লোককে যিকোনো মুহূৰ্ততে ই নষ্টালজিক কৰি তুলিবলৈ নেৰে। মনত পৰে, আমি সৰু থাকোঁতে আমাৰ ককাদেউতাই আমাৰ আগত কটন কলেজত পঢ়া দিনৰ কথা কৈছিল আৰু এতিয়াও মনত পৰে কোৱাৰ সময়ত আমি মন কৰিছিলোঁ ককাদেউতাৰ চকু-মুখ এক অনাবিল আনন্দমিশ্ৰিত গৌৰৱেৰে যেন উদ্ভাসিত হৈ উঠিছিল। ককাদেউতা আছিল ১৯০১ কি ১৯০২ চনত কটন কলেজৰ ছাত্ৰ আৰু আমাৰ আগত যেতিয়া এইদৰে ককাদেউতা নষ্টালজিক হৈছিল, তেখেত তেতিয়া আছিল মধ্য-সত্তৰোৰ্ধ্ব এজন ব্যক্তি। আমি তেতিয়া ঠিক বুজা-নুবুজাৰ মাজতে ৰৈছিলোঁ এইবুলি যে কটন কলেজত পঢ়াটো এজন মানুহৰ বাবে ইমান দিনৰ পিছতো এনেকুৱা আনন্দোজ্জ্বল স্মৃতি হৈ ৰ'ব পাৰেনে? তৎসত্বেও এটা কথা বুজাত আমাৰ তেতিয়াই অকণো অসুবিধা হোৱা নাছিল যে কটন কলেজত পঢ়িবলৈ পোৱাটো এক সুকীয়া কৃতিত্বৰহে যেন পৰিচায়ক, এই কৃতিত্বৰ পিছত কৰণীয় যেন একো নাই। সম্ভৱ সেয়েহে স্কুলত পঢ়ি থকা কালতে সপোন দেখি আছিলোঁ, কেতিয়ানো কটন কলেজৰ ছাত্ৰ আমিও হ'বলৈ পাম! ককাদেউতাই অৱশ্যে সকীয়াই আছিল, ভালকৈ পঢ়, মেট্ৰিকত ভাল ৰিজাল্ট হ'লেহে কটনত পঢ়িবলৈ পাবি। যাকে-তাকেতো কটনত পঢ়িবলৈ নিদিয়ে।

ককাদেউতাৰ সকীয়নিয়ে সেই সময়ত মনটো দমাই দিছিল। মেট্ৰিকৰ ৰিজাল্ট

ভাল হ'ব লাগিব— কটন কলেজত পঢ়াৰ এই চৰ্তটো কোনোবাই আইন কৰি উঠাই দিয়া হ'লেই যেন ভাল আছিল। আমাৰ দৰে মধ্যমীয়া ছাত্ৰসকলৰ চিন্তা সদায়ে এনেকুৱাই হয়। হাতত নাই কণটো, বৰ সবাহলৈ মনটো! অৰ্থাৎ, পঢ়াৰ ধাউতি নাই, আকাংক্ষা কিন্তু ডাঙৰ। সি যি কি নহওক, সময়ত এদিন মেট্ৰিক পৰীক্ষা দিলোঁ, ৰিজাল্টো ওলাল আৰু কাংক্ষিত ৰূপত কটন কলেজত বিজ্ঞান শাখাত নাম ভৰ্তি কৰাৰ যোগ্যতা অৰ্জন কৰাত মন নাচি উঠিল। হওক তেও, আমিও কটনিয়ান বুলি পৰিচয় দিব পৰা হ'লোঁ। ইয়াতকৈ ডাঙৰ কৃতিত্বৰ কথা বা গৌৰৱৰ কথা যেন আন একো নায়েই। ককাদেউতাৰ সন্মুখত বুকু ফিন্দাই যেন এতিয়া থিয় হ'ব পৰা হ'লোঁ। তুমিহে কটনৰ ছাত্ৰ আছিলানে, আমিও কটনৰ ছাত্ৰ।

হয়, আজিৰ দৰে তেতিয়াও কটনৰ ছাত্ৰ হ'বলৈ পোৱাটোত এক সুকীয়া আনন্দ আছিল, সকলো ছাত্ৰই মনতে তেতিয়াও পোষণ কৰিছিল এক কৃতিত্ব তথা গৌৰৱ অনুভৱ। যেন এক বিশেষ শ্ৰেণীৰ অন্তৰ্ভুক্ত হ'ব পৰাৰ গৌৰৱ। এলিট্ক্লাছভ হোৱাৰ গৌৰৱ! হয়তো সেইবাবেই সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ ছাত্ৰই কটন কলেজৰ ছাত্ৰ হ'বলৈ হেতা-ওপৰা লগাইছিল।

অকল 'কটনিয়ান'ৰ নামটো ল'বলৈকে সকলোৱে এইদৰে হেতা-ওপৰা লগাইছিলনে বাৰু? নিশ্চয় নহয়, প্ৰকৃততে 'কটনিয়ান' হোৱাৰ হেঁপাহৰ জন্ম হৈছিল এক ঐতিহ্যমণ্ডিত, গৌৰৱময় আৰু দেশৰ ভিতৰতে উৎকৃষ্ট শিক্ষা প্ৰতিষ্ঠানত উচ্চ শিক্ষা লাভ কৰিবলৈ পোৱাৰ আকাংক্ষাৰ পৰাহে। অৱশ্যে 'মন্দ কবি যশঃ প্ৰাৰ্থী'ৰ লেখীয়া আমাৰ দৰে মধ্যমীয়া ছাত্ৰৰ কথা হয়তো সুকীয়া আছিল। তাৰ বাহিৰে মেধাৱী ছাত্ৰসকলক কটন কলেজে অতীজৰে পৰা ইয়াৰ স্ব-মহিমাৰে সদায়ে আকৰ্ষণ কৰি আহিছে। এক শিক্ষা প্ৰতিষ্ঠান স্বয়ম্ভু ৰূপত স্ব-মহিমাৰে প্ৰোজ্জ্বল হৈ নুঠে, দৰাচলতে ইয়াৰ আঁৰত থাকে এচাম নিষ্ঠাবান শিক্ষকৰ নিঃস্বাৰ্থ ৰূপৰ শিক্ষাদানত ব্ৰতী হোৱাৰ ঐকান্তিক মানসিকতা আৰু তেখেতসকলৰ অহোপুৰুষাৰ্থ। নিঃসন্দেহে গৌৰৱময় ঐতিহ্য আৰু পৰম্পৰা বহন কৰি অহা কটন কলেজৰো স্ব-উদ্ভাসিত অস্তিত্বৰ আঁৰত আছিল বা আজিও আছে তেনে এচাম নমস্য শিক্ষকৰ একক নিষ্ঠাশীল প্ৰয়াস। লগতে এই কথাটোও অনুধাৱন কৰাটো প্ৰয়োজন যে এক শিক্ষা প্ৰতিষ্ঠানলৈ গৌৰৱ অকল শিক্ষকসকলেই কঢ়িয়াই নানে, ছাত্ৰসকলৰ নিষ্ঠা আৰু শিক্ষা লাভৰ ঐকান্তিক প্ৰয়াসো ইয়াৰ সৈতে সংপৃক্ত হৈ থাকে। সেয়েহে এই কথা অনস্বীকাৰ্য যে যিকোনো শিক্ষা প্ৰতিষ্ঠানৰ কীৰ্তি বা কৃতিত্ব নিঃসন্দেহে শিক্ষক-ছাত্ৰৰ এক সম্মিলিত প্ৰয়াসৰ ফচল।

অসমৰ বাহিৰতো যেতিয়া অইন মানুহৰ মুখে কটন কলেজৰ গুণ-গান শুনিবলৈ পাওঁ, তেতিয়া গৰ্বত বুকু ফুলি উঠা যেন অনুভৱ কৰোঁ। প্ৰসংগত উল্লেখ্য, এবাৰ

মুম্বাইত পুনেৰ ফাৰ্গুছন কলেজৰ এজন শিক্ষকৰ সৈতে পৰিচয় ঘটিছিল। কথা প্ৰসংগত তেওঁ আমাক প্ৰশ্ন কৰিছিল— 'আপোনালোকৰ তাত কটন কলেজৰ দৰে শিক্ষা প্ৰতিষ্ঠান থকা সত্ত্বেও ল'ৰা-ছোৱালীবোৰ পঢ়িবলৈ আমাৰ কলেজলৈ কিয় আহে?'

সেয়াই হ'ল কটন কলেজৰ পৰিচয়— অকল অসমতে নহয়, বাহিৰতো। গতিকে তেনে এখন কলেজৰ ছাত্ৰ হ'বলৈ পাই কোনোবাই গৌৰবান্বিত নোহোৱাকৈ থাকিব পাৰেনে?

(২)

আমাৰ সময়ত কটন কলেজত শিক্ষক হিচাপে পাইছিলোঁ এইসকল ব্যক্তিক ঃ অসমীয়া বিভাগত প্ৰয়াত অতুল চন্দ্ৰ হাজৰিকাদেৱ, প্ৰয়াত ড° হেমন্ত কুমাৰ শৰ্মা, ভুবনেশ্বৰী মজুমদাৰ আদি; ইংৰাজী বিভাগত আছিল প্ৰয়াত ৰায়হান শ্বাহ, প্ৰয়াত নৱকান্ত বৰুৱা, বসন্ত বৰুৱা, কমলেশ্বৰ শৰ্মা, উপেন্দ্ৰ নাথ শৰ্মা আদি; পদাৰ্থবিজ্ঞান বিভাগত প্ৰয়াত গোবিন্দ ডেকা, প্ৰয়াত সৰোজ দত্ত, কমলেন্দু দেৱ ক্ৰোৰী, অনিল কুমাৰ গোস্বামী, বংশীধৰ দাস, হৰিদেৱ গোস্বামী আদি; ৰসায়ন বিভাগত আছিল চন্দ্ৰমল কাকতি, মহেশ চন্দ্ৰ ভূঞা, অখিল চন্দ্ৰ শৰ্মা, বৈদ্য ভূঞা, কৃষ্ণ বৰা, বশিষ্ঠ দেৱ ফুকন আদি; গণিত বিভাগত আছিল শিৱ ঘোষ, ৰজনী চক্ৰৱৰ্তী, হক ছাৰ আদি। আমাক উদ্ভিদবিজ্ঞান পঢ়ুৱাইছিল ড° পাৰুকুট্টি বৰুৱা, ৰেণু মমিন বৰদলৈ, প্ৰমথ চৌধুৰী আদি শিক্ষকসকলে। প্ৰাণীবিজ্ঞান বিভাগত আমাক পঢ়ুৱাইছিল ড° কালীনাথ শৰ্মা, ভৰত চৌধুৰী, চম্পক গগৈ আদিয়ে। এইসকল নমস্য শিক্ষকৰ বহুকেইজন আজি ইহ সংসাৰত নাই। তেখেতসকলৰ স্মৃতি কিন্তু ছাত্ৰসকলৰ মনত আজিও সজীৱ হৈ আছে। প্ৰতিজন শিক্ষকৰে পাঠদান কৰাৰ ধৰণো আছিল সুকীয়া। প্ৰতিজনৰে ব্যক্তিত্বও আছিল সুকীয়া।

আমি আছিলোঁ কটন থাৰ্ড মেছৰ আৱাসী। আজিকালি ছাত্ৰাবাসবোৰৰ নাম সলনি হৈছে। আমাৰ ছাত্ৰাবাসৰ অধীক্ষক আছিল প্ৰয়াত ৰজনীকান্ত শৰ্মা আৰু পিছৰ বছৰত পাইছিলোঁ ডম্বৰু গগৈদেৱক। মোৰ সম্বন্ধীয় খুৰা এজন এই ছাত্ৰাবাসত থাকি পঢ়িছিল আৰু তেওঁৰ মুখে এই ছাত্ৰাবাসৰ কথা শুনি ময়ো এই ছাত্ৰাবাস পচন্দ কৰিছিলোঁ। কোৱা শুনিছিলোঁ, এইটো ছাত্ৰাবাসত স্থান পোৱাটো কঠিন, অধীক্ষকে ছাত্ৰৰ গুণাগুণ চাই-চিতিহে হেনো ছাত্ৰাবাসৰ বাবে নিৰ্বাচন কৰে। ৰজনীকান্ত শৰ্মাদেৱৰ সৈতে মোৰ ডাঙৰ মামাজনৰ বন্ধুত্ব আছিল। সেয়েহে এদিন মামাক লগত লৈ তেখেতৰ ওচৰলৈ গৈছিলোঁ। দেখা গ'ল মামাজনৰ সৈতে ভাল বন্ধুত্ব থকা সত্ত্বেও তেখেতে সেই ছাত্ৰাবাসৰ আৱাসী হোৱাৰ বাবে চৰ্ত পূৰণ কৰিব নোৱাৰিলে তেখেতৰ নিৰুপায়তা প্ৰকাশ কৰিলে। অধীৰ উৎকণ্ঠাৰে তেখেতৰ চৰ্তৰ কথা শুনিবলৈ আমি

অপেক্ষা কৰিলোঁ। এটা সময়ত তেখেতে ক'লে যে পঢ়া-শুনাত আগ্ৰহী ছাত্ৰকহে তাত স্থান দিয়ে আৰু তাৰ প্ৰমাণ হিচাপে ছাত্ৰজনে অতি কমেও অমুক শতাংশ নম্বৰ পোৱা হ'ব লাগিব। তেখেতে কোৱা এই 'কাট-অফ্' নম্বৰটো শুনিহে মোৰ মুখলৈ পানী আহিল। হওক তেও, মেট্ৰিক পৰীক্ষাত লাভ কৰা মোৰ নম্বৰ এই 'কাট-অফ্' নম্বৰতকৈ চাৰি শতাংশ অধিক। গতিকে মই স্থান পাম বুলি নিশ্চিত হ'লোঁ।

কলেজখন আৰু ছাত্ৰাবাসৰ অসংখ্য অম্ল-মধুৰ স্মৃতি মনৰ মণিকোঠাত সজীৱ ৰূপত সঞ্চিত হৈ আছে। আজৰি পৰত সেইবোৰে আজিও বিমল আনন্দৰ খোৰাক যোগায়।

সেই যে '৬০ৰ ভাষা আন্দোলন, ছেকেণ্ড হোষ্টেলত পুলিচৰ গুলীত ৰঞ্জিৎ বৰপূজাৰীৰ মৃত্যু আৰু বাকী সাতজন গুলীবিদ্ধ, হাস্পতালত পাল পাতি আমিবোৰে পৰ দিয়া, ত্ৰাস-ভয়-আতংকৰ পৰিৱেশ সৰ্বত্ৰ... মাজতে এদিন পুৱা ৬ বজাত ছেকেণ্ড হোষ্টেলত এজন ধুতীৰ লুঙী পিন্ধা মানুহৰ আবিৰ্ভাৱ... ভাৰতৰ প্ৰতিৰক্ষামন্ত্ৰী ভি কে কৃষ্ণ মেনন...

চলচ্চিত্ৰৰ দৰে এনেকুৱা অসংখ্য দৃশ্য চকুৰ আগেৰে এতিয়াও অবিৰতভাৱে পাৰ হৈ যায়। যেন সৌ সিদিনাৰহে কথা! হয়, আজিও কলেজখনৰ সন্মুখেৰে গ'লে জাক পাতি অহা-যোৱা কৰা ল'ৰা-ছোৱালীবোৰৰ মাজত যেন আমি নিজকে দেখা পাওঁ। প্ৰাণীবিজ্ঞান-উদ্ভিদবিজ্ঞানৰ ক্লাছ কৰি উঠি পদাৰ্থবিজ্ঞান বা ৰসায়নবিজ্ঞানৰ ক্লাছ কৰিবলৈ দৌৰি দৌৰি আমিও আহিছিলোঁ একেদৰে। পদাৰ্থবিজ্ঞানৰ ক্লাছত অকণমান পলম হ'লেই গোবিন্দ ডেকা ছাৰে কোঠাৰ দুৱাৰ বন্ধ কৰি দিয়ে, সোমাবলৈ নিদিয়ে। গতিকে দীঘলীপুখুৰী পাৰৰ পৰা আমাৰ দৌৰৰ প্ৰতিযোগিতা।

হোষ্টেলৰ ছিনিয়ৰসকলে আমাক প্ৰৰোচিত কৰে— বিজ্ঞানৰ ছাত্ৰই কিহৰ অসমীয়াৰ ক্লাছ কৰিব লাগে? কোনোবা এজনে গৈ বাকীবোৰৰ 'প্ৰক্সি' দিলেই হৈ যায়। প্ৰৰোচনাত আমিও ভোল যাওঁ। গতিকে পাল পাতি চলে 'প্ৰক্সি' দিয়াৰ পৰ্ব। অতুল চন্দ্ৰ হাজৰিকা ছাৰে কথাটো গমো পায়। তেখেতৰ স্বভাবসুলভ ভাব-লেশহীন গহীন মুখাবয়বেৰে হাজিৰা বহীটো জপাই থৈ মন্তব্য দিয়ে— ক্লাছটোত বহুতো বান্দৰ আছে, বান্দৰবোৰ ক্লাছলৈ নাহিলেই ভাল।

ইংৰাজীৰ আনন্দেশ্বৰ শৰ্মা ছাৰৰ এটা মুদ্ৰাদোষ আছিল। তেখেতে ইংৰাজী কোৱাৰ বেলিকা 'Say' শব্দটো সঘনাই প্ৰয়োগ কৰিছিল। তেখেতে এইট এচেয়িষ্টছ' পঢ়ুৱাইছিল, পঢ়ুৱাইছিল ভাল। গতিকে আমি 'Say ছাৰ'ৰ ক্লাছ ক্ষতি কৰা নাছিলোঁ। বসন্ত বৰুৱা ছাৰেও খুব ভাল পঢ়ুৱাইছিল, গহীন-গম্ভীৰ আৰু এটাও বাহিৰা কথা নোকোৱা বসন্ত বৰুৱা ছাৰক সকলোৱে ভয় কৰিছিল। কমলেশ্বৰ শৰ্মা ছাৰে পৰীক্ষাৰ আগে আগে দিয়া নোট আমাৰ দৰে এলেহুৱা ছাত্ৰৰ বাবে বৰ অমূল্য সম্পদ যেন

আছিল। ৰায়হান শ্বাহ, নৱকান্ত বৰুৱা ছাৰে নিয়মীয়াকৈ আমাৰ ক্লাছ লোৱা নাছিল। মাজে-সময়েহে ক্লাছলৈ আহিছিল। নৱকান্ত বৰুৱা ছাৰে ক্লাছটো বৰ ৰসাল কৰি তুলিছিল।

পদাৰ্থবিজ্ঞানত গোবিন্দ ডেকা ছাৰ তেতিয়া লণ্ডনৰ পৰা 'নিউক্লিয়াৰ ফিজিক্সত' ডক্টৰেট ডিগ্ৰী লৈ আহিছেহে মাথোঁ। তেখেতে আমাক 'পোহৰ' অধ্যায়টো পঢ়ুৱাইছিল। বোৰ্ডত সাধাৰণ সূত্ৰ একোটা বিন্যাস কৰিবলৈ গৈ তেখেতৰ খোকোজা লাগিছিল আৰু ফলত আমাৰ তেতিয়া ধাৰণা হৈছিল— এই সৰু কথাটোকে নাজানে, কেনেকৈ যে 'নিউক্লিয়াৰ ফিজিক্স'ত ডক্টৰেট কৰিলে! পিছত অৱশ্যে বুজি পাইছিলোঁ সেয়া আছিল আমাৰ অপৈণত মনৰ ধাৰণা। ষষ্ঠ বা সপ্তম শ্ৰেণীৰ গণিতৰ সূত্ৰ এটাৰ বেলিকা নিশ্চয় আমাৰো অনুৰূপ অৱস্থা হ'ব। অনিল গোস্বামী ছাৰে বৰ সুন্দৰকৈ বুজাব পাৰিছিল। ক্লাছৰ বাহিৰতো তেখেতক কিবা সুধিলে বৰ সহজভাৱে বুজাই দিছিল। সৰোজ দত্ত বাইদেৱো বৰ মৰমিয়াল আছিল। উদ্ভিদবিজ্ঞানৰ ৰেণু মমিন বৰদলৈ বাইদেউক সকলো ছাত্ৰই ভাল পাইছিল। তেখেতক মই এটা কথাত বেয়া পাইছিলোঁ— তেখেতে মোক 'Pollen grain' বুলি মাতিছিল, ফলত লগৰবোৰেও মোৰ সেই নামটো জোকোৱা নাম কৰি লৈছিল। প্ৰাণীবিজ্ঞানৰ ভৰত চৌধুৰী ছাৰক সকলোৱে ভয় কৰিছিল, কাৰণ তেখেত কিছু খঙাল আছিল। তেখেতে 'Hydra' পঢ়ুৱাইছিল বাবে আমাৰ মাজত তেখেত সেইটো নামেৰে খ্যাত আছিল। ড° কালীনাথ শৰ্মা ছাৰে 'Evolution' পঢ়ুৱাইছিল, বিষয়টোত আমাৰ তেতিয়া বিশেষ ৰাপ নথকা বাবেই হয়তো তেখেতে কি বুজাইছিল আমাৰ বোধগম্য হোৱা নাছিল। আমাৰ মাজত তেতিয়া প্ৰথা আছিল— যিজন শিক্ষকে যি বিষয়টো পঢ়ুৱায় তেখেত সেই নামেৰে খ্যাত হয়। চম্পক গগৈ ছাৰে 'Toad' পঢ়ুৱাইছিল, তেখেতে খুব ভাল পঢ়ুৱাইছিল। কিন্তু আমাৰ মাজত তেখেত খ্যাত আছিল সেই নামেৰেহে। ড° পাৰুকুটি বৰুৱা বাইদেউ উদ্ভিদবিজ্ঞানৰ প্ৰেক্‌টিকেল ক্লাছলৈ আহিছিল। তেখেতেও প্ৰেক্‌টিকেলবোৰ বৰ সুন্দৰকৈ কৰাইছিল। তেখেতৰ প্ৰেক্‌টিকেল কোনেও ক্ষতি নকৰিছিল। কমলা ৰয় বাইদেৱে নিয়মীয়া ক্লাছ লোৱা নাছিল, অইনৰ অনুপস্থিতিত কেতিয়াবা আমাৰ ক্লাছলৈ আহিছিল। তেখেতক সকলোৱে সমীহ কৰিছিল।

গণিত বিভাগৰ ৰজনীকান্ত চক্ৰৱৰ্তী ছাৰৰ কথা মনত পৰে। পিন্ধন-উৰণত মানুহজন যিদৰে সহজ-সৰল আছিল, ঠিক একেদৰে তেখেতৰ শিকোৱা ধৰণো আছিল সহজ-সৰল। মনত পৰে, তেখেতে গণিত বুজাই থকাৰ মাজতে কেতিয়াবা একো একোটা দাৰ্শনিক উক্তি কৰিছিল, যেনে 'হি হু প্ৰডিউচেজ ছাউণ্ড ডি লিষ্ট্ ইজ ডি মেন ছাউণ্ডেড মষ্ট্।' আকৌ, 'ইউ ইজ অলৱেজ ওৱেইট ডেট মেক্‌ছ আছ আন্‌হেপী।' ইত্যাদি ইত্যাদি।

হয়, কটন কলেজত পঢ়া সেই দুটা বছৰৰ প্ৰতিটো দিনৰ প্ৰতিটো মুহূৰ্তৰ স্মৃতি আমাৰ মনত আজিও এনেদৰে সজীৱ হৈ আছে, অনুভৱ হয় সেয়া যেন এই আজিৰ কথাহে! আজিও কটনৰ সন্মুখেৰে গ'লে হাতত কিতাপ-বহী লৈ অহা-যোৱা কৰা জাক জাক ল'ৰা-ছোৱালীৰ মাজত আজিও আমি নিজকে যেন বিচাৰি পাওঁ। জিলকাৰ দোকানৰ ১৯ পইচাত চাহ-চিংৰা বা চাহ-ভুজিয়া-বুন্দিয়া, ৰেডিঅ' ফিনিক্সৰ সন্মুখত সন্ধিয়া ৭ বজালৈ শুনা গান, হোষ্টেলৰ আড্ডা, প্ৰথম বৰ্ষত ছিনিয়ৰসকলে কোৱা ভূতৰ কথা, এইবোৰ অসংখ্য স্মৃতিয়ে আজিও মন উন্মনা কৰে। আজিও মাথোঁ এটাই আক্ষেপ— মাত্ৰ দুটা বছৰহে যে কটনৰ ছাত্ৰ হোৱাৰ সুযোগ পাইছিলোঁ।❑

কটনত কটোৱা দিনবোৰৰ সোণালী সোঁৱৰণ

ড° শিৱনাথ বৰ্মন

বয়স হোৱাৰ লগে লগে মানুহক অতীত কাতৰতাৰ ৰোগে ধৰে; পুৰণি কথা পাগুলিবলৈ, সেইবোৰ আনক ক'বলৈ হাবিয়াস জন্মে। এইখিনিতে আমাৰ স্নাতকোত্তৰ শ্ৰেণীৰ শিক্ষাগুৰু, প্ৰয়াত ভবেন্দ্ৰ নাথ শইকীয়াদেৱৰ এটা গল্পলৈ মনত পৰিছে। গল্পটোত তেওঁ সৰসকৈ বৰ্ণাইছে— গল্পৰ নায়কে 'বুঢ়া হ'লে নিজৰ পুৰণি কথা কৈ আনক বিৰক্ত নকৰোঁ' বুলি সংকল্প কৰিও অৱসৰৰ পিছত তেওঁ কেনেকৈ নিজৰ অজ্ঞাতসাৰেই নিজ অতীতৰ কথা আনক ক'বলৈ আৰম্ভ কৰিলে। বয়সিয়াল মানুহৰ বাবে অতীত স্মৃতি স্বাভাৱিক। ই এক অৰ্থত হয়তো প্ৰয়োজনো, কাৰণ বুৰঞ্জী মানেইতো এক প্ৰকাৰৰ অতীত স্মৃতি।

আমাৰ কলেজীয়া দিনবিলাক আছিল বৈচিত্ৰ্যহীন, বিবৰ্ণ। আন দহজনৰ দৰে আমিও একালত কটনত পঢ়িছিলোঁ; কিছুদিন ইয়াত চাকৰিও কৰিছিলোঁ। বছ্‌ সেয়াই। সেই দিনবোৰৰ বিষয়ে লিখিব লগা কিবা আছে বুলি ভবা নাছিলোঁ। এই গ্ৰন্থৰ উদ্যোক্তাসকলক ধন্যবাদ— তেওঁলোকে হেৰাই যোৱা দিনবোৰলৈ উভতি চোৱাৰ এটা সুযোগ আমাক দিছে।

মেট্ৰিক পাছ কৰিছিলোঁ নাজিৰাৰ ল'ৰাৰ হাইস্কুলৰ পৰা ১৯৫৯ চনত। আমাৰ দিনত কটনত পঢ়াটোৰেই অৱধাৰিত আছিল। পৰীক্ষাৰ্থীৰ সংখ্যা কম হোৱা বাবে ইয়াত ছীট পোৱাটো টান নাছিল। অৱশ্যে আজিৰ মুদ্ৰাস্ফীতিৰ দৰে 'নম্বৰস্ফীতি'ও তেতিয়া নাছিল। যিমানদুৰ জানো, আমি পৰীক্ষা দিয়া বছৰটোত মাত্ৰ এজনেহে ষ্টাৰ মাৰ্ক পাইছিল। সেইজন আছিল বন্ধুবৰ শ্যামাপ্ৰসাদ শৰ্মা।

ৰিজাল্ট ওলোৱাৰ পিছত টালি-টুপলি বান্ধি গুৱাহাটীলৈ বুলি ৰাওনা হ'লোঁ। লগত মা-দেউতা-খুৰা কোনো অহা নাছিল। আমাৰ দিনত আজিৰ দৰে লগত অভিভাৱক

অহা প্ৰথাটো নাছিলেই, বৰং অহাটোহে আছিল লাজৰ কথা। আমাৰ লগৰ এজনক দেউতাকে কলেজত থৈ গৈছিল, কলেজৰ পৰা লৈয়ো গৈছিল। গতিকে তাৰ জোকোবা নাম হৈছিলগৈ 'বি. এ. বি. টি.', অৰ্থাৎ বাপেকে আনে, বাপেকে থয়।

আহিছিলোঁ ৰে'লত (তেতিয়া নাজিৰাৰ পৰা গুৱাহাটীলৈকে বাছ নচলিছিল)। কিন্তু যাত্ৰাপথত অথন্তৰ ঘটিল। মালবাহী ৰে'লৰ দবা বগৰাত ডিফু ষ্টেচনত কেইবা ঘণ্টাও ৰ'ব লগা হ'ল। মোৰ কলেজীয়া জীৱনৰ আৰম্ভণিটো কিছু অমংগলীয়াই আছিল চাগৈ। পৰীক্ষা আশানুৰূপ নোহোৱাত স্কুল-শিক্ষাগুৰুসকলক মাত লগাবলৈ মন যোৱা নাছিল। গতিকে অহাৰ আগে আগে পিতৃৰ ককৰ্থনা খালোঁ। ৰে'লযাত্ৰাত লটি-ঘটি হ'ল। তদুপৰি কলেজত নাম লগোৱাৰ এমাহমানৰ ভিতৰতে মোৰ ভনী এজনীৰ মৃত্যু ঘটিল আচম্বিতে।

সি যি কি নহওক, গুৱাহাটী পাই উজান বজাৰত তেতিয়া থকা বাইদেউহঁতৰ ঘৰ উঠিলোঁগৈ। তাৰ পৰাই কলেজত নাম লগালোঁ। ইচ্ছা আছিল গণিত আৰু সংস্কৃত লৈ আৰ্টছ পঢ়াৰ। (স্কুলত থাকোঁতে সূৰ্য ভূঞাই লিখা আনন্দৰাম বৰুৱাৰ জীৱন চৰিতখনে মোক বৰকৈ প্ৰভাৱিত কৰিছিল)। দৈৱৰ ফেৰত ভৰ্তি হ'লোঁগৈ বিজ্ঞান শাখাতহে।

হোষ্টেলৰ বাবে দৰ্খাস্ত দি থৈছিলোঁ। ছীট পালোঁ ছেকেণ্ড মেছত (এতিয়াৰ ৰঞ্জিত বৰপূজাৰী ছাত্ৰাবাসত)। প্ৰথম বছৰ থাৰ্ড ব্লকৰ ৭ নে ৮ নং ৰুমত আছিলোঁ। লগত আছিল মোৰ স্কুলীয়া কালৰে সহপাঠী বিপিন ঢেকিয়াল ফুকন। ছিনিয়ৰ ৰুমমেট আছিল তেতিয়াৰ ৩য় বৰ্ষৰ ছাত্ৰ পৰমানন্দ মহন্ত। দ্বিতীয় বছৰত আহিলোঁ ছেকেণ্ড ব্লকলৈ। এজন ৰুমমেট বিপিনেই থাকিল। আনজন এইবাৰ হ'ল অখিল কুমাৰ ডেকা (৪ৰ্থ বৰ্ষৰ ছাত্ৰ)। তৃতীয় বৰ্ষৰ পৰা নিজেই ছিনিয়ৰ পৰ্যায় পালোঁহি। লগত কোন কোন আছিল এতিয়া ঠিক মনত পৰা নাই। দুজনৰ কথা ৰিণিকি ৰিণিকি মনত পৰে— পোনা মহন্ত আৰু কিৰণ বৰুৱা। দুয়োজন মই পঢ়া স্কুলৰে ছাত্ৰ আছিল।

হোষ্টেলত থকাৰ প্ৰথম তিনি বছৰত আমাৰ অধীক্ষক আছিল প্ৰয়াত কালীনাথ শৰ্মা। তেখেত প্ৰাণীবিদ্যাৰ অধ্যাপক আছিল যদিও সংস্কৃততো তেখেতৰ বেছ দখল আছিল। ডেকা কালত তেখেত অলপ rough and tongh ধৰণৰো আছিল নেকি। এবাৰ তেখেতে নিজেই আমাক কৈছিল— 'জানা, ল'ৰাবিলাকে আগতে মোক বুলিছিল কে. এন. সিং' (হিন্দী চিনেমাৰ একালৰ এজন ভিলেইনৰ নাম)। হোষ্টেল সম্পৰ্কীয় কথা লৈ কলেজ ইউনিয়নৰ লগত তেখেতৰ কিবা খকাখুন্দা লগাৰ কথা অলপ অলপ মনত আছে।

চতুৰ্থ বছৰত আমাৰ অধীক্ষক হ'লহি শিৱপ্ৰসাদ ঘোষ। মই তেতিয়া আছিলোঁ

দ্বিতীয় ব্লকৰ মনিটৰ। মোৰ ৰুমটোও তেখেতৰ বাসভৱনৰ কাষতে আছিল। গতিকে তেখেতক সঘনাই লগ পোৱা হৈছিল। তেওঁ মোক মাতিছিল তেওঁৰ নামেৰেই ('শিৱ')। তেখেতে অসমীয়াতে কথা কৈছিল। কিবা বিজুতি ঘটিলে তেখেতৰ মুখৰ পৰা ওলাইছিল 'ব্যাপাৰটা কি!'— এই বাক্যষাৰ। তেখেতৰ দৰে গণিতৰ সুদক্ষ শিক্ষক মই দ্বিতীয় এজন পোৱা নাই।

আমাৰ হোষ্টেলটোত অসমৰ বিভিন্ন অঞ্চলৰ ছাত্ৰ আছিল। তথাপি উজনিৰ ল'ৰাই আছিল বেছি। তেওঁলোকৰ কোন কেনি গ'ল, আজি পঞ্চাশ বছৰৰ পিছত আৰু তাৰ সবিশেষ মনত নাই। আমাৰ লগৰ কোনো কোনো শিক্ষক হ'ল; সৰহভাগেই হ'লগৈ ইঞ্জিনিয়াৰ। হৰেকৃষ্ণ ডেকাৰ দৰে কোনো কোনোৱে আন বৃত্তিতো নাম কৰিলে। আমাৰ লগৰ আনন্দৰাম বৰুৱাই ৰাজনীতিলৈ আহি কিছুকাল মন্ত্ৰীও হৈছিল। একেদৰে মন্ত্ৰী হৈছিল আমাতকৈ এবছৰে ছিনিয়ৰ জীৱকান্ত গগৈ। একে বেট্‌ছৰে আবাসী আছিল পবিত্ৰ কুমাৰ বৰগোহাঞি, দেৱব্ৰত শৰ্মা আদি চোকা চোকা ছাত্ৰবিলাক। আমাতকৈ দুবছৰে ছিনিয়ৰবিলাকৰ ভিতৰত মনলৈ আহিছে ইতিপূৰ্বে উল্লেখ কৰা ছিনিয়ৰ ৰুমমেট দুজনৰ উপৰি প্ৰদীপেশ্বৰ ভট্টাচাৰ্য, গংগাপদ চৌধুৰী, প্ৰয়াত বসন্ত দুৱৰা আদিৰ নাম। স্থানীয় ছাত্ৰৰ লগত আমাৰ বিশেষ সম্পৰ্ক নাছিল। ঘনিষ্ঠতা হৈছিল মাত্ৰ দুজনৰ লগত। এজন হ'ল শ্যামাপ্ৰসাদ শৰ্মা, আনজন পৰ্বত বগাবলৈ গৈ অকালতে মৃত্যু বৰণ কৰা ৰোহিণী কুমাৰ ভূঞা। বন্ধুবৰ বীৰেশ দাস লোকেল আছিল যদিও স্নাতক শ্ৰেণীত আমাৰ হোষ্টেলতে থাকিবলৈ লৈছিল। আবাসীসকলৰ মাজত কৈশোৰসুলভ উৎপাত আমাৰ দিনতো আছিল। কিছুমান আছিল হৈ-হাল্লা কৰি থকা ল'ৰা; কিছুমান আছিল আকৌ 'কবিৰাজ' (অনবৰতে ৰুমত সোমাই পঢ়ি থকা ল'ৰা। আমাৰ দিনত 'কবিৰাজ' বোলা হৈছিল)। চুপাৰে গম·নোপোৱাকৈ হোষ্টেলৰ চৌদিশৰ লোহাৰ ৰেলিঙৰ ফাঁকেদি ওলাই গৈ ৰাতি চিনেমা চোৱাৰ অভ্যাস বহুতৰে আছিল। এবাৰ ময়ো এনেদৰে চিনেমা চাইছিলোঁ— 'জংলী' নামৰ তেতিয়াৰ জনপ্ৰিয় হিন্দী ছবি এখন। 'ৰেগিং' প্ৰথা আমাৰ দিনতো আছিল; কিন্তু সি আজিৰ দৰে শাৰীৰিক নিৰ্যাতনৰ পৰ্যায় পোৱা নাছিল।

এতিয়াৰ কথা নাজানো, আমাৰ দিনত আমি টুলত বহি পঢ়িছিলোঁ, গা ধুইছিলোঁ মুকলিত, চেনিটেৰী টইলেটৰো ব্যৱস্থা নাছিল। এনেবোৰ ব্যৱস্থা নোহোৱাকৈ কেনেকৈ আছিলোঁ, সেই কথা ভাবিলে এতিয়া আচৰিত লাগে। হোষ্টেলত সোমোৱাৰ সময়ত যিটো ব্যৱস্থাই মোক বিস্মিত কৰিছিল, সেইটো হ'ল ডাইনিং হলত ঠাকুৰে ঠেলাগাড়ীৰে ভাত-পানী নিয়াৰ ব্যৱস্থা। হোষ্টেলৰ ভাত-পানী বহুতে পচন্দ কৰা নাছিল। আমি হ'লে খুব বেয়া পোৱা নাছিলোঁ। দেওবাৰৰ দুপৰীয়াৰ সাঁজটো আছিল স্পেচিয়েল— ভাতৰ লগত মাংস, পকৰি ইত্যাদি। ছিনিয়ৰসকলে ভাত হোৱাৰ বহু আগেয়ে গৈ

ডাইনিং হলত নিজৰ নিজৰ ছীট বুক কৰি ৰাখিছিল ভাতৰ কাঁহীখন ডেস্কত লুটিয়াই থৈ। আমি যেতিয়া ছিনিয়ৰ পৰ্যায় পালোঁ, তেতিয়া আমিও তেনে কৰিছিলোঁ। মেছৰ বজাৰ কৰিবলৈ চতুৰ্থ বাৰ্ষিকৰ ছাত্ৰ এজনক মেছ ছেক্ৰেটাৰী পতা হৈছিল। কোন দিনা ঠাকুৰৰ লগত কোন বজাৰলৈ যাব, তাক তেওঁ থিৰাং কৰিছিল। বজাৰলৈ যোৱাজনে ৰাতিৰ সাঁজত মাছ এখুতুৰা ওপৰঞ্চিকৈ পাইছিল, লগতে পাইছিল মজুৰি হিচাপে এটা সিকি (পঁচিশ পইচা)। কোনো ছাত্ৰৰ অসুখ হ'লে তেওঁক চাব-চিতিবৰ বাবে আছিল এজন 'ছিক মনিটৰ' (sick monitor)। ৰান্ধনি বৰঠাকুৰ, বুঢ়া ঠাকুৰ, চকীদাৰ মৌজা— সকলোবোৰ এতিয়া স্বৰ্গ পালেগৈ। খোৱা-বোৱাৰ কথা কওঁতে মনত পৰিছে 'মধু' নামৰ চানাচুৰৱালাজনৰ কথা। তেওঁক কলেজৰ সকলোৱে চিনি পাইছিল। তেওঁৰ বহা আছিল উজান বজাৰত। কলেজ এৰাৰ বহু বছৰ পিছলৈকে তেওঁক লগ পাই আছিলোঁ।

আমাৰ লগৰ আৱাসীসকলৰ তিনিজনক মেট্ৰিক দিয়াৰ আগৰে পৰাই চিনি পাইছিলোঁ। তিলেশ্বৰ সন্দিকৈ আৰু তোলেন হাজৰিকাই শিৱসাগৰ চৰকাৰী হাইস্কুলত হোষ্টেলত থাকি পঢ়িছিল। ৰঞ্জিত বৰপূজাৰী শিৱসাগৰৰ স্থানীয় ল'ৰা হ'লেও বন্ধু তিলেশ্বৰক লগ ধৰিবলৈ নিতৌ হোষ্টেললৈ একোপাক আহিছিল। আমাৰ পিতৃ একে স্কুলৰে প্ৰাক্তন শিক্ষক হোৱাৰ সুবাদত মই শিৱসাগৰৰ হোষ্টেলত থাকিয়েই পৰীক্ষা দিছিলোঁ। সেই সূত্ৰে ৰঞ্জিতকো চিনি পাইছিলোঁ মেট্ৰিক দিয়া সময়ৰ পৰাই। ৰঞ্জিত স্ফূৰ্তিৱান ল'ৰা আছিল। আমি উচ্চতৰ মাধ্যমিকৰ দ্বিতীয় বাৰ্ষিকত থাকোঁতে ভাষা আন্দোলন হয়। ১৯৬০ চনৰ চাৰি জুলাই। দিনটো আছিল দেওবাৰ। ভাত-পানী খাই উঠি কোনোবাই কলেজ হোষ্টেল ৰ'ডৰ ফালে থকা দ্বিতীয় ব্লকৰ বাৰাণ্ডাত টেবুল টেনিছ খেলিছিল, কোনোবাই তৃতীয় ব্লকৰ বাৰাণ্ডাতে খেলিছিল কেৰম, কোনোবাই বা নিজৰ কমত ঘোঁৰা বাগৰ দিছিল। আমি কেইজনমানে দ্বিতীয় ব্লকৰ পশ্চিমফালে থকা বাৰাণ্ডাত আড্ডা মাৰি আছিলোঁ। এনেতে হঠাৎ এক ট্ৰাক মিলিটেৰী আহি ওলালহি আৰু কথা নাই, বতৰা নাই ৰাস্তাৰ পৰা আমাৰ ফালে গুলীয়াবলৈ ধৰিলে। সকলোৱে হতচকিত হৈ ছুপাৰৰ বাসভৱনৰ ফালে দৌৰিলোঁ। আমি যিসকলে দক্ষিণ ফালৰ বাৰাণ্ডাইদি দৌৰিলোঁ, তেওঁলোকৰ একো নহ'ল। যিসকলে উত্তৰ ফালৰ বাৰাণ্ডাইদি দৌৰিলে, তেওঁলোকৰ গাত গুলী লাগিল— কাৰোবাৰ হাতত, কাৰোবাৰ ভৰিত। ৰঞ্জিতৰ গুলী লাগিল মূৰৰ পিছফালে; তেৰ নম্বৰ কমৰ সন্মুখত সি ঢলি পৰিল। চৌদিশে হুৱাদুৱা লাগিল। ৰঞ্জিতৰ শৱদেহ শোভাযাত্ৰা কৰি শিৱসাগৰলৈ লৈ যোৱা হ'ল। সমগ্ৰ অসমতে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হ'ল। কোনোবাই ভনবস্কো স্কুলৰ কাষত থকা বঙালী দোকানবোৰত জুই লগাই দিলে। আমাৰো কোনো কোনোৱে হোষ্টেলৰ বাৰাণ্ডাৰ কাঠৰ ৰেলিং ভাঙি ভাষাপ্ৰীতি দেখুৱাবৰ বাবে সাজু হৈছিল।

অৰ্ধশতিকাৰ পিছত আৰু কবলৈ লাজ নাপাওঁ, তাৰ ভিতৰত এটা অভাজনো আছিলোঁ। উৎকট স্বদেশিকতাৰ হাবাই মানুহক কিদৰে বাতুল কৰে, আমি পোৱা এয়াই আছিল তাৰ প্ৰথম সোৱাদ।

এহো বাহ্য। কলেজ এমাহমানলৈ বন্ধ হৈ গ'ল। আহতসকলক এতিয়াৰ এম. এম. চি হস্পিটেলত থোৱা হৈছিল। তেওঁলোকক আমি পাল পাতি ভাত-পানী আদিৰ যোগান দি আহিলোঁ। আন কাম বিশেষ নথকাত আমি খেলা-ধূলা কৰি আৰু মেল মাৰি সময় কটাইছিলোঁ। এই সময়তেই মই প্ৰথম তাচ (টুৱেন্টী নাইন) খেলিবলৈ শিকোঁ। ক'বলৈ পাহৰিছোঁ, আমি হস্পিটেললৈ অহা-যোৱা কৰি থকা সময়ত আঘাতপ্ৰাপ্ত ছিনিয়ৰ এজনক আৰু আন এজন আঘাতপ্ৰাপ্তৰ ভনীয়েক এজনীক পঞ্চশৰে হানিছিল। শেষত দুয়োৰে বিয়া হৈছিল বুলিও শুনিছিলোঁ।

হোষ্টেলৰ কথা এৰি এতিয়া কলেজৰ কথালৈ আহোঁ। আমাৰ খেলা-ধূলা, গান-বাজনা সকলোবোৰ হোষ্টেলৰ মাজতে আবদ্ধ আছিল। কলেজ ইউনিয়নৰ কাম-কাজতো আমি কেতিয়াও ভাগ লোৱা নাছিলোঁ। ঠাগুা-মুগুা, 'বেলবুং' ল'ৰা হিচাপে আমি কেৱল গৈছিলোঁ ক্লাছলৈ, মাজে-মধ্যে কলেজৰ সুবৃহৎ লাইব্ৰেৰীটোলৈ। গতিকে কলেজৰ আন দিশবোৰৰ বিষয়ে আমাৰ জ্ঞান নহ'ল; কলেজৰ কেৱল শিক্ষাগুৰুসকলৰ বিষয়েহে কিছু কথা ক'ব পাৰিম।

গণিতৰ শিৱ ঘোষ ছাৰৰ বিষয়ে ইতিমধ্যে উনুকিয়াইছোঁ। গণিতৰ অন্যান্য শিক্ষকসকল আছিল ৰজনীকান্ত চক্ৰৱৰ্তী, বিনয় কুমাৰ তামুলী, বাপুকৃষ্ণ চৌধুৰী, দুৰ্গেশ্বৰ দাস ইত্যাদি। চক্ৰৱৰ্তী ছাৰে আমাৰ ক্লাছ পোৱা নাছিল, তামুলী ছাৰে দুদিনমান পাৰমুটেছন কম্বিনেছন পঢ়ায়েই বিশ্ববিদ্যালয়লৈ গ'ল।

বাপুকৃষ্ণ চৌধুৰী ছাৰে ত্ৰিকোণমিতি পঢ়াইছিল ধেমেলীয়া ভাষাৰে। Function of function-অক কৈছিল 'ফুংচন অব্ এ ফুংচন।' দাস ছাৰক আমাৰ লগৰসকলে বুলিছিল 'ডেল্টা দাস'; কাৰণ তেখেতে আমাক ডিটাৰমিনেণ্ট পঢ়াইছিল। ছাৰে আমাৰ দিনত ছ্যুট-টাই মাৰি কলেজলৈ আহিছিল; পঢ়াওঁতে ঘামি-জামি গৈছিল।

পোছাক পৰিৱৰ্তনৰ ক্ষেত্ৰত দাস ছাৰৰ বিপৰীত আছিল ক্ৰোৰী ছাৰ (কমলেন্দু দেৱ ক্ৰোৰী)। তেখেতৰ পোছাক পূৰ্বতে আছিল ধুতী-পাঞ্জাবী, পিছত পৰিধেয় বস্ত্ৰ হ'লগৈ লংপেণ্ট-ছাৰ্ট। তেখেতে খুব ভাল পঢ়াইছিল; কিন্তু পুনৰাবৃত্তিৰ অভ্যাস কিছু আছিল। মই খুব ভাল পোৱা আন এজন শিক্ষক আছিল শিৱপ্ৰসাদ শৰ্মা ঠাকুৰ। তেখেতৰ অনুশাসন আছিল কঠোৰ। কোনো ছাত্ৰই অলপ তেৰি-মেৰি কৰিলেই তেখেতে কৈছিল, Don't play with fire! পৰিতাপৰ কথা, তেখেত কম বয়সতে ঢুকাল। তেখেতে খালী কৰি থৈ যোৱা পদতে মই সোমাইছিলোঁ। হৰিদেৱ গোস্বামী ছাৰে আমাক ফিজিকেল অপ্টিক্স পঢ়াইছিল অতি সোৱাদ লগাকৈ। গোবিন্দ ডেকা

ছাৰেও আমাক একেটা বিষয়কে পঢ়াইছিল। তেখেত আছিল কটন কলেজত নিউক্লিয়েৰ ফিজিক্স পৰীক্ষাগাৰৰ প্ৰতিষ্ঠাতা। তেখেতৰ অধীনত ডক্টৰেট পোৱা প্ৰথম ব্যক্তি আছিল শ্ৰীকিশোৰী মোহন পাঠক ছাৰ। তেখেতে আই এছ চিত আমাৰ ক্লাছ লৈছিল। ডেকা ছাৰ সামাজিক ক্ষেত্ৰত আছিল অলপ হোজা ধৰণৰ। তেখেত আমাৰ ডাঙৰ বাইদেউৰ লগত স্কুলত একেলগে পঢ়িছিল। সেই সূত্ৰে মোক মাজে মাজে বাইদেউৰ কথা সুধিছিল। উল্লিখিত ছাৰসকলৰ উপৰি মোৰ মনলৈ আহিছে বীৰেন বৰুৱা, অনিল গোস্বামী, বংশীধৰ দাস, সৰোজ দত্ত আদি ছাৰ-বাইদেউসকলৰ কথা। শিক্ষকে হাজিৰা লোৱা সময়ত 'ইয়েছ ছাৰ', 'প্ৰেজেণ্ট ছাৰ' আদি কোৱাত আমি ছাত্ৰবোৰ অভ্যস্ত আছিলোঁ। সেয়ে দত্তবাইদেৱে হাজিৰা লোৱাৰ সময়ত আমাৰ কোনো কোনোৰ মুখেদি ওলাইছিল 'মেডাম ছাৰ'।

আমাক ৰসায়নবিজ্ঞান পঢ়ুওৱাসকলৰ ভিতৰত আছিল মহেশ ভূঞা, বৈদ্যনাথ ভূঞা, কৃষ্ণকুমাৰ বৰা, বশিষ্ঠদেৱ ফুকন আদি ছাৰসকল। মহেশ ভূঞা ছাৰৰ স্মৃতিশক্তি আছিল তীক্ষ্ণ। ই এতিয়াও অটুট। লাডলিমোহন মিত্ৰৰ পাঠ্যপুথিখন হেনো তেখেতৰ সম্পূৰ্ণ মুখস্থ আছিল। বৈদ্যনাথ ভূঞা ছাৰ সম্প্ৰতি মোৰ ওচৰতে থাকে; পঢ়াকালত তেখেতক, কিয় জানো, খুব ভয় কৰিছিলোঁ। তেখেতে ল'ৰা-ছোৱালীবোৰক 'তই তই'কৈ মাতিছিল।

বি এছ চিত মোৰ এটা বিষয় আছিল পৰিসংখ্যাবিজ্ঞান। এই বিভাগটো তেতিয়াৰ মুৰব্বী বংশী দাস ছাৰ। আশীৰ ঊৰ্দ্ধ বয়সতো তেখেত সবল-সুস্থ হৈ আছে। ননী কলিতা ছাৰ ঢুকাল। জ্যোতি শৰ্মা বৰুৱা ছাৰক পূব শৰণীয়াত থকা সময়ত মাজে মাজে লগ পাইছিলোঁ। বহুদিন হ'ল তেখেতৰ খবৰ নাপাওঁ।

এতিয়া আহোঁ ইংৰাজী বিভাগলৈ। আমাক পঢ়ুৱাইছিল চন্দ্ৰনাথ কলিতা, কমলেশ্বৰ শৰ্মা, আনন্দেশ্বৰ শৰ্মা, বসন্ত বৰুৱা, উপেন্দ্ৰনাথ শৰ্মা, নৰকান্ত বৰুৱা আদি ছাৰসকলে। আমাক দুদিনমান পঢ়োৱাৰ পিছতে কলিতা ছাৰে অবসৰ ল'লে। কমলেশ্বৰ শৰ্মা ছাৰৰ এটা অভ্যাস আছিল কথাই কথাই Say বুলি কোৱাটো। কমলেশ্বৰ শৰ্মা, উপেন শৰ্মা আদি ছাৰৰ মাত সৰু আছিল। গাম্ভীৰ্যপূৰ্ণ, গলগলীয়া মাতেৰে আমাক পঢ়ুৱাইছিল বসন্ত বৰুৱাই। তেখেতক লৈ অনেক কাহিনী ছাত্ৰাবস্থাত আৰু পৰৱৰ্তী কালতো আমি শুনিছিলোঁ। দুখৰ বিষয়, একমাত্ৰ পুত্ৰৰ মৃত্যুৰ পিছত তেওঁ বৰ্তমান প্ৰায় শয্যাশায়ী। নৰকান্ত বৰুৱা ছাৰক পঢ়া কালত যিমান পাইছিলোঁ, তাতকৈ বহু বেছি ঘনিষ্ঠভাৱে পাইছিলোঁ পৰৱৰ্তী কালতহে। জীৱন ৰসেৰে পূৰ্ণ ব্যক্তি আছিল তেখেত। তেখেতৰ বিষয়ে মই অন্যত্ৰ লিখিছোঁ, আগলৈয়ো লিখাৰ ইচ্ছা আছে।

আমাৰ অসমীয়াৰ শিক্ষক আছিল অতুল চন্দ্ৰ হাজৰিকা। ভুৱনেশ্বৰী বৈশ্য বাইদেৱেও আমাক কিছুদিন পঢ়াইছিল। হাজৰিকা ছাৰে অতি ৰসালকৈ বক্তৃতা দিছিল।

এতিয়া ক'বলৈ দ্বিধা নাই, অসমীয়া বিষয়টোক আমি গুৰুত্ব সহকাৰে লোৱা নাছিলোঁ। আমাৰ দিনত 'বাণৰজা' আমাৰ পাঠ্যপুথি আছিল। ফাইনেল পৰীক্ষাত ইয়াৰ প্ৰশ্ন অহাতহে গম পাইছিলোঁ, এনে এখন পাঠ্যপুথি আমাৰ পাঠ্যক্ৰমত আছিল।

কটন কলেজত পঢ়িছিলোঁ, কিছুদিন পঢ়ুৱাইছিলোঁও। এ পি এছ চিৰ ইণ্টাৰভিউত একেলগে উত্তীৰ্ণ হৈছিলোঁ আমি পাঁচজন— কুলেন্দু পাঠক, গজেন তালুকদাৰ, পবিত্ৰ বৰগোহাঞি, শ্যামাপ্ৰসাদ শৰ্মা আৰু মই। আমাৰ বিভাগৰ শিক্ষক এজন ছুটী লৈ বিলাতলৈ গৈছিল। তেওঁ উভতি আহিব বুলি আৰু তেতিয়া মই কলেজ এৰিব লাগিব বুলি এটা উৰা-বাতৰি ওলাইছিল। হঠাতে ওলাই আহিব লগা হ'লে বিধৱা মা, তিনিজন ভাই, এজনী বাইদেউৰে কেনেকৈ খাম বুলি মই স্বইচ্ছাই কলেজ এৰিলোঁ। আহিব লগা মানুহজন বাহিৰতে স্থায়ীভাৱে থাকি গ'ল। গোবিন্দ ডেকা ছাৰে মোক মাতিছিল; কিন্তু এবাৰ এৰা ঠাইত পুনৰ সোমাবলৈ ইচ্ছা নকৰিলোঁ। তদুপৰি সেই সময়ত তীব্ৰভাৱে চলা নক্সালবাৰী আন্দোলনেও মোক প্ৰভাৱিত কৰিছিল; চৰকাৰী চাকৰি কৰিলে ন সমাজ গঢ়িম কেনেকৈ, এনে ভাব মনলৈ আহিছিল। পিছত একেটা পদতে সোমাল মোৰেই বন্ধু পৰেশ বৰ্মন।

মোৰ জীৱনটো গঢ় দিয়াত কটন কলেজৰ বৰঙণি অপাৰ। ইয়াত নপঢ়া হ'লে, ইয়াৰ ছাত্ৰ-ছাত্ৰীবোৰৰ তথা শিক্ষাগুৰুসকলৰ সান্নিধ্য নোপোৱা হ'লে মই আজি 'মই' হৈ নাথাকিলোঁহেঁতেন। এই বিদ্যামন্দিৰ মোৰ চিৰ আৰাধ্য, চিৰ পূজনীয়।❑

ছাত্ৰ আন্দোলনৰ চমু ইতিবৃত্ত

ড° সুশীল গোস্বামী

১৯১৬ চনত অসম ছাত্ৰ সন্মিলন প্ৰতিষ্ঠা হোৱাত অসমত ছাত্ৰ আন্দোলনৰ সূচনা হয়। ১৯০৩ চনত 'অসম এছ'চিয়েচন' গঠন হৈছিল। ১৯০৫ চনৰ ১৬ অক্টোবৰ তাৰিখে ব্ৰিটিছ গৱৰ্নমেণ্টে অসম প্ৰদেশৰ সুকীয়া অস্তিত্ব নাইকিয়া কৰি 'পূৰ্ববংগ আৰু অসম' নামেৰে এখন নতুন প্ৰদেশ সৃষ্টি কৰিছিল। অসম এছ'চিয়েচনে এই নতুন প্ৰদেশৰ লেজিছলেটিভ কাউন্সিলত প্ৰতিনিধিত্ব বিচাৰে। পিছত ১৯১১ চনৰ এক এপ্ৰিলৰ পৰা জানিবা অসম প্ৰদেশ আকৌ আগৰ দৰে সুকীয়া হৈ কাউন্সিল চীফ কমিছনাৰৰ শাসনাধীন হয়। চীফ কমিছনাৰ ছাৰ আৰ্চডেল আৰ্লক, যি লেজিছলেটিভ কাউন্সিল (পোনপ্ৰথম অসম কাউন্সিল) দিয়া হৈছিল, তাত অসম এছ'চিয়েচনৰ কেইবাজনো কৰ্মকৰ্তাই (মাণিক চন্দ্ৰ বৰুৱা, ফণীধৰ চলিহা, ঘনশ্যাম বৰুৱা আৰু তৰুণৰাম ফুকনে) সদস্যপদ লাভ কৰে। অসম এছ'চিয়েচনে এইসকলৰ যোগেদি অসমৰ ৰাইজৰ মুখপাত্ৰৰূপে ব্ৰিটিছ চৰকাৰৰ ওচৰত অভাৱ-অভিযোগ আৰু বিভিন্ন দাবী উত্থাপন কৰিছিল। প্ৰাৰম্ভতে অসম এছ'চিয়েচনলৈ সহযোগিতা আগবঢ়োৱাৰ বাহিৰে অসম ছাত্ৰ সন্মিলনে ব্ৰিটিছ চৰকাৰবিৰোধী কোনো কাৰ্যসূচী লোৱাৰ কথা জনা নাযায়।

অসম ছাত্ৰ সন্মিলনৰ প্ৰথমখন অধিৱেশন অনুষ্ঠিত হৈছিল গুৱাহাটীত। তাত পৌৰোহিত্য কৰিছিল সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাদেৱে। দ্বিতীয় অধিৱেশন ১৯১৭ চনত অনুষ্ঠিত হৈছিল যোৰহাটত। তাত পৌৰোহিত্য কৰিছিল অসম উপত্যকাৰ সেই সময়ৰ কমিছনাৰ কৰ্ণেল পি আৰ টি গৰ্ডনে।

১৯১৯ চনৰ নৱেম্বৰ মাহত দিল্লীত মহাত্মা গান্ধীয়ে প্ৰথম ব্ৰিটিছ চৰকাৰৰ সৈতে অসহযোগৰ বিষয়টো উত্থাপন কৰে। ১৯২১ চনলৈ গোটেই ভাৰতজুৰি অসহযোগ আন্দোলনে তীব্ৰ ৰূপ ধাৰণ কৰে। অসমত অসম ছাত্ৰ সন্মিলনে অসহযোগ আন্দোলনত

সক্ৰিয়ভাৱে জড়িত হৈ পৰে। প্ৰকৃততে এই অসহযোগ আন্দোলনতেই অসমৰ ছাত্ৰ সমাজে ৰাজনীতিৰ দীক্ষা পায়। ভাৰতীয় জাতীয় কংগ্ৰেছৰ সৈতে একেলগ হৈ অসম ছাত্ৰ সন্মিলনে অসমত অসহযোগ আন্দোলনৰ কাৰ্যসূচী ৰূপায়ণ কৰিছিল। এই অসহযোগ আন্দোলনৰ কালতে গুৱাহাটীত মুখ্য কাৰ্যালয়সহ ১৯০৩ চনতে গঠিত অসম এছ'চিয়েচনক অসম ছাত্ৰ সন্মিলনে কংগ্ৰেছৰ সৈতে চামিল কৰায়। এইটো স্বীকৃত সত্য যে অসমত অসহযোগ আন্দোলন কৃতকাৰ্য হোৱাৰ মূলতে আছিল অসমৰ ছাত্ৰ সমাজৰ অকুণ্ঠ সহায় আৰু সক্ৰিয় অংশগ্ৰহণ।

চৌৰিচৌৰাৰ দুৰ্ভাগ্যজনক ঘটনাৰ পিছত ১৯২২ চনৰ ফেব্ৰুৱাৰী মাহত মহাত্মা গান্ধীয়ে হঠাতে অসহযোগ আন্দোলনটো প্ৰত্যাহাৰ কৰে। ইয়াৰ পিছতে কংগ্ৰেছৰ সৈতে অভিন্নৰূপে পৰিচিত হৈ পৰা অসম ছাত্ৰ সন্মিলনে কংগ্ৰেছৰ লগ এৰি অসমৰ ৰাজনীতিত সুকীয়া অৱস্থান লোৱাৰ চেষ্টা চলায়। পূৰ্ববংগৰ পৰা অসমলৈ হোৱা মানুহৰ প্ৰব্ৰজন সম্পৰ্কত অসম ছাত্ৰ সন্মিলনে উদ্বেগ প্ৰকাশ কৰিছিল। সেই সময়ত অসমৰ ছাত্ৰ সমাজে কি ভাবিছিল তাৰ কিছু আভাস ৰেভাৰেণ্ড চি এফ এণ্ড্ৰুজৰ বক্তৃতাত প্ৰকাশ পাইছিল। ১৯২৩ চনত অসম ছাত্ৰ সন্মিলনৰ অধিৱেশনত সভাপতিৰ আসনৰ পৰা ছাত্ৰসকলক সম্বোধন কৰি 'ৰেভাৰেণ্ড এণ্ড্ৰুজে কৈছিল ঃ 'you have repeatedly asked me these .....whether you should allow the people coming from the other provinces to settle in Assam, should you make calcutta your educational and literary centre; whether instead of looking after the interest of your own province, you should think of the wide world or in all that you do you should think of the interest of Assam.' এই অধিৱেশনতে লাচিত বৰফুকন, বীৰ চিলাৰায় আৰু সতী জয়মতীৰ দৰে জাতীয় বীৰ-বীৰাংগণাৰ বছৰেকীয়া তিথি পালন কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। ইয়াৰ পৰা বুজা যায় যে অসমৰ ছাত্ৰ সমাজৰ মাজত অসমীয়া জাতীয়তাবাদে ইতিমধ্যেই গা কৰি উঠিছিল।

অসম ছাত্ৰ সন্মিলনৰ চতুৰ্দশ অধিৱেশনত সভাপতিত্ব কৰিছিল কৃষ্ণকান্ত সন্দিকৈদেৱে। তেওঁ সভাপতিৰ ভাষণত ছাত্ৰ সমাজক ৰাজনৈতিক প্ৰক্ৰিয়াত সক্ৰিয় অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। অসম ছাত্ৰ সন্মিলনৰ যিখন সংবিধান, তাৰ এটা ধাৰ অনুযায়ী ৰাজনৈতিক আলোচনা নিষেধ আছিল। সন্দিকৈদেৱৰ আহ্বানৰ প্ৰতি সঁহাৰি জনায়েই বোধকৰোঁ অসম ছাত্ৰ সন্মিলনে ইয়াৰ সংবিধানৰ পৰা উক্ত ধাৰাটো প্ৰত্যাহাৰ কৰে। উক্ত অধিৱেশনতে সন্দিকৈদেৱে ছাত্ৰসকলক শৰীৰ চৰ্চা কৰিবলৈ আৰু লগতে তৰোৱাল চালনা আৰু বন্দুক চালনা শিকিবলৈ পৰামৰ্শ দিয়া বুলি প্ৰকাশ।

১৯৩০ চনৰ গান্ধীজীৰ আইন অমান্য আন্দোলনৰ কাৰ্যসূচীত অসমৰ যুৱ-ছাত্ৰ গভীৰভাৱে জড়িত হৈ পৰে। আইন অমান্য আন্দোলন সন্দৰ্ভত দ্বিধাগ্ৰস্ত অসম প্ৰদেশ

কংগ্ৰেছৰ সেই সময়ৰ নেতৃত্বত (তৰুণৰাম ফুকন আৰু গোপীনাথ বৰদলৈ সমন্বিতে) অসমৰ ছাত্ৰ সমাজেই বাধ্য কৰিছিল দ্বিধা এৰি আন্দোলনৰ হকে কাম কৰিবলৈ। অসম প্ৰদেশ কংগ্ৰেছৰ প্ৰধান নেতাসকলক যেতিয়া জে'লত সুমুৱালে, তেতিয়া ছাত্ৰসকলেই আইন অমান্য আন্দোলনটোক অসমত গতিশীল কৰি ৰাখিছিল। বহু ছাত্ৰক জে'লত ভৰোৱা হৈছিল। এইখিনি সময়ত চুবুৰীয়া বংগৰ বিপ্লৱীসকলৰ প্ৰভাৱো অসমৰ ছাত্ৰ সমাজত পৰিবলৈ আৰম্ভ কৰিছিল। পুষ্পলতা দাস, সৰলা ছাপ্নেনা আৰু জ্যোৎস্না মজুমদাৰৰ দৰে গাভৰু ছোৱালীয়ে 'মুক্তি সংঘ' গঠন কৰি দেশক ব্ৰিটিছৰ শাসনৰ পৰা মুক্ত কৰিম বুলি প্ৰতিজ্ঞা-পত্ৰত তেজেৰে চহী কৰিছিল। ১৯৩১ চনৰ এপ্ৰিল মাহত নদুৱাৰৰ এখন সভাত জ্যোতিপ্ৰসাদ আগৰৱালাই অসমৰ যুৱ সমাজক ভগৎ সিঙৰ আদৰ্শৰে উদ্বুদ্ধ হ'বলৈ আহ্বান জনায়। এইখিনি সময়তে আকৌ ব্ৰহ্মপুত্ৰ উপত্যকা আৰু সুৰমা উপত্যকাৰ ছাত্ৰ সমাজৰ মাজত ভাষা আৰু সাম্প্ৰদায়িক বিষয়ক লৈ বিভেদ ঘটিবলৈ আৰম্ভ কৰে।

আইন অমান্য আন্দোলন প্ৰত্যাহাৰ কৰাৰ পিছৰ কেইটামান বছৰত কংগ্ৰেছৰ আদৰ্শৰ লগে লগে বাঁওপন্থী আদৰ্শয়ো অসমৰ ছাত্ৰ সমাজৰ মাজত অধিক প্ৰসাৰ লাভ কৰে। এইটো সময়তে জৱাহৰলাল নেহৰু আৰু সুভাস চন্দ্ৰ বসুৰ দৰে কংগ্ৰেছৰ নেতাই অসমলৈ আহি ছাত্ৰ সমাজক সম্বোধন কৰি ভাষণ দিয়ে। আনহাতে কমিউনিষ্ট লীগৰ প্ৰতিষ্ঠাতা সৌমেন্দ্ৰনাথ ঠাকুৰৰ দৰে নেতাই আহি ভাষণ দিয়াত বলছেভিক আদৰ্শয়ো অসমৰ ছাত্ৰ সমাজৰ ওপৰত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰে। ইতিমধ্যে Radical Institute আৰু Progressive Union স্থাপন হোৱাত অসমৰ ছাত্ৰ-ৰাজনীতিত 'ৰেডিকেল' ধ্যান-ধাৰণাই অধিক খোপনি পোতে। প্ৰকৃততে অসমৰ ছাত্ৰ-ৰাজনীতিয়ে সম্পূৰ্ণ নতুন ৰূপ লয় ১৯৩৮ চনত। এই বছৰতে অসম ছাত্ৰ সন্মিলন সদৌ ভাৰত ছাত্ৰ ফেডাৰেচনৰ সৈতে চামিল হয়। লগে লগে অসম ছাত্ৰ সন্মিলনৰ আঞ্চলিক বৈশিষ্ট্য লোপ পায়। 'অসম ছাত্ৰ ফেডাৰেচন' এই নতুন নামেৰে ই সৰ্বভাৰতীয় ৰাজনীতিৰ মূলসুঁতিত সোমাই পৰে। দ্বিতীয় মহাযুদ্ধৰ সূচনা হয় ১৯৩৯ চনত। অসম ছাত্ৰ ফেডাৰেচনৰ প্ৰথম অধিৱেশনতে সাম্ৰাজ্যবাদবিৰোধী আৰু যুদ্ধবিৰোধী প্ৰস্তাৱ গৃহীত হয়। ১৯৪১ চনৰ ডিচেম্বৰৰ ৬ তাৰিখে গুৱাহাটীত যুদ্ধবিৰোধী ছাত্ৰৰ প্ৰতিবাদী সমাৱেশত পুলিচে লাঠীচালনা কৰে। এই ঘটনাই সাম্ৰাজ্যবাদবিৰোধী আৰু যুদ্ধবিৰোধী সংগ্ৰামক নতুন দিশে গতি ল'বলৈ বাধ্য কৰে আৰু গোষ্ঠীদ্বন্দ্বৰ অৱসান ঘটাই ছাত্ৰ-ঐক্যক অধিক সংহত কৰি তোলে। কিন্তু ইতিমধ্যে মুছলিম লীগ ৰাজনীতিয়ে গা কৰি উঠিছিল। অসম ছাত্ৰ ফেডাৰেচনৰ নেতৃবৃন্দই অনেক চেষ্টা কৰিও মুছলিম লীগৰ সমৰ্থক ছাত্ৰসকলক নিজৰ সংগঠনৰ মাজত ধৰি ৰাখিব নোৱাৰিলে। অসম মুছলিম ছাত্ৰ ফেডাৰেচন গঠন হয়। ১৯৩৯ চনৰ মাৰ্চ মাহত অনুষ্ঠিত অসম মুছলিম ছাত্ৰ ফেডাৰেচনৰ প্ৰথম অধিৱেশনত

চৈযদ আব্দুল মালিক আৰু মইনুল হক চৌধুৰীয়ে উপস্থিত থাকি ভাষণ দিয়ে।

অসমৰ ছাত্ৰ সমাজ 'হিন্দু' আৰু 'মুছলমান' এই দুটা গোটত স্পষ্টকৈ ভাগ হৈ পৰাৰ উপক্ৰম হয় তেতিয়াই, যেতিয়া অসম মুছলিম ছাত্ৰ ফেডাৰেচনে 'লাইন প্ৰথা'ৰ অৱসান বিচাৰে আৰু পাকিস্তান গঠনৰ দাবীৰ প্ৰতি সমৰ্থন আগবঢ়ায়। এইদৰে যুদ্ধৰ প্ৰাৰম্ভিক কালছোৱাত আদৰ্শগত আৰু সাম্প্ৰদায়িক কাৰণত অসমৰ ছাত্ৰ সমাজৰ মেৰু বিভাজন ঘটিবলৈ ধৰে।

১৯৪২ চনত যুদ্ধৰ পৰিপ্ৰেক্ষিতত মহাত্মা গান্ধীয়ে ব্ৰিটিছক ভাৰত ত্যাগ কৰিবলৈ কয় আৰু সত্যাগ্ৰহ আৰম্ভ কৰে। Quite India আন্দোলনে কম সময়তে গোটেই দেশজুৰি তীব্ৰ ৰূপ ধাৰণ কৰে। যুদ্ধৰ প্ৰাৰম্ভতে অসমৰ ছাত্ৰ সমাজৰ যি মেৰু বিভাজন ঘটিবলৈ আৰম্ভ কৰিছিল কংগ্ৰেছৰ ভাৰত ত্যাগ আহ্বানৰ পৰিপ্ৰেক্ষিতত সেয়া সম্পূৰ্ণ হৈ উঠিল। অধিকাংশ ছাত্ৰই কংগ্ৰেছক সমৰ্থন কৰিলে, তুলনামূলকভাৱে সৰু হ'লেও ছাত্ৰ সমাজৰ এটা অংশই জয়প্ৰকাশ নাৰায়ণৰ ধাৰণাৰ প্ৰতি আনুগত্য প্ৰকাশ কৰিলে। অসমত কংগ্ৰেছৰ নেতাসকলৰ বেছিভাগেই যিহেতু কাৰাবন্দী হৈ আছিল গতিকে কংগ্ৰেছৰ প্ৰতি অনুগত অসমৰ ছাত্ৰসকলে যথেষ্ট ত্যাগ স্বীকাৰ কৰি ১৯৪২ চনৰ আন্দোলনক কৃতকাৰ্যতাৰ পিনে আগুৱাই লৈ যোৱাত সহায় কৰিছিল।

সদৌ অসম ছাত্ৰ সন্থা গঠন হয়। কিন্তু মাত্ৰ দুবছৰৰ পিছতে ই অসম প্ৰাদেশিক ছাত্ৰ কংগ্ৰেছলৈ ৰূপান্তৰিত হয। অসম প্ৰাদেশিক ছাত্ৰ সংগ্ৰেছ ভাৰতৰ জাতীয় কংগ্ৰেছৰ নীতিৰ প্ৰতি অনুগত হোৱাত অসম ছাত্ৰ ফেডাৰেচনৰ সৈতে বিৰোধ প্ৰকট হৈ পৰে।

অসম ছাত্ৰ ফেডাৰেচন আৰু অসম প্ৰাদেশিক কংগ্ৰেছে প্ৰধানকৈ অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ দৃষ্টিভংগীকহে প্ৰতিনিধিত্ব কৰিছিল। অৱশ্যে বাঁওপন্থী নেতৃত্বৰ অধীনত অসম ছাত্ৰ ফেডাৰেচনে ছাত্ৰ সমাজৰ সংগ্ৰামক সমাজৰ আন শ্ৰেণীৰ মানুহৰ সংগ্ৰামৰ সৈতে সংযুক্ত কৰিবলৈ চেষ্টা চলাইছিল। দুয়োটা ছাত্ৰ সংগঠনেই কিন্তু অনা-অসমীয়া নাছিল। যদিও সেই সময়ত বৰ্তমানৰ মেঘালয় আৰু মিজোৰাম আৰু নাগালেণ্ড অসমৰ অন্তৰ্ভুক্ত আছিল, তথাপি দুয়োটা ছাত্ৰ সংগঠনৰ কাৰ্যকলাপত ব্ৰহ্মপুত্ৰ উপত্যকাকেন্দ্ৰিক ঠেক অসমীযা জাতীযতাবাদৰ বৈশিষ্ট্যহে ফুটি ওলাইছিল।

দেশ স্বাধীন হোৱাৰ পিছত অসম প্ৰাদেশিক ছাত্ৰ সংগ্ৰেছ লোপ পায়। কিন্তু অসম ছাত্ৰ ফেডাৰেচন বৰ্তি থাকে। অসমৰ ছাত্ৰ সমাজে ঊমৈহতীয়াভাৱে যিকোনো সমস্যাৰ সন্মুখীন হ'ব পৰাকৈ এটা অৰাজনৈতিক ছাত্ৰ সংগঠন এই সময়ত নাছিল। অৱশ্যে আঞ্চলিক ভিত্তিত সদৌ গুৱাহাটী আন্তঃকলেজ ছাত্ৰ সন্থা, সদৌ যোৰহাট ছাত্ৰ সন্থা আদি কেইটামান অৰাজনৈতিক ছাত্ৰ সন্থা আছিল।

খুব সম্ভৱ ১৯৫৮ চনত সদৌ গুৱাহাটী আন্তঃকলেজ ছাত্ৰ সন্থা গঠন হৈছিল। ১৯৬৬ চনলৈকে এই সন্থাটো অতি সক্ৰিয় আছিল। আৰম্ভণিৰ পৰাই পৰম্পৰাগতভাৱে কটন

কলেজ ইউনিয়ন ছ'চাইটীৰ সাধাৰণ সম্পাদকেই গুৱাহাটী আন্তঃকলেজ ছাত্ৰ সন্থাৰো সাধাৰণ সম্পাদকৰ দায়িত্বভাৰ গ্ৰহণ কৰিছিল। এই নিবন্ধৰ লেখকেও ১৯৬৫-৬৬ বছৰৰ বাবে সদৌ গুৱাহাটী আন্তঃকলেজ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদকৰ দায়িত্বভাৰ চম্ভালিছিল। পিছত স্কুলৰ ছাত্ৰ প্ৰতিনিধিকো সামৰি সদৌ গুৱাহাটী আন্তঃকলেজ ছাত্ৰ সন্থাটো সদৌ গুৱাহাটী ছাত্ৰ সন্থালৈ ৰূপান্তৰিত হয়।

'সাপ্তাহিক নীলাচল'ৰ ১৯৮৭ চনৰ ২০ ফেব্ৰুৱাৰী সংখ্যাত প্ৰকাশিত দেৱেন্দ্ৰনাথ বৰাৰ এক প্ৰতিবেদন মতে ১৯৫৯ চনৰ ১৯ আৰু ২০ ছেপ্টেম্বৰত গুৱাহাটীত অনুষ্ঠিত এক ছাত্ৰ অভিবৰ্তনত সদৌ অসম ছাত্ৰ সন্থা গঠন হৈছিল। আকৌ সাপ্তাহিক নীলাচলৰ উক্ত সংখ্যাতে প্ৰকাশিত চেনিৰাম ধনদিয়াৰ প্ৰবন্ধ মতে উল্লিখিত ছাত্ৰ-অভিবৰ্তন ১৯৫৯ চনৰ শেহৰ ফালেহে গুৱাহাটীত অনুষ্ঠিত হৈছিল। শ্ৰীধনদিয়াৰ ভাষাত— 'উক্ত অভিবৰ্তনত শ্ৰীভুৱন ঠাকুৰক সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত কৰি প্ৰথমবাৰৰ বাবে অসমত 'সদৌ অসম ছাত্ৰ সন্থা' গঠন কৰা হৈছিল। এই অভিবৰ্তনৰ বিতং বিৱৰণ দিব পাৰিব শ্ৰদ্ধেয় শ্ৰীযুত দুলাল বৰুৱা, ভুবন ঠাকুৰ, সৰ্বেশ্বৰ দত্ত, লক্ষ্মীকান্ত শইকীয়া আদি সেই সময়ৰ ছাত্ৰ সন্থাৰ লগত জড়িত ছাত্ৰনেতাসকলে। ১৯৮০ চনৰ ভাষা আন্দোলনৰ সময়লৈকে এই সংগঠনে বেছি উদ্যমেৰে কাম কৰি অসমৰ ছাত্ৰ সমাজৰ আস্থাভাজন হ'ব পাৰিছিল যদিও ভাষা আন্দোলনৰ পিছত সময়মতে বছৰেকীয়া সভা আদি পাতি নতুন বিষয়ববীয়া নিৰ্বাচনৰ ব্যৱস্থা নকৰাত ছাত্ৰ সন্থাটি নিষ্ক্ৰিয় হৈ পিছলৈ লুপ্ত হৈ পৰে।

অসম চৰকাৰে ১৯৬৬ চনৰ জুন মাহৰ মাজভাগলৈকে সমবায় এপেক্স মাৰ্কেটিঙৰ যোগে একচেটিয়াভাৱে ধান সংগ্ৰহ কৰি মিলত চাউল উলিয়াই সেয়া যোগান বিভাগৰ জৰিয়তে ৰাইজৰ মাজত বিতৰণ কৰাৰ ব্যৱস্থা অৱলম্বন কৰিছিল। কিন্তু সেই বছৰৰ বিশ জুন তাৰিখৰ পৰা এই ব্যৱস্থাৰ অৱসান ঘটাই অসম চৰকাৰে নতুন নীতি প্ৰবৰ্তন কৰিলে। ফলত খোলা বজাৰত অধিক দামত চাউল বিক্ৰী হ'বলৈ ধৰিলে। ৰাজ্যজুৰি জনসাধাৰণে হাহাকাৰ কৰাৰ পিছত চৰকাৰে যেনিবা চাউলৰ এটা নিয়ন্ত্ৰিত মূল্য ঘোষণা কৰে। কিন্তু লাভখোৰ বেপাৰীসকলে চৰকাৰে বান্ধি দিয়া উচ্চ মূল্যতো চাউল যথেষ্ট পৰিমাণে খোলা বজাৰলৈ উলিয়াই নিদি চোৰাং বজাৰত নিজৰ খেয়াল-খুচিমতে অতি উচ্চ মূল্যত বেচিবলৈ ধৰিলে। ইয়াৰ প্ৰতিবাদত সেই সময়ৰ কটন কলেজ ইউনিয়ন ছ'চাইটীৰ সাধাৰণ সম্পাদক তথা সদৌ গুৱাহাটী আন্তঃকলেজ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক হিচাপে এই নিবন্ধৰ লেখকে ১৯৬৬ চনৰ চাৰি আগষ্টৰ দিনটো গোটেই অসমজুৰি 'ছাত্ৰ প্ৰতিবাদ দিৱস' হিচাপে পালন কৰিবলৈ আহ্বান জনায়। এই আহ্বানৰ প্ৰতি বিপুল সঁহাৰি জনাই গোটেই অসমতে স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণীৰ পৰা বিৰত থাকি, সমদল উলিয়াই বিক্ষোভ প্ৰদৰ্শন কৰি আৰু সভা পাতি প্ৰতিবাদ সাব্যস্ত কৰে। গুৱাহাটীত হাজাৰ-বিজাৰ ছাত্ৰ-ছাত্ৰীৰ বিৰাট বিক্ষোভ সমদল ওলায় আৰু জজ

ফিল্ডত বিশাল প্ৰতিবাদী সভা অনুষ্ঠিত হয়।

কটন কলেজ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক তথা সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক হিচাপে এই নিবন্ধৰ লেখকে ১৯৬১ চনৰ ছেপ্টেম্বৰ মাহৰ শেষভাগত অসমৰ এটা প্ৰতিনিধিত্বমূলক ছাত্ৰ সঁজাতী দলৰ নেতৃত্ব দি নতুন দিল্লীত প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীক লগ কৰি অসমক বানপানীৰ গৰাহৰ পৰা ৰক্ষা কৰিবলৈ অস্থায়ী ব্যৱস্থাৰ সলনি স্থায়ী আৰু দীৰ্ঘম্যাদী ব্যৱস্থা ল'বলৈ, অসমত উদ্ভৱ হোৱা খাদ্য সমস্যাৰ সমাধানৰ বাবে কেন্দ্ৰৰ ফালৰ পৰা অধিক পৰিমাণত চাউলৰ যোগান ধৰিবলৈ, অসমত কেইবাখনো নতুন তৈল পথাৰ আৱিষ্কাৰ হোৱাৰ পৰিপ্ৰেক্ষিতত চৰকাৰী খণ্ডত অসমত দ্বিতীয়টো শোধনাগাৰ স্থাপন কৰিবলৈ, নিবনুৱা সমস্যা লাঘৱ কৰিবৰ বাবে উদ্যোগ স্থাপন কৰিবলৈ আৰু পাৰ্বত্য সমস্যাৰ সমাধান কৰিবলৈ দাবী জনাই এখন স্মাৰক-পত্ৰ দিছিল। সঁজাতী দলটোৱে সেই সময়ৰ কেন্দ্ৰীয় জলসিঞ্চন আৰু শক্তিমন্ত্ৰী ফখৰুদ্দিন আলী আহমেদক সাক্ষাৎ কৰি এখন সুকীয়া স্মাৰকৰ যোগে অসমৰ বানপানী সমস্যাৰ স্থায়ী সমাধানৰ দাবী জনায়।

অসমৰ ছাত্ৰ-সমাজে উমৈহতীয়াভাৱে যিকোনো সমস্যাৰ সন্মুখীন হ'ব পৰাকৈ সদৌ অসম ভিত্তিত এটা অৰাজনৈতিক ছাত্ৰ সংগঠনৰ অভাৱ অসমৰ বিভিন্ন ঠাইৰ ছাত্ৰ-ছাত্ৰীয়ে বহুদিনৰ পৰা বাৰুকৈয়ে অনুভৱ কৰি আহিছিল। কটন কলেজৰ ইউনিয়ন ছ'চাইটীৰ সাধাৰণ সম্পাদক হিচাপে এই নিবন্ধৰ লেখকে ১৯৬৬ চনৰ এক জুলাই তাৰিখে 'সদৌ অসম ছাত্ৰ সন্থা' গঠনৰ বাবে আগবাঢ়ি আহিবলৈ অসমৰ ছাত্ৰ-সমাজক গোহাৰি জনায়। সেই বছৰৰে আগষ্ট মাহৰ প্ৰথম সপ্তাহত জালুকবাৰীৰ অসম ইঞ্জিনিয়াৰিং কলেজত অনুষ্ঠিত এক ছাত্ৰ অভিৱৰ্তনত সদৌ অসম ছাত্ৰ সন্থা গঠনৰ বাবে চেষ্টা চলোৱা হৈছিল যদিও সেয়া কৃতকাৰ্য নহ'ল। পিছত সদৌ যোৰহাট ছাত্ৰ সন্থাৰ উদ্যোগত যোৰহাট জিলা পুথিভঁৰালত সদৌ অসম ভিত্তিত এখন ছাত্ৰ অভিৱৰ্তন অনুষ্ঠিত হয়। ইয়াত অসমৰ প্ৰধান শিক্ষানুষ্ঠানসমূহৰ প্ৰতিনিধিয়ে যোগদান কৰিছিল আৰু সেয়ে গণতান্ত্ৰিক পদ্ধতিৰে সদৌ অসম ভিত্তিত এটা ছাত্ৰ সন্থা গঠন কৰাৰ বাবে অভিৱৰ্তনৰ ক্ষমতা পাইছিল। উক্ত অভিৱৰ্তনে গুৱাহাটী বিশ্ববিদ্যালয় স্নাতকোত্তৰ ছাত্ৰ একতা সভাৰ সভাপতি লক্ষ্মীকান্ত শইকীয়াক সভাপতি, কটন কলেজ ইউনিয়ন ছ'চাইটীৰ সাধাৰণ সম্পাদক সুশীল গোস্বামীক উপ-সভাপতি আৰু যোৰহাট আইন কলেজ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক দিলীপ ভট্টাচাৰ্যক সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত কৰি সদৌ অসম ছাত্ৰ সন্থা গঠন কৰে আৰু অসমৰ বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ একতা সভাৰ বহুকেইজন প্ৰতিনিধিক কাৰ্যনিৰ্বাহক কমিটী (তদৰ্থ)ত অন্তৰ্ভুক্ত কৰে।

কটন কলেজ ঃ ঐতিহ্য আৰু সংৰক্ষণ

ড° সুনীল পৱন বৰুৱা

ষাঠিৰ দশকৰ মাজভাগত কটন কলেজত কটোৱা বছৰকেইটা মোৰ জীৱনৰ শ্ৰেষ্ঠ সময় বুলি সুবিধা পালেই ক'বলৈ নাপাহৰোঁ। সীমিত পৰিসৰ, জ্ঞান আৰু অভিজ্ঞতাৰ মাজত জীৱনটো কটোৱাৰ বাবেই বাৰে বাৰে এই কথাটো মনলৈ আহি থাকে। অৱশ্যে ব্যক্তিগত অনুভৱৰ উৰ্ধ্বত থাকিও সামগ্ৰিকভাৱে ৰাজ্যখনৰ পৰিৱেশ আৰু পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখিলে এই সময়ছোৱা আমাৰ বহুতৰ দৃষ্টিত উৎকৃষ্ট সময় ৰূপে অভিহিত কৰিব পাৰি। কিছু বছৰৰ পূৰ্বে আমাৰ এজন শুভাকাংক্ষীয়ে আমি কোন সময়ত কলেজ আৰু বিশ্ববিদ্যালয়ৰ ছাত্ৰ আছিলোঁ সেই কথা জানিবলৈ প্ৰশ্ন কৰিছিল। ষাঠিৰ দশকৰ মাজ আৰু শেষ ভাগৰ কথা উল্লেখ কৰাত সেই দিশৰ পৰা আমাক একপ্ৰকাৰ ভাগ্যৱান ৰূপে আখ্যা দিছিল। কিয়নো তেওঁৰ মতে এই সময়ছোৱা সকলো দিশৰ পৰা ৰাজ্যখনৰ বাবে আছিল উৎকৃষ্ট সময়। এই কথা অনিস্বীকাৰ্য যে মানুহ কম-বেছি পৰিমাণে পৰিৱেশৰ সৃষ্টি। পৰিৱেশ অতিক্ৰম কৰাটো সকলোৰে বাবে সম্ভৱ নহয়। যিয়েই নহওক কিবা প্ৰকাৰে কটন কলেজৰ প্ৰসংগ উত্থাপিত হ'লেই আমাৰ বাবে হোষ্টেলৰ বিষয়টোও আহি পৰে। আমি আছিলোঁ গুৱাহাটীৰ বাহিৰৰ পৰা অহা ছাত্ৰ। সেয়েহে হোষ্টেল বাদ দি আমাৰ বাবে কটন কলেজৰ দিনবোৰ আছিল অসম্পূৰ্ণ। আনকি গুৱাহাটীৰ বেছিভাগ স্থানীয় ছাত্ৰ-ছাত্ৰীয়েও সেই কথা স্বীকাৰ কৰিছিল। মই আছিলোঁ কটন হোষ্টেলত থকা আমাৰ পৰিয়ালৰ তৃতীয় প্ৰজন্মৰ ছাত্ৰ। কাজেই মোৰ বাবে ইয়াৰ আকৰ্ষণ আছিল সুকীয়া। বাস্তৱিকতে হোষ্টেলৰ সেই মধুৰ, সদাব্যস্ত (অৰ্থহীনভাৱে হ'লেও) দিনবোৰৰ কথা মনত পৰিলে আজিও মন ভৰি উঠে। আমাৰ দুয়োটা ল'ৰা-ছোৱালীয়ে গুৱাহাটীত পাৰ কৰা স্কুল-কলেজত শিক্ষাৰ প্ৰথমছোৱা ঘৰতে কটাইছিল। সিহঁতে হোষ্টেলৰ জীৱনটো হয়তো

আমাৰ দৰে উপলব্ধি কৰিব পৰা নাছিল। অৱশ্যে পিছলৈ ল'ৰা-ছোৱালীহালে প্ৰবাসত দিন কটাব লগীয়া হোৱাৰ বাবে ঘৰৰ বাহিৰৰ পৃথিৱীখননো কেনে সেই কথাটো ভালদৰে বুজিব পৰা হৈছে। ইতিপূৰ্বে কৈয়েই গৈছোঁ যে সুবিধা পালেই হোষ্টেলৰ পুৰণি কথা কৈ ভাল পাওঁ। অৱশ্যে শ্ৰোতাৰ ভাব-ভংগি লক্ষ্য কৰি প্ৰয়োজন সাপেক্ষে চমু কৰিব লগাত পৰে। বহুদিনলৈকে এনেদৰে চলি আছিল। কিন্তু যোৱা বছৰ ব্যক্তিগত খণ্ডত পৰিচালিত টেলিভিছন চেনেল এটাই প্ৰদৰ্শন কৰা এশাৰী কাৰ্যসূচীত শেহতীয়াভাৱে চলি থকা কটন হোষ্টেলৰ ভিতৰৰ স্বৰূপটো তেনেই উদঙাই দিয়াত মোৰ অৱস্থাটো পানীত পৰা মেকুৰীৰ নিচিনা হৈছিল। শক্তিশালী টি ভি কেমেৰাৰ সন্মুখত সম্পূৰ্ণ ধৰা পৰা ফাট মেলা, ভগা-ছিগা মজিয়া, বেৰ, ঠেং ভগা চকী-মেজ, আঁঠুৱা নোতোলা ত্ৰিভংগ ভংগিমাৰ খাট, ৰছীত ওলমি থকা অপৰিষ্কাৰ কাপোৰ, খোৱা ঘৰ আৰু ৰান্ধনি-ঘৰৰ ফাট মেলা পকা মজিয়াত বিচৰণ কৰা পৰুৱা, পইতাচোৰা, জেঠী-মকৰাৰ লানি, গা ধোৱা ঘৰৰ জৰাজীৰ্ণ ৰূপ দেখি স্তম্ভিত হৈ পৰিছিলোঁ। এইটোৱেইনে এশ বছৰ অতিক্ৰম কৰা উত্তৰ-পূৰ্বাঞ্চলৰ ঐতিহ্যপূৰ্ণ চৰকাৰী কলেজ এখনৰ ভিতৰৰ অৱস্থা। হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ অন্তত প্ৰতি বছৰে ৰাজ্যখনৰ বিভিন্ন অঞ্চলৰ পৰা অহা, পৰীক্ষাত পোৱা নম্বৰৰ লেখেৰে মেধাৱী হিচাপে স্বীকৃতি লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলে এই শিক্ষানুষ্ঠানত ভৰ্তি হ'বৰ বাবে তীব্ৰ প্ৰতিযোগিতাৰ সন্মুখীন হ'ব লগাত পৰে। কিয় এনে হৈছে? শুনিছোঁ বিশ্বায়ন আৰু মুক্ত বজাৰ নীতিয়ে আমাৰ পৰম্পৰাগত শিক্ষা-নীতিক বেয়া ধৰণেৰে ক্ষতিগ্ৰস্ত কৰিছে। ব্যয়বহুল হোৱা সত্ত্বেও ব্যক্তিগত খণ্ডত অধিক সা-সুবিধা থকা শিক্ষানুষ্ঠানসমূহৰ সবল প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব পৰাকৈ চৰকাৰী অথবা বেচৰকাৰী ৰাজহুৱা শিক্ষা প্ৰতিষ্ঠানসমূহ পুনৰ সজ্জিত কৰাৰ দায়িত্বৰ পৰা যেন চৰকাৰে ৰহস্যজনকভাৱে ফালৰি কাটিবলৈ লৈছে। ফলত সাধাৰণভাৱে শিক্ষা হৈ পৰিছে এক ব্যয়বহুল পেছাগত ব্যৱসায়। পৰম্পৰাগত মূল্যবোধৰ দৃষ্টিৰে চালে এই পৰিবেশত গুণগত প্ৰতিভা তথা মেধা বহুলাংশে হৈ পৰিছে অপ্ৰাসংগিক। বাস্তৱিকতে এই বিষয়টো লৈ ব্যাপক আলোচনাৰ থল আছে। তেনে আলোচনাৰ মাধ্যমতহে পৰিৱৰ্তিত পৰিস্থিতিৰ প্ৰধান উৎসৰ বিষয়ে জানিব পৰা হ'ব। এই কথা ঠিক যে চাৰি দশকৰ পূৰ্বে পৰিস্থিতি এনেধৰণৰ শোচনীয় নাছিল। বাহ্যিক ৰংচঙীয়া সাজ-সজ্জাৰ অভাৱ ঘটিলেও কটনৰ হোষ্টেলসমূহত সাধাৰণভাৱে মাৰ্জিত ৰুচিৰে স্বাস্থ্যসন্মতভাৱে দিন কটাবলৈ প্ৰয়োজনীয় পৰিৱেশৰ নিশ্চয় অভাৱ হোৱা নাছিল। ২১ শতিকাৰ প্ৰথম দশকত ১০৮ বছৰীয়া কটন কলেজৰ হোষ্টেলৰ প্ৰকৃত স্বৰূপটো প্ৰাক্তন কটনিয়ান হিচাপে টি ভি পৰ্দাত দেখাৰ পিছত দুখ পোৱাৰ লগতে কটন কলেজৰ পুৰণি দিনৰ গুণ-গান কৰাৰ পৰা সাৱধান হ'বলৈ ধৰিলোঁ। অৱশ্যে ইয়াৰ মাজতে কিছুদিনৰ পিছত আন এটা বাতৰিত চকু পৰাত

মনটো ভাল লাগিল। কটন হোষ্টেলৰ উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে হেনো এক বৃজন পৰিমাণৰ ধন আগবঢ়াইছে। অতি সোনকালে আধুনিক সাজ-সজ্জাৰে কটন কলেজৰ আবাসীসকলৰ কাৰণে বহুমহলীয়া হোষ্টেল নিৰ্মাণ কৰা হ'ব। এইখিনিলৈকে ঠিকেই আছিল। কিন্তু বাতৰিটোৰ সন্দৰ্ভত প্ৰকাশিত আন এটা খবৰেহে পুনৰ খেলিমেলিৰ সৃষ্টি কৰিলে। কটন কলেজৰ ঐতিহ্য ৰক্ষাৰ স্বাৰ্থত পুৰণি হোষ্টেলসমূহ সংৰক্ষণ কৰাৰ দাবী এটা উত্থাপিত হ'ল। এনে দাবীৰ ন্যায্যতা থাকিলেও বাস্তৱ দিশটোৰ কথাও অস্বীকাৰ কৰিব নোৱাৰি। সচৰাচৰে দেশৰ আন ঠাইত হোৱাৰ দৰে ক্ৰমবৰ্ধমান গুৱাহাটী মহানগৰীতো মানুহৰ সংখ্যা দ্ৰুত গতিত বৃদ্ধি পাইছে আৰু সেই অনুপাতে মাটিৰ পৰিমাণ হ্ৰাস পাই আহিছে। এনে অৱস্থাত গুৱাহাটীৰ মাজমজিয়াত থকা ৰাজহুৱা স্থানৰ প্ৰতি বৰ্গফুট মাটি পৰিকল্পিতভাৱে কামত লগোৱা উচিত। কাজেই সংৰক্ষণৰ নামত জধে-মধে কিছুমান ঠাই সংৰক্ষণ কৰা হ'লে মহানগৰীখনৰ উন্নয়ন আৰু বিকাশৰ দিশত যতি পৰাৰ আশংকা থাকিব। আলোচিত বিষয়টোত দুটা বিপৰীতমুখী শিবিৰৰ আবিৰ্ভাৱ হোৱাত কটন হোষ্টেলৰ পুনৰ নিৰ্মাণ আঁচনিখন কিছু পৰিমাণে বাধাগ্ৰস্ত হোৱা বুলি জানিব পাৰিছিলোঁ। শেহতীয়াভাৱে পুনৰ নিৰ্মাণ আঁচনিখন কেনে স্তৰত আছে সেই বিষয়ে নাজানো। যিয়েই নহওক, ঐতিহ্য সংৰক্ষণ সম্পৰ্কত আমাৰ মনতো কিছু চিন্তাই দেখা দিছে। নিঃসন্দেহে এশ বছৰ অতিক্ৰম কৰা শিক্ষানুষ্ঠানটোৰ ভৱনসমূহ সংৰক্ষণ কৰাটো আমাৰ সকলোৰে কৰ্তব্য। ইয়াৰ কিছু আনুষংগিক দিশো আছে। কিছু বছৰৰ পূৰ্বে কটন কলেজৰ পুৰণি প্ৰশাসনীয় ভৱনটো ভাঙি নতুন ভৱন এটা নিৰ্মাণ কৰোঁতেও যথেষ্ট সমালোচনা হৈছিল। পূব আৰু পশ্চিমত থকা দুটা ডাঙৰ শ্ৰেণীকোঠাৰে সৈতে অধ্যক্ষৰ কাৰ্যালয় আৰু শিক্ষকৰ জিৰণি কোঠাসহ চাৰিওফালে বাৰাণ্ডাৰে আবৰি থকা ব্ৰিটিছ আমোলৰ প্ৰযুক্তিৰে নিৰ্মিত অসম আৰ্হিৰ ভৱনটোৱে যথাৰ্থতে কটন কলেজৰ প্ৰাচীন ঐতিহ্য ৰক্ষা কৰাত বহুখিনি অৰিহণা যোগাব পাৰিলেহেঁতেন। কিন্তু সেই সময়ত এই দিশটোত বিশেষ গুৰুত্ব আৰোপ কৰা নহ'ল। বৰ্তমান কটন কলেজৰ ৰসায়ন বিভাগ, নিউ আৰ্টছ বিল্ডিং আৰু ছুডমাৰ্ছন হলে সেই অভাৱ বহু পৰিমাণে পূৰণ কৰিব পাৰে। ঐতিহ্য বহনকাৰী ভৱন হিচাপে উক্ত ভৱনসমূহ ভালদৰে সংৰক্ষণ কৰাৰ প্ৰয়োজন আছে। এই সম্পৰ্কত যাতে কোনো ধৰণৰ হঠকাৰী সিদ্ধান্তই অগ্ৰাধিকাৰ লাভ নকৰে তালৈ চকু দিয়া উচিত। এই কথা প্ৰণিধানযোগ্য যে যুগ পৰিবৰ্তনৰ লগে লগে বৰ্তমান পৰিস্থিতিত ঐতিহ্য বিষয়টোৱে আমাৰ মনত মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। আমি জানো যে প্ৰাচ্যৰ ভালেমান দেশৰ হাজাৰ বছৰীয়া সভ্যতা-সংস্কৃতি আছে। কিন্তু ইয়াৰ বিপৰীতে বৰ্তমান পৃথিৱীখনক বহু দিশত নিয়ন্ত্ৰণ কৰা পশ্চিমীয়া গৰিষ্ঠসংখ্যক দেশৰ সভ্যতা তুলনামূলকভাৱে ইমান বেছি পুৰণি নহয়। উদাহৰণস্বৰূপে মাৰ্কিন যুক্তৰাষ্ট্ৰৰ

কথাকে আঙুলিয়াব পাৰি। মাৰ্কিন দেশ আৰু জাতিটো গঢ় লৈ উঠাৰ সময় ২০০ বছৰ অতিক্ৰম কৰিছেহে। অথচ ইয়াৰ মাজতে এই মিশ্ৰিত ৰক্তৰ মাজেদি জন্ম হোৱা দেশখন বৰ্তমান পৃথিৱীৰ অন্যতম প্ৰভাৱশালী ৰাষ্ট্ৰ হিচাপে পৰিগণিত হৈছে। ফলত এশ বছৰীয়া ভৱন অথবা যিকোনো স্মাৰকে দেশখনৰ সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। কিন্তু তেনে দৃষ্টিৰে চালে আমাৰ দেশৰ মানুহৰ ধ্যান-ধাৰণা একে হ'ব নোৱাৰে। প্ৰকৃতপক্ষে ভালেমান শতিকা অতিক্ৰম কৰিলেহে আমাৰ দেশত যি কোনো ভৱন বা স্মৃতি সৌধে ঐতিহ্যৰ সাক্ষী বহন কৰিব পাৰে। আনহে নালাগে ব্যাক্তিগতভাৱে বহু পৰিয়ালতে থকা সা-সামগ্ৰীয়ে শ বছৰীয়া ঐতিহ্য বহন কৰে। ফলত সাধাৰণভাৱে পুৰণিতকৈ নতুনৰ প্ৰতিহে মানুহৰ দৃষ্টি আকৰ্ষিত হয়। ইতিহাস চেতনাৰ অভাৱো ইয়াৰ এক কাৰণ হ'ব পাৰে। এনে অৱস্থাত কটন কলেজৰ এশ বছৰ অতিক্ৰম কৰা ভৱন এটা ভাঙি পেলাবলৈ চৰকাৰী বিভাগীয় সিদ্ধান্ত এটা গ্ৰহণ কৰিবলৈ হয়তো বেছি সময় নালাগিব। প্ৰকৃতপক্ষে বাস্তৱ দৃষ্টিভংগীৰে সকলো দিশ চালি-জাৰি চাইহে এই ক্ষেত্ৰত প্ৰয়োজনীয় সিদ্ধান্ত গ্ৰহণ কৰা উচিত। ৰাজহুৱা ভৱন এটা তেনে দৃষ্টিৰেই ঐতিহ্যমণ্ডিত ৰূপে গ্ৰহণ কৰিব লাগিব। ইয়াৰ বিপৰীতে মৰ্যাদাসম্পন্ন অনুষ্ঠান এটাৰ লগত জড়িত থকা আন ভালেমান সা-সামগ্ৰীয়েও ঐতিহ্যৰ দাবী কৰিব পাৰে। আধুনিক সা-সুবিধা প্ৰয়োগ কৰি এনেবোৰ সামগ্ৰীক ঐতিহ্য বহনকাৰী সম্পদ হিচাপে সংৰক্ষণ কৰিব পাৰি। বিশেষকৈ কটন কলেজৰ গ্ৰন্থাগাৰত থকা আপুৰুগীয়া গ্ৰন্থসমূহ, নথি-পত্ৰ, ৰেকৰ্ড আদি উপযুক্তভাৱে সংৰক্ষণ কৰিব পাৰিলে এনেবোৰ সামগ্ৰী আধুনিক অসমৰ ইতিহাস ৰচনাৰ বাবে নিৰ্ভৰযোগ্য সমল হ'ব পাৰে। ❑

মোৰ দুগৰাকী আদৰ্শ শিক্ষক ৰজনীকান্ত আৰু ৰোহিণীকান্ত

ক্ষীৰধৰ বৰুৱা

আদৰ্শ শিক্ষকৰ কথা মনলৈ আহিলেই এজন বিশিষ্ট শিক্ষাবিদৰ এষাৰ কথালৈ মনত পৰে ঃ

'A poor teacher tells;
An average teacher explains;
A good teacher demonstrates;
And a great teacher inspires.'

আমি ছাত্ৰ জীৱনত পাই অহা আৰু ওৰেটো জীৱন প্ৰেৰণাৰ উৎস হৈ থকা তেনে মহান শিক্ষকসকলৰ ভিতৰৰ দুগৰাকী হ'ল কটন কলেজৰ গণিত বিভাগৰ অধ্যাপক ৰজনীকান্ত চক্ৰৱৰ্তী (১৯১৪-১৯৯৯) আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰসায়নবিজ্ঞান বিভাগৰ মুৰব্বী আৰু বিশিষ্ট ৰসায়নবিজ্ঞানী ড° ৰোহিণীকান্ত বৰুৱা (১৯১০-১৯৬৮)। এই আদৰ্শ শিক্ষক দুজনৰ আন সকলো মহান গুণৰ মাজত দুটা কথাই আমাৰ শিক্ষক সমাজৰ বাবে অধিক অনুকৰণীয় বুলি ভাবোঁ। সেয়া হ'ল ঃ চক্ৰৱৰ্তী ছাৰে শ্ৰেণীত সফল পাঠদানৰ বাবে সদায় ঘৰত কষ্ট কৰি পঢ়া-শুনা কৰিছিল, আৰু বৰুৱা ছাৰে শিক্ষকৰ নিজৰ সময়ৰ দৰে ছাত্ৰ-ছাত্ৰীৰ সময়ো অমূল্য সেই কথা শিক্ষকে উপলব্ধি কৰাৰ ওপৰত গুৰুত্ব দিছিল।

১৯৬৩-৬৭ চনৰ কালছোৱাত কটন কলেজৰ ছাত্ৰ হিচাপে 'থাৰ্ড মেছ'ৰ (এতিয়াৰ আনন্দৰাম বৰুৱা ছাত্ৰাবাস) বাসিন্দা হৈ থাকোঁতে ৰজনীকান্ত চক্ৰৱৰ্তী ছাৰক হোষ্টেলৰ অধীক্ষক আৰু কলেজৰ শিক্ষক হিচাপে পাইছিলোঁ। কামৰূপ জিলাৰ

এটা দুখীয়া অথচ সম্ভ্ৰান্ত পৰিয়ালত জন্মা চক্ৰৱৰ্তী ছাৰে বহু কষ্টৰ মাজেৰে নিজৰ প্ৰতিভাৰ গুণত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা সুখ্যাতিৰে প্ৰায়োগিক গণিতত স্নাতকোত্তৰ উপাধি লাভ কৰি কটন কলেজত অধ্যাপনা আৰম্ভ কৰিছিল আৰু শেষত গণিত বিভাগৰ মুৰব্বীৰ দায়িত্ব পালন কৰিছিল। তেখেত অকল এজন কৃতী শিক্ষক আৰু ৰসিক সুবক্তাই নাছিল, এজন অধ্যয়নপুষ্ট চিন্তাশীল ব্যক্তি হিচাপেও সকলোৰে সমাদৰ লাভ কৰিছিল। তেখেতে স্কুল-কলেজৰ গণিত শিক্ষণৰ বাবে কেইবাখনো অতি মূল্যৱান পাঠ্যপুথি ৰচনা কৰিছিল। 'বিজ্ঞান জেউতি'ৰ প্ৰথম বছৰ প্ৰথম সংখ্যাতে (ছেপ্টেম্বৰ, ১৯৬১) তেখেতে 'গণিতৰ ইতিহাস কিয়?' শীৰ্ষক এটা মূল্যৱান প্ৰবন্ধ লিখিছিল।

সেই সময়ত কটন হোষ্টেলৰ ছাত্ৰসকলে টুলত বহি পঢ়া-শুনা কৰিব লাগিছিল। এবাৰ ছাৰক অভিযোগ কৰি টুলৰ সলনি চকী বিচাৰোঁতে তেখেতে ৰস কৰি কৈছিল— 'দক্ষিণ ভাৰতৰ ফালে পীৰাত বহি পঢ়ে। তোমালোকেতো টুলেই পাইছা দিয়াচোন!'

আমাৰ হোষ্টেলটো এটা পৰিয়াল, আৰু অধীক্ষক আৰু আমাৰ মাজত আছিল পিতা-পুত্ৰৰ সম্বন্ধ। ছাৰে হোষ্টেলৰ সভা-সমিতি আৰু মাজে মাজে হোৱা আলোচনাবোৰত ঘৰুৱা ভাষাৰে উপদেশ-পৰামৰ্শ দিছিল। চাৰ্চিল, ৰাছেল, ৰাধাকৃষ্ণণ আদিৰ কথা প্ৰায়ে আমাক কৈছিল। তেখেতে কৈছিল— 'শ্ৰদ্ধাৱান লভতে জ্ঞানম্। যাৰ পৰা কিবা শিকিছা অকল তেওঁক শ্ৰদ্ধা কৰিলেই নহ'ব, যি কাম কৰিছা তাৰ প্ৰতিও শ্ৰদ্ধা থাকিব লাগিব। তেতিয়াহে কৃতকাৰ্য হ'ব পাৰিবা।' তেখেতে প্ৰায়ে ছেমুৱেল স্মাইল্‌ছৰ (Samuel Smiles, 1812-1904) 'ছেল্‌ফ হেল্‌প' (Self Help) নামৰ গ্ৰন্থৰ পৰা উদ্ধৃতি দি আমাক জীৱন গঢ়াৰ পথ নিৰ্দেশনা দিছিল। সেই গ্ৰন্থত থকা জৰ্জ হাৰ্বাৰ্টৰ এই উক্তিটো তেখেতে প্ৰায়ে উল্লেখ কৰিছিল ঃ

'Pitch thy behaviour low, thy projects high,
So shall thou humble and magnanimous be
Sink not in spirit, who aimeth at the sky
Shoots higher much than he that means a tree.'

(উল্লেখযোগ্য যে 'ছেল্‌ফ হেল্‌প' কিতাপখন আমি ১৯৬২ চনত স্কুলত পঢ়ি থাকোঁতেই শ্বিলঙৰ চপলা বুক ষ্টলৰ পৰা সংগ্ৰহ কৰিছিলোঁ।)

চক্ৰৱৰ্তী ছাৰে গণিত অতি সুন্দৰকৈ পঢ়াইছিল। শ্ৰেণীত ভালকৈ মন দিলে ঘৰত নপঢ়াকৈ চলি গৈছিল। হোষ্টেলত ছাত্ৰসকলে বেছি ৰাতিলৈকে পঢ়াটো অতি সাধাৰণ কথা। কিন্তু ছাৰেও দেখোন ৰাতি বাৰ বজাৰ বহু পিছলৈকে উজাগৰে থাকি অফিছ কোঠাৰ লাইট জ্বলাই কিবা কৰি থাকে! এদিন আমাৰ হোষ্টেলৰ কেইজনমান মিলি সাহস গোটাই ছাৰক লগ ধৰি সোধা হ'ল— 'ছাৰেনো ইমান ৰাতিলৈকে কি

কৰে!' ছাৱে হাঁহি মাৰি সহজভাৱে উত্তৰ দিছিল— 'হেৰা কেতিয়াবা তোমালোক যদি শিক্ষক বা প্ৰফেছৰ হোৱা বুজিবা, ছাত্ৰক পঢ়াবলৈ শিক্ষকে কিমান পঢ়িব লাগে! মই তোমালোকক পঢ়াবলৈকে ৰাতি ইমান পৰলৈকে পঢ়িব লগা হয়, বুজিছা?'

কলেজ পাৰ হৈ বিশ্ববিদ্যালয়লৈ গ'লোঁ। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰসায়নবিজ্ঞান বিভাগত পালোঁ ড° ৰোহিণীকান্ত বৰুৱা ছাৰক। ছাৰক কিন্তু সিমান ওচৰৰ পৰা লগ পোৱাৰ সুযোগ হোৱা নাছিলোঁ। স্নাতকোত্তৰ মহলাৰ প্ৰাৰম্ভিক বৰ্ষত পঢ়ি থাকোঁতে তেখেতক শ্ৰেণীতহে পাইছিলোঁ। ১৯৬৮ চনত প্ৰিভিয়াছ পৰীক্ষা দি উঠি জামুগুৰিহাটৰ ঘৰত সময় কটাই থাকোঁতে বাতৰিকাকতত খবৰ পালোঁ— জুলাইৰ ৭ তাৰিখে পুৱা ৯.২০ বজাত কলকতাৰ বিমানবন্দৰত হঠাৎ হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ বৰুৱা ছাৰৰ মৃত্যু ঘটিল। খবৰটো পাই মৰ্মাহত হ'লোঁ। তেখেতে বৰোদা বিশ্ববিদ্যালয়ত গৱেষকৰ মৌখিক পৰীক্ষা লৈ ঘৰলৈ উভতি অহাৰ পথত সেই শোকাবহ ঘটনাটো ঘটিছিল। ড° ৰোহিণীকান্ত বৰুৱা আছিল অসমৰ এগৰাকী লব্ধপ্ৰতিষ্ঠ শিক্ষাবিদ, নিষ্ঠাবান শিক্ষক-ৰসায়নবিজ্ঞানী আৰু সাহিত্যিক। তেখেতৰ আকস্মিক বিয়োগ অকল গুৱাহাটী বিশ্ববিদ্যালয় বা অসমৰ বাবেই নহয়, ভাৰতৰ বাবেই আছিল এক অপূৰণীয় ক্ষতি। সেই সময়ত হোমেন বৰগোহাঞি সম্পাদিত 'সাপ্তাহিক নীলাচল' কাকতৰ 'শেষ পৃষ্ঠা'ত ড° ভবেন্দ্ৰ নাথ শইকীয়াই ড° ৰোহিণীকান্ত বৰুৱাক শ্ৰদ্ধাৰে সুঁৱৰি আক্ষেপ কৰি লিখিছিল— 'কোনো ৰাজনৈতিক নেতাৰ ক্ষেত্ৰত হোৱা হ'লে মৃতদেহ আনিবলৈ যোৱা শোকাকুল জনতাৰে বিমানবন্দৰ ভৰি পৰিলেহেঁতেন! কিন্তু এগৰাকী বিজ্ঞানীৰ মৃতদেহ আনিবলৈ গৈছিল মাত্ৰ তেওঁৰ পৰিয়াল আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ কেইগৰাকীমান গুণমুগ্ধ সহকৰ্মী অধ্যাপক।' এতিয়াওতো এই দশা একেই আছে!

সেই বছৰৰে ৬ ছেপ্টেম্বৰৰ দিনা বিশ্ববিদ্যালয়ৰ ৰসায়নিবিজ্ঞান বিভাগত উপাচাৰ্য ড° মথুৰানাথ গোস্বামী ডাঙৰীয়াৰ সভাপতিত্বত অনুষ্ঠিত শোকসভাত বিভাগৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীয়ে প্ৰয়াত সেই মহান বিজ্ঞানীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাইছিল। তেখেতৰ প্ৰতি থকা শ্ৰদ্ধাৰ চিন স্বৰূপে আমি অংকন কৰা তেখেতৰ আবক্ষ প্ৰতিকৃতি এখন সভাগৃহত সজোৱা হৈছিল। কিছু বছৰৰ আগতে প্ৰকাশ হোৱা আমি লেখা 'ৰসায়নৰ পঞ্চৰত্ন' আৰু 'অসমীয়া বিজ্ঞানী' নামৰ গ্ৰন্থ দুখনত ড° ৰোহিণীকান্ত বৰুৱাৰ পূৰ্ণাংগ জীৱনী সন্নিবিষ্ট কৰি আমি নিজকে ধন্য মানিছোঁ।

সৰুৰে পৰাই অত্যন্ত মেধাৱী ৰোহিণীকান্তই কটন কলেজৰ পৰা আই এছ চি, কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ক্ৰমে বি এছ চি আৰু এম. এছ চি পাছ কৰি ১৯৩৮ চনত কটন কলেজৰ ৰসায়নবিজ্ঞান বিভাগত অধ্যাপনা আৰম্ভ কৰে। ১৯৪৬ চনত তেখেতে উচ্চ শিক্ষাৰ বাবে ইংলেণ্ডলৈ যাত্ৰা কৰে আৰু লিভাৰপুল বিশ্ববিদ্যালয়ত

ভিটামিন-এৰ বিষয়ে গৱেষণা কৰি ১৯৪৮ চনত ডক্টৰেট উপাধি লাভ কৰে। তাৰ পিছত তেখেত স্বদেশলৈ ঘূৰি আহি সেই সময়ত ডিব্ৰুগড়ৰ নৱপ্ৰতিষ্ঠিত 'অসম মেডিকেল কলেজ'ত জীৱৰসায়নবিজ্ঞান বিভাগৰ মুৰব্বী তথা প্ৰফেছৰ হিচাপে যোগদান কৰে। তেখেতে অধ্যাপনাৰ লগে লগে গৱেষণাও চলাবলৈ মনস্থ কৰিলে। কিন্তু সেই সময়ত অসমত গৱেষণাৰ পৰিৱেশ সমূলি নাছিল যদিও তেখেতে কিছুমান স্থানীয় সমস্যা বাছি লৈ গৱেষণা কৰাৰ আঁচনি প্ৰস্তুত কৰিলে। তেখেতৰ গৱেষণাৰ উদ্দেশ্য আজিৰ দৰে ডক্টৰেট উপাধিধাৰীৰ সৃষ্টি কৰা আৰু প্ৰমোচনকেন্দ্ৰিক নাছিল। তেখেতৰ উদ্দেশ্য আছিল স্থানীয় বৈজ্ঞানিক সমস্যাৰ অনুসন্ধান কৰি নতুন তথ্য আহৰণ কৰা আৰু সেইবোৰ সমাজৰ উপকাৰত প্ৰয়োগ কৰা।

ড° ৰোহিণীকান্ত বৰুৱাই ১৯৬০ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰসায়নবিজ্ঞান বিভাগত মুৰব্বী আৰু প্ৰফেছৰ হিচাপে যোগদান কৰে। তেখেত আহিয়েই বিভাগটোক নতুন ৰূপত গঢ় দিবলৈ চেষ্টা কৰে আৰু অতি কম সময়ৰ ভিতৰতে গৱেষণাৰ পৰিৱেশ এটা সৃষ্টি কৰাত সফলতা লাভ কৰে। বিজ্ঞানী হিচাপে ড° বৰুৱাৰ প্ৰধান কৃতিত্ব আছিল 'কেৰ'টিনইড আৰু ভিটামিন-এ' বিষয়ৰ ব্যাপক গৱেষণা। তেখেতৰ অকাল মৃত্যু নঘটা হ'লে জীৱৰসায়নবিজ্ঞানৰ গৱেষণাই অসমত নিশ্চয় অধিক বিকাশ লাভ কৰিব পাৰিলেহেঁতেন। তেখেতে ড° হিৰণ্য চন্দ্ৰ ভূঞা আৰু ড° হিতেন্দ্ৰ কুমাৰ বৰুৱাৰ সৈতে লগ লাগি অসমত মৌলিক গৱেষণাৰ পৰিৱেশ এটা সৃষ্টি কৰাৰ বিষয়েও চিন্তা-চৰ্চা কৰিছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰশাসনিক আৰু শৈক্ষিক দিশৰ উন্নতি আৰু বিকাশৰ বাবে ড° বৰুৱা সততে সচেষ্ট আছিল।

ড° ৰোহিণীকান্ত বৰুৱা অসমীয়া সাহিত্যৰো এজন একনিষ্ঠ সেৱক আছিল। তেখেতে 'আৱাহন'ত প্ৰবন্ধ, গল্প, আৰু 'অকণ' আলোচনীত শিশুৰ বাবে প্ৰবন্ধ, গল্প আৰু কবিতা লিখিছিল। তেখেত অসমীয়া বিজ্ঞান-সাহিত্যৰ এজন বাটকটীয়া লেখক। 'বিজ্ঞানৰ সাধু' (১৯৩২) আৰু 'পৰিপুষ্টি বিজ্ঞান' (১৯৫৮) তেখেতে লিখা দুখন বিশিষ্ট গ্ৰন্থ। 'বিজ্ঞান জেউতি'ত তেওঁ কেইবাটাও প্ৰবন্ধ লিখিছিল। অনুবাদ সাহিত্যলৈ তেখেতৰ বৰঙণি হ'ল জোহান বয়াৰৰ 'দা গ্ৰেট হাংগাৰ' নামৰ উপন্যাসৰ অনুবাদ 'পৰম ক্ষুধা' আৰু হলেণ্ডৰ নিন্‌কে ফান্‌ হিখটুমৰ 'আফকেজ টেন'ৰ অনুবাদ 'পমিলিৰ পৰিয়াল'। পুৰণি আৱাহনৰ পাত লুটিয়াই থাকোঁতে এবাৰ পালোঁ যে তেখেতে কলকাতাত ১৯৩০ চনত এম এছ চি পঢ়ি থাকোঁতেই ড° সৰ্বপল্লী ৰাধাকৃষ্ণণে পঞ্জাব বিশ্ববিদ্যালয়ত প্ৰদান কৰা দীক্ষান্ত ভাষণ এটা 'জাতীয়তাৰ স্বৰূপ' নামেৰে অনুবাদ কৰি প্ৰকাশ কৰিছে। ১৯৫৫ চনত তেওঁ অসম সাহিত্য সভাৰ গুৱাহাটী অধিৱেশনৰ বিজ্ঞান সন্মিলনৰ সভাপতি হৈছিল।

শান্ত, সৌম্য মুখমণ্ডলত উজ্জ্বল কান্তিৰে, ওখ আৰু হৃষ্ট-পুষ্ট চেহেৰাৰে

ৰোহিণীকান্ত বৰুৱা আছিল এক বিৰল ব্যক্তিত্বৰ অধিকাৰী। তেওঁৰ বিশাল ব্যক্তিত্বই সকলোকে চুম্বকৰ দৰে আকৰ্ষণ কৰিছিল। তেখেতৰ কথা আৰু কাম এক আছিল। এজন সুদক্ষ প্ৰশাসক হিচাপে তেখেত শিক্ষক আৰু কৰ্মচাৰীসকলৰ প্ৰতি সদায় দয়ালু আৰু সহানুভূতিশীল আছিল। তেখেত এজন কৃতী শিক্ষক হিচাপে সদায় নিয়মীয়াকৈ পাঠদান কৰিছিল, গৱেষণাৰ তত্ত্বাৱধান কৰিছিল আৰু প্ৰশাসনীয় দায়িত্বও পালন কৰিছিল। তেওঁ শ্ৰেণীত জৈৱৰসায়নবিজ্ঞানৰ জটিল তত্ত্ববোৰো সাধাৰণ উদাহৰণৰ সহায়ত সহজ-সৰল ভাষাৰে বুজাব পাৰিছিল।

ড° ৰোহিণীকান্ত বৰুৱাৰ সময়নিষ্ঠা, দায়িত্ববোধ আৰু কৰ্তব্যপৰায়ণতা সকলোৰে বাবে আদৰ্শনীয়। তেখেতে ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ অমূল্য সময়খিনি অবাবত নষ্ট হোৱাটো নিবিচাৰিছিল। এবাৰ আমাৰ এটা শ্ৰেণীত শিক্ষক নহাৰ বাবে হাই-উৰুমি হৈ থকা শুনি তেখেত সোমাই কাৰ ক্লাছ আছিল বুজ ল'লে। তাৰ পিছদিনা যেতিয়া সেই শিক্ষকজন সেই ক্লাছটো ল'বলৈ আহিল, তেতিয়া তেখেতে আমাৰ সন্মুখতে শিক্ষকজনক ভৰ্ৎসনা কৰি কৈছিল— 'তুমি যে কালি এওঁলোকৰ ক্লাছটো ল'ব নোৱাৰিলা, সেই কথাটো আগতে এওঁলোকক নজনালা কিয়? তেনে হোৱা হ'লে এওঁলোক তুমি অহালৈ বাট চাই সময় নষ্ট নকৰি লাইব্ৰেৰীত পঢ়িবগৈ পাৰিলেহেঁতেন।' সেই শিক্ষকজনৰ স্বভাৱটো কিন্তু পিছতো বিশেষ সলনি হোৱা নাছিল। কিন্তু তেওঁ অনিয়মীয়া আছিল যদিও আমাৰ তেওঁৰ প্ৰতি শ্ৰদ্ধা-ভক্তি কমা নাছিল।

এই দুগৰাকী মহান শিক্ষকক আজিও আমি পৰম শ্ৰদ্ধাৰে স্মৰণ কৰোঁ। ❑

এটা দফাৰ মায়া

ড° দীনেশ চন্দ্ৰ গোস্বামী

আৱিষ্কাৰটো ঠিক কেতিয়া কৰিছিলোঁ মনত নাই, কিন্তু কেতিয়া কামত ব্যৱহাৰ কৰিছিলোঁ সেইটো হ'লে মনত আছে। আৰু মনত আছে যে তেনে ফলপ্ৰসূ আৱিষ্কাৰ তাৰ আগতে বা পিছত মই একো কৰিব পৰা নাই।

১৯৬৪ চনত (এতিয়া ভাবিলে সেয়া প্ৰাগৈতিহাসিক কাল যেন লাগে) কটন কলেজৰ স্নাতক প্ৰথম বাৰ্ষিকত নামভৰ্তি শেষ হোৱাৰ পিছতে হোষ্টেললৈ দুই-চাৰিজনকৈ নতুন ল'ৰা আহিল। তাৰ মাজতে আহিল গোৱালপাৰাৰ অলকেশ চক্ৰৱৰ্তী। অংকততো বাঘ বাঘেই, ইংৰাজীতো ভাল। হ'লো আকৌ মোৰ ৰুমমেট।

'কিমান পাইছিলা বুলি ক'লা অংকত?' অলকেশক প্ৰথম দিনাই সুধিলোঁ। মই যোৱা বছৰৰে পৰা এই কটন থাৰ্ড মেচত আছোঁ; গতিকে অলপ দাদাগিৰি কৰাৰ ৰাইট মোৰেই। অলকেশে উচ্চতৰ মাধ্যমিক (তেতিয়া ১১শ শ্ৰেণীলৈ আছিল) সুখ্যাতিৰে পাছ কৰি কটনত নাম লগাইছে।

মিহিকৈ 'এশ পঞ্চাছ,' অলকেশে উত্তৰ দিলে।

'দুশৰ ভিতৰত?'— মই কিছু খহটা মাতেৰে সুধিলোঁ।

'নহয়,' অলকেশে ক'লে— 'এশ পঞ্চাছৰ ভিতৰত।'

কিন্তু মই তল হৈ দিম কিয়? ইংৰাজীৰ পাঠ্যপুথিখন কিনি আনি এনেয়ে পাত লুটিয়াই আছিলোঁ। বি এছ চিৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বিজ্ঞানৰ বছা বছা প্ৰবন্ধৰ সংকলন— "An Anthology of English Prose"। হঠাতে মুখৰ পৰা (জেদতে বোধহয়) ওলাই গ'ল— 'অংকৰ অনাৰ্ছততো মোৰ ফিজিক্সৰ অনাৰ্ছতকৈ বেছি পাবাই। তাতে তুমি দেখিছোঁ অংকত তীখৰো। কিন্তু ইংৰাজীত কম্পিট কৰি চোৱা, যদি কোৱা মই তোমাতকৈ এক নম্বৰ হ'লেও বেছি পাম।'

'ময়ো চেষ্টা কৰি চাম,' অলকেশে বিনয়েৰে ক'লে।

'চেষ্টা কি— বাজি ৰাখা। যিয়ে কম পাব লক্ষী কেবিনত চিংৰা-চাহ খুৱাব লাগিব। নহ'লে মায়া জুৱেলাৰীত খুৱালেও হ'ব। তাত আঠ অনা সস্তাতে হ'ব।'

'হ'ব।'

অলকেশে বাজি ৰাখিলে। এতিয়া উপায়?

এনেয়ে অৱশ্যে বিজ্ঞান শাখাৰ ছাত্ৰই ইংৰাজী নপঢ়েই। সময়েই উলিয়াব নোৱাৰে। পৰীক্ষাৰ আগদিনা পঢ়ি কোনোমতে মেট্ৰিকৰ জ্ঞানেৰে পাছ কৰিবলৈ চায়। (পাৰ্ট বানৰ পৰীক্ষাটো দি উঠিব পাৰিলে আৰু ইংৰাজীৰ লেঠা নাথাকে।)

কিন্তু ৰুমমেট অলকেশক হৰুৱাব লাগিলে তেনেকৈ নহ'ব।

অথচ ইংৰাজীক বেছি সময় দিব নোৱাৰি— প্ৰেক্টিকেল ন'ট বুক লিখিব লাগে, অনাৰ্ছ পঢ়িব লাগে, পাছ ক'ৰ্ছৰ কেমিষ্ট্ৰী অৰু মেথ্‌ছো কম নহয় (অলকেশে অৱশ্যে কেলকুলাছ আৰু ত্ৰিকোণমিতি পানী যেনকৈ বুজাই দিয়ে।)

কি কৰা যায় এতিয়া?

কেকুলে চাহাবে বোলে বেনজিনৰ ষ্ট্ৰাকচাৰটো সপোনতে আৱিষ্কাৰ কৰিছিল। ময়ো সপোন দেখিবলৈ (চাবলৈ!) চেষ্টা কৰিলোঁ। কিন্তু চাব খুজিলেই সপোন দেখা নাযায়।

এদিন সন্ধিয়া দীঘলীয়া ফিজিক্স প্ৰেক্টিকেল এটা লিখি উঠি ক্লান্তিৰ মাজতে Anthologyখন মেলি ল'লোঁ। মেলা গ'ল আকৌ Introductionটোত। বিজ্ঞানৰ নানা বিষয় বাছকবনীয়া গল্প-নাটক-ৰচনাৰে সমৃদ্ধ সংকলনটোৰ Introductionটোও অতি চমৎকাৰ আৰু অত্যন্ত বলিষ্ঠ। কোনোমতে Introductionটোৰ পাতকেইটা পঢ়ি গৈ গৈ শেষ দফাটো পালোঁ আৰু তেতিয়াই মই গম পালোঁ যে মই এটা মুকুতা যেন বস্তু আৱিষ্কাৰ কৰিলোঁ।

শেষ দফাটো আছিল এইটো ঃ

সেই মায়াৱী দফাটো

To conclude, if such questions as the philosophic validity of science and the applicability of scientific method to sociology and aesthetics are still very much open questions, one aspect of science is no longer open to question : namely, that science and its accompanying technologies are creating a new phase in human history, a new phase in man's intellectual and social evolution which amounts to nothing less than a new civilization. The change in material conditions of

living, to speak of this aspect alone, is a change as significant as the change from the animal-like hunting of our most primitive ancestors to the discovery of agriculture and the community life of village and town, with the social and intellectual development it made possible. *The inter-relationships of people and ideas, which we see today on a world-wide scale are a direct result of the scientific revolution.* In the long run they cannot fail to result in the unification of mankind on this planet. For one of the most hopeful aspects of science is its international character and universality, making possible world-wide co-operation in its development. We may hope that the moral progress and sense of human values implicit in this phase of human evolution will make unthinkable the evil uses to which science may at present be put. For *ours is the testing time of the new civilization. The growth of science presents a challenge to the growth of morality and wisdom, and we must not fail. The next steps in the human adventure will be the boldest of all- the exploration of the universe, the penetration of the secret of life itself.*

তেতিয়া স্মৃতিশক্তি এনে প্ৰখৰ যে দফা এটা (বা পৃষ্ঠা এটা বা কবিতা এটা) পঢ়ি মনত ৰাখিব খুজিলে কেইবাৰমান পঢ়িলেই হৈ গ'ল। তাৰ পিছত লিখিলে এতিয়াৰ জেৰক্স মেচিনতকৈও ভালকৈ কপি কৰিব পাৰোঁ। ক্লাছ টেনত 'মেকবেথ'ৰ এঘাৰ পৃষ্ঠা আৰু 'মাৰ্চেণ্ট অব্ ভেনিছ'ৰ ১৩ পৃষ্ঠা গদ্য বাজি মাৰি মাতি দি লগৰ গোলাপ ডেকাক (ল'ৰা দেই!) আচৰিত কৰি দিছিলোঁ। গতিকে Introductionটোৰ শেষ দফাটো কি ডাঙৰ কথা?— মুখস্থ কৰি পেলালোঁ।

তাৰ পিছত, লক্ষ্মী পূজাত ৰাতি দেখা যাত্ৰাপাৰ্টীত ৰজাই যুদ্ধ কৰোঁতে যে অস্ত্ৰহীন ৰজাক এপাট তৰোৱাল দি কয়— 'ল, অস্ত্ৰ ল', তেনে সুৰতে কোঠাটোৰ সিটো মূৰত টুলত বহি পঢ়ি থকা অলকেশক ক'লোঁ, 'পঢ়া, Introduction পঢ়া।' (তাৰ পিছত যুঁজা!)

'কিয়, হঠাতে কিয়?' তেওঁ সুধিলে।

'হঠাতে মানে? লাষ্ট পেৰাটো মুখস্থ কৰি থোৱা। নহ'লে মই অকলে সেইটোকে লিখি পৰীক্ষাত তোমাতকৈ বেছি পাম।'

অলকেশে Introductionটো পঢ়ি চাই হাঁহি মাৰি ক'লে— 'সুন্দৰ। কিন্তু

পৰীক্ষাত সেইটো অহাৰ আশা নাই।'

মই ক'লোঁ— 'আহক-নাহক, মই হ'লে লিখিমেই। ডাঙৰ আখৰেৰে ফাঁক ফাঁককৈ লিখিলে তিনি পৃষ্ঠাতো হ'বই। তাৰ পিছত, চাবা।'

অলকেশে 'অস্ত্ৰ' নল'লে।

মই কিন্তু সঁচাই 1st year-ৰ First terminal, Second Terminal, Annual, 2nd year-ৰ First terminal, Test আৰু Part I B. Sc. ইংৰাজী পৰীক্ষাত (মুঠতে ছটা পৰীক্ষাত) Paragraphটো লিখিলোঁ।

আহিছিল জানো পৰীক্ষাত?

Introduction কিয় আহিব?

মই Science in Daily Life জাতীয় essay এখনৰ কিছু লিখি (এখন তেনেকুৱা আছেই) তাৰ শেষত পেৰাটো লিখোঁ ঃ

To conclude .... of life itself.

কেতিয়াবা উদ্ধৃতি দিয়া হিচাপে লিখোঁ। কেতিয়াবা নিজ হিচাপে লিখোঁ।

নাহিল তেনে essay, কোনো কথা নাই। ব্যাখ্যা একোটাত, বা সুবিধা মতে তিনিটামান ব্যাখ্যাত সেই ইংৰাজী paraটো তিনিভাগ কৰি সুমুৱাই দিওঁ। কেতিয়াবা To conlude শব্দ দুটা বাদ দিওঁ, কেতিয়াবা শেষৰ ফালে থকা For ours is the testing time of the new civilization বাক্যটোৰ Forটো বাদ দি Ours is the testing time of the new civilization বুলি essay আৰম্ভ কৰোঁ।

মুঠতে সেই Introduction-ৰ শেষ দফাটো লিখিমেই।

আৰু পৰীক্ষাত অলকেশতকৈ এক নম্বৰ হ'লেও বেছি পাওঁ। আৰু বিজ্ঞান শাখাৰ ছাত্ৰৰ ইংৰাজী পৰীক্ষাত highest নম্বৰ বা তাৰ ওচৰৰ নম্বৰ পাওঁ।

ফলত লক্ষ্মী কেবিন বা মায়া জুৱেলাৰীত অলকেশে চিংৰা-চাহ খুৱাব লগা হয়। মোৰ লগতে সত্যেন আৰু মহাদেৱকো।

তৃতীয় বাৰ্ষিকত যেতিয়া ইংৰাজী বিষয়টো নোহোৱা হ'ল সেই দফাটোৰ বাবে বুকুৰ কোণত এটা দুখ থাকি গ'ল।

কিন্তু Anthologyখন ('তেওঁৰ চিঠিৰ দৰে) সাঁচি ৰাখিলোঁ। ১৯৬৪ চনৰ পৰা (সেই প্ৰাগৈতিহাসিক যুগৰ পৰা!) বহু বাৰ বহু ঠাই সলাইছোঁ— কিন্তু Anthologyখন লগত আছে। লগত আছে সেই paragraphটোও।

আৰু মনতো আছে— বৰ আপোন কাৰোবাৰ মিঠা কথাৰ দৰে। বুকুৰ মাজত।□

ধেমাজি কলেজৰ আলোচনীত ২০০৮ চনত প্ৰকাশিত লেখাৰ পুনৰ মুদ্ৰণ

কটন কলেজ ঃ এক মধুৰ স্মৃতি

ডঃ অপৰাজিতা বৰকটকী

অসমৰ বিদ্যায়তনিক সমাজত কটন কলেজে এক বিশেষ স্থান অধিকাৰ কৰি আহিছে আৰু ইয়াৰ এক ঐতিহ্যপূৰ্ণ অতীত আছে। সেয়ে নিজকে কটনিয়ান বুলি চিনাকি দিয়াৰ ক্ষেত্ৰত সদায়েই এক বিশেষ গৌৰৱ অনুভৱ কৰোঁ।

মই স্কুলৰ তলৰ শ্ৰেণীত পঢ়ি থাকোঁতেই মোৰ দুজন ককাইদেৱে (প্ৰয়াত ডাঃ বাণী কুমাৰ শৰ্মা আৰু আমেৰিকাবাসী অভিযন্তা অৱনী কুমাৰ শৰ্মা) অগা-পিছাকৈ কটন কলেজত পঢ়িছিল। বন্ধৰ দিনত তেওঁলোক ঘৰলৈ গ'লে কটন কলেজৰ নানা কাহিনী কৈছিল, শিক্ষাগুৰুসকলৰ কথা, শিক্ষাৰ মানৰ বিষয়ে কৈছিল। আৰু সেইবোৰে মোক সৰুকালিতে কটন কলেজৰ প্ৰতি আকৰ্ষিত কৰিছিল। মই কটনত পঢ়াৰ সপোন দেখিছিলোঁ। স্কুলৰ ওপৰ ক্লাছত পঢ়াৰ সময়ত মোৰ সম্বন্ধীয়া খুৰা এজনে মোৰ পঢ়া-শুনাৰ খবৰ-বাতৰি লৈ প্ৰায়েই সকীয়াইছিল— 'পঢ়াৰ গতি এইটোৱেই হ'লে কিন্তু কটনত ছীট নাপাবা।'

গতিকে কটনত ছীট পোৱাৰ বাবে মই দুগুণ উদ্যমেৰে পঢ়াত লাগিছিলোঁ আৰু ভগৱানৰ কৃপাত নাহৰকটীয়া হাইস্কুলৰ (এতিয়া হায়াৰ ছেকেণ্ডেৰী) পৰা ভালকৈয়ে মেট্ৰিক পাছ কৰি আহি সুকলমেই কটন কলেজৰ বিজ্ঞান শাখাত ছীট পালোঁ আৰু এক কটনিয়ান হৈ পৰিলোঁ। তেতিয়া হায়াৰ ছেকেণ্ডেৰী নাছিল। প্ৰি-ইউনিভাৰ্ছিটী (P.U.) বুলি এবছৰীয়া ক'ৰ্ছ আছিল আৰু তাৰ পিছতে B.A. / B. Sc. অথবা অন্যান্য লাইন ল'ব পাৰিছিল। ১৯৬৩ চনৰ পৰা ১৯৬৭ চনলৈ চাৰি বছৰ কটন কলেজত পঢ়ি যি অভিজ্ঞতা হ'ল, সেয়া পিছৰ জীৱনৰ কৃতকাৰ্যতাৰ সমল হৈ ৰ'ল।

কটন কলেজৰ কিছুমান স্বকীয়তা আছিল। বিশেষকৈ সেই সময়ৰ শিক্ষাগুৰুসকলৰ আচাৰ-ব্যৱহাৰ, জ্ঞানৰ পৰিসীমা, নিষ্ঠা দেখি অভিভূত হৈছিলোঁ।

প্ৰিন্সিপাল নুৰুল ইছলাম ছাৰৰ ব্যক্তিত্বই কলেজখনৰ সকলো দিশতে প্ৰভাৱ পেলাইছিল। Physics-ৰ ছাৰসকলৰ ভিতৰত গোবিন্দ ডেকা, ক্ৰোৰী, বীৰেন বৰুৱা, শিৱ শৰ্মা ঠাকুৰ ছাৰৰ উপৰি অনিল গোস্বামী ছাৰ সেই সময়ত বিদেশৰ পৰা আহি পাইছিলহি। গজেন তালুকদাৰ ছাৰো একেবাৰে নতুন আছিল বুলি গম পাইছিলোঁ। সকলোবোৰ অত্যন্ত মেধাৱী আছিল। Chemistry-ত প্ৰথমেই নাম ল'ব লাগিব মহেশ ভূঞা ছাৰৰ নামটো। তেখেতৰ কি অদ্ভুত স্মৃতিশক্তি। তেনে ব্যক্তি জীৱনত আৰু ক'তো লগ পোৱা নাই। তেখেতে সকলো ছাত্ৰ-ছাত্ৰীৰেই গুৰি-গোষ্ঠী জানিছিল। সকলোৰে নামবোৰ জনাৰ উপৰি মাতবোৰ চিনি পাইছিল। আনকি প্ৰত্যেকৰে ক্লাছত বহাৰ স্থানটোও জানিছিল। সেয়ে কোনোবাই কাৰোবাৰ হৈ Roll call কৰোঁতে, proxy দিলে তেখেতে ধৰি পেলাইছিল। তেখেতে ক্লাছত বঢ়িয়াকৈ পাতি পাতি পঢ়াইছিল। এবাৰ পঢ়াই আকৌ গোটেই কথাখিনি একে ধৰণেৰেই দোহাৰিছিল। গতিকে আমাৰ মনত সুন্দৰকৈ সোমাই পৰিছিল। বাকী ছাৰসকলৰ ভিতৰত বশিষ্ঠ ফুকন, সুনীল দেৱ, বৈদ্য ভূঞা, ৰবীন তালুকদাৰ আদি স্বনামধন্য শিক্ষক আছিল। সেই সময়ত Gold medalist-ৰ স্থান সুকীয়া আছিল। সেয়ে বৈদ্য ভূঞা ছাৰক Gold medalist বুলি আমি বেলেগ চকুৰে চাইছিলোঁ। Mathematics-ৰ ছাৰবোৰ ইমান চোকা আছিল যে অংকবোৰৰ উত্তৰবোৰ তেখেতসকলৰ মুখতে আছিল। মেট্ৰিকত স্থানপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলো কোনো গুণেই কম নাছিল। সকলো কথা যেন জিভাৰ আগত। সেই সময়ত মেট্ৰিকত ভাল ৰিজাল্ট কৰা ছাত্ৰ-ছাত্ৰীসকলে P.U. (Pre University) পঢ়িবলৈ অন্ততঃ অসমৰ বাহিৰলৈ যোৱাৰ প্ৰক্ৰিয়াটো বৰকৈ চলা নাছিল। সেয়ে প্ৰায় সকলোখিনি চোকা লৰা-ছোৱালীয়েই কটনতে নাম লগাইছিল। Quota-ৰ সংখ্যাও এতিয়াৰ সমান নাছিল। সেয়ে merit হিচাপে ৰোল নংবোৰ পৰিছিল। আৰু এইবোৰৰ বেছিভাগেই বিজ্ঞান শাখাত নামভৰ্তি কৰিছিল। সেয়ে এজন ছাত্ৰ বা ছাত্ৰীৰ ৰোল নংটো দেখিলেই তেওঁৰ সদৌ অসমত স্থানটো কিমান হ'ব পাৰে তাৰ এটা থূল-মূল আভাস পোৱা গৈছিল। সাধাৰণ ঠাইৰ পৰা আহি এনেবোৰ কথা-কাণ্ডই যথেষ্ট অভিভূত কৰিছিল। অংকৰ ছাৰবোৰৰ ভিতৰত প্ৰঃ শিৱ ঘোষ, বাপুকৃষ্ণ চৌধুৰী, ৰজনী চক্ৰবৰ্তী আৰু নতুন চামৰ (সেই সময়ৰ) ভিতৰত হাঁহিমুখীয়া তাৰক চৌধুৰী আদিৰ প্ৰভাৱ পৰিছিল।

B. Sc.ত Zoology বিভাগতে অনাৰ্ছ (এতিয়াৰ Major) লোৱা বাবে সেই বিভাগৰ লগত অন্তৰংগতা একেবাৰে বেলেগ ধৰণৰ। এই বিভাগৰ ছাৰসকলো যথেষ্ট ঘৰুৱা হৈ পৰিছিল। ইয়াৰ ভিতৰত প্ৰথম অৱস্থাত পোৱা মুৰব্বী অধ্যাপক ডঃ কালীনাথ শৰ্মা ছাৰ হৈছে অসমত প্ৰাণীবিজ্ঞানৰ পিতৃসদৃশ। তেখেত এজন বিশিষ্ট প্ৰাণীবিদেই নাছিল লগতে সংস্কৃতৰো এজন অগাধ পণ্ডিত আছিল। তেখেতৰ

লেখনী আৰু বক্তৃব্যত সদায় হাঁহিৰ খোৰাক আছিল। তেখেতৰ খেলা-ধূলাৰ প্ৰতিও বৰ আগ্ৰহ আছিল। বেডমিণ্টন খেলিবলৈ ষ্টেডিয়ামলৈও গৈছিল। তাতে এদিন মোক লগ পাই বৰ আচৰিত হৈছিল। হয়তো ভবা নাছিল সেই দিনতে নাহৰকটীয়াৰ দৰে সাধাৰণ ঠাই এখনৰ পৰা অহা সাধাৰণ ছোৱালী এজনীয়ে বেডমিণ্টন প্ৰতিযোগিতাত ভাগ ল'বলৈ গুৱাহাটীৰ ইনড'ৰ ষ্টেডিয়ামলৈও যাব পাৰে। মই পঢ়ি থকা, চাকৰি কৰা, (তেখেতে পিছত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ৰূপে কাৰ্যনিৰ্বাহ কৰিছিল) সময়ৰ বাহিৰেও তেখেতৰ পৰিয়ালৰ লগতো এক আপোন সম্বন্ধ গঢ় লৈ উঠিছিল আৰু সেয়া এতিয়াও আছে। তেখেতৰ বিয়োগত অসমৰ প্ৰাণীবিজ্ঞানৰ এক অপূৰণীয় ক্ষতি হ'ল। বাকী ছাৰবোৰৰ ভিতৰত দেৱী মহন্ত, মাধৱ দাস, উমেশ মেধি, বলিত ডেকা, শ্ৰীজীৱ চক্ৰৱৰ্ত্তী, ভাৰত চৌধুৰী, যশোৱন্ত ভট্টাচাৰ্য— প্ৰতিজনেই আমাক বৰ নিষ্ঠাৰে পঢ়াইছিল। চক্ৰৱৰ্ত্তী ছাৰে সকলোকে বৰ মৰম কৰিছিল।

উদ্ভিদবিজ্ঞানৰ সেই সময়ৰ শিক্ষাগুৰুসকলৰ ভিতৰত কমলা ৰয় বাইদেউৰ ব্যক্তিত্বই সকলোকে আকৰ্ষণ কৰিছিল। ওখই-পাখই, দেখাই-শুনাই তেখেত অতি ধুনীয়া মহিলা আছিল; সেই অনুপাতে সাজ-পোছাকো অতি পৰিপাটিকৈ পিন্ধিছিল। পাৰুকুট্টী বৰুৱা, ৰুণু বৰদলৈ বাইদেউহঁতো বৰ হাঁহিমুখীয়া আছিল। পঢ়াইছিলো বৰ ভালকৈ। নগেন গোস্বামী ছাৰৰ ক্লাছবোৰ কৰি বৰ ভাল লাগিছিল। চৌধুৰী ছাৰৰ প্ৰচণ্ড খং আছিল। বহুতে তেখেতক ধেমালিতে উন্মত্ত চৌধুৰী ছাৰ বুলিও কৈছিল। কেমিষ্ট্ৰীত class কৰি দৌৰি দৌৰি আহি সময়ত তেখেতৰ ক্লাছটো নাপালেহি আমাক ক্লাছত সোমাবলৈকে নিদিছিল। কিন্তু আটাইতকৈ ভাল লাগিছিল শৈলজা ভৰালী ছাৰক। তেখেতে ছাত্ৰ-ছাত্ৰীসকলক বৰ মৰম কৰিছিল। আমি যিকোনো সমস্যাত পৰিলে তেখেতৰ ওচৰলৈ নিসংকোচে যাব পাৰিছিলোঁ। আমাক N.C.C. শিকোৱা ৰহমান ছাৰ যেন মৰমৰ আকৰ। আমি তেখেতৰ এই পিতৃসুলভ মৰমৰ গয়না লৈ ফাকি দি N.C.C. ক্লাছৰ পৰা কেতিয়াবা আঁতৰি আছিলোঁ। তেখেতৰ মায়াভৰা মুখখন আজিও মনত পৰে। ইংলিছত তাৰিণীকান্ত ভট্টাচাৰ্য (TKB নামে জনাজাত আছিল), ভূপেশ দত্ত, নবকান্ত বৰুৱা, ধীৰেন বেজবৰুৱা, বসন্ত বৰুৱা (মণিপুৰী ছাৰ) আদিৰ দৰে বিখ্যাত ব্যক্তিসকল আছিল আমাৰ ছাৰ। অসমীয়াৰ বিনয় চৌধুৰী ছাৰক আজিও মনত পৰে।

সেই সময়ত 'কটনিয়ান' বুলিলে এক বিশেষ অনুভৱ হৈছিল। আমি হোষ্টেলত থকাবোৰে বন্ধত ঘৰলৈ অহা-যোৱা কৰোঁতে ডিব্ৰুগড়, তিনিচুকীয়া, নাহৰকটীয়া, দুলীয়াজান, নামৰূপ আদি উজনি অসমৰ ল'ৰা-ছোৱালীবোৰে একেলগে ৰে'লত অহা-যোৱা কৰিছিলোঁ। দবাৰ বাহিৰ ফালে 'কটনিয়ান' বুলি ডাঙৰকৈ লিখি দিছিল।

Seniorখিনিয়ে Juniorখিনিক আবৰি-সাবৰি লৈ আহিছিল।

কটনৰ হোষ্টেলবোৰত (বিশেষকৈ ছোৱালীৰ) তেতিয়া বেছ কটকটীয়া নিয়ম আছিল। সন্ধিয়া প্ৰাৰ্থনাৰ পিছত 'Study hom'ত Pin-drop silence বিৰাজ কৰিছিল। সকলোৱে পঢ়া টেবুলত পঢ়িছিল। মাজে-সময়ে superintendent বাইদেৱে টহল দিছিল। মই প্ৰথমে সৰোজ দত্ত বাইদেউ আৰু তাৰ পিছত জ্যোৎস্না ভট্টাচাৰ্য বাইদেউক Superintendent হিচাপে পাইছিলোঁ। ৮ বজাত study hom শেষ হোৱাৰ লগে লগে তলত থকা টেবুল-টেনিছ ব'ৰ্ডৰ টুক্-টাক শব্দ আৰু কমন ৰুমত ৰেডিঅ'ৰ গান (বিনাকা গীতমালাত আমিন ছায়ানিৰ গল্‌গলীয়া মাতৰ announcementৰ সৈতে) যেন এতিয়াও বৈ বৈ কাণত বাজে। কিছুমানে অৱশ্যে এই সকলোকে আওকাণ কৰি ভাতৰ বেল দিয়ালৈকে পঢ়াতেই ব্যস্ত হৈ থাকিছিল। বন্ধ দিনবোৰত, লাইট নোহোৱাৰ সময়ত, বৰষুণৰ দিনবোৰত আমি হোষ্টেলত গান গাই, বিহু নাচি খুব ফূৰ্তি কৰিছিলোঁ। খেলা-ধূলাৰ প্ৰতি থকা মোৰ দুৰ্বলতাৰ বাবে অনেকৰ লগত চিনাকি হোৱাৰ সুবিধা পাইছিলোঁ— তদুপৰি আন্তঃকলেজ ক্ৰীড়া মহোৎসৱত যোগদান কৰি দুই-এটা পুৰস্কাৰ বুটলিবলৈ সক্ষম হৈছিলোঁ। সেই সময়ৰ কটন কলেজৰ সৰস্বতী পূজাৰ মণ্ডপ আৰু গে'ট অতি উচ্চমানৰ আছিল। অন্য স্থানবোৰত পূজাৰ প্ৰয়োভৰ আজিৰ দৰে নাছিল বাবে কটনৰ বিভিন্ন হোষ্টেলত ৰাইজৰ যথেষ্ট ভিৰ হৈছিল। কলেজৰ অন্য এক আকৰ্ষণ আছিল College election। তদুপৰি Picnicবোৰো বৰ ভাল লাগিছিল।

কটন কলেজৰ দিনবোৰৰ আৰু অনেক স্মৃতি আছে। সেই স্মৃতিৰ আঁত ধৰি এতিয়াও পুৰণা ছাৰ, বাইদেউ আৰু কটনিয়ানসকলৰ লগত এক বিশেষ এনাজৰীৰে বান্ধ খাই আছোঁ। সেয়ে কলেজখনৰ ভাল এটা শুনিলে যেনেকৈ অতি ভাল লাগে, অকমানো বেয়া শুনিলে অন্তৰত আঘাত লাগে।

আমি আশা কৰোঁ— কটন কলেজত নতুন নতুন বিষয় খোলক— শিক্ষক-শিক্ষয়িত্ৰীসকলক সেইমতে বিভিন্ন ট্ৰেইনিং দিওৱাৰ ব্যৱস্থা কৰক। এনে কৰিলে কটন কলেজৰ নাম আৰু ওপৰলৈ যাব। এইখিনিৰ বাবে চৰকাৰৰ লগতে কলেজখনৰ সকলো পৰ্যায়ৰ লোকৰ (শিক্ষক, ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰীবৃন্দ) অকুণ্ঠ আগ্ৰহ আৰু নিষ্ঠা লাগিব। কটন কলেজক ভাল পোৱা শুভাকাংক্ষীসকলেও সহায় আগবঢ়াব লাগিব।

কটন কলেজৰ সৰ্বতো উন্নতি কামনা কৰি মোৰ স্মৃতি ৰোমন্থন ইমানতে সামৰিলোঁ। ❑

মই মাথোঁ এটা কুইজৰ প্ৰশ্ন

নবীন বৰুৱা

এটা সৰু জন্মদিনৰ অনুষ্ঠানত মই ব্যস্ত হৈ আছিলোঁ। মোৰ ম'বাইল ফোনত এটা কণ্ঠস্বৰ ভাহি আহিল। নিজৰ পৰিচয় দিলে, হুলস্থূলত ভালকৈ ধৰিব নোৱাৰিলোঁ। ক'লে এখন চিঠি লৈ মোক লগ ধৰিবলৈ আহিছে। মই ক'লোঁ, মই বাহিৰত, ঘৰত কোনো নাই। মোৰ এপাৰ্টমেণ্টৰ ৰখীয়াৰ হাতত চিঠিখন দি গ'লেই হ'ব।

কটন কলেজ নামটো শুনিলোঁ, ঠিক ধৰিব নোৱাৰিলোঁ। মোলৈ কটন কলেজৰ পৰা চিঠি লৈ আহিব লগা তেনে কোনো কথা নাই। ৰাতি আহোঁতে দেৰি হ'ল। পিছদিনা হাতত চিঠিখন পৰিল। চিঠিখন হাতত লৈ এইবাৰ আচৰিত হোৱাৰ পাল।

কটন কলেজৰ শতবাৰ্ষিকী পাৰ হৈ গ'ল। মোক কোনেও সেই সময়ত বিচৰা নাছিল। ময়ো উপযাচি আগবাঢ়ি যোৱা নাছিলোঁ। ইয়াৰ বাবে মোৰ কোনো ক্ষোভ, বেজাৰ নাছিল। আচলতে মোক মাতিব লগাকৈ মই কোনো বিখ্যাত ব্যক্তি নহয়। কটন কলেজত মোৰ কোনো বন্ধু নাছিল। চিনাকি দিব পৰাকৈ মই কোনো প্ৰতিভাবান ছাত্ৰও নাছিলোঁ। মোক কোনো শিক্ষকে মনত ৰখা নাছিল। মাত্ৰ দুজন শিক্ষকে চিনি পাইছিল— এজন মহেশ চন্দ্ৰ ভূঞা আৰু আনজন বশিষ্ঠদেব ফুকন। মহেশ ভূঞা ছাৰে কিজানি সকলো ছাত্ৰ-ছাত্ৰীৰে নাম-ধাম জনাৰ উপৰি বংশ-পৰিয়ালো জানিছিল। তেখেতে মোক লগ পালে এতিয়াও মোৰ সম্পৰ্কীয় বংশ-পৰিয়ালৰ কাৰোবাৰ নহয় কাৰোবাৰ কথা সোধে; আজিকালি উত্তৰ এটাই হয়— 'তেখেত ঢুকাল'। তেতিয়া তেখেতে সেইজন লোকৰ ল'ৰা-ছোৱালীৰ কাৰোবাৰ কথা সোধে, যিবোৰৰ উত্তৰ মই নাজানো। ইমান দূৰলৈ মোৰ খবৰ নাথাকে। তেতিয়া তেখেতে মনত পেলাই দিয়ে তেখেতে জনা খবৰখিনিৰে। মই অ' অ' কৰি মনত পেলাবলৈ চেষ্টা কৰোঁ। বশিষ্ঠ ফুকন ছাৰক বহু বছৰ লগ পোৱা নাই, কিন্তু যেতিয়ালৈকে পাইছিলোঁ, তেখেতে মোক চিনি পাইছিল।

অন্ততঃ মই যে কটনৰ ছাত্ৰ আছিলোঁ সেই কথা মনত ৰাখিছিল। এই দুজনৰ বাহিৰে মোক কোনেও মনত ৰখা নাই।

কটন কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক শৰ্মা ছাৰে মোক সদায় 'বৰুৱা', 'আপুনি' বুলি সম্বোধন কৰি মাতে। মই এদিন ক'লোঁ— 'ছাৰ আপুনি নিশ্চয় নাজানে মই আপোনাৰে কটন কলেজত ছাত্ৰ আছিলোঁ। মোক আপুনি আপুনি বুলি নক'ব'।' তেওঁতে ক'লে— 'মই নবীন বৰুৱা নামৰ ছাত্ৰজনক চিনি পোৱা নাছিলোঁ। মই 'কটন কলেজ' উপন্যাস লিখা নবীন বৰুৱাজনকহে চিনি পাওঁ। এতেকে মই আপোনাক আপুনি বুলিয়েই মাতিম।'

নৱকান্ত বৰুৱাই মোক তুমি বুলি মাতিছিল। কিন্তু এদিন তেখেতৰ লগত আমি কেইবাজনেও আড্ডা মাৰি থাকোঁতে তেখেতে মোলৈ এটা চিগাৰেট আগবঢ়াই দিলে। মই অপ্ৰস্তুত হৈ ক'লোঁ— 'ছাৰ আপুনি নিশ্চয় নাজানে, মই আপোনাৰ ছাত্ৰ আছিলোঁ।' তেখেতে স্বভাৱসুলভ হাঁহিটোৰে ক'লে— 'জানো, এইটোও জানো সম্পৰ্কত তুমি মোৰ দূৰ সম্পৰ্কীয় ভাগিন হ'বা। মই তোমাক চিগাৰেটটো এজন মোৰ ছাত্ৰলৈ বুলি দিয়া নাই, এজন অগ্ৰজ লেখকে এজন অনুজ লেখকলৈ যাচিছোঁ। আমি একে গোষ্ঠীৰ মানুহ, তুমি মোৰ অনুজ বন্ধু, মই তোমাক ছাত্ৰ হিচাপে কোনোদিন মনত ৰখা নাই।'

অংকৰ শিক্ষক দুৰ্গেশ্বৰ দাস ছাৰে ছাত্ৰ হিচাপে কিমানখিনি মনত ৰাখিছিল মই নাজানো। মোৰ পৰিবাৰৰ চাকৰি সূত্ৰে মই বহু দূৰ বিশ্ববিদ্যালয়ৰ চৌহদৰ এটা কোৱাৰ্টাৰত আছিলোঁ। দুৰ্গেশ্বৰ দাস ছাৰৰ ঘৰ আমাৰ কোৱাৰ্টাৰৰ পৰা বেছি দূৰ নহয়। আমি প্ৰায়ে বিশ্ববিদ্যালয় নাইবা ইঞ্জিনিয়াৰিং কলেজৰ শেষ বাছখনত ওভতোঁ। বাছৰ পৰা নামি প্ৰায়ে খোজকাঢ়ি একেলগে। তেখেতে সেই সময়ত কম কথা কয়। ময়ো বেছি কথা পাতিবলৈ চেষ্টা নকৰোঁ, মাথোঁ ওচৰা-ওচৰিকৈ গৈ থাকোঁ। এদিনাখন মই মোৰ প্ৰায় সমবয়সীয়া কটনৰ ইংৰাজী বিভাগৰ অধ্যাপক এজনৰ ঘৰলৈ গ'লোঁ। হঠাৎ তেওঁৰ কোঠাটোত সোমাই মই অপ্ৰস্তুত হৈ পৰিলোঁ। মোৰ বন্ধু অধ্যাপক আৰু দুৰ্গেশ্বৰ দাস ছাৰে বহি ড্ৰিংছ্ কৰি আছে। মোৰ দৰে ছাৰো অপ্ৰস্তুত। কিন্তু মোৰ বন্ধু নিৰ্বিকাৰ। মই গুচি আহিব খুজিছিলোঁ। বন্ধু অধ্যাপকে জোৰ কৰি বহুৱালে। তেওঁ মোক সুধিলে— 'মই এটা ড্ৰিংছ্ ল'ম নেকি?' মই যেতিয়া ভদ্ৰভাৱে প্ৰত্যাখ্যান কৰিলোঁ। তেওঁ ক'লে— 'ডাঙৰ মানুহৰ ঘৰলৈ আহিছে (তেতিয়ালৈকে তেওঁ বিয়া কৰোৱা নাছিল), কিনো খুৱাম। চিগাৰেট এটাকে খাওক।'

মই মন কৰিলোঁ টেবুলখনত এটা মাথোঁ চিগাৰেটৰ পেকেট। দুয়োজনে সেইটোৰ পৰাই চিগাৰেট খাই আছে। হঠাৎ দেখিলোঁ ছাৰে পেকেটটো হাতত ল'লে আৰু মোৰ ফালে আগুৱাই দিলে। মোৰ বন্ধুৱে ক'লে— 'খাওক খাওক, ছাৰে একো বেয়া নাপায়।' চিগাৰেটৰ প্ৰতি মোৰ কোনো তেনে আসক্তি নাছিল, পৰিৱেশটো সহজ হওক বুলিয়েই মই চিগাৰেট এটা পেকেটৰ পৰা ল'লোঁ। দুটামান হোপা মাৰি 'মই এনেয়ে সোমাইছিলোঁ',

'কাম আছে' বুলি কৈ ওলাই আহিলোঁ। ইয়াৰ পিছৰ পৰা মই মন কৰিলোঁ ছাৰক লগ পালে ছাৰে মোৰ লগত তুমি, আপুনি এই দুয়োটা ব্যৱহাৰ নকৰাকৈ কথা পাতে। মই বুজিলোঁ ছাৰে মোক মই যে কটন কলেজৰ তেওঁৰে ছাত্ৰ আছিলোঁ যে সেই স্বীকৃতি বাদ দিলে।

মই এইকেইটা কথা এইবাবেই উল্লেখ কৰিলোঁ— মই শ্ৰদ্ধা কৰা কটনৰ অধ্যাপকসকলৰ মাজৰ প্ৰায়খিনিয়েই মোক এটা কথা ক'ব বিচাৰিলে যে তেওঁলোকে মোক ছাত্ৰ হিচাপে মনত ৰাখিব নোখোজে। ময়ো সেই কাৰণে নিজকে কটন কলেজৰ ছাত্ৰ আছিলোঁ সেই কথা নিজেও ভাবিবলৈ বাদ দিলোঁ। তাৰ উপৰি মোৰ কটনত কোনো বন্ধু-বান্ধৱী নাছিল। মোৰ 'কটন কলেজ' উপন্যাসৰ নায়িকা কৰবীৰ দৰে কাকো মোৰ চুটি কলেজীয়া জীৱনটোত লগ পোৱা নাছিলোঁ। মোৰ কটন কলেজ উপন্যাসৰ প্ৰায়বোৰ ছাত্ৰই আছিল সঁচা চৰিত্ৰ। ঘটনাবোৰো মই বৰ্ণনা কৰাৰ দৰেই ঘটিছিল। নায়িকাগৰাকী সৃষ্টি হৈছিল মোৰ এজন ৰুমমেটৰ কল্পনাৰ পৰা। তেওঁ প্ৰায়ে আমাক এজনী ছোৱালীৰ কথা কৈছিল। দেওবাৰবোৰত যদি গোটেই দিনটো তেওঁ নাথাকে সন্ধিয়া আহি আমাৰ আগত দিনটোৰ গল্প কৰিছিল। তেওঁ কেনেকৈ সেই বিশেষ দিনটোত সেই ছোৱালীজনীৰ লগত কটাইছিল তাৰ কিছুমান কাল্পনিক গল্প। প্ৰথমে কথাবোৰ আমি সঁচা বুলি ভাবিছিলোঁ। বহু পিছতহে জানিলোঁ সেই ছোৱালীজনীৰ লগত মোৰ ৰুমমেটৰ কোনো চিনাকিয়েই নাই। সকলোবোৰ মাথোঁ তেওঁৰ কল্পনা। তেওঁ দিনটো সম্পৰ্কীয় খুৰাকৰ ঘৰত ভাত-পানী খাইহে পাৰ কৰিছিল। কিন্তু আহি কৈছিল, দিনটো কেনেদৰে ছোৱালীজনীৰ লগত তেওঁলোকৰ ঘৰত কটাইছিল। মোৰ ৰুমমেটৰ দৰে মই কল্পনাৰে নায়িকাগৰাকীক সৃষ্টি কৰিছিলোঁ। কিন্তু উপন্যাসখন প্ৰকাশ হোৱাৰ পিছত মোক বহুতে মোৰ উপন্যাসৰ নায়িকানো কোন এই লৈ প্ৰশ্ন কৰিছিল। প্ৰায়বোৰে মোক সেই সময়ত কটনত থকা এগৰাকী ছোৱালীৰ কথা সুধি বিভিন্ন প্ৰশ্ন কৰিছিল, সেইবাবে মোৰ কেতিয়াবা সেই ছোৱালীগৰাকীক লগ পাবৰ কাৰণে কৌতূহ'ল হৈছিল, কাৰণ মই সেই ছোৱালীগৰাকীক কোনো দিন দেখা নাছিলোঁ। আজি দুবছৰমানৰ আগেয়ে এখন বিয়াত এগৰাকী মহিলাক কোনোবাই চিনাকি কৰি দিছিল। তেওঁক হঠাৎ লগ পাই মোৰ মুখৰ পৰা এটা বাক্য ওলাই গ'ল—'আপোনাক লগ পোৱাৰ বহুদিনীয়া ইচ্ছা এটা পূৰ্ণ হ'ল।' মানুহগৰাকীয়ে আচৰিত হৈ মোলৈ চোৱাত মই ক'লোঁ— 'আপুনি কটনত আমাৰ সমসাময়িক আছিল, সেই সময়ত গায়িকা হিচাপে আপুনি বিখ্যাত আছিল, এতেকে আপোনাৰ লগত চিনাকি হোৱাৰ ইচ্ছা এটা সেই সময়তেই হৈছিল।' মই মানুহগৰাকীক এটা কথা নক'লোঁ যে আপোনাক মোৰ উপন্যাসৰ নায়িকা কৰবী বুলি বহুতে ভাবিছিল। তেওঁ 'কটন কলেজ' উপন্যাসখন পঢ়িছিল নে নাই মই নাজানো, যদি পঢ়িছিলেও মই যে সেইখনৰ লেখক বুলি তেওঁ জনা নাছিল।

কটন কলেজত মোৰ কোনো বন্ধু-বান্ধৱ নাছিল। অন্ততঃ তই, তুমি বুলি মতা। সেই সময়ত মোৰ কেইবাগৰাকী সম্পৰ্কীয় ছোৱালীয়ে কটন কলেজত থাকি পঢ়িছিল। তেওঁলোকৰ আৰ্থিক অৱস্থাটো মোতকৈ ভাল আছিল। মাজে-সময়ে তেওঁলোকে মোক চিনেমা দেখুৱাইছিল নাইবা ক'ৰবাত অকলে যাব লগা হ'লে মোক লৈ গৈছিল। এতেকে মোৰ বহুতো হোষ্টেলৰ বন্ধুৱে মোৰ কটনৰ ধুনীয়া ছোৱালীবোৰৰ লগত সম্পৰ্ক থকা বুলি ভাবিছিল। পিছৰ জীৱনত যি দুই-এগৰাকী সেই সময়ত কটনত পঢ়া মহিলাৰ লগত মোৰ বন্ধুত্ব হৈছিল তেওঁলোকক কিন্তু মই কটনত লগ পোৱা নাছিলোঁ। কিছুদিনৰ আগেয়ে মোৰ এজন বন্ধুৰ ল'ৰাৰ বিয়ালৈ গৈছিলোঁ। তেওঁ মোৰ স্কুলীয়া দিনৰ বন্ধু আছিল। বিয়াখনত মোৰ সমসাময়িক বহু প্ৰাক্তন কটনিয়ান গোট খাইছিল। প্ৰায়বোৰে ইতিমধ্যে চাকৰিৰ পৰা অৱসৰ ল'লে। অলপ পিছত দেখিলোঁ আড্ডা বেছ জমি উঠিছে। প্ৰায়বোৰে পাহৰি গৈছে যে তেওঁলোক ৬০ বছৰ উৰ্দ্ধৰ বৃদ্ধ। উভতি গৈছে কটন কলেজৰ দিনবোৰলৈ। প্ৰায়বোৰে ইজনে সিজনক নাম কাঢ়ি মাতিছে, তই, তুমি বুলি কথা কৈছে। একমাত্ৰ ময়েই আছিলোঁ সেই আড্ডাত অকলশৰীয়া ব্যক্তি। ময়েই আছিলোঁ একমাত্ৰ 'বৰুৱা' বুলি সম্বোধন কৰা মানুহ, আপুনি বুলি কোৱা মানুহ। এওঁলোকৰ যিমানবোৰ কটন কলেজৰ মধুৰ স্মৃতি আছে, মোৰ নাই। মই আছিলোঁ এজন নিঃসংগ ব্যক্তি। সেইদিনা মই উপলব্ধি কৰিছিলোঁ মোক শতবাৰ্ষিকী অনুষ্ঠানলৈ কোনেও নামাতি আচলতে ভালেই কৰিছিল। যোৱা হ'লেও সম্পূৰ্ণ নিঃসংগ হিচাপে কটাব লাগিলহেঁতেন।

কিছুদিন আগেয়ে এখন বিয়াত এজন মানুহৰ লগত পৰিচয় হ'ল। মোৰ নামটো শুনি তেওঁ সুধিলে 'কটন কলেজ' উপন্যাসৰ লেখকজন ময়েই নেকি? এনে প্ৰশ্নত মই বৰ অস্বস্তি অনুভৱ কৰিলেও 'হয়' বুলি ক'বলৈ বাধ্য হ'লোঁ। তেওঁ ক'লে— মই আপোনাৰ উপন্যাসখন তিনিবাৰ পঢ়িছোঁ। প্ৰথমবাৰ কিতাপখন প্ৰকাশ হওঁতে, তেতিয়া মই কটনৰ ছাত্ৰ আছিলোঁ। নিজৰ কলেজখনৰ বিষয়ে কিনো লিখিছে তাক জানিবৰ বাবে থকা কৌতূহলৰ বাবে পঢ়িছিলোঁ। দ্বিতীয়বাৰ পঢ়িলোঁ চাকৰি জীৱনত, সেইবাৰ উপন্যাসখনে সাহিত্য হিচাপে কিমান দূৰ সফল হৈছে তাক নিৰ্ণয় কৰিবলৈ পঢ়ি চালোঁ। যোৱা গ্ৰন্থমেলাত পুনৰ কিতাপখন কিনিলোঁ মই চাকৰিৰ পৰা ৰিটায়াৰ কৰাৰ পিছত।' মই তেওঁৰ কথা শুনি অলপ কৌতূহ'ল হৈ সুধিলোঁ— 'তৃতীয়বাৰ কিয় কিনিলে?' তেওঁ ক'লে— 'এতিয়া আমাৰ কোনো ভৱিষ্যৎ নাই। মাথোঁ আছে অতীত। আমাৰ লগৰ বহুতে আজিকালি ৰিটায়াৰ কৰি কি লিখে দেখিছেনে নাই— আমাক পঢ়ুওৱা শিক্ষকসকল, চাকৰি জীৱনৰ মনোৰম অভিজ্ঞতা ইত্যাদি। ভৱিষ্যতৰ কথা নাই, বৰ্তমান নাই, মাথোঁ অতীতলৈ উভতি যোৱাৰ চেষ্টা। ময়ো সেয়েহে সেই অতীতলৈ ঘূৰি যাবৰ কাৰণেই পুনৰ কটন কলেজ পঢ়িলোঁ।'

এৰা 'কটন কলেজ' সেইজন পাঠকৰ কাৰণেই নহয় মোৰ বাবেও মাথোঁ এটা

অতীত। কিছু বছৰ আগেয়ে ছিপাঝাৰলৈ গৈছিলোঁ— নৰ্থ-ইষ্ট ফাউণ্ডেচনৰ দ্বাৰা আয়োজিত এখন গ্ৰন্থমেলালৈ। বাছৰ পৰা নামি সন্মুখত এখন চাহৰ দোকান দেখি চাহ একাপ খাই যাওঁ বুলি সোমালোঁ। বিপৰীত ফালে থকা ক্লাবটোত গ্ৰন্থমেলাৰ লগতে সংগতি ৰাখি পতা ল'ৰা-ছোৱালীৰ মাজত এখন কুইজ প্ৰতিযোগিতা হৈ আছিল। মাইকত কুইজ মাষ্টাৰে সোধা প্ৰশ্নবোৰ ভাহি আহিছিল। হঠাৎ এটা প্ৰশ্ন শুনিলোঁ— 'অসমীয়া ভাষাত এখন কলেজৰ জীৱনক কেন্দ্ৰ কৰি লিখা প্ৰথম উপন্যাসখনৰ নাম কি আৰু লেখকজনৰ কোন আছিল ?' দুই-এজনে ভুল উত্তৰ দিয়াত পিছত কোনোবা এজনে ক'লে— 'কটন কলেজ'। লেখকজন কোন ? নাই এইটো উত্তৰ দিব পৰা নাই। শেষত কোনোবাই নামটো ক'লে। চাহকাপ খাই গ্ৰন্থমেলালৈ সোমাই গ'লোঁ। সেই সময়ত নৰ্থ-ইষ্ট ফাউণ্ডেচনৰ সৈতে জড়িত হৈ থকাৰ বাবে মোক গ্ৰন্থমেলাৰ আয়োজকসকলে সেইদৰেই আদৰণি জনালে। লগতে তেতিয়া মোৰ আৰু এটা পৰিচয় আছিল 'সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সন্থা' আৰু 'উত্তৰ-পূব গ্ৰন্থমেলা'ৰ সভাপতি হিচাপে। মোক এই বুলিয়েই ছাত্ৰ-ছাত্ৰী আৰু গ্ৰন্থমেলালৈ অহা ব্যক্তিসকলৰ লগত পৰিচয় কৰাই দিলে। কিন্তু অলপ আগতে কুইজত সোধা প্ৰশ্নটোৰ লেখকজনেই যে এইজন এই কথা কোনেও নক'লে। কুইজ মাষ্টাৰজনকো লগ পালোঁ। পৰিচয়ো হ'লোঁ, তেৰোঁ মোক চিনি নাপালে।

দিলীপ বৰুৱা কটন কলেজৰ অধ্যক্ষ হৈ থাকোঁতে মোক কৈছিল—'আপুনি জানেনে আপুনি এটা 'কুইজৰ ছাবজেক্ট'।' দিলীপ বৰুৱাই এষাৰ সঁচা কথাই কৈছে। কটন কলেজৰ লগত মোৰ এটাই পৰিচয়— মই মাথোঁ এটা 'কুইজৰ প্ৰশ্ন'। তাৰ বাহিৰে আৰু অন্য কোনো পৰিচয় নাই। ❑

সেই শুভ দিনটোৰ প্ৰতীক্ষাত

ড° পদ্মপাণি

স্কুলত পঢ়ি থাকোঁতে 'ডাঙৰ হ'লে কি পঢ়িবা' বুলি সুধিলে লগৰসকলৰ কোনোবাই উত্তৰ দিছিল— 'ইঞ্জিনিয়াৰিং পঢ়িম', কোনোবাই উত্তৰ দিছিল— 'মেডিকেল পঢ়িম'। মই পিছে কৈছিলোঁ— 'কটনত পঢ়িম'। পিছত বুজিছিলোঁ— 'সাধাৰণ বিজ্ঞান পঢ়িম' বুলি কোৱা হ'লেহে মোৰ উত্তৰটো সঠিক হ'লহেঁতেন। কিন্তু সৰুৰে পৰা পিতৃ আৰু ডাঙৰ দাদাৰ মুখত কটন কলেজ তথা এই কলেজৰ মহান শিক্ষকসকলৰ কথা শুনি শুনি এই কলেজত পঢ়াৰ প্ৰতি এটি দুৰ্বাৰ আকাংক্ষা ওপজিছিল। আনকি মই নৱম মানত পঢ়ি থাকোঁতে গুৱাহাটীলৈ আহোঁতেও চাবলগীয়া 'বস্তু'ৰ তালিকাৰ প্ৰথমতেই আছিল কটন কলেজ। সেয়েহে, ১৯৬৬ চনত উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত লগৰখিনি ইঞ্জিনিয়াৰিং, মেডিকেল পঢ়িবলৈ যেতিয়া বিভিন্ন ঠাইলৈ গ'লগৈ, মই আহিলোঁ কটন কলেজলৈ। কলেজত ভৰ্তি হোৱাৰ পিছত দ্বিতীয় ছাত্ৰাবাসৰ (বৰ্তমানৰ শ্বহীদ ৰঞ্জিৎ বৰপূজাৰী ছাত্ৰাবাস) আবাসী হ'লোঁ। পূৰ্বপৰিকল্পিতভাৱে মোৰ ৰুমমেট হ'ল জিতেন্দ্ৰনাথ গোস্বামী।

কটন কলেজলৈ আহিয়েই দুটা বিশেষ সৌভাগ্য হ'ল— প্ৰথমটো হ'ল অসমৰ বিভিন্ন ঠাইৰ, বিভিন্ন ভাষাৰ, বিভিন্ন সংস্কৃতিৰ এজাক অতি মেধা আৰু গুণী ছাত্ৰৰ সান্নিধ্য লাভ আৰু দ্বিতীয়টো হ'ল— এটি পৰিয়ালৰ দৰে সকলো মিলি-জুলি খোৱা-বোৱা, খেলা-ধূলা, পঢ়া-শুনা, গান-বাজনা কৰি বা সৰস্বতী পূজা, নবাগত আদৰণী সভা আদিৰ আয়োজন কৰি লাভ কৰা ছাত্ৰাবাস-জীৱনৰ অপূৰ্ব মাদকতা। আমাৰ সময়ৰ ছাত্ৰাবাসৰ আবাসীসকলক লৈ আমি গৌৰৱান্বিত। সেই আবাসীসকলৰ মাজত আছিল ড° অনিল কুমাৰ সিংহ, ৰবীন্দ্ৰমোহন গোস্বামী,

ড° মহন্ত কলিতা, মৃণাল কুমাৰ বৰুৱা (অসম চৰকাৰৰ আয়ুক্ত হৈ অৱসৰপ্ৰাপ্ত), ড° জিতেন্দ্ৰনাথ গোস্বামী ('চন্দ্ৰযান-১'ৰ প্ৰধান বিজ্ঞানী), হৰিশ সোণোৱাল (অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগৰ প্ৰধান সচিব) সত্যেন্দ্ৰ নাথ ভূঞা (আয়কৰ আয়ুক্ত), সুমিত দত্ত মজুমদাৰ (শুল্ক বিভাগৰ আয়ুক্ত) পংকজ ঠাকুৰ (বিশিষ্ট লেখক আৰু চলচ্চিত্ৰ কাহিনীকাৰ), সঞ্জীৱ বৰুৱা (বিশিষ্ট সমাজ বিজ্ঞানী), প্ৰণৱ চৌধুৰী (সেই সময়ৰ কটন কলেজ ছাত্ৰ ইউনিয়নৰ সাধাৰণ সম্পাদক আছিল। অতি সৎ, স্পষ্টবাদী বাবে তেওঁ সকলোৰে প্ৰিয় আছিল), তোসেন বৰা (আন্তৰ্জাতিক খ্যাতিসম্পন্ন ফুটবল খেলুৱৈ), সূৰ্য গোস্বামী (বিশিষ্ট তাবলা-বাদক), ড° কৃষ্ণগোপাল ভট্টাচাৰ্য (বিশিষ্ট শিক্ষাবিদ), উৎপলানন্দ শৰ্মা (বৰ্তমান অসম চৰকাৰৰ পৰ্যটন বিভাগৰ সচিব), শিৱব্ৰত কাকতি (অতিৰিক্ত আৰক্ষী সঞ্চালক-প্ৰধান, অসম), কমাৰ্চিয়েল আৰ্টৰ যোগেদি বিদেশত বিশেষ বুৎপত্তি লাভ কৰা অমূল্য বৰুৱা, চিৰঞ্জিৎ চলিহা, উল্লাস ঘোষ আদি। ইয়াৰ মাজৰে অতি সৎ, মেধাৱী ছাত্ৰ সত্যেন্দ্ৰ নাথ ভূঞা, কলেজৰ বিভিন্ন তৰ্ক, কুইজ আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতাত বিশেষ কৃতিত্ব লাভ কৰা চিৰঞ্জিৎ চলিহা আৰু হাঁহিমুখীয়া উল্লাস ঘোষ অকালতে আমাৰ পৰা হেৰাই গ'ল। এওঁলোকৰ মৃত্যু আমাৰ বাবে যেনেকৈ অতি বেদনাদায়ক, অসমবাসীৰ বাবেও সেইদৰে অতি দুৰ্ভাগ্যজনক।

হোষ্টেললৈ আহি অধীক্ষক হিচাপে পাইছিলোঁ অধ্যাপক শিৱপ্ৰসাদ ঘোষ ছাৰক। ছাৰৰ আৱাসীসকলক কৰা মৰম-চেনেহ, হোষ্টেলৰ খোৱা-বোৱাৰ প্ৰতি লোৱা যত্ন আৰু বিশেষকৈ কোনো আৱাসী অসুস্থ হৈ পৰিলে তেখেতে লোৱা পিতৃৱৎ আদৰ-যত্ন আমি চিৰদিন শ্ৰদ্ধাৰে সুঁৱৰিম। ছাৰে যিকোনো ধৰণৰ অপব্যয় মনে-প্ৰাণে বেয়া পাইছিল। মই ব্যক্তিগতভাৱে ছাৰৰ এই বিশেষ গুণটো আয়ত্ত কৰিবলৈ যত্ন কৰিছিলোঁ।

কলেজৰ শ্ৰেণীত মোহ্‌চিন আলি, অনিল শইকীয়া, জয়ন্তীমালা বৰুৱা, আৰতি বৰা, কল্পনা বৰা, ভূপেন্দ্ৰ নাথ গোস্বামী (বিশিষ্ট বিজ্ঞানী), পতঞ্জলি চৌধুৰী (এওঁ পিছলৈ এজন বিশিষ্ট কম্পিউটাৰ বিজ্ঞানী হৈ উঠিছিল। কিন্তু এটি অতি দুৰ্ভাগ্যজনক পৰিস্থিতিত অষ্ট্ৰেলিয়াত মৃত্যুবৰণ কৰিবলগীয়া হৈছিল।) ভূপেন তালুকদাৰ (এইজন বিনয়ী, মেধাৱী ছাত্ৰও আজি আমাৰ মাজত নাই।) আদি ছাত্ৰসকলৰ সান্নিধ্যলৈ আহি বিশেষ উপকৃত হৈছিলোঁ।

কলেজখনলৈ আহিয়েই অধ্যয়ন, গৱেষণা আদিৰ ক্ষেত্ৰত যেনেদৰে এটি অতি সুস্থ শৈক্ষিক পৰিবেশ পাইছিলোঁ, সেইদৰে সাহিত্য, সংগীত, তৰ্ক, কুইজ, খেলা-ধূলা আদিতো এটি অতি অনুকূল পৰিৱেশ পাইছিলোঁ। তদুপৰি, নৱাগত আদৰণী সভা, সৰস্বতী পূজা আদিত নিজে সক্ৰিয় ভূমিকা লৈ ভৱিষ্যতৰ এজন

সু-নাগৰিক হিচাপে গঢ়ি উঠাৰ পূৰ্ণ সুযোগ লাভ কৰিছিলোঁ। মাজে-মাজে মেছ-মেনেজাৰ হ'বলগীয়া হোৱাত ভালদৰে বজাৰ-সমাৰ কৰা, নিয়াৰিকৈ হিচাপ-পত্ৰ ৰখা কামবিলাক শিকাৰো সুযোগ পাইছিলোঁ। এইদৰেই কটন কলেজে আমাক ভৱিষ্যতে ব্যক্তিগত আৰু সামাজিক জীৱনৰ সকলো দিশতে ভাগ ল'ব পৰাকৈ সক্ষম কৰি তুলিছিল। ঘৰত বা স্কুলীয়া জীৱনত পোৱা সততা, অনুশাসন, দেশপ্ৰেম, সামাজিক দায়বদ্ধতাৰ আদিপাঠৰ ব্যৱহাৰিক জ্ঞান কটন কলেজেই শিকাইছিল। অধ্যক্ষ নুৰুল ইছলাম ছাৰৰ পৰা যেনেকৈ শিকিছিলোঁ সততা, অনুশাসন, দুৰ্নীতিমুক্ত প্ৰশাসন, সেইদৰে ড° গোবিন্দ চন্দ্ৰ ডেকা, কুলেন্দু দেব ক্ৰোৰী আদি ছাৰৰ পৰা পাইছিলোঁ গৱেষণা কৰাৰ অফুৰন্ত স্পৃহা, দিলীপ বৰুৱা ছাৰৰ পৰা শিকিছিলোঁ তৰ্ক, কুইজ, দেৱেন দত্ত, শ্যামাপ্ৰসাদ শৰ্মা আদি ছাৰসকলৰ পৰা শিকিছিলোঁ নাটক, মহেশ ভূঞা ছাৰৰ পৰা শিকিছিলোঁ যিকোনো শৈক্ষিক দায়িত্ব বা সামাজিক কাম সময়মতে আৰু নিয়াৰিকৈ কৰাৰ জ্ঞান আৰু দেৱীচৰণ মহন্ত, নাৰায়ণ শৰ্মা, দিলীপ কাকতি, প্ৰিয়লাল পাঠক আদি ছাৰৰ পৰা খেলা-ধূলাৰ প্ৰেৰণা। সেই সময়ৰ কটনৰ শিক্ষকসকলৰ নাম অসমৰ শিক্ষা তথা সামাজিক জীৱনত সুপৰিচিত। অসমৰ ৰাইজে কটনৰ অধ্যাপক এজনক যেনে সন্মান কৰিছিল, সেই সন্মান অসমৰ আজি কেইজন শিক্ষাবিদ, কেইজন উচ্চপদস্থ চৰকাৰী চাকৰিয়াল, কেইজন আমোলাৰ ভাগ্যত ঘটে?

মোৰ সেই পৰম শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলৰ কাৰ নাম উল্লেখ কৰোঁ? ভয় হয় জানোচা কোনোবা গুণীজনৰ নাম থাকি যায়, জানোচা অজানিতে কোনোবাৰ মনত আঘাত দিওঁ। অসমৰ শিক্ষা, সংস্কৃতি, সাহিত্য জগতৰ সেই ভোটাতৰাসকলৰ কেইজনমান হ'ল বিনয়ভূষণ চৌধুৰী, বাপুকৃষ্ণ চৌধুৰী, ইক্ৰামুদ্দিন শইকীয়া, নৱকান্ত বৰুৱা, লক্ষহীৰা দাস, পাৰকুট্টি বৰুৱা, হৰিদেৱ গোস্বামী, বীৰেন্দ্ৰ কুমাৰ বৰুৱা, ৰামকুমাৰ দাস, টাবুৰাম টাইড, কৃষ্ণকান্ত বৰা, হেমন্ত কুমাৰ শৰ্মা, জ্যোতিধৰ ৰাজখোৱা, দুৰ্গেশ্বৰ দাস, হৰিদেৱ গোস্বামী, কিশোৰী মোহন পাঠক, কুলেন্দু পাঠক আদি। এইসকলৰ জ্ঞানোজ্জ্বল মুখকেইখন এখনৰ পিছত ইখনকৈ মোৰ মানসপটত ভুমুকি মাৰি আজি চল্লিছ বছৰ পিছত তেখেতসকলৰ প্ৰতি শ্ৰদ্ধা আৰু কৃতজ্ঞতাত পুনৰ শিৰ নত কৰি তুলিছে। আৰু সেই সময়ৰ শিক্ষা, সংস্কৃতি, সাহিত্য, খেলা-ধূলা সকলোতে আগৰণুৱা দীনেশ গোস্বামী, সুশীল গোস্বামী, জ্যোতি কাকতি, অমৰজ্যোতি চৌধুৰী, মলয় দত্ত, সত্যেন চৌধুৰী, ৰুণিমী ভট্টাচাৰ্য, বন্দনা দত্তবৰুৱা, দিগন্ত খাৰঘৰীয়া, লীলা কানুনগা, অঞ্জলি বৰঠাকুৰ, নন্দিতা ভট্টাচাৰ্যৰ দৰে সেইচাম কটনিয়ানৰ কথাকেই বা পাহৰোঁ কেনেকৈ?

কিন্তু অতি দুৰ্ভাগ্যৰ কথা, কটনৰ সেই শৈক্ষিক পৰিৱেশ, সেই গৱেষণাৰ

পৰিৱেশ আজি নাই। নাই শিক্ষকসকলৰ সেই সুনামো। আজি কেইমাহমান আগতে বন্ধুবৰ ড° ইন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ অনুৰোধত ড° জিতেন্দ্ৰনাথ গোস্বামীৰ লগত আমাৰ অতি চেনেহৰ এই কলেজখনলৈ যাওঁতে এই কথা বৰ কৰুণভাৱে উপলব্ধি কৰিছিলোঁ। এইখন কলেজৰ কিবা সাফল্যৰ বাতৰি এটি পালে যেনেদৰে আনন্দত অন্তৰখন উথলি উঠে, সেইদৰে কলেজখনৰ কিবা অবাঞ্ছিত খবৰ পালেও বৰ হতাশ হওঁ। কলেজখনৰ বৰ্তমান দুৰ্বল প্ৰশাসন, শিক্ষক নিয়োগত অবাঞ্ছিত ৰাজনৈতিক হস্তক্ষেপ, অনিয়মীয়া পাঠদান, মেধা, গৱেষণা তথা শিক্ষাদানৰ প্ৰতি আগ্ৰহীজনতকৈ ৰাজনৈতিক স্বাৰ্থতহে চাকৰিত নিযুক্তি, অধ্যাপক-প্ৰবক্তাসকলৰ বৌদ্ধিক চিন্তা-চৰ্চাৰ অভাৱ, শ্ৰেণীৰ পাঠদানতকৈ টিউচনৰ টকাৰ প্ৰতি অধিক আগ্ৰহী, প্ৰশাসন তথা শৈক্ষিক বিষয়ত ছাত্ৰনেতাসকলৰ অবাধ হস্তক্ষেপ, বন্ধ, ছুটীৰ পয়োভৰ আদি এশ-এটা সমস্যাই কলেজখনৰ পূৰ্ব গৌৰৱ ম্লান কৰি পেলাইছে। কিন্তু অসমৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰতেই কটনৰ পূৰ্বৰ পৰিৱেশ ঘূৰাই অনা দৰকাৰ। তাৰ বাবে প্ৰাথমিক চৰ্ত হ'ব ড° গোবিন্দ চন্দ্ৰ ডেকা, বীৰেন বৰুৱা, মহেশ ভূঞা, দিলীপ বৰুৱা আদিৰ দৰে এচাম শিক্ষকৰ, নুৰুল ইছলাম ছাৰৰ দৰে দক্ষ প্ৰশাসকৰ, যিসকলে ছাত্ৰ-ছাত্ৰীক সকলো ধৰণে উদ্বুদ্ধ কৰিব পাৰিব এজন সুনাগৰিক হোৱাৰ।

পামনে বাৰু আমি তেনে এচাম শিক্ষক? আহিবনে আকৌ ঘূৰি কটনৰ সেই পৰিৱেশ?? মোৰ দৃঢ় বিশ্বাস— আমাৰ সকলোৰে ঐক্যবদ্ধ আৰু ঐকান্তিক প্ৰচেষ্টাত সেই দিন নিশ্চয় ঘূৰি আহিব।

কটনৰ প্ৰতিজন শুভাকাংক্ষী আশাৰে বাট চাই আছে সেই শুভ দিনটোলৈকে।❑

কটন কলেজ ঃ এটি স্মৃতি ৰোমন্থন

হৰিশ সোণোৱাল

(১)

১৯৬৫ চনত প্ৰবেশিকা পাছ কৰি শিৱসাগৰৰ জয়সাগৰ কলেজত নামভৰ্তি কৰাৰ কথা ভাবিলোঁ। পিছে ইতিমধ্যে কানে কলেজত পঢ়ি থকা ককাইদেউ শ্ৰী গিৰীশ সোণোৱাল আৰু সহপাঠী শ্ৰী ধনীৰাম বড়াই কটন কলেজত পঢ়িবলৈ মানস কৰি ডাকযোগে নামভৰ্তি ফৰ্ম নিয়াত আয়ে মোকো জয়সাগৰৰ সলনি কটনতে পঢ়াৰ কথা ক'লে।

নামভৰ্তি ফৰ্ম নিবলৈ সময় নথকাত, মই আগধৰি অকলে গুৱাহাটীলৈ বুলি ৰে'লেৰে ডিব্ৰুগড়ৰ পৰা যাত্ৰা আৰম্ভ কৰিলোঁ। গুৱাহাটী মোৰ বাবে নতুন ঠাই। ৰে'লৰ পৰা নামি প্লেটফৰ্মৰ পৰা ওলাই আহি ভাবিলোঁ যাওঁ কলৈ। হঠাৎ পঞ্চম শ্ৰেণীত পঢ়ি থাকোঁতে শ্ৰেণীত শিক্ষকে বন্ধুলৈ চিঠি লিখিবলৈ দিয়াত, মোৰ কাষত বহা সহপাঠী প্ৰয়াত ফণী গগৈয়ে বন্ধুৰ ঠিকনা পাণবজাৰ, গুৱাহাটী দিয়াটো মনত পৰিল। ৰিক্সাবালাক গুৱাহাটীৰ চুক-কোণ চিনি পোৱাৰ ভাও দেখুৱাই কলোঁ— 'ব'ল, পাণবজাৰলৈ ব'ল।' ৰিক্সা চলিল। য'তদূৰ মনত পৰে, ৰিক্সাবালাই পাণবজাৰ ছোৱালী হাইস্কুলৰ কাষেৰে নাগকটা পুখুৰী হৈ পাণবজাৰলৈ নিছিল। ভাবিছিলোঁ ৰাস্তাত হোটেল দেখিলেই ৰিক্সা ৰখাই নামি পৰিম। কিন্তু তেনে কোনো হোটেল চকুত নপৰিল। বৰ্তমানৰ মহেন্দ্ৰমোহন হাস্পতাল অতিক্ৰম কৰাৰ পিছত ৰিক্সাবালাই কলে— 'ক'ত যাব, পাণবজাৰতো ইয়াতে শেষ।'

মই কলোঁ— 'হয় নেকি তেন্তে ইয়াতে ৰাখ।'

ৰিক্সাৰ পৰা নামি ইফালে-সিফালে খোজ লওঁতে অশোকা ৰেষ্টোৰেণ্টখন চকুত পৰিল। তাত সোধা-পোছা কৰিলত তেওঁলোকে টকৌৱাৰীত থকা ছানৰাইজ হোটেলখনৰ কথা ফলত ৰিক্সাৰে আহি ছানৰাইজত উঠিলোঁ।

পিছদিনা পুৱাতে, মানুহক সুধি সুধি কটনলৈ বুলি টকৌবাৰীৰ পৰা পদযাত্ৰা আৰম্ভ কৰিলোঁ আৰু হঠাৎ লয়াৰ্চ বুক ষ্টলখন চকুত পৰাত মনটো ভাল লাগি গ'ল। সদায় শুনি থকা কিতাপ দোকানখনলৈ সোমাই গলোঁ। সোমাই গৈ সুধিলোঁ— 'কটন কলেজখন ক'ত অনুগ্ৰহ কৰি ক'বনে?'

'কটন কলেজ?'— মোলৈ চাই কিতাপ বিক্ৰেতাজনে কলে— 'এই চাৰিআলিটো পাৰ হোৱাৰ পিছত কটন কলেজেই, কটন কলেজ।' আৰু সেইদৰে সিদিনা মই আৱিষ্কাৰ কৰিছিলোঁ কটন কলেজ, য'ত মই পাৰ কৰিছিলোঁ জীৱনৰ মূল্যবান চাৰিটা বছৰ— আৰু য'ত আৰম্ভ আৰু শেষ কৰিছিলোঁ কলেজীয়া শিক্ষা।

নামভৰ্তি ফৰ্ম যোগাৰ কৰি, তাক পূৰাই পুনৰ জমা দিছিলোঁ। ইতিমধ্যে ককাইদেউহঁত আহি পোৱাত আটায়ে লগ লাগি ছুপাৰৰ অনুমতি লৈ ছেকেণ্ড মেচত থাকিবলৈ ললোঁ। ছুপাৰ আছিল শিৱ ঘোষ ছাৰ। তেখেত বৰ মৰমিয়াল আৰু ব্যক্তিত্বসম্পন্ন লোক আছিল। এড্‌মিচনৰ সময়ত তেওঁ আমাৰ ছেকেণ্ড মেচত থকাটো 'ৰেগুলাৰাইজড্' কৰি দিছিল।

ছেকেণ্ড মেচত থাকি কটন কলেজত পঢ়িবলৈ পাই আমি বৰ গৌৰৱ অনুভৱ কৰিছিলোঁ। কিয়নো ভাষা জননীৰ বাবে জীৱন আহুতি দিয়া ৰঞ্জিত বৰপূজাৰী ছেকেণ্ড মেচৰ বাসিন্দা আছিল। তদুপৰি অসমীয়া সাহিত্যৰ কেইবাগৰাকীও ভোটাতৰা স্বৰূপ— শ্ৰীযুত হোমেন বৰগোহাঞি, প্ৰয়াত ভবেন্দ্ৰ নাথ শইকীয়া, শ্ৰীযুত হীৰেণ দত্ত আদি ছেকেণ্ড মেচৰে বাসিন্দা আছিল।

নৱাগত আদৰণী সভা নোহোৱালৈকে কিছু চুৰ্চুৰীয়া ৰেগিঙৰ উৎপাত সহিব লগা হৈছিল। এনে তিতা-মধুৰ ৰেগিঙৰ অভিজ্ঞতা আন এটা লেখনীত ইতিমধ্যে কটন কলেজৰ স্মৃতিগ্ৰন্থ এখনত প্ৰকাশ হৈ গৈছে। নৱাগত আদৰণিৰ পিছত কিন্তু হোষ্টেলৰ পৰিৱেশ অতি সৌহাৰ্দ্যপূৰ্ণ, সুন্দৰ আৰু জ্ঞান সাধনাৰ কেন্দ্ৰস্বৰূপ হৈ পৰিছিল। ছিনিয়ৰক শ্ৰদ্ধা আৰু জুনিয়ৰক মৰম-আদৰ কৰা ঐতিহ্যই আমাক একেবাৰে মোহিত কৰি পেলাইছিল। পঢ়া-শুনাৰ উপৰি খেলা-ধূলা, অন্যান্য সাংস্কৃতিক কাৰ্যক্ৰমণিকাতো সেই সময়ৰ বাসিন্দাসকলে সমানে ভাগ লৈছিল। সদায় আবেলি ছেকেণ্ড মেচৰ দুটা ব্লকৰ (ছেকেণ্ড আৰু থাৰ্ড) মাজৰ ফিল্ডখনত ফুটবল খেলি আৰু ৰবিবাৰ, বন্ধ বাৰত ক্ৰিকেট খেলি ফূৰ্তি-ফাৰ্তা কৰি সময় কটাইছিল বাসিন্দাসকলে। বহুতো প্ৰতিভাৱান ছাত্ৰ, সেই সময়ৰ ছেকেণ্ড মেচৰ বাসিন্দা আছিল। সেইসকলৰ সৰহসংখ্যকে জীৱনত সু-প্ৰতিষ্ঠিত হৈ অসম আৰু অসমৰ বাহিৰতো সাফল্যৰ জীৱন অতিবাহিত কৰিছে। দুই-একে ইহ জগতৰ পৰা অকালতে বিদায়ো লৈছে। তাৰ ভিতৰত যোৰহাট জে বি কলেজৰ ইংৰাজী প্ৰবক্তা চিৰঞ্জিত চলিহা আৰু আয়কৰ আয়ুক্ত হৈ থকা অৱস্থাত জীৱন অৱসান ঘটা সত্যেন্দ্ৰ নাথ ভূঞা অন্যতম। সেই সময়ৰ সততে মনলৈ অহা ছেকেণ্ড মেচৰ

বাসিন্দাসকলৰ ভিতৰত বৰ্তমান অসমৰ মুখ্য সচিব শ্ৰীযুত প্ৰফুল্ল শৰ্মা, অসমৰ এড্‌ভোকেট জেনেৰেল শ্ৰীযুত অমৃত ফুকন, অতিৰিক্ত এড্‌ভোকেট জেনেৰেল শ্ৰীযুত অতুল বুঢ়াগোহাঞি, ডি জি পি শ্ৰী শিৱব্ৰত কাকতি, ৰিটায়াৰ্ড আয়ুক্ত সচিব শ্ৰী মৃণাল বৰুৱা, পৰ্যটন বিভাগৰ ডাইৰেক্টৰ শ্ৰী দিলীপ বৰুৱা, সেই বিভাগৰে সচিব শ্ৰী উৎপল শৰ্মা, সুলেখক টাইমচ্ অব্ ইণ্ডিয়াৰ 'অসমীয়া সময়'ৰ সম্পাদক শ্ৰী পংকজ ঠাকুৰ, বিখ্যাত বৈজ্ঞানিক শ্ৰী জিতেন গোস্বামী, শ্ৰী অনিল সিন্‌হা, শ্ৰী প্ৰদীপ বৰুৱা, শ্ৰী পদ্মপাণি মহন্ত, গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰবক্তা শ্ৰী ৰঞ্জু বেজবৰুৱা, শ্ৰী কৃষ্ণগোপাল ভট্টাচাৰ্য, কটন কলেজৰ প্ৰবক্তা শ্ৰীযুত প্ৰসেনজিৎ চৌধুৰী অন্যতম। ইয়াৰ উপৰি নাম উল্লেখ নকৰা আন বহুতো লোক বিভিন্ন স্থানত সুপ্ৰতিষ্ঠিত হৈ জীৱন নিৰ্বাহ কৰি আছে। এইসকল লোক, কটনৰ একাংশ লোকহে। কিয়নো তেওঁলোক আছিল ছেকেণ্ড মেচৰ বাসিন্দা, তাকো আমি ছেকেণ্ড মেচ আৱাসী হৈ থকা সময়ৰহে।

সেই সময়ত অসমত খাদ্য সংকটে দেখা দিয়াত চৰকাৰৰ ফালৰ পৰা ৰেচনৰ চাউল্ল আবণ্টিত হৈছিল আৰু তেনে আবণ্টিত চাউলবোৰ অতি দুৰ্গন্ধযুক্ত আছিল। আমি গৈ ছুপাৰ শ্ৰীযুত শিৱ ঘোষ ছাৰক আপত্তি দৰ্শোৱাত তেওঁ ক'লে— 'নাক-কাণ মুদি খাবা কোনো ৰকম, উপাই নাই।'

আমি কলোঁ— 'ছাৰ, নাক নুমুদে নহয় চকুহে মুদে।' ৰাতি ছুপাৰৰ ঘৰৰ বাৰাণ্ডাৰ আন্ধাৰৰ পৰাই শিৱ ঘোষ ছাৰে আমালৈ পেন্দুৱাকৈ চোৱাৰ দৃশ্যটো এতিয়াও মনত আছে।

কটনৰ আটাইতকৈ আকৰ্ষণীয় দিশটো আছিল আমাৰ সেই সময়ৰ শিক্ষাগুৰুসকল আৰু কটন কলেজ লাইব্ৰেৰীটো। শিক্ষাগুৰুসকলৰ প্ৰত্যেকজনেই আছিল দেখিলেই ভক্তি ওপজা ব্যক্তি । মোৰ অসমীয়াত অনাৰ্ছ আছিল। আমাৰ অসমীয়াৰ হেড আছিল প্ৰয়াত বিনয়ভূষণ ছাৰ। আন আন ছাৰসকলৰ ভিতৰত আছিল শ্ৰীযুত নাৰায়ণ ঠাকুৰীয়া, নাৰায়ণ শৰ্মা ছাৰ, হেমন্ত কুমাৰ শৰ্মা ছাৰ, বিশ্বেশ্বৰ হাজৰিকা ছাৰ। বাইদেউ এগৰাকীয়েই আছিল— তেওঁ আছিল শ্ৰীযুক্তা ভুবনেশ্বৰী বৈশ্য বাইদেউ। আমাৰ হেড প্ৰয়াত বিনয় ভূষণ চৌধুৰী ছাৰে যাকে লগ পালেও পিতৃসুলভ স্নেহ সানি কৈছিল— 'কিহে গাধা ভালনা..।' সেই কথা নতুনকৈ আহি প্ৰবক্তা হিচাপে যোগদান কৰা আমাৰ শ্ৰদ্ধাৰ অন্য এটা বিভাগৰ শিক্ষাগুৰু এগৰাকীয়ে গৈ 'কমপ্লেইন' কৰিলেগৈ অধ্যক্ষক। অধ্যক্ষই সেই কথাকে চৌধুৰী ছাৰক কোৱাত তেওঁ হেনো কৈছিল— 'সি গাধাই কমপ্লেইন কৰছে, তুহ্মন গাধাই শুনছা কিয়।' অধ্যক্ষকে যেতিয়া গাধা সম্বোধন কৰিলে আৰু থাকিল কি? নতুন প্ৰবক্তাজন আৰু তাত নৰ'ল। কথাটোৱে কিছুদিনলৈ আমাক নিৰ্দোষ আৰু বিমল হাঁহিৰ খোৰাক যোগাইছিল।

ওপৰত উল্লেখ কৰা হৈছে যে কটন কলেজৰ লাইব্ৰেৰীটো মোৰ এক বিশেষ আকৰ্ষণৰ বস্তু আছিল। সেই লাইব্ৰেৰীত স্কুলীয়া দিনত শুনি থকা আৰু পঢ়িবলৈ হাবিয়াস

থকা বহুতো প্ৰাপ্য, দুষ্প্ৰাপ্য কিতাপ দেখিবলৈ পাইছিলোঁ। সেই কিতাপ ধাৰ কৰি আনি পঢ়িছিলোঁ— আৰু তেনেকৈয়ে মোৰ পাঠ্যপুথিৰ বাহিৰৰ অনেক কিতাপ পঢ়া হৈ গৈছিল। দ্বিতীয়তে তাত আছিল মহাভাৰতৰ আকৃতিৰ পকা বন্ধাই থোৱা পুৰণি আলোচনীসমূহ। আৱাহন, ৰামধেনুকে আদি কৰি প্ৰায়ভাগ আলোচনীৰ পুৰণি লেখাসমূহ পঢ়াৰ সৌভাগ্য তেনেকৈয়ে ঘটিছিল মোৰ।

ওপৰত উল্লেখ কৰা অসমীয়া বিভাগৰ শিক্ষাগুৰুসকলৰ ওপৰি আন আন বিভাগৰ আমাৰ অতি শ্ৰদ্ধাৱান শিক্ষাগুৰুসকলৰ ভিতৰত ইংৰাজীৰ প্ৰয়াত বসন্ত দাস, শ্ৰীযুত প্ৰবীণ গগৈ, শ্ৰীযুত প্ৰণৱ বৰা (পিছলৈ অসমৰ মুখ্য সচিব) শ্ৰীযুত দেৱেন দত্ত, অৰ্থনীতিৰ শ্ৰীযুত নগেন শইকীয়া, শ্ৰীযুক্তা তৃষ্ণা মহন্ত, শ্ৰীযুত আই হুছেইন অন্যতম। এইসকল শ্ৰদ্ধাভাজন শিক্ষাগুৰুৰ পাঠদানৰ কথা সোঁৱৰিলে এতিয়াও শ্ৰদ্ধাত মূৰ দোঁ খাই আহে।

অৱশ্যে আমি উৎপতীয়াও আছিলোঁ। লোহাৰ ৰেলিঙেৰে ওলাই গৈ ৰাতি ৰাতি ছেকেণ্ড শ্ব' চোৱা, শনিবাৰে সন্ধ্যা তাচপাশাত বহি সোমবাৰে ৰাতিপুৱাহে সেই পাশাখেলৰ সমাপ্তি ঘটোৱা— ৰাতি মাজতে গৈ ৰে'ল ষ্টেচনত চাহ খাই অহা দুষ্কাৰ্যতো লিপ্ত হৈছিলোঁ। কিন্তু পঢ়াৰ সময়ত অৱশ্যে সদায়েই 'পঢ়াই পঢ়ে ৰোৱে পাণ' আছিলোঁ।

এতিয়া ভাবিলে আচৰিত হওঁ, কি ভাবিনো কেতিয়াবা আবেলি অকলে অকলে গৈ দীঘলীপুখুৰীত সাতুৰিছিলোঁ। মাজে মাজে বিভিন্ন সাতোৰোৰে দীঘে দীঘে পুখুৰীটো পাৰ হ'বলৈকো ধৃষ্টতা কৰিছিলোঁ। আৰু শীতকালৰ ঠাণ্ডাকো আওকাণ কৰি ৰাতি আন্ধাৰতে উঠি দৌৰিছিলোঁ। স্বাস্থ্য সচেতনতা আছিল হয়তো সেয়া।

মেচৰ ৰান্ধনি বৰঠাকুৰ, বুঢ়া ঠাকুৰ, তেৱাৰী দ্বীপেনহঁতলৈ এতিয়াও মনত পৰে। বৰ মৰম কৰিছিল আমাক। আমি টেঙাখাতৰ খেতি-খোলা কৰা কেইজনৰ পেটত মাৰ কঢ়া ভাতে পাট্টাই নাপাইছিল। এবাৰ একাঁহী দিলে পেটৰ কেচু-কুমটিয়েই নমৰিছিল। বুঢ়া ঠাকুৰে ভাত দিয়া ডাণ্ডৰ পাত্ৰটোত হেঁচি হেঁচি ভাত দিছিল আমাক চাৰি-পাঁচবাৰ আৰু কৈছিল— 'এ লাইন হি এইচা হ্যায়।' —আমি আটাইকেইটা একেলগে বহিছিলোঁ— সেইকাৰণে কৈছিল— 'এ লাইন হি এইচা হ্যায়।'

আবেলি টিফিন আছিল লুচি-ভাজি। হাতত লুচিৰ প্লেট লৈ ভুলতে বাজলৈ ওলালে হাতৰ পৰাই লুচি থাপ মাৰি নিছিল শেনে। পিছলৈ আমি লুচি দলিয়াই শূন্যতে শেনে কিদৰে লুচি ধৰি খায় সেই দৃশ্য চাই ফূৰ্তি-তামাচা কৰিছিলোঁ। মাজতে, কেতিয়াবা কেতিয়াবা ছেকেণ্ড মেচৰ ৰান্ধনি-শাললৈ গৈ বৰঠাকুৰ, দ্বীপেন আদিৰ খবৰ কৰিছিলোঁগৈ। এতিয়া তেওঁলোক নাই। গ'লে শূন্য শূন্য লাগে— নাযাওঁ।

কটন কলেজৰ স্মৃতিয়ে এতিয়াও মনত দোলা দি থাকে। নমৰা কাললৈকে দি থাকিব। ❑

স্মৃতি যেন শুকান গোলাপ

ড° বিৰিঞ্চি কুমাৰ মেধি

নিৰাবেগ সময় তেনেকৈয়ে গুচি যায় বয়স আৰু বসন্ত লৈ; সীমিত বুকুতে অফুৰন্ত দ্বিধা-দৈন্য, অশ্রু-আনন্দ আৰু স্মৃতিৰ উৰ্বৰ বীজ থৈ। কি যে প্ৰবল সেই সংকৰ্ষণ, অপ্ৰতিৰোধ্য-অপ্ৰতিহত। বিভিন্ন প্ৰান্তৰ পৰা শত-সহস্ৰ ছাত্ৰ-ছাত্ৰী কটন কলেজতে হৈছিল একত্ৰিত। দৰঙৰ পৰা পেট্ৰ'লচালিত শকটেৰে কটনলৈ এখনমান তামোল খোৱাৰ বাট; সেইবাবেইতো সহস্ৰাধিক দৰঙীয়া ছাত্ৰ-ছাত্ৰীয়ে কটনতে পাতে প্ৰজ্ঞা আৰু প্ৰত্যয়ৰ হাট। ইপাৰে দৰং, সিপাৰে কটন, মাজত মাথোঁ ব্ৰহ্মপুত্ৰ; প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হ'লেই সকলোৰে উদ্বাউল-ৰোমাঞ্চিত চিত্ত। যাৰে গাঁঠিত আছে ধন, তাৰে মাথোঁ কটনত পঢ়াৰহে মন। কত যে কলেজ আছে দিহিঙে-দিপাঙে; হ'লে হ'ব কি, অদৃশ্য ৰজ্জুৰে নিকপ্‌কপীয়াকৈ বান্ধি কটনে যে অহৰ্নিশে টানে।

তেতিয়াৰ ডি এছ, এতিয়াৰ মহেন্দ্ৰ নাথ ডেকাফুকন ছাত্ৰাবাস, সেইটিয়েই আছিল মোৰ স্নেহ-প্ৰদায়িনী নিবাস। অনুজ বিচিত্ৰও আছিল তাত। মাথোঁ বিচিত্ৰহেনে? ডি এছ ৰজনজনীয়া এশ-এজন দৰঙীয়া কথাই-মাতে। হাজৰিকা চন্দ্ৰ, খগেন্দ্ৰ, অহীন্দ্ৰ; বড়ো দলেশ্বৰ, শইকীয়া প্ৰিয়নাথ, বৰা খগেন্দ্ৰ। আমি ভ্ৰাতৃদ্বয় আছিলোঁ যেন ডি এছৰ অপৰিহাৰ্য অংগ; আৰু আছিল নাথ ৰজনী, ডেকা শৰৎ, বণিয়া ভুবন চন্দ্ৰ। ভুবন এবাৰ হৈছিল কটনৰ গুৰু ক্ৰীড়া বিভাগৰ সম্পাদক; নিৰ্বাচনৰ ফলাফল ওলাল কি নোলাল, জন-প্ৰাণীৰ গাতেই নাই তৎ। কাঁহৰ বাটিত কোব মৰা মাতেৰে কতই যে কৰিলে গানৰ অপমান; জাকৰ কাৰৈ ডাকেৰে উজাই আমিও তাতে দিলোঁ উজান। কেনি যে বিলীন হ'ল সেই মনোমুগ্ধকৰ মাৰীচ-মায়া। মায়া? হ'ব পাৰে। তথাপি আমাৰ বাবে কটনেই আজন্মৰ অমৃতময় শান্তিছায়া।

বস্ত্ৰৰ আঁৰত মানুহ চিৰকাল বিবস্ত্ৰ; লক্ষ্মণৰেখাৰ বাহিৰত শিক্ষাগুৰু সৰ্বদা বিদ্ৰূপৰ

পাত্র। বিভিন্ন শিক্ষাগুৰুৰ কণ্ঠস্বৰ নকল কৰি সাৰদাকান্তহঁতে কৰা নেপথ্য নাটকৰ কোনে উলিয়াব পাৰে আঁতি-গুৰি? কোনোবাই যদি কয় সমস্ত শিক্ষকৰে পাঠদান আকৰ্ষণীয় বুলি, তেওঁ নিঃসন্দেহে হ'ব পৃথিৱীৰ ভিতৰতে নিকৃষ্ট মিথ্যাবাদী। ড° হেমন্ত কুমাৰ শৰ্মাই হৃদয়-সুধাৰে সম্পৃক্ত কৰি তুলিছিল হাজাৰ-বিজাৰ ছাত্ৰ-ছাত্ৰীৰ মন-প্ৰাণ। জমদগ্নিসদৃশ শিক্ষাগুৰুও আছিল কেইজনমান, তেওঁলোকে যেন অনাহকতে দিব অৰ্দ্ধ চন্দ্ৰ, আঁজুৰি ছিঙিব প্ৰত্যেকগৰাকী ছাত্ৰ-ছাত্ৰীৰে নাক-কাণ। যিসকল শিক্ষাগুৰুৰ পাঠদানৰ দক্ষতা আৰু আন্তৰিক চাৰুতাই আমাক কৰি ৰাখিছিল মন্ত্ৰমুগ্ধ, সেইসকলৰ ভিতৰত সৰ্বাগ্ৰে স্মৰ্তব্য নৃতত্ত্ব বিভাগৰ প্ৰমুখ, সুধা-সিন্ধু ঁমহেন্দ্ৰ নাথ শালৈ আৰু মঙলদৈৰ সুসন্তান ঁহৰিপ্ৰকাশ মিশ্ৰ। কোনো কোনো শিক্ষাগুৰুৰ বিকৰ্ষক ক্লাছবোৰ উতনুৱা সহপাঠীসকলৰ বাবে আছিল অফ ক্লাছ; সেই নিৰ্দিষ্ট সময়খিনিত বাটে-ঘাটে, হোটেলে-হোষ্টেলে সিহঁতে পৰমানন্দে চালি ধৰি কৰিছিল নাচ-বাগ।

মঙলদৈয়া মোৰহে আছিল নৃতত্ত্বত অনাৰ্ছ; অৱশ্যে ঁদলেশ্বৰ আৰু ঁপ্ৰিয়নাথো আছিল নৃতত্ত্বৰে ছাত্ৰ। ব'টানী, জুল'জী, এনথ্ৰপল'জী পঢ়াসকল আছিল দহ-ৰাইজৰ হাঁহিয়াতৰ পাত্ৰ। সেই ত্ৰি-বিষয়ৰ সমন্বয়ক প্ৰচ্ছন্ন বিদ্ৰূপেৰে কোৱা হৈছিল— ডি টি কম্বিনেচন, দীঘলী-টেংক কম্বিনেচন। তিনিওটা বিভাগৰে গৃহসমূহ আছিল প্ৰায় দীঘলীপুখুৰী সংলগ্ন। তৎকালীন নিউ হোষ্টেল আৰু কছম'পলিটান হোষ্টেলৰ মধ্যস্থ, নৃতত্ত্বৰ বাবে নিৰ্ধাৰিত হৈছিল এক অপৰিসৰ, প্ৰায় পৰিত্যক্ত গৃহ।

এবাৰ কলেজ সপ্তাহত অনুষ্ঠিত হৈছিল গ' এজ ইউ লাইক। জজপথাৰ লোকাৰণ্য, চতুৰ্দিশ দলদোপ-হেন্দোলদোপ, কিমান উছাহ, কত যে নিচান-মাইক। সাজি-কাচি পাগলীৰ ৰূপ ধৰি ওলাল সহপাঠিনী লীলা কানুগা; দৰ্শকৰ কাষ চাপি যাওঁতেই অকস্মাৎ লাগি গ'ল ভীষণ হুৱা-দুৱা। থাকেই নহয় কিছুমান খিতিঙা-পঘাখোৱা, লীলাক ঘেৰি ধৰি সিহঁতৰ কি যে অগা-ডেৱা! তাইৰো হাতত আছিল এডাল তেল-কুঁৰসনা ৰাইডাং বেত, নগৰত জগৰ লগোৱা কেইটামানৰ য'তে পাৰে শোধালে নহয় চেটেপ্-চেটেপ্। পলায়ুৰ্দ্ধং হোৱাকেইটাক দেখি ৰাইজৰ ওৰ নপৰে হাঁহি।-সঁচাকৈয়ে স্মৃতিৰ সঁফুৰা মেলিলেই অৱলীলাক্ৰমে নিৰ্গত হয় হিৰণ্যগৰ্ভ প্ৰসূনৰ গন্ধমদিৰ পাহি।

উমলি-জামলি থাকোঁতেই নাটকৰ হ'ল দৃশ্যান্তৰ, কতজন নিৰুদ্দিষ্ট এৰি থৈ বসুধাৰ বিহুল-বাহৰ। বহুজনে অতিক্ৰমি সাত সাগৰ তেৰ নদী দেশ এৰি, পালেগৈ বিদেশ; কতজনে বিভিন্ন আৱৰ্তত প্ৰদৰ্শন কৰিলে অভিনিৱেশ। টি এল ৰাজকুমাৰ হ'লগৈ অৰুণাচল বিধান সভাৰ স্পীকাৰ, অসমীয়া সাহিত্যলৈ টাংগা টাকিয়ে দিলে কেইবাখনো গ্ৰন্থ উপহাৰ। শতধা-বিদীৰ্ণ সুপকক ফলৰ পৰা ছিটিকি পৰে যেন উৰ্বৰ বীজ আগণন; অৰণ্ডে-দৰণ্ডে বিয়পি পৰিল চেমিম, ছাজিদা, বন্দনা, তুলতুল, হুমায়ুন, ৰাধাবিনোদ বৰ্মন। গন্ধবণিক সমীৰণে এতিয়াও লৈ আহে তাহানিৰ কটনৰ সৰ্বত্ৰ-

সঞ্চাৰী সুৰভি; উজ্জীৱিত কৰি তোলে উষৰ-কাতৰ বৰ্তমানৰ শত-সহস্ৰ দিৱস-ৰজনী।

কটন কলেজ আমাৰ যৌৱনক লীলাভূমি। যৌৱনোত্তীৰ্ণ কালতো কৰ্তব্য-জৰ্জৰ হৃদয়ত কটনে সিঞ্চন কৰে আৱলীলাক্ৰমে সঞ্জীৱনী। বুকুৰ মাজৰ উপল নূপুৰ পিন্ধা নটিনী-তটিনীত যেতিয়া সন্তৰ্পণে চলে স্মৃতিৰ সুতনুকা নাও, মই তেতিয়া আপোন ছায়াৰে সৈতে সংগোপনে কথা পাতি নিজে লেখা গীত এফাকিকে গুণগুণাওঁ—

স্মৃতি যেন শুকান গোলাপ
  তথাপি কেনেকে' যাচে
  কেতিয়াবা অকাৰণে
তাহানিৰ হেৰোৱা সুবাস। ❑

কটনত এৰি অহা দিনবোৰ

আব্দুল মান্নান

আজিৰ পৰা চাৰি দশক আগৰ (১৯৬৬-৭০) কটন কলেজত পঢ়ি থকা দিনকেইটাৰ স্মৃতি ৰোমন্থন কৰিবলৈ যাওঁতে সঁচা অৰ্থত নষ্টালজিক হৈ পৰোঁ। অন্তৰত থুপ খাই থকা সেই দিনবোৰৰ মধুৰ স্মৃতি আৰু মনৰ অনুভূতিবোৰ প্ৰকাশ কৰাৰ ভাষা মোৰ নাই।

অগ্ৰজপ্ৰতিম গংগাপদ চৌধুৰী আৰু জগদীশ দত্তৰ তাগিদা এৰাব নোৱাৰি স্মৃতিৰ এলবামৰ পৰা দুটামান সৰু সৰু ঘটনা এই ক্ষুদ্ৰ লেখাৰে বেকত কৰিলোঁ।

১৯৬৮-৬৯ বৰ্ষৰ বাবে এই অভাজনক কটন কলেজৰ বন্ধু-বান্ধৱীসকলে কটন কলেজ ছাত্ৰ ইউনিয়ন (Cotton College Student Union – CCSU)ৰ সাধাৰণ সম্পাদক পদত বিপুল ভোটেৰে নিৰ্বাচিত কৰিছিল। মুঠ প্ৰদত্ত ১,১৪১টা ভোটৰ ৭৮১টা ভোট আমি লাভ কৰিছিলোঁ। মোৰ দুজন প্ৰতিদ্বন্দ্বী বন্ধুৱে ভোট পাইছিল ৩৬০টা।

১৯৬৬ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষা (HSLC) পাছ কৰি আমি কটন কলেজত নামভৰ্তি কৰোঁ। সেই বছৰত অসমত ব্যাপক খাদ্য সংকটে দেখা দিছিল। খাদ্য সমস্যা সমাধানৰ দাবীত সংগঠিত ছাত্ৰ আন্দোলনে সমগ্ৰ অসম জোকাৰি গৈছিল। ৰাজধানী শ্বিলঙত পুলিচৰ গুলীত দুজন ছাত্ৰৰ অকাল মৃত্যু হৈছিল। CCSUৰ তদানীন্তন সাধাৰণ সম্পাদক সুশীল কুমাৰ গোস্বামীৰ নেতৃত্বত বৃহত্তৰ গুৱাহাটীৰ ছাত্ৰসমাজ খাদ্য আন্দোলনত জঁপিয়াই পৰিছিল। সুশীলদা আছিল এক অসাধাৰণ ব্যক্তিত্বৰ অধিকাৰী; যাৰ ব্যক্তিত্বই আমাক আকৰ্ষণ কৰিছিল। ইউনিয়ন হল (বৰ্তমানৰ কলাগুৰু বিষ্ণু ৰাভা প্ৰেক্ষাগৃহ)ত সঘনে অনুষ্ঠিত সভাবোৰত ছাত্ৰ-ছাত্ৰীসকল সমবেত হৈছিল। অসমৰ গ্ৰামাঞ্চলৰ গৰিব মানুহৰ অসহায় মুখৰ প্ৰতিচ্ছবিবোৰে আন্দোলনত

সক্ৰিয়ভাৱে জঁপিয়াই পৰিবলৈ মোক প্ৰেৰণা দিছিল। নামভৰ্তিৰ (৭ আগষ্ট, ১৯৬৬) এসপ্তাহমান পিছৰ পৰাই আন্দোলনৰ সৈতে মই সক্ৰিয়ভাৱে জড়িত হৈ পৰিলোঁ। সুশীলদাই প্ৰতিটো প্ৰগ্ৰেমত মোক জড়িত কৰাত ব্যক্তিগতভাৱে মোৰ লাভ হৈছিল দুই ধৰণে। গুৱাহাটীৰ ভিন ভিন শিক্ষানুষ্ঠানৰ ছাত্ৰ-বন্ধুসকলৰ লগত পৰিচয় হোৱাৰ সুযোগ লাভ কৰিলোঁ আৰু ছাত্ৰাবাসত (চি এম হষ্টেল— বৰ্তমানৰ ছহিদ মোজাম্মিল হক ছাত্ৰাবাস) নৱাগতসকলৰ ওপৰত চলা ৰেগিং নামৰ অপসংস্কৃতিৰ পৰা ৰক্ষা পৰিলোঁ।

চাওঁতে চাওঁতে দুটা বছৰ পাৰ হৈ গ'ল। ১৯৬৮-৬৯ বৰ্ষৰ CCSUৰ নিৰ্বাচনত সাধাৰণ সম্পাদকৰ পদত প্ৰাৰ্থী হ'বলৈ কটনিয়ান বন্ধু-বান্ধৱীসকলে মোৰ ওপৰত প্ৰচণ্ড হেঁচা দিছিল। সেই অকৃত্ৰিম মৰম আৰু শুভেচ্ছাক মই আওকাণ কৰিব নোৱাৰিলোঁ। সেই অপাৰ চেনেহ আৰু আস্থা মোৰ জীৱনৰ এক মহত্তম স্মৃতি আৰু প্ৰাপ্তি। চিৰজীৱন এই মধুৰ স্মৃতি মোৰ বাবে প্ৰেৰণাৰ উৎস হৈ থাকিব। জাতি, ধৰ্ম, ভাষা, বৰ্ণৰ কাৰকবোৰে কটনিয়ানসকলৰ মাজত কোনো ধৰণৰ কৃত্ৰিম প্ৰাচীৰ গঢ়ি তুলিব পৰা নাছিল। আমি পাইছিলোঁ বিনয়ভূষণ চৌধুৰী, ৰজনীকান্ত দেৱশৰ্মা, আমিন খান, কমলা ৰয়, শিৱ ঘোষ, পাৰকোতি বৰুৱা, আশ্ৰফ আলী, জিষ্ণু দত্ত আদিৰ দৰে মহান আৰু ত্যাগী শিক্ষাগুৰুসকলক।

এবাৰ নুৰুল ইছলাম ছাৰে এখন DO letter মোক দেখুৱাই চৰম ক্ষোভ আৰু বিৰক্তি প্ৰকাশ কৰি কৈছিল— 'এইদৰে চলি থাকিলে কলেজ কিদৰে চলাবা'— তদানীন্তন শিক্ষামন্ত্ৰীৰ অনুৰোধ (পঢ়ক নিৰ্দেশ), এজন অৰ্হতা নথকা ছাত্ৰক এডমিছন দিব লাগে। ছাৰে বিধি ভংগ কৰা ছাত্ৰজনক এডমিছন নিদিলে।

আজি মোৰ বৰকৈ মনত পৰিছে নিৰ্বাচিত প্ৰতিনিধিসকলৰ প্ৰতি কটনিয়ানসকলে প্ৰদৰ্শন কৰা অকৃত্ৰিম ভালপোৱা আৰু সন্মান। ইউনিয়ন হলৰ যিকোনো অনুষ্ঠান, কেণ্টিন, ছাত্ৰাবাস বা ছাত্ৰ-ছাত্ৰীৰ যিকোনো সমাগমত কোনো সমস্যাই দেখা দিলে সাধাৰণ সম্পাদকৰ উপস্থিতিৰ লগে লগে এক সুন্দৰ সৌহাৰ্দ্যপূৰ্ণ পৰিৱেশ সৃষ্টি হৈছিল। কথাবোৰ মনত পৰিলে হৃদয় আজিও আনন্দত নাচি উঠে।

মই সাধাৰণ সম্পাদক হৈ থাকোঁতে এটা ঘটনা ঘটিছিল। কলেজ সপ্তাহত আদৰণী তোৰণৰ বাবে আমি কলেজৰ প্ৰতীকটো (emblem) ডাঙৰকৈ আঁকাইছিলোঁ। পুৰণা আলোচনীৰ (কটনিয়ান) পাতৰ পৰা শিল্পীগৰাকীয়ে প্ৰতীকৰ নমুনা সংগ্ৰহ কৰিছিল। বৃহৎ আকাৰৰ প্ৰতীকটোত মমবাতিৰ পোহৰ পৰি থকা দেখা গ'ল। সেই সময়ত গুৱাহাটীৰ পৰা প্ৰকাশিত 'আলোক' নামৰ সাপ্তাহিক কাকতখনত মোক দোষাৰোপ কৰি প্ৰথম পৃষ্ঠাত লিখা হ'ল— 'কটন কলেজ ছাত্ৰ ইউনিয়নৰ মুছলমান সাধাৰণ সম্পাদকজনে ইচ্ছাকৃতভাৱে কলেজৰ প্ৰতীকত থকা চাকিৰ ঠাইত মম

বন্ধুৱাই দি হিন্দু সংস্কৃতি আৰু ঐতিহ্য ধ্বংস কৰাৰ ষড়যন্ত্র কৰিছে। কলেজৰ অধ্যক্ষজন মুছলমান, সাধাৰণ সম্পাদক মুছলমান— দুয়ো লগ লাগি অসমখন পাকিস্তান কৰাৰ ষড়যন্ত্রত লিপ্ত হৈছে।' কলেজ চৌহদৰ বিভিন্ন ঠাইত ৰঙা চিয়াঁহিৰে লেখা পোষ্টাৰ পৰিল। মোলৈ ৰঙা আখৰেৰে লেখা চিঠিও আহিল— 'We donot want a Muslim as our general Secretary.' মনত ভীষণ আঘাত পাইছিলোঁ। ২৪ ঘণ্টাৰ জাননীৰে কটনিয়ানসকলৰ এখন সাধাৰণ সভা আহ্বান কৰিলোঁ। বন্ধু অমৰজ্যোতি চৌধুৰীৰ (পিছলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হৈছিল)ৰ সভাপতিত্বত অনুষ্ঠিত সভাত মই সাধাৰণ সম্পাদকৰ পদৰ পৰা পদত্যাগ কৰাৰ কথা ঘোষণা কৰিলোঁ। লগে লগে সমগ্র প্রেক্ষাগৃহ মোৰ ঘোষণাৰ বিৰুদ্ধে গৰজি উঠিল। বিগত ২০ বছৰত প্রকাশিত কটনিয়ান (আলোচনী) সভাত দাখিল কৰা হ'ল। দেখা গ'ল অতীতত কোনোবা শিল্পীৰ অসাৱধানতাৰ ফলত প্রতীকটোত বহু আগৰে পৰাই চাকিৰ ঠাইত মম হৈ আছে। সাধাৰণ সভাত উপস্থিত থকা প্রায় ১,৫০০ কটনিয়ানে মোৰ পদত্যাগৰ প্রস্তাৱ নাকচ কৰিলে আৰু সকলো ধৰণৰ অপপ্রচাৰক কঠোৰ ভাষাৰে গৰিহণা দি সৰ্বসন্মত প্রস্তাৱ গ্রহণ কৰে। কটন কলেজৰ ছাত্র সমাজে মোৰ প্রতি দেখুওৱা মৰম আৰু আস্থাই মোৰ আদৰ্শ আৰু বিশ্বাসৰ গভীৰতা আৰু অধিক দৃঢ় কৰিলে। সকলোধৰণৰ প্রাচীৰৰ উৰ্ধত উঠি মানুহক মানুহ হিচাপে ভাল পোৱাৰ যি মহান শিক্ষা কটন কলেজৰ পৰিৱেশে মোক দিলে সিয়েই হৈছে মোৰ জীৱনৰ আটাইতকৈ মহত্তম আৰু শ্রেষ্ঠ প্রাপ্তি।

সেই দিনকেইটাত বহু মনত ৰাখিবলগীয়া ঘটনাৰ মুখামুখি হ'বলগীয়া হৈছিলোঁ। ৰাজনৈতিক, সাংস্কৃতিক আৰু সামাজিক জীৱনত মই শ্রদ্ধা কৰা মহান ব্যক্তিসকলৰ মাজত অতি উচ্চস্থানত আছে সৈনিক-শিল্পী বিষ্ণুপ্রসাদ ৰাভা। ১৯৬৯ চনৰ কথা। ৰাভাদেৱ ভীষণ অসুস্থ। দুৰাৰোগ্য কেন্সাৰত আক্রান্ত হৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত (বৰ্তমান মহেন্দ্র মোহন চৌধুৰী চিকিৎসালয়) চিকিৎসাধীন হৈ আছে। তেখেতৰ আশু আৰোগ্য কামনা কৰি আৰু ছাত্র ইউনিয়নৰ তৰফৰ পৰা যৎকিঞ্চিত আৰ্থিক সাহায্য আগবঢ়োৱাৰ মানসেৰে কলেজত এক সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰিছিলোঁ। শিক্ষক-কৰ্মচাৰীৰ পৰা ৫ টকা আৰু ছাত্র-ছাত্রীৰ পৰা ৩ টকা ধন প্ৰৱেশ মূল্য নিৰ্ধাৰণ কৰা হৈছিল। অনুদান সংগ্রহ কৰাৰ সময়ত আমাৰ এক বিচিত্র অভিজ্ঞতা হ'ল। এজন বয়োজ্যেষ্ঠ অধ্যাপকে (বৰ্তমান তেখেত ইহ সংসাৰত নাই) আমাক ক'লে— 'সি (বিষ্ণু ৰাভা) এটা গেলা মদপী, মদ খাই খাই কেন্সাৰ মাতি আনিছে। এতিয়া মৰিব। তোমালোকে ৰ'দে-বৰষুণে ঘূৰি ঘূৰি তাৰ কাৰণে পইচা সংগ্রহ কৰাৰ কোনো অৰ্থ নাই।' এজন জ্যেষ্ঠ অধ্যাপকৰ এনে মন্তব্যই আমাৰ সকলোৰে মনত মৰ্মান্তিক আঘাত দিছিল। সংগৃহীত ধনৰ টোপোলা লৈ আমি চিকিৎসালয়ত জনতাৰ প্রিয়

সংগ্ৰামী শিল্পীগৰাকীক লগ ধৰোঁতে জীৱনৰ শেষ ৰণৰ দুৱাৰডলিত উপনীত হোৱা ৰাভাদেৱৰ শান্ত সৌম্য ব্যক্তিত্ব আৰু অসমৰ সমাজ জীৱনৰ প্ৰতি থকা তেখেতৰ মৰম-চেনেহ আৰু চিন্তাৰ অভিব্যক্তিয়ে আমাক আৱেগিক কৰি তুলিছিল। ৰাভাদেৱক সাক্ষাৎ কৰিবলৈ যাওঁতে মোৰ লগত আছিল ছাত্ৰী জিৰণি-কোঠাৰ সম্পাদিকা হেমলতা দাস, আলোচনী সম্পাদক সঞ্জীৱ কুমাৰ বৰুৱা, তৰ্ক শাখাৰ সম্পাদক প্ৰদীপ বৰঠাকুৰ, ছাত্ৰ জিৰণি-কোঠাৰ সম্পাদক দীপক গোস্বামী আদি।

১৯৬৯ চনত বৰ্ষীয়ান নেতা শ্ৰদ্ধেয় শৰৎ চন্দ্ৰ সিংহৰ নেতৃত্বত গঠিত ৰঙিয়া ৰে'লৱে ডিভিজন সংগ্ৰাম সমিতিয়ে ৰঙিয়াত এটা ৰে'লৰ নতুন ডিভিজন পতাৰ দাবীত আন্দোলন চলাইছিল। ছাত্ৰ সমাজেও এই আন্দোলনলৈ সমৰ্থন আগবঢ়াইছিল। ১৯৬৯ চনৰ এপ্ৰিল / মে' মাহত ডিগ্ৰী পৰীক্ষা চলি থকাৰ সময়তে সংগ্ৰাম সমিতিয়ে এদিনৰ অসম বন্ধৰ আহ্বান জনালে। আমি কটন কলেজ ছাত্ৰ ইউনিয়নৰ পক্ষৰ পৰা বন্ধৰ প্ৰতি নৈতিক সমৰ্থন জনাই সেইদিনাৰ পৰীক্ষাৰ্থীসকলক ৰেহাই দিয়াৰ পক্ষত আছিলোঁ; কিন্তু অন্যান্য অনুষ্ঠানৰ ছাত্ৰনেতাসকলে পৰীক্ষা বৰ্জনৰ পক্ষত অৱস্থান লোৱাত উপায়বিহীন হৈ আমিও পৰীক্ষা বৰ্জনত সমৰ্থন দিব লগা হ'ল। কিন্তু হঠাৎ বন্ধৰ আগৰাতি ৯ মান বজাত সিংহ ডাঙৰীয়াই কংগ্ৰেছ হাইকমাণ্ডৰ পৰা দাবী পূৰণৰ আশ্বাস পাই বন্ধৰ কাৰ্যসূচী প্ৰত্যাহাৰ কৰিলে। আমি ছাত্ৰ-ছাত্ৰীসকল মহা বিপদত পৰিলোঁ। ৰাতি ৯ বজাৰ পিছত মই নিজে কটনৰ ছাত্ৰাবাসবোৰত ঘূৰি ঘূৰি পিছদিনা যিসকলৰ পৰীক্ষা আছিল তেওঁলোকক পৰীক্ষা দিবলৈ অনুৰোধ কৰিছিলোঁ। মোৰ লগত আছিল বন্ধু সঞ্জীৱ বৰুৱা আৰু প্ৰদীপ বৰঠাকুৰ। আমাৰ লগত আছিল জ্যেষ্ঠ অধ্যাপক আৰু অধীক্ষক সন্থাৰ সভাপতি দেৱী চৰণ মহন্ত ছাৰ। জিলা উপায়ুক্তই ৰাজহুৱা প্ৰচাৰ মাধ্যমযোগে ৰাতিয়েই ঘনে ঘনে ঘোষণা দিয়াই পৰীক্ষাৰ্থীসকলক পৰীক্ষা দিবলৈ অনুৰোধ জনোৱাত আমালৈ সহায়ৰ হাত আগবঢ়াইছিল। মই নিজেও এজন পৰীক্ষাৰ্থী আছিলোঁ। কটনিয়ানসকলৰ ধৈৰ্য আৰু সহনশীলতা দেখি অভিভূত হৈছিলোঁ।

আমাৰ কাৰ্যকালত হোৱা কাম-কাজৰ ভিতৰত এটা উল্লেখনীয় সফলতা হ'ল কটন কলেজত পদাৰ্থবিজ্ঞান বিভাগত স্নাতকোত্তৰ (P. G.) পাঠ্যক্ৰমৰ প্ৰৱৰ্তন। সম্পূৰ্ণ আন্তগাঁথনি থকা সত্বেও চৰকাৰে এই দিশত কোনো সিদ্ধান্ত লোৱা নাছিল। আমি CCSUৰ এটা প্ৰতিনিধি দলে ১৯৬৯ চনৰ এপ্ৰিল মাহত শ্বিলঙলৈ গৈ মুখ্য মন্ত্ৰী বিমলা প্ৰসাদ চলিহা আৰু শিক্ষামন্ত্ৰী জয়ভদ্ৰ হাগজেৰ ডাঙৰীয়াক সাক্ষাৎ কৰি সজোৰে আমাৰ দাবী উত্থাপন কৰিছিলোঁ। প্ৰতিনিধি দলত মোৰ লগত আছিল প্ৰদীপ বৰঠাকুৰ, সঞ্জীৱ বৰুৱা আৰু দীপক গোস্বামী। পদাৰ্থবিজ্ঞান বিভাগৰ অধ্যাপক গোবিন্দ ডেকা আৰু অধ্যাপক অনিল গোস্বামী ছাৰে আমাক দিহা-পৰামৰ্শ দি সহায়

কৰিছিল। আমাৰ দাবীৰ ন্যায্যতা মানি লৈ মুখ্য মন্ত্ৰী চলিহাদেৱে শিক্ষামন্ত্ৰী, শিক্ষা সচিব আৰু শিক্ষাধিকৰ্তাক মতাই আনি পদাৰ্থবিজ্ঞানত সেই শিক্ষাবৰ্ষৰ পৰাই স্নাতকোত্তৰ পাঠ্যক্ৰম প্ৰবৰ্তন কৰাৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিছিল। মুখ্য মন্ত্ৰী আৰু শিক্ষামন্ত্ৰীৰ সুমধুৰ ব্যৱহাৰত আমি মুগ্ধ হৈছিলোঁ। সেই সময়ত শ্বিলঙৰ পৰা গুৱাহাটীলৈ অহা বৰ কষ্টকৰ আছিল। বাছত বৰ ভিৰ হৈছিল। আমি গুৱাহাটীলৈ ঘূৰি অহাৰ সময়ত বাছৰ আসন সংৰক্ষণ কৰি ৰখাৰ বাবে শিক্ষামন্ত্ৰীয়ে নিজে নিৰ্দেশ দিছিল। মুখ্য মন্ত্ৰীয়ে বিধান সভাৰ কেণ্টিনত আমাৰ বাবে আহাৰ আৰু জলযোগৰ ব্যৱস্থা নিজে কৰি দিছিল। তেনে ব্যৱহাৰ-পাতি আজিৰ দিনত দুৰ্লভ।

কটনৰ সেই দিনবোৰৰ স্মৃতিবোৰেই মোৰ কাম-কাজৰ বাবে প্ৰয়োজনীয় সাহস আৰু উৎসাহ-উদ্দীপনাৰ উৎস হৈ থাকিব। ❑

তৃতীয় ছাত্ৰাৱাসৰ আৱাসী হিচাপে কিছু স্মৃতি

ড° সত্যেন্দ্ৰ কুমাৰ চৌধুৰী

কটন কলেজৰ ছাত্ৰাবাসত থাকি কটনিয়ান হোৱাৰ সৌভাগ্য যাৰ হৈছে তেওঁ কেতিয়াও পাহৰিব নোৱাৰে সেই আৱাসী হৈ থকা কালৰ মধুৰ দিনবোৰৰ কথা। মোৰ বাবে মোৰ জীৱনৰ অতিকৈ আনন্দৰ দিনসমূহ হ'ল কটনৰ তৃতীয় ছাত্ৰাবাসৰ (বৰ্তমানৰ আনন্দৰাম বৰুৱা ছাত্ৰাবাস) আৱাসী হৈ থকা চাৰি বছৰ কাল (১৯৬৬-১৯৭০)। ১৯৬৬ চনত কটন কলেজিয়েট স্কুলৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ কটন কলেজত প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণীৰ বিজ্ঞান শাখাত (PU Sc) ভৰ্তি হওঁ আৰু তৃতীয় ছাত্ৰাবাসত থাকিবৰ বাবে অনুমতি পাওঁ। মই পঞ্চম ব্লকৰ ১৪ নং কমৰ আৱাসী হওঁ। এই কমটো বিশেষ কম। কাৰণ এই কমত জ্যেষ্ঠ আৱাসীজন হ'ল পঞ্চম ব্লকৰ মনিটৰ। তেখেত তেতিয়া তৃতীয় বাৰ্ষিক বিজ্ঞানৰ (পদাৰ্থবিজ্ঞানত Honours) ছাত্ৰ আৰু বৰ্তমান অসমৰ স্বনামধন্য বিজ্ঞানী আৰু কল্পবিজ্ঞানৰ লেখক ড° দীনেশ চন্দ্ৰ গোস্বামী। তেখেতৰ ব্যক্তিত্বই বেলেগ আছিল। সকলো বিষয়তে সদায় নিয়মীয়া, যথেষ্ট পঢ়া-শুনা কৰে। আনজন কমমেট মোৰ লগৰে খগেন ডেকা— বৰ্তমান আৰক্ষী বিষয়া। তেতিয়া কমবোৰত চকি নাছিল। বহিবলৈ টুল আছিল। বিছনাবোৰ পালেং নাছিল, সাধাৰণ খাটিয়া আছিল। কমত ফেন নাছিল— বিজুলীবাতি অৱশ্যে আছিল। আমি কিন্তু একো অসুবিধা অনুভৱ কৰা নাছিলোঁ। খগেনে পঢ়া-শুনাত সকলোৰে লগত সমানে ফেৰ মাৰিব খোজে। ১৩ নং কমৰ আৱাসী আমাৰ একে শ্ৰেণীৰ যোগেশ দাসে (বৰ্তমান ইঞ্জিনিয়াৰ) সদায় ৰাতিপুৱা চাৰিমান বজাতে উঠি পঢ়িবলৈ ধৰে আৰু ৰাতি সোনকালে শোৱে। ১৫ নং কমৰ প্ৰফুল্ল শইকীয়াই (বৰ্তমান ডাক্তৰ) আকৌ নিশা দেৰিলৈকে পঢ়ে আৰু ৰাতিপুৱা দেৰিকৈ উঠে। খগেনে দুয়োটা একেলগে কৰিব খোজে। গতিকে নিশা ১০ মান বজাৰ

পৰা সি প্ৰায় সদায় টোপনিয়াই থাকে। দীনেশদাই কথাটো লক্ষ্য কৰি আছিল। একো কোৱা নাছিল। এদিন ৰাতি ১০½ মান বজাত খগেনে টোপনিয়াই থকা সময়ত হঠাৎ অলপ ডাঙৰকৈ ক'লে— 'সত্যেন, খগেনক ধৰা; নহ'লে সি পৰি যাব।' সেই কথাখিনিয়েই খগেনৰ কাৰণে যথেষ্ট আছিল। সিদিনাৰ পৰা খগেনে ৰাতি ১০ বজাৰ পিছত পঢ়া অভ্যাস বাদ দি যোগেশৰ অভ্যাসত ধৰিলে।

মই স্কুল কালৰ পৰাই বেহেলা বজাইছিলোঁ। লগৰ বন্ধুবোৰে ভাল পোৱা বাবে বেহেলাত বিখ্যাত গানবোৰৰ সুৰ বজাইছিলোঁ। এই কথাটো তৃতীয় ছাত্ৰাবাসৰ কোনোবা জ্যেষ্ঠ আৱাসীয়ে গম পালে। লগে লগে অৰ্ডাৰ আহিল যে মই সদায় নিশা ভাত খোৱাৰ পিছত জ্যেষ্ঠ আৱাসীৰ সন্মুখত বেহেলা বজাব লাগিব। এয়া আচলতে এক প্ৰকাৰৰ ৰেগিং আছিল, যি প্ৰক্ৰিয়া নৱাগত আদৰণী সভা নোহোৱালৈকে চলি থাকে। উপায় নাই। লগে লগে ঘৰলৈ খবৰ দি মোৰ বেহেলাখন লৈ আহিলোঁ। নিশা ভাত খোৱাৰ পিছত বেহেলা বজোৱা স্থান হ'ল চতুৰ্থ ব্লকৰ কৰিড'ৰত। চতুৰ্থ ব্লকৰ পিছতে দ্বিতীয় ছাত্ৰাবাস। বেহেলা বজোৱাৰ সময়ত কৰিড'ৰৰ সকলো লাইট বন্ধ কৰা হয়। মই ভয়তে জ্যেষ্ঠসকলৰ মুখৰ ফালে চোৱা নাছিলোঁ। দিনে প্ৰায় কুৰি মিনিটৰ পৰা আধা ঘণ্টা বেহেলা বজাইছিলোঁ। দিনে দিনে দৰ্শকৰ সংখ্যা বঢ়া লক্ষ্য কৰিছিলোঁ। দ্বিতীয় ছাত্ৰাবাসৰ জ্যেষ্ঠ ছাত্ৰসকলেও তাত যোগ দিছিল। সেই মধুৰ মুহূৰ্তবোৰৰ কথা ভাবিলে মোৰ এতিয়াও আনন্দ লাগে। সেই সময়ত টিভি নাছিল। ৰেডিঅ'ৰ প্ৰচলনো বেছি নাছিল। সেয়েহে বোধহয় মোৰ বেহেলাক এক আমোদৰ আহিলা হিচাপে ব্যৱহাৰ কৰা হৈছিল। মোৰ লাভ হ'ল যে ৰেগিঙৰ নামত মই ভাল পোৱা কাম কৰিব পাৰিলোঁ। লগতে বেহেলাৰ আখৰাও হৈ থাকিল। সেই সময়ত ৰেগিং বোলা বস্তুটো আছিল; কিন্তু সীমিত ৰূপত। আমাৰ লগৰবোৰে মানসিকভাৱে কেতিয়াও আঘাত পোৱা নাছিল। আমাৰ ছাত্ৰাবাসৰ নৱাগত আদৰণী সভাখনলৈ এতিয়াও মনত পৰে। বিশেষকৈ ছেকগু শ্বোটো। ছেকগু শ্বো হ'ল মূল সভাখনৰ পিছত ৰাতিৰ আহাৰ শেষ কৰি আৰম্ভ কৰা সভাৰ দ্বিতীয় ভাগ। তাৰ বাবে এখন স্ক্ৰিপ্ট প্ৰস্তুত কৰা হৈছিল। স্ক্ৰিপ্টখন লিখিছিল স্নাতক দ্বিতীয় বৰ্ষৰ (পদাৰ্থবিজ্ঞানৰ Honours) ছাত্ৰ মুনিন দাসে (তেখেত হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম স্থান লাভ কৰিছিল)। প্ৰত্যেকজন নৱাগতৰ বাবে সেই স্ক্ৰিপ্টখনত একোটা বিশেষ ভূমিকা আছিল। মই কিন্তু বৰ এনজয় কৰিছিলোঁ। ছেকেগু শ্বো শেষ হওঁতে ৰাতি আঢ়ে বাজিছিল। আমি নৱাগতসকল সিদিনাৰ পৰা আন আৱাসীৰ সমপৰ্যায়ৰ হ'লোঁ।

আমি জ্যেষ্ঠসকলক দাদা বুলি মাতিছিলোঁ। সঁচাকৈয়ে তেখেতসকলে আমাক ককায়েকৰ দৰেই মৰম কৰিছিল। সেই মৰম বা আমাৰ শ্ৰদ্ধা কেনে নিস্বাৰ্থ আছিল। ভাবিলে গৌৰৱবোধ হয়। সময়ৰ লগে লগে সেইবোৰ সলনি হ'ল। হ'বই। সামাজিক

পৰিবেশো সলনি হ'ল। আমি আমাৰ পৰিয়ালৰ বহুকেইজন ভাই-ভনীৰ এজন আছিলোঁ। আজিকালিৰ পৰিয়ালত এজন বা দুজনহে সন্তান থাকে। আমি এৰা-ধৰাৰ মানসিকতা সৰুৰে পৰা আহৰণ কৰিছিলোঁ। আজিকালি পৰিয়ালত এই মানসিকতা গঢ়াৰ সুবিধা নহয়। আমি প্ৰাক্-বিশ্ববিদ্যালয়ত পঢ়া কালত কোনো দুঃশ্চিন্তাত ভোগা নাছিলোঁ। আজিকালি উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত যি হাৰত প্ৰতিযোগিতাৰ ভাব হৈছে তাৰ ফলত বহু ছাত্ৰ-ছাত্ৰীৰ বাবে পঢ়াটো আনন্দৰ পৰিবৰ্তে বোজা হৈ পৰিছে। মই দেখাত এই সমস্যাৰ কোনো সৰল সমাধান নাই।

মোৰ বেহেলাবাদনৰ শ্ৰেষ্ঠতম স্বীকৃতি তৃতীয় ছাত্ৰাবাসত থাকোঁতে পাইছিলোঁ। কথাখিনি অলপ বহলাই ক'ব লাগিব। আমাৰ সময়ত গধূলি চাহ খাবলৈ বাহিৰৰ ৰেস্তোৰাঁলৈ যোৱা সংস্কৃতি নাছিল। আমিবোৰ বেছিভাগেই নিম্ন মধ্যবিত্ত পৰিয়ালৰ পৰা অহা। গধূলি সময়ত হোষ্টেললৈ 'মধু' চানাৱালা সদায় আহে। খাবগৈ মন গ'লে তেওঁৰ পৰা চানা খাওঁ। সদায় খাবলৈও আমাৰ বেছিভাগৰে সামৰ্থ নাছিল। গধূলি মাজে মাজে বিদ্যুৎ কৰ্তনৰ ফলত গোটেই ছাত্ৰাবাস আন্ধাৰ হৈ পৰিছিল। সেই আন্ধাৰৰ সময়খিনি মোৰ বাবে বৰ ব্যস্ত সময় আছিল। কাৰণ সেই সময়ত মই বেহেলা বজোৱাটো এটা নিয়মত পৰিণত হৈছিল। বেহেলাত বজোৱা গানবোৰ সেই সময়ৰ জনপ্ৰিয় গান আছিল। লগৰবোৰে কাপ, চামুচ আদিৰ শব্দৰে বাদ্যযন্ত্ৰত সহায় কৰিছিল। এনে এটা গধূলি কিবা কাৰণত মোৰ মনটো বৰ স্ফূৰ্তিত নাছিল বাবে মই সেইদিনা অলপ দৰদী সুৰৰ গান বজাইছিলোঁ। মোৰ এতিয়াও মনত আছে সেইদিনা মই কমতে বহি বেহেলা বজাইছিলোঁ (সাধাৰণতে এনে অৱস্থাত বাৰাণ্ডালৈ ওলাই আহি থিয় হৈ লগৰবোৰৰ লগত স্ফূৰ্তি কৰি বেহেলা বজাইছিলোঁ)। বজোৱা গানটো আছিল 'তুহি মেৰি মনজিল তুহি মেৰি পূজা... 'খান্দান' কথাছবিৰ গান সুনীল দত্ত আৰু নূতন আছিল নায়ক আৰু নায়িকা। গানটো চকু মুদি বজাই আছিলোঁ। গানটো শেষ হোৱাৰ পিছত চকু মেলি দেখোঁ যে মধু চানাৱালাই কাগজ এখনত special চানা লৈ মোৰ আগত ৰৈ আছে মোক দিবলৈ। Special চানাৰ দাম বেছি আৰু মোৰ হাতত পইচা নাছিল। মই কথাটো কলোঁ। মধুৱে ক'লে যে এয়া বিক্ৰী কৰিবলৈ অহা নাই, মোৰ বেহেলা শুনি তেওঁ মোক পুৰস্কাৰ দিছে— ইয়াতকৈ বেছি স্বীকৃতি আৰু কিবা থাকিব পাৰে জানো?

সেই সময়ত সৰস্বতী পূজা ছাত্ৰাবাসসমূহৰ বাবে এক বিশেষ উৎসৱ আছিল। প্ৰতিটো ছাত্ৰাবাসে প্ৰতি বছৰে একোখন নতুন ধৰণৰ গে'ট নিৰ্মাণ কৰিছিল। ১৯৬৬-৬৭ত আমাৰ গে'টৰ আৰ্হি আছিল এক প্ৰকাণ্ড ৰাজহাঁহ। কোনে নক্সা প্ৰস্তুত কৰিছিল মোৰ মনত নাই। কিন্তু আমি সকলোৱে দিন-ৰাতি একাকাৰ কৰি কামত লাগি গৈছিলোঁ। একগোট হৈ এনেদৰে কাম কৰাৰ মানসিকতা আজিকালি কমি গৈছে বুলি মোৰ ধাৰণা হয়।

আমাৰ সময়ত ছাত্ৰাবাসবোৰৰ বাবে সমূহীয়া স্নানাগাৰ আৰু সমূহীয়া শৌচালয় আছিল। স্নানাগাৰৰ বৃহৎ চৌবাচ্ছাত পানী জমা কৰা হৈছিল, তাত সৰু সৰু কেইবাটাও বাল্টি আছিল। বাল্টিবোৰৰ তলিসমূহত ফুটা আছিল যাতে বাল্টিত পানী ভৰাই শৌচাগাৰলৈ নিব নোৱাৰে। শৌচাগাৰত ব্যৱহাৰ কৰিবলৈ প্ৰত্যেকে একোটা টেমা (তেতিয়া আমি তাক latrin pot বুলি কৈছিলোঁ) ৰাখিছিলোঁ। এই টেমাবোৰ আমি ৰুমত ৰাখিছিলোঁ। বহুতে একেলগে চিঞৰ-বাখৰ কৰি সমূহীয়া স্নানাগাৰত গা ধোৱাৰ আনন্দৰ কথা ভাবিলে এতিয়াও পুলকিত হওঁ। কি নিৰ্মল আনন্দ!

মই কলেজিয়েট স্কুলৰ পৰা অহা ছাত্ৰ। স্বাভাৱিকতে মই মোৰ লগৰবোৰতকৈ বেছি উৎপতীয়া আছিলোঁ। মোৰ একেবাৰে বিপৰীত আছিল ৰমেশ গোস্বামী (বৰ্তমান দৰং কলেজৰ পদাৰ্থবিজ্ঞান বিভাগৰ মুৰব্বী)। কিন্তু তেওঁৰ লগত মোৰ যি বন্ধুত্ব গঢ় লয় সেই কথা ভাবি মোৰ গৌৰৱবোধ হয়। সেই সৰল মনৰ ৰমেশ এতিয়াও একে হৈয়ে আছে। একেদৰে মোৰ মনত পৰে আৰু এজন অতি সৰল ল'ৰা—দুলাল দত্ত (বৰ্তমান বিখ্যাত চকু বিশেষজ্ঞ)। এতিয়াও তেওঁক পালে ১৯৬৬ চনত লগ পোৱা দুলাল দত্তকে পাওঁ।

১৯৬৬-৬৭ৰ আৰু এটা বিশেষ ঘটনাই মোক বৰ আকৰ্ষিত কৰিছিল। দ্বিতীয় বাৰ্ষিক বিজ্ঞান মহলাৰ ছাত্ৰ বিশ্বজিত ভাগৱতী (অলপতে কটন কলেজৰ গণিত বিভাগৰ মুৰব্বী অধ্যাপক হিচাপে অৱসৰ লৈছে), মুনিন দাস (আগতে তেখেতৰ বিষয়ে উল্লেখ কৰা হৈছে) আদি কেইজনমানে সদায় নিজৰ মাজত বৰ স্ফূৰ্তি কৰিছিল। মই এই কথাবোৰ লক্ষ্য কৰি আনন্দ পাইছিলোঁ। আটাইকেইজন অতি মেধাৱী ছাত্ৰ আছিল। ১৯৬৭ চনত তেওঁলোকৰ 'টেষ্ট' পৰীক্ষা। সকলো শাখাৰ। মুনিন দাসৰ পদাৰ্থবিজ্ঞান, বিশ্বজিৎ ভাগৱতী গণিতৰ ছাত্ৰ। মোৰ যিমান দূৰ মনত পৰে অনাৰ্ছৰ পেপাৰকেইখন শেষৰফালে আছিল। পদাৰ্থবিজ্ঞানৰ দৰে practical থকা বিষয়ৰ বাবে তিনিখন পেপাৰ আৰু গণিত বিষয়ৰ বাবে পাঁচখন পেপাৰ আছিল। গতিকে পদাৰ্থবিজ্ঞানৰ দৰে বিষয় থকাসকলৰ বাবে পৰীক্ষা আগতে শেষ হয়। পৰীক্ষা শেষ হোৱাৰ দিনা সকলো ছাত্ৰই আনন্দ কৰা এক স্বাভাৱিক ঘটনা। মোৰ মনত আছে মুনিন দাসে অনাৰ্ছৰ তিনি নং পেপাৰখন দি আহি আবেলি ছাত্ৰাবাসত আনন্দেৰে বিশ্বজিৎ ভাগৱতীক চিঞৰি ক'বলৈ ধৰিলে যে তেওঁৰ পৰীক্ষা শেষ হ'ল আৰু এতিয়া আন ল'ৰাকেইজনমানৰ লগত চেলিব্ৰেট কৰিবলৈ চিনেমা চাবলৈ যাব। বিশ্বজিৎ ভাগৱতীয়ে আনফালৰ পৰা চিঞৰি ক'বলৈ ধৰিলে তেওঁৰো পৰীক্ষা শেষ, গতিকে তেৰোঁ চিনেমালৈ যাব। মই কথাটো মন কৰি আছিলোঁ। ভাবিছিলোঁ, ভাগৱতীৰ দেখোন আৰু দুখন পেপাৰৰ পৰীক্ষা দিবলৈ বাকী আছে। পিছত গম পালোঁ বিশ্বজিৎ ভাগৱতীয়ে শেষৰ পেপাৰ দুখন নিদি প্ৰথম তিনিখন পেপাৰৰ পৰীক্ষা এনেকৈ দিছে যাতে সেই তিনিখন পেপাৰৰ নম্বৰ পাঁচখন পেপাৰ দি পাছ

কৰিবলগীয়া নম্বৰতকৈ বেছি হয়!

তৃতীয় ছাত্ৰাবাসৰ সেই সময়ৰ অধীক্ষক আছিল স্বনামধন্য শিক্ষাগুৰু ৰজনীকান্ত চক্ৰবৰ্তী ছাৰ। ছাৰ গণিত বিষয়ৰ শিক্ষাগুৰু আছিল। ছাৰে লিখা গণিত বিষয়ৰ পাঠ্যপুথিসমূহ বৰ জনপ্ৰিয় আছিল। ছাৰে সদায় ধক্‌ধকীয়া বগা ধুতী আৰু পাঞ্জাবী পিন্ধিছিল। বৰ গহীন-গম্ভীৰ লোক আছিল, দেখিলেই ভক্তি উপজে। তেখেতে সভাবোৰত দিয়া বক্তৃতাবোৰ মোৰ এতিয়াও মনত পৰে। হাস্যৰস সৃষ্টি কৰি তেখেতে কথাবোৰ কৈছিল। এনেবোৰ ঘটনাই আমাৰ পিছৰ জীৱনত যথেষ্ট প্ৰভাব পেলাইছে।

১৯৬৮ চনত প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণীত উত্তীৰ্ণ হৈ স্নাতক মহলাৰ বিজ্ঞান শাখাত নামভৰ্তি কৰোঁ। মোৰ অনাৰ্ছ আছিল ৰসায়নত। আকৌ তৃতীয় ছাত্ৰাবাসৰ আবাসী হ'লোঁ। এইবাৰ মই ছাত্ৰাবাসৰ জ্যেষ্ঠ আবাসী। গতিকে আগৰ বছৰৰ দৰে মুকলিকৈ আনন্দ কৰিবলৈ নৱাগত আদৰণী সভালৈ ৰ'ব লগা নহ'ল। নতুনকৈ অহা ছাত্ৰক ৰেগিং কৰিব পৰা হ'লোঁ! নতুনকৈ অহা ছাত্ৰসমূহৰ ভিতৰত বহুকেইজনে স্নাতক মহলাৰ ছাত্ৰ হিচাপে যোগদান কৰিছে। গতিকে মোৰ একে শ্ৰেণীৰে সহপাঠী। তেওঁলোকক ৰেগিং কৰাৰ কথা নাই। কিন্তু কিছুমান দুষ্টমি কৰিছিলোঁ তেওঁলোকৰ লগতো। এটা কথা এতিয়াও মনত আছে। মোহন চন্দ্ৰ মালাকাৰে (বৰ্তমান chief conservator of forest) স্নাতক মহলাৰ বিজ্ঞান শাখাৰ প্ৰথম বাৰ্ষিকত নামভৰ্তি কৰি তৃতীয় ছাত্ৰাবাসৰ আবাসী হিচাপে যোগদান কৰে। কোনোবা এটা বন্ধ বাৰত তেওঁ বাকচ আৰু বেডিং লৈ আগবেলা ১১ মান বজাত হোষ্টেললৈ আহে। আহি তেওঁ বাকচ আৰু বেডিং পঞ্চম ব্লকৰ কৰিড'ৰতে থৈ ছাত্ৰাবাসৰ কাৰ্যালয়লৈ যায়। মই দূৰৰ পৰা কথাটো লক্ষ্য কৰি আছিলোঁ। আমি দুজনমানে মোহন মালাকাৰ কাৰ্যালয়ত সোমোৱাৰ লগে লগে তেওঁৰ বাকচটো কৰিড'ৰৰ পৰা উঠাই আমি কোনোবা এটা কমত লুকুৱাই থ'লোঁ। কাৰ্যালয়ৰ পৰা ওলাই আহি কৰিড'ৰত বাকচটো নেদেখি মোহন মালাকাৰৰ ভয় আৰু শংকাৰে ভৰা মুখখনৰ কথা এতিয়াও মনত পৰে। পিছত কি কৰিলোঁ মোৰ মনত নাই। সেইদিনা গধূলিৰ পৰা মোহন আৰু মোৰ বন্ধুত্ব আৰম্ভ হয়।

১৯৬৭-৬৮ চনৰ কটন কলেজৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মই সংগীত বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচন খেলোঁ। ছাত্ৰাবাসৰ পৰা পূৰ্ণ সমৰ্থন পাইছিলোঁ। ছাত্ৰাবাসৰ পৰা নিৰ্বাচনত ভাগ লোৱা আন এক বিৰল অভিজ্ঞতা। সকলো আবাসীয়ে কেনেদৰে নিৰ্বাচনী প্ৰচাৰত লাগি গৈছিল সেই কথা ভাবি বৰ আনন্দ লাগে। আবাসীসকলে তেওঁলোকৰ নিজৰ এজনক জয়ী কৰাৰ বাবে সকলো প্ৰকাৰে চেষ্টা চলাইছিল। তাৰ বিনিময়ত তেওঁলোকে একো বিচৰা নাছিল। আজিকালিৰ নিৰ্বাচন বহু টকা-পইচা খৰচ হয়। সেই সময়ত বিশেষ একো খৰচ কৰিবলগীয়া হোৱা নাছিল। মই বিপুল ভোটৰ ব্যৱধানত সংগীত বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত হওঁ। ইউনিয়ন হলত (এতিয়াৰ

কলাগুৰু বিষ্ণু ৰাভা প্ৰেক্ষাগৃহ) ভোট গণনা চলি থাকোঁতে শেষৰ ফালে মই জয়ী হোৱাটো নিশ্চিত হোৱাৰ পিছত তৃতীয় ছাত্ৰাবাসৰে কেইজনমানে মোক হুলৰ পৰা দাঙি আনি কলেজৰ কাৰ্যালয়ৰ কাষত থকা পানীভৰ্তি ডাঙৰ চৌবাচ্ছা এটাত জুবুৰিয়াই দিয়ে। এয়াও এক প্ৰকাৰৰ আনন্দ আৰু চেলিব্ৰেচন!

এই লিখাখিনিৰে মোৰ মনৰ ভাব কিছুমান প্ৰকাশ কৰিলোঁ। আৰু বহু স্মৃতি আছে। এই সকলো স্মৃতিয়ে মিঠা স্মৃতি। কেতিয়াবা ভাব হয়, পাৰ হৈ যোৱা সময়খিনি ঘূৰাই আনি আকৌ আগৰ তৃতীয় ছাত্ৰাবাসৰ আবাসী হ'ব পৰা হ'লে! ❑

সোঁৱৰণীৰ তিনি পৃষ্ঠা

দীপক কুমাৰ গোস্বামী

কলেজ বা বিশ্ববিদ্যালয়ত পঢ়ি থকা অৱস্থাত ছাত্ৰৰ মনৰ পৰিপক্কতা নিশ্চয় আধৰুৱা হৈ থাকে। ঘৰৰ পৰিৱেশ আৰু পাৰিপাৰ্শ্বিকতাই কিছুমানক অধিক বুজা শক্তি দিয়ে। মোৰ ক্ষেত্ৰত বিশ্ববিদ্যালয়ৰ সীমা এৰি অহাৰ পিছতো বোধহয় এতিয়াও, পৰিপক্কতা কিমান আহিল, তাত নিজৰ সন্দেহ আছে।

কলেজত পঢ়ি থাকোঁতে মই বয়সস্থ শিশুহে আছিলোঁ। নিজক গঢ়াৰ, তাৰ বাবে শ্ৰমেৰে অধ্যয়ন কৰাৰ প্ৰয়োজনীয়তাতকৈ উদ্দেশ্যহীনভাৱে খেলি ফুৰিবলৈ ভাল পাইছিলোঁ। কিন্তু এই খেলত কোনো প্ৰদূষণ নাছিল বাবে পাতৰ তলতে লাউ হৈ শিক্ষক আৰু হোষ্টেলৰ অধীক্ষকৰ চকুৰ আঁৰতে ৰ'লোঁ। কোনো পৰীক্ষাতে ভাল ফল নোলাল। কিনো কৰি ফুৰিছিলোঁ ?

কলেজত কোনো কাৰণতে উদগনি বঁটা এটাও নোপোৱাসকলৰ এজন মই। মনত নিজৰ প্ৰতি বেথা জাগিলেও কণ্টকৰ পথ লৈ নিজৰ বিকাশৰ পথ বাছি লোৱাৰ প্ৰচেষ্টাতকৈ সহজলভ্য কি পায় তাৰ অন্বেষণ কৰিছিলোঁ। এবাৰ অমূল্য বৰুৱাই হাৱাইন গীটাৰ বজোৱা শুনি বৃত্তিৰ ধনেৰে এখন হাৱাইন গীটাৰ কিনি ললোঁ। গীটাৰ কিনি আনি আমি পাৰস্পৰিক ছাঁকেইটাই মোৰ কমত গীটাৰৰ প্ৰেক্টিচত লাগিলোঁ। তেনেতে অধীক্ষক নৱকান্ত বৰুৱা ছাৰৰ প্ৰৱেশ ঘটিল মোৰ কমত। সহজাত মৰমিয়াল মাতেৰে আমাক পঢ়িবলৈ কৈ গ'ল। পিছত তেখেতৰ ঘৰত এখন মেছৰ সভা হৈছিল। সভাৰ অন্তত আমাক বিদায় দি ছাৰে ক'লে— 'যোৱা এতিয়া পঢ়াগৈ। অ' নহয়, দীপক তুমি গীটাৰ বজোৱাগৈ।' মই হাঁহি মাৰি ওলাই আহিলোঁ।

পিছে গীটাৰৰ কাহিনীটো দীঘলীয়া। কটন কলেজৰ বাহিৰৰ এজন আমাৰ সমনীয়া যুবক মোৰ ওচৰলৈ আহিবলৈ লৈছিল। এদিন তেওঁ মোক এখন সভাত গীটাৰ বজাবলৈ

অনুৰোধ কৰিলে। সভা ক'ত হ'ব, কিহৰ সভা তাক নোসোধাকৈ মই সন্মতি দিলোঁ। কিন্তু অলপো সংকোচ নকৰাকৈ কওঁ যে সভাত বজোৱাটো দূৰৰ কথা, মই গীটাৰ বজাবৰ বাবে কোনো পাৰদৰ্শিতা আয়ত্ত কৰা নাছিলোঁ। যা হওক সভাখন নাহিল, আহিল এক শিৱৰাত্ৰি। অত্যন্ত ভয়ত টুলুঙা নাৱত উমানন্দৰ পৰা উভতি আহি দেখোঁ যে মোৰ গীটাৰখন নাই। সেইদিনাৰ পৰা সেই যুৱকজনো নাই। মোৰ গীটাৰ শিকাও তাতেই অন্ত।

মই বৃত্তিৰ ধনখিনি খৰচ কৰাৰ সময়ত সামান্য উপাৰ্জনেৰে আমাক পঢ়োৱা দেউতাৰ অনুমতি লোৱা নাছিলোঁ। দেউতাই গালি নাপাৰি কথাটোত দুখ প্ৰকাশ কৰিছিল। মোৰ এতিয়াও মনটো সেমেকে নিজৰ সেই বিবেকহীনতাৰ বাবে।

নৱকান্ত বৰুৱা ছাৰৰ আমাৰ প্ৰতি থকা পিতৃসুলভ মৰমৰ চানেকী আনকো ক'বৰ মন যায়। তেখেত কামপুৰৰ সাহিত্য সভাৰ অধিৱেশনত কবি সন্মিলনৰ সভাপতি আছিল। ফিয়েট কাৰ এখনত তেখেতৰ লগতে আমিও তালৈ গৈছিলোঁ আৰু ৰাতি আমি দেৱকান্ত বৰুৱাৰ ঘৰত থাকিলোঁ। সেই বিশাল ব্যক্তিত্বজনো ঘৰত আছিল আৰু আন এজন আলহী আছিল বিশ্বনাৰায়ণ শাস্ত্ৰী। তেখেতসকলৰো সান্নিধ্য পাই আমি আনন্দিত হৈছিলোঁ। নৱকান্ত বৰুৱা ছাৰৰ ককায়েকৰ প্ৰতি থকা শ্ৰদ্ধা আৰু সমীহ দেখি তবধ মানিছিলোঁ। তেখেতে ককায়েক আৰু বিশ্বনাৰায়ণ শাস্ত্ৰীৰ লগত বহি থকাতকৈ আমি তিনিটাৰ লগত একাষৰীয়া হ'বলৈ ভাল পাইছিলোঁ। আমি তিনিটাৰ আন দুজন আছিল প্ৰয়াত মুনীন ভূঞা আৰু প্ৰয়াত দিবাকৰ ডেকা। স্মৃতিৰ সাগৰৰ পাৰাপাৰ নাই। য'তে-ত'তে থপিয়াই অনেক কথা কোৱাৰ প্ৰৱণতা জাগে। একাষৰীয়াকৈ মই হোষ্টেলৰ অধীক্ষক হিচাপে পোৱা আনজন পিতৃসুলভৰ ছবিখন সজাই লৈছোঁ। বিনয়ভূষণ চৌধুৰী। সকলোকে 'গাধা', 'গৰু' আদি শব্দৰে সম্বোধন কৰা চৌধুৰী ছাৰৰ আমাৰ সকলোৰে প্ৰতি থকা মৰম আৰু দায়িত্ববোধৰ নিদৰ্শন অবিস্মৰণীয়। ছাৰে হোষ্টেলটোৰ অধীক্ষকৰ দায়িত্ব নৱকান্ত বৰুৱা ছাৰৰ হাতত অৰ্পণ কৰাৰ কেইদিনমান পিছতে আমাৰ খবৰ ল'বলৈ আহিছিল। আমি হোষ্টেলত সেই সময়ত উপস্থিত থকা গোটেইজাক হে'মলিনৰ বেগপাইপাৰৰ পিছে পিছে যোৱা ল'ৰা-ছোৱালীৰ জাকটোৰ দৰে ছাৰৰ পিছে পিছে গৈ অধীক্ষকৰ ঘৰটোৰ সন্মুখ পালোঁগৈ। বাহিৰৰ পৰাই তেখেতৰ চিৰাচৰিত সম্বোধনেৰে বৰুৱা ছাৰক চিঞৰা যি নুশুনিলে তেওঁৰ বাবে এক অপূৰ্ব ক্ষণ আঁৰ হৈ ৰ'ল। আমিজাকে হাঁহি হাঁহি 'বেগপাইপাৰৰ' পিছ এৰি হোষ্টেলৰ ফালে দৌৰিলোঁ। চৌধুৰী ছাৰৰ ক্ষেত্ৰত মোৰ চাকৰি কালত ঘটা এটা ঘটনা মোৰ আজীৱন খেদ হৈ ৰ'ল। মই ৰাজহ বিভাগত উপ-সচিব হৈ থাকোঁতে তেখেত কিবা এটা কামত আমাৰ বিভাগলৈ গৈছিল। মই সচিবজনৰ অনুপস্থিতিত তেখেতৰ কক্ষত সোমাই এ চিৰ ঠাণ্ডা লৈ কাম কৰি আছিলোঁ। কটন কলেজত পঢ়া এজন সহায়কে ছাৰক মোৰ ওচৰলৈ লৈ গ'ল। থত-মত খুৱাই

ছাৰে মোক নমস্কাৰ আগতে দিলে। মই প্ৰতি-নমস্কাৰ দিয়াৰ সময়ত ছাৰৰ আচৰণটোৱে সৃষ্টি কৰা মনৰ হিল্লোল তুংগত আছিল। মই যে ভৰিত ধৰিহে প্ৰত্যুত্তৰ দিব লাগিছিল তাক পাহৰি থাকিলোঁ। পিছত বহুদিন চাই আছিলোঁ ভৰিত ধৰাৰ সুযোগৰ বাবে। কিন্তু যিদিনা ভৰি দুখনৰ উদং পতা ওলাই থকা পালোঁগৈ সেইদিনা নৱগ্ৰহত। ছাৰৰ চিতা জ্বলিল। ছাৰ! আপুনি য'তেই নাথাকক, আমাৰ হৃদয়ত পিতৃ হৈ হৃদয়খন থাকে মানে থাকিব। ❑

মোৰ হেঁপাহৰ কটন

ৰয়েল আহমেদ

কটন কলেজ বুলিলেই মনলৈ আহে এগালমান অমল আনন্দৰ দিনবোৰ। মনৰ ডেউকা মেলি উৰি ফুৰোঁ কটনৰ মিঠা সোঁৱৰণিৰ সেই দিনবোৰত। কটনৰ নষ্টালজিয়াত আক্ৰান্ত হৈ পৰাটো বোধকৰোঁ প্ৰায়বোৰ প্ৰাক্তন কটনিয়ানৰে এক প্ৰৱণতা। অতি সম্প্ৰতি কলকাতাৰ পৰা গুৱাহাটীলৈ অহাৰ আগতে থাকিম ক'ত এই লৈ ভাবনা-চিন্তা কৰি থাকোঁতে দুজনমান অন্তৰংগ বন্ধুৱে জনালে 'আমাৰ ঘৰতে থাকিব'। পিছে কাৰোবাৰ ঘৰত মানসিকভাৱে বিশেষ ফ্ৰী হ'ব নোৱাৰোঁ বুলি মই কোনোবা এক অতিথিশালাত থকাৰে পক্ষপাতী। মোৰ সহৃদয় ভাতৃ কটন কলেজৰ অৰ্থনীতি বিভাগৰ অধ্যাপক সুৰেশ কুমাৰ নাথৰ সৈতে ফোনত বাৰ্তালাপ হওঁতে তেওঁ মোক জনালে— 'আপুনি আমাৰ গেষ্ট হাউছতে থাকিব'। কটনৰ গেষ্ট হাউছ এটা আছে বুলি মই জনা নাছিলোঁ। গতিকে গেষ্ট হাউছটোৰ কথা জানিব পাৰি মই লগে লগে সন্মত হ'লোঁ তাত থকাৰ বাবে। এনে কৰাৰ অন্যতম কাৰণ আছিল কটনৰ প্ৰতি থকা নষ্টালজিক সোঁৱৰণ। যথা সময়ত সৰু গেষ্ট হাউছটোত মোৰ আগমন ঘটিল। মই বিচাৰি পালোঁ কটনৰ সেই পুৰণি দিনবোৰৰ মিঠা সোঁৱৰণ। বোধকৰোঁ এইবাৰ গুৱাহাটীলৈ আহিয়ে মই অধিক সময় কটনৰ চৌপাশে অতিবাহিত কৰাৰ সুযোগ পালোঁ। বিশেষকৈ কলেজখনত প্ৰতিষ্ঠা হোৱা 'মাছ কমিউনিকেচন চেন্টাৰ'টো মোৰ আকৰ্ষণৰ অন্যতম কেন্দ্ৰ আছিল। এই কেন্দ্ৰত মাছ মিডিয়াক লৈ বিভিন্ন কাম-কাজ চলি থাকে। কেমেষ্ট্ৰী বিভাগৰ অধ্যাপক, সংগীত সাধক সত্যেন্দ্ৰ কুমাৰ চৌধুৰী ছাৰ সদা ব্যস্ত হৈ থাকে উক্ত কেন্দ্ৰক লৈ। লগতে আছে সুৰেশ নাথ, জগদীশ দত্ত, কটনৰ এসময়ৰ কেৰাণী কলিতা খুৰা আদি লোকসকল। এইসকল আৰু অন্যান্য লোকসকলৰ সংসৰ্গ আমাৰ বাবে এক আনন্দৰ

বিষয়। এইবেলি গুৱাহাটী অৱস্থান কালত কটন কলেজৰ সোঁৱৰণ আমাৰ অন্যতম আনন্দৰ বিষয়। ভাতৃসদৃশ জগদীশ দত্তই অলপতে প্ৰকাশ পাবলগীয়া পুৰণি কটনিয়ানসকলৰ সংকলনৰ বাবে মোৰ পৰাও কিবা এটা লেখনী বিচৰাত মই ভাবিলোঁ— কিনো লিখিম বাৰু। লিখিবলৈতো বহু কথাই আছে। কিন্তু ক'ৰ পৰা আৰম্ভ কৰি কোনখিনিত শেষ কৰিম? গতিকে বিশেষ ভাবনা-চিন্তা নকৰি মনলৈ যিবোৰ কথা আহিছে অনৰ্গল সেই কথাবোৰকে কোৱাৰ চেষ্টা কৰিছোঁ। জগদীশে টাটু ঘোঁৰাৰ দৰে অক্লান্তভাৱে অবিৰত কাম কৰি আছে কটনৰ প্ৰাক্তন সাধাৰণ সম্পাদকসকলৰ এই সংগঠনটিৰ বাবে।

এতিয়াও মনত পৰে কটন মুছলিম ছাত্ৰাবাসলৈ। আগমনৰ প্ৰথম দিনটোৰ কথা। ধোবাংবাংকৈ খুলি থোৱা লোহাৰ গেটখনেদি সোমাই আহি হোষ্টেলৰ বাৰাণ্ডা পাওঁমানে মোক স্বাগতম জনালে দুজনমান অন্য আবাসীয়ে। মোক এটা কোঠালৈ লৈ যোৱা হ'ল বলিৰ পঠাৰ দৰে। আন এজনে মাংস কটা ডাঙৰ দা এখন আনি মৌলৈ দাঙি দেখুৱাই ক'লে— 'কাটিম আজি তোক।' মই ভয়ত থৰহৰি কম্পমান। কত ধৰণৰ ভয়ংকৰ কথাৰে মোক ভয় খুৱাবলৈ চেষ্টা কৰিলে সিহঁতে। মোৰ দাদা এজন আহিছিল মোক হোষ্টেলত থৈ যোৱাৰ বাবে। কোঠাটোৰ পৰা ওলাই যোৱাৰ পিছত একাষলৈ মাতি নি ক'লে— 'কটনত পঢ়িব নালাগে আৰু, ঘৰৰ ল'ৰা ঘৰলৈ ব'ল। তোক ইহঁতেচোন মাৰিয়েই পেলাব।' দাদাক মই বুজালোঁ— 'এইবোৰ আচলতে এক ধৰণৰ ধেমালিহে। মোক ভয় খুৱাবৰ বাবেহে সিহঁতে এনে কৰিছে।' বুজাই-বঢ়াই দাদাক ঘৰলৈ ঘোৰাৰ বাবে আগবঢ়াই দিলোঁ। সিদিনাখনৰ পৰা প্ৰায় এপষেক কাল বিচিত্ৰ অভিজ্ঞতাৰ মাজেৰে হোষ্টেলৰ দিনবোৰ অতিবাহিত কৰিলোঁ। ক্ৰমশঃ অভ্যস্ত হৈ পৰিছিলোঁ হোষ্টেল জীৱনৰ সৈতে। যিমানেই দিনবোৰ পাৰ হৈ গৈছিল, সিমানে অনুভৱ কৰিছিলোঁ কটনৰ এক বিশাল সাগৰত সাঁতুৰি-নাদুৰি ফুৰিবৰ বাবে ঘৰখন এৰি আমি আহিছোঁ। সেই দিনবোৰৰ প্ৰতিটো দিনেই আছিল এক নতুন দিন। লগ পাইছিলোঁ অধ্যক্ষ ড° গোবিন্দ চন্দ্ৰ ডেকা, উপাধ্যক্ষ নবকান্ত বৰুৱা, ইংৰাজী বিভাগৰ অধ্যাপক বসন্ত বৰুৱা, ৰঞ্জিত দেৱগোস্বামী, দেৱেন দত্ত, উপেন শৰ্মা আদি শিক্ষকসকলক। অন্যান্য বিভাগৰ কৃতী অধ্যাপকসকলতো আছেই। আগমনৰ সময়ত ভাবুকি দিয়া আবাসীসকলৰ সৈতেই এসময়ত গঢ়ি উঠিছিল নিবিড় সম্পৰ্ক। ছাত্ৰাবাসৰ দিনবোৰ আনন্দৰ মাজেৰেই অতিবাহিত কৰিছিলোঁ। ক্ৰমশঃ কলেজখনৰ বিভিন্ন কাম-কাজতো আমাৰ নিবিড়তা গঢ় লৈ উঠিছিল। হোষ্টেল আৰু কলেজৰ বিভিন্ন কাম-কাজৰ মাজেৰে আমি পাইছিলোঁ এক অমল আনন্দ। সমান্তৰালভাৱে চলি থাকিল পঢ়া-শুনাৰ কাম।

চি এম হোষ্টেলত 'জানকা' নামৰ এজন কৰ্মচাৰী আছিল। যাক সকলো আবাসীয়ে প্ৰতিটো কামতে বিচাৰিছিল। জানকায়ো পাৰ্যমানে কামবোৰ কৰি গৈছিল। মানুহজন আছিল অলপ চেৰাবলিয়া ধৰণৰ। মুখৰ ভিতৰতে কিবা ভোৰভোৰাই থকে। বেছি

কিবা কামৰ কথা ক'লেই টিঙিচকৈ খং উঠে। কামটো ঠিকেই কৰিব, কিন্তু সমানে খং-বিৰক্তি দেখুওৱাত কাৰ্পণ্য নকৰে। জানকাৰ ব্যক্তিগত জীৱনত ডাঙৰ এক বিপৰ্যয়ৰ বাবেই মানুহজন মানসিকভাৱে কিছু অস্থিৰ স্বভাৱৰ হৈ পৰিছিল। আমি সকলোৱে জানকাক খুবেই ভাল পাইছিলোঁ। এবাৰ কিবা এটা কথাত বিৰক্ত হৈ জানকাই আমাৰ হোষ্টেল এৰি মাছখোৱাৰ এখন ৰেষ্টোৰেণ্টত কাম কৰাত লাগিল। আমি চলাথ কৰি জানকাক বিচাৰি উলিয়াই পুনৰ হোষ্টেললৈ লৈ আহিছিলোঁ। বুজাই-বঢ়াই হোষ্টেলতে থকাৰ বাবে কাবৌ-কোকালি কৰিছিলোঁ। আমি তেনে কৰাৰ বাবে জানকাই লাজহে পাইছিল। আমি জানিছিলোঁ জানকাই নহ'লে আমাৰ নচলে। সেই জানকাই এতিয়া ক'ত আছে, জীয়াই আছে নে নাই তাৰ কোনো উৱাদিহ নাই।

ডিগ্ৰী ক্লাছত পঢ়ি থকা সময়ত আমাৰ অভিভাৱকৰ দৰেই এজন অধ্যাপক আছিল ৰাজনীতি বিজ্ঞান বিভাগৰ ড° কৃপেশ চন্দ্ৰ পাল। লগতে মৌজাদা ৰহমান, চাজিদা বেগমৰ দৰে অধ্যাপিকাসকল। অসমীয়া বিভাগৰ প্ৰবক্তাসকলৰ সৈতে আমাৰ নিবিড় সম্পৰ্ক গঢ়ি উঠিছিল। এইটো হৈছিল বোধহয় সাহিত্যৰ প্ৰতি থকা অনুৰাগৰ বাবে। বহুকেইজন প্ৰথিতযশা অধ্যাপকে সেই সময়ত কটন কলেজ জিলিকাই ৰাখিছিল। ফিজিক্সৰ অধ্যাপক ড° কমলেন্দু দেৱক্ৰোৰী, ড° কুলেন্দু পাঠক, ড° অমৰজ্যোতি চৌধুৰী, অসমীয়া বিভাগৰ ৰামচৰণ ঠাকুৰীয়া, যমুনা শৰ্মা চৌধুৰী, ড° ৰমেশ পাঠক, নাৰায়ণ শৰ্মা, অংক বিভাগৰ তাৰকেশ্বৰ চৌধুৰী, দুৰ্গা দাস, ৰসায়ন বিভাগৰ সত্যেন্দ্ৰ কুমাৰ চৌধুৰী, মহেশ ভূএগ আদি বিভিন্নজন অধ্যাপকক আমি নিচেই ওচৰৰ পৰা পোৱাৰ সৌভাগ্য পাইছিলোঁ। সকলোৰে নাম উল্লেখ কৰিবলৈ গ'লে এক ধাৰাপাত হ'ব বুলি সেই কামৰ পৰা বিৰত থাকিলোঁ।

কলেজত প্ৰায়ে অনুষ্ঠিত হৈ থকা সাহিত্য-সংস্কৃতিৰ অনুষ্ঠান, বিভিন্ন সভা-সমিতি আদিত ব্যস্ত হৈ থাকি বহুখিনি সময় পাৰ কৰাইছিলোঁ যদিও তাৰ বাবে মনত কোনো আক্ষেপ নাই। কিয়নো সেই সময়ৰ পৰা বিভিন্ন অভিজ্ঞতা আমি সঞ্চয় কৰিছোঁ। ইয়াৰ বাহিৰেও কটন কলেজৰ পুথিভঁৰালটো আছিল জ্ঞানৰ এক অমূল্য ভাণ্ডাৰ। লক্ষাধিক পৰিমাণৰ এই গ্ৰন্থসমূহ আছিল জ্ঞানৰ বিশাল আকৰ। অৱসৰ সময়ত বহু ছাত্ৰ-ছাত্ৰীয়েই এই গ্ৰন্থসমূহৰ যোগেদি জ্ঞানোৰ্জনৰ চেষ্টা অব্যাহত ৰাখিছিল। বহু শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ আগমন ঘটিছিল এই পুথিভঁৰাললৈ। বৰ্তমান পুথিভঁৰালৰ স্থান সলনি হৈছে। নতুন নতুন বিশাল গৃহসজ্জাৰ ভিতৰত গ্ৰন্থসমূহ ৰখা হৈছে। পিছে গ্ৰন্থ পিপাসু লোকৰ কেনে সমাৱেশ এই গ্ৰন্থাগাৰলৈ হয় সেই সম্পৰ্কত আমাৰ ধাৰণা স্পষ্ট নহয়।

হোষ্টেলত থকা দিনবোৰত কিছুমান নিষ্পাপ বদমাছিক জড়িত হৈ লাভ কৰা আনন্দবোৰ এতিয়াও মনত সজীৱ হৈ আছে। এইবোৰত আমাৰ লীডাৰ হাজোৰ ল'ৰা ছুফেদ আলী। সকলো কামতে সি পাকৈত। এবাৰ হ'ল কি— দুপৰ নিশা তাৰ নেহৰু

পাৰ্কত থকা পুখুৰীটোত থকা মাছ খাবলৈ ইচ্ছা হ'ল। যেনে ইচ্ছা তেনে কাম। নতুনকৈ অহা আৱাসী এজনৰ আঁঠুৱা লৈ আমি দলে-বলে গ'লোঁ মাছ ধৰিবলৈ। সৰু পুখুৰীটোত কিছু মাছ থকাটো আমি জানো। আৰম্ভণিতে আঁঠুৱাৰে পিছত ছফেদে হাতেৰেই প্ৰায় আধাকেজিমান মাছ ধৰিলে। সেই সময়ত যিহেতু কোনো ধৰণৰ কঠোৰ পহৰাৰ ব্যৱস্থা নাছিল, গতিকে আমি কোনো বাধা নোহোৱাকৈ উক্ত মাছ ধৰা কামফেৰা সমাধা কৰিলোঁ। হোষ্টেললৈ আহি তেল-মছলাৰো যোগাৰ কৰা হ'ল। সু-গৃহিণীৰ দৰে ছফেদে মাছখিনি কটা-বছা কৰিলে। আমি কেইজনমান লগতে নিশা দুপৰত শোৱাৰ পৰা জগাই আনি ভজা মাছৰ সোৱাদ দিলোঁ। অকল মাছেৰেই নহয়, গৰুৰ গাখীৰৰ ব্যৱস্থা কৰিলে ছফেদে। আমাৰ মালিৰে প্ৰকাণ্ড গৰুজনীক টানি চোঁচৰাই আনি হোষ্টেলৰ বাথৰুমত লুকুৱাই (লুকুৱাই মানে আধাখিনি বাহিৰতে থাকিল) গাখীৰ খীৱোৱাৰ ব্যৱস্থা হ'ল। মাছো খালোঁ, গাখীৰো খালোঁ। দুপৰ নিশাৰ ভোজনটো ভালেই হৈছিল। পিছদিনাখন আমাৰ মালিযে আমাৰ বাবে গাখীৰ দিব নোৱাৰিলে। সি জনালে— 'আজি গৰুটোৱে গাখীৰেই নিদিলে। কি হ'ল জানো!' আমি কেৱল মুখ টিপি হঁহাৰ বাহিৰে আন উপায় নাছিল। এই ঘটনাটো বিভিন্ন ৰং-ৰহইচৰ এটা উদাহৰণ মাত্ৰ।

শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত কটন কলেজ উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰতে আগৰণুৱা বুলি জনাজাত। অঞ্চলটোৰ বিভিন্ন প্ৰান্তৰ মেধা ছাত্ৰ-ছাত্ৰীসকলে এই কলেজখনলৈ শিক্ষা গ্ৰহণৰ কাৰণে আহে। গতিকে স্বাভাৱিকতে পঢ়া-শুনাৰ ক্ষেত্ৰতো বিশেষ এক প্ৰতিযোগিতা চলে। কোনোৱে ভাল ফলাফল দেখুৱাই আগুৱাই যায়। আৰু একাংশই হয়তো প্ৰতিযোগিতাত তিষ্ঠিব নোৱাৰি মুখ-থেকেচা খায়। সি যি নহওক প্ৰতিবছৰেই বিভিন্ন পৰীক্ষাসমূহত কটন কলেজে ভাল ফলাফল দেখুৱায়। এইটোৱেইটো স্বাভাৱিক। কিয়নো সুনিৰ্বাচিত ছাত্ৰ-ছত্ৰীসকলে কটনত পঢ়িবলৈ আহে। সেইবাবে এতিয়া যেতিয়া দেখিবলৈ পাওঁ তুলনামূলকভাৱে ভাল ফলাফলৰ ক্ষেত্ৰত কটনৰ কিছু বিচ্যুতি ঘটে, সেইটো শিক্ষা প্ৰতিষ্ঠানটোৰ গৰিমাৰ ক্ষেত্ৰতে এক নেতিবাচক আঘাত বুলি ভাবিবই পাৰি। অতি সম্প্ৰতি ছাত্ৰাৱাসসমূহৰ আগৰ সেই উছাহ-উচ্ছলতা দেখিবলৈ পোৱা নাই। কিবা এক নিমাওমাও পৰিৱেশ। হোষ্টেলত থকা ছাত্ৰৰ সংখ্যাও হেনো কমি আহিছে। কিহৰ বাবে এনে হৈছে জানিব পৰা নগ'ল। অথচ আমাৰ সময়ত এটা মাত্ৰ হোষ্টেল ছীটৰ কাৰণে হাহাকাৰ কৰি ফুৰা ছাত্ৰ-অভিভাৱকক আমি পাইছিলোঁ। উচ্ছ্বাসহীন হৈ পৰা হোষ্টেলৰ পৰিৱেশ হয়তো সময়ৰ গতিতে হৈছে। আধুনিক অগ্ৰগতি, যান্ত্ৰিকতাই বোধহয় সেই পৰিৱেশক গ্ৰাস কৰিছে। তাহানিৰ পৰিৱেশটোৱে সদায় থাকিব বুলি ভাবি লোৱাৰ কোনো যুক্তি নাই। পৰিৱৰ্তনক আমি মানি লোৱাই ভাল যদিও সেই পৰিৱেশক বিচাৰিবলৈ গৈ আমি অৱশ্যেই হতাশাগ্ৰস্ত হওঁ।

শিক্ষায়তনিক আৰু বৌদ্ধিক বিকাশৰ ক্ষেত্ৰত ৰাজ্যখনৰ ভিতৰতে কটন কলেজে

যি অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল সেই ভূমিকাৰ ক্ষেত্ৰতো হয়তো হীনদেঢ়ি ঘটিছে। এসময়ত কোৱা হৈছিল—আজি কটনে যি ভাবে, কাইলৈ অসমে সেই কথা ভাবিব। এনেধৰণৰ ধাৰণা পোষণ কৰি গঙাটোপ হৈ থকাৰ কাৰণো আমি দেখা নাপাওঁ। ছাত্ৰ-ছাত্ৰী, শিক্ষকসকলৰ সংখ্যা আগতকৈ বহুগুণে বাঢ়িছে; ন ন বহু বিল্ডিং উঠিছে। বহুমুখী কাম-কাজৰ সংখ্যাও দিনক দিনে বৃদ্ধি পাইছে। এইবোৰ অৱশ্যেই অনুপ্ৰাণিত হোৱাৰ কথা। কিন্তু ইয়াৰ লগে লগে যথাৰ্থ অৰ্থত শ্ৰীবিকাশ প্ৰতিনিয়ত ঘটিছে নে নাই সেই বিষয়টোতো কঢ়া নজৰ ৰখা উচিত। এসময়ত ভাৰতৰ কলেজসমূহৰ ভিতৰতে স্থান লাভ কৰা কটন কলেজৰ স্থান এতিয়া পিছে তলৰ পিনেহে দেখা যায়। দ্ৰুতগতিৰে আগবাঢ়ি যোৱা সৰ্বভাৰতীয় শিক্ষায়তনিক পৰিৱেশত খোজ মিলাই আগুৱাব নোৱাৰিলে পূৰ্বৰ ঐতিহ্যমণ্ডিত স্থান বিচ্যুত হোৱাৰ সম্ভাৱনাৰ কথাটো চকুত ৰখা উচিত।

আজিৰ দিনটোত বিশ্বৰ বিভিন্ন প্ৰান্তত কটনিয়ানসকল সিঁচৰতি হৈ আছে। বহু উচ্চ পদত কাৰ্যনিৰ্বাহ কৰি আছে এইসকলে। শতবৰ্ষ অতিবাহিত কৰা এই কলেজৰ প্ৰতি অনেকৰেই এক 'নষ্টালজিক মেমোৰী'য়ে কাম কৰে। এবাৰ এই কলেজত অধ্যয়ন কৰা কোনো ছাত্ৰ-ছাত্ৰীয়ে কলেজখনক সতকাই পাহৰি যাব নোৱাৰে। কিবা নহয় কিবা প্ৰকাৰে সেইসকলৰ জীৱনৰ একোটা অধ্যায় এই কলেজখনৰ সৈতেই সংপৃক্ত হৈ আছে। কটন কলেজ ইউনিয়ন হল আমি আয়োজন কৰা বহু অনুষ্ঠানৰ সাক্ষী। তাৰ কাষৰতে থকা কলিতাদাৰ কটন কলেজ কেণ্টিনখন আছিল আমাৰ নিয়মিত আড্ডাৰ ঠাই। আনহাতে কটন কলেজ বুলিলেই কাষৰীয়া পাণবজাৰৰ কথাও বহু সময়ত উল্লেখিত হয়। এই পাণবজাৰ কটনিয়ানসকলৰ বিচৰণৰ ঠাই। পাণবজাৰক লৈয়ো বহু স্মৃতি কটনিয়ানৰ বুকুত সাঁচি থোৱা আছে। পাণবজাৰৰ সন্ধিয়াক লৈয়ো আমাৰ বহু স্মৃতি এতিয়াও সজীৱ হৈ আছে।

কটন কলেজ আমাৰ যৌৱনৰ এক গুৰুত্বপূৰ্ণ অধ্যায়। আমাৰ হেঁপাহৰ ঠাই। কটনক কোনোভাৱেই স্মৃতিকোঠাৰ পৰা বিতাৰিত কৰাটো সম্ভৱ নহয়। মনৰ সজীৱ কোঠাতে কটনখন সঞ্চিত হৈ ৰওক।❑

কটন কলেজ ঃ চিৰস্মৰণীয়

ড° বসন্ত কুমাৰ দাস

কটন কলেজ অসম আৰু অসমীয়া মানুহৰ অতি মৰমৰ অনুষ্ঠান। এই কটন কলেজে সাহিত্য-সংস্কৃতি, ৰাজনৈতিক, সামাজিক, বৌদ্ধিক, প্ৰশাসনিক, ক্ৰীড়া আদি সকলো দিশত ৰাজ্যখনত সফল নেতৃত্ব দিব পৰা বহুতো ব্যক্তিৰ সৃষ্টি কৰিছে। সেয়েহে কটন কলেজক লৈ সকলোৱে গৌৰৱ কৰি আহিছে।

ষাঠি-সত্তৰ দশকলৈকে কটন কলেজ উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যৰ মেধাৰী ছাত্ৰ-ছাত্ৰীৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু আছিল। কটন কলেজ সেই সময়ত মণিপুৰ, নাগালেণ্ড, মিজোৰাম, অৰুণাচল আদি ৰাজ্যৰ ছাত্ৰ-ছাত্ৰীৰ মিলনভূমি আছিল।

শ্বিলঙত St. Anthorly College, St. Edmand's College আৰু Lady Keen কলেজ সজা হেতুকে হয়তো মেঘালয়ৰ ছাত্ৰ-ছাত্ৰী কটন কলেজলৈ অধ্যয়নৰ বাবে অহা নাছিল। আশীৰ দশকৰ পৰা লাহে লাহে পূৰ্বাঞ্চলৰ অন্যান্য ৰাজ্যৰ ছাত্ৰ-ছাত্ৰীৰ সোঁত কমি আহিল। এনে এক ঐতিহ্যমণ্ডিত কলেজত ১৯৬৯-৭২লৈকে সুদীৰ্ঘ ৪ বছৰ অধ্যয়নৰ সুযোগ পাইছিলোঁ। সেই সময়ত সান্নিধ্য লাভ কৰিছিলোঁ অতি দক্ষ আৰু পাণ্ডিত্যপূৰ্ণ বহুতো শিক্ষকক। সান্নিধ্যলৈ অহাৰ সুযোগ পাইছিলোঁ ৰাজ্যখনৰ বিভিন্ন দিশত সাফল্য অৰ্জন কৰা অনেক ব্যক্তিৰ ছাত্ৰাৱস্থাৰ লগত।

কটন কলেজ ছাত্ৰ সংস্থা এক অতি সন্মানীয় ছাত্ৰ সংগঠন আছিল। এই কলেজৰ ছাত্ৰসকলৰ স্বাৰ্থৰ উপৰি সামগ্ৰিকভাবে কলেজখনৰ সমসাময়িক, সামাজিক বিষয়বোৰৰ প্ৰতি জাগ্ৰত প্ৰহৰীৰ দৰে দৃষ্টি ৰাখিছিল। ছাত্ৰ সংস্থাৰ বিষয়ববীয়াসকল অধ্যয়নৰ প্ৰতি সমানে সতৰ্ক আছিল।

আমাৰ সময়ত কটন কলেজৰ ছাত্ৰ সংস্থাৰ বিষয়ববীয়াসকলৰ ভিতৰত অধ্যাপক

আব্দুল মান্নান, অধ্যাপক প্ৰদীপ বৰঠাকুৰ, অধ্যাপক যতীন কলিতা, প্ৰশাসনিক বিষয়া দিলীপ বৰা , কল্যাণ দত্ত, অধ্যাপক কুসুম্বৰ ভূঞা, দেৱেন হাজৰিকা, বেংক বিষয়া ৰফিকুহ জামান, দিনবন্ধু ঠাকুৰীয়া, ৰাজনীতি জগতত অতুল বৰা, কিৰিপ চলিহা, ভুবনেশ্বৰ কলিতা আদিৰ নাম উল্লেখ কৰিব পাৰি, যিসকলে ছাত্ৰ সংস্থাৰ বিষয়ববীয়া হৈ নিজকে প্ৰতিষ্ঠাপিত কৰিছিল।

কটন কলেজৰ ছাত্ৰাবাস-ছাত্ৰীবাসবোৰে কটন কলেজলৈ ছাত্ৰ-ছাত্ৰীক আকৰ্ষণ কৰিছিল। ইয়াতে মিলন ঘটিছিল মেধাৱী ছাত্ৰ-ছাত্ৰীবোৰৰ। কটন কলেজৰ ছাত্ৰাবাসবোৰত থাকি সেই সময়ৰ কটনিয়ানে গৌৰৱবোধ কৰিছিল। ছাত্ৰাবাসৰ বাসিন্দাসকলৰ মাজৰ সম্পৰ্কৰ বান্ধোন অতি মধুৰ আছিল। ছাত্ৰাবাসৰ বাসিন্দাসকলৰ উপৰি ছাত্ৰাবাসবিলাকৰ মাজত প্ৰতিযোগিতা চলিছিল। ছাত্ৰাবাসবোৰৰ তৃতীয় ছাত্ৰাবাসক কবিৰাজ হোষ্টেল বুলি কৈছিল আৰু নামনি অসমৰ ছাত্ৰবোৰ এই ছাত্ৰাবাসত আছিল। দ্বিতীয় ছাত্ৰাবাসত উজনিৰ ছাত্ৰবোৰ থাকিছিল। দুমহলীয়া ছাত্ৰাবাসত ট্ৰাইবেল ল'ৰা থাকিছিল। Cosmopolitan Hostalৰ ল'ৰাবোৰ খেলা-ধূলাত পাকৈত আছিল।

ক্ৰীড়া জগতত খ্যাতি অৰ্জন কৰা কেতবোৰ খেলুৱৈৰ কথা কৈ আমি গৌৰৱ কৰিছিলোঁ। তাৰ ভিতৰত টুচেন বৰা, দেৱী বৰুৱা, ভোগেশ্বৰ বৰদলৈ, শ্যাম চেটাৰ্জী, দীপ ৰাজখোৱা, অগ্নি ব্ৰহ্ম, শৰৎ শৰ্মা, জিবু কিৰে আদিৰ কথা আজিও মনত পৰে। স্কুলত পঢ়ি থাকোঁতে সক্ৰিয় খেলুৱৈ নাছিলোঁ যদিও জাতীয় দল ফুটবল খেলুৱৈ টুচেনাৰ প্ৰভাৱত পিছত আমিও খেলুৱৈ হৈ পৰিছিলোঁ।

সকলো ক্ষেত্ৰতে আগৰণুৱা বহুতো কটনিয়ানৰ লগতে সেই সময়ৰ বহুতো ঘটনাৰ কথা মনলৈ আহে— এওঁলোকৰ ভিতৰত অতুল বৰদলৈ, অৰুণ বৰদলৈ, দিলীপ মহন্ত, প্ৰফুল্ল গোস্বামী, দীনবন্ধু তালুকদাৰ, দীনবন্ধু ঠাকুৰীয়া, দেৱব্ৰত শৰ্মা, প্ৰণৱ পাঠক, প্ৰদীপ ভূঞা, হেমেন বৰ্মন, ভূপেন চৌধুৰী, ৰাজেন শৰ্মা, ভৱানী শৰ্মা, গীতানাথ লহকৰ, কৰুণা মুদ্দিয়াৰ, ত্ৰৈলোক্য শালৈ, ৰাধিকা দাস, সুভাষ দাস, খগেন শৰ্মা, কেশৱ শৰ্মা, ৰমেশ গোস্বামী, ভূপেন শৰ্মা, কনক শৰ্মা, ভুবনেশ্বৰ চহৰীয়া, প্ৰদীপ দাস, ভাৰত গোস্বামী, ৰুদ্ৰেশ্বৰ ডেকা, শৈলেন নাথ, পুষ্প গগৈ, শৈলেন ব্ৰহ্ম, সুনীল তালুকদাৰ, শৈল্য গগৈ, যুগল গোস্বামী, প্ৰদীপ সাহা, ৰঞ্জিত গোস্বামী, অনিতা শৰ্মা, ৰিণিকি বৰুৱা আদি।

কটন কলেজৰ সেই সময়ৰ সাংস্কৃতিক অনুষ্ঠানবোৰ অতি উচ্চখাপৰ আছিল। নাটকবোৰ চাবলৈ কটন union Hall দৰ্শকেৰে ঠাহ খাই আছিল। নাটকৰ কথা কওঁতে এক সঁচা ঘটনা মনত পৰিল। নাটকৰ সময়তে প্ৰয়াত নেপোলিয়ান হাজৰিকা আৰু এজনৰ মাজত প্ৰতিযোগিতাৰ চূড়ান্ত খেল। Chess প্ৰতিযোগিতাত যথেষ্ট সময় লাগে। কিন্তু দুয়োজন প্ৰতিযোগী, বিচাৰক আৰু সম্পাদকৰ নাটক চোৱাৰ হেঁপাহ। খেল পিছুৱাব নোৱাৰে, পিছদিনাখন বঁটা বিতৰণী সভা। উপায়বিহীন হৈ দুয়োজন প্ৰতিযোগীয়ে লটাৰীৰ সহায়ত খেল চূড়ান্ত কৰি বিজয়ী আৰু বিজেতা নিৰ্ণয় কৰি নাটক চোৱাত ব্যস্ত হৈ পৰিল।

সাংস্কৃতিক জগতত খ্যাতি অৰ্জন কৰা মুনীন ভূঞা, মণিৰুল হুছেইন, অনিমা চৌধুৰী, পাহাৰী শইকীয়া, দ্বীপেন বৰুৱা, গীতানাথ লহকৰ, প্ৰাঞ্জল বৰা, সূৰ্য গোস্বামী, অমূল্য বৰুৱা, আদিবোৰ আমাৰ সমসাময়িক কটনিয়ান আছিল। এওঁলোকৰ কথা ওলালে মনতে আনন্দ পাওঁ।

কটন কলেজৰ হোষ্টেলবোৰত পৰীক্ষাৰ সময়ত হোষ্টেলৰ পৰীক্ষাৰ্থীবোৰক শুভেচ্ছা জনোৱাটো প্ৰচলিত নিয়ম আছিল। হোষ্টেলৰ পৰীক্ষাৰ্থীক ঢোল-কাঁহ বজাই কপালত ফোট দি উলিয়াই পঠাইছিল বাকীবোৰ ছাত্ৰই। শুভেচ্ছা লোৱা পৰীক্ষাৰ্থীৰ পৰা মাননি লৈছিল আৰু ৰাতিৰ সাঁজত সেই টকাৰে মাংস খাই সকলো বাসিন্দাই উপভোগ কৰিছিল। কটন কলেজৰ সেই সময়ৰ অধ্যক্ষ আৰু অধ্যাপকসকল প্ৰত্যেকজনেই সফল আছিল। শ্ৰেণীকোঠাত যেনেকৈ তেখেতসকল কাঢ়া, আনহাতে ছাত্ৰসকলক মৰমো কৰিছিল তেনেকৈ যথেষ্ট। মোৰ ৰুমমেট পুষ্প গগৈ উদ্ভিদবিদ্যাৰ শ্ৰেণীলৈ নিয়মীয়াভাৱে পলমকৈ যোৱা বাবে সেই সময়ৰ অধ্যক্ষ কমলা ৰয় বাইদেউ ছাত্ৰাবাসৰ ৰুমলৈ আহি টোপনিৰ পৰা জগাই নিয়মীয়া হ'বলৈ বাধ্য কৰিছিল।

অধ্যক্ষ নুৰুল ইছলাম, তাৰিণীকান্ত ভট্ট, প্ৰসন্ন গোস্বামী, আব্দুল জেলিল একো একোজন সফল অধ্যক্ষ আছিল। অধ্যাপকসকলৰ ভিতৰত বাপুকৃষ্ণ চৌধুৰী (যিজনে শ্ৰেণীত ছাত্ৰলৈ নোচোৱাকৈ হাজিৰা কৰে অথচ কোনেও ফাকি মাৰিব নোৱাৰে), বিনয় ভূষণ চৌধুৰী, দেৱীচৰণ মহন্ত, মাধৱ দাস, যশোৱন্ত ভট্ট, চন্দ্ৰ বৰুৱা, প্ৰীতি কাকতি, অৰ্পণা বুজৰবৰুৱা, নগেন গোস্বামী, মহেশ চন্দ্ৰ ভূঞা, পবিত্ৰ তালুকদাৰ, কমলেশ চৌধুৰী, হেমন্ত শৰ্মা, নাৰায়ণ শৰ্মা, দুৰ্গেশ্বৰ দাস আৰু বহুতো ছাৰৰ কথা কটন কলেজৰ সন্মুখেৰে পাৰ হৈ গ'লে মনত পৰে। এইখন কলেজতে ১৯৭০ চনত লঘু ক্ৰীড়া বিভাগৰ সম্পাদকৰ বাবে হোৱা নিৰ্বাচনত সহপাঠী আলোক শৰ্মাৰ লগত প্ৰতিদ্বন্দ্বিতা কৰি জয়ী হৈছিলোঁ। এই নিৰ্বাচনত দেৱৰাজ শৰ্মা আৰু তৃতীয় ছাত্ৰাবাসৰ সমূহ আবাসীৰ সক্ৰিয় সহযোগিতাৰ কথা জীৱনত কেতিয়াও পাহৰিব নোৱাৰোঁ।

কটন কলেজত অধ্যয়নৰ সুযোগ পোৱা বাবে হয়তো ৰাজ্যৰ সকলো ক্ষেত্ৰতে কটনিয়ানসকলক লগ পোৱাৰ গৌৰৱবোধ কৰোঁ।

শতবৰ্ষ উপলক্ষে গঠিত হোৱা APPOCCUS-এ পুৰণিচাম ছাত্ৰ সভাৰ বিষয়ববীয়াক কটন কলেজলৈ পুনৰায় ভুমুকি মৰাৰ এক সুযোগ আগবঢ়াইছে। উদ্যোক্তাসকল প্ৰশংসা পোৱাৰ যোগ্য। এই APPOCCUSৰ উদ্যোগত কটনিয়ানসকলৰ পুনৰায় মিলিত হোৱাৰ যি অনুষ্ঠান আয়োজন কৰিছে সি এক অভিনৱ চিন্তাৰ ফলশ্ৰুতি।

এই অনুষ্ঠানৰ সফলতা কামনা কৰিলোঁ। কটন কলেজৰ ভৱিষ্যতে ৰাজ্যখনত যোগ্যতম নৱপ্ৰজন্মৰ সৃষ্টি হওক। এই কামনাৰে। জয়তু কটন কলেজ ।❑

কটন কলেজ ঃ এৰি অহা দিনৰ কথাৰে

ড° ভাৰতী দত্ত

ত্ৰিছ বছৰৰো অধিককাল পাৰ হৈ গ'ল কটন কলেজ এৰি অহা। কিন্তু কলেজীয়া দিনৰ সেই স্মৃতিবোৰ আজিও মনত সেউজীয়া হৈ আছে। এনে লাগে যেন সৌ সিদিনাহে কলেজখন এৰি থৈ আহিছোঁ। এৰি অহা দিনৰ কথা লিখিবলৈ লৈ ক'ৰ পৰা আৰম্ভ কৰিম থিৰাং কৰিবই যেন পৰা নাই। সীমিত পৰিসৰৰ এই লেখাত বিস্তৃত ৰূপত স্মৃতিকথা লিপিবদ্ধ কৰাটো যিহেতু সম্ভৱপৰ নহয় সেয়েহে থাউকতে মনৰ মাজত ভুমুকি মৰা কিছু কথা লেখাৰ প্ৰয়াস কৰিম।

সত্তৰৰ দশকত কটন কলেজৰ ছাত্ৰী আছিলোঁ। ভূগোল বিষয়টোত অনাৰ্ছ লৈছিলোঁ। তেতিয়া মেজৰ নহয়, আনাৰ্ছ বুলিহে কোৱা হৈছিল। আব্দুল জেলিল ছাৰক অধ্যক্ষ হিচাপে পাইছিলোঁ। তেখেতৰ কন্যা লুৎফা মোৰ বান্ধৱী আছিল আৰু সেই সূত্ৰে তেখেতৰ অধ্যক্ষৰ কোৱাৰ্টাৰলৈ লুৎফাৰ অন্যান্য বান্ধৱীৰ লগতে ময়ো মাজে-সময়ে গৈছিলোঁ। ব্ৰিটিছৰ দিনৰে আহল-বহল কোৱাৰ্টাৰটোৰ কেউফালে থকা বাৰাণ্ডাত ঘূৰি-পকি আমি বৰ ভাল পাইছিলোঁ। ছাৰৰ পত্নী, মীৰা জেলিল বাইদেউৰ পৰা মাতৃৰ মৰম পাইছিলোঁ।

আমাৰ ভূগোল বিভাগটো ইউনিয়ন হলৰ ওপৰ মহলাত আছিল (এতিয়াও বোধকৰোঁ আছে) আৰু একেটা ফ্ল'ৰতে আছিল ভূতত্ত্ব বিভাগটোও। ভূতত্ত্ব মোৰ এটা বিষয় আছিল। দুয়োটা বিভাগ একেটা ফ্ল'ৰতে থকাত সেয়েহে মোৰ ক্লাছ কৰাত অসুবিধা হোৱা নাছিল। ৰসায়নবিজ্ঞানৰ ক্লাছ কৰিবলৈহে দৌৰা-দৌৰিকৈ যাবলগীয়া হৈছিল। দূৰে দূৰে থকা বিভাগবোৰত ইটোৰ পিছত সিটো ক্লাছ কৰিবলৈ খৰ-ধৰকৈ যাবলগীয়া হোৱাটোও কটনিয়ানসকলৰ এক মনত ৰাখিবলগীয়া অভিজ্ঞতা হয়। ইংৰাজীৰ ক্লাছ পুৰণি প্ৰশাসনিক ভৱনৰ কোঠাত হৈছিল। ঐতিহ্যমণ্ডিত সেই ভৱনৰ স্মৃতিয়ে আজিও

মনক দোলা দি যায়।

আমাৰ সময়ত বন্ধৰ প্ৰাদুৰ্ভাৱ কম আছিল;পৰিস্থিতি আজিৰ দৰে ইমান অস্থিৰ নাছিল। ক্লাছবোৰ নিয়মীয়াকৈ হৈছিল আৰু কোনোবাদিনা ক্লাছত উপস্থিত নাথাকিলে (বিশেষকৈ অনাৰ্ছ ক্লাছত) পিছদিনা ছাৰহঁতৰ ওচৰত কৈফিয়ৎ দিবলগীয়া হৈছিল। ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত তেখেতসকলে কিমান চোকা নজৰ ৰাখিছিল সেই কথাটো ইয়েই প্ৰমাণ কৰে। তদানীন্তন আমাৰ বিভাগৰ মুৰব্বী অধ্যাপক তীৰ্থ বৰকটকী ছাৰ, প্ৰাক্তন অধ্যাপকসকল সুৰেন তালুকদাৰ ছাৰ, জীৱন ভট্ট ছাৰ, নৃপেন শৰ্মা ছাৰ, বিৰাজ চৌধুৰী ছাৰ আৰু ৰঞ্জন শইকীয়া ছাৰৰ আপোন তথা অভিভাৱকসুলভ ব্যৱহাৰৰ কথা পাহৰিব নোৱাৰোঁ।

আমি কটন কলেজত পঢ়ি থকা সময়ত এখন গ্ৰন্থমেলা আমাৰ কলেজৰ ইউনিয়ন হলত অনুষ্ঠিত হৈছিল। গ্ৰন্থমেলাখনৰ উদ্যোক্তা কোন আছিল সেই কথা মনত নাই যদিও গ্ৰন্থমেলাখনে যে কলেজৰ উপৰি গুৱাহাটীবাসীৰ মাজত যথেষ্ট উৎসাহ-উদ্দীপনাৰ সৃষ্টি কৰিছিল সেই কথাটো কিন্তু মনত আছে। যিমানদূৰ সম্ভৱ ১৯৭৩-৭৪ মানত গ্ৰন্থমেলাখন অনুষ্ঠিত হৈছিল আৰু সম্ভৱতঃ উত্তৰ-পূৰ্বাঞ্চলত অনুষ্ঠিত হোৱা সেইখনেই প্ৰথম গ্ৰন্থমেলা আছিল। পুৰণি স্মৃতি ৰোমন্থন কৰোঁতে এই গ্ৰন্থমেলাখনৰ বিষয়ে কিছু কথা মই এবাৰ বাতৰিকাকতত লিখিছিলোঁ। অসম প্ৰকাশন পৰিষদে সেই গ্ৰন্থমেলাত উল্লেখযোগ্য ভূমিকা লোৱাৰ কথাও মনত পৰে। দেশৰ আগশাৰীৰ কেইবাটাও প্ৰকাশন গোষ্ঠীয়ে ইয়াত অংশগ্ৰহণ কৰিছিল। আমি হোষ্টেলৰ দহ-বাৰগৰাকীমান ছাত্ৰীয়ে কলেজৰ তৰফৰ পৰা গ্ৰন্থমেলাৰ তদাৰকীৰ কেতবোৰ গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰিছিলোঁ। গ্ৰন্থমেলাখনত বহুতো মূল্যবান তথা আপুৰুগীয়া গ্ৰন্থ দেখা পাইছিলোঁ আৰু গ্ৰন্থ সম্পৰ্কীয় বহু কথা জনাৰো সুবিধা লাভ কৰিছিলোঁ। কেইবাদিনীয়াকৈ অনুষ্ঠিত সেই গ্ৰন্থমেলাত কেউদিন কিতাপৰ মাজতে সোমাই থকাৰ দৰে আছিলোঁ আৰু এক অনন্য অভিজ্ঞতাৰ সোৱাদ পাইছিলোঁ।

ইউনিয়ন হলতে অনুষ্ঠিত হোৱা বৃহৎ পৰিসৰৰ বিজ্ঞান প্ৰদৰ্শনীত মই অংশগ্ৰহণ কৰিছিলোঁ। বতৰ সম্পৰ্কীয় আৰু অন্যান্য আমাৰ বিভাগীয় যন্ত্ৰ-পাতি, মেপ, চাৰ্ট আদিৰ ব্যাখ্যা পুংখানুপুংখ ৰূপত দৰ্শকক বুজাবলৈ চেষ্টা কৰিছিলোঁ আৰু অভূতপূৰ্ব এক সন্তুষ্টিৰ অনুভৱে মন-প্ৰাণ ভৰাই তুলিছিল। ছাত্ৰী অৱস্থাত হোৱা সেই অনুভৱ আৰু অভিজ্ঞতাৰ কথা আজিও সুঁৱৰি ভাল লাগে।

কটন কলেজত পঢ়া দিনৰ মিঠা স্মৃতিবোৰৰ লগতে বেদনাদায়ক কোনো কোনো ঘটনাৰ স্মৃতিয়ে মনটো সময়ে সময়ে জোকাৰি যায়। তেনে এক দুঃখজনক ঘটনা সুঁৱৰিব খুজিছোঁ। বাৰ্ষিক কলেজ সপ্তাহ চলি আছিল। দুদিনমান সুকলমে, বেছ আনন্দ-উল্লাসৰ মাজেৰেই অতিবাহিত হ'ল। নাও বোৱা প্ৰতিযোগিতা হোৱাৰ দিনাখনৰ কথা।

দীঘলীপুখুৰীত প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। প্ৰতিযোগীসকলক উৎসাহ যোগাই থকা ছাত্ৰ-ছাত্ৰীৰ দলেৰে পুখুৰীৰ কেউপাৰ ভৰি আছিল। ময়ো বান্ধৱীহঁতৰ লগত একাষে বহি অথবা কোনো কোনো উত্তেজিত মুহূৰ্তত থিয় হৈয়ো প্ৰতিযোগিতা উপভোগ কৰি আছিলোঁ। কেনেকৈ যে ঘটনাটো ঘটিল কোনেও তৰ্কিবই নোৱাৰিলে। বোধকৰোঁ ল'ৰাজন প্ৰি ইউনিভাৰ্ছিটী শ্ৰেণীৰ ছাত্ৰ আছিল। মাৰ্ঘেৰিটাৰ পৰা গৈ কটন কলেজত নামভৰ্তি কৰা এবছৰো হোৱা নাছিল। সাঁতুৰিব নজনা ল'ৰাজন এখন নাৱৰ পৰা পানীত পৰি গ'ল। হুৱা-দুৱা লাগিল। সাঁতুৰিব পৰা ছাত্ৰই সাঁতুৰি বচাবলৈ চেষ্টা কৰিলে। ডুবাৰু অনা হ'ল। দুদিনৰ মূৰত দুৰ্ভগীয়া ছাত্ৰজনৰ মৃতদেহটো পোৱা গ'ল। ছাত্ৰ-ছাত্ৰীসকল, উপস্থিত অন্যান্য সকলো লোক মৰ্মাহত হ'ল। সিদিনা যেনেধৰণৰ কান্দোনৰ ৰোল উঠিছিল সেয়া মই আজিও পাহৰিব পৰা নাই।

মনত পৰে কটনৰ ছাত্ৰ ইউনিয়নৰ নিৰ্বাচনৰ কথা। নিজৰ নিজৰ সমৰ্থিত প্ৰাৰ্থীক লৈ কলেজত, হোষ্টেলত দলে দলে ছাত্ৰ-ছাত্ৰীয়ে নিৰ্বাচনী প্ৰচাৰ আভিযান চলোৱাৰ সেই উৎসৱমুখৰ পৰিৱেশ, সৰস্বতী পূজাত হোষ্টেলবোৰত নিৰ্মাণ কৰা তোৰণৰ প্ৰতিযোগিতা, কটন গাৰ্লছ হোষ্টেলৰ জাকৃজমকীয়া সৰস্বতী পূজা তথা ইয়াৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা সাংস্কৃতিক অনুষ্ঠান— এইবোৰ পাহৰি যোৱা কথা নহয়। এইবোৰ পাহৰি যোৱা মানে নিজৰ অস্তিত্বকে পাহৰি যোৱাৰ দৰে কথা। মনত পৰে কোনোবা এবছৰ কলেজ সপ্তাহত কটন গাৰ্লছ হোষ্টেল বান (প্ৰচলিত আছিল C.G - 1 বুলি)ৰ পৰা এখন নাটক কৰিছিলোঁ- 'দোষী কোন?' লিখিছিল বান্ধৱী প্ৰয়াত বীণা ভূঞাই। গোলাঘাটৰ হেমপ্ৰভা বৰবৰা মহিলা মহাবিদ্যালয়ৰ প্ৰবক্তা বীণা ভূঞাৰ দুবছৰমানৰ আগতে অকালতে মৃত্যু হ'ল। বীণা মোৰ অন্তৰংগ বান্ধৱী আছিল। সেইবাৰ আমি মঞ্চস্থ কৰা নাটকখনে শ্ৰেষ্ঠ নাটকৰ পুৰস্কাৰ পালে। জনামতে সেই সময়লৈকে হোষ্টেলৰ পৰা কেৱল ছাত্ৰী অভিনীত সেইখনেই প্ৰথম নাটক আছিল। মুখে মুখে সেই কথাটো শুনি আমি গৌৰৱবোধ কৰিছিলোঁ।

জীৱনৰ বাটত বহুদূৰ আগবাঢ়ি আহিলোঁ। কটন কলেজত অধ্যয়ন কৰা সেই তিনিটা বছৰত মাননীয় আমাৰ শিক্ষাগুৰুসকলৰ পৰা বিদ্যায়তনিক দিশৰ উপৰি জীৱন সমৃদ্ধ কৰিব পৰা অনেক শিক্ষাই পাইছিলোঁ। তেখেতসকলৰ এই ঋণ শুজিব নোৱাৰোঁ।

ঐতিহ্যমণ্ডিত কটন কলেজৰ ঐতিহ্য অক্ষুণ্ণ থকাটো প্ৰাক্তন এগৰাকী কটনিয়ান হিচাপে সদায় কামনা কৰোঁ।❑

স্মৃতি ৰোমন্থন

মাহতাব উদ্দিন আহমেদ

১৯৭২ চনৰ ২২ জুলাই। কটন মহাবিদ্যালয়ত স্নাতক প্ৰথম বাৰ্ষিকত নামভৰ্তিৰ বাবে উপস্থিত হওঁ কটন কলেজ ইউনিয়ন হলত। নামভৰ্তিৰ প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ আগতে অধ্যক্ষ আব্দুল জেলিল ছাৰে কটন কলেজত নামভৰ্তিৰ নীতি-নিয়ম আৰু ছাত্ৰ-ছাত্ৰীসকলে পালন কৰিবলগীয়া নিয়ম-নীতিৰ বিষয়ে বহলাই কয় আৰু তাৰ ঠিক পিছতেই নামভৰ্তিৰ আনুষ্ঠানিকতা আৰম্ভ হয়।

অধ্যক্ষ লগতে আব্দুল জেলিল ছাৰে আগষ্টৰ পৰা শ্ৰেণীসমূহ আৰম্ভ হোৱাৰ কথা ঘোষণা কৰে আৰু সকলোকে নিয়মীয়াকৈ শ্ৰেণীত উপস্থিত থাকিবলৈ কয়। ঘৰলৈ উভতি আহিয়েই মোৰ আব্বাজনক নামভৰ্তিৰ কথা আৰু শ্ৰেণী আৰম্ভ হোৱাৰ কথা জনাওঁ।

এজন খুব সুন্দৰ স্বাস্থ্যৰ গহীন-গম্ভীৰ মাতৰ ব্যক্তি এজনে মেধা ভিত্তিত নামভৰ্তিৰ বাবে যোগ্য ছাত্ৰ-ছাত্ৰীৰ নামবিলাক মাতিবলৈ আৰম্ভ কৰিছিল। প্ৰথম দৃষ্টিতে সেই ব্যক্তিজনে মোক খুব আকৰ্ষিত কৰিছিল। সেইজনেই আছিল আমাৰ অতি মৰমৰ শ্ৰদ্ধাৰ অধ্যাপক প্ৰিয়লাল পাঠক ছাৰ। মোৰ নামভৰ্তি শেষ হোৱাৰ লগে লগেই 'কটনিয়ান' হোৱাৰ সৌভাগ্য হয় আৰু 'কটন মুছলিম ছাত্ৰাবাস'ত আৱাসৰ বাবে নিৰ্বাচিত হওঁ।

আগষ্ট মাহৰ প্ৰথম সপ্তাহত (মনত পৰা মতে) ঘৰৰ পৰা হোষ্টেলত থাকিম বুলি ওলাই আহোঁ। তেতিয়া গুৱাহাটীৰ বিষয়ে সিমান অৱগত নহয়। কেৱল প্ৰয়োজনতহে আব্বাজানৰ লগত কেতিয়াবা অহা হৈছিল। হোষ্টেলত উপস্থিত হোৱাৰ পিছত চকীদাৰ এজনে কোঠাসমূহ দেখুৱাই দিলে আৰু সেইমতে কমত বস্তুবিলাক ৰাখি থলোঁ। ভাল লাগিল যেতিয়া মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা বিজ্ঞান শাখাত উত্তীৰ্ণ হৈ কটন মহাবিদ্যালয়ত নামভৰ্তি কৰি একেটা হোষ্টেলত থাকিবলৈ লোৱা ক্ৰমে

মঃ জমছেদৰ আলি, মঃ আলতাফ আহমেদ আৰু চামচুদ্দিন আহমেদক লগ পাওঁ। হোষ্টেলত উপস্থিত হৈ খুব ভয় খাইছিলোঁ ৰেগিঙৰ বাবে। ৰেগিঙৰ বিষয়ে বাহিৰত বহুত কিবা-কিবি শুনিছিলোঁ। ৰাতি ভাত খাবলৈ গৈছিলোঁ। তেনেতে এজনে ক'লে— 'জোনাব খোৱাৰ পিছত ১৪ নম্বৰ কমত আহিব, তাত মেহফিল হ'ব।' ভাবিলোঁ মিলাদ শ্বৰীফ হ'ব। সেই মতে টুপি আদি লৈ চাৰিওজনে কমত সোমাই দিলোঁ। লগে লগে ভিতৰত থকা এজনে গে'ট আউট বুলি কৈ কমৰ পৰা উলিয়াই দিলে। বাহিৰত বৈ আছোঁ। ভিতৰৰ পৰা এজনে মাতিলে— জোনাবসকল আহক। কমৰ ভিতৰলৈ সোমাই গ'লোঁ। আকৌ একেই ব্যৱহাৰ। গে'ট আউট বুলি কৈ উলিয়াই দিলে। ভিতৰি ভিতৰি খুব খং উঠিল, নিজে মাতিব অথচ কমত সোমাই গ'লে বাহিৰ কৰি দিয়ে। হায় আল্লা! কিহৰ পাল্লাত পৰিলোঁ? অৱশেষত পুৰণা আবাসী এজনে ক'লে— জোনাব (C.M. Hostel-ত থাকিলে প্ৰথম অৱস্থাত সকলোকে জোনাব বুলি সম্বোধন কৰে) দৰ্জাত knock কৰি দিয়ক আৰু yes বুলি ক'লে সোমাই আহিব। বাহিৰলৈ গৈ দৰ্জাত knock কৰি দিলোঁ, ভিতৰৰ পৰা yes get in বুলি ক'লে, সোমাই আহিলোঁ। অহাৰ লগে লগে চালাম, নমস্কাৰ আদি দিয়াৰ বিষয়ে ক'লে। তাৰ পিছৰ পৰা ৰেগিঙৰ course আৰম্ভ হয় আৰু নৱাগত আদৰণী সভা নোহোৱালৈকে ই চলি থাকিল। কেতিয়াবা ৰেগিঙৰ নামত লংপেণ্ট বা পাইজামাৰ ওপৰত under pent পিন্ধাই firing কৰিবলৈ লৈ যায় Cotton Girls Hostel-ৰ গে'টত সন্মুখলৈ। নৱাগত আদৰণী সভাখন আৰম্ভ হোৱাৰ পিছৰ পৰা আৰু ৰেগিঙৰ নামত কোনো মেহফিল নহয় আৰু সেইদিনাখন একেলগে খোৱা-বোৱা কৰি হৈ যোৱা দিনবোৰৰ কথা পাহৰি ভাই ভাইৰ দৰে থকাৰ বাবে সকলোৱে প্ৰতিজ্ঞাবদ্ধ হয়।

সেইখিনি সময়ত আমাৰ ছাত্ৰাবাসত Mess dues আছিল মাহে ৮৫.০০ টকা। তৃতীয় বাৰ্ষিকলৈ আমাৰ Mess dues বাঢ়ি প্ৰায় ১১০.০০-১২৫.০০ টকা হৈছিল। কটন মুছলিম ছাত্ৰাবাসত সেই সময়ত দুখীয়া ছাত্ৰক Mess dues ৰেহাই দিয়াৰ পৰম্পৰা আছিল আৰু সেইমতে সকলো আবাসীৰ সিদ্ধান্ত মতে আমি দুখীয়া ছাত্ৰকেইজনমানক Mess dues-ৰ আধা ৰেহাই দিয়াৰ ব্যৱস্থা কৰিছিলোঁ।

১৯৭৩-৭৪ চনত কটন কলেজ ছাত্ৰ সন্থাৰ 'সমাজ সেৱা' বিভাগৰ সম্পাদক হিচাপে মই নিৰ্বাচিত হৈছিলোঁ। ইয়াৰ উপৰি অধ্যক্ষা পাৰুকুট্টী বৰুৱা বাইদেউৰ নিৰ্দেশত মই 'তৰ্ক আৰু আলোচনা' বিভাগৰ দায়িত্ব আৰু কাৰ্যকাল শেষ হোৱালৈকে বহন কৰিবলগীয়া হৈছিল। কটন কলেজত নিৰ্বাচন খেলাৰ অভিজ্ঞতা মোৰ জীৱনৰ বাবে এটা বিৰাট ডাঙৰ অভিজ্ঞতা বুলি মই দাবী কৰোঁ।

কটন কলেজৰ স্মৃতি ৰোমন্থন কৰিলেই মোৰ মনত পৰে এটা বিশেষ ৰাতিৰ কথা। ৰাতি প্ৰায় ১২ বাজিছে। কটন মুছলিম ছাত্ৰাবাসৰ দ্বিতীয় খণ্ডৰ পিছফালৰ বাৰাণ্ডাৰে

অধ্যক্ষ জেলিল ছাৰ আহি মোৰ খিৰিকীত ধক্‌ধকাই দিছে। মই তেতিয়া পঢ়ি আছিলোঁ। প্ৰথমতে মই কোনো মাত-বোল কৰা নাছিলোঁ। পিছত আকৌ খুব জোৰেৰে ঘনাই ধক্‌ধকাই দিয়াত মই খঙেৰে— ঐ, কোন ষ্টুপিড্‌, কিয় দিগদাৰ কৰিছ বুলি কৈ পিছফালৰ দৰ্জাখন খুলি ছাৰক দেখি হতবাক হওঁ আৰু লগে লগে ছাৰক মাফ খোজোঁ। ছাৰে কেৱল ক'লে যে পঢ়িছা, ঠিক আছে, ভালদৰে পঢ়া। অধ্যক্ষ জেলিল ছাৰে যে অকল শ্ৰেণীসমূহ নিয়মীয়াকৈ নিৰীক্ষণ কৰিছিল এনে নহয়, নিশাও কলেজ-ছাত্ৰাবাসসমূহ পৰিদৰ্শন কৰিছিল। তেখেত এজন দক্ষ প্ৰশাসক আৰু বিশিষ্ট শিক্ষাবিদ আছিল।

কটন কলেজৰ স্মৃতি ৰোমন্থন কৰিলেই কেইজনমান শিক্ষাগুৰু আৰু কৰ্মচাৰীৰ কথা সদায় মনলৈ আহে। সেই সকলৰ ভিতৰত অধ্যাপক মহেশ ভূঞা ছাৰ, উপাধ্যক্ষ ৰফিউল হক ছাৰ, অধ্যাপক স্বৰ্গীয় মাধৱ দাস ছাৰ, অধ্যাপক স্বৰ্গীয় ননী কলিতা ছাৰ, অধ্যক্ষ স্বৰ্গীয় পাৰুকুট্টী বৰুৱা বাইদেউ, অধ্যাপক ৰাম কুমাৰ দাস ছাৰ, অধ্যাপক স্বৰ্গীয় বিনয় ভূষণ চৌধুৰী ছাৰ, অধ্যাপক স্বৰ্গীয় চৈয়দ হাচানউল্লা ছাৰ, অধ্যাপক বাবৰ আলি ছাৰ, অধ্যাপক ডঃ কৃপেশচন্দ্ৰ পাল ছাৰ, অধ্যাপক দিলীপ কুমাৰ বৰুৱা ছাৰ আদি।

কৰ্মচাৰীসকলৰ ভিতৰত পাইজামা পৰিহিত মুখ্য সহায়ক স্বৰ্গীয় উজীৰ আহমেদ, স্বৰ্গীয় বৈশ্য দা, স্বৰ্গীয় চমচেৰ আলি দা, ৰঘু কলিতা, স্বৰ্গীয় বৰ'হান কা, স্বৰ্গীয় আলি কা, চুকুৰ কা, ইব্ৰাহীম কা, মহিম, জান, দুখু আদিৰ কথা মনলৈ আহে। চমচেৰ আলি চাহেব অতি অমায়িক আৰু হিতাকাংক্ষী ব্যক্তি আছিল। ইয়েই নহয়, তেখেত এজন সু-সাহিত্যিকো আছিল। তেখেতে কামৰূপ সাহিত্য সভাৰ সভাপতিৰ আসনো অলংকৃত কৰিছিল। কেতিয়াবা ঘৰৰ পৰা পইচা আদি আহি পোৱাত পলম হ'লে আলি চাহাবৰ পৰা লোৱা হৈছিল আৰু সেইবিলাক সময়ত পৰিশোধ কৰি দিয়া হৈছিল।

কটন কলেজৰ বিষয়ে ক'বলৈ হ'লে বহু কথা ক'ব লাগিব। কিন্তু সকলোখিনি ইয়াত সন্নিবিষ্ট কৰা সম্ভৱ নহয়, সেয়েহে মোৰ লিখনী ইমানতে সামৰিব বিচাৰিছোঁ।

কটন কলেজ, কটন কলেজ হৈ থকাটো কামনা কৰিছোঁ. যাতে আমি মৰি গ'লেও কটন কলেজৰ গৰিমা সদায় অক্ষুণ্ণ থাকে।

জয়তু কটন কলেজ
জয়তু কটন কলেজ ছাত্ৰ সন্থা
জয়তু প্ৰাক্তন কলেজ ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকল। ❑

স্মৃতিৰ বাকৰিত কটন কলেজ আৰু ৰজনীকান্ত বৰদলৈ ছাত্ৰাবাস

মনজিৎ সিং

১৯৭২ চনত আশাৰ সোণোৱালী সপোন লৈ আন বহুতৰ দৰে ময়ো কটন কলেজত ভৰ্তি হৈ ধন্য মানিছিলোঁ। অবশ্যে আন বহুতৰ লগত হয়তো মোৰ কিছু পাৰ্থক্য আছিল। কাৰণ সৰুৰে পৰা মোৰ কোনো দিনে কোনো ডাঙৰ চৰকাৰী বিষয়া হোৱাৰ সপোন নাছিল। কটনত পঢ়ি উচ্চ পৰ্যায়ৰ চৰকাৰী বিষয়া হ'ব পাৰি— এই ভাবে মোক কোনো দিনে আকৰ্ষিত কৰা নাছিল। বৰং কটন কলেজৰ লগত জড়িত অনেক ব্যক্তিয়ে অসমৰ সাহিত্য আৰু বৌদ্ধিক জগতত ভোটা তৰা হৈ আছে— এই নিদৰ্শনেহে মোক কটনৰ প্ৰতি মোহান্বিত কৰিছিল। কটন কলেজৰ পৰা ওলাই যোৱা বা জড়িত হৈ থকা এই ব্যক্তিসকলৰ সংস্পৰ্শ লাভৰ উদগ্ৰ বাসনাই মোক সদায় ৰোমাঞ্চিত কৰি ৰাখিছিল।

কলেজত নামভৰ্তি কৰিবলৈ আহোঁতেই শুনি আহিছিলোঁ— কটন কলেজৰ ছেকেণ্ড মেছ (বৰ্তমানৰ ৰঞ্জিত বৰপূজাৰী ছাত্ৰাবাস) আৰু থাৰ্ড মেছ বৰ্তমানৰ (আনন্দৰাম বৰুৱা ছাত্ৰাবাস) আটাইতকৈ 'ভাল' ছাত্ৰাবাস। অসমৰ প্ৰসিদ্ধ সাহিত্যিক হোমেন বৰগোহাঞি, ভবেন্দ্ৰ নাথ শইকীয়া, হৰেকৃষ্ণ ডেকা আদি কাণ্ডাৰীসকল এই ছাত্ৰাবাসৰে একালৰ আবাসী আছিল। কেৱল এইসকলেই নহয়, পিছত গম পাইছিলোঁ অসমৰ ভালেমান কবি-সাহিত্যিক আৰু বুদ্ধিজীৱী এই দুয়োটা হোষ্টেলৰ আবাসী আছিল। সেয়ে স্বাভাৱিকতে মনতে ঈশ্বৰক প্ৰাৰ্থনা কৰিছিলোঁ যাতে এই দুটা ছাত্ৰাবাসৰ মাজৰ এটাত যেন মোৰ দাখিল হয়। মোক লগতে নামভৰ্তি কৰোৱাৰ পূৰ্বে এই ধাৰণাও দিয়া হৈছিল, যাতে কোনোপধ্যেই মই কছম'পলিটান হোষ্টেলত ভৰ্তি নহওঁ।

সেই সময়ত মোক হোষ্টেলৰ পচন্দৰ তালিকাক্ৰম অনুসৰি এইদৰে সজাই দিছিল। যথাক্ৰমে— ছেকেণ্ড মেছ, (বৰ্তমানৰ ৰজনী বৰপূজাৰী ছাত্ৰাবাস), থাৰ্ড মেছ (বৰ্তমানৰ আনন্দৰাম বৰুৱা ছাত্ৰাবাস), ফাৰ্ষ্ট মেছ (বৰ্তমানৰ কৃষ্ণকান্ত সন্দিকৈ ছাত্ৰাবাস), নিউ হোষ্টেল (বৰ্তমানৰ সীতানাথ ব্ৰহ্মচৌধুৰী ছাত্ৰাবাস), ডি এছ হোষ্টেল (বৰ্তমানৰ মহেন্দ্ৰ নাথ ডেকা ফুকন ছাত্ৰাবাস), শেষত কছম'পলিটান হোষ্টেল (বৰ্তমানৰ ৰজনীকান্ত বৰদলৈ ছাত্ৰাবাস)। এইসমূহৰ বাদেও আৰু এটি বয়জ হোষ্টেল আছিল যদিও যি আছিল সেই সময়ত মুছলমান ছাত্ৰৰ বাবে সুকীয়াকৈ সংৰক্ষণ কৰা চি এম (কটন মুছলিম) হোষ্টেল। (এতিয়া চি এম হোষ্টেলটোক শ্বহীদ মোজাম্মিল হক ছাত্ৰাবাস নামেৰে নামকৰণ কৰা হৈছে। বৰ্তমান তাত সকলো শ্ৰেণীৰ ছাত্ৰ থাকে। অৰ্থাৎ, প্ৰকৃতাৰ্থত এতিয়া সকলো ছাত্ৰাবাসেই সাৰ্বজনীন। মোক কোৱা হৈছিল যে, আটাইতকৈ উদণ্ড বা অঘাইটং ল'ৰাবোৰক কছম' হোষ্টেলত ভৰ্তি কৰা হয়। অৱশ্যে সেই সময়ত মোক এই দিহা-পৰামৰ্শ দিয়াসকলৰ ভিতৰত এজনো কটনিয়ান নাছিল। তেওঁলোকেও লোকৰ মুখত শুনিহে মোক কৈছিল।

কটন কলেজত নামভৰ্তি কৰাৰ পিছত হোষ্টেলৰ 'ছীট' বিচাৰি যোৱাত মোক কছম' হোষ্টেলত আবণ্টন দিলে। ইউনিয়ন হলত মঞ্চৰ ওপৰত এই হোষ্টেল 'ছীট' আবণ্টন দিয়াৰ কামত নিয়োজিত হৈছিল অধ্যাপক ননী কলিতা ছাৰ। (সেই সময়ত ছাৰৰ নাম নাজানিছিলোঁ- পিছত গম পাইছিলোঁ।) ছাৰক বহুতো কাবৌ-কাকুতি কৰিলোঁ। ছাৰে অতি বিনম্ৰতাৰে বুজালে— এইবাৰৰ পৰা ছীটবোৰ ৰোটেচন কৰি দিয়া হৈছে। অৰ্থাৎ একাদিক্ৰমে প্ৰতিটো হোষ্টেলত একোজনকৈ ছাত্ৰ চক্ৰাকাৰে দিয়া হৈছে। গতিকে যাৰ য'ত পৰিছে তাতেই থাকিব লাগিব— সলনি কৰাৰ উপায় নাই। সেয়ে কটন কলেজত ভৰ্তি হোৱা দিনটো মোৰ বাবে সুখকৰ নাছিল। অনেক দুৰ্ভাৱনা মনত লৈ মোৰ নামভৰ্তি কৰিবলৈ অহা দাদা বলদেৱ সিঙক বিদায় দি সেইদিনা মোৰ দুগৰাকী বন্ধু নৰেন মেধি আৰু শৰৎ বৰদলৈৰ সৈতে শৰৎ বৰদলৈৰ চেনিকুঠিৰ মেছত থাকি পিছদিনা কছম' হোষ্টেল পালোঁগৈ। এই বিষয়ে বিশদভাৱে ইতিপূৰ্বে এই লেখকৰ সম্পাদনাত প্ৰকাশিত 'সোঁৱৰণিৰ বোকোচাত' নামৰ স্মাৰক গ্ৰন্থখনৰ এটি স্মৃতিলেখাত আমি ব্যক্ত কৰিছোঁ।

কছম' হোষ্টেলৰ বিষয়ে শুনা দুৰ্নামবোৰ চিৰাচৰিতভাৱে সত্য নাছিল যদিও ইয়াত থাকিবলৈ লৈ অনুভৱ কৰিছিলোঁ যে প্ৰকৃতাৰ্থত এই হোষ্টেলটিৰ চৰিত্ৰ আনবোৰতকৈ কিছু বেলেগ। আমাৰ সময়ত কছম' হোষ্টেলৰ আবাসী মোৰ সহপাঠী শ্ৰী প্ৰশান্ত কলিতাই প্ৰাক্ বিশ্ববিদ্যালয় (Pre-university এতিয়াৰ হায়াৰ ছেকেণ্ডেৰীৰ সমকক্ষ)ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰত প্ৰথম স্থান অধিকাৰ কৰিছিল। কেৱল সেয়াই নহয় খেলা-ধূলা, নাট-গীত আৰু সাহিত্য-সংস্কৃতিৰ বিভিন্ন দিশৰ লগতে

শৰীৰ চৰ্চাৰ ক্ষেত্ৰত কছম'বাসী আগৰণুৱা আছিল। সুখৰ কথা যে কছম'ৰ এই জয়যাত্ৰা এতিয়াও অব্যাহত আছে। কটন কলেজৰ বছৰেকীয়া মুখপত্ৰ 'কটনিয়ান'ৰ এগৰাকী প্ৰাক্তন সম্পাদক তথা বৰ্তমান কটন কলেজৰ অৰ্থনীতি বিভাগৰ এগৰাকী প্ৰবক্তা সুৰেশ কুমাৰ নাথৰ সম্পাদনাত কটন কলেজৰ APPOCCUSৰ দ্বাৰা প্ৰকাশিত স্মাৰক গ্ৰন্থ 'সমস্বৰ'ত প্ৰকাশিত APPOCCUSৰ সাধাৰণ সম্পাদক জগদীশ দত্তৰ লেখনী 'কটন কলেজত মোৰ এটা দশক ঃ এক ৰোমন্থন' পঢ়ি গম পালোঁ জগদীশ দত্ত কছম' হোষ্টেল (বৰ্তমানৰ ৰজনীকান্ত বৰদলৈ ছাত্ৰাবাস)ৰ আবাসী হৈ থকা কালতো ১৯৯৭ৰ পৰা ১৯৯৯লৈ তিনিও বছৰতে তেওঁৰ তিনিজন ৰুমমেটে কলা শাখাত ষ্টেণ্ড কৰিছিল। জগদীশে উল্লেখ কৰা অনুসৰি ১৯৯৭ চনত মৃগাংক শেখৰ শৰ্মা, ১৯৯৮ চনত হেমাংগ দত্ত আৰু ১৯৯৯ চনত দিব্যজ্যোতি বৰাই কছম'লৈ এই গৌৰৱ কঢ়িয়াই আনিছিল। উল্লেখযোগ্য যে শ্ৰীমান জগদীশ দত্ত ২০০০-২০০১ চনৰ বাবে কটন কলেজৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হৈছিল আৰু কটন কলেজৰ শতবাৰ্ষিকী সমাৰোহৰ পূৰ্ণতাপ্ৰাপ্তিত বিশেষভাৱে অৰিহণা যোগাইছিল। তদুপৰি জন্মলগ্নৰে পৰা APPOCCUS (Association of Past and Present Office bearers of Cotton College Union Society)ৰ সাধাৰণ সম্পাদক আৰু বৰ্তমানৰ ৰজনীকান্ত বৰদলৈ (কছম'পলিটান) ছাত্ৰাবাসৰ প্ৰাক্-শতবাৰ্ষিকী উদ্‌যাপন সমিতিৰ সাধাৰণ সম্পাদকৰ দায়িত্বও জগদীশে অতি নিয়াৰিকৈ পালন কৰি আহিছে।

মোৰ সৌভাগ্য যে মই কটন কলেজত পঢ়ি থকা সময়ত ১৯৭৪-৭৫ চনৰ বাবে কটন কলেজ Union Societyৰ আলোচনী সম্পাদক হিচাপে নিৰ্বাচিত হৈ কটন কলেজৰ বছৰেকীয়া মুখপত্ৰ 'কটনিয়ান'ৰ সোণালী জয়ন্তী সংখ্যাটি সম্পাদনা কৰাৰ সুযোগ পাইছিলোঁ। সেই সময়ত 'কটনিয়ান'ৰ প্ৰাক্তন সম্পাদকে প্ৰসিদ্ধ সাহিত্যিক আব্দুছ ছাত্তাৰ, কুসুম্বৰ ভূঞা, মণিৰুল হুছেইন, দিগন্ত খাৰঘৰীয়া আদিৰ লগতে ভালেমান কৃতী প্ৰাক্তন কটনিয়ান তথা প্ৰথিতযশা সাহিত্যিক যথা— ড° মহেশ্বৰ নেওগ, ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, আব্দুল মালিক, হোমেন বৰগোহাঞি, চন্দ্ৰপ্ৰসাদ শইকীয়া, নিৰুপমা বৰগোহাঞি, মামণি ৰয়ছম গোস্বামী, ড° নগেন শইকীয়া, ড° হীৰেন গোহাঁই আদি প্ৰাতঃস্মৰণীয় ব্যক্তিসকলৰ সান্নিধ্যলৈ অহাৰ সুযোগ পাওঁ। প্ৰখ্যাত কবি নৱকান্ত বৰুৱা, সাহিত্যিক ড° হেমন্ত কুমাৰ শৰ্মা, প্ৰসিদ্ধ কবি তথা সু-গায়িকা ড° লক্ষহীৰা দাস, সুগায়িকা মৃদুলা দাস, তেতিয়াৰ তৰুণ প্ৰতিষ্ঠিত লেখক-সমালোচক ৰণজিৎ দেব গোস্বামী, প্ৰদীপ আচাৰ্য, উদয়াদিত্য ভৰালী, বিশ্বজিৎ চক্ৰবৰ্তী, সেই সময়ৰ প্ৰতিষ্ঠিত নবীন গল্প লেখিকা যমুনা চৌধুৰী, তীক্ষ্ণধী বক্তা দিলীপ বৰুৱা আৰু দেৱেন দত্ত আদি আছিল কটন কলেজৰ বিভিন্ন বিভাগৰ অধ্যাপক-

প্ৰবক্তা। ইয়াৰে কেইবাগৰাকীৰো পাঠদান অনুষ্ঠানত উপস্থিত থাকি আমি গৌৰব অনুভৱ কৰিছিলোঁ।

আমি কটনত পঢ়া কালছোৱাত কলেজৰ অধ্যক্ষ হিচাপে পাইছিলোঁ— যথাক্ৰমে আব্দুল জেলিল ছাৰ, পাৰুকুট্টি বৰুৱা বাইদেউ, আৰু আশ্ৰফ আলী ছাৰক। Vice principal গোবিন্দ ডেকা ছাৰকো কিছুদিনৰ বাবে I/c principal হিচাপে পাইছিলোঁ। কটনৰ নাম ল'লেই আমাৰ স্মৃতিত সদায় সজীৱ হৈ উঠা আন দুগৰাকী ব্যক্তি হ'ল কটন কলেজৰ প্ৰশাসন বিভাগৰ লগত জড়িত সাহিত্যিক ছমচেৰ আলী আৰু কটন কলেজ union socityৰ লগত জড়িত কটন কলেজৰ প্ৰশাসনিক সহায়ক ৰঘু কলিতা।

আমাৰ কছম' হোষ্টেলৰ অধীক্ষক হিচাপে আমি পাইছিলোঁ যথাক্ৰমে অৰুণ বৰুৱা ছাৰ আৰু ৰাম কুমাৰ দাস ছাৰক। ১৯৭৫-৭৬ চনত হোষ্টেলৰ মেছ ছেক্ৰেটেৰী হিচাপে কাৰ্যনিৰ্বাহ কৰা কালছোৱাত ৰাম কুমাৰ দাস ছাৰে দিয়া দিহা-পৰামৰ্শৰ কথা আজিও মনত পৰে। ১৯৭২ৰ পৰা ১৯৭৬লৈ দুয়োটা ব্লকৰ মনিটৰ হিচাপে পোৱা আবাসীসকল আছিল— প্ৰমোদ বৰা, দিলীপ মহন্ত, জ্যোতিপ্ৰকাশ দেবৰয়, প্ৰণৱ খাউণ্ড, প্ৰভাত কোঁৱৰ, মুনীন তহবিলদাৰ, প্ৰশান্ত কলিতা আৰু প্ৰদীপ নেওগ। মেছ ছেক্ৰেটেৰী হিচাপে মোৰ পূৰ্বসূৰী আছিল নবীন বড়ো, নবীন সোণোৱাল আৰু অনিল ফাটোৱালী। আমি কছম'ত থকা কালছোৱাত বিভিন্ন সময়ত কটন কলেজৰ Union Societyৰ বিভিন্ন বিষয়বাব লোৱা আবাসীসকল আছিল— সুশান্ত ঠাকুৰীয়া, অতুল গগৈ, লক্ষ্মী দাস, শচীন বৰ্মন, প্ৰদীপ নেওগ, চিন্ময় হাজৰিকা, ত্ৰিদিব বেজবৰুৱা, বিজয় গগৈ, কন্দৰ্প মহন্ত আদি।

আগতেই উল্লেখ কৰিছোঁ— আমি নিজেও কটন কলেজৰ বছৰেকীয়া মুখপত্ৰ 'কটনিয়ান'ৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিছোঁ। আমি হোষ্টেল এৰি অহাৰ পিছতে মোৰ এসময়ৰ ৰুমমেট ভাস্কৰ খাউণ্ড কটনৰ সাধাৰণ সম্পাদক নিৰ্বাচিত হৈছিল। আমি থকা সময়ত 'কিংমেকাৰ' হিচাপে এখন বিশেষ আসন দখল কৰি থকা আবাসীজন আছিল— চক্ৰধৰ গগৈ। চক্ৰদা আমাতকৈ জ্যেষ্ঠ আছিল যদিও সদায় সকলোৰে বন্ধু হিচাপে থাকি ভাল পোৱা চক্ৰদাই আমি হোষ্টেল এৰি অহা বহু বছৰ পিছলৈকে হোষ্টেলটোৰ আবাসীসকলৰ একপ্ৰকাৰ অঘোষিত অভিভাৱক হৈ আছিল। আনকি এতিয়াও চক্ৰদাই ভালেমান পুত্ৰসম আবাসীৰ লগত মধুৰ সম্পৰ্ক ৰাখি চলি আহিছে হোষ্টেলটিৰ এক অজানিত মোহত। এইদৰে বছৰৰ পিছত বছৰ নবীন আবাসীৰ লগত সম্পৰ্ক ৰখা আন এগৰাকী ব্যক্তি হৈছে মোৰ বন্ধু তথা হোষ্টেলৰ এসময়ৰ সহ-আবাসী বিকাশ ঠাকুৰীয়াৰ জ্যেষ্ঠ ভাতৃ তথা হোষ্টেলটোৰ প্ৰাক্তন আবাসী নৃপেন ঠাকুৰীয়া দাদা। মোৰ বন্ধু চিন্ময় হাজৰিকাও এই হোষ্টেলৰ মোহগ্ৰস্তসকলৰ ভিতৰত

আন এজন। তদুপৰি এইদৰে বিভিন্ন সময়ত বিভিন্নজনে এই হোষ্টেলৰ মোহত নষ্টালজিয়াত ডুব যায়। তাৰে কিছুসংখ্যকে সময়-সুবিধা পালে এতিয়াও হোষ্টেলটিত এটি পাক মাৰে। সেইসকলৰ ভিতৰত মই নিজেও এজন। কেতিয়াবা ক'ব নোৱাৰাকৈ সেইফালেদি পাৰ হৈ গ'লে হোষ্টেল চৌহদত সোমাই পৰোঁ। কৰিড'ৰটোলৈ চাই পঠিয়াওঁ কোনোবা চিনাকি এজনে যেন চিঞৰি উঠিব— 'মনজিৎ কেতিয়া আহিলি?' হোষ্টেলৰ বাকৰিৰ ঘাঁহনিত এতিয়াও বাৰু লাগি আছেনে তাহানিৰ কাৰোবাৰ ভৰিৰ ছাপ? হোষ্টেলৰ ৰান্ধনি বৰঠাকুৰ, গোস্বামীদালৈ মনত পৰে। তেনেতে হঠাৎ কেতিয়াবা পিছফালৰ পৰা মাত দিয়ে জীৱন বা চন্দ্ৰই। জীৱন আৰু চন্দ্ৰবো এতিয়া বয়স হৈ আহিছে। সম্বিত ঘূৰি আহে। আমি হোষ্টেলত থকা সময়ত জীৱন আৰু চন্দ্ৰ হোষ্টেলটোৰ ৰান্ধনিশালৰ দুজন ডেকা সহায়ক আছিল। জীৱন-চন্দ্ৰহ'তো আমাৰ লগত নষ্টালজিয়াত ডুব যায়।

কটন কলেজৰ শতবাৰ্ষিকী অনুষ্ঠানৰ সামৰণি পৰাৰ কিছু দিনৰ পিছতে কটন কলেজৰ প্ৰাক্তন সাধাৰণ সম্পাদক জগদীশ দত্তই লগত পৰাণজ্যোতি দত্ত, প্ৰীতম শৰ্মা, আব্দুল কুদ্দুচ আলী প্ৰমুখ্যে ৰজনীকান্ত বৰদলৈ (পূৰ্বৰ কছম'পলিটান) ছাত্ৰাবাসৰ কেইজনমান আবাসীক লগত লৈ আমাৰ ঘৰলৈ আহি মনত পেলাই দিলে কছম' হোষ্টেলৰ প্ৰাক্-শতবাৰ্ষিকী সমাৰোহ উদ্‌যাপন কৰাৰ কথা। ইতিপূৰ্বে ৰজনীকান্ত বৰদলৈ (কছম'পলিটান) ছাত্ৰাবাসৰ প্ৰাক্-শতবাৰ্ষিকী উদ্‌যাপন সমিতি এখন গঠন কৰি এই দিশত আগবঢ়া হৈছে! সেই অনুসৰি ২০০৩ চনৰ ছেপ্টেম্বৰ মাহৰ ১৩ আৰু ১৪ তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে ছাত্ৰাবাসটিৰ বাৰ্ষিকী সমাৰোহৰ অয়োজন কৰা হৈছে! ১৯১০ চনত স্থাপন হোৱা কটন কলেজৰ প্ৰথমটি ছাত্ৰাবাস তাহানিৰ ফাৰ্ষ্ট মেছ, পিছলৈ কছম'পলিটান হোষ্টেল (সাৰ্বজনীন ছাত্ৰাবাস) আৰু বৰ্তমানৰ ৰজনীকান্ত বৰদলৈ ছাত্ৰাবাসৰ এই সমাৰোহৰ কথা শুনি অসমৰ বাহিৰে-ভিতৰে বিভিন্ন ঠাইত সিঁচৰতি হৈ থকা প্ৰাক্তন আবাসীসকলৰ মন আনন্দত নাচি উঠিল। বিভিন্নজনৰ পৰা ফোন পালোঁ, সকলো উৎফুল্লিত। জগদীশহঁতৰ চেষ্টাৰ জহত আমিবোৰে আমাৰ পূৰ্বসূৰীৰ লগতে উত্তৰসুৰিক একেলগে পোৱাৰ সুবিধা পালোঁ। এটা সময়ত সেই কাংক্ষিত দিনটো পালেহি।

১৩ ছেপ্টেম্বৰ, ২০০৩। পুৰণি আবাসীৰে হোষ্টেল গিজগিজাই উঠিল। পুৰণি আবাসীৰ নাম পঞ্জীয়ন আৰম্ভ হ'ল। নতুনসকলে বিছনা এৰি দিলে। পুৰণা ৰুমমেটৰ সৈতে পুৰণা ৰুমত পুৰণি আবাসীৰ ৰাত্ৰি যাপন। ক্ষন্তেকলৈ যেন সময় ঘূৰি আহিল। ঘড়ীৰ কাটা যেন ওলোটাকৈ ঘূৰিব ধৰিলে। কোনোবা যদি '৭৫ত ৰ'ল, কোনোবা '৭২ত। আকৌ কোনোবা ঘূৰি গ'ল '৬০ৰ দশকলৈ। স্মৃতিৰ বানে উটুৱাই থাউনি নোহোৱা কৰিলে বৰ্তমানক!

ৰাতিৰ আহাৰ ন-পুৰণি সকলোৱে মিলি অতি আনন্দেৰে গ্ৰহণ কৰিলে। নিশা শোৱাৰ নামত বিছনাত পৰা হ'ল যদিও সৰহভাগৰ টোপনি নাহিল। জগদীশ, পৰাগহঁতে সকীয়াই দিলে— 'দাদা আপোনালোকৰ ৰাতিপুৱালৈ কিন্তু মাৰাথন দৌৰ আছে।' 'হয় হয়' বুলি সকলোৱে জোৰ কৰি চকুবোৰ মুদি দিলে।

১৪ ছেপ্টেম্বৰ, ২০০৩ চনৰ পুৱা ৬.০০ বজাতে পূৰ্ব নিৰ্ধাৰিত কাৰ্যসূচী অনুসৰি ন-পুৰণি আৱাসীৰ মাৰাথন দৌৰ আৰম্ভ হ'ল। হাঁহি-ধেমালিৰে মাৰাথন শেষ হ'ল। ৰঙা চাহ-বিস্কুট খাই সকলো সাজু হ'ল পতাকা উত্তোলনৰ বাবে। কটন কলেজৰ সেই সময়ৰ অধ্যক্ষ উদয়াদিত্য ভৰালীদেৱে আহি পতাকা উত্তোলন কৰি সকলোকে শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে প্ৰাক্তন কটনিয়ানসকলৰ দায়-দায়িত্ব সম্পৰ্কেও দু-আষাৰ ক'লে। ইয়াৰ পিছতে কাৰ্যসূচী অনুসৰি অনুষ্ঠিত হয় স্মৃতি তৰ্পণ আৰু বৃক্ষ ৰোপণ। চৌহদৰ ভিতৰচ'ৰাত প্ৰাক্তন আৱাসীসকলে বৃক্ষ ৰোপণ কৰিলে।

সিদিনাৰ পুৱাৰ এক আকৰ্ষণীয় অনুষ্ঠান আছিল কটন কলেজৰ কেউটা ছাত্ৰাবাস আৰু ছাত্ৰী নিবাসৰ আৱাসীসকলৰ দ্বাৰা আয়োজিত সাংস্কৃতিক শুভাযাত্ৰা। সাতটা ছাত্ৰাবাস আৰু দুটা ছাত্ৰীবাসৰ মুঠ নটা দলে এই শুভাযাত্ৰাত অংশ গ্ৰহণ কৰে। কিনকিনিয়া বৰষুণৰ বাবে এই শুভাযাত্ৰা বিশেষ ধৰণেৰে আৰম্ভ কৰিব লগা হৈছিল। যিহেতু এই সাংস্কৃতিক শুভাযাত্ৰা প্ৰতিযোগিতাৰ অন্তৰ্গত আছিল— সেয়ে বৰষুণৰ বাবে প্ৰথমে মঞ্চত প্ৰতিটো দলে একোপাক ঘূৰি মঞ্চৰ পৰা নামি বাটলৈ গৈছিল। এই শুভাযাত্ৰা দীঘলীপুখুৰীৰ কেউফালে এপাক ঘূৰি ৰিজাৰ্ভ বেংক হৈ পুনৰ হোষ্টেলত প্ৰৱেশ কৰিছিলহি। এই সাংস্কৃতিক শুভাযাত্ৰা উদ্বোধন কৰিছিল হোষ্টেলটোৰ এগৰাকী প্ৰাক্তন আৱাসী তথা কটন কলেজৰ প্ৰাক্তন অধ্যাপক শ্ৰী বংশীধৰ দাস ছাৰে। এই সাংস্কৃতিক শুভাযাত্ৰা দৰাচলতে বৰ্তমানৰ কটনিয়ানসকলৰ উৰ্বৰ মস্তিষ্কৰ উৎকৃষ্ট ফচল আছিল। বিচাৰক মণ্ডলী বিপাঙত পৰিছিল শ্ৰেষ্ঠতাৰ বিচাৰ কৰিবলৈ গৈ। তাৰ মাজতে যথাৰীতি কৃষ্ণকান্ত সন্দিকৈ ছাত্ৰাবাস (পূৰ্বৰ ফাৰ্ষ্ট মেছ) প্ৰথম, শ্বহীদ কনকলতা ছাত্ৰী নিবাস (পূৰ্বৰ চি. জি. II) দ্বিতীয় আৰু মহেন্দ্ৰ নাথ ডেকাফুকন ছাত্ৰাবাস (পূৰ্বৰ ডি এছ হোষ্টেল) তথা আনন্দৰাম বৰুৱা ছাত্ৰাবাস (পূৰ্বৰ থাৰ্ড মেছ) যুটীয়াভাৱে তৃতীয় হৈছিল।

শোভাযাত্ৰাৰ অন্তত কেউটা হোষ্টেলৰ আৱাসীসকলৰ লগত পুৰণি আৱাসী আৰু আমন্ত্ৰিত অতিথিসকলে পুৱাৰ জলপান গ্ৰহণ কৰাৰ পিছতে ন-পুৰণি আৱাসীৰ পুনৰ মিলন অনুষ্ঠান আৰম্ভ হয়। জগদীশ আৰু চক্ৰদাহঁতৰ অনুৰোধ মৰ্মে এই অনুষ্ঠান পৰিচালনাৰ দায়িত্ব মই ল'বলগীয়া হয়। পুনৰ মিলন অনুষ্ঠানত আমি মঞ্চলৈ প্ৰথমতে প্ৰাক্-স্বাধীনতা কালৰ আৱাসীসকলক আমন্ত্ৰণ জনাওঁ। শ্ৰীযুত বংশীধৰ দাস মঞ্চলৈ আগুৱাই আহে। জাউৰিয়ে জাউৰিয়ে পৰা হাত-চাপৰিত বংশীধৰ দাস ছাৰৰ

চকু সেমেকি উঠে। তেখেত এই আৱাসৰ আৱাসী হোৱাৰ উপৰি কটন কলেজৰ এগৰাকী প্ৰাক্তন অধ্যাপকো। শেষত স্কুলসমূহৰ পৰিদৰ্শক হৈ অৱসৰ গ্ৰহণ কৰে। ইয়াৰ পিছতে স্বাধীনতাৰ পিছৰ পৰা ১৯৫৫ চনলৈকে এই আৱাসত থকা আৱাসীসকলক মঞ্চলৈ আমন্ত্ৰণ জনোৱা হয়। তাৰ পিছতে প্ৰতি পাঁচ বছৰৰ মাজৰ যথা ৫৫-৬০, ৬১-৬৫, ৬৬-৭০, ৭১-৭৫ আদি কৰি বৰ্তমানৰ আৱাসীসকলক মঞ্চলৈ মাতি সম্বৰ্ধনা জ্ঞাপন কৰা হয় উদ্‌যাপন সমিতিৰ তৰফৰ পৰা। তাৰ মাজতে বিভিন্নজনে আত্মপৰিচয়ৰে স্মৃতি ৰোমন্থন কৰি বক্তব্য দাঙি ধৰে।

এই প্ৰাক্-শতবাৰ্ষিকী উদ্‌যাপন সমাৰোহৰ লগত ৰজিতা খুৱাই এখনি স্মৃতিগ্ৰন্থ আৰু এখন স্মাৰক গ্ৰন্থ প্ৰকাশ কৰা হয়। ইয়াৰ ভিতৰত স্মৃতি গ্ৰন্থখনিৰ সম্পাদকৰ দায়িত্বত আছিল ৰজনীকান্ত বৰদলৈ ছাত্ৰাবাসৰ আৱাসী ছাত্ৰ দিগন্ত শইকীয়া আৰু ৰূপম গগৈ। মোক মুখ্য সম্পাদকৰ দায়িত্ব দিয়া হৈছিল। আনহাতে 'সোঁৱৰণিৰ বোকোচাত' শীৰ্ষক গ্ৰন্থখনৰ সম্পাদনাৰ দায়িত্ব মোৰ ওপৰত ন্যস্ত কৰা হৈছিল আৰু গুণীন শইকীয়া তথা আব্দুল কুদ্দুচ আলী আছিল মোৰ সম্পাদনা সহযোগী। সম্পাদনা সমিতিৰ অধ্যক্ষ আছিল অধ্যাপক উদয়াদিত্য ভৰালী, (অধ্যক্ষ, কটন কলেজ) আৰু সদস্যসকল আছিল অধ্যাপক ড° প্ৰাঞ্জল ৰাজখোৱা, অধ্যাপক জীৱন ভট্টাচাৰ্য, চক্ৰধৰ গগৈ, চিন্ময় হাজৰিকা, সঞ্জীৱ কুমাৰ বৰঠাকুৰ, জগদীশ দত্ত, পৰাণজ্যোতি দত্ত, প্ৰীতম শৰ্মা, দীপৰাম মিলি। এইসকলৰ উপৰি এই গ্ৰন্থ দুখনি প্ৰকাশৰ ক্ষেত্ৰত আমাক বিভিন্ন দিশত সহায় কৰিছিল মহান বৰা, ফান্সিচ গগৈ, হিৰণ্য কুমাৰ নাথ, জেকৰুল ছাদকে আদি কৰি উদ্যোগী কটনিয়ানসকলে। গ্ৰন্থ দুখনৰ বেটুপাতৰ অংকনৰ উপৰি বিভিন্ন দিহা-পৰামৰ্শৰে আমাক ঋণী কৰা কটনিয়ানৰ আন এগৰাকী প্ৰাক্তন সম্পাদক তথা কটন কলেজৰ অৰ্থনীতি বিভাগৰ প্ৰবক্তা মোৰ অনুজপ্ৰতিম সুৰেশ কুমাৰ নাথৰ কথা সততে মনত থাকিব।

স্মৃতিগ্ৰন্থখনিত সাহিত্যিক তথা কটন কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° হেমন্ত কুমাৰ শৰ্মাদেৱৰ 'লোক সাহিত্যত অসমীয়া জীৱনৰ ছবি' শীৰ্ষক এটি লেখনীৰ লগতে মহান বৰাৰ 'ব্ৰেইন ড্ৰেইন', মানসজ্যোতি শৰ্মাৰ 'অনুভৱৰ চাৰি বেৰত কটন কলেজ', পংকজ কুমাৰ বৰুৱাৰ 'শংকৰদেৱৰ ধৰ্মাদৰ্শৰ বিশ্বজনীনতা', দেৱজ্যোতি শৰ্মাৰ 'অসমীয়া লোক সংস্কৃতিত জনবিশ্বাস', পদ্মকান্ত হাজৰিকাৰ 'বগা খাম-ৰঙা আখৰ আৰু অবুজ বেদনা', দীপজ্যোতি ফুকনৰ 'উদ্যোগশীলতা ঃ সাফল্য, সন্তুষ্টি আৰু সন্মান লাভৰ যাদুকৰী মন্ত্ৰ', গুণীন শইকীয়াৰ 'ঐতিহ্য চেতনা আৰু আধুনিকতা', সুৰেশ কুমাৰ নাথৰ 'সপোন নহয় অথচ সপোন সপোন লগা কথাবোৰ', গীতাৰ্থ কৌশিকৰ 'কছম'পলিটান ছাত্ৰাবাসত মোৰ প্ৰথম বছৰ', সুৰজিৎ ৰাণা পাটগিৰিৰ 'অসমবাসীৰ মূৰকামোৰণি আই এম ডি টি', ভাস্কো ডি শইকীয়াৰ 'সংস্কৃতিৰ সংকট

আৰু আমাৰ কৰণীয়', শশীন গোস্বামীৰ 'ফুলঝাৰু— অন্য এক কুৰুক্ষেত্ৰ', জগদীশ দত্তৰ 'ছাত্ৰ সমাজৰ ভৱিষ্যতৰ আঁত ধৰি', প্ৰণৱজ্যোতি শইকীয়াৰ 'কটন ছাত্ৰাৱাস আৰু আমি' শীৰ্ষক প্ৰবন্ধ আৰু স্মৃতিলেখাকেইটি প্ৰকাশ কৰা হয়। লগতে দিগন্ত শইকীয়া, প্ৰশান্ত বৰুৱা, বেদব্ৰত ভৰালী, গৌতম শৰ্মা, প্ৰণৱজ্যোতি শইকীয়া আৰু ৰঞ্জন চক্ৰৱৰ্তীৰ একোটাকৈ কবিতাও এই স্মৃতিগ্ৰন্থত প্ৰকাশ হয়। ইয়াৰ উপৰি স্মৃতিগ্ৰন্থখনিৰ ইংৰাজী শাখাত H. N. Das ৰ 'role of NGO's in Economic welfare', Rupam Gogoi ৰ 'The Adis of Arunachal Pradesh', Dr. Pradip Sarma ৰ 'Natural Disasters in Assam and need of Disaster management Courses', Angshuman Duttaৰ 'Regionalism : A perspective' আৰু Abdul Kuddus Aliৰ 'This is life...' শীৰ্ষক লেখনীকেইটাৰ লগতে Dip Raja Maliৰ এটি ইংৰাজী কবিতা প্ৰকাশ হয়। স্মৃতিগ্ৰন্থখনিৰ আৰম্ভণিতে সন্নিবিষ্ট কৰা হয় কটন কলেজৰ অধ্যক্ষ শ্ৰী উদয়াদিত্য ভৰালীৰ একাষাৰ আৰু মুখ্য সম্পাদক মনজিৎ সিঙৰ একলম।

কটন কলেজৰ ৰজনীকান্ত বৰদলৈ (কছম'পলিটান) ছাত্ৰাবাসৰ প্ৰাক্তন, বৰ্তমান আৰু ভৱিষ্যতৰ সমূহ আবাসীৰ হাতত উছৰ্গা কৰা 'সোঁৱৰণিৰ বোকোচাত' নামৰ গ্ৰন্থখনিত ইংৰাজী আৰু অসমীয়া দুয়োটা ভাষাৰে লেখনী সন্নিবিষ্ট কৰা হৈছে। মূলতঃ কছম' হোষ্টেলৰ হোষ্টেলীয়া জীৱনৰ স্মৃতিৰে বিভিন্ন শিৰোনামেৰে লিখা লেখনীসমূহৰে গ্ৰন্থখনি সমৃদ্ধ কৰা অসমীয়া শাখাৰ লেখকসকল হ'ল— বংশীধৰ দাস, দয়াৰাম চহৰীয়া, জীৱন ভট্ট, গোপালকৃষ্ণ দাস, ডাঃ ঘুমেন্দ্ৰ বৰ্মন, দুৰ্গেশ্বৰ বুজৰবৰুৱা, প্ৰমোদ চন্দ্ৰ চক্ৰৱৰ্তী, পৰেশ বৰ্মন, দুৰ্গেশ্বৰ গগৈ, ড° সুনীল পৱন বৰুৱা, মনজিৎ সিং, ভাস্কৰ খাউণ্ড, ৰাজু দাস, ৰবীন শৰ্মা, সঞ্জীৱ কুমাৰ বৰঠাকুৰ, জগন্নাথ তালুকদাৰ, অনিল চন্দ্ৰ শৰ্মা, সত্যেন্দ্ৰ শৰ্মা, বিনয় কুমাৰ চক্ৰৱৰ্তী, ডাঃ পুলিন চন্দ্ৰ কুমাৰ, পৱন কুমাৰ কলিতা, অৰ্ণৱজ্যান ডেকা, শ্যামল সন্দিকৈ, ড° মৃণাল কান্তি দত্ত, অখিল ৰঞ্জন দত্ত, দীপজ্যোতি ফুকন আৰু জগদীশ দত্ত। ইয়াৰ উপৰি কেইগৰাকীমান প্ৰাক্তন কটনিয়ানৰ অন্যান্য বিষয়ভিত্তিক কেইটিমান লেখনীও ইয়াত প্ৰকাশ কৰা হৈছে। এই লেখকসকল হ'ল— ডাঃ কমলা কলিতা, মৃণাল কুমাৰ বৰুৱা, হৰমোহন কলিতা, ড° প্ৰাণহৰি তালুকদাৰ আৰু ড° মহেশ্বৰ কলিতা। বিচিত্ৰ কুমাৰ মেধিয়ে লিখা 'কটন কছম'পলিটান হোষ্টেলৰ গীত' শীৰ্ষক সমবেত গীতটোও এই গ্ৰন্থৰ আদিতে সন্নিবিষ্ট কৰা হৈছে। ইংৰাজী শিতানত বিভিন্ন লেখনী আগবঢ়োৱা লেখকসকল হ'ল— ড° প্ৰাঞ্জল ৰাজখোৱা, হীৰালাল গগৈ, অশোক কুমাৰ দাস, কৰ্ণেল ঘনকান্ত গগৈ, দীপক কুমাৰ গোস্বামী, অৰূপ কুমাৰ মল্লিক, জ্যোতি প্ৰকাশ দেৱৰয়, সুশান্ত ঠাকুৰীয়া, অনুপ কুমাৰ দাস, আৰ কে ডেকা, দেৱজিৎ খাউণ্ড, চন্দন শৰ্মা, জগদীশ

নাথ, প্ৰতীম শৰ্মা, দেৱ কুমাৰ বৰুৱা, ড° বিৰিঞ্চি কুমাৰ দাস আৰু ৰাজেন সিং। ইয়াৰ উপৰি সহযোগী সম্পাদক গুণীন শইকীয়া আৰু মঃ আব্দুল কুদ্দুচ আলীয়েও গ্ৰন্থখনিৰ অসমীয়া আৰু ইংৰাজী শাখাত একোকলম সংযোজন কৰিছে। গ্ৰন্থখনিৰ আৰম্ভণিতে কটন কলেজৰ অধ্যক্ষ উদয়াদিত্য ভৰালীদেৱে আগকথা হিচাপে এবাৰ আৰু মনজিৎ সিঙে সম্পাদকৰ একলম লিখি গ্ৰন্থখনিৰ বিষয়ে এটি সম্যক আভাস দিয়ে। এশ ছিয়ানব্বৈ পৃষ্ঠাৰ এই গ্ৰন্থখনিৰ পৰিপূৰিকা হিচাপে গ্ৰন্থখনিৰ শেষত মুঠ আঠত্ৰিশ পৃষ্ঠাজোৰা কছম' হোষ্টেলৰ বিভিন্ন বৰ্ষৰ আবাসীৰ তথা বিশেষ মুহূৰ্তৰ ফটো সন্নিবিষ্ট কৰি গ্ৰন্থখনি আপুৰুগীয়া কৰা হৈছে।

পূৰ্বনিৰ্ধাৰিত কাৰ্যসূচী অনুসৰি উল্লিখিত স্মৃতিগ্ৰন্থখনি উদ্বোধন কৰিবলৈ আমি মঞ্চলৈ আমন্ত্ৰণ জনাইছিলোঁ কটন কলেজৰ প্ৰাক্তন অধ্যক্ষা জয়মতী মেধি বাইদেউক। বাইদেউৱে স্মৃতিগ্ৰন্থখন উন্মোচন কৰাৰ পিছতে ইতিমধ্যে আমাৰ আমন্ত্ৰণক্ৰমে মঞ্চত উপবিষ্ট হোৱা প্ৰখ্যাত কবি হীৰেণ ভট্টচাৰ্যদেৱে 'সোঁৱৰণিৰ বোকোচাত' নামৰ গ্ৰন্থখনি উন্মোচন কৰি এটি চমু ৰসাল ভাষণ প্ৰদান কৰি আমাক সকলোকে কৃতাৰ্থ কৰে।

দুপৰীয়াৰ আহাৰ গ্ৰহণৰ পিছতে আকৌ আৰম্ভ হয় ন-পুৰণি আবাসীৰ পুনৰ মিলন অনুষ্ঠান। বিয়লি ৫.০০ বজাত ৰজনীকান্ত বৰদলৈ (কছম'পলিটান) ছাত্ৰাবাসৰ বেডমিণ্টন আৰু ভলীবল ক'ৰ্ট মুকলি কৰে প্ৰাক্তন আবাসী লেফটেনেণ্ট কৰ্নেল ঘনকান্ত গগৈদেৱে। এই খেলৰ স্থানডোখৰ দেখিয়ে মনত পৰি গ'ল আমাৰ লগৰ এই হোষ্টেলৰ আবাসী পুলিন বুঢ়াগোহাঁই, বিজয় গগৈ, পৰেশ কাকতি, ত্ৰিদিব বেজবৰুৱা, আমাৰ কনিষ্ঠ যতীন বৰালৈ। এইসকল ভলীবল, ফুটবল আৰু বেডমিণ্টনৰ ৰাজ্যিক পৰ্যায়ৰ খেলুৱৈ আছিল।

ইয়াৰ পিছতে আৰম্ভ হৈছিল মুকলি সভাৰ। মুকলি সভাত ১৯১০ চনত স্থাপিত হোৱা কছম'পলিটান হোষ্টেলৰ শতবাৰ্ষিকী সমাৰোহ ২০১০ চনত বছৰজোৰা কাৰ্যসূচীৰে উলহ-মালহেৰে উদ্‌যাপনৰ দিহা কৰিবলৈ সিদ্ধান্ত লৈ কেইবাটিও প্ৰস্তাৱ গ্ৰহণ কৰা হয়। মকুলি সভাত কেইবাগৰাকীও প্ৰাক্তন আবাসীয়ে তেখেতসকলৰ বহুমূলীয়া দিহা-পৰামৰ্শৰে বক্তব্য দাঙি ধৰে। ড° সুনীল পবন বৰুৱা, সুশান্ত ঠাকুৰীয়া, নবীন সোণোৱাল, অতুল গগৈ, দুৰ্গেশ্বৰ গগৈ, গণেশ কলিতা আদি বক্তাই এই সমাৰোহ সাফল্যমণ্ডিত কৰি তোলাৰ বাবে বৰ্তমানৰ আবাসীসকলৰ লগতে বিশেষভাৱে উদ্‌যাপন সমিতিৰ সাধাৰণ সম্পাদক জগদীশ দত্তৰ ভূয়সী শলাগ লয় আৰু শ্ৰী জগদীশ দত্তক প্ৰাক্তন আবাসীসকলৰ তৰফৰ পৰা সুশান্ত ঠাকুৰীয়াই এখনি ফুলাম গামোচৰে সম্বৰ্ধনা জ্ঞাপন কৰে।

এই সভাত গৃহীত এক প্ৰস্তাৱ অনুসৰি বৰ্তমানৰ ৰজনীকান্ত বৰদলৈ ছাত্ৰাবাসৰ এটি কমন ৰুম তথা পুথিভঁৰাল নথকাৰ খেদ প্ৰকাশ কৰি প্ৰাক্তন আবাসীসকলৰ

উদ্যোগত প্ৰাক্তন আবাসীসকলৰ দান-বৰঙণিৰে কৰ্তৃপক্ষৰ অনুমতি সাপেক্ষে এটি জিৰণি-ঘৰ তথা কটন কলেজৰ ছাত্ৰসকলৰ বৌদ্ধিক বিকাশৰ বাবে এটি গ্ৰন্থাগাৰ নিৰ্মাণ কৰাৰ সিদ্ধান্ত লোৱা হৈছিল যদিও কটন কলেজৰ মাষ্টৰ প্লেনৰ কাম হাতত লোৱাৰ পূৰ্বে এনে এক আঁচনি বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত যথেষ্ট অসুবিধা থকা বুলি অনুভৱ কৰিছোঁ।

সভাত গৃহীত আন এক প্ৰস্তাৱযোগে আগন্তুক ২০১০ চনত উদ্‌যাপিত হ'বলগীয়া হোষ্টেলটোৰ শতবৰ্ষ সমাৰোহৰ অগ্ৰগতিৰ বুজ ল'বলৈ হোষ্টেলটোৰ যথা সময়ৰ আবাসীসকলৰ সহযোগত প্ৰতিবছৰে একোখনকৈ বিশেষ সমাৰোহ পাতি ন-পুৰণি আবাসীসকলৰ মতামত লৈ আঁচনি হাতত লোৱাৰ বাবে সিদ্ধান্ত লোৱা হয়। সেই প্ৰস্তাৱৰ ভিত্তিত ২০০৪ চনৰ ২৭ নৱেম্বৰ তাৰিখেও এখন বিশেষ সমাৰোহৰ আয়োজন কৰা হয়। জগদীশহঁতৰ প্ৰচেষ্টাত এই সমাৰোহ সাফল্যমণ্ডিত কৰি তুলিছিল ছাত্ৰাবাসটোৰ সেই সময়ৰ আবাসী কটন কলেজৰ Union Society-ৰ সাধাৰণ সম্পাদক সমীৰণ বৈশ্যকে আদি কৰি অন্যান্য আবাসীসকলে।

২০০৩ চনৰ ১৪ ছেপ্টেম্বৰৰ হোষ্টেলৰ প্ৰাক্-শতবাৰ্ষিকীৰ মুকলি সভাৰ পিছতে আৰম্ভ হৈছিল এখনি আকৰ্ষণীয় আৰু মনোৰম সাংস্কৃতিক সন্ধিয়াৰ। কটনৰ ছাত্ৰী নিবাসৰ ছাত্ৰীসকলৰ লগতে ৰজনীকান্ত বৰদলৈ (কছম') ছাত্ৰাবাসৰ আবাসীসকলৰ বিহু-হুঁচৰিৰে আৰম্ভ হোৱা এই অনুষ্ঠানত প্ৰাক্তন আবাসী এসময়ৰ মিঃ কটন তথা মিঃ গুৱাহাটী ইউনিভাৰ্ছিটী, শ্ৰী অতুল চন্দ্ৰ গগৈয়ে উপস্থিত সকলোৰে অনুৰোধত দেহ সৌষ্ঠৱ প্ৰদৰ্শন কৰে। সাংস্কৃতিক সন্ধিয়াৰ বিশেষ আকৰ্ষণ আছিল প্ৰাক্তন কটনিয়ান তথা বৰ্তমান কটন কলেজৰ অধ্যাপক ড° সত্যেন চৌধুৰীৰ কটনিয়ান কন্যা প্ৰাৰ্থনা চৌধুৰীৰ গীত। আনহাতে প্ৰাক্তন কটনিয়ান সুগায়ক-গায়িকা যথাক্ৰমে পংকজ দত্ত আৰু তৃষ্ণা দেৱীয়ে সকলোকে মোহাচ্ছন্ন কৰি ৰাখিছিল। আন এগৰাকী প্ৰাক্তন কটনিয়ান তথা হোষ্টেলৰ আবাসী বলোভদ্ৰ হাগজেৰৰ মাউথ অৰ্গেন আৰু গীটাৰৰ সুললিত সুৰ-সমলয়ে এই সাংস্কৃতিক অনুষ্ঠানত সোণত সুৱগা চৰাইছিল। পুৱা ৰঙা বেলি ওলোৱালৈকে এই সাংস্কৃতিক অনুষ্ঠান চলিছিল। এটা সময়ত নিজম পৰিছিল কছম'ৰ বাকৰি।

সকলোৰে মনবোৰ গোমা হৈ আহিছিল। ঠিক হোষ্টেলৰ শেষ বছৰৰ শেষৰ দিনটোৰ দৰে লাগিছিল। সকলোৱে এৰি যাবলৈ ওলাইছে মৰমৰ কটন কলেজৰ অতিকৈ মৰমৰ এই হোষ্টেল। তথাপি সকলোৱে নিজকে প্ৰবোধ দিলে— আকৌ লগ হ'ম আমি ২০১০ চনৰ কোনোবা এটা দিনত।

ৰজনীকান্ত বৰদলৈ ছাত্ৰাবাসৰ প্ৰাক্তন আৰু বৰ্তমানৰ আবাসীসকলে সুকীয়াকৈ পুনৰ মিলনৰ বাবে হয়তো ২০১০ চনলৈ বাট চাব লাগিব। কিন্তু তাৰ পূৰ্বে গোটেই

কটনিয়ানসকলক একেখন বাকৰিত মিলিত হ'বলৈ সুযোগ দিছে APPOCCUS-এ। কেৱল পুনৰ মিলনেই নহয়— APPOCCUS-এ কান্ধ পাতি ল'ব খুজিছে সামগ্ৰিকভাৱে কটনৰ উন্নয়নৰ চিন্তা-চেতনাৰ দিক্ নিৰ্ণায়ক ভূমিকাৰ দায়-দায়িত্বৰ। ১৯০১ চনত মাথোন ছয়গৰাকী শিক্ষকৰ তত্ত্বাৱধানত উনচল্লিশজন ছাত্ৰৰে শুভাৰম্ভ হোৱা কটন কলেজে বিগত এক শতিকাৰো অধিক কাল জুৰি অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ শৈক্ষিক আৰু বৌদ্ধিক জগতলৈ বিশেষ অৰিহণা যোগাই আহিছে। কিন্তু ইয়াৰ পিছতো কটনৰ সকলো হিতাকাংক্ষীয়ে অনুভৱ কৰিছে— কটনৰ কৰণীয় আৰু বহুতো আছে। তাৰেই ফচল অন্বেষণত APPOCCUS-এ আৰম্ভ কৰিছে এক নতুন যাত্ৰা। কেৱল বৰ্তমানৰ আৰু প্ৰাক্তন কটনিয়ান অথবা কটনৰ শিক্ষাগুৰুসকলেই নহয় উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতিজন চিন্তাশীল ব্যক্তিয়ে APPOCCUS-ৰ এই যাত্ৰাপথৰ সহযোগী হোৱাটো একান্তই কাম্য। ❑

কটন কলেজ

সোণোৱালী সোঁৱৰণী

সম্পাদনা

জগদীশ দত্ত

এপোকাছ (APPOCCUS)

কটন কলেজ, গুৱাহাটী

Cotton College...
A Collection of articles contributed by Prominent Ex Cottonians and wellwishers edited by Sri Jagadish Dutta, Published by Association of Past and Present Offices-Bearers of cotton College Union Society (APPOCCUS) Cotton College, Guwahati, Assam-781001, First Edition, 31th May, 2009

Price Rs. 200.00 (Two Hundred) only

সম্পাদনা
জগদীশ দত্ত

প্ৰকাশক
এপোকাছ (APPOCCUS)

প্ৰথম প্ৰকাশ
৩১ মে' ২০০৯

© APPOCCUS

ভুবন ৰাম দাস ভৱন
কটন কলেজ, গুৱাহাটী, অসম-৭৮১০০১

বেটুপাত
মনজিৎ ৰাজখোৱা
আৰ্হি পাঠক
অমল কৃষ্ণ ভৰালী

অবিহণা
২০০.০০ (দুশ) টকা মাত্ৰ

মুদ্ৰক
ভৱানী অফ্‌ছেট এণ্ড ইমেইজিং চিষ্টেমচ্ প্ৰাঃ লিঃ
ৰাজগড় ৰোড, লাচিত লেন, গুৱাহাটী-৭৮১০০৭

অধ্যক্ষৰ একাষাৰ

কটন কলেজৰ বাস্তৱ ৰূপদান ঘটে ২৭ মে', ১৯০১ চনত। কলেজখনৰ স্থাপনৰ অন্তৰালত অসমৰ বিশেষ কিছুমান বৰেণ্য পুৰুষৰ নিঃস্বাৰ্থ সেৱা আমি সোঁৱৰিছোঁ।

কটন কলেজ স্থাপনৰ বহু বছৰ পিছত কটন কলেজৰ ছাত্ৰ একতা সভা গঠিত হয়। কলেজখনৰ ছাত্ৰ একতা সভাই অতীতৰে পৰা বৰ্তমানলৈকে সমাজৰ সকলো সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি সেৱা আগবঢ়াই অহাটো আমি অস্বীকাৰ কৰিব নোৱাৰোঁ। ছাত্ৰ একতা সভাৰ গুৰুত্ব যে কিমান গভীৰ সেইটো উত্তৰ পূৰ্বাঞ্চলৰ শিক্ষা-সংস্কৃতি, সমাজসেৱা, ক্ৰীড়া আদি দিশত চকু ফুৰালেই সহজতে উপলব্ধি কৰিব পাৰি। অবিভক্ত অসমৰ শিক্ষা, সংস্কৃতি, শিল্প, ক্ৰীড়া, সমাজসেৱা আদি সকলো বিষয়তেই কটন কলেজ ছাত্ৰ একতা সভাৰ গৌৰবোজ্জ্বল মহিমা আছে।

আজি একবিংশ শতিকাৰ প্ৰথম দশকত বিশ্বায়নৰ পটভূমিত কটন কলেজে শিক্ষা জগতত নতুনকৈ চিন্তা-চৰ্চা কৰিবলগীয়া হোৱাত ছাত্ৰ একতা সভাৰ নতুন আৰু পুৰণি বিষয়-বৰীয়াসকলে পদক্ষেপ গ্ৰহণ কৰাটো অতি গৌৰৱৰ বিষয়। বিশ্বায়নৰ পৰিপ্ৰেক্ষিতত কটন কলেজে শিক্ষা জগতত কেনেধৰণে আগবাঢ়িব সেই বিষয়ে চিন্তা কৰিলে আৰু তাৰ বাস্তৱ ৰূপদানে সম্ভৱতঃ একবিংশ শতিকাত কটন কলেজে আগভাগ ল'বলৈ নিশ্চয় সক্ষম হ'ব।

শিক্ষা জগতত এনেকুৱা পদক্ষেপৰ পৰিপ্ৰেক্ষিততে শিক্ষা বিষয়ক গ্ৰন্থৰ প্ৰকাশ উত্তৰ পুৰুষৰ বাবে বিশ্লেষণৰ পাথেয় হ'ব বুলি মোৰ দৃঢ় বিশ্বাস। 'উচ্চ শিক্ষা' গ্ৰন্থখনত শিক্ষা বিষয়ৰ নানা প্ৰবন্ধৰ মাজেৰে শিক্ষাৰ নানা কথা আৰু বিশ্লেষণ প্ৰকাশ পাব। 'গল্প আৰু গল্প' শীৰ্ষক গল্প সংকলনত মানৱ জীৱনৰ প্ৰতিফলনে সমাজকো সাঙুৰি আত্মপ্ৰকাশ কৰিব বুলি আশা কৰিব পাৰি। মানৱ মন, সমাজ আৰু ব্যক্তিৰ সমস্যা আদিয়েই গল্পৰ লাইখুটা যাক আশ্ৰয় কৰি কাব্যোপম ৰসাল বিষয় ৰত্নৰ আধাৰত গল্পত নিসৃত হয়। সাহিত্য জগতত গল্প-সংকলনখনো অনবদ্য অৱদানৰূপে স্বীকৃত হ'ব। 'সাহিত্য, সংস্কৃতি,

আৰু অন্যান্য প্ৰবন্ধ' শীৰ্ষক তৃতীয়খন গ্ৰন্থ সাহিত্য-সংস্কৃতিমূলক প্ৰবন্ধৰ সমাহাৰ। গ্ৰন্থখনে আমাৰ জাতীয় সাহিত্য-সংস্কৃতিক বাৰুকৈয়ে প্ৰতিফলিত কৰিব বুলি বিশ্বাস। 'কটন কলেজ সোণোৱালী সোৱৰণী' নামৰ স্মৃতি-ৰোমন্থন গ্ৰন্থখন ভূত আৰু সামীপ্যভূতৰ স্মৃতিমূলক কথাবোৰ পৰিপূৰ্ণ ৰূপত আত্মপ্ৰকাশ কৰিব। ক'বলৈ গ'লে শিক্ষা, সমাজত মানব মনৰ প্ৰতিফলন, সাহিত্য, কৃষ্টি-সংস্কৃতি আদি দিশত এই গ্ৰন্থবোৰে বিশেষ দায়িত্বৰ সাক্ষী হিচাবে পৰিগণিত হ'ব আৰু স্মৃতি-ৰোমন্থনৰ আঁৰে আঁৰে অতীতৰ বিশ্লেষণে ভৱিষ্যতৰ দিশ নিৰূপণত সহায় কৰিব।

প্ৰকাশ কৰিবলৈ লোৱা চাৰিখন গ্ৰন্থ আৰু স্মৰণিকাখনে একবিংশ শতিকাৰ শুভ মুহূৰ্ত্তত কাৰ্যাৰম্ভৰ বাৰ্তাবাহী ৰূপে পৰিগণিত হোৱাৰ উপৰি ভৱিষ্যতলৈ কটন কলেজৰ ন-পুৰণি ছাত্ৰ একতা সভাৰ সফল প্ৰচেষ্টাৰ সাক্ষ্যৰূপে জিলিকি থাকিব।

ন-পুৰণি ছাত্ৰ একতা সভাৰ বৃহৎ প্ৰচেষ্টা সদায় ফলৱতী হওঁক- এয়ে মোৰ একমাত্ৰ প্ৰাৰ্থনা ভগৱন্তৰ পদ-যুগলত।

ড° ইন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য
অধ্যক্ষ, কটন কলেজ, গুৱাহাটী-১

সম্পাদকীয়

আমি দুচকুৰে দেখা পৃথিৱীখনেই পৰিপূৰ্ণ প্ৰকৃত পৃথিৱীখন নহয়। আচলতে দেখি-শুনি-বুজি যিখন পৃথিৱী আমি অনুভৱ কৰিব পাৰোঁ সেইখন পৃথিৱীয়েই আমাৰ বাবে সুন্দৰ আৰু মোহনীয়। পৃথিৱীখনৰ সুন্দৰ আৰু মোহনীয় ৰূপ উপভোগ কৰিবলৈ অন্তৰ্দৃষ্টিৰ দৰকাৰ। সেই দৃষ্টিৰো থাকে ডেউকা কোবোৱা অনুভৱ, সূক্ষ্ম বোধশক্তি আৰু তাতোকৈয়ো সুন্দৰ এটি মন।

এয়াই যেন কটনিয়ান— যাৰ আছে ডেউকা কোবোৱা অনুভৱ, সূক্ষ্ম দৃষ্টি আৰু বোধশক্তিৰে এটা সুন্দৰ মন। আলোকৰ অবিৰত যাত্ৰাপথত একেলগে কেইবাটিও বসন্ত অতিবাহিত কৰা সহযাত্ৰী কটনিয়ানসকলে আজিও অনুভৱ কৰে কলেজীয়া বন্ধুৰ অভাৱ। অহংকাৰ সমৃদ্ধ মোহাচ্ছন্ন হ'লেও যেন ক'ব খোজোঁ— অমানুহৰ পৃথিৱীত মানুহ হৈ আছে কটনিয়ান, নিবন্ধ্ৰ এন্ধাৰৰ মাজতো উজলি আছে কটনিয়ান কুঁৱলীসনা একোটা দোকমোকালি হৈ। অত্যাচাৰৰ পৃথিৱীত আজিও কটনিয়ান একোটা বিদ্ৰোহী কবিতা।

তেজোদ্দীপ্ত সাহস আৰু দোকোল-টকা প্ৰত্যয়েৰে এদিন কটন কলেজ গৰকি যোৱাজনৰ পৰা সাম্প্ৰতিক পটভূমিক জীৱন মহাসমৰত অক্লান্ত যোদ্ধাৰূপে অৱতীৰ্ণ হোৱা বৰ্তমানৰ কটনিয়ানজনৰ মাজৰ যোগসূত্ৰই হৈছে 'কটন কলেজ একতা সভাৰ অতীত আৰু বৰ্তমানৰ বিষয়ববীয়াৰ সংস্থা 'এপোকাছ' (APPOCCUS)। জন্মলগ্নৰে পৰা এপোকাছৰ তৰফৰ পৰা অতীত আৰু বৰ্তমানৰ কটন কলেজ ছাত্ৰ একতা সভাৰ বিষয়ববীয়া তথা ৰাজ্যখনৰ বিভিন্নজন শুভাকাংক্ষী আৰু প্ৰাক্তন কটনিয়ানৰ চিন্তাৰ ফচলেৰে প্ৰগতিশীল বিশ্ব পৰিক্ৰমাৰ পৰিবৰ্তিত প্ৰেক্ষাপটত কটন কলেজ আৰু ৰাজ্যখনৰ ভূমিকা সম্পৰ্কে ন-কৈ চিন্তা-ভাবনা কৰি আগুৱাই যোৱাৰ প্ৰয়াস কৰা হৈছে।

এই মুহূৰ্তত মনলৈ আহিছে আমাৰ মাজৰ পৰা কম বয়সতে হেৰাই যোৱা এসময়ৰ কটন কলেজৰ সকলো দিশতে পাৰ্গত শ্যামলদাৰ দৰে ব্যক্তিত্বৰ কথা। তেওঁৰ দৰে অকালতে যিসকল জ্ঞাত-অজ্ঞাত কটনিয়ান আমাৰ মাজৰ পৰা হেৰাই গ'ল তেওঁলোকৰ আত্মাই চিৰশান্তি লাভ কৰক।

"সোণোৱালী সোঁৱৰণী"— এই সকলো কটনিয়ানৰ বাবে এধানিমান সুখ আৰু অলপ শান্তিৰ নীড়। ১০৮ বছৰীয়া কটনৰ বাকৰিত পুনৰ উৎসাহেৰে সমৱেত হোৱা প্ৰতিজন কটনিয়ানৰ প্ৰাপ্তিৰ আনন্দ— যাক আমি যথাসম্ভৱ জ্যেষ্ঠতাৰ ভিত্তিত সজাই তোলাৰ প্ৰয়াস কৰিছোঁ।

আমি গভীৰভাৱে বিশ্বাস কৰোঁ যে মানুহৰ বেছিভাগ সমস্যাৰ সমাধান হ'ব লাগিব মানুহৰ নিজৰ মনৰ পৰাই। সেয়ে মনটোক তিল তিল কৰি তৈয়াৰ কৰিব লাগে। আমাৰো আছে বহু সমস্যা, আৰু সমাধানো আছে আমাৰ কটনিয়ানৰ উৰ্বৰ চিন্তাৰ মাজতে। সঁচা জীৱনৰ এটা সঁচা উত্তৰ।

গ্ৰন্থখনৰ বঢ়া-টুটা, ভুল-শুদ্ধ আমাৰ অজ্ঞতাৰ ফল। ক'ব নোৱাৰোঁ ভুল নাই কৰা বা নকৰোঁ বুলি, কিন্তু ক'ব পাৰোঁ ভুলৰ পুনৰাবৃত্তি নকৰোঁ।

গ্ৰন্থখনি প্ৰকাশৰ ক্ষেত্ৰত বিভিন্ন দিশত সহায়-সহযোগ আগবঢ়োৱা ব্যক্তিসকল, লেখক-লেখিকাসকলৰ লগতে সকলো শুভাকাংক্ষীলৈ এই ছেগতে আমাৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ।

শেষত, প্ৰতিজন কটনিয়ানৰ আশিস শিৰত তুলি ল'লোঁ—

জয়তু এপোকাছ
জয়তু কটন কলেজ

[signature]

সূচীপত্ৰ

- মোৰ কটন কলেজত সোণালী দিন
  পুলিন দাস / ১
- এৰি অহা দিনৰ স্মৃতি
  আশ্ৰফ আলী / ২
- মোৰ কলেজীয়া সহপাঠী বন্ধু ড° ভূপেন হাজৰিকা
  ফটিক চন্দ্ৰ গগৈ / ৫
- একচল্লিশৰ ছয় ডিচেম্বৰৰ শোভাযাত্ৰাৰ কথা মনত পৰে
  অমলেন্দু গুহ / ৭
- কটন কলেজ
  মহেশ চন্দ্ৰ ভূঞা / ১০
- লুইতপাৰৰ চিৰযৌৱনা কটন কলেজ মোৰ
  ড° অণিমা গুহ (দাস) / ১৪
- কটন কলেজত পঢ়া দিনৰ আগৰ আৰু পিছৰ সোঁৱৰণী
  নিৰুপমা বৰগোহাঞি / ২১
- সুৰ ভৰা সোণালী দিনৰ কথাৰে
  তুলতুল বৰুৱা / ৩০
- মোৰ জন্মস্বত্ব
  কুলদা কুমাৰ ভট্টাচাৰ্য / ৩৬
- কৈনো কৈ থাকিলেও...
  বত্ন ওজা / ৪১
- সোণালী দিনৰ স্মৃতি
  অপূৰ্ব কুমাৰ দাস / ৫০
- কটনে মোক কি দিলে?
  কনকসেন ডেকা / ৫৪
- কটন কলেজৰ স্মৃতি
  ড° শ্যামভদ্ৰ মেধি / ৫৮
- মই লগ পোৱা কটন কলেজৰ শিক্ষকসকল
  তাৰকেশ্বৰ চৌধুৰী / ৬০

❖ কটন কলেজৰ এৰি অহা দিনবোৰৰ স্মৃতি ৰোমন্থন
প্ৰভাত চন্দ্ৰ ফুকন / ৬৪
❖ কটন কলেজ
মামণি ৰয়ছম গোস্বামী / ৬৭
❖ অপ্ৰকাশিত ১৯৪৯-৫০ চন
দিলীপ কুমাৰ কাকতি / ৭২
❖ কটন কলেজ বোলছবি সন্থা
দিলীপ কুমাৰ বৰুৱা / ৮০
❖ মোৰ সোঁৱৰণ আৰু অনুভৱ
ধীৰেন্দ্ৰ নাথ কলিতা / ৮২
❖ ৰক্ত ৰঞ্জিত স্মৃতিৰ ৰেঙণি
বিজনলাল চৌধুৰী / ৮৫
❖ কেইটামান সময়ৰ ভাগত কটন কলেজ
ড° পৰমানন্দ মহন্ত / ১০০
❖ কটনৰ সোঁৱৰণী ৰোমন্থনৰ পিছৰ পৰ্ব কি?
গৌতম প্ৰসাদ বৰুৱা / ১০৩
❖ অসমৰ সমাজ জীৱনৰ পটভূমিত কটন কলেজ
খনীন্দ্ৰ চন্দ্ৰ দাস / ১০৭
❖ ছেকেণ্ড মেছ ঃ ৰঞ্জিতৰ শেষ ফুটবল খেলখন, শেষখন তৰ্কযুদ্ধ আৰু আমি
গংগাপদ চৌধুৰী / ১১২
❖ স্মৃতিৰ মণিকোঠত ঃ কটন ছাত্ৰাবাসত কটাই অহা দুটা বছৰ
গগন চন্দ্ৰ অধিকাৰী / ১২০
❖ মোৰ কটন কলেজ ঃ অৱক্ষয়ৰ যুগৰ আৰম্ভণি
অপূৰ্ব শৰ্মা / ১২৮
❖ কটন কলেজৰ স্মৃতিৰ টোকা
ড° ৰবীন দেৱ চৌধুৰী / ১৩২
❖ কটন কলেজ ঃ এক নষ্টালজিয়া
পোলেন বৰকটকী / ১৩৮
❖ কটনত কটোৱা দিনবোৰৰ সোণালী সোঁৱৰণ
ড° শিৱনাথ বৰ্মন / ১৪৪
❖ ছাত্ৰ আন্দোলনৰ চমু ইতি বৃত্ত
ড° সুশীল গোস্বামী / ১৫১
❖ কটন কলেজ ঃ ঐতিহ্য আৰু সংৰক্ষণ
ড° সুনীল পবন বৰুৱা / ১৫৭

- মোৰ দুগৰাকী আদৰ্শ শিক্ষক ৰজনীকান্ত আৰু ৰোহিণীকান্ত
  ক্ষীৰধৰ বৰুৱা / ১৬১
- এটা দফাৰ মায়া
  ড° দীনেশ চন্দ্ৰ গোস্বামী / ১৬৬
- কটন কলেজ ঃ এক মধুৰ স্মৃতি
  ড° অপৰাজিতা বৰকটকী / ১৭০
- মই মাথোঁ এটা কুইজৰ প্ৰশ্ন
  নবীন বৰুৱা / ১৭৪
- সেই শুভ দিনটোৰ প্ৰতীক্ষাত
  ড° পদ্মপাণি / ১৭৯
- কটন কলেজ ঃ এটি স্মৃতি ৰোমন্থন
  হৰিশ সোণোৱাল / ১৮৩
- স্মৃতি যেন শুকান গোলাপ
  ড° বিৰিঞ্চি কুমাৰ মেধি / ১৮৭
- কটনত এৰি অহা দিনবোৰ
  আব্দুল মান্নান / ১৯০
- তৃতীয় ছাত্ৰাবাসৰ আৱাসী হিচাপে কিছু স্মৃতি
  ড° সত্যেন্দ্ৰ কুমাৰ চৌধুৰী / ১৯৫
- সোঁৱৰণীৰ তিনি পৃষ্ঠা
  দীপক কুমাৰ গোস্বামী / ২০১
- মোৰ হেঁপাহৰ কটন
  ৰয়েল আহমেদ / ২০৪
- কটন কলেজ ঃ চিৰস্মৰণীয়
  ড° বসন্ত কুমাৰ দাস / ২০৯
- কটন কলেজঃ এৰি অহা দিনৰ কথাৰে
  ড° ভাৰতী দত্ত / ২১২
- স্মৃতি ৰোমন্থন
  মাহতাব উদ্দিন আহমেদ / ২১৫
- স্মৃতিৰ বাকৰিত কটন কলেজ
  মনজিৎ সিং / ২১৮
- কটন কলেজৰ ছাত্ৰাবাসবোৰ জীৱন গঢ়াৰ কমাৰশাল
  ড° মৃণাল কান্তি দত্ত / ২২৯
- কটন কলেজ আৰু কটনিয়ানৰ সামাজিক দায়বদ্ধতা
  ড° ৰাজীৱ সন্দিকৈ / ২৩২

English Section

- Election and Union Society of Cotton College during 1946-47
  Dr. D.N. Borthakur / ২৩৭
- My Days in Cotton College
  Dr. Lakshahira Das / ২৩৯
- My Rendezvous with Adam Smith
  Jatin Hazarika / ২৪২
- Remembering the Golden Days at Cotton College
  Dr. Jayanta Madhab / ২৪৭
- My Days at Cotton College
  Dr. K.D.Krori / ২৫২
- Glimpses into the Past
  Dr. Jyotsna Bhattacharjee / ২৭১
- Cotton College – My Cherished Alma Mater
  Achyut Prasad Sarma / ২৭৬
- Reminiscences of an evergreen Cottonian
  H. N. Das / ২৮১
- My Reminiscences of Cotton College Days
  Ramani Kanta Deka / ২৮৭
- How I became G.S. of CCUS
  Dr.Nirmal Kr. Choudhury / ২৯২
- Cotton College and Me
  R.C. Barua / ২৯৬
- Going By Default
  T. Hussain / ৩০১
- Random Recollections from my Cotton College Days and After...
  Pulin Dutta / ৩০৭
- Fond memories and a Wish
  Dr. Kulendu Pathak / ৩১২
- My Proud Moments in Cotton College
  Bimal Dutta Lahkar / ৩১৫

- As I Look Back
  Dr. Kamalesh Choudhury /৩১৯
- Cotton College an Institution Par Excellence
  Jyoti Prasad Rajkhowa /৩২৯
- My Days in Cotton College Down the Memory Lane
  Dr. Dayananda Pathak / ৩৩৭
- Reminiscences of Cotton College : The Saga of a Letter
  Robin Kalita /৩৪৫
- Prof. M.N. Saloi through his works
  Dr.Tiluttoma Barua /৩৫৬
- Memories of a Cottonian
  Manoj Das /৩৬১
- To Think Today What the Rest of Assam Will Think Tomorrow
  Utpal Borpujari /৩৭৩
- ভিতৰি নেৰিবা বেথা...
  চেনেহী বেগম /৩৮১
- সোঁৱৰণীৰ ৰ'দকাঁচলিত তাহানিৰ কটন কলেজৰ অন্য এক আলসুৱা স্মৰণ
  ড° লিলি ৰাজবংশী /৩৮৫
- কটন কলেজ ঃ এক জীৱন্ত কিংবদন্তি
  প্ৰতিমা ঠাকুৰীয়া /৩৯১
- পদক্ষেপ
  বন্দিতা ফুকন /৩৯৫
- কটন মোৰ মানসত
  ৰবেন্দ্ৰ কুমাৰ দাস /৩৯৯
- লেখক পৰিচিতি /৪০৫
- কৃতজ্ঞতা /৪০৯

মোৰ কটন কলেজত সোণালী দিন

পুলিন দাস

মেট্ৰিক পাছ কৰি ১৯৩৭ চনত কটন কলেজত উচ্চ শিক্ষাৰ বাবে নাম লগাওঁ। স্কুলত থাকোঁতেই মই এজন অগ্ৰণী ক্ৰিকেট আৰু টেনিছ খেলুৱৈ, শিক্ষাগুৰু পি চি ৰায়, অতুল চন্দ্ৰ দত্ত, আৰু কেইবাগৰাকী খেল ভাল পোৱা প্ৰফেছাৰৰ লগত জনা-শুনা ভালকৈয়ে আছিল আমাৰ জজ খেলপথাৰত প্ৰায়েই খেলা ক্ৰিকেট খেলসমূহৰ মাজেদি। মই ক্ৰিকেট তেতিয়া বৰ ভাল পাইছিলোঁ আৰু পিছত ইয়াৰ প্ৰচাৰৰ বাবে মই প্ৰথমতে গুৱাহাটী ক্ৰিকেট সন্থা গঠন কৰি গুৱাহাটীত বহু ক্ৰিকেট মেচ খেলোৱাওঁ। পিছত অসমে ৰঞ্জী ট্ৰফীত খেলিবৰ বাবে ১৯৪৮ চনত মই অসম ক্ৰিকেট সন্থা গঠন কৰি অসমত সৰ্বভাৰতীয় ৰঞ্জী ট্ৰফী প্ৰতিযোগিতাত যোগদান কৰাই ক্ৰিকেট ব'ৰ্ডৰ বছৰেকীয়া সভাত নিমন্ত্ৰিত হৈ অসম ক্ৰিকেট সন্থাক ভাৰতীয় ব'ৰ্ডৰ affiliation নিয়াবলৈ সক্ষম হওঁ। সেইবাৰে অসম ক্ৰিকেট সন্থা ভাৰতীয় ক্ৰিকেট ব'ৰ্ডৰ সভ্য হৈ ১৯৪৮ চনত প্ৰথম ৰঞ্জী ট্ৰফী শ্বিলঙত খেলে উত্তৰ প্ৰদেশৰ লগত।ময়ো অসম দলৰ ১৪জন খেলুৱৈৰ এজন আছিলোঁ। আমাৰ কটন কলেজৰ এখন নিজা খেলপথাৰ আছিল আৰু সেইখন হৈছে পল্টন বজাৰৰ কাষৰ 'নিউ ফিল্ড'। তাতে আমি বহুতো মেচ খেলোঁ। Holkan দলে তাতে ৰঞ্জী মেচ খেলিবলৈ আহি ওভতাৰ পথত আমাৰ লগত এখন প্ৰীতি খেল খেলে। বৰ দুখৰ কথা, পিছত সেই নিউ ফিল্ডখন কলেজে ভাৰতীয় ক্ৰীড়াৰ খেল বিভাগক দিবলগীয়া হয়। এতিয়া আমাৰ মহান কলেজৰ নিজাকৈ কোনো খেলপথাৰ নাই। কি দুখৰ কথা! কটন কলেজৰ দৰে ভাৰতৰ এখন শ্ৰেষ্ঠ শিক্ষা অনুষ্ঠানৰ নিজাৰখীয়া কোনো খেলপথাৰ নাই। খেলুৱৈক দাই দিলে কি হ'ব।

আমাৰ দিনত কটন কলেজৰ ফুটবল দলে গুৱাহাটীৰ ফুটবল লীগ খেলিছিল। বৰদলৈ ট্ৰফী প্ৰতিযোগিতাত নিয়মিত যোগদান দিছিল। মোৰ বিশ্বাস কটনিয়ান খেলুৱৈসকলে জজ ফিল্ডতে খেলাৰ ব্যৱস্থা কৰিলে কলেজৰ খেলুৱৈসকল বহু উপকৃত হ'ব। ❑

এৰি অহা দিনৰ স্মৃতি

আশ্ৰফ আলী

মই মোৰ মা আৰু মোৰ বিবাহিত ধৰ্মপত্নীক যিমান ভাল পাওঁ কটন কলেজৰ প্ৰতি ভালপোৱা বা কটন কলেজিয়েট স্কুলৰ প্ৰতি ভালপোৱাৰ মাজত কি তাৰতম্য বা পাৰ্থক্য আছে মই তাক ভাবিবই নোৱাৰোঁ। ইতিহাস প্ৰসিদ্ধ মহত্মা গান্ধী পথৰ শ্ৰীমন্ত শংকৰ উদ্যানৰ দক্ষিণ পাৰত অৱস্থিত মাছখোৱা এম ভি স্কুলত (১৮০৭ চনত স্থাপিত) নাম লগাই প্ৰথম শ্ৰেণীলৈ পঢ়ি বছৰেকীয়া পৰীক্ষা দি ১৯৩০ চনত মই কটন কলেজিয়েট স্কুলত ভৰ্তি হওঁ। মই যিখন মাছখোৱাৰ এম ভি স্কুলত পঢ়া বুলি ক'লোঁ সেইখন স্কুলতেই অসমৰ প্ৰসিদ্ধ ব্যক্তি দেশভক্ত তৰুণৰাম ফুকন আৰু চৈয়দ ছাদুল্লায়ো পঢ়িছিল। কটন কলেজিয়েট স্কুলৰ পৰা ১৯৩৮ চনত মই কলিকতা বিশ্ববিদ্যালয়ৰ অধীনৰ মেট্ৰিক পৰীক্ষা দি কটন কলজেত কলা শাখাত ভৰ্তি হওঁ। ১৯৪০ চনত তাৰ পৰাই মই প্ৰথম বিভাগত আই এ পৰীক্ষা পাছ কৰোঁ আৰু ১৯৪২ চনত দৰ্শন শাস্ত্ৰত অনাৰ্ছ লৈ বি এ পাছ কৰোঁ। বিশেষ মন কৰিবলগীয়া কথা যে দৰ্শনত অনাৰ্ছ লওঁতে মই পৰীক্ষাৰ বাবে বিশেষ কাকত হিচাপে 'ইছলামী দৰ্শন' নলৈ পূজনীয় শিক্ষাগুৰু প্ৰয়াত গোপাল চন্দ্ৰ শৰ্মাৰ তত্বাৱধানত হিন্দু দৰ্শনহে পঢ়াত মনোনিৱেশ কৰিছিলোঁ আৰু পৰীক্ষাত সকলো ছাত্ৰতকৈ অধিক নম্বৰ পাই সম্মানসহ বি এ ডিগ্ৰী লাভ কৰিছিলোঁ। ইয়াৰ পিছত এম এ পঢ়িবলৈ মই ঢাকা বিশ্ববিদ্যালয়লৈ গৈছিলোঁ, য'ত সেই সময়ত বেছিভাগ পণ্ডিত, গুণী-জ্ঞানী লোকৰে সমাৱেশ হৈছিল। সেই বিশ্ববিদ্যালয়তে অসমৰ বৰ্তমানৰ প্ৰখ্যাত ইতিহাসবিদ হেৰম্বকান্ত বৰপূজাৰী, তেওঁৰ ভাতৃ সূৰ্যকান্ত বৰপূজাৰীয়েও পঢ়িছিল। আৰু অন্যান্য ইঞ্জিনিয়াৰিং ভেটেনাৰী, কৃষি ইত্যাদি বিভাগত অসমৰ প্ৰায় পোন্ধৰ-বিশজন ল'ৰাই সেই সময়ত ঢাকাত পঢ়ি আছিল। তাতেই ময়িদুল ইছলাম বৰাৰ উদ্যোগত অসমীয়া সাহিত্য চ'ৰা গঠন কৰা হৈছিল।

ঢাকাৰ পৰা ১৯৪৪ চনত এম এ পাছ কৰি মাত্ৰ তিনি দিনৰ বাবে আমি ঘৰলৈ

উভতি আহিছিলোঁ। আমাৰ অনুভৱ হৈছিল আৰু আজিও আমি কৃতজ্ঞতাত দোঁ খাই যাওঁ, মোৰ বিধবা মাৰ আশীৰ্বাদ আৰু মোৰ ঢাকাৰ পঢ়া খৰচৰ যোগান ধৰা মোমাইদেউ খান বাহাদুৰ আবুল শেখ আৰু মোৰ মৰমিয়াল মামীৰ সাহায্য নোপোৱা হ'লে মোৰ হয়তো কটন কলেজৰ দৰে এক ঐতিহ্যমণ্ডিত কলেজৰ অধ্যক্ষ হোৱাৰ সৌভাগ্য নঘটিলহেঁতেন। সেই সময়তে তৎকালীন অসমৰ মুখ্য মন্ত্ৰী ছাৰ ছাদুল্লাক শ্বিলঙত দেখা কৰাত তেওঁ মোক ক'লে— 'আশ্ৰফ, তুমি চিলেটৰ মুৰাৰী চান্দ কলেজলৈ যাবা নেকি? তাত এটা অৰ্থনীতি বিভাগত সহকাৰী প্ৰবক্তাৰ পদ আছে।' মই টপৰাই ক'লোঁ— 'যদি সুদুৰ ঢাকাত দুবছৰ থাকিব পাৰোঁ, তেন্তে অসমৰ অন্তৰ্ভুক্ত চিলেটলৈ কিয় যাব নোৱাৰিম। মুৰাৰী চান্দ কলেজৰ দৰে কলেজ এখনলৈ যোৱাত মোৰ একো আপত্তি নাই।' ইয়াৰ পিছত ১৯৪৫ চনত মুৰাৰী চান্দ কলেজৰ পৰা মই কটন কলেজলৈ বদলি হৈ আহোঁ। মোৰ মনত পৰে সেই সময়ত কটন কলেজত তৃতীয় আৰু চতুৰ্থ বাৰ্ষিকৰ ছাত্ৰ আছিল বৰ্তমানৰ বি বৰুৱা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ প্ৰমোদ ভট্টাচাৰ্য, গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য দেৱ প্ৰসাদ বৰুৱা আৰু প্ৰয়াত সুসাহিত্যিক, অসম সাহিত্য সভাৰ সভাপতি যোগেশ দাস আদি। তাৰ পিছত মই পুনৰ চিলেটৰ মুৰাৰী চান্দ কলেজলৈ প্ৰবক্তা হৈ যাওঁ আৰু তাৰ কিছুদিনৰ পিছত কটন কলেজত অৰ্থনীতি বিভাগত স্থায়ী প্ৰবক্তাৰ পদ এটি খালী হোৱাত মই পুনৰ কটন কলেজত যোগ দিওঁ।

আমাৰ দিনত অৰ্থনীতি, ৰাজনীতি আৰু পৌৰবিজ্ঞান সকলোখিনি মিলি একেটাই বিভাগ আছিল আৰু সেই সময়ত তাৰ মুৰব্বী আছিল উমাকান্ত গোস্বামী। আৰু তেওঁৰ পিছত ক্ৰমশঃ আছিল ড° মথুৰা নাথ গোস্বামী, ড° ইমৰাণ হুছেইন চৌধাৰী আৰু অশ্বিনী বৰকাকতী। কিন্তু পিছলৈ এই অধ্যাপকসকলে অন্যান্য চৰকাৰী বিভাগ আৰু শিক্ষা বিভাগৰে প্ৰশাসনীয় দায়িত্ব ল'ব লগা হোৱাত অতি কম বয়সতে মোৰ কটন কলেজৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক হোৱাৰ সৌভাগ্য ঘটিছিল। ইয়াৰ পিছত সুকীয়াকৈ মই ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপকৰ দায়িত্ব লওঁ। মই গৌৰৱেৰে কওঁ যে প্ৰাক্তন মুখ্য মন্ত্ৰী হিতেশ্বৰ শইকীয়া, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী দীনেশ গোস্বামী, কেন্দ্ৰীয় চৰকাৰৰ সচিব মদন বেজবৰুৱা, অসমৰ প্ৰাক্তন মুখ্য সচিব হৰেন দাস আৰু দুয়োখন বিশ্ববিদ্যালয়ৰ (গুৱাহাটী আৰু ডিব্ৰুগড়) প্ৰাক্তন উপাচাৰ্য (জিতেন দাসৰ বাহিৰে) সকলো মোৰ ছাত্ৰ আছিল। তদুপৰি বৰ্তমানে অসম আৰু ভাৰত চৰকাৰৰ আমোলা হিচাপে কৃতিত্বৰে কাম কৰি থকা বহুসংখ্যক আমোলা-বিষয়া মোৰ অতি প্ৰিয় ছাত্ৰ আছিল।

কটন কলেজত পোনপ্ৰথমে মোৰ দিনতে অৰ্থনীতি আৰু ৰাজনীতি বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰায় প্ৰত্যেক বছৰে 'শিক্ষামূলক ভ্ৰমণ'ৰ ব্যৱস্থা কৰা হৈছিল। বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এনে ব্যৱস্থা আগতে আছিল যদিও তেতিয়ালৈকে কলা শাখাৰ ছাত্ৰ-

ছাত্ৰীৰ বাবে তেনে ব্যৱস্থা কৰা হোৱা নাছিল। এবাৰ তেনে এটা শিক্ষামূলক ভ্ৰমণৰ বাবে কেইজনমান ছাত্ৰক লৈ মই দিল্লীলৈ গৈছিলোঁ। ছাত্ৰসকলৰ ভিতৰত আছিল ভগৱান লহকৰ (বৰ্তমানৰ গুৱাহাটী কমাৰ্চ কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ), দীনেশ গোস্বামী (প্ৰাক্তন সাংসদ), কৈলাস শৰ্মা (নলবাৰী কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ), প্ৰমোদ চক্ৰৱৰ্তী (বৰ্তমান লোকসেৱা আয়োগৰ সদস্য)। সেইবাৰ ভগৱান লহকৰ দিল্লীত দেৱানী খাচ আৰু দেৱানী আথ চাই ইমান বিভোৰ হ'ল যে তেওঁ বাছত নুঠা দেখি মই নামি গৈ তেওঁক কান্ধত ধৰি টানি আনি বাছত বহিবলৈ বাধ্য কৰিছিলোঁ। ইয়াৰ পিছত এবাৰ ডিগবৈ তেল শোধনাগাৰ চাবলৈ যাওঁতে চাপৰমুখ ৰে'ল ষ্টেচনত কৈলাস শৰ্মা হেৰোৱা কথাটোও আমাৰ মনত পৰে। ইয়াৰ পিছত সেই কৈলাস শৰ্মাই কটন কলেজত অৰ্থনীতিৰ প্ৰৱক্তা হিচাপে যোগ দিছিল। তেওঁক সহযোগী হিচাপে পোৱাৰ পিছত আমি আৰু দহজনমান ছাত্ৰ-ছাত্ৰীক লগত লৈ শিক্ষামূলক ভ্ৰমণ এটাৰ বাবে দিল্লীলৈ গৈছিলোঁ।

হাঁহি-ধেমালি কৰি ছাত্ৰ-ছাত্ৰীৰ লগতো কেৰম-তাচ খেলি আমি ছাত্ৰ আৰু শিক্ষকৰ মাজৰ ব্যৱধান নোহোৱা কৰিবলৈ সদায় চেষ্টা কৰিছিলোঁ, যিটো আজিৰ কটন কলেজত অভাৱ।

আমাৰ দিনত কটন কলেজত বিজ্ঞান আৰু কলা বুলি কোনো পাৰ্থক্য নাছিল। সেইদৰে জ্যেষ্ঠ-কনিষ্ঠ সকলো মিলি আমাৰ মাজত এটা পৰিয়ালৰ দৰে পৰিৱেশ এটা আছিল। বাণীকান্ত বাবু, সূৰ্য কুমাৰ ভূঞা আদি পণ্ডিতেও শিক্ষকৰ কমন ৰুমত বিভিন্ন ৰসাল কথাৰে মুখৰিত কৰি ৰাখিছিল। তেতিয়াৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকসকল আছিল অতি চোকা বুদ্ধিৰ ল'ৰা। বৰদা শৰ্মা, মথুৰা নাথ গোস্বামী, উমাকান্ত গোস্বামী, মজিবৰ ৰহমানৰ দৰে মুধাফুটা চোকা ছাত্ৰ আছিল কটন কলেজৰ সাধাৰণ সম্পাদক। কিন্তু আজিৰ তাৰিখত বিধানসভাৰ নিৰ্বাচনৰ দৰে কটন কলেজতো সাধাৰণ সম্পাদকৰ নিৰ্বাচনত বিভিন্ন পাতল পন্থা অৱলম্বন কৰা দেখা যায়। আমাৰ দিনত কনিষ্ঠজনে জ্যেষ্ঠজনক দাদা বুলি মতাতো এক পৰম্পৰা হিচাপে গঢ় লৈ উঠিছিল। কিন্তু এতিয়া কটন কলেজৰ শিক্ষকসকলৰ মাজতেই হতাহতি লাগে। লতাশিল বা পাণবজাৰৰ আৰক্ষী থানাত এই সন্দৰ্ভত হোৱা কেছ দাখিলৰ নথি-পত্ৰ এতিয়াও পোৱা যায়। একে সময়তে ছাত্ৰ সমাজৰ মাজতো উৎসাহ-উদ্দীপনা নাইকিয়া হৈ আহিছে। খেলপথাৰত খেল-ধেমালি কৰাতকৈ টেলিভিছনৰ অনুষ্ঠান আদিতহে ছাত্ৰসকলৰ ৰাপ। সেয়ে এনে এটা সময়তে আমি আল্লাহৰ ওচৰত প্ৰাৰ্থনা কৰিছোঁ— হে আল্লা, কটন কলেজৰ শতবাৰ্ষিকী উদ্‌যাপনৰ দিন ধৰি তুমি কটনৰ ঐতিহ্যময় অতীত আৰু বৰ্তমানৰ আধাৰত গাঁথা সুগন্ধি ফুলৰ মালাডাল সুৰক্ষিত কৰি তাৰ দ্বাৰা অসম ৰাজ্যত তাৰ সুগন্ধি বিলাবলৈ আমাক সকলোকে সদ্‌মতি দিয়া। ❑

century. Born in Scotland and educated at Glasgow and Oxford, Adam Smith became a lecturer in literature and philosophy in Glasgow University in his mid-twenties. At the age on 28, he was promoted as professor of logic and moral philsophy. He took ten years to write his book. The *Wealth of Nations*, and publication of this masterpiece earned him the sobriquet of 'Founder of Economics' because it was the first complete and systematic study of the subject. It is a masterful synthesis of centuries of accumulated but separate economic ideas. The bookargues that labour, rather than land or money, it the basic source of a nation's wealth, and that individuals know best what is good for them; and if unrestricted by governmental controls, private monopolies will be motivated by the quest for profit to turn out the goods and service that society wants more. Therefore, thorugh free trade and free market, self interest will be harnessed for common good.

Many of the topics Adam Smith discussed in *The Wealth of Nations* - labour, value and price determination, the theory of income distribution involving wages, rent and profit, the accumulation of capital, and the principles of public finance - are till date in main topics of economic studies. However, Adam Smith viewer the economic problems in the context of the scenario prevalent during the eighteenth country.

He conceived the central task of economics as man's struggle to conque nature in the production of material wealth and hence his concern was increasing the productivity of labour and expanding the size of the market.

Today, on the other hand, the basic problem of economics is seem to be broader one of allocating scarce recources among different uses so as to maximise consumer's satisfactions and to achieve full employment and steady economic growth avoiding inflating. But one must admit that the following four cardinal principles of economic theory propounded by Adam Smith still hold good and influence in the thinking of modern economists. These principles

are :

(1) The motivating force or incentive in economic system is self interest. This guides people to serve the common interest as though Adam Smith said by 'an invisible hand'.

(2) The economic system is regulated by competition prices in the market are established by competition, but Adam Smith detected a dismaying tendency for sellers to combine in order to raise price and thus destroy the regulatory power of market mechanism. He was also suspicious about joint stock companies which were strongly inclined to monopoly, and therefore, he recommended regulatory control.

(3) Given the regularly power of competition, there need be little regulation of the market by the state.

(4) Finally, since competition and market bring the best possible results, this should be the founding principle of economics.

পিছলৈ, দীঘলীৰ ইটো পাৰত সন্দিকৈ কলেজৰ নৱ ছাত্ৰীবাস গঢ়ি উঠিল। সেই হোষ্টেলত থকা কালত দেখিলোঁ— ধীৰ গতিত হলেও 'ট্ৰেণ্ড' অলপ সলনি হৈছে। গুৱাহাটীৰ চুকে-কোণে কম্পিউটাৰ চেণ্টাৰ, স্পোকেন ইংলিছ, বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰশিক্ষণ আৰম্ভ হৈছে। টিউচন চেণ্টাৰ, কোচিং ক্লাছ আদিৰ প্ৰাদুৰ্ভাৱ বাঢ়িছে আৰু লগে লগে আমাৰ নিশাৰ হিতাকাংক্ষী, উপদেশদাতা বা গীত-মাত পৰিৱেশন কৰা আৰ্টিষ্টসকলৰো যেন সময়ৰ নাটনি ঘটিছে। এৰা, যি হয় বা ঘটে সকলোবোৰ ভালৰ বাবেই ঘটে। মনতে কলোঁ— ল'ৰাহঁতৰ মংগল হওক।

হোষ্টেল সম্পৰ্কে উনুকিওৱা ঘটনা বা কথাবোৰৰ আঁৰত যি প্ৰাণশক্তি বা যুৱশক্তি আছিল, সেই শক্তিটো কিন্তু বহু সময়ত প্ৰাচীৰৰ ইপাৰৰ শ্ৰীশক্তিৰ বাবে অতিশয় ইতিবাচক হোৱাৰো প্ৰমাণ আছে। যি ঠাইত পুৰণি হোষ্টেলটো আছিল তাত প্ৰাচীৰৰ সিপাৰৰ ল'ৰাহঁত আছিল এটা ডাঙৰ নিৰাপত্তাবাহিনী স্বৰূপ। এদিনৰ কথা— সন্দিকৈ হোষ্টেলৰ পাকঘৰত জুই লাগিল— পিছে, অগ্নিনিৰ্বাপক বাহিনী অহাৰ পূৰ্বেই ক'ৰ পৰা ইমান ল'ৰা দৌৰি আহি দুপ-দাপ, ধুপ-ধাপকৈ জুই নুমুৱাই দিলে বিশ্বাস কৰিবলৈকে টান।— অৱশ্যে গধূলি এন্ধাৰৰ পিছত প্ৰাচীৰত উঠি এই বুলিও সকীয়াই দিলে— 'হাজাৰ পাপ কৰিলেহে ঘৰত জুই লাগে— আমাৰ কটন কলেজত কেতিয়াবা জুই লগা দেখিছ? পুণ্য কাম কৰিবি গেলাকণীহঁত— আমাক দেখিলে নমস্কাৰ দিবি— বুইছ!'— এবাৰ সন্দিকৈ কলেজৰ পিক্‌নিকৰ বাছৰ আগে আগে কিছুমান দুষ্ট লোকে লাহে লাহে মটৰচাইকেল চলাই অশান্তি কৰাত আমাৰ বাছৰ পিছে পিছে অহা কটনৰ বাছকেইখনৰ ল'ৰাই সেইকেইজনলৈ এনে চোঁচা দিলে যে সিহঁত পলাই পত্ৰং। ঠিক সেইদৰে কটন কলেজ বা আৱাসসমূহতো কেতিয়াবা কিবা অঘটন ঘটিলে আমাৰ ছাত্ৰী, অধ্যাপিকাসকলেও প্ৰায় দৌৰি যোৱা হ'ল।— সুখৰ ঘটনা হ'লে আনন্দ আৰু দুখৰ ঘটনাত সমব্যথী হোৱাও দেখা গ'ল।

এনেদৰেই চলিছিল কলেজ দুখনৰ সম্বন্ধ— ই এতিয়াও চলিছে— চলিবই। সমূহ ছাত্ৰ-ছাত্ৰীক আশীৰ্বাদ দি শেষত এষাৰ কথা ক'বলৈ ভাল পাম যে, জীৱনৰ খলা-বমা পথত কেতিয়াবা কেতেৰাই মাতিবলগীয়া হ'লেও যেন কলেজ দুখনৰ ভিতৰি বেথা বৰ্তি থাকে, এইটোৱেই আন্তৰিক কামনা।❑

সোঁৱৰণীৰ ৰ'দকাঁচলিত তাহানিৰ কটন কলেজৰ অন্য এক আলসুৱা স্মৰণ

ড° লিলি ৰাজবংশী

পৰাধীনতাৰ অসহনীয় ছাগত জুৰুলা হৈ থকা অসমীয়া জাতীয় জীৱনৰ প্ৰথম সূৰুযৰ যি উম অনুভৱ কৰিলে সেয়া একমাত্ৰ আনন্দৰাম ঢেকিয়াল ফুকনৰ প্ৰচেষ্টা।

'অসম হাবি গুচি ফুলবাৰী হোৱাৰ' সপোন দেখা আৰু তাক বাস্তৱত ৰূপায়িত কৰাৰ সকলো প্ৰচেষ্টা গ্ৰহণ কৰা আনন্দৰাম ঢেকিয়াল ফুকনৰ দৰে অসমপ্ৰেমী কেইবাজনো সদাশয় ব্যক্তিৰ তত্ত্বাৱধানতে অসম লাহে লাহে উন্নতি পথত আগবাঢ়ি যাবলৈ সক্ষম হয়। ঢেকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাৰ অপৰিসীম যত্নৰ ফলস্বৰূপে ভাষাৰ বঙলুৱা প্ৰভাৱ আৰু খ্ৰীষ্টিয়ান লেখকসকলৰ আচহুৱা ৰচনাৰীতি ক্ৰমান্বয়ে আঁতৰিবলৈ সক্ষম হয়। বিংশ শতিকাৰ প্ৰথমাৰ্ধতে 'শংকৰী যুগৰ' প্ৰথম সোণালী যুগৰ পিছতেই আধুনিক অসমীয়া সাহিত্যত এক সজীৱ প্ৰাণ প্ৰতিষ্ঠা কৰা লক্ষ্মীনাথ বেজবৰুৱাৰ বিশাল ব্যক্তিত্বৰ অৱদানেই অসমৰ দ্বিতীয় 'সোণালী যুগ' হিচাপে পৰিগণিত হয়। ইয়াৰ আগতে কোচ আৰু আহোম ৰজাৰ দিনত 'গুৰুকুল' আৰু 'টোল'ৰ মাধ্যমেৰেহে শিক্ষা দান কৰা হৈছিল।

কলিকতাত প্ৰতিষ্ঠা লাভ কৰা 'জোনাকী' কাকত আৰু 'অ ভা উ সা স'ৰ মূল উদ্দেশ্যই আছিল আন্ধাৰৰ বিপক্ষে যুদ্ধ কৰি দেশলৈ উন্নতি আৰু পোহৰ কঢ়িয়াই অনা। এনেকৈয়ে এটা সময়ত অসমৰ শিক্ষাজগতে প্ৰসাৰ লাভ কৰি গুৱাহাটী বিশ্ববিদ্যালয়কে ধৰি অসমত গঢ় লৈ উঠে স্কুল, কলেজ আদি শিক্ষানুষ্ঠানবোৰ।

ব্ৰিটিছ শাসনকালত মানুহৰ শিক্ষাৰ প্ৰতি ধাউতি বাঢ়িবলৈ ধৰাত কেপ্টেইন জেনকিন্সৰ প্ৰচেষ্টাত সেই সময়ৰ শিক্ষাৰ পদ্ধতি পৰিৱৰ্তনৰ ব্যৱস্থা কৰা হয়। অসমৰ

মাণিক চন্দ্ৰ বৰুৱা প্ৰমুখ্যে কিছু লোকৰ যত্নত গুৱাহাটীত প্ৰথম কলেজ পতাৰ চেষ্টা চলোৱা হয়। (১৮৯৬-১৯০২) সময়ছোৱাত Sir Henry John Stedman Cotton অসমৰ চীফ কমিছনাৰ হোৱাটো অসমৰ বাবে সৌভাগ্যৰ কথা। এওঁৰ যত্নতে ১৯০০ চনৰ ২৮ জুনত ভাৰত চৰকাৰে গুৱাহাটীত এখন কলেজ পতাৰ বাবে সন্মতি প্ৰদান কৰে। সেই সময়ত অসমীয়া ৰাইজে Sir Henry Cottonৰ শলাগ স্বৰূপে তেওঁৰ নামতে কলেজৰ নামকৰণ কৰিবৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে। ১৯০১ চনৰ ২৭ মে' তাৰিখ সোমবাৰে অসমৰ ভাগ্য আকাশ পোহৰ কৰি গুৱাহাটীত 'কটন কলেজে' বিকাশ লাভ কৰে। F. W. Sudmarsen-এ প্ৰথম প্ৰতিষ্ঠাপক অধ্যক্ষৰূপে কাৰ্যভাৰ গ্ৰহণ কৰা এই কলেজত প্ৰথম বাৰ্ষিকত পঞ্চলিছ (৪৫)জন আৰু দ্বিতীয় বাৰ্ষিকত মাত্ৰ ৪৬জনেৰে মুঠ ৯১জন ছাত্ৰৰে 'গুৱাহাটী কটন কলেজ' আৰম্ভ হয়। বৰ্তমান Chemistry Building টোৱেই সেই সময়ৰ মূল Cotton কলেজৰ ঘৰ। শিক্ষকৰ সংখ্যা অধ্যক্ষকে ধৰি মুঠ পাঁচজন আছিল। F. W. Sudmersen-ৰ বাহিৰেও 'ইন্দুভূষণ' ব্ৰহ্মাচাৰী, চুনীলাল দে, পৰেশ নাথ লাহিৰী এইসকল শিক্ষকে শিক্ষা দান কৰিছিল। ১৯৪৬ চনত এই কলেজৰে অধ্যক্ষ হয় মান্যবৰ সূৰ্যকুমাৰ ভূঞা।

মই নিজে কটন কলেজৰ ছাত্ৰী নহ'লেও মোৰ মানুহজন (গোলোকচন্দ্ৰ ৰাজবংশী) এই কলেজৰ ছাত্ৰ আছিল। ৰাজবংশী আৰু সমসাময়িক কেইবাজনো বিশিষ্ট ব্যক্তিয়ে সেই সময়ৰ কটন কলেজ আৰু কিছু ছাত্ৰৰ বিষয়ে লেখা প্ৰবন্ধৰ পৰাহে মই এই লেখাখিনি প্ৰস্তুত কৰাৰ সাহস পাইছোঁ।

চন্দ্ৰপ্ৰসাদ শইকীয়াই লিখিছিল— 'ৰাজবংশীয়ে কোনোৰচৰ পৰা আই এ পাছ কৰি আহি কটনত বি এ পঢ়িছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ সৰ্বপ্ৰথম স্নাতকসকলৰ ভিতৰত গোলোক ৰাজবংশীও এজন।'

কটন কলেজৰ যিটো সময়ৰ কথা মই এই প্ৰবন্ধত লিখিবলৈ লৈছোঁ সেই সময়ত মই মাত্ৰ এল পি স্কুলৰ শ্ৰেণীটোৰহে ছাত্ৰী আছিলোঁ। গুৱাহাটী কটন কলেজৰ কথা তেতিয়া শুনিলেও মই বিশেষভাৱে কিবা জনা নাছিলোঁ। মই মাত্ৰ জানিছিলোঁ মোৰ এজন ককাইদেউ জগত চন্দ্ৰ শইকীয়া সেই সময়ত এই কটন কলেজতে পঢ়িছিল। পিছলৈ গোলোক ৰাজবংশীৰ লগত বিয়া হৈ এই কলেজত থকা দিনবোৰৰ কথাবোৰ মই ৰাজবংশীৰ পৰা শুনিছিলোঁ। সেয়ে এই লেখাটোত মই বিশেষভাৱে 'ৰাজবংশী' বিষয়ৰ কথাবোৰহে উল্লেখ কৰিছোঁ। কিয়নো, কটন কলেজৰ কথা ওলালে ৰাজবংশী উৎফুল্লিত হৈ পৰা মই দেখিছিলোঁ। কেইবা দিনো সেইফালে গ'লে মোক তেওঁৰ থকা ফাৰ্ষ্ট ব্লকটো দেখুৱাই 'নষ্টালজিক' হৈ পৰাৰ কথা মই বিশেষভাৱে লক্ষ্য কৰিছিলোঁ।

১৯৪৬ চনৰ কথা। সেই সময়ত গুৱাহাটীৰ কটন ছাত্ৰাবাসত পাঁচটা মেচ আছিল। প্ৰথম মেচত কেৱল ফাৰ্ষ্ট ব্লকৰ ছাত্ৰ, দ্বিতীয় মেচত ছেকেণ্ড আৰু থাৰ্ড ব্লকৰ ছাত্ৰ, আৰু

তৃতীয় মেচত চতুৰ্থ আৰু পঞ্চম ব্লকৰ ছাত্ৰৰ খোৱাৰ ব্যৱস্থা আছিল। মুছলিম আৰু কছ্‌ম'পলিটান হোষ্টেলৰ ছাত্ৰৰ কাৰণেও দুটা বেলেগ মেচ আছিল। কেতিয়াবা কেতিয়াবা এই 'মেচ'বোৰত বিশেষ ধৰণৰ 'খানা' পতা হয়। তালৈ অন্য ব্লকৰ জনপ্ৰিয় ছাত্ৰও নিমন্ত্ৰিত হয়। থাৰ্ড ব্লকৰ খানালৈ বিশেষভাৱে নিমন্ত্ৰিতসকলৰ ভিতৰত গোলোক ৰাজবংশী বোলে সদায় আছিল। ৰাজবংশীহঁত আছিল ফাৰ্ষ্ট ব্লকত। সেই সময়ত ছাত্ৰৰ মাজত দুটা সংগঠন আছিল— এটা 'ছাত্ৰ কংগ্ৰেছ' আৰু আনটো 'ছাত্ৰ ফেডাৰেচন'। অন্য এটা জনজাতি ছাত্ৰ সংগঠনো আছিল। ছাত্ৰ ফেডাৰেচনৰ নেতা আছিল ফণী বৰা, সুৰেন ভুঞা আদি। আৰু ছাত্ৰ কংগ্ৰেছৰ নেতা আছিল গোলোক ৰাজবংশী, বীৰেশ বৰকটকী আৰু বিজয় শৰ্মা। তিনিওজনেই তেজপুৰৰ। এই ছাত্ৰকেইজন ৰাজনৈতিক চিন্তা-চৰ্চাৰ বাহিৰেও সামাজিক, সাংস্কৃতিক দিশতো আগৰণুৱা আছিল। তেজপুৰৰ নামী অনুষ্ঠান 'তৰুণ অসম সংঘ'বো এওঁলোক মেম্বাৰ আছিল।

কটন কলেজৰ এই হোষ্টেলবোৰ সেই সময়ত সকলো ধৰণৰ ৰাজনৈতিক, সাংস্কৃতিক চিন্তা-চৰ্চাৰ কেন্দ্ৰ আছিল। আলোচনা, বিহু, খেল-ধেমালি আদিত আগভাগ লোৱা ফ'ৰ্থ ব্লকলৈ কেতিয়াবা কেতিয়াবা বিষ্ণু ৰাভাও আহিছিল। এই হোষ্টেলৰ 'বৈঠক'বোৰত বিহু খেল-ধেমালি আদিও চলিছিল। মেদিনী চৌধুৰীদেৱে এঠাইত উল্লেখ কৰিছে "চতুৰ্থ ব্লক"'ত বিহুৰ যা-যোগাৰ কৰি সকলো ছাত্ৰই আশাৰে বৈ থাকোঁ বিহু নচা ছাত্ৰকেইজনৰ বাবে। বিজয় শৰ্মা, গোলোক ৰাজবংশীহঁত আহি বিহু নাচি দিলেই সকলো ছাত্ৰই আনন্দতে কিৰিলি পাৰি যি যেনেকৈ পাৰোঁ জঁপিয়াই জঁপিয়াই বিহু নচাত ব্যস্ত হৈ পৰোঁ। এবাৰ এই বিহু নাচত বলিয়া হৈ থকা ছাত্ৰবোৰৰ পিছফালে থিয় হৈ ব্লকৰ ছুপাৰ 'ফণী দত্ত' ছাৰে বিহু নচা চাই আছিল। ছাত্ৰসকলে গম পোৱাত ৰাজবংশীহঁতৰ বাহিৰে বাকীবোৰে যি যেনেকৈ পাৰে দৌৰি পলাবলগীয়া হৈছিল। পিছত দত্ত ছাৰে আমাক কৈছিল— "বিহু নাচিলে 'গোলোক'হঁতৰ দৰে নাচিব লাগে, তোমালোকে কি কৰিছা দৰে জঁপিয়াই ফুৰা— সেয়া বিহু নাচ নেকি?" তেতিয়াৰ কটনৰ ছাত্ৰসকলৰ ভিতৰত তেজপুৰৰ গোলোক ৰাজবংশীহঁতক শিক্ষকসকলেও গুৰুত্ব দিছিল।

সেই ছাত্ৰ সমাজৰ সকলো ধৰণৰ সমস্যা সমাধান কৰাত নেতৃত্ব দিছিল বিজয় শৰ্মা, ৰাজবংশী, বিজয় দাস আদি ছাত্ৰসকলে। এইসকলে কৰা ছাত্ৰ কংগ্ৰেছৰ প্ৰতি আস্থা জ্ঞাপন কৰিয়েই মেদিনী চৌধুৰী, বীৰেন দাস বড়োৱে জনজাতি ছাত্ৰ সন্থাক কংগ্ৰেছী আদৰ্শ মানি ল'বলৈ জোৰ দিয়াত 'জনজাতি ছাত্ৰ সন্থা' দুভাগ হৈছিল।

আগৰে পৰাই অভিনয়ৰ দক্ষতা থকা গোলোক ৰাজবংশী, শিল্পী সংঘৰ গিৰীশ চৌধুৰী, অনিল চৌধুৰী, মুবাজ্জিন আলি, মাখন দেৱান, মেদিনী চৌধুৰী— এই ছাত্ৰসকল পিছলৈ প্ৰায়ে অভিনয় মঞ্চতো লগালগি হৈছিল। সেই সময়ৰ ৰাজনৈতিক জীৱনৰ শিখা স্বাধীনতা আন্দোলন আৰু গণতান্ত্ৰিক আন্দোলনৰ মাজেৰেই পৰিপুষ্ট হৈ উঠিছিল

বাবেই ৰাজবংশীৰ মনত কোনো দলীয় গোড়ামিৰ কলুষতা নাছিল। নিজৰ দেশখনক স্বৰ্গৰাজ্যত পৰিণত কৰাৰ সপোন দেখা সেইচাম 'কটনিয়ান'ৰ মাজত আছিল চন্দ্ৰপ্ৰসাদ শইকীয়া, নবদীপ ৰঞ্জন পাটগিৰি, বীৰেণ বৰকটকী, গোলোক ৰাজবংশী, বিজয় শৰ্মা আদি ছাত্ৰসকল। 'জবাহৰলাল নেহৰু' আছিল এইসকলৰ আদৰ্শ। জবাহৰলাল নেহৰুৰ 'আত্মজীৱনী' আৰু 'ভাৰত আৱিষ্কাৰ' নামৰ গ্ৰন্থ দুখনে এই ছাত্ৰ নেতাসকলক বিশেষভাৱে প্ৰভাৱিত কৰিছিল। চন্দ্ৰপ্ৰসাদ শইকীয়াই লেখা প্ৰবন্ধত উল্লেখ কৰিছে "এইসকল ছাত্ৰৰ ভিতৰত গোলোক ৰাজবংশী আছিল ওজস্বী বক্তা। বক্তৃতাত সঘনাই মহাত্মা গান্ধী, জবাহৰলাল নেহৰু, জয়প্ৰকাশ নাৰায়ণ, আচাৰ্য নৰেন্দ্ৰ দেৱ আৰু ৰাম মনোহৰ লোহিয়াৰ বাণীৰ উদ্ধৃতিৰে ৰাজবংশীয়ে শ্ৰোতাক মুগ্ধ কৰিব পাৰিছিল।" সমসাময়িক ছাত্ৰৰ লেখনীৰ মতে, "অসমৰ বিভিন্ন ঠাইত ছাত্ৰ কংগ্ৰেছৰ সভাত যোগ দিয়া এইসকল ছাত্ৰ নেতাৰ ভিতৰত ৰাজবংশী আৰু বীৰেণ বৰকটকী আছিল মুখ্য বক্তা।"

স্বাধীনতাৰ অলপ আগতে জবাহৰলাল নেহৰুৱে দুৰ্নীতিগ্ৰস্ত আৰু ক'লা বেপাৰীক ৰাস্তাৰ কাষৰ লেম্পপোষ্টত ফাঁচী দিব বুলি কোৱা কথাষাৰে সেই সময়ৰ ছাত্ৰসকলক বৰকৈ প্ৰভাৱিত কৰিছিল। সেই সময়ত এই ছাত্ৰ নেতাসকলে প্ৰতি সপ্তাহে এবাৰকৈ এক অধ্যয়ন-চক্ৰৰ আয়োজন কৰি দেশখনক কেনেকৈ পৰাধীনতাৰ পৰা মুক্ত কৰিব পাৰি সেই বিষয়ে আলোচনাও কৰিছিল। স্বাধীনতাবিৰোধী সাম্ৰাজ্যবাদী শক্তিক এই সভাত কঠোৰভাৱে নিন্দা কৰা হৈছিল। এওঁলোকৰ লগতে সেই সময়ৰ তিলক গগৈ, নকুল দাস, যতীন হাজৰিকা, জীৱেশ্বৰ গোস্বামী, বিশ্বজিত বৰুৱা, বিজয় শৰ্মা, এই সকলো ছাত্ৰনেতা একে আদৰ্শৰে ঐক্যবদ্ধ আছিল।

কটন কলেজৰ এইচাম ছাত্ৰই সময় কেৱল পঢ়া-শুনাতে আবদ্ধ নাৰাখি দেশৰ কথা, মানুহৰ কথা চিন্তা কৰিবৰ বাবেও সময় উলিয়াই লৈছিল। সঘনাই হেপী ভিলাত থকা প্ৰদেশ কংগ্ৰেছৰ অফিচলৈ গৈ মুখ্য মন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধি, সিদ্ধিনাথ শৰ্মা, প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক বিমলা প্ৰসাদ চলিহা আদি নেতাসকলক লগ ধৰিছিলগৈ।

এদিন বীৰেণ বৰকটকী, চন্দ্ৰপ্ৰসাদ শইকীয়া আৰু গোলোক ৰাজবংশী গৈ উজান বজাৰৰ চন্দ্ৰকুমাৰ আগৰৱালাৰ ঘৰত জ্যোতিপ্ৰসাদ আগৰৱালাক দেখা কৰি কটন কলেজৰ এক সাংস্কৃতিক অনুষ্ঠানলৈ নিমন্ত্ৰণ কৰিছিলগৈ। অসুখৰ বাবে সেই অনুষ্ঠানত উপস্থিত থাকিব নোৱাৰিলেও অসুস্থ জ্যোতিপ্ৰসাদে জুই বৰষা বাক্যৰে দুৰ্নীতি আৰু অপসংস্কৃতিৰ লগত আপোচ নকৰিবলৈ ৰাজবংশীহঁতক উপদেশ দিছিল। এই ছাত্ৰ নেতাসকল সাহিত্য-সংস্কৃতিৰ প্ৰতিও আকৃষ্ট আছিল। ১৯৪৮ চনৰ ত্ৰিশ জানুৱাৰীৰ *দিনা বীৰেণ বৰকটকী, চন্দ্ৰপ্ৰসাদ শইকীয়া, বিজয় শৰ্মা, গোলোক ৰাজবংশী, নবদীপ ৰঞ্জন পাটগিৰিয়ে সাতপুখুৰীৰ পানীকলৰ তলত নদীৰ পানীৰ কাষত থকা প্ৰকাণ্ড শিল*

এটাত বহি ৰবীন্দ্ৰনাথ, গণেশ গগৈ, যতীন দুৱৰা, দেৱকান্ত বৰুৱাৰ মুখস্থ হৈ থকা কবিতা আবৃত্তি কৰি হাঁহি-ফূৰ্তি কৰি কটন হোষ্টেললৈ উভতি অহাৰ সময়ত বাটতে শুনিবলৈ পাইছিল মহাত্মা গান্ধীৰ আততায়ীৰ গুলীত মৃত্যু হৈছে। অলপ আগৰ হাঁহি-ফূৰ্তিবোৰ চকুলোলৈ ৰূপান্তৰ কৰি আটাইকেউজন গৈ হোষ্টেল পৰিচালক দণ্ডেশ্বৰ গগৈ'ৰ ঘৰৰ ৰেডিঅ'ৰ কাষত বহি শুনিবলৈ পালে প্ৰধান মন্ত্ৰী জৱাহৰলাল নেহৰুৰ শোকাৰ্ত হ'লেও উদাত্ত ভাষণ।

'The light has gone out of our life'.

শ্ৰীযুত কমলেশ্বৰ বৰাদেৱে লিখিছে— ১৯৪৬ চনত কটন কলেজৰ দ্বি এ শ্ৰেণীত ভৰ্তি হোৱাৰ সময়ত ৰাজবংশীক আমি সহপাঠী ৰূপে পাইছিলোঁ। তেখেত অতি মেধাৱী ছাত্ৰ আছিল। লগতে আছিল সুবক্তাও। সেই সময়ত জাতীয়তাবাদী ছাত্ৰসকল নৱদীপ ৰঞ্জন পাটগিৰি, বিজয় শৰ্মা, বীৰেণ গোস্বামী, ধীৰেন্দ্ৰ নাথ বৰঠাকুৰ, তিলক গগৈ, বীৰেণ বৰকটকী, অনিল বৰুৱা, বিশ্ব গোস্বামী, বিশ্বদেৱ শৰ্মা, উত্তম তহবিলদাৰ সোণেশ্বৰ কলিতা, ৰেণুকা দেৱী, বিশ্বজিত বৰুৱা, কল্যাণী ফুকন, যতীন্দ্ৰ দেৱ, দেৱেন বৰা, কমলেশ্বৰ বৰা এই সকলোৱেই ছাত্ৰ ইউনিয়ন কৰি পিছলৈ ছাত্ৰ কংগ্ৰেছ গঠন কৰি দেশৰ স্বাধীনতাৰ যুদ্ধত অসম প্ৰদেশ কংগ্ৰেছৰ নেতৃত্বলৈ অকুণ্ঠ সমৰ্থন আগবঢ়াইছিল। গোলোক ৰাজবংশীয়ে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ সতীৰ্থসকলৰ সৈতে ছাত্ৰ আন্দোলন তীব্ৰ কৰি তুলিছিল। শ্ৰীযুতা তুলতুল বৰুৱাই কৈছে— "নিজৰ কথা আৰু কামেৰে সাধাৰণ ছাত্ৰসকলক প্ৰভাৱিত কৰিব পৰা সেই সময়ৰ ছাত্ৰ নেতাসকলৰ ভিতৰত 'গোলোক ৰাজবংশী' আছিল অন্যতম।' ছাত্ৰ কংগ্ৰেছৰ সভা-সমিতিৰ উপৰি তেওঁ কলেজৰ বিভিন্ন অনুষ্ঠানত আৰু ৰাজহুৱা সভাতো বক্তৃতা দি জনপ্ৰিয় হৈ পৰিছিল। শ্ৰীযুত সদা শইকীয়াই এটা প্ৰবন্ধত সেই সময়ৰ কটনৰ ছাত্ৰসকলৰ কথা এনেদৰে কৈছে— "ছাত্ৰ কংগ্ৰেছৰ নেতা বিশ্বদেৱ শৰ্মা, বিশ্ব গোস্বামী আৰু উত্তম তহবিলদাৰৰ পিছতেই যিকেইগৰাকী ছাত্ৰ নেতাই আমাক উদ্বুদ্ধ কৰিছিল সেই কেইগৰাকীৰ ভিতৰত শ্ৰী ৰাজবংশী আছিল অন্যতম। আমাৰ কৰ্মী জীৱনৰ প্ৰস্তুতিৰ প্ৰক্ৰিয়াতে কলেজীয়া কালছোৱাত নিবিড়ভাৱে লগ পাইছিলোঁ ৰাজবংশীক। উল্লেখযোগ্য যে, স্বাধীনতা লাভৰ পিছত আচাৰ্য নৰেন্দ্ৰদেৱ, জয়প্ৰকাশ নাৰায়ণ, ইউচুফ মেহেৰ আলি, ড' ৰাম মনোহৰ লোহিয়া, অশোক মেহতা, অৰুণা আচ্ৰফ আলি, অচ্যুত পটবৰ্ধন আদিৰ নেতৃত্বত যি সমাজবাদী আন্দোলন গঢ়ি তোলা হৈছিল তেতিয়াৰ ছ'চিয়েলিষ্ট পাৰ্টীৰ জৰিয়তে অসমতো তাৰ সোঁত প্ৰবাহিত হৈছিল। আমি একেলগে কাম কৰা সমাজবাদী যুৱ নেতাসকলৰ ভিতৰত নিষ্ঠাবান যুৱ নেতা দুগৰাকী হ'ল গোলাঘাটৰ সোণেশ্বৰ বৰা আৰু জামুগুৰিৰ গোলোক ৰাজবংশী।"

তাহানিৰ কটন কলেজৰ কথা এক বিশেষ সোঁৱৰণিৰ মাজেৰে মই সেই সময়ৰ ছাত্ৰ নেতা, মোৰ স্বামী গোলোক ৰাজবংশীৰ কথাৰ পৰাই এই প্ৰবন্ধ প্ৰস্তুত কৰিছোঁ

যেতিয়া শেষত ৰাজবংশীয়ে নিজে কোৱা কথা অলপো ইয়াত সংযোগ কৰিলোঁ— "মই এক নম্বৰ ব্লকত আছিলোঁ— এফালে কলেজ, আনফালে ছাত্ৰ কংগ্ৰেছৰ কাম।— বীৰেণ, মই, বিজয়— আমি তিনিও আগশাৰীৰ কৰ্মী, গতিকে আমাৰ হোষ্টেলটো ছাত্ৰ কংগ্ৰেছৰ অফিচৰ দৰে হৈ পৰিছিল। সেই সময়ৰ 'গ্ৰুপ'ৰ বিৰুদ্ধেও আমি ঘোৰ প্ৰতিবাদ জনাইছিলোঁ। মোৰ Economics-ত অনাৰ্ছ আছিল, কিন্তু ছাত্ৰ কংগ্ৰেছৰ কামৰ বাবে অনাৰ্ছ দিয়া নহ'ল। কাৰণ আমি গোটেই অসম ঘূৰিব লগা হৈছিল। পিছলৈ অকল বি এ পৰীক্ষা দিয়েই কটন কলেজ এৰি আহোঁ।" ❑

কটন কলেজ ঃ এক জীৱন্ত কিংবদন্তি

প্ৰতিমা ঠাকুৰীয়া

উনৈছ শ এক চনৰ মে' মাহৰ ২৭ তাৰিখে স্থাপিত কটন কলেজ জন্মলগ্নৰ পৰাই এখন চৰকাৰী শিক্ষানুষ্ঠান। ব্ৰিটিছ আমোলত চৰকাৰী যিকোনো শিক্ষানুষ্ঠানে ভাৰতৰ স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰা কল্পনাৰ অতীত আছিল। তথাপি এই কলেজৰ কিছু স্বাধীনচিতীয়া ছাত্ৰ-ছাত্ৰীয়ে স্বাধীনতা আন্দোলনত সক্ৰিয় অংশ লৈ নিৰ্যাতন ভুগিছিল। যিজন ইংৰাজ শাসকৰ নামত অসমৰ প্ৰথম কলেজখনৰ নামকৰণ হৈছিল, সেইজন আছিল সেই সময়ৰ অসমৰ চীফ্ কমিছনাৰ ছাৰ হেন্‌ৰি জন কটন (Sir Henry John Cotton)। ছাৰ হেন্‌ৰি কটন এজন অসমহিতৈষী ইংৰাজ আছিল। সেই কাৰণে অসমৰ প্ৰথমখন কলেজ কটনৰ নামেৰে নামকৰণ কৰা উচিত হৈছিল। কলেজখন স্থাপনত ভূমিকা লোৱা মাণিক চন্দ্ৰ বৰুৱা প্ৰমুখ্যে অসমৰ আগশাৰীৰ নেতাসকলৰ অনুৰোধক্ৰমে ছাৰ হেন্‌ৰি কটনে ১৯০১ চনৰ ২৭ মে' মাহত কলেজখনৰ ভেটি স্থাপন কৰিছিল।

অসমৰ বৌদ্ধিক সমাজ কটন কলেজৰ ওচৰত চিৰকাল ঋণী হৈ থাকিব। এইখন পিছপৰা ৰাজ্যৰ শৈক্ষিক উত্তৰণ কটন কলেজ স্থাপনৰ প্ৰত্যক্ষ পৰিণতি, এক কথাত ক'বলৈ হ'লে ১৯০১ চনৰ ২৭ মে' তাৰিখে স্থাপিত হোৱা কটন কলেজেই প্ৰাক্-আধুনিক তথা আধুনিক শিক্ষা ব্যৱস্থাৰো একমাত্ৰ সীমাৰেখা। এই সীমাৰেখাৰ ইপাৰে-সিপাৰে অসমৰ দুখন সুকীয়া ছবি। এখন ছবিৰ স'তে আনখন ছবি বিজালেই এই সীমাৰেখাৰ গুৰুত্ব বুজিব পাৰি। কটন কলেজৰ মাজেৰেই অসমত উচ্চ শিক্ষাৰ আনুষ্ঠানিক সূচনা।

শিক্ষাৰ ক্ষেত্ৰত অসম তুলনামূলকভাৱে ভাৰতবৰ্ষৰ আন ৰাজ্যতকৈ পিছপৰা। ৰাজ্যখনৰ ভৌগোলিক অৱস্থান এনে পৰিস্থিতিৰ মূল কাৰণ। অসমত উচ্চ শিক্ষানুষ্ঠানৰ

অভাৱতো এই ৰাজ্যৰ মানুহ বৌদ্ধিকভাৱে বহুখিনি পিছ পৰি থকা স্বাভাৱিক। ১৯০১ চনৰ পূৰ্বে অসমত উচ্চ শিক্ষাৰ স্থিতি নাছিলেই। স্বাধীনতাৰ পিছত অসমত অনেক নতুন কলেজ স্থাপন হ'ল। কিন্তু স্বাধীনতা প্ৰাপ্তিৰ আগলৈকে কটন কলেজেই অসমত বৌদ্ধিক নেতৃত্ব এককভাৱে বহন কৰি স্বৰাজোত্তৰ অসমৰ বৌদ্ধিক পৰিৱেশ নিৰ্মাণ কৰিছে।

১৯০১ চনত কটন কলেজৰ আৰম্ভণি হয় 'লিবাৰেল আৰ্ট কলেজ' হিচাপে। সেই সময়ত বিজ্ঞানৰ বিভাগবোৰ আৰম্ভ হোৱা নাছিল। পূৰ্ণ পৰ্যায়ৰ বিজ্ঞান পাঠ্যক্ৰম আৰম্ভ হয় বহুত পিছত। স্বাভাৱিকতে সেই সময়ত বিজ্ঞান পঢ়ুৱাব পৰা মানুহৰ সংখ্যা কম আছিল আৰু শিক্ষকসকল প্ৰধানকৈ বাহিৰৰ পৰা আহিছিল। তেখেতসকলৰ বহুতেই কৃতী আৰু আদৰ্শ শিক্ষক হিচাপে প্ৰতিষ্ঠা লাভ কৰিছিল। স্বৰাজোত্তৰ কালত অসমত গঢ়ি উঠা বিশ্ববিদ্যালয়, কলেজ আদিৰ বিজ্ঞান শিক্ষাৰ গুৰি ধৰোঁতাসকলৰ এক বৃজনসংখ্যক কটন কলেজৰ প্ৰাক্তন ছাত্ৰ বা ছাত্ৰী। লগতে কটন কলেজৰ পৰা বিজ্ঞান শিক্ষা লাভ কৰা বহুতো ছাত্ৰ-ছাত্ৰীয়ে ইঞ্জিনিয়াৰিং, মেডিকেল আৰু অন্যান্য প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰত আন্তৰ্জাতিক, ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ত নিজৰ প্ৰতিভাৰ পৰিচয় দিছে। তেওঁলোকৰ সফলতাৰ ক্ষেত্ৰতো কটন কলেজে সামান্য হ'লেও অৱদান আগবঢ়াইছে।

আন আন বিভাগবোৰতো স্বনামধন্য অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰীৰ পয়োভৰ। অৰ্থনীতি বিভাগত ডঃ মথুৰা নাথ গোস্বামীৰ দৰে অধ্যাপকে দেশৰ বেংকিং ব্যৱস্থাই কেনেদৰে অৰ্থব্যৱস্থা নিয়ন্ত্ৰণ কৰিছে, সেই বিষয়ে কৰা গৱেষণাই ৰাষ্ট্ৰীয় পৰ্যায়তো প্ৰশংসা লাভ কৰিছে। ডঃ গোস্বামী পিছলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য নিযুক্ত হয়। সেই সময়ত কটন কলেজত অৰ্থনীতি বিভাগৰ পৰিচালনাত কটন কলেজ প্লেনিং ফ'ৰাম (Cotton College Planning Forum) নামৰ এটি অনুষ্ঠান আছিল। এই অনুষ্ঠানৰ মঞ্চতেই দেশৰ তথা আন্তৰ্জাতিক অৰ্থব্যৱস্থাৰ বিষয়ে আলোচনা-চক্ৰ অনুষ্ঠিত হৈছিল।

কটন কলেজৰ অধ্যাপক তথা ছাত্ৰসকলে অসমৰ শিক্ষা, প্ৰশাসন, কাৰিকৰী, সাহিত্যিক তথা আন আন প্ৰতিটো ক্ষেত্ৰতেই নিজৰ বৌদ্ধিক শ্ৰেষ্ঠতাৰ পৰিচয় দিব পাৰিছে।

সঁচা কথা ক'বলৈ গ'লে কটন কলেজ মাত্ৰ এখন শিক্ষানুষ্ঠানেই নহয়, এই অনুষ্ঠান এক পৰম্পৰা আৰু এক গৌৰৱোজ্জ্বল ঐতিহ্য। এই ঐতিহ্যৰ আলোকে আজিও সকলোকে অনুপ্ৰাণিত কৰে। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বৌদ্ধিক সমাজ এই কলেজৰ ওচৰত ঋণী। *আধুনিক অসমৰ ধাৰণা কটন কলেজৰ মজিয়াতেই ঠন ধৰি উঠিছিল। আমাৰ জাতীয় জীৱনৰ এনে এটি ক্ষেত্ৰ নাই য'ত এই কলেজৰ অৰিহণা নাই।*

সকলো শিক্ষানুষ্ঠানৰে মূল উদ্দেশ্য আৰু দায়িত্ব একেটাই, ভৱিষ্যতৰ বাবে প্ৰয়োজনীয় নাগৰিকৰ সৃষ্টি কৰা। উচ্চ শিক্ষাই অৱশ্যেই নেতৃত্ব দিব পৰা মানৱ সম্পদ সৃষ্টি কৰাত গুৰুত্ব দিব লাগে। আধুনিক কালত বিজ্ঞান সদৃশ পৰিচালনা পদ্ধতি প্ৰায় সকলো ক্ষেত্ৰতে প্ৰয়োগ কৰি সুফল পোৱা গৈছে। বিজ্ঞান শিক্ষাৰ অগ্ৰণী অনুষ্ঠান হোৱা সত্ত্বেও এনে পৰিচালনা পদ্ধতি কটন কলেজৰ পৰিচালনা আৰু শিক্ষা পৰিকল্পনাৰ বাবে প্ৰয়োগ কৰা হোৱা নাই। অসমত প্ৰকট হৈ উঠা বৌদ্ধিক, প্ৰশাসনিক আৰু সামাজিক স্থবিৰতা আৰু সংকটৰ বহুতো উদাহৰণৰ ভিতৰত ইও অন্যতম। বৰ্তমানে প্ৰচলিত অতীতমুখী পৰিচালনা পদ্ধতি চলি থাকিলে এই বিশ্ৰুত অনুষ্ঠানটিৰ ভৱিষ্যৎ অন্ধকাৰ। কেইজনমান প্ৰাক্তন কটনিয়ানৰ সাফল্যই কটন কলেজৰ ভৱিষ্যৎ উজ্জ্বল আৰু সুনিশ্চিত কৰি নোতোলে। যুগোপযোগী বিষয়ৰ শিক্ষাদান আৰু গৱেষণা, ব্যৱহাৰযোগ্য আৰু স্বনিৰ্ভৰশীল শিক্ষা-পাঠ্যক্ৰম, ভৱিষ্যদ্দৰ্শী আৰু অনুভৱী পৰিচালনা আৰু সৰ্বতোপৰি ছাত্ৰ-ছাত্ৰীৰ উদ্ভাৱনী প্ৰতিভাৰ বিকাশৰ ব্যৱস্থাৰ দ্বাৰাইহে কটন কলেজে নিজৰ গৌৰৱ বৃদ্ধি কৰিব পাৰিব। আধুনিক কালত পৰমুখাপেক্ষী উচ্চ শিক্ষানুষ্ঠানৰ কোনো ভৱিষ্যৎ নাই। অতীতৰ গৌৰৱকে সাৰথি কৰি কোনো গুণোত্তম অনুষ্ঠান বৈ থাকিব নোৱাৰে। অক্সফোৰ্ড, কেম্ব্ৰিজ, হাৰ্ভাৰ্ড আদি গুণোত্তম শিক্ষানুষ্ঠানৰ যিদৰে আছে অতীতৰ আকাশচুম্বী গৌৰৱ, সেইদৰে আছে বৌদ্ধিক প্ৰাণ-প্ৰাচুৰ্যৰে ভৰা বৰ্তমান আৰু ভৱিষ্যতৰ প্ৰত্যাহ্বান গ্ৰহণ কৰিব পৰা সম্ভাৱনাপূৰ্ণ কৰ্মপন্থা।

এসময়ত কোৱা হৈছিল— 'আজিৰ কটনিয়ানে যি ভাবে কাইলৈ অসমে তাকে ভাবিব।' কিন্তু বৰ্তমান অসমত এই কথাষাৰৰ কিবা মূল্য আছে জানো? কিন্তু চেষ্টাৰ অসাধ্য একো নাই। চেষ্টা কৰিলে কটন কলেজে এই গৌৰৱ পুনৰ ঘূৰাই আনিব পাৰিব। নতুন নতুন পাঠ্যক্ৰমৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলৰ আত্মবিশ্বাস বঢ়াই তুলিব নোৱাৰাৰ কোনো কাৰণ নাই। আজিৰ সমাজত পদে পদে ছাত্ৰ-ছাত্ৰীসকল প্ৰতিযোগিতাৰ সন্মুখীন হয়। জীৱন যুদ্ধত জয়ী হ'বৰ বাবে তেওঁলোকক প্ৰয়োজন আত্মবিশ্বাসৰ। দ্বিতীয়তে দেখা যায় ভাৰত চৰকাৰৰ প্ৰশাসনিক সেৱাৰ চাকৰিসমূহত অসমৰ ছাত্ৰ-ছাত্ৰীৰ নাম প্ৰায় নথকাৰ দৰেই। এই ক্ষেত্ৰত আমাৰ ছাত্ৰ-ছাত্ৰীসকলক মানসিকভাৱে প্ৰস্তুত কৰোৱাৰ দায়িত্ব কলেজ কৰ্তৃপক্ষৰে। নতুন নতুন পদ্ধতিৰে, নতুন পৰিকল্পনাৰে ছাত্ৰ-ছাত্ৰীসকলক প্ৰশাসনিক সেৱাৰ বাবেই শিক্ষাদান কৰিলে নিশ্চয় অসমৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কেন্দ্ৰীয় প্ৰশাসনিক সেৱাত বৃদ্ধি পাব বুলি আমাৰ বিশ্বাস।

আন এটা চিন্তনীয় বিষয় হ'ল, অসমৰ পৰা ছাত্ৰ-ছাত্ৰীসকল দলে দলে বাহিৰলৈ পঢ়িবলৈ ওলাই অহাটো। আজিকালি দেখা যায় কলেজীয়া স্তৰৰ ছাত্ৰ-ছাত্ৰীসকলো

অসমৰ বাহিৰলৈ ওলাই অহা হৈছে। আমি ভাবোঁ কটন কলেজৰ কেইটামান শাখা যদি ৰাজ্যখনৰ আনকেইখনমান চহৰত খুলিব পৰা যায়, বহুতো ছাত্র-ছাত্রীয়ে কটন কলেজত পঢ়িব পৰা হ'ব। কাৰণ এতিয়া কটন কলেজত ছীট পোৱা অতি টান। ফলত বহুতেই নিৰাশ হৈ অসমৰ বাহিৰলৈ আহিব লগাত পৰে। মাত্র ছীট বঢ়ালেই সেই সমস্যাৰ সমাধান হ'ব বুলি আশা কৰিব নোৱাৰি। কিন্তু কেইখনমান চহৰত কটন কলেজৰ শাখা খুলিব পাৰিলে হয়তো সেই সমস্যাৰ সমাধান হ'ব। অসম চৰকাৰে এই বিষয়ে চিন্তা কৰিব বুলি আশা কৰিলোঁ।

কিন্তু এই সকলোবোৰ নিৰ্ভৰ কৰিছে কটনিয়ানসকলৰ ওপৰত। সকলোবোৰ সফলতাৰ বাবেই লাগিব সমূহ কটনিয়ানৰ অপৰিসীম প্ৰচেষ্টা আৰু ত্যাগ স্বীকাৰ কৰিব পৰা শক্তি। অনুষ্ঠানটোৰ বুকুত যেন একো কালিমা পৰিব নোৱাৰে তাৰ বাবে নিজকে শুধৰাব লাগিব। তেওঁলোকে আত্মসমালোচনা কৰিব পাৰিব লাগিব। তেতিয়াহে অসমৰ হৃদস্পন্দন কটন কলেজে এক জীৱন্ত কিংবদন্তি হৈ অসম মাতৃৰ ভৱিষ্যৎ উজলাই তুলিব পাৰিব।❑

পদক্ষেপ

বন্দিতা ফুকন

'কটন কলেজ'— শব্দটোৱেই হ'ল আমাৰ কাৰণে এক আৱেগিক শব্দ। এই শব্দই আমাক সোঁৱৰাই দিয়ে অসমৰ শৈক্ষিক জীৱনৰ এক অনবদ্য ইতিহাস, অনেক প্ৰাক্তন কটনিয়ানৰ বিশিষ্ট কৰ্মৰাজি, যিবোৰে অসমৰ সাহিত্য, সংগীত, বিজ্ঞান আনকি ক্ৰীড়া জগতখনকো পোহৰাই তুলিছিল। কলেজৰ ভিতৰে-বাহিৰে দেখি থকা, চামে চামে আহি থকা নতুন তৰুণ তীক্ষ্ণ বুদ্ধিৰ ছাত্ৰ-ছাত্ৰীসকলৰ মনৰ মাজত লুকাই থকা অনেক আশা-আকাংক্ষাৰ কথা— এওঁলোকেই যে আমাৰ ভৱিষ্যৎ!

মই নিজে কিন্তু কটনিয়ান নহয়। প্ৰাক্তন ছাত্ৰীও নহয়। কিন্তু কটন কলেজৰ সমুখেদি পাৰ হৈ গ'লে নতুবা কোনো অনুষ্ঠান উপলক্ষে কলেজখনৰ চৌহদৰ ভিতৰত ভৰি দিলেই ভাব হয়— 'নিজে পঢ়িবলৈ নাপালোঁ কি হ'ল— এইখন আমাৰ কলেজ, এইখন কলেজ যে সমগ্ৰ অসমৰে হিয়াৰ আমঠু।'

নিজৰ কলেজ বুলি ভাবোঁ কাৰণেই যেতিয়া আন এটা আধুনিক ভৱনৰ নিৰ্মাণাৰ্থে তাহানিৰ অসমৰ চীফ্ কমিচনাৰ হেন্‌ৰি জন ষ্টেড্‌মেন কটনদেৱে ১৯০১ চনৰ ২৭ মে'ত মুকলি কৰা স্বৰ্গীয় গুণ্ডেন্দু মোহন গোস্বামীদেৱৰ তত্বাৱধানত গঢ় লোৱা কটন কলেজৰ ঐতিহ্যমণ্ডিত ভৱনটো ভাঙি পেলোৱা হ'ল, তেতিয়া হৃদয়খনে বেজাৰত হাহাকাৰ কৰি উঠিছিল। ইংলণ্ডৰ শেইক্সপীয়েৰৰ বাসভৱন, কেম্ব্ৰিজ বিশ্ববিদ্যালয় নতুবা আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিখ্যাত লেখক অ' হেনৰিয়ে এসময়ত বাস কৰা সেই সৰু ঘৰটিৰ দৰেই আমাৰ কটন কলেজৰ প্ৰাচীন ভৱনটো মৰমেৰে সংৰক্ষণ কৰিব পৰা নগ'লহেঁতেননে? এতিয়া যে বিচাৰি নাপাম কোনবোৰ কোঠাত কলেজখনৰ প্ৰথম অধ্যক্ষ-ফ্ৰেডৰিক উইলিয়ামছ ছুডমাৰ্চ্চন মহোদয়ে ইংৰাজী পঢ়াইছিল, শেইক্সপীয়েৰৰ নাটক পৰিচালনা কৰিছিল। বাণীকান্ত কাকতি (যাৰ অসমীয়া ভাষাতো যথেষ্ট দক্ষতা),

সূৰ্যকুমাৰ ভূঞাদেৱে (যাৰ অসমৰ ইতিহাসতো সমানেই দক্ষতা) ইংৰাজী বাবু চুনীলাল দে' মহোদয়ে পদাৰ্থ আৰু ৰসায়ন বিজ্ঞান, পণ্ডিতপ্ৰবৰ কৃষ্ণকান্ত সন্দিকৈ মহোদয়ে সংস্কৃত, মৌলবী আবু নাছেৰ মহম্মদ মহোদয়ে আৰবী, পাৰ্চী ভাষা পঢ়াইছিল।

এসময়ত কটন কলেজত ভৰ্তি হ'বৰ কাৰণে সমগ্ৰ অসমৰ চোকা ছাত্ৰ-ছাত্ৰীসকলে ভিৰ কৰিছিল। যিসকল ছাত্ৰ-ছাত্ৰীয়ে ইয়াত ভৰ্তি হ'বলৈ নাপাইছিল, তেওঁলোকে খুবেই হতাশাত ভুগিছিল। পৰিয়ালৰ কোনোবা দাদা, বাইদেউ অথবা কোনো আত্মীয় বা চিনাকি ছাত্ৰই কটন কলেজত ভৰ্তি হোৱাৰ পিছত আমি তেওঁলোকক সদায় সপ্ৰশংস দৃষ্টিৰে চাইছিলোঁ, সমীহ কৰিছিলোঁ। ভাবিছিলোঁ— তেওঁলোক কিমান সৌভাগ্যবান! জালুকবাৰীৰ অভিযান্ত্ৰিক কলেজত নিজে ভৰ্তি হোৱাৰ পিছত যেতিয়া ড্ৰয়িং ছীটকে ধৰি কিবা কিনা-কুটা অথবা চিনাকি আত্মীয়ৰ ঘৰলৈ ফুৰিবলৈ— কটন কলেজৰ সমুখেৰে ফুৰিবলৈ যাওঁ, তেতিয়াও কটন কলেজৰ ছাত্ৰ-ছাত্ৰীসকলক দেখিলে— 'তেওঁলোক কিমান সৌভাগ্যবান'— এই ভাবটো কিন্তু মনৰ পৰা আঁতৰা নাছিল। অসমৰ প্ৰখ্যাত লোকসকলৰ জীৱনী পঢ়িলে গম পাওঁ যে তেওঁলোকৰ বেছিভাগেই কটন কলেজত পঢ়িছিল! অসমৰ অনেক স্বনামধন্য বিজ্ঞানী-সাহিত্যিক, নাট্যকাৰ, কবি, ইতিহাসবিদ গঢ়ি উঠিছিল এই কটন কলেজতেই।

শুনিবলৈ পাইছোঁ বৰ্তমান ইমান নামী, ঐতিহ্যপূৰ্ণ কলেজখনৰ ত্ৰিছ শতাংশ 'ছীট' আসন খালী থাকে। বেছিভাগ চোকা ছাত্ৰ-ছাত্ৰীয়ে দিল্লী, বাংগালুৰ, মাদ্ৰাজ, মুম্বাইলৈ উচ্চ শিক্ষাৰ বাবে ঢাপলি মেলে। বাহিৰৰ কলেজত পঢ়িলে নানা ধৰণৰ পাঠ্যক্ৰম পঢ়াৰ বাবে সুযোগ পোৱা যায়। স্নাতক পৰ্যায়ত পঢ়ি থাকোঁতেই সৰ্বভাৰতীয় প্ৰশাসনিক পৰীক্ষাবোৰৰ বাবে উপযুক্ত 'কোছিং' লাভ কৰিব পাৰি। গুৱাহাটীত পঢ়িলে বহুত খবৰ পোৱা নাযায়। আজিকালি ইণ্টাৰনেটৰ যুগত সমগ্ৰ পৃথিৱীখনেই এখন গাঁৱৰ দৰে হৈছে। ঘৰত বহিয়েই সকলো ধৰণৰ খবৰ পাব পাৰি। গতিকে কটন কলেজতো বাহিৰৰ কলেজবোৰৰ দৰেই খবৰ-বাতৰি, নানা ধৰণৰ 'কোছিঙ'ৰ সা-সুবিধা পোৱাৰ পৰিৱেশ এটাৰ সৃষ্টি কৰিব নোৱাৰিনে? শুনিবলৈ পাওঁ কটন কলেজৰ কিছুমান বিভাগত নিয়মীয়াকৈ শিক্ষাদান কৰা নহয়। এনে অনিয়মিত শিক্ষাদানৰ পৰিৱেশত অনেক চোকা তৰুণ ছাত্ৰ-ছাত্ৰীৰ মন হতাশাত ভাগি পৰে। এই ক্ষেত্ৰত কিন্তু বিদেশৰ প্ৰায়বোৰ শিক্ষানুষ্ঠানত কিছুমান ব্যৱস্থা আছে। কলেজ বা বিশ্ববিদ্যালয়ত নামভৰ্তি হ'লেই নিশ্চিত হৈ আমাৰ দেশৰ দৰে থাকিব নোৱাৰি। তাত হৈ থকা ছেমিষ্টাৰ-ষান্মাসিক পৰীক্ষাবোৰৰ ফলাফল চাই পৰিশ্ৰমী, চোকা ছাত্ৰ-ছাত্ৰীসকলৰ নামবোৰহে নোটিচ ব'ৰ্ডত উঠি থাকে— বাকীবোৰৰ নাম কটা যায়। আনহাতে কলেজত অথবা বিশ্ববিদ্যালয়ত অধ্যাপনা কৰা প্ৰবক্তা বা অধ্যাপকসকলেও নিশ্চিন্তমনেৰে থাকিব নোৱাৰে। কাৰণ মাজে মাজে ছাত্ৰ-ছাত্ৰীসকলে একোখন ফৰ্ম পূৰাব লাগে। সেইখন ফৰ্মত তেওঁলোকক পঢ়োৱা প্ৰবক্তা বা

অধ্যাপকজনে ভালকৈ নিয়মীয়াকৈ পাঠদান কৰিছে নে নাই, বিষয়টোত তেওঁৰ দখল আছে নে নাই, ছাত্ৰ-ছাত্ৰীৰ সৈতে তেওঁৰ সম্পৰ্কটো কেনে ধৰণৰ— আদি নানা প্ৰশ্নৰ উত্তৰ দি ছাত্ৰ-ছাত্ৰীসকলে সেই ফৰ্মখন ভৰ্তি কৰিব লাগে। যদিহে দেখা যায় যে কোনোবা প্ৰবক্তা বা অধ্যাপকৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকল বীতশ্ৰদ্ধ হৈ পৰিছে, তেনে সেইটো শিক্ষানুষ্ঠানত তেওঁৰ চাকৰি টিকি নাথাকে। এনেবোৰ 'স্ক্ৰুটিনি'য়ে (scrutiny) ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক উভয়কে নিজৰ দায়িত্বৰ প্ৰতি সচেতন কৰি তোলে। তদুপৰি নিজৰ 'শুধৰণিকো' সম্ভৱপৰ কৰি তুলিব পাৰে।

আমাৰ সমাজত এনে বহুত ব্যক্তি আছে যে যিসকলে ছাত্ৰ-জীৱনৰ নানান ব্যস্ততাৰ কাৰণে পাঠ্যক্ৰমৰ বহুত অংশ ভালকৈ হৃদয়ংগম নকৰাকৈয়ে মুখস্থ কৰিয়েই পৰীক্ষাত বহিব লগাত পৰে। পিছৰ জীৱনত পূৰ্ণবয়স্ক হোৱা এই মানুহখিনিয়ে কিছুমান নিজা পচন্দৰ বিষয় অধ্যয়ন কৰিব খোজে। আলোচনা কৰিব খোজে। এনে অধ্যয়নৰ উদ্দেশ্য পৰীক্ষা পাছ কৰা নহয়। তাৰ উদ্দেশ্য হ'ল জ্ঞান পিপাসু মনৰ তৃষ্ণা পূৰোৱাটোহে। নিজৰ মনে জানিব খোজা অথচ চাকৰি তথা সাংসাৰিক জীৱনত বিস্তৃতভাৱে পঢ়িবলৈ নোপোৱা বিষয়বোৰ এতিয়া তেওঁলোকে জানিব আৰু বুজিব খোজে। উদাহৰণস্বৰূপে এজন অভিযন্তাই হয়তো কীট্‌ছৰ কবিতাসমূহৰ পঠন আৰু আলোচনা শুনিব খোজে। এজন চিকিৎসকে শ্বেইক্সপীয়েৰৰ নাটসমূহৰ পঠন শুনাত হয়তো খুবেই আগ্ৰহী, সেইদৰে এজন ব্যৱসায়ীয়ে নিশ্চয় নেন' প্ৰযুক্তিৰ বিষয়ে জানিবলৈ বিচাৰে। এগৰাকী গৃহিণীয়ে হয়তো মহাকাশ বিজ্ঞানৰ ইতিহাস আৰু বৰ্তমানলৈকে কৰা উন্নতিৰ বিষয়ে জানিব খোজে।

এনেবোৰ ক্ষেত্ৰত কটন কলেজে এক অগ্ৰণী ভূমিকা ল'ব পাৰে। এমাহ নতুবা পোন্ধৰ দিনৰ মূৰে মূৰে একো একোজন দেশী বা বিদেশী পণ্ডিত-অধ্যাপক অথবা বিষয়টোৰ ওপৰত দখল থকা কোনো চাকৰিয়াল ব্যক্তিকো আমন্ত্ৰণ জনাই একোটা 'বক্তৃতা অনুষ্ঠান' পাতিব পাৰে। ছাত্ৰ-ছাত্ৰীসকলৰ কাৰণে এনে অনুষ্ঠান বিনামূলীয়া হ'লেও বাহিৰা শ্ৰোতা-দৰ্শকৰ বাবে ন্যূনতম ত্ৰিছ বা চল্লিছ টকাৰ টিকটৰ ব্যৱস্থা থাকিলে, তেনে বিষয়ৰ প্ৰতি আগ্ৰহী বিভিন্ন বয়সৰ ব্যক্তিসকলে কলেজৰ প্ৰেক্ষাগৃহলৈ বা বক্তৃতা কোঠালৈ নিশ্চয় আহিব। এনে ধৰণৰ সকলো শ্ৰোতা-দৰ্শকলৈ মুকলি থকা বক্তৃতা অনুষ্ঠানবোৰৰ তাৰিখ, সময়, বিষয়, বক্তা আদিৰ বিষয়ে একোখন জাননী কোনোবা জনপ্ৰিয় বাতৰিকাকত বা কলেজৰ চৌহদত 'হোৰ্ডিং' ব্যৱহাৰ কৰি দিব লাগে। সেইদৰে দেশী-বিদেশী বক্তাসকলেও তেওঁৰ বক্তৃতাটো সকলো ধৰণৰ শ্ৰোতাই সহজে বুজিব পৰাকৈ শ্লাইড, ফটো ব্যৱহাৰ কৰাটো ভাল হয়।

বিদেশত তাহানি দিনৰ পৰাই বিশ্ববিদ্যালয়ৰ অধ্যাপক বা আন কোনো অনুষ্ঠানৰ বিজ্ঞান, ইতিহাস, সাহিত্য, কৃষি, চিনেমা, চিত্ৰ আদিৰ গৱেষকসকলে সমাজৰ সকলো

স্তৰৰ শ্ৰোতা-দৰ্শকক সামৰি তেওঁলোকৰ বক্তৃতাবোৰ দি আহিছে। এনেদৰে প্ৰসিদ্ধ বিজ্ঞানী ছাৰ হামফ্ৰে ডেভিৰ বক্তৃতা শুনিয়েই স্কুল-কলেজৰ আনুষ্ঠানিক শিক্ষা নোপোৱা মাইকেল ফেৰাডেৰ দৰে সাধাৰণ তৰুণ এজনে বিজ্ঞানী হোৱাৰ সপোন দেখিছিল। কেৱল সপোন দেখিয়েই ক্ষান্ত নোহোৱা ফেৰাডে পিছৰ জীৱনত হৈ পৰিল এক মহান বিজ্ঞানী। বিজ্ঞানী ছাৰ ডেভিয়েও কৈ গৈছে— 'মোৰ সকলো আৱিষ্কাৰৰ ভিতৰত ফেৰাডেই হৈছে আটাইতকৈ গুৰুত্বপূৰ্ণ আৱিষ্কাৰ।'

এই 'বক্তৃতা অনুষ্ঠান'বোৰত যেতিয়া কলেজখনত পঢ়ি থকা কোমল বয়সৰ ছাত্ৰ-ছাত্ৰীসকলে দেখিব যে তেওঁৰে কাষত বহি এজন বয়স্ক ব্যক্তিয়ে একাণপতীয়াকৈ বক্তৃতা শুনি জ্ঞান অৰ্জন কৰিছে, তেওঁলোকেও অনুভৱ কৰিব যে জ্ঞান বা শিক্ষা লাভৰ উদ্দেশ্য কেৱল ডিগ্ৰী লাভ কৰাই নহয়। জ্ঞানৰ তৃষ্ণা পূৰোৱাটোও এক প্ৰধান উদ্দেশ্য। আনহাতে একোটা গুৰু-গম্ভীৰ বিষয়ৰ ওপৰত পণ্ডিত, গৱেষকসকলে সহজ ভাষাত আৰ্কষণীয়ভাৱে বক্তৃতা দিয়া শুনিলে কলেজখনৰ প্ৰবক্তা, অধ্যাপক সকলো নিশ্চয় উপকৃত হ'ব।

এনে একোটা বক্তৃতা অনুষ্ঠানৰ অন্তত যেতিয়া মনৰ সন্তুষ্টিৰে একেলগে বাহিৰলৈ ওলাই অহা সোতৰ-ওঠৰ বছৰ বয়সীয়া, সত্তৰোৰ্ধৰ বয়স্ক শ্ৰোতা-দৰ্শকসকলক দেখা পোৱা যাব, তেতিয়া লগে লগে ৰাজ্যখনৰ শৈক্ষিক পৰিৱেশটোৰ এখন নতুন ছবি অংকিত কৰিব পৰা নাযাবনে? আমি আশা কৰিছোঁ যে ৰাজ্যখনৰ এনে এক সুন্দৰ শৈক্ষিক পৰিৱেশ সৃষ্টি কৰাৰ ক্ষেত্ৰত অসমৰ ঐতিহাসিক কটন কলেজেই লওক প্ৰথম পদক্ষেপ। তাৰ বাবে আমাৰ অন্তৰত থাকিল এক আন্তৰিক শুভেচ্ছা!!❑

কটন মোৰ মানসত

ৰবেন্দ্ৰ কুমাৰ দাস

দুলীয়াজানৰ অইল ইণ্ডিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত মই পঢ়ি থকা দিনৰ কথা। মোৰ দাদাৰ লগৰ ল'ৰা দুজনমানে তেতিয়া কটন কলেজত পঢ়ি আছিল। গৰমৰ বন্ধত দুলীয়াজানৰ ঘৰলৈ আহিলে তেওঁলোকে একোখন মৰমলগা 'কটনিয়ান' লৈ আহে। মই সেইখন পঢ়িবলৈ পাওঁ।

আৰু, দূৰণিৰ এখন নেদেখা কটন কলেজ আৰু 'কটনিয়ান' মোৰ হৃদয়ত স্থাপন কৰি লওঁ। সেই তেতিয়া। বহুদিনৰ আগতে।

১৯৭০-৭১ চনৰ 'কটনিয়ান'ত প্ৰকাশিত হৈছিল এটা লেখা 'টেবুলা ৰাশা'। লেখিকা— শিল্পী দত্ত। কটনিয়ান।

মোৰ এখন ৰুল পৰা ডাঙৰ পকাবন্ধা বহী আছিল। এই হৃদয়স্পৰ্শী, মৰ্মস্পৰ্শী লেখাটো মই বহীখনৰ এঘাৰ পৃষ্ঠা জুৰি লিখি পেলাইছিলোঁ। আৰু মোৰ মনৰ এক বিস্তীৰ্ণ অঞ্চল আবৰি 'টেবুলা ৰাশা' বিয়পি আছিল সেইদিন ধৰি।

'টেবুলা ৰাশা'— উকা কাগজ!

পাঁচ বছৰৰ আগতে শিল্পী, মিতালী, কল্পনা, বীতা, নন্দিতাইঁত কটন কলেজৰ পৰা ওলাই গৈছিল। ফাইনেল ইয়েৰৰ টেষ্ট পৰীক্ষাৰ শেষৰ দিনা বহুত সময় কথা পাতি পাতি তেওঁলোক কৃষ্ণচূড়াজোপাৰ কাষলৈ দৌৰি গৈছিল। নন্দিতাৰ হাতত থকা ব্লেডখনেৰে বহুত কষ্ট কৰি গছজোপাৰ গাত তেওঁলোকৰ নামবোৰ লিখি ৰাখিছিল— 'আৰু তেতিয়াই ঠিক কৰিছিলোঁ বহুত দিনৰ পিছত যিয়েই ইয়ালৈ প্ৰথমে আহিম, সিয়েই আমাৰ নামবোৰ চাই বাকীবোৰক খবৰ দিম।'

আৰু সেই নামবোৰ চাবলৈকে পাঁচ বছৰৰ পিছত শিল্পী দত্ত এদিন এই কলেজলৈ আহিছিল। মোৰ ৰুল পৰা বহীখনত 'টেবুলা ৰাশা' লিখি গৈ থাকোঁতে এনেহে লাগিছিল

যেন মইহে আহিছোঁ কৃষ্ণচূড়াৰ গাত ব্লেডে কটা নামবোৰ বিচাৰি। নাৰাখিলে। নাৰাখিলে কৃষ্ণচূড়াই নিজৰ গাত পাঁচ বছৰৰ আগতে লিখা কিছুমান নাম। নন্দিতা, ৰীতা বহুতো।

কিন্তু, মোৰ মনৰ এখন উকা কাগজত— এখন টেবুলা ৰাশাত নন্দিতা, শিল্পীহঁতৰ তিনিটা সোণালী কটনিয়ান বছৰৰ কথাবোৰ উপচাই লিখি থ'লোঁ মই। এক অনামী সম্মোহনত।

মই কটনিয়ান নাছিলোঁ। কিন্তু, কটন কলেজ মোৰ হৃদয়ৰ 'টেবুলা ৰাশা'ত এক বৰ্ণময় অনুভূতি হৈ চিৰকাল উপচি থাকিল। চিৰকালৰ এক অনিৰ্বচনীয় অনুৰাগ হৈ কটন কলেজ মোৰ স্বপ্ন আৰু বাস্তৱৰ দিগন্তত বিশাল এক ৰামধেনু হৈ উজলি থাকিল।

'তোৰ বুকুৰ তামবৰণৰ দৃশ্যমান দেৱালত কোনে কাটিছিল
বেলিমুখী অজস্ৰ খিৰিকীৰ নক্সা
বোধিবৃক্ষৰ ছাঁ বিচাৰি উৰি যায় হাইতাল বৰণৰ স্বপ্নাতুৰ এজাক চৰাই
ময়ো আছিলোঁ তেনেকুৱা ফিনিক্স এটা
উপজিছিলোঁ নিজৰে ছাইৰ পৰাই
উৰুৱাই আছিলোঁ তোৰ বুকুত প্ৰেম আৰু যুদ্ধৰ পতাকা।'
('কটন কলেজ'— প্ৰণৱ কুমাৰ বৰ্মন)।

তাৰো বহুদিনৰ আগৰ কথা। আমাৰ শেষ কিশোৰ-প্ৰথম যৌৱনৰ দিনবোৰৰ কথা। ঔপন্যাসিক নবীন বৰুৱাৰ 'কটন কলেজ' উপন্যাসখন প্ৰকাশ হোৱাৰ সময়ৰ কথা। এজন ডেকা কটনিয়ান নবীন বৰুৱা আৰু তেওঁৰ উপন্যাস 'কটন কলেজ'। সুদূৰৰ গাঁৱৰ পৰা উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ হৈ তিনিবছৰীয়া কটন জীৱন আঁকোৱালি ল'বলৈ নিৰঞ্জন আহিছে কটন কলেজলৈ। হাজাৰ হাজাৰজন কটনিয়ানৰ দৰে স্বপ্ন কিছুমান দুচকুত লৈ, আশা কিছুমান বুকুত লৈ জীৱন বিচাৰি নিৰঞ্জন বৰুৱা আহিছে কটন কলেজলৈ। পূজাই-পাৰ্বণে, ইজনে-সিজনে দিয়া সিকিটো-আধলিটো গোটাই গোটাই থৈছিল এঘাৰ বছৰীয়া মিনিয়ে। ঘৰৰ পৰা আহিবৰ সময়ত সেইজনী মিনিয়ে নিৰঞ্জনৰ হাতত তাইৰ সেই সাঁচতীয়া পইচাকেইটা তুলি দিছিল।

আৰু নিৰঞ্জনে কান্দিছিল— এজনী এঘাৰ বছৰীয়া ছোৱালীৰ মৰমে নিৰঞ্জনক কান্দিবলৈ শিকাইছিল। নহয়, নিৰঞ্জনক মৰমৰ কথা কৈছিল— পৃথিৱীৰ মৰমৰ কথা কৈছিল।

পাণবজাৰৰ ফালে গ'লেই সেই 'কটন কলেজে' আমাৰো দুচকু সিক্ত কৰি তোলে। নিৰঞ্জন- কৰবীহঁতৰ সেই কটন কলেজখন দেখিলেই এজনী এঘাৰ বছৰীয়া ছোৱালীয়ে আমাক কন্দুৱাব খোজে। আমাক পৃথিৱীৰ মৰমৰ কথা শিকায়— মানুহৰ মৰমৰ কথা শিকায়— কটন কলেজৰ মৰমৰ কথা শিকায়।

'তই যেন চিৰ সেউজ মোৰ গাঁৱৰ খেতি পথাৰ

তই যেন প্ৰাচীন বোধিবৃক্ষৰ মমতাময় ছাঁ
মই বুদ্ধ, লৈ আহিছোঁ মৃত্যু আৰু জড়াৰ বিৰুদ্ধে যৌৱনৰ প্ৰস্তাৱ।'
(কটন কলেজ— প্ৰণৱ কুমাৰ বৰ্মন)

মই কটনিয়ান নাছিলোঁ। কিন্তু, শিল্পী দত্ত, নবীন বৰুৱা, প্ৰণৱ কুমাৰ বৰ্মন কটনিয়ান আছিল। হাজাৰ হাজাৰজন কটনিয়ানৰ দৰে তেওঁলোকৰো দুচকুত আছিল বহু তৰাৰ তিৰবিৰণি, বহু সপোনৰ ৰামধেনু।

বহুজনৰ বহু মৰম, বহু আশা-প্ৰত্যাশা আৰু হাঁহি-কান্দোন, সুখ-দুখৰ সম্ভাৰ লৈ আজিও কটন কলেজ কটন কলেজ হৈ আছে বহু বহুজনৰ হৃদয় কোঠাত।

কলকাতাৰ অসম ভৱনত মই চাকৰি কৰি থকা দিনত এদিন চিনাকি হৈছিল মোৰ অংকুৰণ দত্তৰ সতে। তেওঁ শান্তি নিকেতনত এম এ শ্ৰেণীত নামভৰ্তি কৰিবলৈ বুলি আহি অসম ভৱনত উঠিছিলহি। অংকুৰণ সেই বছৰ 'কটনিয়ান'ৰ সম্পাদক আছিল। তেওঁ গোটাই গোটাই মোলৈ লৈ আহিছিল 'কটন কলেজ শতবৰ্ষ স্মৃতিগ্ৰন্থ' আৰু তেওঁ সম্পাদনা কৰা 'কটনিয়ান'ৰ এটা কপি।

বহু বছৰৰ, বহু বছৰৰ মূৰত মই 'কটনিয়ান' এখন আকৌ দেখা পালোঁ। হাতত তুলি ললোঁ। আকৌ এবাৰ নিজকে কটনিয়ান যেন লাগিল।

মই কটনিয়ান নাছিলোঁ।

'টেবুল ৰাশা' প্ৰকাশ পোৱা 'কটনিয়ান' আৰু অসম ভৱনত মোক অংকুৰণে গোটাই-মেলি আনি দিয়া 'কটনিয়ান'ৰ মাজত ত্ৰিছটামান বছৰ পাৰ হৈ গৈছে। হয়তো কটনৰ চাল-বেৰ কোবাই ত্ৰিছটা বসন্ত, ত্ৰিছটা ধুমুহা পাৰ হৈ গৈছে তেতিয়া।

কটন কলেজ শতবৰ্ষ স্মৃতিগ্ৰন্থ'খনৰ পাত মেলি যেন মই শিল্পী দত্তক লগ পালোঁ।

'এশখিলা 'টেবুলা ৰাশা' মেলি লৈ
আপুনি বৈ আছিল কৃষ্ণচূড়াজোপাৰ তলত
তিনি পাহি কৃষ্ণচূড়া সৰি পৰিছিল
তিনিখিলা পাতত জুই জ্বলাই—
চিৰিটোৰে বগাই আহিছিল ১৯৭০-৭১ চনত আপুনি এৰি দিয়া
বত্ৰিছটা জোনাকী পৰুৱা— সিহঁতৰ পাখিয়ে পাখিয়ে সপোন
সপোনে সাপোনে কান্দোন।'
('কটন-শতবাৰ্ষিকীত শিল্পী দত্তক লগ পালোঁ'— ৰবেন্দ্ৰ কুমাৰ দাস)

মই কটনিয়ান নাছিলোঁ। কিন্তু, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা প্ৰেক্ষাগৃহত শতবাৰ্ষিকী আৰম্ভণিৰ প্ৰথম দিনা পুৱাৰ অনুষ্ঠানলৈ মই গৈছিলোঁ। মোৰ কাষত বহিছিল মোৰ স্কুলীয়া দিনৰ বান্ধৱী কটন কলেজৰ উদ্ভিদবিজ্ঞান বিভাগৰ জ্যেষ্ঠ অধ্যাপিকা ড° মঞ্জুৰাণী

দেৱী। আজিৰ এই অনুষ্ঠানটিত, যিটো এশ বছৰৰ মূৰত এদিন আহে, এনেকুৱা সীমিতসংখ্যক অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকিব, সেই কথা মই কল্পনাও কৰিব পৰা নাছিলোঁ। মোৰ ভাবৰাশিলৈ চাই মঞ্জু লজ্জিত হোৱা যেন লাগিছিল, মঞ্জু অস্বস্তিত পৰা যেন লাগিছিল। ক'লৈ গ'ল এইখন দুহাজাৰ আঢ়ৈ হাজাৰ ছাত্ৰ-ছাত্ৰীৰ কটন কলেজৰ তিনি-চতুৰ্থাংশতকৈও অধিক ছাত্ৰ-ছাত্ৰী? আজিৰ এই অনুষ্ঠানটোতকৈও জৰুৰী কি কাম আছিল তেওঁলোকৰ?

এই প্ৰশ্ন মই কাকো নকৰোঁ। মই কটনিয়ান নাছিলোঁ সেইবাবে? নহয়।

মোৰ এপাহ মনোময় সপোন ভাগি পৰিব, সেই আশংকাত? হয়।

সেই অকল্পনীয় ঘটনাটোৰ পিছৰ কেইটামান মাহৰ কথা। মই ধেমাজিত চাকৰি কৰি থকা কালৰ এটা দিন। ২০০০ চনৰ ডিচেম্বৰ মাহ। ঘিলামৰাৰ ই-এণ্ড-ডি পৰিদৰ্শন বঙলাত শ্ৰীমন্ত শংকৰদেৱ থিয়েটাৰ দলৰ অভিনেতা চম্পক শৰ্মাক মই প্ৰস্তাৱ দিছিলোঁ— নবীন বৰুৱাৰ 'কটন কলেজ' উপন্যাসখনৰ তেওঁ ভ্ৰাম্যমাণ থিয়েটাৰৰ মঞ্চৰ বাবে নাট্যৰূপ দিব লাগে। চম্পক শৰ্মা ইতিমধ্যে বহুকেইখন ভ্ৰাম্যমাণ থিয়েটাৰৰ দৃশ্য অভিনেতাৰ উপৰি নাট্যকাৰ ৰূপেও জিলিকি উঠিছিল।

একেই প্ৰস্তাৱ কিছুদিন পিছত মই আৱাহন থিয়েটাৰৰ প্ৰযোজক কৃষ্ণ ৰায়কো দিছিলোঁ। চম্পক শৰ্মাক মই কিতাপখন দিব পৰা নাছিলোঁ— কৃষ্ণ ৰায়ক হাতত মই কিতাপখন তুলি দিছিলোঁ।

সেই প্ৰস্তাৱটো আন এদিন মই চিঠি আকাৰে লিখি পাঠশালাৰ 'কহিনুৰ থিয়েটাৰ'ৰ প্ৰযোজক ৰতন লহকৰকো দিছিলোঁ।

এই তিনিটা ঘটনাৰ পটভূমিত আছিল মোৰ তিনিটা অকটনিয়ান অনুভৱ। প্ৰথম, অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰত সম্পূৰ্ণ এক ভিন্ন স্বাদৰ অৱতাৰণা কৰিব পৰা নবীন বৰুৱাৰ এই উপন্যাসখনৰ মঞ্চৰূপে নাট্যামোদী ৰাইজক বিপুলভাৱে জোকাৰি যাব— কিতাপৰ পৰা মঞ্চলৈ শতবৰ্ষী কটন কলেজৰ সন্মানজনক উত্তৰণ ঘটিব। দ্বিতীয়— আগন্তুক শতবৰ্ষটোতেই যদি অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰে 'কটন কলেজ'ক নাট্যৰূপ দিয়ে, সেয়া হ'ব কটন কলেজৰ প্ৰতি লক্ষ লক্ষজন ভ্ৰাম্যমাণ-দৰ্শকৰ সশ্ৰদ্ধ প্ৰণাম, আৰু সৰ্বকালৰ বাবে ভ্ৰাম্যমাণে সেই লক্ষ লক্ষজন দৰ্শকৰ আশিস আৰু চেনেহ পাই থাকিব। তৃতীয়— কটন কলেজ নামটোৰ মোহতেই বহু বছৰোৰ কটনিয়ান আৰু অকটনিয়ানে ভ্ৰাম্যমাণৰ সুদৃশ্যমান প্ৰেক্ষাগৃহৰ বাহিৰত টিকেট বিচাৰি ভিৰ কৰিবহি 'কটন কলেজ' চাবলৈ।

মোৰ বুকুত আজিও মই সেই তিনিটা অনুভৱ সংগোপনে কঢ়িয়াই লৈ ফুৰিছোঁ। সাহিত্যৰ পৰা ভ্ৰাম্যমাণৰ মঞ্চলৈ আজিও 'কটন কলেজ' ৰূপান্তৰ নহ'ল। তথাপিও। হয়তো মই কটনিয়ান নাছিলোঁ— সেই বাবে।

'কটন শতবাৰ্ষিকীত শিল্পী দস্তক লগ পালোঁ'— আৰু তেওঁক ক'লোঁ—

‘শিল্পী দত্ত, আপোনাৰ সেই ব্লেডখন— কৃষ্ণচূড়াজোপাত কল্পনা, ৰীতা
ৰেখা, নন্দিতাহঁতৰ নামবোৰ কাটি কাটি লিখা ব্লেডখন,
ধাৰ একেই আছে নে মোৰ বুকুখন দুছোৱাকৈ কাটিবলৈ—
তাৰ পৰা নিগৰি পৰক কৃষ্ণচূড়াৰ চকুলো।...’

তাৰ পিছত, বহুত দিনৰ পিছত এদিন মই সীতানাথ ব্ৰহ্মচৌধুৰী ছাত্ৰাবাসৰ স্বৰাজ ফুকন নামৰ তৃতীয় বাৰ্ষিকৰ ছাত্ৰজনক লগ পাবলৈ গৈছিলোঁ— ছেকেণ্ড ব্লকৰ ৯ নম্বৰ কমলৈ। ২০০৬-২০০৭ বৰ্ষৰ ‘কটনিয়ান’ৰ তেওঁ সম্পাদক। আগতে পাতি থোৱা কথা অনুসৰি আজি গধূলি সেই ‘কটনিয়ান’ৰ কপি এটা তেওঁ মোক দিব। ২০০৮ চনৰ ২১ মাৰ্চ। শুকুৰবাৰ। হাতত মোৰ ‘কটনিয়ান’— কাষত এজন কটনিয়ান। আৰু মই এজন অকটনিয়ান। স্থান— সীতানাথ ব্ৰহ্মচৌধুৰী ছাত্ৰাবাস। পাণবজাৰ।

গধূলিৰ এন্ধাৰ-পোহৰৰ সীতানাথ ব্ৰহ্মচৌধুৰী হোষ্টেলৰ সেই মনোময় মুহূৰ্তত হঠাৎ মোৰ মনত পৰিছিল মোৰ সেই কল পৰা বহীখনলৈ আৰু নন্দিতা, ৰেখাহঁতৰ নামবোৰ কৃষ্ণচূড়াৰ গাত কাটি কাটি লিখা এখন ব্লেডলৈ। আৰু আৰু শিল্পী দত্তলৈ।

চল্লিছটা বছৰ চোওঁ-চোওঁ কৰিছে সময়ে। আৰু কটন কলেজে। ইমান দিনৰ পিছতো মোৰ সেই কল পৰা বহীখন এই মুহূৰ্তত সীতানাথ ব্ৰহ্মচৌধুৰী হোষ্টেলৰ ৯ নম্বৰ কমত মোৰ মানসত জিলিকি উঠা বাবে মই পৰম তন্ময়তাৰে আপ্লুত হৈ উঠিলোঁ। সোণালী বৰণ ধৰি গৈছে সেই পকাবন্ধা বহীখনৰ পাতবোৰ, ফাটো ফাটো হৈছে। কিন্তু, সেইখন এক মনোৰম পাণ্ডুলিপি হৈ মোক অনন্ত প্ৰয়াসৰ দিশে অনুধাবিত হ’বলৈ জান দিছে। আজিও, আজিও এজন অকটনিয়ান হৈও মোৰ পুত্ৰ বয়সৰ স্বৰাজৰ হাতৰ পৰা ‘কটনিয়ান’খন সংগ্ৰহ কৰিবলৈ চিটিবাছত উঠি সীতানাথ ব্ৰহ্মচৌধুৰী হোষ্টেললৈ ঢাপলি মেলিবলৈ মোক উৎসাহ যোগাইছে এই কটন কলেজে। এইখন কটন কলেজে।

কিমান দিনৰ কথা— মাথোঁ এবছৰৰ। ৮১সংখ্যক প্ৰকাশ, ২০০৬-২০০৭। ‘কটনিয়ান’।

চিটিবাছত উঠি বামুণীমৈদামৰ মোৰ বাসস্থানলৈ আহি থাকোঁতে মোৰ বুকুৰ আকাশ খিয়াই উৰি গৈছিল এটা ফিনিক্স চৰাই সেই গধূলি—

‘লাইব্ৰেৰীৰ এন্ধাৰত কঁপি উঠা সহস্ৰ ঘণ্টা ধ্বনিৰ ঝংকাৰ
জীৱনেৰে গুজিম মই তোৰ এই সংবেদী ধাৰ
আৰু আছে ক’বলৈ—
কটন কলেজ, কটন কলেজ
তোৰ স’তে থাকিব পাৰে মোৰ কি আখেজ...।’ (কটন কলেজ— প্ৰণৱ কুমাৰ বৰ্মন)

স্বৰাজ ফুকনৰ ‘কটনিয়ান’ পঢ়া মোৰ শেষ হ’ল। ২১ মাৰ্চৰ সন্ধিয়া হোষ্টেলৰ গে’টৰ মুখলৈ আগবঢ়াই দিছিল মোক এজন কটনিয়ানে। মোক তেওঁ কৈছিল—

'মেগাজিনখন পঢ়ি কেনে পালে ক'ব।'

তাৰ কিছুদিন পিছতেই সেইজন কটনিয়ান 'প্ৰাক্তন কটনিয়ান' হ'লগৈ। নাজানো মই আকৌ কেতিয়া সেই সীতানাথ ব্ৰহ্মচৌধুৰী হোষ্টেললৈ যাম। হয়তো আৰু কোনোদিনে নাযাম। মই এজন অকটনিয়ান।

কিন্তু, মোৰ বুকুত যিখন কটন কলেজ মই স্থাপন কৰি ল'লোঁ— তাৰ বাৰাণ্ডাই বাৰাণ্ডাই বহুতো নিৰঞ্জন-কবৰী-শিল্পী-প্ৰণব-স্বৰাজ খোজ কাঢ়ি কাঢ়ি গৈ আছে। গৈ আছে, গৈ আছে। অদূৰত এজনী এঘাৰ বছৰীয়া ছোৱালী— এইমাত্ৰ তাই তাইৰ হাতৰ মুঠি খালী কৰি দিছে— বিনিময়ত বুকুত পুহি ৰাখিছে তাই সহস্ৰ লহৰে শংখধ্বনি বজোৱা এক গভীৰ সমুদ্ৰ— যাৰ কোনো পাৰাপাৰ নাই, পাৰাপাৰ নাই। তাই নাজানে কটন কলেজ ক'ত। কিন্তু, অনিৰ্দিষ্ট এক স্থানৰ পৰা 'প্ৰেম আৰু যুদ্ধৰ পতাকা' উৰুৱাই কটন কলেজে তাইক জ্ঞান দিছে হাতৰ সাঁচতীয়া পইচাৰ মুঠিটো কোন মুহূৰ্তত খালী কৰি দিব লাগে।

সৌজাক, নিৰঞ্জন-কবৰীহঁতৰ জাকটো পাণবজাৰলৈ গৈ আছে। বুকুত বহুত সপোন। মাথোঁ সপোন। মাথোঁ সপোন।

কোনো এক কটনিয়ান কবিয়ে লিখি গৈছিল সেই সপোনৰ এক তমোময় কবিতা, আহিব লগা দিনৰ সহস্ৰজন কটনিয়ানৰ বাবে—

'এদিন তোৰ এই বুকুৰেদি হটঙা খোজেৰে ছুডমাৰ্ছন আহিছিল
তই যে কিদৰে প্ৰৰোচিত কৰ উদ্‌যাপন কৰিবলৈ জীৱনৰ উৎসৱ
আৰু শিকাব আত্মজাহৰ বৰ্ণমালা।' (কটন কলেজ— প্ৰণৱ কুমাৰ বৰ্মন)

এই মুহূৰ্তত কলাগুৰু বিষ্ণু ৰাভা প্ৰেক্ষাগৃহত সৌ তাহানি মঞ্জুৰ স'তে পতা সেই কথাবোৰ মই পাহৰি যাব খোজোঁ। 'এক প্ৰাচীন বোধিবৃক্ষৰ মমতাময় ছাঁ'ত জিৰাই থকা এজনী এঘাৰ বছৰীয়া ছোৱালীৰ কথা মই মাথোঁ মনত পেলাব খোজোঁ এই মুহূৰ্তত। তাইক কোনেও বৰ্ণমালা শিকোৱা নাই। কটন কলেজেও শিকোৱা নাই। কিন্তু, তাই সহস্ৰজনক এটা কথা শিকাইছে— জীৱনৰ উৎসৱ পালন কৰিবলৈ আৰু আত্মজাহৰ বৰ্ণমালা লিখিবলৈ।

আহা বিধৌত ঢৌ। আহা বিচ্ছুৰিত আলোক। আহা বিধ্বস্ত প্ৰহৰ। আহা বংময় কণ্ঠ। আহা মৰুভূ তৃষা। তুমি বুদ্ধ হৈ যোৱা আৰু মৃত্যু আৰু জড়াৰ বিৰুদ্ধে যৌৱনৰ প্ৰস্তাব দিয়া আজি। আৰু, কাইলৈ এক প্ৰাচীন বোধিবৃক্ষ হৈ যোৱা।

সৌজনী মিনি। চোৱা তাইলৈ— কিদৰে তাই বোধিবৃক্ষৰ দৰে মমতাৰে ভৰপূৰ হৈ উঠিছে। মোৰ দৰে তাৰো অকটনিয়ান আছিল। ❑

লেখক পৰিচিতি

(শেষৰ পাঁচ গৰাকীৰ বাদে আটাইকেইগৰাকী লেখক প্ৰাক্তন কটনিয়ান)

পুলিন দাস : জ্যেষ্ঠ ক্ৰীড়াবিদ; কটন কলেজ ছাত্ৰ একতা সভাৰ ১৯৩৯-৪০ বৰ্ষৰ ক্ৰীড়া সম্পাদক

আশ্ৰফ আলী : শিক্ষাবিদ, কটন কলেজৰ প্ৰাক্তন অধ্যক্ষ

ফটিক চন্দ্ৰ গগৈ : অসম চৰকাৰৰ বন বিভাগৰ প্ৰাক্তন মুখ্য সংৰক্ষক

অমলেন্দু গুহ : বিশিষ্ট ইতিহাসবিদ, লেখক

মহেশ চন্দ্ৰ ভূঞা : প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ প্ৰাক্তন অধ্যক্ষ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন পঞ্জীয়ক

ড° অণিমা গুহ (দাস) : বিশিষ্ট লেখিকা; কটন কলেজ ছাত্ৰ একতা সভাৰ ছাত্ৰী জিৰণি কোঠাৰ ১৯৪৯-৫০ বৰ্ষৰ সম্পাদিকা

তুলতুল বৰুৱা : শিক্ষাবিদ, বিশিষ্ট লেখিকা

নিৰুপমা বৰগোহাঞি : সাহিত্য অকাডেমি বঁটাপ্ৰাপ্ত বিশিষ্ট লেখিকা

কুলদা কুমাৰ ভট্টাচাৰ্য : বিশিষ্ট নাট্যশিল্পী, চলচ্চিত্ৰ-দূৰদৰ্শনৰ ধাৰাবাহিকৰ পৰিচালক

বঙ্ক ওজা : শিল্পী-সাহিত্যিক, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ বৰ্তমানৰ উপ-সভাপতি; কটন কলেজ ছাত্ৰ একতা সভাৰ ১৯৫৩-৫৪ বৰ্ষৰ সংগীত বিভাগৰ সম্পাদক

অপূৰ্ব কুমাৰ দাস : বিশিষ্ট সংগীত শিল্পী, সাংবাদিক

কনকসেন ডেকা : অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট সাংবাদিক

ড° শ্যামন্তভদ্ৰ মেধি : ভাৰতীয় প্ৰশাসনিক সেৱাৰ প্ৰাক্তন বিষয়া, ১৯৫৬-৫৭ বৰ্ষৰ কটনিয়ানৰ সম্পাদক

তাৰকেশ্বৰ চৌধুৰী : কটন কলেজৰ গণিত বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, বৰ্তমান তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক

প্ৰভাত চন্দ্ৰ ফুকন : গুৱাহাটী উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ, কটন কলেজ ছাত্ৰ একতা সভাৰ ১৯৫৮-৫৯ বৰ্ষৰ সাধাৰণ সম্পাদক

মামণি ৰয়ছম গোস্বামী : জ্ঞানপীঠ বঁটাপ্ৰাপ্ত সাহিত্যিক, দিল্লী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপিকা

দিলীপ কুমাৰ কাকতি : কটন কলেজৰ প্ৰাক্তন ডীন, কটন কলেজ ছাত্ৰ একতা সভাৰ ১৯৫৯-৬০ বৰ্ষৰ সাধাৰণ সম্পাদক

দিলীপ কুমাৰ বৰুৱা : কটন কলেজৰ প্ৰাক্তন ডীন, অৰ্থনীতিবিদ

ধীৰেন্দ্ৰ নাথ কলিতা ঃ উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, কটন কলেজ ছাত্ৰ একতা সভাৰ ১৯৫৯-৬০ বৰ্ষৰ সমাজ সেবা বিভাগৰ সম্পাদক

বিজনলাল চৌধুৰী ঃ এম চি কলেজৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, লেখক

ড° পৰমানন্দ মহন্ত ঃ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত পদাৰ্থবিজ্ঞান বিভাগৰ অধ্যাপক

গৌতম প্ৰসাদ বৰুৱা ঃ লেখক, অৰ্থনীতিবিদ

খনীন্দ্ৰ চন্দ্ৰ দাস ঃ কেন্দ্ৰীয় চৰকাৰৰ অৱসৰপ্ৰাপ্ত হিচাপ আৰু গাণনিক বিষয়া

গংগাপদ চৌধুৰী ঃ ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, কটনিয়ানৰ ১৯৫৯-৬০ বৰ্ষৰ সম্পাদক

গগন চন্দ্ৰ অধিকাৰী ঃ বিশিষ্ট শিশু সাহিত্যিক

অপূৰ্ব শৰ্মা ঃ সাহিত্য অকাডেমি বঁটাপ্ৰাপক গল্পকাৰ

ড° ৰবীন দেৱ চৌধুৰী ঃ ৰাষ্ট্ৰীয় সংগ্ৰহালয়ৰ প্ৰাক্তন সঞ্চালক

পোনেন বৰকটকী ঃ বিশিষ্ট সাহিত্যিক

ড° শিৱনাথ বৰ্মন ঃ বিশিষ্ট চিন্তাবিদ, লেখক, আৰ্য বিদ্যাপীঠ কলেজৰ পদাৰ্থবিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক

ড° সুশীল গোস্বামী ঃ লেখক, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰায়োগিক ভূতত্ত্ব বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক, কটন কলেজ ছাত্ৰ একতা সভাৰ ১৯৬৫-৬৬ বৰ্ষৰ সাধাৰণ সম্পাদক

ড° সুনীল পৱন বৰুৱা ঃ বিশিষ্ট লেখক, বি বৰুৱা মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক

শ্ৰীধৰ বৰুৱা ঃ বিশিষ্ট বিজ্ঞানী, বিশ্বনাথ মহাবিদ্যালয়ৰ ৰসায়ন বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক

ড° দীনেশ চন্দ্ৰ গোস্বামী ঃ যোৰহাটৰ উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ সঞ্চালক পৰ্যায়ৰ অৱসৰপ্ৰাপ্ত বিজ্ঞানী, ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত বিজ্ঞান লেখক

ড° অপৰাজিতা বৰকটকী ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন বিজ্ঞান গুৰু, প্ৰাণীবিজ্ঞান বিভাগৰ অধ্যাপিকা

নবীন বৰুৱা ঃ বিশিষ্ট লেখক, প্ৰকাশক

ড°পদ্মপাণি ঃ ফৰেনছিক লেবৰেটৰীৰ উপ-সঞ্চালক, গুৱাহাটী

হৰিশ সোণোৱাল ঃ বিশিষ্ট কবি, ভাৰতীয় প্ৰশাসনিক সেৱাৰ জ্যেষ্ঠ বিষয়া

ড° বিৰিঞ্চি কুমাৰ মেধি ঃ বিশিষ্ট সাহিত্যিক, গুৱাহাটী বিশ্ববিদ্যালয়ৰ নৃতত্ত্ব বিভাগৰ অধ্যাপক

আব্দুল মান্নান ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰিসংখ্যা বিভাগৰ অধ্যাপক, কটন কলেজ ছাত্ৰ একতা সভাৰ ১৯৬৮-৬৯ বৰ্ষৰ সাধাৰণ সম্পাদক

ড° সত্যেন্দ্ৰ কুমাৰ চৌধুৰী ঃ কটন কলেজৰ ৰসায়ন বিভাগৰ অধ্যাপক, কটন কলেজ ছাত্ৰ একতা সভাৰ ১৯৬৭-৬৮ বৰ্ষৰ সংগীত বিভাগৰ সম্পাদক

দীপক কুমাৰ গোস্বামী ঃ পৰিচালন সঞ্চালক, পৰ্যটন বিভাগ, অসম চৰকাৰ; কটন কলেজ ছাত্ৰ একতা সভাৰ ১৯৬৮-৬৯ বৰ্ষৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক

ৰয়েল আহমেদ ঃ কলকাতাৰ অসম ভৱনৰ তথ্য বিষয়া

ড° বসন্ত কুমাৰ দাস ঃ জিলা প্ৰাথমিক শিক্ষা বিষয়া, শোণিতপুৰ; কটন কলেজ ছাত্ৰ একতা সভাৰ ১৯৭১-৭২ বৰ্ষৰ লঘু ক্ৰীড়া বিভাগৰ সম্পাদক

ড° ভাৰতী দত্ত ঃ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ভূগোলবিজ্ঞান বিভাগৰ জ্যেষ্ঠা প্ৰবক্তা

মাহতাব উদ্দিন আহমেদ ঃ ভাৰতীয় প্ৰশাসনিক সেৱা, সচিব নগৰ উন্নয়ন বিভাগ অসম, কটন কলেজ ছাত্ৰ একতা সভাৰ সমাজ সেৱা বিভাগৰ ১৯৭৩-৭৪ বৰ্ষৰ সম্পাদক

মনজিৎ সিং ঃ অসম চৰকাৰৰ গাণনিক বিষয়া, কবি; কটনিয়ানৰ ১৯৭৪-৭৫ বৰ্ষৰ সম্পাদক

ড° মৃণাল কান্তি দত্ত ঃ আই আই টিৰ অধ্যাপক, অৰ্থনীতি বিভাগ

ড° ৰাজীৱ সন্দিকৈ ঃ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন শৈক্ষিক উপ-পঞ্জীয়ক, ৰীডাৰ ইতিহাস বিভাগ; কটন কলেজ ছাত্ৰ একতা সভাৰ ১৯৯১-৯২ বৰ্ষৰ উপ-সভাপতি

ড° ধীৰেন্দ্ৰ নাথ বৰঠাকুৰ ঃ অসম কৃষি বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাচাৰ্য কটনিয়ানৰ ১৯৪৬ ৪৭ বৰ্ষৰ সম্পাদক

ড° লক্ষহীৰা দাস ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষা বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপিকা, বিশিষ্ট কণ্ঠশিল্পী

যতীন হাজৰিকা ঃ অসম চৰকাৰৰ প্ৰাক্তন গৃহ আয়ুক্ত

ড° জয়ন্ত মাধৱ ঃ বিশিষ্ট চিন্তাবিদ, অৰ্থনীতিবিদ

ড° কে. ডি. ক্ৰোৰী ঃ কটন কলেজৰ প্ৰাক্তন অধ্যক্ষ

ড° জোৎস্না ভট্টাচাৰ্য ঃ কটন কলেজৰ দৰ্শন বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপিকা

অচ্যুত প্ৰসাদ শৰ্মা ঃ আবকাৰী বিভাগৰ অৱসৰপ্ৰাপ্ত আয়ুক্ত, কটন কলেজ ছাত্ৰ একতা সভাৰ ১৯৫২-৫৩ বৰ্ষৰ সাংস্কৃতিক বিভাগৰ সম্পাদক

হৰেন্দ্ৰ নাথ দাস ঃ অসম চৰকাৰৰ প্ৰাক্তন মুখ্য সচিব, কটন কলেজ ছাত্ৰ একতা সভাৰ ১৯৫৩-৫৪ বৰ্ষৰ সাধাৰণ সম্পাদক

ৰমণী কান্ত ডেকা ঃ অসম অসামৰিক সেৱা বিভাগৰ অৱসৰপ্ৰাপ্ত বিষয়া, কটন কলেজৰ ১৯৫৩-৫৪ বৰৰ্ষ তৰ্ক বিভাগৰ সম্পাদক

ড° নিৰ্মল কুমাৰ চৌধুৰী ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য, কটন কলেজ ছাত্ৰ একতা সভাৰ ১৯৫৩-৫৪ বৰ্ষৰ সাধাৰণ সম্পাদক

ৰবীন্দ্ৰ চন্দ্ৰ বৰুৱা ঃ ভাৰতীয় ৰে'লৱেৰ গাণনিক সেৱা বিভাগৰ অৱসৰপ্ৰাপ্ত বিষয়া, কটন কলেজ ছাত্ৰ একতা সভাৰ ১৯৫৪-৫৫ বৰ্ষৰ টেনিছ বিভাগৰ সম্পাদক

তফজ্জুল হুছেইন ঃ ভাৰতীয় প্ৰশাসনিক সেৱা বিভাগৰ অৱসৰপ্ৰাপ্ত বিষয়া, কটন কলেজ ছাত্ৰ একতা সভাৰ ১৯৫৪-৫৫ বৰৰ্ষ তৰ্ক বিভাগৰ সম্পাদক

ড° পুলিন দত্ত ঃ কটন কলেজৰ ১৯৫৬-৫৭ বৰ্ষৰ সাধাৰণ সম্পাদক

ড° কুলেন্দু পাঠক ঃ বিশিষ্ট বিজ্ঞানী, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য

বিমল দত্ত লহকৰ ঃ ইণ্ডিয়ান কাৰ্বনৰ অৱসৰপ্ৰাপ্ত চাকৰিয়াল, অসম চৰকাৰৰ দ্বাৰা সন্মানিত টেবুল টেনিছ খেলুৱৈ

জ্যোতিপ্ৰসাদ ৰাজখোৱা ঃ অসম চৰকাৰৰ প্ৰাক্তন মুখ্য সচিব
ড° কমলেশ চৌধুৰী ঃ কটন কলেজৰ ৰসায়ন বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক
ড° দয়ানন্দ পাঠক ঃ লেখক, প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ অধ্যক্ষ
ৰবীন কলিতা ঃ ভাৰতীয় ৰে'ল সেৱা বিভাগৰ জ্যেষ্ঠ প্ৰশাসনিক বিষয়া
ড° তিলোত্তমা বৰুৱা ঃ কটন কলেজৰ নৃতত্ত্ব বিভাগৰ জ্যেষ্ঠ প্ৰবক্তা
মনোজ দাস ঃ নেড্‌ফিৰ উপ-পৰিচালন সঞ্চালক, দিল্লীৰ অসম এছ'চিয়েচনৰ প্ৰাক্তন সম্পাদক
উৎপল বৰপূজাৰী ঃ সাংবাদিক, ৫০তম ৰাষ্ট্ৰীয় চলচ্চিত্ৰ সমাৰোহৰ চলচ্চিত্ৰ সমালোচনাত স্বৰ্ণকমল
চেনেহী বেগম ঃ শিক্ষাবিদ, সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষা
ড° লিলি ৰাজবংশী ঃ ডিফু চৰকাৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন অধ্যাপিকা
প্ৰতিমা ঠাকুৰীয়া ঃ বিশিষ্ট লেখিকা
বন্দিতা ফুকন ঃ বিশিষ্ট সাহিত্যিক
ৰবেন্দ্ৰ কুমাৰ দাস ঃ অসম চৰকাৰৰ সংমণ্ডল আয়ুক্ত, উত্তৰ অসম সংমণ্ডল, তেজপুৰ, লেখক

□□□

কৃতজ্ঞতা

ড° ইন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, ড°নন্দিতা ভট্টাচাৰ্য্য গোস্বামী, কটন কলেজৰ শিক্ষাগুৰুসকল, ড° জয়ন্ত মাধৱ, মহেশ চন্দ্ৰ ভূঞা, ড° কিশোৰী মোহন পাঠক, ড° নিৰ্মল কুমাৰ চৌধুৰী, অঙ্যুত প্ৰসাদ শৰ্মা, হৰেন্দ্ৰ নাথ দাস, ৰমনীকান্ত ডেকা, গংগাপদ চৌধুৰী, ধীৰেন্দ্ৰ নাথ কলিতা, দিলীপ কুমাৰ বৰুৱা, হেদায়তুল মুনিৰ, ড°কমলেশ চৌধুৰী, ড°সত্যেন্দ্ৰ কুমাৰ চৌধুৰী, ড° সমুজ্জ্বল ভট্টাচাৰ্য্য, শংকৰ প্ৰসাদ ৰায়, তপন কুমাৰ গগৈ, শিৱব্ৰত কাকতি, অতুল বৰা, ভুবনেশ্বৰ কলিতা, দিলীপ বৰা, খগেন শৰ্মা, সুভাষ দাস, গনেশ কলিতা, অজয় বৰদলৈ, দীপক কুমাৰ গোস্বামী, সুশান্ত ঠাকুৰীয়া, মাহতাব উদ্দিন আহমেদ, প্ৰভাত কোঁৱৰ, বেণী মাধব দলে, হেমন্ত বৰ্মন, মৃদুল দত্ত, কুল শইকীয়া, ৰঘু কলিতা, অনুপ দত্ত, নৃপেন ঠাকুৰীয়া যতীন পাৰৈ, চক্ৰধৰ গগৈ, অৱনী সুত্ৰধৰ, ড° যতীন কলিতা, ড° বসন্ত দাস, মনজিত সিং প্ৰদ্যুত বৰদলৈ, নুৰ মহম্মদ, হীৰেণ নাথ, প্ৰদীপ শালৈ, ড° অৰূপ জ্যোতি চৌধুৰী, ড° প্ৰাঞ্জল ৰাজখোৱা, বিপুল দেউৰী, সঞ্জীৱ শইকীয়া, শ্যামা দাস, প্ৰদীপ দাস, সঞ্জীৱ বৰঠাকুৰ, বি বি হাগজেৰ, ৰাজু দাস, চিত্ৰ ৰঞ্জন ডেকা, দিগন্ত গগৈ, কনক শৰ্মা, পৰাগ শৰ্মা, ৰাতুল বৰুৱা, মহদানন্দ হাজৰিকা, মনোজ ডেকা, অলক চহৰীয়া, বিষ্ণুকমল বৰা, ইন্দ্ৰ কলিতা, জ্যোতিষ শৰ্মা, নৰুল হাচান, অভিজিত চেতিয়া, দেবজ্যোতি চেতিয়া, মুকুট কলিতা, প্ৰীতম বৰুৱা, ৰাইহান উদ্দিন আহমেদ, অৰূপ মিশ্ৰ, বিত্ত গোস্বামী, মনোজ তালুকদাৰ, অভিজিত বৰঠাকুৰ, সুৰেশ কুমাৰ নাথ, ড° মহেশ্বৰ কলিতা, ড°শান্তনু শৰ্মা, ড° অভিজিত বৰদলৈ, ড° হিমন্ত বিশ্ব শৰ্মা, পাৰ্থ সাৰথি মহন্ত, ৰাজীৱ সন্দিকৈ, অমৰেন্দ্ৰ নাথ, নবজ্যোতি বৰা, দেবজিত শইকীয়া, নবকুমাৰ দলে, প্ৰাঞ্জল ডেকা, ত্ৰিদিব দুৱৰা, ৰাজেশ বৰা, প্ৰদীপ টিমুং, ৰাজেন সিং, পংকজ সিং, পাঞ্চালী চৌধুৰী, প্ৰিয়ব্ৰত হাজৰিকা, বুৰ্হিন মৰাং, দিগন্ত শৰ্মা, নাচিৰ গুল খান, লাচিত কলিতা, দিগন্ত বৰা, বিবেক দাস, দিলীপ গগৈ, খগেশ্বৰ পেগু, দিবাকৰ দলে, ৰাহুল দাস, লোহিত হাজৰিকা, শান্তনু শইকীয়া, প্ৰণবজ্যোতি বৰা, কনজিত বৰ্মন, হেম প্ৰকাশ মাউত, অজিত দাস, গৌতম হালৈ, জীতমণি গগৈ, বিণি কাকতি, ড°অপৰাজিতা বৰকটকী, অৰুণিমা বৰুৱা, দিপালী বৰগোহাই, সবিতা চৌধুৰী, নীৰা সোনোৱাল, ড°ৰূপালী ফুকন, ড°তিলোত্তমা বৰুৱা, সংগীতা গগৈ, পলি বৰা, অনামিকা ৰায়, গিতালী বৰা, মনজিৎ ৰাজখোৱা, অমল

...

কৃষ্ণ ভৰালী, ভাৰতী ভৰালী, কৰবী দত্ত, জয়শ্ৰী বড়াগোহাঞি, স্বপ্নালী কলিতা, হিমাদ্ৰী দত্ত ধৰিত্ৰী দত্ত, সংগীতা শইকীয়া, পিনাক্ষী ফুকন, গাগৰি দত্ত, মনু গোস্বামী, ঋষি কেশ গোস্বামী ৰাজ কাকতি; যতীন বৰা, দীপাংক নাথ, প্ৰিন্স ফাইজুল হক, বিপুল ৰাভা, দীপক পাটোৱাৰী বসন্ত শইকীয়া, হিতেশ্বৰ ফুকন, দেবজিত মজুমদাৰ, তুলাৰাম গগৈ, আনন্দ টায়ে, কৃষ্ণ দাস অমৰ জ্যোতি গোস্বামী, পৰাণজ্যোতি দত্ত, প্ৰীতম হাজৰিকা, হিৰোজ বৰা, দেবজিত বৰা, জিতু কোঁৱৰ, নব শইকীয়া, দীপজ্যোতি দুৱৰী, আদিত্য হাজৰিকা, ৰূপম গগৈ, মানস বৰা, পলাশ তামুলী, ড° অংকুৰ গোস্বামী, ড° চান্দিক ইছলাম, ড° তনবীৰ আলম, দীপৰাজা মিলি, হিমাংশু দত্ত, হেমেন ডেকা, অম্লান দে, জ্যোতি প্ৰসাদ মেধি, চম্পক গগৈ, কৌশিক চুতীয়া, দীপজ্যোতি ফুকন, বিশ্বজিত গগৈ, হিমাংশু হাজৰিকা, উত্তম দেব, উৎপল বৰা, দেবব্ৰত টাইড, জয়ন্ত কলিতা, প্ৰজ্ঞান ভূঞা, মানব মেধি, জাহ্নু ভৰদ্বাজ, মুস্তাফা জমিল, প্ৰকাশ ছেত্ৰী, স্বৰাজ ফুকন, ভাৰ্গব কছাৰী, দীপমণি গগৈ, কেশৱ বড়ো, জেহিৰুল, সমীৰণ, বহ্নিশিখা হৰি, কটন কলেজৰ কৰ্মচাৰী বৃন্দ, কটন কলেজ ছাত্ৰ-একতা সভা, ভৱানী অফছেটৰ স্বত্তাধিকাৰী আৰু সমূহ কৰ্মচাৰী, এপোকাছৰ সমূহ সদস্য।

□□□